# শিক্ষক সমাজ
# তথা
# সমাজ শিক্ষক

(দাৰ্শনিক পণ্ডিত ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ পৰা সুৰ সম্ৰাট
ড° ভূপেন হাজৰিকালৈ জীৱন আৰু কৰ্মৰ ওপৰত আধাৰিত)

ড° ৰবীন্দ্ৰ নাথ দাস

বি. আৰ. কলিতা
বুক ডিপো
পাণবজাৰ
গুৱাহাটী

*'SIKSHAK SAMAJ TATHA SAMAJ SIKSHAK'...*

A compilation of short biographies of fifteen distinguished persons and their contribution to the society in their respective fields, written with a new approach by Dr. Rabindra Nath Das, Sr. Lecturer, Bongaigaon College, and Published by Sri Haren Kalita on behalf of M/s. B.R. Kalita Book Depot, Panbazar, Guwahati **First Edition : June 2002, Price Rs. 70/-** (Seventy) only.

প্ৰকাশক : শ্ৰী হৰেন কলিতা
বি. আৰ. কলিতা বুক ডিপো
পাণবজাৰ, গুৱাহাটী

প্ৰথম সংস্কৰণ : জুন, ২০০২

লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ঃ

মূল্য : ৭০.০০ টকা মাত্ৰ

প্ৰচ্ছদ : চন্দন চুতীয়া

ডি. টি. পি. : নিউম টেকনম্

# অৰ্পণ

বিজনী মতিলাল বগৰীয়া মজলীয়া স্কুল আৰু বিজনী বান্ধৱ হাইস্কুলৰ পৰা আৰম্ভ কৰি গুৱাহাটী বিশ্ববিদ্যালয় - কলিকতা বিশ্ববিদ্যালয়লৈকে --- যিসকল শিক্ষাগুৰুৰ সান্নিধ্য লাভে ছাত্ৰজীৱনৰ বিভিন্ন সময়ত আমাক অনুপ্ৰেৰণা দিছিল -- তেওঁলোকৰ কৰকমলত এই ক্ষুদ্ৰ প্ৰয়াস অৰ্পণ কৰা হ'ল।

————— লেখক

# সূচীপত্ৰ

## প্ৰথম খণ্ড


- দাৰ্শনিক পণ্ডিত ড° সৰ্বৰ্পল্লী ৰাধাকৃষ্ণন..... ১ - ১৭
- বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ ..... ১৮ - ৩৮
- ঋষি অৰবিন্দ ..... ৩৫ - ৫০
- স্বামী বিবেকানন্দ ..... ৫১ - ৬৮
- বিজ্ঞানী পণ্ডিত চি. ভি. ৰামণ .... ৬৯ - ৭৫


## দ্বিতীয় খণ্ড


- সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ..... ৭৬ - ৯৩
- অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী ..... ৯৪ - ১১০
- প্ৰাচ্যবিদ্যাৰ্ণৱ ড° কৃষ্ণকান্ত সন্দিকৈ ......১১১ - ১২৭
- ভাষাবিদ্ ড° বাণীকান্ত কাকতি ..... ১২৮ - ১৪৪
- লোকপ্ৰিয় গোপীনাথ বৰদলৈ ..... ১৪৫ - ১৬২
- ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা .... ১৬৩ - ১৭৭
- কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা ..... ১৭৮ - ১৮৯
- নীৰৱ সাধক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য .... ১৯০ - ২০৪
- কথাশিল্পী চৈয়দ আব্দুল মালিক ..... ২০৫ - ২১০
- সুৰ সম্ৰাট ড° ভূপেন হাজৰিকা ..... ২১১ - ২২৪

# লেখকৰ দু-আষাৰ

শিক্ষক এডাল মমবাতিৰ দৰে, যি নিজে গলি আনক পোহৰ দিয়ে। এগৰাকী সফল শিক্ষক বুলিলে কেৱল শ্ৰেণীকোঠাত ভালকৈ পঢ়ুৱাব জনাজনকে নুবুজায়, শ্ৰেণীকোঠাৰ বাহিৰতো নিজকে শিক্ষক হিচাপে প্ৰতিষ্ঠা কৰিব পৰাজনহে প্ৰকৃত শিক্ষক । শিক্ষক জনৰ প্ৰত্যেকটো কামকে ছাত্ৰৰূপী সমাজে ক'ব নোৱাৰাকৈঅনুকৰণ কৰি লয়। সেয়েহে বিদ্যায়তনিক আৰু অবিদ্যায়তনিক - দুয়োটা দিশতে সমানে উত্তীৰ্ণ হ'ব পৰাজনহে প্ৰকৃতভাৱে শিক্ষিত বুলি ক'ব পাৰি। ব্যক্তিত্ব সম্পন্ন আৰু সাধনালব্ধ শিক্ষক সমাজৰ আদৰ্শ ব্যক্তি। সমাজৰ চৰিত্ৰ গঠনত এওঁলোকৰ ভূমিকা অনস্বীকাৰ্য্য।

"শিক্ষক সমাজ তথা সমাজ শিক্ষক" - গ্ৰন্থখনিত মূলত অসম তথা ভাৰতবৰ্ষৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ জীৱন আৰু কৰ্মৰ ওপৰত আলোকপাত কৰি থুলমূলকৈ আভাস দিবলৈ প্ৰয়াস কৰা হৈছে। এই বিশিষ্ট ব্যক্তিসকলৰ কেইজমানে শিক্ষানুষ্ঠানৰ আনুষ্ঠানিক শিক্ষাৰ যোগেৰে ছাত্ৰ সমাজক শিক্ষা দিছিল আৰু আন কেইজনমান আছিল সমাজ আৰু জাতিৰ অভিভাৱক স্বৰূপ, বা এক-কথাত সমাজ শিক্ষক। এই প্ৰতিভাশালী ব্যক্তিসকলে তেওঁলোকৰ জীৱনজোৰা শ্ৰম আৰু সাধনাৰ যোগেৰে আমাৰ জাতীয় জীৱনলৈ এক উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে।

এই গ্ৰন্থখনিত পোন্ধৰজন বিশিষ্ট ব্যক্তিৰ জীৱনী নিবন্ধ সন্নিবিষ্ট কৰা হৈছে। এই নিবন্ধ সমূহ ক্ৰম অনুসাৰে সজাওঁতে কোনো বিশেষ দিশৰ প্ৰতি গুৰুত্ব দি সজোৱা হোৱা নাই। শিক্ষকতাকে জীৱনৰ ব্ৰত কৰি লোৱা আন্তৰ্জাতিক খ্যাতিসম্পন্ন দাৰ্শনিক পণ্ডিত ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণনক প্ৰথম স্থানত ৰাখি অসম তথা ভাৰতবৰ্ষৰ সাংস্কৃতিক জীৱনলৈ বিশেষ অৱদান আগবঢ়াই বৰ্ত্তমানলৈ জীৱিতাবস্থাত থকা সুৰ সম্ৰাট ডঃ ভূপেন হাজৰিকাৰ কৰ্ম জীৱনৰ বিষয়ে সৰ্ব্বশেষত সন্নিবিষ্ট কৰা হৈছে।

গ্ৰন্থখনি প্ৰস্তুত কৰোঁতে বিভিন্ন কাকত পত্ৰ-আলোচনী তথা পুথি-পাঁজিৰ সহায় লোৱা হৈছে। এজন বিশিষ্ট ব্যক্তিৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত সঠিকভাৱে আলোকপাত কৰাটো অতি জটিল। সেইবাবে কিছু ভুল-ত্ৰুটি

বৈ যোৱাটো স্বাভাৱিক। সহৃদয় পঢ়ুৱৈয়ে এই ভুল-ত্ৰুটি বোৰ দেখুৱাই দিলে পৰম কৃতাৰ্থ হ'ম আৰু পিছলৈ সেইবোৰ আঁতৰাবৰ বাবে বিশেষ যত্ন ল'ম। পাণ্ডুলিপিৰ অক্ষৰ বিন্যাসৰ কামখিনি কৰাত সহায় কৰি দিয়াৰ বাবে বঙাইগাঁৱৰ নিতম টেকনম্‌ৰ স্বত্বাধীকাৰী শ্ৰীযুত কামাখ্যা শৰ্মাৰ লগতে শ্ৰীদেৱব্ৰত দাস, অধ্যাপিকা শ্ৰীবিউটি দাস, শুভাকাঙ্খী শ্ৰীযুত কমল কটকী আৰু সৰ্ব্বশেষত গ্ৰন্থখনিৰ প্ৰকাশৰ দায়িত্বলৈ বাইজৰ মাজলৈ উলিয়াই দিয়াৰ বাবে অসমৰ আগশাৰীৰ প্ৰকাশক শ্ৰীযুত হৰেন কলিতাদেৱলৈ এই চেগতে মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ। শেষত এই গ্ৰন্থখনিৰ যোগেৰে কাৰোবাৰ কিঞ্চিৎ মানও উপকাৰ হোৱা দেখিলে শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

বঙাইগাঁও
০৬/০৬/২০০২

শ্ৰীৰবীন্দ্ৰ নাথ দাস
(ড° ৰবীন্দ্ৰ নাথ দাস)
বঙাইগাঁও মহাবিদ্যালয়।

# কৃতজ্ঞতা

এই গ্ৰন্থখনি ৰচনা তথা প্ৰকাশৰ ক্ষেত্ৰত দিহা - পৰামৰ্শ আগবঢ়োৱাৰ বাবে বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষক শ্ৰদ্ধেয় শ্ৰীযুত অমৰেন্দ্ৰ নাথ বৰগোঁহাইদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। দেশৰ আইনৰ প্ৰতি সকলোকে শ্ৰদ্ধাশীল হ'বলৈ শিক্ষা দি এক সফল সমাজ শিক্ষকৰ ভূমিকা পালন কৰা শ্ৰীযুত বৰগোঁহাইদেৱৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা অনুৰাগ সচাঁকৈয়ে আদৰণীয়।

—— লেখক

*" Philosophy carries us to the gates of the promised land, but can not let us in ; for that, insight or realisation is needed"*

---------- Dr. S. RadhaKrishnan.

# দাৰ্শনিক পণ্ডিত ড০ সৰ্ব্বপল্লী ৰাধাকৃষ্ণন

শুভ্ৰ ৰেশমী গলবন্ধা, আঠুলৈকে যি পৰা দীঘল কোট আৰু ধুতি, মুৰত শুধবগা পাগুৰি, দুটি উজ্জ্বল আলোক সন্ধানী চকুৰ সৈতে অসামান্য ব্যক্তিত্বৰ অধিকাৰী বিশ্ববিশ্ৰুত দাৰ্শনিক পণ্ডিত গৱেষক ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণন এগৰাকী বিশিষ্ট শিক্ষকৰূপে সৰ্বজন পৰিচিত ব্যক্তি। বিভিন্ন বিশ্ববিদ্যালয়, শিক্ষানুষ্ঠান আদিত শিক্ষকতা কৰা কালচোৱাত শ্ৰেণীত যেতিয়া তেখেতে পাঠ দান বা বক্তৃতা দিছিল তেতিয়া ছাত্ৰ-ছাত্ৰীসকল তেওঁৰ চকুমুখলৈ থৰ হৈ চাই থকাৰ সময়। এই বিশ্ববিখ্যাত শিক্ষক গৰাকীয়ে শ্ৰেণীত পাঠদান কৰাৰ সময়ত হাতত কোনো কিতাপ পুঁথি বা নোট্‌ছ লৈ নাযায়। শ্ৰেণীত কথা কৈ যাওঁতে তেওঁৰ বক্তৃতা এনেভাৱে কথাৰ লগত সজাই দিয়ে যেন এক অনবদ্য সৃষ্টিশীল ভাৱণ পৰিবেশন হৈ গ'ল। শব্দচয়নেৰে, উপমাৰে একোটা দুৰূহ কঠিন বিষয়ক তেওঁ এনেকুৱা সহজভাৱে পৰিবেশন কৰে যে ক্লাচটোৰ পিছত ছাত্ৰ-ছাত্ৰী সকলে বিস্ময়ত মনতে ভাবিবলৈ ধৰে যে ক্লাচটো শেষ হৈ যোৱাৰ পিছতো যেন শেষ হোৱা নাই।

এটা সাধাৰণ তেলেগু ব্ৰাহ্মণ পৰিয়ালত ১৮৮৮ চনৰ ৫ চেপ্তেম্বৰ তাৰিখে মাদ্ৰাজৰ ওচৰৰ তিৰুৱানী নামে এখন সৰু গাওঁত ডঃ ৰাধাকৃষ্ণনৰ জন্ম হৈছিল। ব্ৰাহ্মণ পৰিয়ালত জন্ম হেতুকে সৰুৰে পৰা তেওঁৰ মন ধৰ্ম তথা দৰ্শনৰ প্ৰতি আকৰ্ষিত হৈছিল। গম্ভীৰ প্ৰকৃতিৰ ডঃ ৰাধাকৃষ্ণনে প্ৰথম বিভাগত এম. এ. পাচ কৰাৰ পিছত অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ পৰাই ডক্টৰেট ডিগ্ৰি লাভ কৰে। প্ৰায় চল্লিছ বছৰ কাল মহীশূৰ, মাদ্ৰাজ, কলিকতা, কাশী আৰু অন্ধ্ৰ বিশ্ববিদ্যালয়ত শিক্ষকতা কৰিছিল। ইয়াৰোপৰি ভাৰতৰ অইন অইন বিশ্ববিদ্যালয়ৰ উপৰিও ইউৰোপ,

আমেৰিকা, আফ্রিকাৰ বিভিন্ন বিশ্ববিদ্যালয়ত ধৰ্ম আৰু দৰ্শনৰ ওপৰত তত্ত্বগধুৰ বক্তৃতাৰে সকলোকে প্ৰভাৱান্বিত কৰিছিল। অক্সফোৰ্ড বিশ্ববিদ্যালয়ত প্ৰাচ্য ধৰ্ম আৰু নৈতিকতাৰ অধ্যাপকৰূপে কাম কৰাৰ উপৰিও কলিকতা বিশ্ববিদ্যালয়ত নৈতিক বিজ্ঞানৰ ‘পঞ্চম জৰ্জৰ’ আসন লাভ কৰিছিল। পিছলৈ বাৰানসী আৰু অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ আসনও অলংকৃত কৰিছিল। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত ডঃ ৰাধাকৃষ্ণন ভাৰতৰ ৰাষ্ট্ৰদূতৰূপে কিছুকাল ৰাচিয়াত কটায়। ১৯৫২ চনত তেখেতে ভাৰতৰ উপৰাষ্ট্ৰপতি আৰু ১৯৬২ চনত ৰাষ্ট্ৰপতিৰ আসন অলংকৃত কৰে। ১৯৫৪ চনত ডঃ ৰাধাকৃষ্ণনক ভাৰত চৰকাৰে ‘ভাৰত ৰত্ন’ উপাধীৰে বিভূষিত কৰে।

ভাৰতীয় দৰ্শনত ঈশ্বৰ আৰু জগত সম্পৰ্কে যিবোৰ দণ্ড আছে, সেইবোৰৰ বিশ্লেষনৰ ওপৰতেই ৰাধাকৃষ্ণনে জীৱনৰ বেছিভাগ সময় অতিবাহীত কৰিছিল। এইবোৰৰ প্ৰতি তেখেতে দৰ্শনৰ ছাত্ৰ-ছাত্ৰী সকলৰ দৃষ্টি আকৰ্ষন কৰি বুজাইছিল যে ব্ৰহ্মাক আনন্দস্বৰূপ বুলি উপলব্ধি কৰিবলৈ হ’লে বিভিন্ন স্তৰ বা সোপানৰ মাজেৰে অগ্ৰসৰ হ’ব লাগিব। অৰ্থাৎ জড় বিষয়ৰ পৰা প্ৰাণ, প্ৰাণৰ পৰা মন, মনৰ পৰা বিজ্ঞান আৰু শেষত বিজ্ঞানৰ পৰা আনন্দত উপনীত হ’ব পাৰি। অৰ্থাৎ জড় বিষয়ৰ পৰা একেধাপে আনন্দলৈ যাব নোৱাৰি। অধ্যাত্ম সাধনাৰ ক্ষেত্ৰতও নানা স্তৰ বা সোপান আছে। ব্যক্তি যি পৰিমানে আধ্যাত্মিক শক্তিৰ অধিকাৰী হয়, সেই পৰিমানে তেওঁ তলৰ ধাপৰ পৰা ওপৰৰ ধাপলৈ লাহে লাহে আৰোহণ কৰে। সেইবাবেই উপনিষদত ব্ৰহ্মাক ধাপে ধাপে অৰ্থাৎ আত্মাক অন্নময়, প্ৰাণময়, মনোময়, বিজ্ঞানময় আৰু সৰ্ব্বশেষত আনন্দময় ৰূপত উপলব্ধি কৰাৰ কথা কৈছে। মানুহৰ বুদ্ধি যিমানেই পৰিপূৰ্ণতা লাভ নকৰক কিয়, অধ্যাত্ম সাধনাৰ ক্ষেত্ৰত সেই বুদ্ধি বা বিজ্ঞান শেষ কথা নহয়। বিজ্ঞানৰ ওপৰতো বৃহত্তৰ তথা মহত্তৰ অৱস্থাৰ অস্তিত্ব আছে আৰু তাৰ নামেই হ’ল আনন্দ। এই অৱস্থা লাভ কৰিলে ব্যক্তিয়ে অন্তৰ্যামী ঈশ্বৰক বহিৰ্জগতৰ কেন্দ্ৰগত সত্য ব্ৰহ্মাৰ সৈতে অভিন্ন বুলি উপলব্ধি কৰিব পাৰে। ব্যক্তিৰ সকলো অপূৰ্ণতাই তেতিয়া পূৰ্ণতা পায় আৰু সকলোবোৰ খণ্ড খণ্ড বিচ্ছিন্ন অনুভৱবোৰ এক ছন্দোময় গতিলৈ ৰূপান্তৰিত হয়। এই প্ৰসঙ্গত ৰাধাকৃষ্ণনে এই

সিদ্ধান্তত আহিছে যে চৰম সত্য অপৰোক্ষ অনুভূতিৰদ্বাৰাহে লাভ কৰিব পাৰি। এই সত্যৰ ৰহস্য অকল বিচাৰ-বুদ্ধিৰদ্বাৰা উদ্ঘাটন কৰিব নোৱাৰি। অৱশ্যে যদিও চৰম সত্যক অকল বিচাৰ বুদ্ধিৰ দ্বাৰা জানিব নোৱাৰি তথাপি কিছুমান দ্ৰষ্টা ঋষিয়ে যেতিয়া এই সত্যক জানিব পাৰিছে বুলি ঘোষনা কৰিছে, তেতিয়া জানিব লাগিব যে এই জ্ঞান বা উপলব্ধিৰ মাধ্যম বুদ্ধি অতিৰিক্ত অন্য কোনো উৎস হ'ব পাৰে যাক স্বজ্ঞা বা অতীন্দ্ৰিয় উপলব্ধি বুলি কোৱা হয়। উপনিষদ অকল কোনো ধৰা বন্ধা চিধা ৰাস্তাৰেই অগ্ৰসৰ হোৱা নাই। অজ্ঞানতাৰ বাবেই ব্যক্তিৰ লগত ব্যক্তিৰ বিৰোধ হয় আৰু অজ্ঞানতাৰ পৰাই স্বাৰ্থান্ধতা, ধৰ্মান্ধতা, লোভ, হিংসা ইত্যাদিৰ আবিৰ্ভাৱ হয়। অজ্ঞানতাৰ বাবেই যিহেতু এনেবোৰ দোষ হয়, গতিকে প্ৰকৃত জ্ঞানৰ মাধ্যমতেই মানুহৰ মুক্তি বা মোক্ষ আছে। মানুহ যে অমৃতৰ পুত্ৰ, মানুহ যে অনন্ত শক্তিৰ অধিকাৰী- এই কথাফাকিয়ে মুক্তিলাভৰ লগে লগেই মানুহৰ জীৱন মহিমামণ্ডিত কৰে। শঙ্কৰাচাৰ্য্যই কৈছে যে মুক্তি কোনো প্ৰাপ্য বা লভ্য জিনিষ নহয়, আচলতে মানুহ স্বভাৱতেই মুক্ত। অজ্ঞানতাৰ আবৰণৰ বাবেই এই সত্যটিক মানুহে উপলব্ধি কৰিব নোৱাৰে।

ডঃ ৰাধাকৃষ্ণনে ১৯২৯ চনৰ ডিচেম্বৰ মাহত মানচেষ্টাৰ বিশ্ববিদ্যালয়ত আৰু ১৯৩০ চনৰ জানুৱাৰী মাহত লণ্ডন ইউনিভাৰচিটি কলেজত --'An idealist view of life ' অৰ্থাৎ 'জীৱনৰ আদৰ্শবাদ' শিতানত দিয়া কেইবালানিও বক্তৃতাত ধৰ্মৰ প্ৰতি বিজ্ঞান আৰু সমাজৰ প্ৰত্যাহ্বান, ইয়াৰ প্ৰভাৱ, ধাৰ্মিক সচেতনতাৰ দাবীসমূহ, ধৰ্মসত্বাৰ প্ৰকৃতবোধ ইত্যাদি বিষয়সমূহৰ প্ৰতি অনুসন্ধিতসু ব্যক্তিৰ দৃষ্টি আকৰ্ষন কৰিছে। ধৰ্মৰ সাম্প্ৰতিক অৱস্থা অধ্যয়ন কৰি পৰিবৰ্ত্তনশীল জগতত আদৰ্শবাদী দৰ্শনৰ দৃষ্টিভঙ্গী প্ৰতিপাদন কৰিবলৈ আৰু আদৰ্শবাদৰ চলি অহা দাৰ্শনিক তথ্য সমূহক নতুন দৃষ্টিভঙ্গীৰে বুজাবলৈ তেখেতে প্ৰযত্ন কৰিছে।

জীৱনৰ আদৰ্শবাদ বা ভাববাদ বুলিলে আদৰ্শ বুলিৰ পৰা মনৰ ভাবকে বুজাব পাৰি। ইয়াক বিভিন্ন মত বুজাবলৈ ব্যৱহাৰ কৰা হয়। 'ভাবক' এজন ব্যক্তিৰ নিজা বিশেষ মানসিক প্ৰতিবিম্ব বুলি ধৰি লোৱা হয়। ভাবসমূহৰ সমষ্টিয়েই হ'ল প্ৰকৃত। কাণ্টৰ মতে ইন্দ্ৰিয়গ্ৰাহ্য।

বোধসমূহক মননৰীতিৰ পৰা বিস্তাৰিত কৰাটোৱেই জ্ঞান। জগতখন অকল দৃশ্যমান বস্তু সমূহেই নহয়, ই তাৰ সীমা পাৰ হৈ যায়। অসীম মনৰ আগতো ই প্ৰকাশ হয় এই মননৰীতিৰ দ্বাৰা। এই মননৰীতিসমূহ আত্মমূখী আৰু ভাববিশেষ মাত্ৰ। ডঃ ৰাধাকৃষ্ণনৰ মতে জীৱনৰ আদৰ্শবাদক কোনো বিশেষ ধৰাবন্ধা মতবাদেৰে বুজাব নোৱাৰি। বহুতো বিভিন্নতা আৰু বিৰোধিতাৰ মাজতো একেটি সত্বাৰে সৃষ্ট কিছুমান বিশেষ সাধাৰণ মূল কথাও নিহীত হৈ আছে। প্ৰাচ্যত উপনিষদ, বেদ আদিৰ উৎসই আৰু পাশ্চাত্যত চক্ৰেটিচ, প্লেটো আদি দাৰ্শনিকে বিস্তৃত ভাষাত যেন একে মতবাদকেই দাঙি ধৰি গৈছে। ন্যায়, বৈশেষিক, সাংখ্য আৰু যোগ আদি হিন্দু ধৰ্মৰ বিভিন্ন বাস্তৱবাদী দৰ্শন সমূহ উপনিষদৰ আদৰ্শবাদী মত পৰম্পৰাৰ মূল তাৎপৰ্য্যৰ লগত বিশেষ অমত নাই, অৰ্থাৎ প্ৰকৃত সত্যৰ লগত পৰম মূল্যৰ বিভেদ নাই। পৰম পুৰুষেই সত্বা, চৈতন্য আৰু মুক্তি বা সৎ-চিৎ-আনন্দ। পশ্চিমতো চক্ৰেটিচ, প্লেটো আদিয়ে মূল্য আৰু সত্বাৰ মৌলিক সম্বন্ধৰ আদৰ্শবাদী দৃষ্টিভঙ্গী ৰক্ষণ কৰি চলি আহিছে। কিয়োনো প্লেটোৰ মতে জগতৰ অৰ্থ হ'ল শ্ৰেয়স লাভ।

ব্ৰহ্মৰ স্বৰূপৰ উপলব্ধিৰ কথা বুজাবলৈ গৈ ডিঃ ৰাধাকৃষ্ণনে মাৰ্ক্সীয় দৰ্শন আৰু ফ্ৰয়েদীয় তত্ত্বৰ প্ৰতিয়ো পঢ়ুৱৈৰ দৃষ্টি আকৰ্ষণ কৰিছে। মাৰ্ক্সীয় দৰ্শনৰ প্ৰায়োগিক দিশৰ প্ৰতি ৰাধাকৃষ্ণনে গভীৰ শ্ৰদ্ধা দেখুৱালেও মাৰ্ক্সৰ অমূৰ্ত্ত দিশটোৰ প্ৰতি যেন পূৰ্ণ সমৰ্থন জনাব পৰা নাই। তেখেতে মন্তব্য কৰিছে যে মাৰ্ক্সবাদৰ যিবোৰ প্ৰত্যয় আধ্যাত্মিক ভাববাদী দাৰ্শনিকে বিনাদ্বিধাই গ্ৰহণ কৰিব পাৰে, সেইবোৰ হ'ল জনগণৰ মাজত সুস্থ ধনৰ বন্টন, নিপিড়িত জনগণৰ প্ৰতি দৰদ, সকলো স্তৰৰ মানুহকেই সমান মৰ্যাদা প্ৰদান ইত্যাদি। কিন্তু নাস্তিকতা বা মানুহৰ প্ৰকৃতিৰ যান্ত্ৰিক বাখ্যা আদি প্ৰত্যয়বোৰ তেখেতে সম্পূৰ্ণৰূপে মানি লব পৰা নাছিল। ৰাধাকৃষ্ণনে এই সম্পৰ্কে কৈছে যে মাৰ্ক্সৰ মতে ইতিহাস হৈছে কিছুমান অৰ্থনৈতিক ৰীতিৰ পৰ্য্যায়ক্ৰমে আবিৰ্ভাৱ, য'ত পৰবৰ্ত্তী ৰীতিয়ে পূৰ্ববৰ্ত্তী ৰীতিক সজোৰে উৎখাট কৰিছে। অৰ্থাৎ সমাজতন্ত্ৰ ধনতন্ত্ৰৰ দ্বাৰা উৎখাট হৈছে আৰু কেতিয়াবা ধনতন্ত্ৰ উৎখাট হৈছে সমাজতন্ত্ৰৰ দ্বাৰা। তেখেতৰ মতে ইতিহাসৰ এই জাতীয় বাখ্যা অতি সৰলীকৰণ দোষত দোষী। মানুহে ইতিহাস গঢ়ে নে ইতিহাসে

মানুহক গঢ়ে -- এই প্ৰাচীন প্ৰশ্নৰ সমাধান এতিয়াও সম্ভৱ হোৱা নাই। অৱশ্যে যুগে যুগে চিন্তানায়কবোৰে তেওঁলোকৰ অতুলনীয় প্ৰতিভাৰ জৰিয়তে সমাজৰ কাঠামোৰ আমূল পৰিবৰ্ত্তন সাধন কৰিবলৈ সক্ষম হৈছে। ৰাধাকৃষ্ণনে সেইবাবে ক'ব বিচাৰিছে যে উৎপাদন শক্তিৰ মাজত যেনেকৈ মাটিৰ উৰ্বৰতা, পৰ্য্যাপ্ত পোহৰ আৰু পানী, শক্তি প্ৰভৃতিৰ প্ৰয়োজন আছে, তেনেকৈ মানুহৰ মনৰও একোটা বিশিষ্ট ভূমিকা আছে। তেখেতৰ মতে ইতিহাসৰ পৰা আমি এই শিক্ষাই ল'ব পাৰো যে প্ৰকৃতিত উৎপাদন শক্তিবোৰৰ অস্তিত্ব আগৰে পৰাই আছিল। কিন্তু মানুহে যেতিয়া বুদ্ধি আৰু কলাকৌশল প্ৰয়োগ কৰি এই প্ৰাকৃতিক সম্পদবোৰক কাৰ্য্যকৰী কৰি তুলিলে, তেতিয়াই খাদ্য বা অন্যান্য বস্তু বাহানীৰ উৎপন্ন হ'ল। মানুহৰ কল্পনা, মানুহৰ সুদুৰ প্ৰসাৰী দৃষ্টি আৰু উদ্ভাৱনী শক্তি ব্যতিৰেকে কেতিয়াও প্ৰাকৃতিক সম্পদে মানুহৰ বাবে প্ৰয়োজনীয় দ্ৰব্য হিচাপে ধৰা নিদিলেহেতেন নিশ্চয়। ৰাধাকৃষ্ণনে ইতিহাসৰ গতি আৰু প্ৰকৃতি ব্যাখ্যা কৰিব গৈ দেখুৱাইছে যে ইতিহাসৰ মাজত এক সৃষ্টিশীল পেটাৰ্ন বা অৰ্থপূৰ্ণ সঙ্গতি দেখা যায়। এই সৃষ্টিশীল পেটাৰ্ন উৎপাদনী শক্তিৰ সাহাৰ্য্যত ব্যাখ্যা কৰিব নোৱাৰি, ইয়াৰ ব্যাখ্যা মানুহৰ সৃষ্টিশীল আবেগৰ মাজত নিহীত হৈ আছে।

ধৰ্ম আৰু বিজ্ঞানৰ প্ৰকৃতি ব্যাখ্যা কৰিবলৈ গৈ তেখেতে কৈছে যে ধৰ্মৰ ক্ষেত্ৰত যুক্তিৰ কাম হ'ল আমাৰ কিছুমান পুৰণি মতামতৰ পুনৰ বিন্যাস কৰা। বিজ্ঞানে বিচাৰে উপস্থিত ঘটনাসমূহৰ পৰা কৰা (ইণ্ডাক্‌টিভ) প্ৰমাণহে; অপৰিবৰ্ত্তনীয় মতৰ পৰা কৰা (ডিডাক্‌টিভ) অনুমান নহয়। ঘটি থকা ঘটনাসমূহৰ সন্মুখীন হৈ তাৰপৰাহে অনুমান আহৰণ কৰিব লাগিব, সিদ্ধান্ত কিছুমানেৰে আৰম্ভ কৰি ঘটনাৱলীৰ লগত খেলা কৰিলে নহ'ব। এজন ব্যক্তি হিন্দু বা খৃষ্টান, কাৰণ তেওঁ হিন্দু বা খৃষ্টান হৈ জন্ম গ্ৰহণ কৰিছে আৰু তেওঁলোকৰ পিতৃসকলৰ পিঠিত এই ধৰ্মৰ চাব মৰা আছিল। বিজ্ঞানৰ ক্ষেত্ৰত ইয়াৰ ব্যাখ্যা বেলেগ। আজিৰ মানুহে বিচাৰে সত্য সন্ধানৰ বৈজ্ঞানিক দৃষ্টিভঙ্গী। বিজ্ঞানে বিচাৰে নিয়মৰ শাসন। বিশ্বব্ৰহ্মাণ্ড অখণ্ড আৰু নিয়ম শৃঙ্খলাৰ অধীন। ফ্ৰয়েদে ধৰ্মৰ ব্যাখ্যা দাঙি ধৰি কৈছে — '*কিছুমান সলনি কৰিব নোৱাৰা ব্যৱস্থা বিশেষ (দগ্‌মা)। মানুহে নিজে আৱিষ্কাৰ কৰিব নোৱাৰা অথচ তাত*

*মূল্য আৰোপ নকৰিলে নহয় বুলি ভবা সত্ত্বাৰ বাহ্যিক বা আভ্যন্তৰিন অৱস্থা বিশেষৰ আৰু ঘটি যোৱা ঘটনাৰ বিষয়ে কিছুমান উক্তিমাত্ৰ।’* যি বোৰৰ ভিত্তিত এইবোৰক বিশ্বাস কৰিব লাগে তাৰ কিছুমান দিশ দেখুৱাইছে যদিও সেইবোৰৰ পৰস্পৰৰ মাজতেই অনৈক্য আছে।

এইখিনিতেই উল্লেখ কৰিব পাৰি যে ভাৰতীয় ধৰ্মৰ দাৰ্শনিক ভেটি আছে যদিও ভাৰতীয় দৰ্শনৰ কোনো লৌকিক ধৰ্মীয় ভেটি নাই। বেদতেই আৰম্ভ হৈছে জীৱন আৰু জগত ৰহস্যৰ অন্বেষন। এই অন্বেষনৰ দুটা পথ, সেয়া যজ্ঞ বা কৰ্মৰ পথ আৰু আনটো জ্ঞানৰ পথ। কৰ্মৰ পথে ধৰ্মৰ জগতলৈ আৰু জ্ঞানৰ পথে দৰ্শনৰ জগতলৈ লৈ যায়। প্ৰাচীন ভাৰতীয় ঋষি সকলে সকলো বিদ্যাক চাৰিভাগত ভাগ কৰিছে, সেয়া --- ত্ৰয়ী, আন্বীক্ষিকী, বাৰ্তা আৰু দণ্ডনীতি। ত্ৰয়ী হ’ল বেদত্ৰয়ী --- ঋক, যজুঃ, সাম। আন্বীক্ষিকী হ’ল -- যুক্তিনিৰ্ভৰ, তৰ্কবিদ্যা, বাৰ্তা হ’ল --- ব্যৱহাৰিক জীৱন সম্বন্ধীয় বিদ্যা আৰু দণ্ডনীতি হ’ল প্ৰশাসনীয় বিদ্যা। এই চাৰিওপ্ৰকাৰ বিদ্যা পৰস্পৰ সম্পৰ্কৰহীত নহয় যদিও এটা আনটোৰ বিকল্পও নহয়। ঋষিসকলে কৰ্মকাণ্ডক অন্তৰ্ভুক্ত কৰিলে বেদৰ ব্ৰাহ্মণ অংশত আৰু জ্ঞানকাণ্ড উপনিষদত। অৰ্থাৎ ব্ৰাহ্মনৰ আধাৰত ধৰ্ম আচৰনৰ বিকাশ ঘটিল আৰু উপনিষদৰ আধাৰত দৰ্শনৰ। গতিকে দেখা গ’ল যে উপনিষদৰ আধাৰতেই জীৱন আৰু জগত সম্পৰ্কে ৰহস্য উৎঘাটনৰ প্ৰয়াস চলি আছে। কিন্তু সমস্যা হৈছে উপনিষদ এখন নহয়, শতাধিক। অৱশ্যে ব্ৰহ্মসূত্ৰৰ বিচাৰত মৌলিক উপনিষদ এঘাৰখন। ঈশ, কঠ, কেন, প্ৰশ্ন, মুণ্ডক, তৈত্তিৰীয়, কৌষীতকি, নাৰায়ন, ঐতৰেয়, ছান্দোগ্য আৰু বৃহদাৰন্যক। এই এঘাৰখন উপনিষদেই দৰাচলতে বেদান্ত। বেদৰ সকলো শিক্ষাই য’ত শীৰ্ষবিন্দু লাভ কৰিছে সেয়ে বেদান্ত। এই শীৰ্ষবিন্দু লাভ হৈছে উপনিষদত। উপনিষদত সৃষ্টি, স্থিতি আৰু লয়ৰ কাৰণ স্বৰূপ ব্ৰহ্মৰ বৰ্ণনা দিছে। য’ৰ পৰা দৃষ্ট, অদৃষ্ট, গুণবান, নিৰ্গুণ, ৰূপ, অৰূপ, ইন্দ্ৰিয়গ্ৰাহ্য আৰু ইন্দ্ৰিয়াতীত সকলো বিষয়ৰ য’ত বৃদ্ধি হৈছে বা জন্ম হৈছে সেয়েই ব্ৰহ্ম। মহৰ্ষি বাদাৰয়নে উপনিষদৰ তত্ত্বৰ ভিত্তিত ৰচনা কৰে তেওঁৰ প্ৰসিদ্ধ ব্ৰহ্মসূত্ৰ। এই উপনিষদেই দৰ্শনৰ ক্ষেত্ৰ উন্মোচন কৰিলে। সৃষ্টি হ’ল ‘ষড়দৰ্শন’ঃ সাংখ্য, যোগ, ন্যায়, বৈশেষিক, পূৰ্ব মীমাংসা আৰু উত্তৰ মীমাংসা বা বেদান্ত। এই ছয়টি দাৰ্শনিক ধাৰাই

সূক্ষ্মৰো সূক্ষ্ম বিচাৰ বিশ্লেষন দাঙি ধৰিছে।

ৰাধাকৃষ্ণনৰ মতে ধৰ্ম বুলিলে কোনো সম্প্ৰদায়গত আচাৰ আচৰণক নুবুজায়। স্বামী বিবেকানন্দৰ নিচিনাকৈ তেওঁৰ মতেও ধৰ্ম বুলিলে বুজায় মানুহৰ অন্তৰ্নিহিত পৰিপূৰ্ণতাৰ বিকাশ বা আত্মাৰ জাগৰণ। এই আত্মশক্তিত বলিয়ান হলেই মানুহে সমাজক ৰূপান্তৰিত কৰিব পাৰে, শোষণ আৰু বৈষম্য দূৰ কৰি এখন উদাৰ সমাজ গঠন কৰিব পাৰে। সেইবাবে ধৰ্ম আৰু গণতন্ত্ৰৰ মাজত কোনো বিৰোধ নাই। যিহেতু সকলো ধৰ্মমতে মানুহৰ মৰ্যাদা আৰু স্বাধীনতাক স্বীকাৰ কৰে, সেইবাবে ধৰ্মই গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ভিত্তি হ'ব পাৰে। অৱশ্যে ঈশ্বৰক বৰ্ত্তমান মনৰ আৱশ্যকতাৰ লগত খাপ খুৱাবৰ বাবে যিবোৰ বিভিন্ন প্ৰচেষ্টা চলোৱা হৈছে, সেইবোৰে উদ্দেশ্য লাভত কৃতকাৰ্য্য হ'ব পৰা নাই, বৰং ধৰ্মৰ ৰূপ লোপ পাইছে। কিন্তু যি কৌটি কৌটি লোকে ধৰ্ম গ্ৰহণ কৰিবলৈও ভয় কৰে, অথচ নোহোৱাকৈও যে চলিব নোৱাৰে, তেওঁলোকে পথ বিচাৰি ইফাল সিফালকৈ হাহাকাৰ কৰি ফুৰিব ধৰিছে। স্বভাৱবাদ, নাস্তিকতাবাদ, অজ্ঞতাবাদ, সন্দেহবাদ, মানৱতাবাদ আৰু স্বৈৰশাসনতন্ত্ৰবাদ আদি দাৰ্শনিকৰূপবোৰ সহজ আৰু সুস্পষ্ট। কিন্তু ৰাধাকৃষ্ণনৰ মতে এইবোৰে মানৱাত্মাৰ স্বাভাৱিক গভীৰতা যেন ভালকৈ উপলব্ধি কৰিব পৰা নাই। প্ৰাচ্যৰ ধৰ্মসমূহত আত্মাৰ অনন্ত যি শক্তি সমূহৰ কথা কোৱা হৈছে তাৰ আগত বাহ্যিক স্থিতি যেন একেবাৰে নগণ্য হৈ পৰে। অন্তৰাত্মাই একমাত্ৰ লেখত লবলগীয়া বস্তু বুলি আৰু আত্মাৰ এই জীৱনক সম্পূৰ্ণ মায়া বুলি কৰা ধাৰণা এটাৰ ওপৰত জোৰ দিয়াটো যেনে একপক্ষীয় কথা, তেনেকৈ আধ্যাত্মিক জীৱনক অবহেলা কৰা আৰু ইয়াক শাৰীৰিক বা জৈৱিক জীৱনৰ লগত সমাৰ্থক বুলি গণ্য কৰিবলৈ যোৱাটোও তেনে একপক্ষীয়।

ৰাধাকৃষ্ণনে হিন্দুধৰ্মক উদাৰ, প্ৰগতিশীল তথা সাৰ্বজনীন ধৰ্মৰূপে মতামত দাঙি ধৰিছে। মানব জীৱনত ধৰ্মৰ ভূমিকা কি, এই প্ৰশ্নৰ আলোচনা কৰিবলৈ গৈ ৰাধাকৃষ্ণনে প্ৰথমতে হিন্দুধৰ্মৰ তিনিটা বৈশিষ্টৰ বিচাৰ কৰিছে। প্ৰথমতে 'মায়া' শব্দটিৰ ব্যাখ্যা প্ৰসঙ্গত তেওঁ তিনিটা লৌকিক মত খণ্ডন কৰিছে। তেওঁৰ দৃষ্টিত জগতক 'মায়া' বুলি কোৱাৰ অৰ্থ — জগত মিচা, মৰীচিকা, শূণ্য----- ইয়াৰ কোনেটাই নহয়।

‘মায়া’ শব্দটোৰ অৰ্থ হ’ল ----- ৰহস্যময়তা, স্বনিৰ্বাচনীয়তা। স্বগত ভেদ, সজাতীয় ভেদ আৰু বিজাতীয় ভেদ -- এই তিনিপ্ৰকাৰ ভেদশূণ্য ব্ৰহ্মাৰ পৰাই কেনেদৰে ভেদপূৰ্ণ সীমিত ভূলভ্ৰান্তিৰে ভৰা এই জগতৰ সৃষ্টি হ’ল -- এইটোৱেই ৰহস্য। একৰ ভিতৰত বহুৰ বীজ নিহীত নহয়; সেই ‘এক’ কেনেকৈ ‘বহু’ হ’ল -- এই ৰহস্যৰ সন্ধান সঠিকভাৱে আজিও অনুমান কৰিব পৰা নাই। মানুহ যে অমৃতৰ পুত্ৰ, অখণ্ড ভাগৱত শক্তিৰ খণ্ড প্ৰকাশ-এইটোৱেই হ’ল হিন্দুধৰ্মৰ সাৰ-সত্য। এই সত্যৰ উপলব্ধি অকল অপৰোক্ষানুভূতিৰ দ্বাৰাই সম্ভৱ। ৰাধাকৃষ্ণনৰ মতে হিন্দু ধৰ্ম কোনো স্থবিৰ দেশাচাৰ বা লোকাচাৰৰ সমষ্টি মাথোনেই নহয়। হিন্দুধৰ্ম বিকাশশীল। এই ধৰ্মৰ মাথোন এজনেই প্ৰবক্তা নহয় বা এখন মাত্ৰ গ্ৰন্থৰ ভিতৰতেই এই ধৰ্মৰ সত্য-সত্যতা লিখা হোৱা নাই। এই ধৰ্ম বহুলভাৱে বিস্তৃত। ইয়াৰ ব্যপকতা মাপ কৰা কঠিন। অৱশ্যে এটা ধৰ্মমত সত্য আৰু আন ধৰ্মমত মিচা - এই কথা তেওঁ কেতিয়াও কোৱা নাই। বিভিন্ন ধৰ্মমত এক সত্যৰ বিভিন্ন প্ৰকাশ। অৱশ্যে কোনো এটা বস্তু গ্ৰহণ কৰাৰ আগেয়ে বিচাৰ বুদ্ধিৰে চালিজাৰি চোৱাৰ প্ৰয়োজনীয়তা তেখেতে নুই কৰা নাই। ৰাধাকৃষ্ণনে সাধাৰণ লোকে ভবাৰ দৰে ব্ৰহ্ম বা ঈশ্বৰক এক অসীম সমুদ্ৰৰ মাজত শান্ত সমাহিত ভাৱে অৱস্থান কৰি থকা আৰু জীৱ তথা জগত সেই অনন্ত শান্ত সমুদ্ৰত বিলীন হৈ থকাৰ দৰে কল্পনা কৰা নাই। ঈশ্বৰৰ সৃষ্টি চিৰন্তন, এই সৃষ্টি মানুহৰ দৰে নহয়। ঈশ্বৰ আৰু ব্ৰহ্ম সম্পৰ্কে দাৰ্শনিক বোৰৰ মাজত যি মতভেদ আছে সেই সম্পৰ্কে তেওঁ কৈছে যে ঈশ্বৰ তথা ব্ৰহ্ম উভয়েই চিৎ শক্তি। ব্ৰহ্ম দেশ কাল ৰহিত অব্যয় আৰু ঈশ্বৰ সেই ব্ৰহ্মাৰেই এটি প্ৰকাশ মাথোন।

হিন্দু ধৰ্মৰ স্বৰূপৰ বাখ্যা দি ৰাধাকৃষ্ণনে -- ‘হিন্দু ভিউ অৱ লাইফ’ গ্ৰন্থত উল্লেখ কৰিছে যে--- ‘ ***Hinduism is a name without a Content. Hinduism has come to be a tapestry of the most variegated issues and alomst endless diversity of hues.*** ’ এই স্বৰূপৰ বাখ্যা দিওঁতে স্বামী বিবেকানন্দ আৰু ঋষি অৰবিন্দৰ চিন্তাধাৰা তথা দৰ্শনে তেওঁৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। ঋষি অৰবিন্দই তেওঁৰ ‘লাইফ ডিভাইন’ গ্ৰন্থত যি সত্য দৃষ্টিৰ সন্ধান দিছিল তাৰ প্ৰতিধ্বনি ৰাধাকৃষ্ণনৰ অসংখ্য ৰচনাৱলীত প্ৰকট হৈ পৰিছে। শ্ৰী

অৰবিন্দৰ মতে প্ৰকৃত অদ্বৈতদৃষ্টি বুলিলে সেই দৃষ্টিকেই বুজায় যি জগতচৰাচৰৰ সকলো বস্তুকেই ব্ৰহ্মৰ প্ৰকাশৰূপে গ্ৰহণ কৰে। অদ্বৈতদৃষ্টিয়ে কেতিয়াও দৃশ্য বস্তু বিশ্বক দুভাগত ভাগ কৰি এভাগক চিৰন্তন সত্য আৰু আনভাগক চিৰন্তন মিচা বুলি গ্ৰহণ নকৰে। হিন্দুধৰ্মৰ অন্তৰ্গত গণতান্ত্ৰিক ভাবধাৰাক ৰাধাকৃষ্ণনে আদৰণী জনাইছে যদিও হিন্দুধৰ্মই জাতিভেদ প্ৰথাক যিমান দিনলৈ আকোৱালী থাকিব সিমান দিনলৈ এই ধৰ্মই কেনেকৈ গণতন্ত্ৰৰ পৃষ্ঠপোষক হ'ব, সেই বিষয়ে বিশেষ স্পষ্টীকৰণ দিয়া দেখা নাযায়। ইচলাম ধৰ্মৰ বিষয়ে বাখ্যা কৰিবলৈ গৈ ৰাধাকৃষ্ণনে চুফীবাদৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰিছে। এই মতবাদৰ ওপৰত থকা তেওঁৰ গভীৰ বিশ্বাস নানাভাৱে ব্যক্ত কৰিছে আৰু চুফী দৃষ্টিভঙ্গীৰ সৈতে বৈদান্তিক দৃষ্টিভঙ্গীৰ সমতাৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন ধৰ্মৰ মাজত সমন্বয়ৰ সূত্ৰ আবিস্কাৰ কৰিছে। খৃষ্টধৰ্মৰ সাৰ-সত্য হিচাপে ৰাধাকৃষ্ণনে যীশুৰ উপদেশাবলীক জীৱনৰ পাথেয় হিচাপে গ্ৰহণ কৰিছে। খ্ৰীষ্টধৰ্মৰ আলোচনা প্ৰসঙ্গত তেখেতে যুক্তি আৰু প্ৰকাশ (Revealation) ৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়েও বিস্তৃত আলোচনা কৰিছে। কেথলিক আৰু প্ৰটেষ্টান্ট মতবাদৰ মাজত ক'ত বিৰোধৰ সৃষ্টি হৈছে, প্ৰটেষ্টান্ট মতবাদৰ শাখা-প্ৰশাখা কেনেদৰে উদ্ভৱ হ'ল, এই সম্বন্ধেও বাখ্যা দিছে। ইউনিটেৰিয়ান চাৰ্চৰ নেতা স্যানিংৰ উদ্ধৃতি দি তেখেতে কৈছে যে হিন্দু, মুচলমান আৰু খ্ৰীষ্টানৰ মাজত একেই আধ্যাত্মিক সত্য প্ৰবাহিত হৈ আছে।

বৌদ্ধ ধৰ্ম তথা দৰ্শনৰ বাখ্যা দি ৰাধাকৃষ্ণনে গৌতম বুদ্ধক এজন হৃদয়বান মানৱপ্ৰেমী বন্ধু ৰূপে চিত্ৰিত কৰিছে। নিৰন্তৰ ভাল কাম কৰাৰ মাজেৰে মানুহে যাতে পৰস্পৰক ভাল পাব পাৰে, সেই পথৰেই নিৰ্দেশ দিছিল বুদ্ধদেৱে। শীল বা প্ৰজ্ঞা, অৰ্থাৎ সৎ আচৰণ আৰু অনুভূতি — এই দুয়োটাই মানৱ সমাজৰ পৰম সম্পদ। এটি আনটোৰ ওপৰত নিৰ্ভৰশীল। এই দুটি পথ অবলম্বন কৰিয়েই মানুহে অবিদ্যা দূৰ কৰাত সফল হ'ব পাৰে। ৰাধাকৃষ্ণনৰ মতে বুদ্ধৰ শিক্ষাৰ আকৰ উপনিষদৰ মাজতেই নিহীত হৈ আছে। মানুহে যদি প্ৰকৃতাৰ্থত সত্য আৰু অহিংসাক আশ্ৰয় কৰি সৎ-জীৱন যাপন কৰে আৰু ধৰ্মকেই সৰ্বশ্ৰেষ্ঠ বুলি গণ্য কৰে, তেনেহলে সেইটো মানৱৰ বাবেই মঙ্গলজনক। 'ধৰ্ম' কথাটো বুদ্ধই

নিয়মৰ অৰ্থতহে ব্যৱহাৰ কৰিছে। 'নিৰ্বাণ' শব্দটোৰ ব্যাখ্যা দি ৰাধাকৃষ্ণনে কৈছে যে ইয়াৰ অৰ্থ শূণ্য নহয়, ইয়াৰ অৰ্থ হ'ল পাৰমাৰ্থিক জগতৰ তুলনাত ব্যৱহাৰিক জগত ক্ষণস্থায়ী। সংযমহীন বিলাসী জীৱন আৰু দেহামৰা জপ-তপৰ সাধনা -- এই দুয়োটাকে বুদ্ধদেৱে বৰ্জন কৰিবলৈ কৈছে। বুদ্ধই বিশেষকৈ নৈতিক আচৰণৰ ওপৰতহে গুৰুত্ব দিছিল । যিসকল কেবল যুক্তি-তৰ্কতহে পণ্ডিত, কিন্তু আচৰণত নাই, তেনেলোকে নিৰ্বাণ লাভ কৰিব নোৱাৰে। নৈতিক জীৱনৰ আধাৰত বুদ্ধদেৱে সমাজ গঢ়িব বিচাৰিছিল। বৈদিক যুগৰ সহস্ৰ জীৱ বলি দিয়া যাগ-যজ্ঞবিলাক আৰু তন্ত্ৰ মন্ত্ৰ বিলাকে যে মানৱ জীৱনৰ কল্যান সাধিব নোৱাৰে সেইটো তেওঁ বুজি পাইছিল। বুদ্ধৰ মতে যাৰ নৈতিক চৰিত্ৰ নাই, যি ভ্ৰষ্টাচাৰী, তেনেলোকে আড়ম্বৰপূৰ্ণ ডাঙৰ ডাঙৰ যজ্ঞ পাতিয়ো মুক্তিলাভ কৰিব নোৱাৰে। মুক্তি বা নিৰ্বাণ লাভ বহিৰৰ কোনো শক্তিয়ে দিব নোৱাৰে, তাক নিজৰ চেষ্টাৰেই অৰ্জন কৰিব লাগিব। সেইবাবে বুদ্ধদেৱে নিৰ্বাণ লাভৰ বাবে অষ্টাঙ্গিক মাৰ্গ মানি চলিবলৈ উপদেশ দিছিল। বুদ্ধই সকীয়াই দিছিল যে সংসাৰ অনিত্য, প্ৰতি মূহুৰ্ত্ততে মানুহৰ জীৱনলৈ লৰাকাল, যুৱাকাল, বুঢ়াকাল ইত্যাদিৰ যোগেৰে পৰিবৰ্ত্তন আহি আছে যাক কোনেও ৰোধ কৰিব নোৱাৰে। বুদ্ধদেৱৰ দৃষ্টিভঙ্গী বাস্তৱিক আছিল বাবেই তেওঁ মধ্যম পন্থা অৱলম্বন কৰিছিল। ৰাধাকৃষ্ণনে বিশ্বাস কৰিছিল যে উপনিষদত যি বিদ্যাৰ কথা কোৱা হৈছে তাৰ অৰ্থ হ'ল চৰম সত্যৰ লগত ব্যক্তি বিশেষৰ অভিন্নতাৰ উপলব্ধি। বুদ্ধই উপনিষদৰ এই তত্ত্বক উপলব্ধি কৰিছিল বাবেই তেওঁৰ পক্ষে মধ্যম পন্থা অৱলম্বন কৰা সহজ হৈছিল।

বিভিন্ন ধৰ্মৰ মাজত মতপাৰ্থক্য তথা বিৰোধ থকা কথাটো ৰাধাকৃষ্ণনে স্বীকাৰ কৰিছে। কিন্তু এই বিৰোধক তেওঁ এনেভাৱে ব্যাখ্যা কৰিছে যে এক মৌলিক আধ্যাত্মিক সত্য বিভিন্ন দেশ-কাল তথা পৰিবেশত ভিন্ন ৰূপত দেখা দিয়ে, যেনেকৈ ভিন্ন ভিন্ন আকাৰৰ পাত্ৰত পানী ৰাখিলে পানীয়ে সেই পাত্ৰৰ আকাৰ ধাৰণ কৰে। ধৰ্মৰ বিভিন্নতাৰ অৰ্থ এই যে বিভিন্ন কালৰ তথা বিভিন্ন সমাজৰ দৃষ্টিত এক অখণ্ড সত্য খণ্ড সত্যৰূপে দেখা দিয়ে। ৰাধাকৃষ্ণনে এনে এখন জগতৰ কল্পনা কৰিছিল য'ত বিভিন্ন ধৰ্মৰ মাজত থকা পাৰস্পৰিক বিৰোধ সমন্বয়ত

পৰ্য্যবসিত হ'ব পাৰে। বিভিন্ন ধৰ্মমত বিলাকত এক যৌথ প্ৰচেষ্টাৰ অন্তৰ্গত বিশেষ দান হিচাপে তেখেতে গ্ৰহণ কৰিব বিচাৰিছিল। এটা ডাঙৰ সৌধ নিৰ্মাণ কৰিব যাওঁতে যেনেকৈ বহতো ইটাৰ প্ৰয়োজন হয়, তেনেদৰে মানবীক ঐক্য নামৰ এই সৌধটো নিৰ্মাণ কৰিবলৈও প্ৰয়োজন হোৱা এটা এটা ইটা হ'ল এটা এটা ধৰ্মমত। পাশ্চাত্যৰ বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু অনুসন্ধিতসাৰ মাজত প্ৰাচ্যৰ প্ৰজ্ঞাৰ সমন্বয় সাধন কৰি ৰাধাকৃষ্ণনে ভবিষ্যত সুস্থ সমাজৰ এখন ছবি আকিবলৈ প্ৰয়াস কৰিছিল। মানুহে যদি প্ৰকৃততে কিবা সুখ বা শান্তি বিচাৰে তেনেহলে তেওঁলোকে মানুহতকৈও মহত্তৰ তথা বৃহত্তৰ সত্তাৰ ওচৰত নিজকে আত্মসমৰ্পন কৰিব লাগিব। নিজকে পৰম সত্তাৰ মাজত বিলীন কৰি দিলেই ব্যক্তিয়ে নিজৰ প্ৰকৃত সত্তাক বিচাৰি পাব। এই পৰম সত্তাকেই ৰাধাকৃষ্ণনে আধ্যাত্মিক ঐক্য নামেৰে অভিহীত কৰিছে। অৱশ্যে ৰাধাকৃষ্ণনে যেতিয়া সৰ্বধৰ্ম সমন্বয়ৰ কথা কয় তেতিয়া তেওঁ এনে কোনো ইঙ্গিত দিয়া নাই যে সকলো প্ৰচলিত ধৰ্মমতৰ মাজৰ পৰা এটি সাৰ্বজনীন ধৰ্ম উদ্ভৱ হওঁক, যাৰ প্ৰতি পৃথিবীৰ সকলো মানুহে আনুগত্য প্ৰকাশ কৰি জীৱনৰ সাৰ্থকতা লাভ কৰক। ধৰ্মৰ ঐক্যৰ কথা বুজাওঁতে তেওঁ কৈছে লক্ষ্যৰ ঐক্য -- মতৰ ঐক্য নহয়। শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱৰ 'যত মত, তত পথ' ৰ নিচিনাকৈ ৰাধাকৃষ্ণনেও কব বিচাৰিছে যে বিভিন্ন ধৰ্মমতৰ বাহিৰৰ ৰঙ দেখাত বেলেগ হলেও সকলো ধৰ্মমতৰেই লক্ষ্য এক। পৃথিবীৰ বিভিন্ন ধৰ্মমতৰ শান্তি পূৰ্ণ সহাবস্থান তেতিয়াহে সম্ভৱ হ'ব যেতিয়া এক ধৰ্মমতে অইন ধৰ্মমতৰ প্ৰতি সহনশীল হ'ব, শ্ৰদ্ধাশীল হ'ব আৰু বিভিন্ন মতবিলাকৰ প্ৰতি অনুৰাগ আহিব, তেতিয়াহে ধৰ্ম সংহতিৰ উৎস হ'ব, সংঘৰ্ষৰ হাতিয়াৰ নহয়। ৰাধাকৃষ্ণনে ধৰ্মক দুই শ্ৰেণীত ভাগ কৰিছে, সেয়া- এক শ্ৰেণীৰ মতে ঈশ্বৰ বস্তু বা বিষয়, যাক প্ৰাৰ্থনা-বিশ্বাস আদিৰ দ্বাৰা লাভ কৰিব পাৰি। আনহাতে আন এক শ্ৰেণীৰ মতে ঈশ্বৰ উপলব্ধিৰ বিষয়। ৰাধাকৃষ্ণনৰ মতে অপৰোক্ষ অনুভূতিৰ ফলত মন নামৰ ইন্দ্ৰিয়ৰ বিলুপ্ত হয়, অহংভাৱৰ বিনাস ঘটে আৰু ক্ৰমে আত্মচৈতন্য বিৰাজ কৰে। তেখেতৰ মতে সকলো মানুহেই ঐকান্তিক সাধনাৰ ফলস্বৰূপে এই অৱস্থাত উপনীত হ'ব পাৰে।

ৰাধাকৃষ্ণনৰ মতে মানুহৰ সত্তাৰ গভীৰত যি আধ্যাত্মিক সত্য

বিৰাজ কৰি আছে তাক অৱলম্বন কৰিয়েই পৃথিবীৰ দুখ দুৰ্গতি দূৰ কৰা সম্ভৱ হ'ব পাৰে। মানুহৰ জীৱন এটা আধ্যাত্মিক সত্যৰ মাজত বন্ধা আছে। মানুহৰ সীমিত বুদ্ধিয়ে এই সত্যক লগ নাপায়। গতিকে আধ্যাত্মিক সত্যৰ পোহৰতেই শিক্ষা, সমাজ বিদ্যা, আদিক আগুৱাই নিব লাগিব। তেখেতে যুক্তি আৰু প্ৰমাণ পদ্ধতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা তথা অনুৰাগ দেখুৱাইছে যদিও দৰ্শন বোলোতে তেওঁ বুজাব বিচাৰিছে এটা আধ্যাত্মিক দৃষ্টিভঙ্গীক যিটো জীৱন আৰু জগতত খণ্ড খণ্ড চিন্তাধাৰাবোৰক এক সমন্বয়ৰ মাজেৰে বান্ধিবলৈ চেষ্টা কৰে। দেশ বিদেশৰ বিভিন্ন দাৰ্শনিক ঐতিহ্যৰ মাজত এটি সু-সংবদ্ধ বিশ্বদৰ্শন গঢ়ি তুলিবলৈ তেওঁ অশেষ সাধনা কৰিছিল। বিজ্ঞানে যুক্তিক কেৱল আপেক্ষিক (Absolute) হিচাপে স্বীকাৰ কৰাৰ ফলত বিজ্ঞানে যি সিদ্ধান্তত উপনীত হৈছে, সেইটো মানৱ সমাজৰ বাবে যেনেদৰে কল্যাণকাৰী, তেনেদৰে অন্যান্য ক্ষেত্ৰত মানুহৰ সভ্যতাৰ দিশত সেইবোৰে ধংসৰ বীজও ৰোপন কৰিছে। বিজ্ঞানে ঘটনাৰ পিছত ঘটনাসমূহ কোনো এটা নিয়মৰ মাপকাঠিত সজাবলৈ চেষ্টা কৰিছে যদিও বিজ্ঞানে গৱেষণাৰ দ্বাৰা যি সত্যক আৱিস্কাৰ কৰিছে সেইটো মানুহৰ পক্ষে কল্যাণকাৰী হ'ব নে নহয় তাৰ সঠিক উত্তৰ দিব পৰা নাই। কিন্তু সেই প্ৰশ্নৰ উত্তৰ দিছে ধৰ্ম আৰু দৰ্শনে।

বিজ্ঞান আৰু দৰ্শনৰ প্ৰণালী অৱশ্যে বেলেগ বেলেগ। বিজ্ঞানে অভিজ্ঞতাৰ জগতৰ বিভিন্ন ঘটনাসমূহ অধ্যয়ন কৰে আৰু দৰ্শনে অভিজ্ঞতাসমূহ সমগ্ৰভাৱে লৈ তাৰ অৰ্থ আৰু তাৎপৰ্য্য বিচাৰ কৰি উলিয়ায়। ইয়াৰ দুটি ফাল আছে- এটা বাখ্যামূলক আৰু আনটো বৰ্ণনামূলক। এটা তত্ত্বদৰ্শী আৰু আনটো প্ৰায়োগিক। বিজ্ঞান সম্পূৰ্ণ বিবৰণমূলক, কোনো ঘটনা এটাক তাৰ শ্ৰেণীৰ লগত সম্বন্ধ দেখুৱাই দিব পাৰিলে, উদ্ভিদ এটিক তাৰ জাতিৰ লগত মিলাই দিব পাৰিলে বা বিৱৰ্ত্তনৰ সোপানত তাৰ স্থান নিৰ্ণয় কৰি দিব পাৰিলে বা কোনো ঘটনা প্ৰবাহক যদি সু-প্ৰতিষ্ঠিত নিয়মৰ বশৱৰ্ত্তী কৰিব পাৰি, তেনেহলে তাতেই বিজ্ঞানৰ কামৰ অন্ত পৰে। ঘটনাসমূহৰ বুৰঞ্জী দাঙি ধৰি সেইবোৰ কি আৰু কিয়নো ঘটিছে, তাক লৈ বিজ্ঞানে মূৰ নঘমায়। তদুপৰি বিজ্ঞানে জড়পদাৰ্থ, জীৱন চৈতন্য আৰু মূল্যবাদৰ অভিজ্ঞতাজনিত ঘটনাসমূহ

বিচ্ছিন্ন নিসঙ্গ ঘটনা হিচাপেই অধ্যয়ন কৰে, কিন্তু দৰ্শনে এই সকলোবোৰক মানৱ ব্যক্তিত্বত থকাদি পৰস্পৰ জড়িত ঘটনা হিচাপেহে গ্ৰহণ কৰে। বিজ্ঞানে অনুসৰণ কৰা মুল নীতি হ'ল '*কোনো বস্তুকেই সংখ্যা হিচপে বা সংখ্যাৰদ্বাৰা নাজানিলে সম্পূৰ্ণকৈ জানিব নোৱাৰি*'। যি প্ৰক্ৰিয়াসমূহৰ পুনৰাবৃত্তি সম্ভৱ, যি প্ৰণালী সমূহৰ প্ৰত্যুৎপত্তি সম্ভৱ, বিজ্ঞানৰ ঘনিষ্ঠতা সেই ক্ষেত্ৰতহে সম্ভৱ। প্ৰকৃতিৰ নীতি হ'ল- '*প্ৰত্যেক বস্তুৰেই নিজত্ব আছে আৰু সি আন কিৰা এটা নহয়*'। বিজ্ঞানৰ নীতি হ'ল প্ৰত্যেক বস্তুৰেই কোনো এক শ্ৰেণীৰ অন্তৰ্গত।

ডঃ ৰাধাকৃষ্ণনে তেখেতৰ - ' অ্যান আইডিয়লিষ্ট ভিউ অব লাইফ' গ্ৰন্থখনিৰ উপসংহাৰত মানৱ সমাজৰ পৰিপূৰ্ণতা সম্পৰ্কে কিছুমান মূল্যবান মন্তব্য আগবঢ়াইছে। স্বামী বিবেকানন্দৰ লগত সুৰ মিলাই তেখেতে কৈছে যে আধ্যাত্মিকতা বা ধৰ্মৰ লক্ষ্য হ'ল মানুহৰ মাজত লুকাই থকা ভাগৱত শক্তিক উদ্বুদ্ধ কৰা। এই লক্ষ্যত উপনীত হ'ব পাৰিলে মানুহে নিজক জানিব পাৰে, নিজৰ স্বৰূপ উপলব্ধি কৰিব পাৰে। ' দি ফিউচাৰ অব্ চিভিলাইজেচন ' নামৰ গ্ৰন্থত ৰাধাকৃষ্ণনে কৈছে যে বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ প্ৰভাৱত আমাৰ বাহ্যিক জীৱনৰ লগালগি অন্তৰ জীৱন ক্ৰমে দৰিদ্ৰ হৈ গৈ আছে। গতিকে যি পৰ্য্যন্ত আমি আত্মিক বা আধ্যাত্মিক শক্তিৰ সাহাৰ্য্যত বহিৰ্জীৱন আৰু অন্তৰ জীৱনৰ মাজত সামঞ্জস্য আনিব নোৱাৰোঁ, তেতিয়ালৈকে মানুহ হিচাপে আমাৰ জীৱন অসাৰ্থক। বিবদমান দেশ সমুহে সাধাৰণতে কয় যে ' অস্ত্ৰ সম্ভাৰ সঞ্চিতহে কৰিম, ব্যৱহাৰ নকৰোঁ', - কিন্তু এনে ধৰণৰ কথা জুৱাচুৰীহে মাত্ৰ। সেইবাবে ৰাধাকৃষ্ণনে কৈছে যে জ্ঞান বা দৈহিক শক্তিৰ আহৰণ যে বাঞ্চনীয় তাত সন্দেহ নাই, কিন্তু তাৰ ওপৰত স্থান দিব লাগিব নৈতিক বা আধ্যাত্মিক শক্তিক । এই দুই শক্তিয়েই মানুহে মানুহৰ লগত, এটা জাতিয়ে অন্য জাতিৰ লগত মিলনৰ সেতুস্বৰূপ। পাৰ্থিৱ জীৱন যদি ভাগৱত জীৱনৰদ্বাৰা আবৃত নাথাকে তেনেহ'লে তেনে জীৱন অৰ্থহীন, অসাৰ্থক। তেখেতৰ মতে বৰ্ত্তমানৰ ক্ষয়িষ্ণু সমাজক বচাবলৈ হ'লে আধ্যাত্মিক শক্তিৰ জৰিয়তে ব্যক্তিৰ ৰূপান্তৰ ঘটোৱাটো একান্ত প্ৰয়োজনীয় হৈ পৰিছে।

ৰাধাকৃষ্ণনে কৈছে যে মানুহে একক অৱস্থাৰদ্বাৰা পৰিপূৰ্ণতা লাভ

কৰিব নোৱাৰে, কাৰণ মানুহ সদায় পৰিবেশৰ লগত ওতপ্ৰোতভাৱে জড়িত। অৱশ্যে এই পৰিবেশৰ লগত ইতৰ প্ৰাণী, উদ্ভিদ জগত আৰু জড়জগতে অৱস্থান কৰি আছে। গতিকে পৰিবেশৰ লগত জড়িত অন্য মানুহবোৰ যেতিয়ালৈকে পৰিপূৰ্ণতা লাভ কৰিব নোৱাৰে তেতিয়ালৈকে সত্যৰ খাতিৰত মানুহে মুক্ত বা পৰিপূৰ্ণ বুলিব নোৱাৰে। এজন মানুহৰ পৰিপূৰ্ণতা প্ৰাপ্তীৰ লগত অন্য মানুহবো পৰিপূৰ্ণতা প্ৰাপ্তীৰ প্ৰশ্ন জড়িত হৈ আছে। ৰাধাকৃষ্ণন ব্যক্তিমুখীত বিশ্বাসী নাছিল, তেওঁ সৰ্বমুক্তিতহে বিশ্বাসী। গতিকে তেওঁৰ মতে মানুহে যেতিয়া নিজৰ মুক্তিৰ আকাংক্ষা কৰে তেতিয়া তেওঁৰ অন্যতম কৰ্ত্তব্য হ'ল তেওঁৰ প্ৰতিবেশী বা সমাজৰ অন্যান্য মানুহৰ মুক্তি কামনা কৰা। ঈশ্বৰৰ অনন্ত প্ৰেমে এদিন নহয় এদিন সকলো মানৱকে যে পৰিপূৰ্ণতা দিব এই বিষয়ে ৰাধাকৃষ্ণনে গভীৰ বিশ্বাস ব্যক্ত কৰিছে। তেওঁৰ মতে যি ব্যক্তিয়ে আত্মবিচ্যুতি অতিক্ৰম কৰি পৰিপূৰ্ণতাৰ দিশত ধীৰে ধীৰে অগ্ৰসৰ হৈছে, তেওঁৰ অন্যতম কৰ্ত্তব্য হ'ল অন্ধকাৰত ডুব গৈ থকা মানুহক পোহৰৰ সন্ধান দিয়া, যি জীৱন যুঁজত পিচ পৰি আছে তেওঁৰ প্ৰতি সহায়ৰ হাত আগবঢ়াই আগুৱাই যোৱাত সহায় কৰা। অধ্যাত্ম সাধনাৰ অন্যতম লক্ষ্য হ'ল পৃথিবীৰ পৰা শোষন, অজ্ঞতাক চিৰদিনৰ বাবে নোহোৱা কৰা। ৰাধাকৃষ্ণনে মানৱ জীৱনৰ যি লক্ষ্যৰ কথা কৈছে তাত ঈশ্বৰ প্ৰাপ্তীয়েই মুখ্য কথা নহয়, এই প্ৰাপ্তীৰ লগত জড়িত হৈ আছে মানুহৰ লগত মানুহৰ মিলন, যিটো সম্ভৱ হ'ব এজন মানুহৰ হৃদয়ৰ ঐশৰ্য্য অইন এজন মানুহৰ হৃদয়ত সঞ্চাৰিত কৰাৰ যোগেদি। তেখেতৰ মতে প্ৰত্যেক মানুহেই অনন্ত ভাগৱত জীৱন লাভ কৰিব। " কমলা বক্তৃতামালা " ত তেখেতে এখন শোষনমুক্ত গণতান্ত্ৰিক জনকল্যাণমূলক সমাজৰ ভিত্তিভূমি আবিস্কাৰ কৰিবলৈ যত্ন কৰিছে। আধ্যাত্মিক ভাববাদৰ ভিত্তিতে এখন মুক্ত উদাৰ সমাজ গঢ়ি তোলাৰ কথা তেওঁ কল্পনা কৰিছে।

জ্ঞান লাভৰ বিভিন্ন উপায় সম্বন্ধে ব্যাখ্যা কৰি ৰাধাকৃষ্ণনে কৈছে যে সকলো প্ৰকাৰৰ বৌদ্ধিক অভিজ্ঞতাৰ ফল হ'ল সত্য সম্বন্ধীয় জ্ঞান। ই তিনি প্ৰকাৰে উৎপত্তি হয়, যথা : ইন্দ্ৰিয় সংবেদন, বিচাৰ সাপেক্ষ যুক্তি আৰু স্বজ্ঞাতবোধ। ইন্দ্ৰিয় সংবেদনৰদ্বাৰা বহিৰ্জগতৰ বাহ্যিক লক্ষণ সমূহ জানিব পাৰি। ইয়াৰ দ্বাৰা বস্তুৰ ইন্দ্ৰিয় গ্ৰাহ্য গুণৰ লগত

ব্যক্তিৰপৰিচয় ঘটে। ইয়াৰ দত্তবস্তু প্ৰাকৃতিক বিজ্ঞানৰ বিষয়বস্তু আৰু তাক বুজাবৰ বাবে তাৰেই কিছুমান প্ৰত্যয়ী সংস্থান গঠিত হয়। তৰ্ক সাপেক্ষ জ্ঞান বিশ্লেষন আৰু সংশ্লেষন প্ৰক্ৰিয়াৰদ্বাৰা লাভ হয়। প্ৰত্যক্ষৰ দ্বাৰা সংগৃহিত দত্ত বস্তু সমূহ বিশ্লেষণ কৰা হয় আৰু এই বিশ্লেষণৰ ফলস্বৰূপে প্ৰত্যক্ষ বস্তু সম্বন্ধে সু-সংবদ্ধ জ্ঞান লাভ হয়। এই জ্ঞানে বিষয়বস্তু আৰু তাৰ ক্ৰীয়াসমূহ পৰিচালনা কৰা আৰু নিয়ন্ত্ৰণ কৰাত সহায় কৰে। ইন্দ্ৰিয়লব্ধ জ্ঞান আৰু তৰ্ক লব্ধ জ্ঞান, এই দুয়োটা উপায়কেই মানুহৰ ব্যৱহাৰিক জীৱনত পৰিবেশ নিয়ন্ত্ৰণৰ বাবে আহৰণ কৰা হয়। অৱশ্যে যি সত্যক উপলব্ধি কৰিবৰ বাবে চেষ্টা কৰা হৈছে তাৰ বাবে এই দুয়ো প্ৰকাৰৰ জ্ঞানেই যথোপযুক্ত নহয় বুলি স্বীকৃত। ইয়াৰ বাবে প্ৰয়োজন স্বজ্ঞাতবোধ বা আত্মজ্ঞান। যিহেতু ই সকলো প্ৰমাণৰ ভিত্তি, সেয়েহে ইয়াক প্ৰমাণ কৰিবও নোৱাৰি। ই আত্মধাৰণাৰ বিষয়বস্তু আৰু ইয়াৰ অব্যৱহিত উপস্থিতিৰ কাৰণেই ইয়াক থকা বুলি জনা যায়।

ডঃ ৰাধাকৃষ্ণন আছিল অত্যন্ত ছাত্ৰবৎসল। ছাত্ৰ-ছাত্ৰী, তৰুণ-তৰুণী আৰু বয়সীয়াল -- সৰ্বস্তৰৰ লোককেই তেওঁ পাৰ্য্যমানে সহায় কৰিছিল। তেওঁৰ এখন চিঠি বা এটা টেলিফোন বাৰ্ত্তাই যদি এজন ছাত্ৰক উপকাৰ কৰে, তেতিয়া তেওঁ কেতিয়াও পিছ নুহুকিছিল। ৰাধাকৃষ্ণনৰ স্মৃতি শক্তি অত্যন্ত প্ৰখৰ আছিল। কৃতি ছাত্ৰ-ছাত্ৰী সকলৰ নাম তেওঁৰ নখদৰ্পনত। ভাৰতৰ ৰাষ্ট্ৰপতি পদত কাৰ্য্যনিৰ্বাহ কৰি থকাৰ সময়ত এবাৰ তেওঁ কাশী হিন্দু বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন অনুষ্ঠানত ভাষণ দিবলৈ গৈছিল। সমাৱৰ্ত্তনৰ কাম শেষ হোৱাৰ পিছত হঠাতে ৰাধাকৃষ্ণনৰ মনত পৰিল যে তেওঁৰেই এগৰাকী ছাত্ৰীৰ স্বামী কাশীৰ কোনোবা এটা গলিৰ ভিতৰৰ এটা ঘৰত ৰোগশয্যাত পৰি আছে। ৰাষ্ট্ৰপতিয়ে তেওঁৰ কণভয়ৰ পৰিচালকক লগে লগে নিৰ্দেশ দিলে সেই অখ্যাত ঘৰটোলৈ লৈ যাবৰ বাবে। ৰাষ্ট্ৰপতিৰ ভ্ৰমণসূচীৰ মাজত এই বিষয়টো আগতে অন্তৰ্ভূক্ত নাছিল, ফলত সেই ঘৰৰ নম্বৰ, ৰাস্তাৰ নাম ইত্যাদি কাৰোৱেই জ্ঞাত নাছিল। তথাপি যেতিয়া ৰাধাকৃষ্ণনে দেখা কৰিবৰ বাবে জেদ ধৰিলে, তেতিয়া কনভয় বাহিনীয়ে বহুকষ্ট কৰি সেই ঘৰটো বিচাৰি উলিয়াই তেখেতক গন্তব্য স্থানলৈ লৈ গৈছিল।

ৰাধাকৃষ্ণনে যেতিয়া চোভিয়েত দেশত ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপে

কিছুকাল কাৰ্য্যনিৰ্বাহ কৰিছিল সেই সময়ত উভয় দেশৰ বৈদেশিক মন্ত্ৰনালয়ৰ মাজত অতি সৌহাৰ্য্যপূৰ্ণ সম্পৰ্ক আছিল। তেখেতৰ আগতে যেতিয়া শ্ৰীমতী বিজয়লক্ষ্মী পণ্ডিত চোভিয়েত দেশত ৰাষ্ট্ৰদূত হিচাপে আছিল তেতিয়া দুই মন্ত্ৰনালয়ৰ মাজৰ সম্পৰ্ক খুউব এটা প্ৰীতিপূৰ্ণ নাছিল। ডঃ ৰাধাকৃষ্ণৰ সময়ত এই অৱস্থাৰ বহুতো উন্নতি হয়। ইয়াৰ মূলতে হ'ল তেওঁ কোনো বিশেষ ৰাজনৈতিক দলৰ সদস্য নাছিল বাবে সিদ্ধান্ত গ্ৰহণত নিৰপেক্ষ হ'ব পাৰিছিল। তদুপৰি এজন বিশিষ্ট দাৰ্শনিক আৰু শিক্ষাবিদ হিচাপে সেই সময়ত তেওঁৰ নামে দেশ-বিদেশত স্বীকৃতি লাভ কৰিছিল। তেওঁ কূটনীতিক কৌশল প্ৰয়োগতকৈ সত্য ভাষণক বেছি গুৰুত্ব দিছিল। মস্কো বিশ্ববিদ্যালয়ত এবাৰ এটা বক্তৃতা দিয়াৰ পিছত ছাত্ৰ-ছাত্ৰী সকলে ৰাধাকৃষ্ণনক আগুৰি ধৰি জাউৰিয়ে জাউৰিয়ে এনেধৰণে প্ৰশ্ন কৰিছিল - " *তোমাক এই দেশত ৰাষ্ট্ৰদূত হিচাপে পঠিয়াই ভাৰত চৰকাৰে সুবিবেচনাৰ পৰিচয় দিছেনে? তুমি ঈশ্বৰ বিশ্বাসী আৰু আমি নাস্তিক। তোমাৰ মতে ধৰ্মই জগতৰ সকলো সমস্যাৰ সমাধান কৰিব পাৰে। আমি ধৰ্মক টোপানি অনা আফিম যেন গণ্য কৰোঁ*"। ডঃ ৰাধাকৃষ্ণনে এই প্ৰশ্নবোৰ শুনি মিচিকি মিচিকি হাঁহিছিল, উত্তৰ দিয়াৰ প্ৰয়োজন অনুভৱ কৰা নাছিল। কিন্তু ছাত্ৰ ছাত্ৰীবোৰে বৰকৈ জোৰ কৰাত তেওঁ উপস্থিত তিনিজন ছাত্ৰক ওলোটাই প্ৰশ্ন কৰি জানিলে যে তেওঁলোকে নিৰন্তৰ গৱেষণা কৰি শিক্ষাবিদ হ'ব বিচাৰে। এজন পদাৰ্থ বিদ্যাৰ, এজন নন্দন তত্ত্বৰ আৰু আনজন সমাজ বিজ্ঞানৰ। প্ৰথমজনক ৰাধাকৃষ্ণনে কলে - 'তোমাৰতো জীৱনৰ লক্ষ্য 'সত্য'। সত্য লাভৰ বাবে তুমি প্ৰাণ পৰ্য্যন্ত দিবলৈ প্ৰস্তুত। দ্বিতীয়জনক কলে, তোমাৰ জীৱনৰ লক্ষটো 'সুন্দৰ', আৰু তৃতীয়জনক কলে তোমাৰ জীৱনৰ লক্ষ্য 'কল্যাণ' বা 'শিৱ'। আমাৰ 'ঈশ্বৰ' হ'ল সত্য, শিৱ আৰু সুন্দৰৰ সংহত ৰূপ। তোমালোকে সেই অখণ্ড ঐশী শক্তিক ভাগ ভাগকৈ কৰি অৰ্চনা কৰিছা - এই মাত্ৰ পাৰ্থক্য।' তেওঁৰ উত্তৰ শুনি সকলোৱে গিজনী মাৰি হাঁহি কলে -- 'তুমি যে ইমান চতুৰ আমি জনাই নাছিলো।'

আজীৱন মানৱ জীৱনৰ আধ্যাত্মিক ভিত্তিভূমিৰ বিষয়ে সোঁৱৰণ কৰাই দিওঁতা দাৰ্শনিক পণ্ডিত ডঃ ৰাধাকৃষ্ণনে দৰ্শনৰ বহুতো মূল্যবান গৱেষণামূলক গ্ৰন্থ লিখি থৈ গৈছে। সেই বিলাকৰ ভিতৰত 'কল্কি', 'হিন্দু

ভিউ অৱ লাইফ', 'ইণ্ডিয়ান ফিলচফি', 'ৰিলিজন এণ্ড চচাইটি', 'অ্যান আইডিয়ালিষ্ট ভিউ অৱ লাইফ', 'দি ফিউচাৰ অৱ চিভিলাইজেচন' আদি গ্ৰন্থসমূহ বিশেষভাৱে উল্লেখযোগ্য।

বিশ্বৰ দাৰ্শনিক পণ্ডিত সকলৰ মাজত বিস্ময়কৰ প্ৰতিভাৰে এক বিশিষ্ট আসন লভিবলৈ সক্ষম হোৱা এই বিশ্ববিশ্ৰুত দাৰ্শনিক পণ্ডিত ডঃ ৰাধাকৃষ্ণনে ১৯৭৫ চনত ইহলীলা সম্বৰণ কৰে। পাঁচ চেপ্তেম্বৰৰ দিনটোত ডঃ ৰাধাকৃষ্ণনৰ জন্মদিনৰ লগত সঙ্গতি ৰাখি ১৯৬২ চনৰ পৰাই সমগ্ৰ ভাৰতবৰ্ষতে শিক্ষকদিৱস ৰূপে পালন কৰি আহিছে। এই দিনটোত বিভিন্ন অনুষ্ঠান- শিক্ষানুষ্ঠান আদিত শিক্ষকতাকে জীৱনৰ ব্ৰত কৰি লোৱা ডঃ ৰাধাকৃষ্ণনৰ সোঁৱৰণত মেল মিটিং আদিৰ জৰিয়তে শিক্ষকতাক সন্মান জনাবলৈ উদগনি দিয়া হয়। এই দিনটোত সমাজখনক সঠিক দিশত আগুৱাই নিবৰ বাবে শিক্ষক সকলৰ ভূমিকাৰ বিষয়েও আলোচনা কৰা হয়। ডঃ ৰাধাকৃষ্ণনৰ নিচিনা এজন আন্তৰ্জাতিক খ্যাতি সম্পন্ন গৱেষক তথা পণ্ডিতৰ জন্মদিনৰ সৈতে সঙ্গতি ৰাখি শিক্ষক দিৱস পতাৰ ফলত সমাজত শিক্ষক সকলৰ স্থান তথা ভূমিকাৰ প্ৰতিয়ো বিশেষ সন্মান দেখুওঁৱা হৈছে।

❖❖❖

## সহায়ক গ্ৰন্থপঞ্জীৰ তালিকা

১। " জীৱনৰ আদৰ্শবাদ " (An Idealist View of life) : অসমীয়া অনুবাদ- মহেশচন্দ্ৰ গোস্বামী, অসম প্ৰকাশন পৰিষদ।

২। ' সৰ্ব্বপল্লী ৰাধাকৃষ্ণন ' : অমীয় কুমাৰ মজুমদাৰ, মিত্ৰ এণ্ড ঘোষ পাবলিশাৰ্চ, কলিকতা।

৩। 'হিন্দু ভিউ অব্ লাইফ' : ডঃ এস. ৰাধাকৃষ্ণন।

৪। ' লাইফ ডিভাইন ' : শ্ৰী অৰবিন্দ ।

৫। 'দি ফিউচাৰ অব্ চিভিলাইজেচন ' : ডঃ এস. ৰাধাকৃষ্ণন।

✿✿✿

*"সেই ছন্দেই মুক্তি আমাৰ পাব*

*মৃত্যুৰ পথে মৃত্যু এড়ায়ে যাব"*— ৰবীন্দ্ৰ নাথ ঠাকুৰ

# বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰ

বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰ আছিল ঊনবিংশ শতিকাৰ পৰা আৰম্ভ কৰি কুৰিশতিকাৰ সাহিত্য সংস্কৃতি জগতৰ এক বিস্ময়কৰ প্ৰতিভা। কবিগুৰুৰ বিশ্ববোধ, তেখেতৰ ভাৰতপ্ৰীতিৰ স্পৰ্শত জীৱন্ত আৰু ব্যপ্ত। ৰবীন্দ্ৰ নাথৰ জীৱন কেবল এটি ব্যক্তি মানৱৰ আবিৰ্ভাৱ আৰু কৰ্মকৃতিৰ ইতিহাস নহয়, ই মানৱতাৰ বিবৰ্ত্তনৰ এটি বিশেষ স্তৰৰ নিদৰ্শন। ব্যক্তি হৃদয়ৰ পৰা বিশ্ব হৃদয়লৈ, বিশ্বাত্মাৰ বুকুলৈ ৰবীন্দ্ৰ নাথৰ কাব্যিক চেতনাই গতি কৰে। বাংলা সাহিত্যৰ আকাশত উজলি থকা সহস্ৰ তৰাৰ মাজত ৰবীন্দ্ৰ নাথৰ স্থান ধ্ৰুবতৰাৰ দৰে।

আধুনিক বাংলা সাহিত্যৰ সূচনা হয় দীনবন্ধু মিত্ৰ, মাইকেল মধুসূদন দত্ত আৰু বঙ্কিমচন্দ্ৰৰ হাতত। ৰবীন্দ্ৰ নাথৰ আগতে এই তিনি যুগান্তকাৰী সাহিত্যিকৰ ৰচনাৰ দ্বাৰা ক্ষীণ অপৰিপুষ্ট প্ৰাদেশিক বাংলা সাহিত্যই এক গতিশীল চৰিত্ৰ লাভ কৰিলে। এই তিনিজন মহাপুৰুষে তৈয়াৰ কৰা পথেৰেই অগ্ৰসৰ হৈ ৰবীন্দ্ৰনাথে বাংলা সাহিত্যক আন্তৰ্জাতিক ক্ষেত্ৰলৈ আগুৱাই লৈ গ'ল। ঊনবিংশ শতাব্দীৰ মাজভাগত জন্মগ্ৰহণ কৰি বাংলা সাহিত্যৰ নৱজাগৰণ কাললৈকে সুস্থ আৰু সফলভাৱে পৰিচালনা কৰি বিংশ শতাব্দীৰ মাজভাগ পৰ্য্যন্ত নিজকে বিস্তৃত কৰি ৰাখি আধুনিক বাংলা সাহিত্যত ৰবীন্দ্ৰনাথে নিজেই এটা যুগৰ সৃষ্টি কৰি থৈ গ'ল। একাধাৰে কবি, নাট্যকাৰ, গল্পকাৰ, উপন্যাসিক, গীতিকাৰ, চিত্ৰশিল্পী ৰবীন্দ্ৰনাথ ঠাকুৰে তেখেতৰ সমস্ত ৰচনাৰ মাধমেৰে ভাৰতবৰ্ষৰ সনাতন ঐতিহ্য আৰু ভাবধাৰাক বিশ্ববাসীৰ ওচৰত সফলভাৱে দাঙি ধৰিছে। ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত " জনগণ মন অধিনায়ক " —— ৰবীন্দ্ৰ নাথৰ দেশপ্ৰেমৰ এক জ্বলন্ত নিদৰ্শন।

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে সকল শিল্পক্ষেত্ৰ আৰু সাহিত্যতেই

তেখেতৰ জীৱনৰ ক্ৰমধাৰাক সীমাবদ্ধ কৰি নাৰাখি নিজকে নানাধৰণে সামাজিকভাৱেও যুক্ত কৰি ৰাখিছিল। বঙ্গভঙ্গ আন্দোলনৰ পৰা আৰম্ভ কৰি বঙ্গদেশৰ বিভিন্ন আন্দোলনৰ নেতৃত্ব দিয়া কবিগুৰুৰ পৰা দেশৰ সেই সময়ৰ প্ৰধান নেতাসকলে সময়ে সময়ে পৰামৰ্শ লৈছিল। মহামানৱ মহাত্মাগান্ধীয়ে ৰবীন্দ্ৰনাথক 'গুৰুদেৱ' সন্মানেৰে বিভূষিত কৰিছিল। ৰবীন্দ্ৰনাথেও গান্ধীজীক 'মহাত্মা' উপাধীৰে সন্মান যাচিছিল। ঋষি অৰবিন্দৰ সাধনাই কবিক আনন্দ দিছিল আৰু কবিগুৰুৱে অৰবিন্দ সম্পৰ্কে লিখিছিল- 'অৰবিন্দ, ৰবীন্দ্ৰৰ লহো নমস্কাৰ। হে বন্ধু, হে দেশবন্ধু স্বদেশ আত্মাৰ।' ৰবীন্দ্ৰ ৰচনাই ভাৰতীয় তথা ভাৰতবৰ্ষৰ ঐতিহ্য আৰু সৃষ্টি সম্পৰ্কে এক গভীৰ ধাৰণা দিয়াৰ ফলত দেশ বিদেশৰ আগ্ৰহী সুধী সমাজৰ মাজত কবিয়ে বিশেষভাৱে খ্যাতি লাভ কৰে। সদায় সততা আৰু নিৰপেক্ষতাৰ পক্ষত থকা ৰবীন্দ্ৰনাথে যিকোনো অন্যায় অনীতিৰ বিৰুদ্ধে সময়ে সময়ে তীব্ৰ প্ৰতিবাদ কৰিছিল। ১৯১৯ চনৰ ১৩ এপ্ৰিলৰ দিনাখন পঞ্জাবৰ জালিয়নাবাগত আবদ্ধ স্থানত সভাত উপস্থিত থকা তিনিশ উনআশিজন নিৰস্ত্ৰ ভাৰতীয়ক বৃটিছ সৈন্যই কৰা হত্যাকাণ্ডৰ প্ৰতিবাদ কৰে বৃটিছ চৰকাৰে ১৯১৫ চনত সম্ৰাট পঞ্চম জৰ্জৰ জন্মদিনত অসামান্য সাহিত্যকৃতিৰ বাবে ৰবীন্দ্ৰনাথক প্ৰদান কৰা 'ছাৰ' খিতাপ ঘূৰাই দি কবিয়ে সেই সময়ৰ ভাইচৰয় চেমচফোৰ্ডলৈ লিখিছিল——

*" The very least I can do for my country is to take all consequences upon myself in giving voice to the protest of the millions of my country men, surprised into a dumb anguish of terror. The time has come when badges of honour make our shame glaring in the incongruous context of humiliation and I for my part wish to stand shorn of all special distinctions, by the side of those of my countrymen who for their so called insignificance are liable to suffer degradation."*

এক অফুৰন্ত কৰ্মশক্তি আৰু প্ৰাণস্পন্দনৰ অধিকাৰী ৰবীন্দ্ৰনাথে যি দেখিছে, যি অনুভৱ কৰিছে তাক নিৰপেক্ষ দৃষ্টিভঙ্গীৰে অনবদ্যভাৱে লিখি গৈছিল। বৰ্তমানৰ বাংলাভাষা সাহিত্যৰ যি বাহুল্যতা বা চলমান

গীতিছন্দ, ইয়াৰ বেছিভাগেই ৰবীন্দ্ৰনাথৰ দান। তেখেতে মনৰ আনন্দত সৃষ্টিৰ পিছত সৃষ্টি কৰি গৈছিল। ৰবীন্দ্ৰনাথে গভীৰভাবে বিশ্বাস কৰিছিল যে প্ৰতিটো শিল্পকৰ্মৰ একোটা নিদৃষ্ট লক্ষ্য (Mission) থাকে। অকল শিল্পৰ বাবে তেওঁ শিল্প সৃষ্টি কৰা নাছিল। কবিতা, গল্প, উপন্যাস আদিৰ উপৰিও কবিয়ে সত্তৰ বছৰ বয়সত চিত্ৰ শিল্পৰ (Painting) কামত হাত দিয়ে আৰু মৃত্যুৰ আগমুহূৰ্ত্তলৈকে দহবছৰ চিত্ৰশিল্পৰ কাম কৰি প্ৰায় তিনি হেজাৰ চিত্ৰ আকিছিল। প্ৰখৰ সূৰ্য্য যেনেদৰে মহাজগতৰ অধিপতি, তেনেদৰে বাংলা সাহিত্য জগততো তেখেতে অধিপতিস্বৰূপে আছিল। ৰবীন্দ্ৰনাথৰ ৰচনাৰ প্ৰভাব অকল বাংলা সাহিত্য তথা ভাৰতীয় সাহিত্যতে সীমাবদ্ধ নাছিল, বিদেশী লেখকসকলো তেখেতৰ দ্বাৰা বিশেষভাবে প্ৰভাবিত হৈছিল। কবি ইয়েটছ, এজৰা পাউণ্ড আদি প্ৰথম অৱস্থাত ৰবীন্দ্ৰনাথৰ ভাবশিষ্য আছিল। আনহাতে পশ্চিমীয়া সভ্যতাৰ উদাৰ মানবতাই প্ৰাচীন ভাৰতৰ উপনিষদীয় বিশ্বভাতৃত্ববোধৰ লগত মিলি ৰবীন্দ্ৰনাথৰ মনত মহামানৱতাৰ এক ভবিষ্যত নৱমিলনৰ সম্ভাবনা প্ৰতিফলিত কৰিছিল। ‘আমি নিখিল বিশ্বেৰ, নিখিল বিশ্বও আমাৰ’ —— এই বিশ্ববোধৰ ওপৰতেই তেখেতে পূৰ্ব আৰু পশ্চিমক ভাৰতবৰ্ষৰ ভূমিৰ ওপৰত প্ৰতিষ্ঠিত কৰিব বিচাৰিছিল। পশ্চিমীয়া ভাবধাৰাকো নিজৰ সাহিত্যত কবিয়ে উদাৰভাবে গ্ৰহণ কৰিছিল। তেখেতে লিখিছিল-

“পশ্চিমে আজ খুলিয়াছে দ্বাৰ
সেথা হতে সবে আনে উপহাৰ
দিবে আৰ নিবে মিলাবে মিলিবে
যাবেনা ফিৰে
এই ভাৰতেৰ মহামানৱেৰ সাগৰতীৰে”

কবিগুৰু ৰবীন্দ্ৰনাথৰ জন্ম হৈছিল ১৮৬১ চনৰ ৭ মে তাৰিখে (বাংলা ১২৬৮ চনৰ ২৫ বৈশাখ) কলিকতাৰ জোঁড়াসাঁকোৰ ঘৰত। পিতৃ মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰ আৰু মাতৃ সাৰদাদেৱীৰ পোন্ধৰটা পুত্ৰ-কন্যাৰ ভিতৰত চতুৰ্দশ সন্তানৰূপে ৰবীন্দ্ৰনাথে জন্ম লাভ কৰে। সোণৰ চামুচ মুখত লৈ ৰবীন্দ্ৰনাথৰ জন্ম হোৱা বুলি কব পাৰি, কিয়নো পিতৃ দেবেন্দ্ৰনাথ এক বিশাল জমিদাৰী আৰু ব্যৱসায় - বাণিজ্যৰ মালিক আছিল।

জোড়াসাঁকোৰ ঘৰত আত্মীয়-স্বজন, দাস-দাসীৰ সৈতে এক বিৰাট পৰিয়ালে বসবাস কৰিছিল। দেবেন্দ্ৰনাথৰ বিবাহীত কন্যাসকলো ঘৰ-জোঁৱাইৰ সৈতে জোড়াসাঁকোৰ ঘৰতেই বাস কৰিছিল। ৰবীন্দ্ৰনাথৰ মাতৃ সাৰদাদেৰীয়ে এই বিশাল ঠাকুৰ পৰিয়ালৰ দায়িত্ব লৈ ব্যস্ত থাকিব লগা হোৱা বাবে ৰবীন্দ্ৰনাথে দাস-দাসী সকলৰ হাতভেই প্ৰায় নিসঙ্গভাৱে ডাঙৰ দীঘল হ'ব লগাত পৰিছিল। ৰবীন্দ্ৰনাথৰ ভাগ্যত মাকৰ মৰম-পৰিচৰ্য্যা আদি নাছিল। তদুপৰি তেওঁৰ জন্মৰ সময়ত ডাঙৰ ককায়েক দ্বিজেন্দ্ৰনাথৰ বয়স একৈশ বছৰ, সত্যেন্দ্ৰনাথৰ বয়স ঊনৈশ বছৰ, প্ৰেমেন্দ্ৰনাথৰ বয়স সোতৰ বছৰ আৰু জোতিৰিন্দ্ৰনাথৰ বয়স তেৰ বছৰ। বয়সৰ ব্যৱধানৰ ফলত এওঁলোকৰ লগত প্ৰথম জীৱনত ৰবীন্দ্ৰনাথৰ খুউব এটা মিলা মিচা নহৈছিল যদিও অৱশ্যে পিছৰ জীৱনত এই চাৰিগৰাকী ককায়েকৰ প্ৰভাৱ তেখেতৰ ওপৰত বিশেষভাৱে পৰিছিল।

জোড়াসাঁকোৰ ঠাকুৰবাড়ী ঘৰত সেই সময়ত সাহিত্য, গান, নাটক, অভিনয় আদিৰ আলোচনাৰ বিশেষ পৰিবেশ আছিল যদিও এইবোৰত ৰবীন্দ্ৰনাথৰ দৰে শিশুবোৰে যোগ দিয়াত বাধা আছিল। এই বিষয়ে তেখেতে লিখিছে- 'তখন বড়োদেৰ আমোদ ছেলেৰা দূৰ থেকে দেখতে পেত না। যদি সাহস কৰে কাছাকাছি যেতুম তাহলে শুনতে হল যাও খেলা কৰগে।' এনে অনুষ্ঠানত ডাঙৰ ককায়েক দ্বিজেন্দ্ৰ নাথে 'স্বপ্নপ্ৰয়াণ' নামে কাব্য লিখি বন্ধুসকলক শুনোৱাই থাকোঁতে ৰবীন্দ্ৰনাথে মনে মনে দুৱাৰৰ পৰা চাই শুনি থাকিছিল। এনে অনুষ্ঠানেই তেখেতক শৈশৱ অৱস্থাতেই কাব্যৰচনাত প্ৰভাৱান্বিত কৰিছিল। শিশু অৱস্থাতেই ৰবীন্দ্ৰনাথ সুকণ্ঠি আছিল আৰু গানৰ গৃহ শিক্ষক বিষ্ণু চক্ৰবৰ্ত্তী, যদু ভট্ট আদিৰ ওচৰত গান শিকিছিল। ভৃত্য ব্ৰজেশ্বৰ আছিল ৰবীন্দ্ৰনাথৰ অভিভাবকৰ নিছিনা। ব্ৰজেশ্বৰৰ চাৰিওকাষে বহি ঠাকুৰ পৰিয়ালৰ শিশু সকলে ৰামায়ণ-মহাভাৰতৰ কাহিনী শুনিছিল। ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ বৰ্ণ পৰিচয়ৰ যোগেদি ৰবীন্দ্ৰনাথৰ প্ৰথম বিদ্যাশিক্ষা আৰম্ভ হয়। প্ৰথম অৱস্থাত শিক্ষক মাধৱ পণ্ডিতৰ তত্বাৱধানত কবিৰ বিদ্যাশিক্ষা আৰম্ভ হৈছিল যদিও ৰবীন্দ্ৰনাথে কিছুদিন পিছত ডাঙৰ লৰা-ছোৱালীয়ে যোৱা স্কুলত যাবৰ বাবে জেদ ধৰাত তেওঁক ওৰিয়েণ্টেল চেমিনাৰীত নামভৰ্ত্তি কৰাই দিয়ে। তাৰ কিছুদিন পিছত নৰ্মাল স্কুলত ভৰ্ত্তি হয়। ককায়েক দ্বিজেন্দ্ৰনাথৰ বহতো মূল্যবান

সাহিত্য-সংস্কৃতিমূলক গ্ৰন্থ সংগ্ৰহ কৰা আছিল আৰু এইবোৰ ৰবীন্দ্ৰনাথে ঘৰতেই অধ্যয়ন কৰাৰ সুযোগ পাইছিল।

১৮৭৩ চনত তেওঁ দেউতাক মহৰ্ষি দেবেন্দ্ৰনাথৰ সৈতে হিমালয়ৰ পাদদেশ ভ্ৰমণৰ বাবে আহে আৰু অহাৰ পথত কিছুদিন বোলপুৰত থাকে। ৰেলষ্টেচনৰ পৰা প্ৰায় ১০ কিলোমিটাৰ দূৰত ২০ বিঘা মাটি কিনি তাত দেবেন্দ্ৰনাথে এটা দোতলা ঘৰ নিৰ্মাণ কৰিছিল। এই ঘৰটিৰ নামেই হ'ল শান্তিনিকেতন। ঘৰটোৰ চাৰিওফালে দিগন্ত বিস্তৃত পথাৰ, অসমাপ্ত এটা পুখুৰি আৰু তালগছৰ শাৰি। পিছলৈ ইয়াত দেবেন্দ্ৰনাথে এটা উপাসনা মন্দিৰ আৰু আশ্ৰম স্থাপন কৰে। শান্তিনিকেতনৰ সৈতে ৰবীন্দ্ৰনাথৰ সেয়াই প্ৰথম দৰ্শন আৰু এই উদাৰ উন্মুক্ত ঠাইৰ পৰাই তেখেতে কবিতা লিখাৰ প্ৰেৰণা পাইছিল। ইয়াতেই তেতিয়া কবিয়ে 'পৃথ্বীৰাজ পৰাজয়' নামে এখন নাট্যকাব্য লিখিবলৈ লয়। কাৰোতৰ মতে 'ৰুদ্ৰচন্দ্ৰ' নামে প্ৰকাশিত নাট্যকাব্যখনি সেই অপ্ৰকাশিত লেখাৰেই ৰূপান্তৰ। এনেদৰে চাৰিমাহে দেউতাকৰ লগত বাহিৰত ফুৰি কবিয়ে পুনৰ জোড়াসাঁকোৰ ঘৰলৈ ঘুৰি আহে আৰু গৃহশিক্ষক জ্ঞানচন্দ্ৰই ৰবীন্দ্ৰনাথক মূল ম্যকবেথ আৰু কুমাৰ সম্ভৱ পঢ়ায় আৰু কবিৰদ্বাৰা এই কবিতাৰ বাংলা অনুবাদো কৰোৱায়। 'ম্যকমেথ'ৰ কিছুঅংশ 'ভাৰতী' পত্ৰিকাত বিনা নামত প্ৰকাশ পায়। স্বয়ং বিদ্যাসাগৰে এই অনুবাদ শুনি ৰবীন্দ্ৰনাথক খুউব প্ৰশংসা কৰে। ১৮৭৫ চনত ৰবীন্দ্ৰনাথে প্ৰথমে নিজৰ নামত লিখা 'হিন্দুমেলা উপহাৰ' কবিতাটো অমৃতবাজাৰ পত্ৰিকাত প্ৰকাশ পায়। সেই সময়তেই তেওঁ পণ্ডিত সমাজলৈ দেশৰ দীন-হীন দৰিদ্ৰ অৱস্থা বৰ্ণনা কৰি লিখা 'প্ৰকৃতিৰ খেদ' নামৰ কবিতাটো 'প্ৰতিবিম্ব' প্ৰত্ৰিকাৰ প্ৰথম সংখ্যাত প্ৰকাশ পায়। 'প্ৰতিবিম্ব' ত ৰবীন্দ্ৰনাথৰ প্ৰথম কাব্য উপন্যাস 'বনফুল' ধাৰাবাহিকভাৱে প্ৰকাশ পাব ধৰে। সেই সময়তে ১৮৭৫ চনৰ মাৰ্চ মাহত তেখেতৰ মাতৃ সাৰদাদেৱীৰ দেহাবসান ঘটে। ফলত ৰবীন্দ্ৰনাথক শাসন কৰিবৰ বাবে প্ৰত্যক্ষভাৱে কোনো নথকাত কবিয়ে স্বাধীনভাৱে নিজে ভাল পোৱা কাম, অৰ্থাৎ কবিতা লিখা, গল্প লিখা ইত্যাদিত সম্পূৰ্ণভাৱে নিমগ্ন হয়। ষোল্ল বছৰ বয়সত 'ভাৰতী' পত্ৰিকাত কবিৰ প্ৰথম গল্প 'ভিখাৰিণী' প্ৰকাশ পায়। সেই সময়ত তেখেতৰ যি ৰচনাই সকলোকে প্ৰভাবিত কৰিছিল, সেয়া হ'ল 'ভানুসিংহৰ পদাৱলী'। এই পদাৱলীৰ

ব্ৰজবলীত লিখা গান আৰু কবিতাবিলাকৰ কিছু কিছু অংশই ঘন মেঘৰ অন্ধকাৰৰ মাজে মাজে বিদ্যুত চমকাৰ দৰে চমকদিছিল।

" মৰণ ৰে
তুঁহু মম শ্যাম সমান
মেঘবৰণ তুঝ, মেঘ জটাজুট
ৰক্তকমল কৰ, ৰক্ত অধৰপুট,
তাপ বিমোচন কৰুণ কোৰ তব
মৃত্যু অমৃত কৰে দান।
তুঁহু মম শ্যাম সমান ।।'

'ভাৰতী' ত ৰবীন্দ্ৰনাথৰ 'কবিকাহিনী' প্ৰকাশ পাইছিল। ১৮৭৮ চনত প্ৰকাশ পোৱা এই নাটকখনিয়ে ৰবীন্দ্ৰনাথৰ প্ৰথম প্ৰকাশিত ছপা গ্ৰন্থ।

১৮৭৮ চনত ৰবীন্দ্ৰনাথে ককায়েক সত্যেন্দ্ৰনাথৰ লগত বিলাতলৈ যায় আৰু তাত প্ৰথমতে ব্ৰাইটনৰ পাব্লিক স্কুলত আৰু পিছলৈ লণ্ডনৰ ইউনিভাৰচিটি কলেজত ভৰ্ত্তি হয়। ককায়েক সত্যেন্দ্ৰনাথ সেই সময়ত ইণ্ডিয়ান চিভিল চাৰ্ভিচৰ প্ৰথম ভাৰতীয় সদস্য আছিল। সেই কলেজত হেনৰী মাৰলি নামে এজন অধ্যাপকে ইংৰাজী সাহিত্য পঢ়োৱাইছিল। সেই সময়তে ৰবীন্দ্ৰনাথে ভাৰতত ইংৰাজসকলৰ সম্বন্ধে এখনি পুথি ৰচনা কৰে—। হেন্‌ৰি মাৰলিয়ে এই পুথিখনিৰ খুউব প্ৰশংসা কৰে। দেড়বছৰ পিছত পিতৃ দেবেন্দ্ৰনাথৰ নিৰ্দ্দেশত বিলাতৰ পৰা কোনো ডিগ্ৰি নোলোৱাকৈয়ে পুনৰ ভাৰতলৈ উভতি আহে। অৱশ্যে বিলাতৰ পৰা ঘুৰি অহাৰ পিছত কৰিৰ আগৰ লাজুক, নম্ৰ, শান্ত স্বভাৱৰ পৰিবৰ্ত্তন ঘটি অলপ প্ৰগলভতা আহিছিল। বিলাতৰ পৰা শিক্ষাৰ কোনো ডিগ্ৰি লৈ আহিব নোৱাৰা গ্লানি গুচাবৰ বাবে তেখেতে নতুন নতুন সাহিত্য ৰচনাত মনোনিবেশ কৰিলে। সৃষ্টি হ'ল 'কালমৃগয়া' আৰু "বাল্মীকি প্ৰতিভা' গীতিনাট্য——

"বাল্মীকি। ব্যাকুল হয়ে বনে বনে
ভ্ৰমি একেলা শূণ্য মনে !

কে পুৰাবে মোৰ শূণ্য এহিয়া

জুড়াবে প্ৰাণ সুধাবৰিষণে।"

বিদেশযাত্ৰা সম্পৰ্কে ৰবীন্দ্ৰনাথে লিখিছে---- 'আমাৰ বিদেশেৰ শিক্ষা সমস্ততাই মানুহৰ চোওঁয়া লেগে। বিলেত গেলাম, বেৰিস্তাৰি হয়নি। জীৱনেৰ গোড়াকাৰ কাঠামোটাকে নাড়া দেবাৰ মতো ধাক্কা পাইনি। নিজেৰ মধ্যে নিয়েছি পূৰ্ব পশ্চিমেৰ হাত মেলানো। আমাৰ নামটাৰ মানে পেয়েছি প্ৰাণেৰ মধ্যে'।

১৮৯৩ চনৰ ৯ ডিচেম্বৰৰ দিনাখন ঠাকুৰঘৰৰ এজন কৰ্মচাৰীৰ কন্যা ভবতাৰিণীৰ সৈতে ৰবীন্দ্ৰনাথৰ শুভবিবাহ সম্পন্ন হয়। পিছলৈ তেখেতে পত্নীৰ নামটো সলনি কৰি নতুন নাম দিলে মৃনালিনী। ৰবীন্দ্ৰনাথৰ প্ৰিয় নাম 'নলিনী' ৰ প্ৰতিশব্দ এটি। বিয়াৰ পিছত মৃনালিনী দেৱীক ল'ৰেটোৰ খৃষ্টান বিদ্যালয়ত পঢ়ুৱাই তেওঁ নিজৰ পচন্দমতে গঢ়ি লয়। তেওঁলোকৰ পাৰিবাৰিক জীৱন অতি সুখৰ আছিল। বিয়াৰ পিছতে ৰবীন্দ্ৰনাথৰ বন্ধুসম বৌৱেক কাদম্বৰী দেৱীৰ হঠাতে আত্মহত্যা কৰা ঘটনাই কবিক কিছুদিনলৈ স্তম্ভিত তথা ব্যথিত কৰি তুলিছিল। বিবাহৰ পিছতো ৰবীন্দ্ৰনাথে সংসাৰৰ বান্ধোনত বিশেষ বাধা পোৱা নাছিল আৰু অবাধভাৱে কবিতা-গান ইত্যাদি লিখি গৈছিল। গাজীপুৰত সপৰিবাৰে ফুৰিবলৈ গৈ অন্ধলোকৰ প্ৰেৰণাত কবিয়ে ৰচনা কৰিছিল 'মানসী' কাব্যগ্ৰন্থ। ইতিমধ্যে তেখেতে শিশু লৰা-ছোৱালীৰ বাবে লিখা 'শিশু' নামে কাব্যগ্ৰন্থৰ বহু কবিতা 'বালক' নামে পত্ৰিকাত প্ৰকাশ পাইছিল।

১৮৯০ চনত ৰবীন্দ্ৰনাথে দ্বিতীয়বাৰ বিলাতলৈ যাত্ৰা কৰে আৰু ২২ আগষ্টৰ পৰা ৩ নভেম্বৰ পৰ্য্যন্ত বিয়াল্লিছ দিন জাহাজত কটাই বাকী একমাহ লণ্ডনত থাকে। এই তিনিমাহ সময়চোৱাত তেখেতে বাংলা ভাষাত ৰচনা কৰে ' য়ুৰোপযাত্ৰীৰ ডায়েৰী '।

১৮৯১ চনত যেতিয়া কবিৰ ত্ৰিশ বছৰ পূৰ্ণ হয়, তেতিয়া তেখেতে জমিদাৰী পৰিচালনাৰ কাম কাজৰ তদাৰকীৰ লগতে বিভিন্ন ৰচনা সৃষ্টিত হাত দিয়ে। জমিদাৰীৰ কামত তেখেতে বহুবাৰ উত্তৰবঙ্গলৈ যাব লগাত পৰিছিল। ১৩০১ চনত (বাংলা) প্ৰতিষ্ঠিত হোৱা ' বঙ্গীয় সাহিত্য পৰিষদ'ৰ জন্মলগ্নৰে পৰা ৰবীন্দ্ৰনাথ জড়িত আছিল আৰু প্ৰথম বছৰ ইয়াৰ সহকাৰী

সভাপতি পদত অধিষ্ঠিত হৈছিল। ১৩০৫ চনত ৩৭ বছৰ বয়সত কবিয়ে 'ভাৰতী' পত্ৰিকাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। পুনৰায় 'ভাৰতী' ৰ পাতত তেখেতৰ গল্প, কবিতা, সমালোচনা, প্ৰবন্ধ আদি প্ৰকাশ পাবলৈ ধৰে। এই সময় আছিল উনবিংশ শতিকা বিদায় লোৱাৰ সময়। সমগ্ৰ ভাৰতবৰ্যত ৰাজনৈতিক চেতনা লাহে লাহে ইংৰাজ চৰকাৰৰ আইনৰ বিৰুদ্ধে থিয় দিছিল। বাল গঙ্গাধৰ তিলকে ইংৰাজ শাসনৰ বিৰুদ্ধে আন্দোলন কৰাৰ বাবে কাৰাবৰণ খাটিছে। চৰকাৰ বিৰোধী লেখা ৰোধ কৰিবৰ বাবে বৃটিছ চৰকাৰে 'সিডিচন বিল' উত্থাপন কৰিছিল। বিলখন আইনত পৰিবৰ্ত্তন কৰাৰ আগদিনাখন কলিকতাৰ 'টাউন হল' ত বহা এক বিশাল সভাত ৰবীন্দ্ৰনাথে 'কণ্ঠৰোধ' নামৰ প্ৰবন্ধটি উদাত্ত কণ্ঠে পাঠ কৰে। এয়াই তেখেতৰ ৰাজনৈতিক জগতত প্ৰথম খোজ।

১৩০৮ চনত (বাংলা) চল্লিছ বছৰ বয়সত ৰবীন্দ্ৰনাথে 'বঙ্গদৰ্শন' নামে পত্ৰিকাৰ সম্পাদক পদত নিযুক্ত হয়। সেই সময়তে তেখেতে 'মজুমদাৰ এজেন্সি' নামে এক প্ৰকাশনালয় প্ৰতিষ্ঠা কৰে আৰু তেখেতৰ বহু গ্ৰন্থ এই প্ৰকাশনালয়ৰ পৰাই প্ৰকাশিত হয়। 'বঙ্গদৰ্শন' বাংলাদেশ জাগৰণৰ এক নতুন পথিকৃত হ'ল আৰু ইয়াত সাহিত্য চিন্তাৰ মৌলিক দিশ সমূহৰ বিষয়ে নানা ৰচনা প্ৰকাশ পাবলৈ ধৰে। ইতিমধ্যে ৰবীন্দ্ৰনাথে ১৩০৮ চনত জোড়াসাঁকোৰ ঘৰ এৰি সপৰিয়ালে শান্তিনিকেতনলৈ গুছি আহে আৰু সেই বছৰতে তেখেতে ইয়াত এখন আবাসিক বিদ্যালয় খোলাৰ মন কৰি এখন ব্ৰহ্মচাৰ্য্যশ্ৰম খুলিলে। প্ৰথম অবস্থাত ইয়াত ছাত্ৰ সংখ্যা আছিল মাত্ৰ পাঁচজন। ইংৰাজী ১৯০২ চনৰ ২৩ নভেম্বৰ তাৰিখে শান্তিনিকেতনত স্কুল খোলাৰ এঘাৰমাহ পিছত হঠাতে তেখেতৰ পত্নী মৃণালিনী দেৱী অসুস্থ হৈ শেষ নিশ্বাস ত্যাগ কৰে। পত্নীৰ মৃত্যুত শোকাভীভূত হৈ পত্নীৰ সোঁৱৰণত ৰবীন্দ্ৰনাথে 'উৎসৰ্গ' কাব্যত লিখিছে—

"অত চুপি চুপি কেন কথা কও
ওগো মৰণ, হে মোৰ মৰণ,
অতি ধীৰে, এসে কেন চেয়ে ৰও,
ওগো একি প্ৰণয়েৰই ধৰণ।" (মৰণ-মিলন)

১৯০৫ চনত বড়লাট লৰ্ড কাৰ্জনৰ দিনত ইতিমধ্যে বিশাল বঙ্গ

দেশক দুভাগ কৰি এখনক পূৰ্ববঙ্গ আৰু আনখনক পশ্চিম বঙ্গ নাম দিয়ে। ঢাকা,ৰাজচাহী, চট্টগ্ৰাম আদি লগ লগাই পূৰ্ববঙ্গ পাতি ঢাকাত ৰাজধানী পাতে আৰু বাকীভাগ লগ লগাই কলিকতাত ৰাজধানী পাতে। এই বঙ্গ ভঙ্গৰ বিৰুদ্ধে বঙ্গদেশত এক প্ৰবল আন্দোলন হয় আৰু ৰবীন্দ্ৰনাথে এই প্ৰতিবাদত আগভাগ লৈ 'স্বদেশী সমাজ' নামে এটি প্ৰবন্ধ প্ৰতিবাদী সভাত পাঠ কৰে। ১৬ অক্টোবৰ তাৰিখে হোৱা এই বঙ্গভঙ্গৰ সময়ত ৰবীন্দ্ৰনাথে কবিতা লিখিছিল---- 'বাংলাৰ মাটি, বাংলাৰ জল' আৰু বঙালী লোক সকলক একগোট কৰি ৰখাৰ বাবে এজনে আনজনৰ হাতত ৰাখী বন্ধনৰ বাবে তেখেতে পৰামৰ্শ দিছিল।

বঙ্গ বিভাজনৰ পিছত ৰবীন্দ্ৰনাথে শান্তিনিকেতনত ব্ৰহ্মাচাৰ্য্যশ্ৰম পৰিচালনাৰ লগতে নিজৰ লেখা মেলাত একান্তভাবে মনোনিবেশ কৰিলে। সেই সময়তে তেখেতৰ বিখ্যাত কাব্যগ্ৰন্থ 'খেয়া' ৰ জন্ম পায়। এই গ্ৰন্থখনিত পৰমাত্মাৰ অস্তিত্ব অনুভব কৰি কবিয়ে লিখিছে------

"ওগো মা, ৰাজাৰ দুলাল যাবে আজি মোৰ ঘৰেৰ সন্মুখ পথে-
আজি এ প্ৰভাতে গৃহকাজ লয়ে ৰহিব বলো কি মতে!
বলে দে আমায় কি কৰিব সাজ,
কী ছাদে কবৰী, বেধে লব আজ,
পৰিব অঙ্গে কেমন ভঙ্গে কোন বৰণেৰ বাস? "

বাংলা ১৩০৫ চনৰ পিছত কবিয়ে মাজে মাজে শিলাইদহ আৰু শান্তিনিকেতনত থাকিবলৈ লোৱা কালচোৱাত সতৰটা খণ্ডত 'শান্তিনিকেতন উপদেশমালা' মুদ্ৰিত হয়। এই সময়তেই দুটা এটা কৰি 'গীতাঞ্জলী' গ্ৰন্থৰ বাবে আধ্যাত্মিক গীতি কবিতা আৰু আনফালে আধ্যাত্মিক জগতৰ বাহিৰৰ সমাজতান্ত্ৰিক চেতনাৰে তেখেতৰ বিখ্যাত উপন্যাস 'গোৰা' লিখিবলৈ লয়। 'গোৰা' ত তেখেতে লিখিছে—" গোৰা কহিল, মা তুমিই আমাৰ মা, যে মাকে খুজে বেড়াচ্ছিলাম তিনিই আমাৰ ঘৰেৰ মধ্যে এসে বসে ছিলেন। তোমাৰ জাত নেই, বিচাৰ নেই, ঘৃনা নেই — শুধু তুমি কল্যাণেৰ প্ৰতিমা। তুমিই আমাৰ ভাৰতবৰ্ষ।"

'গীতাঞ্জলী' গ্ৰন্থখন গীত আৰু কবিতাৰ সমষ্টি। কবিতা হিচাপে

ৰচনা কৰা কিছুমান কবিতাত সুৰ আৰোপ কৰা বাবে গীতলৈ ৰূপান্তৰিত হৈছে। ৰবীন্দ্ৰনাথৰ ব্যক্তিগত অনুভূতিয়ে কবিতাসমূহক এনে শান্তি, কোমল কান্তি প্ৰদান কৰিছে যে সুৰৰ সংযোগত এইবোৰ শ্ৰেষ্ঠ গীতিকবিতা হৈ পৰিছে। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্যৰ মাজেৰে আত্মপ্ৰকাশ কৰা অৰূপৰ উপস্থিতি ৰবীন্দ্ৰনাথে গভীৰভাবে উপলব্ধি কৰিছে। তেখেতে লিখিছে-

" ৰূপ সাগৰে ডুব দিয়েছি
অৰূপ ৰতন আশা কৰি;
ঘাটে ঘাটে ঘুৰব না আৰ
ভাসিয়ে আমাৰ জীৰ্ণ তৰী।"

'গীতাঞ্জলী' ৰ গীতৰ আন এক বৈশিষ্ট হৈছে গীতৰ মাজেৰে প্ৰকাশিত ভাবৰ সতে একাত্মবোধ। কবিয়ে লিখিছে---

"না চাহিতে মোৰে যা কৰেছ দান
আকাশ আলোক তনু মন প্ৰাণ,
দিনে দিনে তুমি নিতেছ আমায়
সে মহাদানেৰই যোগ্য কৰে"

'গীতাঞ্জলী' ৰ সৰহভাগ গীততে প্ৰকৃতিৰ চিত্ৰ আকিবলৈ গৈ কোনো এক অৰূপ সত্বাৰ উপস্থিতি প্ৰকাশ পাইছে আৰু কবিয়ে তাক অনুৰাগেৰে ৰঞ্জিত কৰি প্ৰকাশ কৰিছে। কবিৰ মতে অকল নৈসৰ্গই নহয়, মানুহৰ দ্বাৰা সৃষ্ট কৃত্ৰিম ব্যৱস্থাৰ মাজতে সুন্দৰৰ উপস্থিতি লক্ষ্য কৰিব পাৰি। উদাহৰণ স্বৰূপে---- 'ধনে জনে আছি জড়ায়ে হায়, তবু জানো মন তোমাৰে চায়।' 'জগত জুড়ে উদাৰ সুৰে আনন্দগান বাজে'। আকৌ কবিয়ে লিখিছে—

"জীৱনে যত পূজা হল না সাৰা
জানিহে হে, জানি তাও হয়নি হাৰা।
যে ফুল না ফুটিতে; ঝৰেছে ধৰণীতে,
যে নদী মৰুপথে হাৰালো ধাৰা,
জানি হে, জানি তাও হয়নি হাৰা।।"

১৯১২ চনৰ ১২ মে তাৰিখে ৰবীন্দ্ৰনাথে পুত্ৰ ৰথীন্দ্ৰনাথ আৰু বোৱাৰী প্ৰতিমাদেৱীৰ সৈতে তৃতীয়বাৰ বিলাত ভ্ৰমণলৈ যায়। বোম্বাইৰ পৰা জাহাজেৰে গৈ থকা অৱস্থাত লিখা তেওঁৰ গ্ৰন্থ ‘পথেৰ সঞ্চাৰ’ ১৯৩৩ চনত প্ৰকাশ পাইছিল। লণ্ডনত উপস্থিত হোৱাৰ পিছত তাতেই ইংৰাজ কবি ইয়েট্‌সৰ সৈতে তেওঁৰ মিলন হয়। আৰু এই দুই কবিৰ মিলনত পূব আৰু পশ্চিমৰ মাজত মিলনৰ বীজ ৰোপিত হ’য়। ইতিমধ্যে ‘গীতাঞ্জলী’ৰ ইংৰাজী অনুবাদ হোৱাৰ পিছত তেওঁ বিশ্ব সাহিত্যত বিপুলভাৱে সম্বৰ্ধনা লাভ কৰিলে। চাৰিমাহ ইংলেণ্ডত কটাই কবিয়ে পুত্ৰসহ আমেৰিকালৈ গ’ল। পিছত চিকাগো ইত্যাদি বিভিন্ন চহৰলৈ গৈ বহুতো সন্মিলনত তেওঁ ভাষণ দিলে। আমেৰিকাৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ উন্নত শিক্ষা ব্যৱস্থা দেখি শান্তিনিকেতনটো এনেধৰণৰ উন্নত শিক্ষা প্ৰবৰ্ত্তনৰ প্ৰয়োজন কবিয়ে অনুভৱ কৰিলে। ১৯১৩ চনত তেওঁ লণ্ডনলৈ ঘূৰি আহি অৰ্শৰ অস্ত্ৰোপচাৰ কৰে আৰু এমাহ পিছত ভাৰতলৈ উভতি আহে। সেই সময়ত পূজাৰ বন্ধৰ পিছত স্কুল খুলিছে, এনেতে ১৫ নভেম্বৰৰ সন্ধিয়া হঠাতে খবৰ পালে ‘গীতাঞ্জলী’ কাব্যগ্ৰন্থৰ বাবে ৰবীন্দ্ৰনাথে ‘নোবেল’ পুৰস্কাৰ লাভ কৰিছে। সমগ্ৰ প্ৰাচ্য জগতৰ ভিতৰত এই সন্মানীয় ‘নোবেল’ পুৰস্কাৰ লাভ কৰোঁতা ৰবীন্দ্ৰনাথেই প্ৰথম ব্যক্তি। সেই সময়ত এই পুৰস্কাৰৰ মূল্য আছিল এক লাখ বিশ হেজাৰ টকা। এই পুৰস্কাৰৰ টকা এটি মহৎ কামত ব্যৱহাৰ কৰা হয়। কৃষকক কম সুতত ধাৰ দিয়াৰ বাবে এটা বেংক গঠন হ’ল আৰু সুতৰ টকা শান্তিনিকেতনৰ উন্নয়নত খৰচ কৰাৰ ব্যৱস্থা কৰা হ’ল। ৰবীন্দ্ৰনাথে কল্পনা কৰিছিল যে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা সত্যৰ অন্বেষনত অহা ছাত্ৰ - ছাত্ৰীয়ে এক মুক্ত প্ৰাকৃতিক পৰিবেশত শিক্ষালাভৰ বাবে শান্তিনিকেতনক এক বিশেষ মিলন কেন্দ্ৰৰূপে গ্ৰহণ কৰিব। সেয়েহে এই শিক্ষানুষ্ঠানটোৰ আদৰ্শ আৰু নীতি নিয়মবোৰ গুৰুদেৱে গতানুগতিক ভাৱে নাৰাখি বিশেষ ধৰণে প্ৰস্তুত কৰিছিল।

ৰবীন্দ্ৰনাথৰ কাব্য, নাটক, উপন্যাস আদিৰ লগতে চুটি গল্পসমূহেও এক বিশেষ স্থান লাভ কৰি আহিছে। এচিয়াৰ এজন উল্লেখযোগ্য গল্পকাৰৰূপে ৰবীন্দ্ৰনাথৰ প্ৰতিভাৰ স্বীকৃতি দি New Encyclopedia ত এনেদৰে উল্লেখ আছে- ***Stories from Asia include both refinements on an-***

***cient tradition and fresh experiments with the formal short story. English readers are perhaps most familiar with the works of Akuta gow Ryanosuku and Mishimo yukio, both Japanese and Rabindra Nath, an Indian '*** । বৃটিছৰ অধীনত ভাৰতীয় জাতীয় জীৱনৰ যি অৱক্ষয় সূচনা হৈছিল আৰু মহত্ত্বৰ জীৱনৰ আৰ্হিৰ লগতে কবিৰ যুগক সাৰ্থকভাৱে এই চুটিগল্পসমূহত ফুটাই তুলিব পাৰিছে বাবে এই গল্পবোৰ যুগজয়ী হৈছে। জমিদাৰী পৰিচালনা কৰি থকাৰ সময়ত কবিয়ে বেছিভাগ সময় শিলাইদহত থাকিব লগা হৈছিল। সেই সময়তে তেওঁ মনোৰম প্ৰাকৃতিক দৃশ্য আৰু সাধাৰণ মানুহ যেনে ঃ- খেতিয়ক, শ্ৰমিক, গৃহস্থ, বৈষ্ণৱ, বাউল ফকিৰ আদিৰ নিবিড় সম্পৰ্শ লাভ কৰিছিল। সাধাৰণ মানুহৰ সচা সুখ দুখেৰে ভৰা বাস্তৱ জীৱন আৰু আনফালে প্ৰকৃতি প্ৰেমৰ ৰোমাণ্টিক উচ্ছ্বাসে ৰবীন্দ্ৰনাথৰ মাজত শ্ৰেষ্ঠ সাহিত্যক মননৰ জন্ম দিলে। শিলাইদহত থকা কালচোৱাত কেনেদৰে গল্পৰ বিভিন্ন উৎস তেওঁৰ মনলৈ আহিছিল সেই বিষয়ে কবিয়ে লিখিছে---

"আজিকালি মনত ভাব হয় মই যদি একোৰেই নকৰি সৰু সৰু গল্প লিখিবলৈ ধৰোঁ তেনেহলে মনৰ সুখ অনুভৱ কৰিব পাৰিম আৰু কৃতকাৰ্য্য হ'ব পাৰিলে পাঁচজন পাঠকৰ মনতো সুখ দিব পাৰিম। গল্প লেখাৰ এটা সুখ হ'ল- যাৰ কথা মই লেখিম তেওঁলোকে মোৰ দিনৰাতিৰ অৱসৰ সময়বোৰ ভৰাই দিব, মোৰ অকলশৰীয়া মনৰ সঙ্গী হ'ব। বৰ্ষনৰ সময়ত মোৰ বন্ধঘৰৰ সঙ্কীৰ্ণতা দূৰ কৰিব আৰু ৰদৰ সময়ত পদ্মাতীৰৰ আবেষ্টনীৰ লগত এক হৈ গলে শিলাইদহত উজ্বল দৃশ্যৰ মাজত মোৰ দৃষ্টিয়ে ঘূৰি ফুৰিব। আজি ৰাতিপুৱাই সেয়ে গিৰিবালা নামে উজ্জ্বল শ্যামবৰণীয়া এজনী সৰু অভিমানী ছোৱালীক মোৰ কল্পনা ৰাজ্যত অৱতাৰণা কৰা হৈছে।"

ৰবীন্দ্ৰনাথে লিখা চুটিগল্পবোৰৰ বেছিভাগ 'হিতবাদী' পত্ৰিকাৰ তাগিদাত লিখা হৈছিল। এই কাকতত প্ৰকাশ পায় তেখেতৰ 'দেনা পাওঁনা', 'পোষ্টমাষ্টাৰ', ' গিন্নী',' ৰামকানাইয়েৰ নিৰ্বুদ্ধিতা', ' ব্যৱধান', 'তাৰাপ্ৰসন্নেৰ কীৰ্ত্তি', 'খাতা' ইত্যাদি সাৰ্থক গল্পবোৰৰ। প্ৰকৃতিৰ সাদৰ স্নেহৰ প্ৰভাৱৰ লগতে গ্ৰাম্য অনাড়ম্বৰ জীৱনৰ দুখ বেদনাৰ চিত্ৰ এই গল্পবোৰৰ মাজত ফুটি ওলাইছে। সমাজৰ প্ৰচলিত সামাজিক বিধানৰ

ফলত ব্যক্তিগত জীৱনত কেনে নিদাৰুণ দুখ ভোগ কৰিব লগা হয়। সেয়া ফুটি ওলাইছে 'দেনা পাওঁনা' নামৰ গল্পটোত। 'ৰামকানাইয়েৰ নিৰ্বুদ্ধিতা' গল্পত আকৌ পাৰিবাৰিক জীৱনত ভাতৃত্বৰ নিৰ্মল বন্ধনৰ চিত্ৰ উজ্জ্বল হৈ উঠিছে। পুত্ৰতকৈ ভাতৃহে বেছি আপোনৰূপে এই গল্পটোত ফুটি ওলাইছে। আকৌ পাৰিবাৰিক বিৰোধ আৰু কলহে ব্যক্তিগত স্নেহ আৰু ভালপোৱাৰ সম্বন্ধক কেনেদৰে সঙ্কুচিত কৰি তোলে তাকেই 'ব্যৱধান' নামৰ গল্পটোত প্ৰকাশ পাইছে। ইয়াৰ পিছতে ৰবীন্দ্ৰনাথে ১৮৯১ চনৰ পৰা ১৯০১ চনলৈ নিৰবিচ্ছিন্নভাৱে 'সাধনা' আৰু 'ভাৰতী' ত চুটিগল্প লিখিবলৈ লয়। এই সময়চোৱাত তেখেতৰ প্ৰকাশিত উল্লেখযোগ্য গল্পসমূহ হ'ল 'কংকাল', 'অতিথি', 'ত্যাগ', 'একৰাত্ৰি', 'কাবুলিয়ালা', 'চুটি', 'শাস্তি', 'সমাপ্তি', 'মেঘ ও ৰৌদ্ৰ', 'বিচাৰক', 'নিশিথে', 'মানভঞ্জন', 'ক্ষুধিত', 'পাষাণ', 'দুৰাশা', 'ৰাজটীকা', 'নষ্টনীড়', ইত্যাদি। এই গল্পবোৰত ৰবীন্দ্ৰনাথৰ গাল্পিক প্ৰতিভাৰ পূৰ্ণবিকাশ ঘটিছে। সুক্ষ্ম অৰ্ন্তদৃষ্টি, সমাজ অনুভূতি, মনোবিশ্লেষণ ক্ষমতা আৰু কলাত্মক শৈলীৰে এই গল্পসমূহ মনোৰমৰূপত প্ৰকাশ পাইছে। 'মেঘ ও ৰৌদ্ৰ' গল্পটোত বৃটিছৰ নিপীড়নৰ মাত্ৰাধীক্যই কেনেদৰে দেশীয় মানুহবোৰৰ ন্যূনতম মানৱ অধিকাৰক খৰ্ব কৰিছিল আৰু এই নিস্পেষনৰ প্ৰতি সাধাৰণ মানুহৰ নিস্ক্ৰীয়তা অতি মৰ্মস্পৰ্শীৰূপত ফুটি ওলাইছে। ১৯১৪ চনৰ পৰা 'সবুজ পত্ৰ' আলোচনীত ৰবীন্দ্ৰনাথৰ চুটিগল্প 'হালদাৰ গোষ্ঠী', 'স্ত্ৰীৰ পত্ৰ' ইত্যাদি প্ৰকাশ পায়। নাৰীত্বৰ অবমাননাৰ বিৰুদ্ধে প্ৰতিবাদৰ সুৰ এই গল্পবোৰত প্ৰকাশ পাইছে।

চুটি গল্পসমূহৰ দৰে ৰবীন্দ্ৰনাথৰ উপন্যাস সমূহতো ভাৰতীয় সমাজ আৰু সভ্যতাৰ সমসাময়িক প্ৰভাৱ পৰিলক্ষিত হয়। তেখেতৰ বিভিন্ন উপন্যাস সমূহৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য দুখন উপন্যাস হ'ল 'গোৰা' আৰু 'ঘৰে বাইৰে'। এই উপন্যাস দুখনৰ চৰিত্ৰ সমূহৰ ব্যক্তিৰূপ, সিবিলাকৰ দৈনন্দিন জীৱনযাত্ৰাৰ মাজেদি প্ৰকাশ পোৱা বিভিন্ন প্ৰতিক্ৰীয়া, সেইবোৰৰ অভিজ্ঞতা আৰু ঘাত প্ৰতিঘাতৰ মাজেদি ৰবীন্দ্ৰনাথে মানৱদৰ্শন আৰু বিশ্বদৰ্শনৰ দণ্ড ফুটাই তুলিছে। এই দুয়োখন উপন্যাসৰ বিষয়বস্তুৰ মাজত এক আন্তৰিক সম্পৰ্ক আছে। প্ৰতীচ্যৰ আঘাতত সৃষ্ট আধুনিক ভাৰতীয় মানসৰ অৰ্ন্তদ্বন্দ দুয়োখন উপন্যাসতে প্ৰস্ফুটিত। 'ঘৰে

বাইৰে' ত কবিয়ে উল্লেখ কৰিছে——— "ঘৰ থেকে বাইৰে যাবাৰ ৰাস্তাটা খোড়ো ৰাস্তা।" কবিৰ জীৱনব্যাপি অভিজ্ঞতাৰ ফচল হ'ল 'কালান্তৰ' নামৰ প্ৰবন্ধ সংকলনৰ পাশ্চাত্যৰ গতিময় জীৱনী শক্তি, ঐকান্তিক বস্তুনিষ্ঠা, বিশ্বসংসাৰৰ লগত তাৰ সক্ৰিয় আদান প্ৰদান আদি আছিল ৰবীন্দ্ৰনাথৰ বিশ্বমানৱৰ কল্পনাৰ মূল উপাদান। আনহাতে ধ্যান আৰু সমাধিত বিশ্বাসী প্ৰাচ্যই কালাতীত কল্পনাৰ যোগেদি পাশ্চাত্যক প্ৰয়োজনীয় আত্মজ্ঞান যোগাব পাৰে। ৰবীন্দ্ৰনাথৰ মতে মানৱাত্মা কোনো যুগৰ যুগধৰ্মৰ দাস নহয়, সি অনন্ত অগ্ৰগতি আৰু বিকাশৰ অনুৱৰ্ত্তী আৰু এই উপলব্ধি ব্যক্তি তথা সমাজৰ উৎকৰ্ষৰ বাবে অনিবাৰ্য্য। প্ৰাচ্য আৰু পাশ্চাত্যৰ অবচ্ছিন্নতাৰ পৰা মুক্তিৰ পথ হ'ল সমন্বয়ৰ পথ যিটো মানৱাত্মাৰ অন্তহীন জয়যাত্ৰাৰ পথ।

১৯১৫ চনৰ জানুৱাৰী মাহত বৃটিছ চৰকাৰে ৰবীন্দ্ৰনাথক সাহিত্যত বিশিষ্ট অৱদানৰ বাবে 'চাৰ' উপাধী প্ৰদান কৰে। সাহিত্যৰ ক্ষেত্ৰত 'চাৰ' উপাধী প্ৰদান কৰা এয়েই প্ৰথম। এই উপাধী প্ৰদান কৰাৰ পিছত ৰবীন্দ্ৰনাথে এক বিশেষ মৰ্যাদা পালে। সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ত শিক্ষাৰ আমুল সংস্কাৰ সাধনাৰ বাবে শিক্ষা কমিচনৰ আগমন ঘটে। ৰবীন্দ্ৰনাথে সেই সময়ত 'শিক্ষাৰ বাহন' নামে এটি শিক্ষা বিষয়ক প্ৰবন্ধ লিখে আৰু ১৯১৬ চনৰ ১০ ডিচেম্বৰ তাৰিখে কলিকতাৰ ৰামমোহন লাইব্ৰেৰীত এই প্ৰবন্ধটি পাঠ কৰে। এই প্ৰবন্ধটিৰ মূল বক্তব্য আছিল দেশীয় ভাষাক শিক্ষাৰ বাহনৰূপে ব্যৱহাৰ কৰাৰ কাৰণে। অৱশ্যে তদানীন্তন চৰকাৰে কবিৰ ইচ্ছাৰ যথাযথ ৰূপায়ন কৰা নাছিল। ৰবীন্দ্ৰনাথে শেষ পৰ্য্যন্ত বিশ্বভাৰতীত লোকশিক্ষাৰ সাংসদ স্থাপন কৰে আৰু বাংলা ভাষাতে সকলোবিধ জ্ঞান বিজ্ঞান শিক্ষাৰ প্ৰবৰ্ত্তন কৰে।

১৯১৬ চনত যুক্তৰাষ্ট্ৰৰ পণ্ড লাইচিয়াম নামে এটা বক্তৃতা সংস্থাৰ আমন্ত্ৰন ক্ৰমে কবিয়ে জাপান আৰু আমেৰিকালৈ যায়। জাপানত বিভিন্ন অনুষ্ঠানত দিয়া বক্তৃতাসমূহৰ উল্লেখযোগ্য হল——— 'The Spirit of Japan'। তেতিয়া প্ৰথম বিশ্বযুদ্ধৰ দ্বিতীয় বছৰ। সেই সময়ত জাপানে চীনৰ ওপৰত আক্ৰমন চলায়। কবিয়ে জাপানৰ বিভিন্ন সভাত এই আক্ৰমনক সমালোচনা কৰে আৰু ফলস্বৰূপে জাপানৰ নেতাসকলে এই সমালোচনাত বিৰক্ত হৈ আৰু জাপানৰ সভা-সমিতিত ৰবীন্দ্ৰনাথৰ বক্তৃতা নিষিদ্ধ

কৰে। দীৰ্ঘ তিনিমাহ জাপান ভ্ৰমণৰ পিছত আমৰিকাৰ বিভিন্ন ঠাইলৈ গৈ কবিয়ে বক্তৃতা প্ৰদান কৰে। তাত ক্লীভলেণ্ড চহৰত শেক্সপীয়েৰ গাৰ্ডেনস্ৰ অধিবাসী সকলৰ অনুৰোধত তেওঁ তাত বৃক্ষৰোপণ কৰে। কবিৰ জীৱনত সমজুৱা বৃক্ষৰোপণ অনুষ্ঠান এয়েই প্ৰথম। ইয়াৰ পিছত পুনৰ জাপানলৈ যায় আৰু ১৯১৭ চনত তেখেতে স্বদেশলৈ উভতি আহে। সেই বছৰতে ভাৰত সচিব মণ্টেগু চাহাব ভাৰত ভ্ৰমণলৈ আহোঁতে ৰবীন্দ্ৰনাথক সাক্ষাত কৰে আৰু কবিয়ে দেশৰ প্ৰকৃত অৱস্থা সম্পৰ্কে তেওঁলৈ চিঠি লিখে। ইয়াৰ পিছতেই কলিকতাত কংগ্ৰেছ অধিবেশন বহে আৰু অধিবেশনৰ প্ৰথম দিনাখন ৰবীন্দ্ৰনাথে ইয়াত তেওঁৰ স্বৰচিত কবিতা আবৃত্তি কৰে। বাংলা ১৩৩০ চনত কবিয়ে অসমৰ ৰাজধানী শিলঙলৈ আহোঁতে ইয়াতে তেওঁ ৰচনা কৰা এখন নাটক ' ৰক্তকৰবী ' নামে প্ৰকাশ পায়। ১৯২৫ চনৰ ডিচেম্বৰ মাহত কলিকতাত প্ৰথম ভাৰতীয় দৰ্শন সন্মিলন হয়। এই সন্মিলনৰ সভাপতি আছিল ৰবীন্দ্ৰনাথ ঠাকুৰ। তেতিয়াৰ তৰুণ দাৰ্শনিক অধ্যাপক ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনে ৰচনা কৰা পুথি 'The Philosophy of Rabindra Nath Tagore' প্ৰকাশ পোৱাৰ পিছত ৰবীন্দ্ৰনাথৰ দাৰ্শনিক চিন্তাধাৰা সম্পৰ্কে পণ্ডিত সমাজ অবগত হয় আৰু সন্মিলনৰ সভাপতিৰ আসন যাচে। অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ হিবাৰ্ট বক্তৃতামালাত কবিয়ে 'Religion of man' শীৰ্ষক এটি বক্তৃতা দিছিল। তেখেতৰ বক্তৃতাৰ বিষয়বস্তু আছিল বিশ্বমানৱৰ সেৱাই হ'ল বিশ্বনাথৰ সেৱা আৰু শ্ৰেষ্ঠ ধৰ্ম।

১৯৩৫ চনৰ ৬ ফ্ৰেব্ৰুৱাৰী তাৰিখে কবিয়ে কাশীৰ হিন্দু বিশ্ববিদ্যালয়ৰ সমাৱৰ্ত্তন অনুষ্ঠানত ভাষন দিয়াৰ আমন্ত্ৰন পাই কাশীলৈ যায়। কাশী বিশ্ববিদ্যালয়ে তেওঁক সন্মানীয় ডক্টৰেট উপাধীৰে বিভূষিত কৰে। কাশীৰ পৰা উত্তৰ ভাৰতৰ নানা ঠাই ভ্ৰমি তেওঁ শান্তিনিকেতনলৈ উভতি আহে। সেই সময়ত জন্মদিনৰ উৎসৱ উপলক্ষে কবিয়ে লিখিছিল-

"পঁচিশে বৈশাখ চলেছে
জন্মদিনের ধারাকে বহন করে
মৃত্যু দিনের দিকে।
সেই চলন্তি আসনের উপর বসে কোন কারিগর গাঁথছে

ছোট ছোট জন্ম মৃত্যুৰ সীমানায়
নানা ৰবীন্দ্ৰনাথেৰ একখান মালা।। "

ইয়াৰ মাজতে ৰবীন্দ্ৰনাথে মৈত্ৰেয়ী দেবীৰ আমন্ত্ৰন মৰ্মে দাৰ্জিলিংৰ ওছৰৰ মংপু অঞ্চললৈ যায়। মৈত্ৰেয়ীদেবীৰ শুশ্ৰুষা যত্নই কবিক বৰ আনন্দ দিছিল। এই অঞ্চলতেই সুৰেন্দ্ৰনাথ দাসগুপ্তৰ কন্যা মৈত্ৰেয়ীদেবীৰ সৈতে কবিৰ ঘনিষ্ঠতা হয়।

১৯৩৯ চনত হিন্দিভৱন উদ্বোধনৰ বাবে জৱাহৰলাল নেহেৰুয়ে শান্তিনিকেতনলৈ আহে। সেই সময়তেই নেতাজী সুভাষ চন্দ্ৰ বোসে জৱাহৰলালক দেখা কৰিবলৈ শান্তিনিকেতনলৈ আহে। কবিৰ ঘৰত নিভৃতে দুজনৰ মাজত দেখা আৰু কথাবেতৰা হ'ল। সেই সময়ত কংগ্ৰেছত প্ৰকাশ্যে দলাদলি আৰম্ভ হৈছিল। কবিয়ে এই দলাদলি তথা বিভেদ দেখি ব্যথিত হৈছিল আৰু একত্ৰ কৰাৰ বাবে চেষ্টা কৰিছিল। এই গোটেই বিষয়টোক কবিয়ে নিৰপেক্ষ দৃষ্টিভঙ্গীৰে চাইছিল। ১৯৪০ চনৰ ১৭ ফ্ৰেব্ৰুৱাৰী তাৰিখে মহাত্মা গান্ধীয়ে কবিক দেখা কৰিবলৈ সস্ত্ৰীক শান্তিনিকেতনলৈ আহে। সেই সময়ত ৰবীন্দ্ৰনাথৰ শৰীৰ দ্ৰুতভাৱে দুৰ্বল হৈ আহিছিল। ইয়াত গান্ধীজী দুদিন আছিল। ৰবীন্দ্ৰনাথে গান্ধীজীক এখন চিঠি দিছিল য'ত লেখা আছিল কবিৰ অবৰ্ত্তমানত শান্তিনিকেতনৰ ভাৰ গান্ধীজীৰ ওপৰত দি যাব।

১৯৪০ চনৰ ৭ আগষ্টৰ দিনাখন অক্সফোৰ্ড বিশ্ববিদ্যালয়ে ৰবীন্দ্ৰনাথক সন্মানীয় ডক্টৰেট উপাধী প্ৰদানৰ বাবে শান্তিনিকেতনত এখন বিশেষ সমাবৰ্ত্তন উৎসৱ অনুষ্ঠিত কৰে। সেই সময়ৰ ভাৰতৰ মূখ্য ন্যায়াধীশ আৰু পিছলৈ দিল্লি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য চাৰ মৰিচ গোৱাৰে এই সন্মান প্ৰদান কৰোঁতে কৈছিল— *" The University whose representative I am ——— has in honouring You done honour to itself "* ।

১৯৪১ চনৰ ২৫ জুলাইত আশীবছৰ বয়সত কবিৰ দেহ হঠাতে অচল হৈ পৰে আৰু তেখেতক কলিকতালৈ আনিলে। ৩০ জুলাই তাৰিখে তেখেতৰ এটা অপাৰেচন হ'ল যদিও অপাৰেচন সফল নহ'ল। ক্ৰমে তেখেতৰ অৱস্থা বেয়াৰ পিনে গতি কৰিলে। ১৯৪১ চনৰ ৭ আগষ্টৰ

ৰাখী পুৰ্ণিমাৰ দিনাখন কবিৰ দেহাবসান ঘটিল। অপাৰেচনৰ কিছুসময় আগতে ৰবীন্দ্ৰনাথে লিখি যোৱা শেষ কবিতা—

"তোমাৰ সৃষ্টিৰ পথ ৰেখেছ আকীৰ্ণ কৰে
বিচিত্ৰ ছলনা জালে
হে ছলনাময়ী।
মিথ্যা বিশ্বাসেৰ ফাঁদ পেতেছ নিপুন হাতে
সৰল জীৱনে।
এই প্ৰবঞ্চনা দিয়ে মহত্বেৰে কৰেছ চিহ্নিত ;
তাৰ তৰে ৰাখনি গোপন ৰাত্ৰি। "

❖❖❖

## সহায়ক গ্ৰন্থপঞ্জী আৰু আলোচনীৰ তালিকা

১। 'বিশ্বকবি ৰবীন্দ্ৰনাথ' — পৃথ্বীৰাজ সেন, ইউনাইটেড পাব্লিশাৰ্স, কলিকতা।

২। 'মংপুতে ৰবীন্দ্ৰনাথ' — মৈত্ৰেয়ী দেৱী, প্ৰাইমা পাব্লিকেচন, কলিকতা।

৩। 'কালান্তৰ' — ৰবীন্দ্ৰনাথ ঠাকুৰ, গ্ৰন্থন বিভাগ, বিশ্বভাৰতী, কলিকতা।

৪। 'সাহিত্যৰ সত্য' — ডঃ হীৰেন গোঁহাই, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী।

৫। ৰবীন্দ্ৰনাথ আৰু অসমীয়া চুটিগল্প' — ডঃ পৰাগ কুমাৰ ভট্টাচাৰ্য্য, বনলতা, গুৱাহাটী।

৬। Gurudeva Tagore, a great Sentinel'- The N.E Times May-11, 2001.

৭। 'আমাৰ অসম' — ১১ মে, ২০০১।

৮। গৰীয়সী, জুলাই ১৯৯৮।

❀❀❀

*" We are sons of God and must be even as he ,
His human portion, we must grow divine"*

- Sri Aurobinda

# ঋষি অৰবিন্দ

*"তুমি অমৃতৰ পুত্ৰ আৰু ঈশব্যক্তিলৈ ৰূপান্তৰিত হোৱাটো তোমাৰ সাধ্যৰ ভিতৰত"* - এই বাণীকে সৰ্বোগত কৰি এক বিস্ময়কৰ ঘটনাবহুল জটিল জীৱন অতিবাহিত কৰা বিশিষ্ট সাহিত্যিক, জাতীয়তাবাদী বিপ্লবী, সাধক আৰু দাৰ্শনিক শ্ৰী অৰবিন্দৰ স্থান ভাৰতীয় ঋষি পৰম্পৰাত। সাধনা আৰু চিন্তাত তেখেত একেলগে এজন দ্ৰষ্টা আৰু স্ৰষ্টা। তেখেতৰ চিন্তাৰ অতিমানৱ হ'ল ঐশ্বৰিক ব্যক্তি যিটো কেৱল সাধনাৰ যোগেৰেহে সম্ভৱপৰ হ'ব পাৰে। তেখেতৰ মতে ঈশব্যক্তিয়ে মানৱ সমাজৰ ৰূপান্তৰৰ সাধক। এই ঈশব্যক্তিৰ চেতনা সসীম নহয়, ই অসীমলৈ বিস্তাৰিত। সাধাৰণ গুটি এটাৰ মাজতে বিৰাটকায় বটগছৰ সম্ভাৱনা থকাৰ দৰে এজন সাধাৰণ ব্যক্তিৰ সত্বাতে ঈশব্যক্তিলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা নিহিত আছে। সাধাৰণ ভাব-চিন্তাৰ পৰা মুক্ত পৰম সত্যৰ প্ৰতিভূ শ্ৰীঅৰবিন্দ সম্পৰ্কে বিশ্বকবি ৰবীন্দ্ৰনাথে কৈছিল -

"প্ৰথম দৃষ্টিতেই বুজিলোঁ, এওঁ (শ্ৰী অৰবিন্দই) আত্মাকেই সৰ্বোপৰি সত্যজ্ঞান কৰিছে, আত্মাকেই সত্যৰূপ উপলব্ধি কৰিছে। এওঁৰ সেই সুদীৰ্ঘ তপস্যাৰ লক্ষ্য আৰু তাৰ পৰিণতিৰ দ্বাৰা তেওঁৰ সত্বা ওতঃপ্ৰোতভাৱে জড়িত। মোৰ মনে কলে, এওঁ নিজ অন্তৰৰ আলোকেৰেই বহিৰ্ভাগ আলোকিত কৰিব। —তেওঁৰ মাজত সহজ প্ৰেৰণাশক্তি পুঞ্জিভূত হৈ আছে। .... সত্যৰ উপলব্ধিক তেওঁ (কোনো প্ৰকাৰেই) ক্লিষ্ট আৰু খৰ্ব্ব কৰা নাই। সেই বাবেহে তেওঁৰ মুখশ্ৰীত এনে সৌন্দৰ্য্যময় শান্তিৰ উজ্জ্বল আভা। মধ্যযুগীয় খৃষ্টিয়ান সন্যাসীৰ ওচৰত দীক্ষা লৈ জীৱনটোক ফোপোলা আৰু শুকান বুলি গণ্য কৰিব খোজাকেই তেওঁ চৰিতাৰ্থতা বুলিব নোখোজে। তেওঁৰ নিজৰ ভাষাত ঋষি-পিতামহৰ এই বাণী অনুভৱ কৰিছে ঃ 'যুক্তাত্মান ঃ সৰ্বেমেৱাবিশন্তি।' পৰিপূৰ্ণৰ যোগত সকলোৰে মাজত প্ৰবেশাধিকাৰ লাভ কৰাটো হ'ল আত্মাৰ শ্ৰেষ্ঠ অধিকাৰ। মই তেখেতক কৈ আহিলো - 'আত্মাৰ বাণী বহন কৰি

আপুনি আমাৰ মাজলৈ ওলাই আহিব। আমি তাৰেই অপেক্ষাত থাকিম। সেই বাণীত ভাৰতৰ নিমন্ত্ৰণৰ সুৰ ধ্বনিত হ'ব; শৃনন্তু বিশ্বে।"

১৮৭২ চনৰ ১৫ আগষ্ট তাৰিখে পিতৃ ডাঃ কৃষ্ণধন ঘোষৰ ঔৰষত আৰু মাতৃ স্বৰ্ণলতাৰ গৰ্ভত তৃতীয় সন্তানৰূপে কলিকতাত শ্ৰীঅৰবিন্দদেৱৰ জন্ম হয়। পিতৃ ডাঃ ঘোষ আছিল এজন চিভিল চাৰ্জন আৰু পশ্চিমীয়া ভাব-চিন্তাই প্ৰভাৱ পেলোৱা এজন নাস্তিক আৰু প্ৰচন্দ ইংৰাজ প্ৰেমী লোক। মাতৃ স্বৰ্ণলতা আছিল স্বদেশী চিন্তাত বিশ্বাসী স্বনামধন্য ডঃ ৰাজনাৰায়ণ বসুৰ ডাঙৰ জীয়ৰী। অৰবিন্দৰ দুজন ককায়েক বিনয়ভূষন আৰু মনোমোহন ,ভনীয়েক সৰোজিনী, ভায়েক বাৰীন্দ্ৰ কুমাৰৰ সৈতে পাঁচজন ভাই-ভনীৰ সৈতে এক ইংৰাজী আদব-কায়দাৰে পৰিচালিত পৰিয়ালত তেওঁলোকে ডাঙৰ - দীঘল হৈছিল। ককায়েক মনোমোহন ইংৰাজীৰ অধ্যাপক হিচাপে আৰু সেইভাষাত উচ্চমানৰ কবিতালিখি প্ৰখ্যাত হৈছিল আৰু ভায়েক বাৰীন্দ্ৰ কুমাৰে পিছৰ জীৱনত দেশৰ স্বাধীনতা সংগ্ৰামত সন্ত্ৰাসবাদী কাৰ্য্যকলাপত লিপ্ত হৈ বিখ্যাত হৈ পৰিছিল। পাঁচবছৰ বয়সতে দেউতাকে অৰবিন্দক ককায়েক দুজনৰ সৈতে সাধাৰণতে ইউৰোপীয় লৰা - ছোৱালীয়ে পঢ়া দাৰ্জিলিঙৰ ল'ৰেটো কনভেণ্ট স্কুলত নাম লগাই দিয়ে। ফলত শৈশৱ কালৰ পৰাই অৰবিন্দই মাক - দেউতাকৰ ঘনিষ্ঠ সান্নিধ্যৰ পৰা আতৰি থাকিব লগা হয়। তদুপৰি অৰবিন্দৰ আঠবছৰমান বয়সত মাক স্বৰ্ণলতাৰ মগজুৰ বিকৃতি ঘটে। কনভেণ্ট স্কুলত দুটা বছৰ কটোৱাৰ পিছত ১৮৭৯ চনত দেউতাক ডাঃ ঘোষে পুত্ৰ-পৰিবাৰ-সহ সকলোকে ইংলেণ্ডৰ মানচেষ্টাৰলৈ লৈ যায় আৰু তাত সকলোকে থিতাপি লগাই ১৮৮০ চনত পুনৰ চাকৰিত যোগ দিবৰ বাবে ডাঃ ঘোষে অকলে ভাৰতলৈ উভতি আহে। ভায়েক বাৰীন্দ্ৰৰ জন্ম বিলাততে হৈছিল আৰু কেচুৱাটিৰ জন্মৰ পিছত জীয়ৰী সৰোজিনীৰ সৈতে মাক স্বৰ্ণলতাই দেশলৈ উভতি আহে। বিনয়ভূষণ, মনোমোহন আৰু অৰবিন্দই শিক্ষালাভৰ বাবে বিলাতৰ এক আচহুৱা পৰিবেশত থাকি গ'ল। ১৮৯৩ চনতহে অৰবিন্দদেৱে ভাৰতলৈ উভতি আহে।

মানচেষ্টাৰত ড্ৰুৱেট নামৰ এক যাজক পৰিয়ালৰ লগত অৰবিন্দহঁত আছিল আৰু ঘৰৰ গৃহস্থ ৰেভাৰেণ্ড উইলিয়াম ড্ৰুৱেটে অৰবিন্দক সাতবছৰ

বয়সত ইংৰাজী আৰু লেটিনভাষাৰ শিক্ষা দিছিল। ইংৰাজী ভাষাৰ জ্ঞান হোৱাৰ পিছত অৰবিন্দই ইংৰাজী বাইবেল, শেক্সপীয়েৰ , শ্বেলী, কীটছ আদি খ্যাতনামা কবিসকলৰ কবিতা পঢ়িবলৈ লৈছিল। ১৮৮৪ চনত তেওঁ লণ্ডণৰ চেইন্টপ'ল স্কুলত ভৰ্ত্তি হয়। দেউতাক ডাঃ কৃষ্ণধন ঘোষে লৰাকেইটাৰ খৰচপাতিৰ বাবে প্ৰথমতে কেইবছৰ মান নিয়মীয়াকৈ টকা-পইচা পঠাই আছিল যদিও অৱস্থা ক্ৰমে বেয়া হোৱাৰ বাবে পিছলৈ টকা-পইচা নপঠোৱা হ'ল। ১৮৮২ চনত মিঃ ড্ৰুৱেটে ইংলেণ্ড এৰি অষ্ট্ৰেলিয়ালৈ যায়। এনে অৱস্থাত বিলাতত অৰবিন্দহ'তৰ কোনে চোৱা-চিতা কৰিছিল, সেই বিষয়ে সঠিক গম পোৱা নাযায়। চেইন্টপ'ল স্কুলত অৰবিন্দই পাঁচবছৰ পঢ়িছিল আৰু এইখিনি সময়তে তেওঁ স্কুলৰ আটাইবোৰ বিষয়তে কৃতিত্বৰে পাচ কৰি অসামান্য মেধা শক্তিৰ পৰিচয় দিছিল। এই সময়তে শেক্সপীয়েৰ আৰু মিল্টনৰ প্ৰতিভাৰ তুলনামূলক বিশ্লেষন কৰি আৰু চুইফ্‌ট আদি সাহিত্যিকৰ ওপৰত উচ্চমানৰ ৰচনা লিখি সকলোকে আচৰিত কৰিছিল। স্কুলত পঢ়া দিনতে তেওঁ জাৰ্মান, স্পেনিচ, ইটালীয়ান আদি ভাষা শিকিবলৈ লয়। এই স্কুলৰ শেষৰ দুবছৰত অৰবিন্দৰ নাম ভাৰতীয় প্ৰশাসনীয় সেৱাৰ (I.C.S) পৰীক্ষাৰ্থী হিচাপে ভৰ্ত্তি হয় আৰু যোগ্যতা অনুসৰি একাদশ স্থান অধিকাৰ কৰি তেখেতে আই, চি, এচ পৰিক্ষা পাচ কৰে। ক্লাচিক্‌চ বিষয়ৰ ওপৰত অৰবিন্দই স্কুলত বিশেষ পাৰদৰ্শিতা দেখুওৱাৰ বাবে স্কুলৰ শেহৰ দুবছৰত বছৰি আশী পাউণ্ডকৈ এটি প্ৰতিযোগিতামূলক বৃত্তিও লাভ কৰিছিল। ১৮৯০ চনত অৰবিন্দই আই, চি, এচৰ উমেদাৰী (Probationary) হিচাপে থকা অৱস্থাতো কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ কিংচ কলেজত ভৰ্ত্তি হয় আৰু এই বিশ্ববিদ্যালয়ত ক্লচিক্‌চ বিষয়ত প্ৰথমশ্ৰেণীৰ ট্ৰিপছ লাভ কৰে। গতানুগতিক নিয়ম অনুসৰি আৰু এবছৰ পিছত তেওঁ বি, এ ডিগ্ৰি লব পাৰিলেহেতেন যদিও সেই বিষয়ে অৰবিন্দৰ বিশেষ উৎসাহ নথকাত মুৰকত ডিগ্ৰি লোৱা নহ'লগৈ। এই বিশ্ববিদ্যালয়ত পঢ়ি থকা অৱস্থাত তাত থকা ভাৰতীয় ছাত্ৰ সকলৰ 'ইণ্ডিয়ান মজলিচ' নামৰ এটি অনুষ্ঠানত হোৱা আলোচনাবোৰত অৰবিন্দই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি ভাৰতৰ স্বাধীনতা সম্পৰ্কে তেজস্বী বক্তৃতা দিছিল। ভাৰতলৈ ঘূৰি অহাৰ আগে আগে দেশৰ স্বাধীনতাৰ হ'কে গঢ়ি উঠা 'ইস্পাত আৰু উৎপল' (Lotus & Dragger) নামৰ এক গোপন

বিপ্লৱী সমাজতও তেওঁ যোগ দিছিল।

শ্ৰীঅৰবিন্দই আই, চি, এচ পৰিক্ষাত পাচ হৈ আছিল যদিও ঘোঁৰাত উঠা পাৰদৰ্শিতা নেদেখুওবাৰ বাবে সেই পদবীৰ কবে তেওঁ চুড়ান্তভাৱে নিৰ্বাচিত নহ'ল। এই পৰিক্ষাত উত্তীৰ্ণ হ'বৰ বাবে ঘোঁৰাত উঠাত পাৰদৰ্শীতা দেখুওৱাটো অতি আৱশ্যক। প্ৰকৃততে অৰবিন্দদেৱৰ আই, চি, এচ পদবীৰ বাবে পিছলৈ কোনো উৎসাহ নথকাত অশ্বাৰোহন পৰিক্ষাত অৱতীৰ্ণই নহ'লগৈ। কৰ্ত্তৃপক্ষই অৱতীৰ্ণ হবৰ বাবে অৰবিন্দক একাধিকবাৰ সুযোগ উপযাচি দিছিল যদিও প্ৰতিবাৰতে তেখতে গা এৰা দিছিল। তেখেতৰ নিজৰ ভাষাতে *"দেউতাই পৰিক্ষাটো দিবলৈ কৈছিল বাবে আই, চি, এচ পৰিক্ষা দিছিলোঁ। আই, চি, এচ বিষয়া হ'লেনো হাতী - ঘোঁৰা কি হয় সেইবোৰ কথাৰ উৱাদিহ তেতিয়া ভালকৈ পোৱাই নাছিলোঁ। যেতিয়া জানিলোঁ আই, চি, এচ বিষয়া হোৱা মানে কি, তেতিয়া সেই পদবীলৈ মোৰ বিৰাগ উপজিল।"* ইংলেণ্ডত থকা অৱস্থাত অৰবিন্দৰ লগতে ককায়েক বিনয়ভূষন আৰু মনোমোহনৰও চৰম আৰ্থিক অনাটনত কটাবলগীয়া হৈছিল। এনে অৱস্থাতো অৰবিন্দই আই, চি, এচৰ দৰে বহুজন আকাঙ্খিত লোভনীয় পদবী এটা বিনাদ্বিধাই খেলি দিয়াটোতেই তেখেতৰ জীৱনাদৰ্শৰ ইঙ্গিত পোৱা যায়।

১৮৯২ চনৰ ডিচেম্বৰ মাহত অৰবিন্দই ইংলেণ্ড এৰি ভাৰতলৈ গুচি আহে। সৰুৰে পৰা ভাৰতবৰ্ষৰ লগত সম্পৰ্ক নথকা অৰবিন্দৰ কি পৰিবেশত আৰু কেনেকৈ ভাৰতবৰ্ষৰ শিক্ষা সংস্কৃতি, ধৰ্ম, দৰ্শন আদিৰ ফালে মন আকৃষ্ট হ'ল, সেয়া এক বিস্ময়কৰ বিষয়। ভাৰতত খোজ দিয়াৰ সময়ত হোৱা অনুভূতিৰ বিষয়ে তেওঁ লিখিছিল - *"ভাৰতৰ মাটিত ভৰি দিয়াৰ লগে লগে মই আধ্যাত্মিক অভিজ্ঞতা লাভ কৰিবলৈ ধৰিলোঁ। কিন্তু এই অভিজ্ঞতা সংসাৰ বিমুখ নহয়। বৰং সেইবিলাকৰ ওপৰত এইবিলাকৰ আন্তৰিক আৰু অসীম প্ৰভাৱ বিৰাজমান।"* ভাৰতত আহি বৰোদাৰ গাইকোৱাৰৰ অধীনত মাহে দুশ টকা দৰমহাত বৰোদা ষ্টেট চাৰ্ভিচত সোমায়। ভাৰত আহি পোৱাৰ কেইদিনমান আগতে দেউতাক ডাঃ কৃষ্ণধন ঘোষৰ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। ১৮৯৩ চনৰ ৮ ফেব্ৰুৱাৰীৰ পৰা ১৯০৭ চনৰ ১৮ জুনলৈ অৰবিন্দই বৰোদাৰ চৰকাৰী চাকৰিত আছিল। এই সময়তে কিছুদিন তেওঁ বৰোদা

কলেজত প্ৰথমতে ফৰাচী ভাষাৰ আৰু পিছলৈ ইংৰাজী ভাষাৰ অধ্যাপকৰূপেও কাম কৰিছিল। এটা সময়ত তেওঁ এই কলেজৰ উপাধ্যক্ষও হৈছিল। এই সময়চোৱাৰ ভিতৰতে অৰবিন্দদেৱে সাহিত্যিক দীনেন্দ্ৰকুমাৰ ৰায়ৰ সহায়ত বঙালীভাষা ভালকৈ শিকি লয়। এই সময়চোৱাত তেওঁ অধ্যয়ন আৰু অধ্যাপনাতেই অধিক সময় কটাইছিল।

১৮৯৩ চনৰ আগষ্টৰ পৰা ১৮৯৪ চনৰ ফেব্ৰুৱাৰী মাহ পৰ্য্যন্ত অৰবিন্দদেৱে তেওঁৰ কেম্ব্ৰিজত পঢ়ি থকা সময়চোৱাৰ বন্ধু কে, জি, দেশপাণ্ডেই বোম্বেৰ পৰা সম্পাদনা কৰা 'ইন্দু প্ৰকাশ' নামৰ এখন জাতীয়তাবাদী পত্ৰিকাত এলানি প্ৰবন্ধ লিখিবলৈ লয়। প্ৰবন্ধৰ বিষয়বস্তু আছিল 'ভাৰতীয় জাতীয় কংগ্ৰেছ' আৰু প্ৰবন্ধলানিৰ নাম আছিল - 'পুৰণিৰ বাবে নতুন পোহৰ' (New lamp for old) । এই প্ৰবন্ধবোৰে ৰাজনৈতিক মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। প্ৰবন্ধবোৰত অৰবিন্দই কংগ্ৰেছৰ কাম কাজ সম্পৰ্কে এনেদৰে মতামত দিছে-

*"..... কংগ্ৰেছৰ বিষয়ে মোৰ বক্তব্য হ'ল এই - ইয়াৰ লক্ষ্য শুদ্ধ নহয়; যিটো গতিৰে ই লক্ষ্যত উপনীত হ'বলৈ বিচাৰিছে তাত আন্তৰিকতা নাই, একাগ্ৰতা নাই। আৰু ই গ্ৰহণ কৰা পদ্ধতিও (লক্ষ্যস্থান পাবলৈ) শুদ্ধ নহয়। কংগ্ৰেছে নেতা বুলি মানি লোৱা সকল নেতা হোৱাৰ লায়ক নহয়। সংক্ষেপতে কবলৈ গ'লে আমাৰ অৱস্থাতো এতিয়া অন্ধলাই অন্ধলাক হাতত ধৰি নিয়াৰ দৰে নহ'লেও ঠিক অন্ধলাক এচকুৱাই বাট দেখুওৱাৰ দৰে হৈছে।"*

"চিন্তাৰেই হওক বা স্বাভাবিক অনুভূতিৰেই হওক, নিজৰ অৱস্থাৰ স্বৰূপটো নিৰ্ণয় কৰি লৈ কৌশল আৰু পাৰদৰ্শিতাৰে তাৰ পূৰাপূৰি সদব্যৱহাৰ কৰিব পৰাটোৱেই হ'ল ৰাজনীতিৰ গুপুত কথা আৰু আমি ঠিক তাকেই কৰিবলৈ সক্ষম হোৱা নাই।"

বঙ্গদেশক কেন্দ্ৰ কৰি এটা বৈপ্লৱিক আন্দোলন আৰম্ভ কৰাৰ বাবে অৰবিন্দদেৱে বহুদিনৰ পৰা মনতে এটা পৰিকল্পনা কৰি আছিল। যতীন্দ্ৰনাথ বেনাৰ্জী নামে বঙ্গৰ এজন ব্যক্তিয়ে বৰোদাতে মিলিটাৰী শিক্ষা লবলৈ আহোঁতে অৰবিন্দই পৰ্য্যমানে সহায় কৰি দি তেওঁক বঙ্গদেশত আৰম্ভ কৰিব বিচৰা বৈপ্লৱীক আন্দোলনৰ সহযোগী কৰি ল'লে। এনে সময়তে যাওঁকেল

নামৰ এজন মাৰাঠী লোকে অৰবিন্দক বিপ্লৱী আন্দোলনৰ প্ৰতিজ্ঞাবদ্ধ কৰ্মী হিচাপে দীক্ষা দি শপত লোৱায়। ১৯০২ চনত অৰবিন্দই এবাৰ কলেজৰ বন্ধত বঙ্গদেশলৈ আহি যতীন বেনাৰ্জী আৰু ভায়েক বাৰীন্দ্ৰক লগত লৈ মিদনাপুৰলৈ গৈ তেওঁলোকৰ গোপন আন্দোলনৰ বাবে ছটা কেন্দ্ৰ স্থাপন কৰাৰ সিদ্ধান্ত লয়। সেই বছৰতে তেওঁ মিদনাপুৰত হেমচন্দ্ৰ দাস নামৰ এজন বিপ্লৱীক এহাতে তৰোৱাল আৰু আনহাতে গীতা লৈ দীক্ষা দি এনেধৰণে শপত দিয়ায় - *"যেতিয়ালৈকে মোৰ গাত জীৱন থাকে আৰু যেতিয়ালৈকে ভাৰতবৰ্ষ পৰাধীনতাৰ পৰা শৃঙ্খলমুক্ত নহয়, তেতিয়ালৈকে মই বিপ্লৱৰ কাম কৰি যাম।"* সেই সময়তে দেওঘৰত সত্যেন বোস নামে এজন ব্যক্তিৰ নেতৃত্বতো একেধৰণৰ এক বৈপ্লবিক আন্দোলন গঢ়ি উঠাৰ যো-জা চলিছিল। অৰবিন্দই এই দলসমূহক একত্ৰিত কৰি শৃঙ্খলাবদ্ধভাৱে আন্দোলনটো চলাই নিবৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। বিবেকানন্দৰ শিষ্যা ভগিনী নিবেদিতাৰো এই সময়তে অৰবিন্দৰ সৈতে যোগসূত্ৰ হয় আৰু ৰাজনৈতিক সহযোগিতা আগবঢ়ায়। ১৯০৩ চনত বিপ্লৱী কৰ্মী সকলৰ মাজত নেতৃত্বৰ বিষয় লৈ মতভেদ হোৱাত অৰবিন্দই এই সমস্যা সমাধানৰ বাবে এখন পাঁচজনীয়া সমিতি গঠন কৰি দি বিপ্লৱ সম্পৰ্কীয় কৰ্তৃত্ব ন্যস্ত কৰে। এই সমিতিত বেৰিষ্টাৰ পি. মিত্ৰ আৰু ভগিনী নিবেদিতাও সভ্য হিচাবে আছিল। বঙ্গভঙ্গ বিৰোধীতা আন্দোলনৰ সময়ত এই বিপ্লৱী আন্দোলনে প্ৰসাৰতা লাভ কৰে আৰু বহু নতুন কৰ্মীয়ে আন্দোলনটোত যোগ দিয়ে। প্ৰথম অৱস্থাত এই আন্দোলনটোক সন্ত্ৰাসবাদী আন্দোলন নামেৰে জনা গৈছিল যদিও পিছলৈ ই য়াক জাতীয়তাবাদী আন্দোলন নামেৰেহে অধিকভাৱে পৰিচিত হৈছিল।

১৯০১ চনত শ্ৰী অৰবিন্দই ২৯ বছৰ বয়সত ভূপাল চন্দ্ৰৰ বসুৰ ১৪ বছৰীয়া কন্যা মৃনালিনী দেৱীক বিয়া কৰায়। জ্ঞান আহৰণ আৰু আধ্যাত্মিক লক্ষ্যকেই জীৱনৰ মূল উদ্দেশ্য কৰি লোৱা অৰবিন্দই সংসাৰৰ বাহ্যিক সুখ আনন্দ আদিৰ প্ৰতি বেছি মোহ ৰখা নাছিল। মৃনালিনী দেৱীৰ ফালৰ পৰা চাবলৈ গলে তেওঁলোকৰ সংসাৰ গতানুগতিক অৰ্থত সুখৰ নাছিল। ১৯১৮ চনৰ ডিচেম্বৰ মাহত ৩২ বছৰ বয়সত ইনফ্লুৱেঞ্জা ৰোগত আক্ৰান্ত হৈ মৃনালিনীদেৱীৰ মৃত্যু হয়।

শ্ৰী অৰবিন্দৰ বিপ্লৱী কৰ্মপন্থাৰ ভিত্তিস্বৰূপ আঁচনিখন ভৱানী মন্দিৰ

আঁচনি নামেৰে প্ৰখ্যাত। এই আঁচনি তেখেতে ১৯০১ চনত স্থিৰ কৰি উলিয়ায়। বহুতৰ মতে শ্ৰীমৎ ৰামকৃষ্ণ পৰমহংসদেৱৰ আত্মাৰ নিৰ্দেশক্ৰমে অৰবিন্দই এই আঁচনি যুগুত কৰিছিল। এই আঁচনিখনৰ মূল কথা হ'ল - গভীৰ গিৰিবনৰ মাজত এটি মন্দিৰ প্ৰতিষ্ঠা কৰি আই ভৱানীলৈ উচৰ্গা কৰিব লাগে আৰু এই পবিত্ৰ কাৰ্য্যত সহযোগ কৰিবৰ বাবে ভৱানীমাৰ সন্তানসকললৈ আহ্বান জনাব লাগে। মা ভৱানীয়েই হ'ল চিৰন্তন তথা অপৰিমেয় শক্তিৰ উৎস। সমগ্ৰ জগতখনেই শক্তিৰূপিনী শ্ৰীমাৰ দ্বাৰা পৰিব্যপ্ত হৈ আছে। ৰণশক্তিয়েই হওক, ধনশক্তিয়েই বা বিজ্ঞানশক্তিয়েই হওক সকলোতে মা ভৱানী প্ৰকাশমান। ভাৰতীয়বোৰ শক্তিৰ অভাৱতেই সকলো কথাতেই পৰাজিত হ'ব লগা হৈছে। ইয়াৰ গুৰিতে কিবা এটা মূল বস্তুৰ অভাৱ ঘটিছে। শক্তিৰ অভাৱত ভক্তিও অথলে গৈছে। যিকোনো আন্দোলনৰ ক্ষেত্ৰতেই দেখা যায় যে সি যদি প্ৰধানত উদ্যমভিত্তিক হয় তেন্তে ফলদায়ক হ'বলৈ সেই আন্দোলনৰ পৰিচালক-গণ শক্তিশালী হ'বই লাগিব, অন্যথা এই আন্দোলন সাৰ্থক নহয়। সেইবাবে ভাৰতক প্ৰয়োজন শক্তিৰ , সেই শক্তি হ'ল দৈহিক শক্তি, মানসিক শক্তি, নৈতিক শক্তি আৰু সৰ্বোপৰি আধ্যাত্মিক শক্তি - কাৰণ এই শক্তিয়েই আন সকলো শক্তিৰ অন্তহীন অবিনাশী উৎস। দেশমাতৃকা মানে এক মহতী শক্তি। লক্ষকোটি দেৱতাৰ শক্তিৰ একীভূত সম্মিলনৰ পৰা ভৱানী মহিষ-মৰ্দিনীৰ যিদৰে উদ্ভৱ হৈছে, সেইদৰে লাখ লাখ জনৰ মিলিত শক্তিয়েহ হ'ল দেশমাতৃকা, যাক ভৱানী ভাৰতী বুলিও কোৱা হয়। গতিকে এই ভাৰতীৰ ধ্বংসৰ প্ৰশ্নই নুঠে, কাৰণ জগতৰ জাতি সমূহৰ মাজত কেৱল ভাৰতেই শ্ৰেষ্ঠতম আৰু সুন্দৰতম ভৱিষ্যতৰ বাবে নিৰ্বাচিত হৈছে। সেয়েহে শ্ৰীঅৰবিন্দৰ এই আঁচনি মতে শক্তি আহৰণৰ বাবে শক্তিৰ উৎস শ্বেতা ভৱানীক আৰাধনা কৰাৰ বাবে ব্যস্ত জনপদৰ বহু নিলগত য'ত এতিয়াও মানুহৰ খোজ পৰা নাই, সেই ঠাইত এটা মন্দিৰ প্ৰতিষ্ঠা হ'ব। এই মন্দিৰেই হ'ব কেন্দ্ৰস্থান আৰু ইয়াৰ পৰাই ভৱানীৰ উপাসনা সমগ্ৰ দেশতে বিয়পি পৰিব। আই ভৱানীৰ সেৱাত আত্মনিয়োগ কৰিব খোজা সকলে কমেও চাৰিবছৰ ব্ৰহ্মচৰ্য্যব্ৰত পালন কৰিব লাগিব; চাৰিবছৰৰ পিছত তেওঁলোকে ইচ্ছা কৰিলে নিজৰ গৃহস্থাশ্ৰমলৈ ঘূৰি যাব পাৰে। সভ্য সকলে ব্যক্তিগত যশস্যাৰ বাবে কাম নকৰি শক্তি সাধনা আৰু আত্ম অৱলোপনৰ বাবে কাম

কৰিব লাগিব। জনশিক্ষাৰ বিস্তাৰ আৰু দৰিদ্ৰ অজ্ঞজনক সাহাৰ্য্যদান কৰাটো হ'ব তেওঁলোকৰ মূল উদ্দেশ্য। অৰবিন্দদেৱৰ এই আঁচনিখন কোনো বিশেষ ধৰ্মক আশ্ৰয় কৰি গঠন হোৱা নাছিল। এইখন বিস্তৃতভাৱে কৰ্মমুখী আৰু সমপৰিমানে ই আদৰ্শানুগামীও।

১৯০৬ চনত কলিকতাত জাতীয় কলেজ স্থাপন হোৱাৰ পিছত অৰবিন্দদেৱে বৰোদাৰ চাকৰি ইস্তফা দি এই কলেজৰ অধ্যক্ষৰ দায়িত্ব লৈ কলিকতালৈ আহে। কিছু সময়ৰ বাবে 'বন্দেমাতৰম' নামৰ জাতীয়তাবাদী কাকতখনৰ স্থায়ী সম্পাদক বিপিনচন্দ্ৰ পাল এবাৰ বিদেশ ভ্ৰমণত যাওঁতে সম্পাদকৰ দায়িত্বও তেওঁ লৈছিল। এই সময়তেই কলিকতাত দাদভাই নওৰজীৰ সভাপতিত্বত কংগ্ৰেছৰ অধিবেশন বহে আৰু অৰবিন্দৰ যত্নত এই অধিবেশনত স্বৰাজেই কংগ্ৰেছৰ লক্ষ্য বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কিছুমান নৰমপন্থী নেতাই এই প্ৰস্তাৱৰ বিৰোধীতা কৰাত ১৯০৭ চনত বহা কংগ্ৰেছৰ চুৰাট অধিবেশনত কংগ্ৰেছ দুফাল হয়। এই সময়চোৱাৰ ভিতৰতেই বঙ্গ দেশত সন্ত্ৰাসবাদী আন্দোলনে ক্ৰমাত গা কৰি উঠে। ১৯০৮ চনৰ ৩০ এপ্ৰিল তাৰিখে ভুলক্ৰমে দুগৰাকী ইংৰাজ মহিলাৰ গাত কোনোবাই বোমা দলিয়ায় আৰু দুয়োগৰাকী মৃত্যুমুখত পৰে। সেই চনৰে ৪মে'ৰ দিনাখন পুলিছে অৰবিন্দৰ গ্ৰে-ষ্ট্ৰিটৰ ঘৰ খানাতালাচ কৰি অৰবিন্দক গ্ৰেপ্তাৰ কৰে। ১৯০৯ চনৰ এপ্ৰিল মাহলৈকে আদালতত এই গোচৰ চলে আৰু মে' মাহৰ পাঁচ তাৰিখে তেওঁক নিৰ্দোষি বুলি খালাচ দিয়া হয়। কাৰাগাৰত থকা সময়খিনিৰ সৰহভাগ সময় অৰ্বিন্দই ধ্যানস্থ হৈ থাকিয়েই অতিবাহিত কৰিছিল। জেলত সোমোৱাৰ আগতেই তেওঁ যোগভ্যাস আৰম্ভ কৰিছিল। জেলত থকা কালত তেওঁৰ এক গভীৰ আধ্যাত্মিক পৰিবৰ্ত্তন আহিল। বিচাৰ চলি থকাৰ সময়তো তেওঁ সম্পূৰ্ণ নিৰ্বিকাৰ হৈ আছিল। অৰবিন্দৰ নিজৰ কথাৰেই - *'নৰত নাৰায়নৰ উপলব্ধি কৰিবলৈ মই যত্ন কৰিছিলো'*।

এবছৰ জেলত কটাই অহাৰ পিছত তেওঁ দুখন পত্ৰিকা প্ৰকাশ কৰাৰ ভাৰ লয়। এখন বঙালীত - 'নামধৰ্ম' আৰু আনখন ইংৰাজীত - 'কৰ্ম্মযোগী'। ১৯০৯ চনৰ ২৫ ডিচেম্বৰ তাৰিখে 'কৰ্ম্মযোগী' কাকতত তেওঁ লিখা 'দেশবাসীলৈ মুকলি চিঠি' শীৰ্ষক প্ৰবন্ধত চৰকাৰে যদি তেওঁক পুনৰ বন্দী কৰে তেনেহলে তেওঁৰ দলে স্বৰাজৰ আন্দোলন কেনেদৰে চলাই লৈ যাব

লাগিব তাৰ যথাযথ নির্দেশ দিয়ে। ইতিমধ্যে কৰ্ম্মযোগী কাকতৰ কার্য্যালয় খানাতালাচ হ'ব বুলি আৰু শ্রীঅৰবিন্দ পুনৰবাৰ গ্রেপ্তাৰ হ'ব বুলি গুজৱ ওলোৱাত অৰবিন্দদেৱে ১৯১০ চনৰ ফেব্রুৱাৰী মাহত কলিকতা এৰি সেই সময়ত ফৰাচীৰ অধীনত থকা চন্দন নগৰলৈ প্রস্থান কৰে। 'কৰ্ম্মযোগী' কাকতৰ দায়িত্ব বিদূষী মহিলা ভগিনী নিবেদিতাৰ হাতত চমজাই দিয়ে। চন্দননগৰত তেওঁ মতিলাল ৰায় নামৰ এজন শুভাকাংখী লোকৰ ঘৰত আশ্রয় লৈছিল আৰু এই সময়চোৱাত যোগ-সাধনাক লৈয়েই তেওঁ ব্যস্ত আছিল। ১৯১০ চনৰ এপ্রিল মাহত তেওঁ অনুগামী সকলৰ সহযোগত গোপনে চন্দননগৰৰ পৰা পণ্ডিচেৰীলৈ প্রস্থান কৰে। কলিকতা এৰি এনেদৰে অৰবিন্দই প্রথমে চন্দননগৰ আৰু পিছলৈ পণ্ডিচেৰীলৈ গুছি যোৱাৰ লগে লগে তেওঁৰ ৰাজনৈতিক জীৱনৰ সমাপ্তি ঘটে আৰু যোগ সাধনাত একান্তভাৱে মনোনিবেশ কৰে। শ্রীঅৰবিন্দই এই বিষয়ে কয় যে কাৰাগাৰত ধ্যানৰত হৈ থকা অবস্থাত তেওঁ বিবেকানন্দৰ বাণী শুনিবলৈ পাইছিল। পণ্ডিচেৰীত থকা কালচোৱাত বহুতো স্বাধীনতা যুজাৰু আলৈ গৈ অৰবিন্দক লগ কৰিছিল আৰু বহুতে তেওঁক বৃটিছ ভাৰতলৈ ঘূৰি আহি স্বৰাজ আন্দোলনৰ নেতৃত্ব দিবলৈকো আহ্বান জনাইছিল। কিন্তু শ্রীঅৰবিন্দই নিজৰ সিদ্ধান্ত এৰি দিয়া নাছিল। সেই সময়ত বোম্বেৰ প্রখ্যাত ব্যাৰিষ্টাৰ জোচেফ বেপ্টিষ্টালৈ এখন চিঠিৰ প্রত্যুত্তৰত তেওঁ এনেদৰে লিখিছিল -

*"এক নিদৃষ্ট লক্ষ্য সাধনৰ বাবে স্বাধীনতা আৰু নিৰূপদ্রৱ শান্তিৰ পৰিৱেশ বিচাৰিহে মই পণ্ডিচেৰীলৈ আহিছিলোঁ। সাম্প্রতিক ৰাজনীতিৰ লগত মোৰ ইয়ালৈ অহাৰ কোন প্রত্যক্ষ সম্বন্ধ নাই। এই ৰাজনীতিত ইয়ালৈ অহাৰে পৰা মই কোনো প্রত্যক্ষ অংশগ্রহণ কৰাও নাই। তথাপি দেশৰ বাবে কৰিব পৰাখিনি যথাসাধ্য মই নিজৰ পদ্ধতিৰে কৰিছোঁ। মোৰ লক্ষ্য সাধন নহয় মানে বাইজৰ কোনো ৰকমৰ কামতেই পুনৰ যোগ দিয়া মোৰ বাবে সম্ভৱ নহয়। .....পণ্ডিচেৰী মোৰ বিবিক্ত প্রদেশ (Place of retreat), মোৰ তপস্যাৰ গুহাগৃহ। মোৰ এই তপস্যা সংসাৰ বিৰাগী জাতৰ নহয়, ই মোৰ নিজৰ উদ্ভাৱন। সেই তপস্যা মই শেষ কৰিব লাগিব। মোৰ লক্ষ্য সাধনৰ বাবে, পণ্ডীচেৰী এবাৰ আগতে তপস্যাৰ যোগেদি মই নিজকে অন্তঃস্থিত প্রজ্ঞাৰ প্রভাৱত সক্ষম কৰি ৰাখিব লাগিব।"*

১৯০৬ চনত শ্ৰী অৰবিন্দৰ সৈতে বিশ্বকবি ৰবীন্দ্ৰনাথৰ প্ৰথম সাক্ষাত হয়। ইয়াৰ পিছত ১৯২৮ চনত পণ্ডিচেৰীত ৰবীন্দ্ৰনাথে অৰবিন্দক পুনৰবাৰ লগ পাই যথেষ্ট প্ৰভাৱিত হয়। শ্ৰীঅৰবিন্দৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি তেওঁ লিখিছিল -

'অৰবিন্দ, ৰবীন্দ্ৰৰ লহো নমস্কাৰ
হে বন্ধু, হে দেশবন্ধু, স্বদেশ আত্মাৰ
বাণীমূৰ্তি তুমি। তোমা লাগি নহে মান,
নহে ধন, নহে সুখ, কোনো ক্ষুদ্ৰ দান
চাহ্ নাহি কোনো ক্ষুদ্ৰ কৃপা; ভিক্ষা লাগি
বাড়াও নি আতুৰ অঞ্জলি। আছ জাগি
পৰিপূৰ্ণতাৰ তৰে সৰ্ববাধাহীন -"

অৰবিন্দদেৱে পণ্ডিচেৰীত থকা কালচোৱাত লোকচক্ষুৰ আতৰত থাকি সন্যাসীৰ দৰে জীৱন-যাপন কৰিছিল বাবে তেখেতৰ কাৰ্য্যাৱলীৰ পুঙ্খানুপুঙ্খ বিৱৰণ পাবলৈ নাই। তেখেতৰ নিজৰ ভাষাতেই - ***'Nobody can write about my life except myself, because it has not been on the surface for man to see."*** তেখেতৰ সাধনাই তেখেতৰ জীৱনৰ দৰে। তেখেতৰ ব্যক্তিত্বৰ মূলত তিনিটা দিশ, সেয়া - সাহিত্যিক শ্ৰীঅৰবিন্দ, স্বাধীনতা সংগ্ৰামী শ্ৰীঅৰবিন্দ, আৰু দাৰ্শনিক - যোগসাধক শ্ৰী অৰবিন্দ। অৱশ্যে এই তিনিওটাৰ কোনোটোৱেই স্বয়ং সম্পূৰ্ণ নহয়, বৰঞ্চ এটা আনটোৰ পৰিপূৰক। ১৯২৬ চনৰ ২৪ নভেম্বৰত শ্ৰী অৰবিন্দই সাধনাত সিদ্ধিলাভ কৰে আৰু তেতিয়াৰে পৰা তেওঁৰ নামৰ পৰা 'ঘোষ' উপাধী বাদ দিয়ে আৰু 'শ্ৰীঅৰবিন্দ' নামেৰে জনাজাত হয়। এই সময়ৰ পিছৰ পৰা তেওঁ সম্পূৰ্ণকৈ জনগণৰ পৰা আতৰত থাকিবলৈ লয় আৰু দৰ্শনাৰ্থীসকলক বছৰত মাত্ৰ চাৰিবাৰকৈহে দৰ্শন দিবলৈ লয়। দেশী-বিদেশী বহু বিশিষ্ট গুণী-মানীজনৰ পৰা আদি কৰি সাধাৰণ লোকলৈকে বহুলোক তেওঁৰ দৰ্শনাৰ্থী আছিল। বহু দেশী-বিদেশী লোকে শ্ৰী অৰবিন্দৰ জ্ঞানমাৰ্গ আৰু মুক্তিমাৰ্গৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁৰ ওচৰ চাপিছিল। বিদেশী ব্যক্তিসকলৰ ভিতৰত শ্ৰীযুত পল ৰিচাৰ্ড আৰু তেওঁৰ পত্নী শ্ৰীমতী ৰিচাৰ্ড - পিছলৈ পণ্ডিচেৰী আশ্ৰমৰ অধ্যক্ষা 'শ্ৰীমা' ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। অৰবিন্দদেৱে সিদ্ধিলাভৰ সময়ৰ পৰা আৰম্ভ কৰি মহাপ্ৰয়াণলৈকে 'সাবিত্ৰী মহাকাব্য',

'দিব্যজীৱন' (Life Divine) কে আদি কৰি বেদ-উপনিষদ-গীতা আদিৰ ওপৰত ৰচনা কৰা তেখেতৰ সুবিখ্যাত গ্ৰন্থসমূহ ৰচিত হৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে অৰবিন্দদেৱৰ সমগ্ৰ সাহিত্য ৰচনা ৰচিত হৈছিল ইংৰাজী ভাষাত। যিকেইজন বিশিষ্ট ভাৰতীয়ৰ ইংৰাজী ভাষাৰ ওপৰত অসামান্য দখল আছিল সেইসকলৰ ভিতৰত অৰবিন্দদেৱ অন্যতম।

তেখেতৰ 'দিব্যজীৱন' (Life Divine) গ্ৰন্থখনি বিশ্বৰ মহত্তম গ্ৰন্থসমূহৰ ভিতৰত অন্যতম এখন। এই গ্ৰন্থখনিত তেখেতৰ গভীৰ জ্ঞানৰ উপলব্ধি আৰু অন্তৰ্দৃষ্টি প্ৰকাশ পাইছে। এই গ্ৰন্থখনৰ বিভিন্ন অধ্যায়ত মুখবন্ধ হিচাপে বেদ-উপনিষদ আৰু গীতাৰ পৰা কিছুমান উদ্ধৃতি দিছে। প্ৰথম অধ্যায়ত তেখেতে কৈছে যে প্ৰাচীন যুগৰ পৰা আৰম্ভ কৰি বৰ্ত্তমানলৈকে সচ্চিদানন্দৰ উপলব্ধিয়েই উচ্চচিন্তাক্ষম মানুহৰ চৰম অভিলাসৰূপে পৰিগণিত হৈ আহিছে। তেখেতে আকৌ কৈছে যে - ***"All problems of existence are essentially problems of harmony"*** আৰু এই সমস্যাবোৰ নো কি তাৰ ব্যাখ্যা দিবলৈ প্ৰয়াস কৰিছে। এই গ্ৰন্থখনিত তেখেতৰ দৰ্শনৰ মূল কথা হ'ল - মানব প্ৰকৃতিৰ ৰূপান্তৰ আৰু এই ৰূপান্তৰৰ পৰিণতিত মানৱে লাভ কৰিব দিব্যজীৱন। তেওঁ কৈছে ***'To fulfil God in life is man's manhood. He starts from the animal vitality and its activities, but a divine existence is his objective'***। এই ৰূপান্তৰৰ বাবে মানুহৰ মন আৰু চেতনাৰ যি বিকাশ হ'ব লাগে তাক ব্যাখ্যা কৰিছে। গ্ৰন্থখনিৰ প্ৰথম অধ্যায়টোৰ নাম '*The Human Aspiration*'। মানবৰ এই ৰূপান্তৰ হঠাতে সাধিত নহয়, ক্ৰমাগত ভাৱেহে হয়। এই প্ৰসঙ্গত তেওঁ কৈছে যে - ***"মহত্তৰ পৰ্য্যায়লৈ উন্নীত হোৱাৰ যি সম্ভাৱনা মানবৰ আছে, সেই সম্ভাৱনাৰ কথা ভাবিলে ডাৰউইন চাহাবৰ বিবৰ্তন সূত্ৰৰ আদিম বান্দৰটোৰ অৱস্থালৈ মনত পৰে। ............. কিন্তু মানুহৰ যুক্তি আছে, কল্পনা আছে, অন্তৰ্দৃষ্টি আছে আৰু সেইবাবে মানুহে নিশ্চয় নিজৰ বাবে এক মহত্তৰ অস্তিত্বৰ কথা ভাবিব পাৰে আৰু কোনো ব্যক্তিবিশেষে সেই মহত্তৰ পৰ্য্যায়লৈ উন্নীত হোৱাৰ কথা চিন্তা কৰিব পাৰে।"*** পদাৰ্থ, বুদ্ধি, মন আৰু ইয়াৰ বিভিন্ন স্তৰ আৰু প্ৰক্ৰিয়া, জ্ঞান, অজ্ঞানতা, অজ্ঞানতাৰ উৎসে, বিশ্বত মানবৰ স্থান, মানবৰ ভবিষ্যত, অস্তিত্বৰ সাতোটা স্তৰ, চেতনা, অধঃচেতনা, স্মৃতি, অতিমানস, জীৱন, আত্ম - অবগতি, অহংভাব, মৃত্যু, বাসনা, মায়া, অসত্য আৰু ভ্ৰান্তি

আৰু ইহতৰ প্ৰতিকাৰ, প্ৰকৃতি শক্তি , বিৱৰ্ত্তন ইত্যাদি বহুতো বিষয়ৰ ওপৰত শ্ৰীঅৰবিন্দদেৱে সুক্ষ্ম বিশ্লেষন ইয়াত দাঙি ধৰিছে।

'সাৱিত্ৰী' মহাকাব্য তেখেতৰ আন এক মূল্যবান সাহিত্য কীৰ্ত্তি। এই মহাকাব্যখনক বাৰটা পৰ্ব্বত বিভক্ত কৰিছে। প্ৰথম দহোটো পৰ্ব্বক একাধিক অধ্যায়ত ভাগ কৰিছে। অষ্টম পৰ্ব্বৰ প্ৰথম দুটা অধ্যায়ৰ পৰিকল্পনা বাস্তৱত ৰূপায়িত নহ'ল। অকল তৃতীয় অধ্যায়টোহে লিখিলে। অৰবিন্দই মহাপ্ৰয়ানৰ আগলৈকে এই মহাকাব্যখন সম্পূৰ্ণ কৰাত ব্যস্ত আছিল। মহাভাৰতৰ সাৱিত্ৰী - সত্যবানৰ কাহিনীয়েই এই মহাকাব্যখনৰ বিষয়বস্তু যদিও ই মূলত ৰূপকাত্মক। আখ্যানভাগ ইয়াৰ ঘাই নহয়, সাধাৰণ সাঁচটোহে ইয়াত ৰাখিছে। বহুসাধনাৰ মূৰত নিঃসন্তান অশ্বপতিয়ে সাৱত্ৰী নামে এটি কন্যাৰত্ন লাভ কৰিলে। ৰূপকাৰ্থত সাৱিত্ৰী এক প্ৰেৰিত দিব্যশক্তি। মৃত্যু অসৎ আৰু সেইবাবেই ই সৰ্ব্বশক্তিমান নহয়। সেই মৃত্যুৰ পৰাজয় ঘটিছে প্ৰাণশক্তি (বা যি সৎ) সাৱিত্ৰীৰ হাতত। অৰ্থাৎ সত্য অসদাচ্ছন্ন হ'লে যোগৰ বলেৰে অতিমানসিক চেতনা আয়ত্ব কৰি তাক মুক্ত কৰি উজ্জীৱিত আৰু পুনৰ প্ৰতিষ্ঠা কৰিব পাৰি।

শ্ৰী অৰবিন্দৰ আন এখন উল্লেখযোগ্য গ্ৰন্থ হ'ল 'ভৱিষ্যতৰ কবিতা' (The future poetry)। এই গ্ৰন্থখন সাহিত্য সমালোচনাৰ ক্ষেত্ৰত এক জটিল বিশ্লেষনাত্মক গ্ৰন্থ। ইংৰাজী কবিতাৰ ক্ৰমবিকাশৰ ওপৰত লিখা এই গ্ৰন্থখন একেলগে সমালোচনাও আৰু নন্দনতত্ত্বও। এই গ্ৰন্থত তেওঁ কৈছে - *"কবি মানস আৰু ইয়াৰ সৃষ্টিশীলতা আৰু বিশ্লেষনশীলতাৰ যোগেদি ভৱিষ্যতে আমাক কি দিব তাৰ কথা আমি চিন্তা কৰি চাব পাৰোঁ। এই বিষয়ে এতিয়ালৈকে আমি যি দেখিছোঁ-শুনিছোঁ তাৰ পৰা কোনো স্থিৰ সিদ্ধান্তত উপনীত হোৱাটো সম্ভৱপৰ নহয়। কিন্তু এটা সম্ভাৱনাৰ কথা আমি কব পাৰোঁ। এই সম্ভাৱনা হ'ল যে ভৱিষ্যতৰ কবিতাৰ মন্ত্ৰৰ লগত নিকটতৰ সম্বন্ধ এটা স্থাপিত হ'ব লাগিব। সেই মন্ত্ৰ যাক বেদত বোলা হৈছে ছন্দোময় বাণী, যি যুগপৎ উত্থিত হয় দ্ৰষ্টাৰ অন্তৰৰ পৰা আৰু সত্যৰ সুদুৰ সুপ্ৰাচীন নিলয়ৰ পৰা (From the heart of the seer and the distant home of the truth), সেয়ে মন্ত্ৰ যি হ'ব যথোপযুক্তভাৱে বাস্তৱানুগ ভাব প্ৰতিফলক বাণী।"* এই গ্ৰন্থখনিৰ সন্নিবিষ্ট আন বিষয়সমূহ হ'ল - কবিৰ সাৰবত্তা,

কবিতাৰ বিষয় আৰু প্ৰকাশভঙ্গী, কবিতাৰ জাতীয়তামূলক বিৱৰ্ত্তন, আধুনিক সাহিত্যৰ গতি ধাৰা, কবিতাৰ আদৰ্শ, প্ৰকৃতি, কাব্যৰ সত্য, কাব্যৰ সৌন্দৰ্য্য আৰু আনন্দ, শব্দ আৰু আত্মা, কাব্যৰ শৰীৰ আৰু আত্মা, ভৱিষ্যতৰ কবিতা ইত্যাদি।

শ্ৰী অৰবিন্দৰ নাটক সমূহৰ ভিতৰত 'মুক্তিদাতা পাৰ্চিয়ুচ' (পটভূমি গ্ৰীচদেশ) 'বচোৰা চহৰৰ ডা-ডাঙৰীয়া' (পটভূমি বচোৰা চহৰ), 'এডুৰৰ ৰাজকোঁৱৰ (পটভূমি মধ্যভাৰত), 'এৰিক' (পটভূমি নৰওৱে), 'বাসবদত্তা' (পটভূমি প্ৰাচীন ভাৰত), আৰু 'ৰডোগুণে' (পটভূমি ইজিপ্ত) উল্লেখযোগ্য। নাটকৰ চৰিত্ৰাঙ্কন, ঘটনা সমূহৰ বিশ্লেষন, সংঘাট সৃষ্টি, সংলাপৰ সাবলীলতা আদি প্ৰতিটো বিষয়তে শ্ৰী অৰবিন্দ এজন সফল নাট্যকাৰৰূপে পৰিগণিত হৈছে। তেওঁৰ বেছিভাগ নাটকেই প্ৰতীকধৰ্মী। ইয়াৰোপৰি হিন্দু নাট্য পৰিক্ৰমা (Hindu drama), কালিদাসৰ যুগ (The age of Kalidasa), ভাৰতৰ নৱজন্ম (The Renaissance in India), ভাৰতীয় কৃষ্টি সভ্যতাৰ ভিত্তি (The Foundation of Indian culture), বেদ মীমাংসা (On the veda), বঙ্কিম-তিলক-দয়ানন্দ (Bankim - Tilak - Dayananda), কৰ্ম্মযোগীৰ আদৰ্শ (The ideal of the Karmoyogin), অতিমানৱ (The superman), ব্যাস আৰু বাল্মিকী (Vyasa and Valmiki), যোগ-মীমাংসা (On Yoga) আদি অৰবিন্দদেৱৰ উল্লেখযোগ্য গ্ৰন্থ।

জ্ঞান আহৰণ আৰু আধ্যাত্মিকতাৰ মাজত অৰবিন্দদেৱ ব্যস্ত আছিল যদিও সুদূৰ প্ৰসাৰী লক্ষ্য আছিল দেশৰ স্বৰাজ। তেখেতে মাজে সময়ে কিছু বিক্ষিপ্ত হৈ পৰিছিল বুলি তেখেতৰ সহযোগীসকলে অনুমান কৰে। কেতিয়াবা তেওঁ কবিতা লিখিছিল, কেতিয়াবা ৰাজনৈতিক চিন্তাত নিমগ্ন আছিল আৰু কেতিয়াবা যোগ-সাধনাৰ প্ৰতি আগ্ৰহ দেখুৱাইছিল। ১৯০৩ চনত বৰোদাত চাকৰি কৰা কালত গাইকোঁৱৰৰ লগত কাশ্মীৰলৈ যাওঁতে ভ্ৰমণ কালত তাখত-ই-চুলেমান বা শঙ্কৰাচাৰ্য্য পাহাৰ দৰ্শন কৰে। এই দৰ্শনৰ সময়ত এক অসাধাৰণ আত্মচেতনা তেওঁ উপলব্ধি কৰিছিল। জগতখনতে তেওঁ নিৰ্গুণ ব্ৰহ্মক অৰূপ ৰূপত দেখিবলৈ ধৰিলে আৰু এই দিব্যৰূপৰ ওচৰত আত্মসমৰ্পন কৰাৰ পিছৰে পৰা অৰবিন্দই অন্তৰত দেৱতাৰ নিৰ্দেশ শুনিবলৈ পাইছিল। তেতিয়াৰ পৰাই তেখেতৰ বিপ্লৱী মনৰ এক আমূল পৰিবৰ্ত্তন সাধন

হয় আৰু আধ্যাত্মিক জীৱনৰ প্ৰতি আকৰ্ষিত হয়। তেখেতৰ মতে মায়াই হৈছে সকলো আবৰণৰ মূল। এই মায়াৰ বাবেই ঈশ্বৰ সৰ্বত্ৰতে বিৰাজমান হৈ থকা সত্বেও তেওঁ নাই যেন ভাব হয় আৰু এই ভেদাভেদৰ ফলতেই মানুহে নিজকে বেলেগ সত্ত্বা বুলি অনুভৱ কৰে। তেখেতৰ দৰ্শনত চৰম বিকশিত ৰূপটোৱেই হৈছে অতিমন। এই অতিমন যেতিয়া বিশিষ্ট শক্তিৰূপে প্ৰকাশিত হয়, তেতিয়া তাৰ নামেই জীৱন। ‘মৃত্যু’ তেখেতৰ মতে জীৱনক নতুন কৰাৰ এক প্ৰয়োজনীয় প্ৰবাহ। অৰবিন্দই বিশ্বাস কৰিছিল যে পৰিপূৰ্ণৰূপত বিকশিত সমাজ গঢ়িবলৈ হলে ব্যক্তিৰ পূৰ্ণত্ব আৱশ্যাক।

*সেইটোহে দৰকাৰী কথা। অন্তৰ্জীৱনেহে বহিৰ্জীৱনক সাৰৱত্তা দান কৰে। বহিৰ্জীৱনৰ যদি কিবা শক্তি আছে তেন্তে সেই শক্তি অন্তৰ্জীৱনৰ পৰা অহা। পৰমাৰ্থনিষ্ঠ এজন ব্যক্তিৰ অন্তৰ্জীৱন বিশাল আৰু পূৰ্ণ, ই ইমানবোৰ তাৎপৰ্য্যপূৰ্ণ ঘটনাৰে সমৃদ্ধ – যে কোনো বুৰঞ্জীলেখক বা জীৱনীকাৰে ইয়াক পুৰাকৈ আপোনাৰ আগত দাঙি ধৰিব নোৱাৰে।"*

পত্নী মৃনালিনী দেৱীলৈ লিখা চিঠিত তেওঁ নিজ ধৰ্মৰ বিষয়ে লিখিছিল - *"যিকন সাধুশীলতা , প্ৰতিভা, উচ্চশিক্ষা, জ্ঞান আৰু সম্পদ মোক ভগবানে দিছে, সেয়া আচলতে ভগবানৰে। পৰিয়ালৰ ভৰণ পোষণৰ বাবে যিমানখিনি দৰকাৰ আৰু যিমানখিনি খৰচ নকৰিলেই নহয়, সিমানখিনিহে ব্যয় কৰাৰ অধিকাৰ মোৰ আছে। বাকীখিনি ভগবানৰ বাবে অৰ্পিত হ'ব লাগিব। যদি মই গোটেইখিনি ব্যক্তিগত সুখৰ বাবে ব্যয় কৰোঁ, তেন্তে মই চোৰ বুলি পৰিগণিত হ'ম।.....ভগবানৰ বাবে নিজৰ সম্পদ উচৰ্গা কৰাৰ অৰ্থ হ'ল কল্যাণজনক কামৰ বাবে নিজৰ সম্পদ ব্যয় কৰা। পৰোপকাৰেই ধৰ্ম।....ধৰ্ম বুলিলে আমি আজিকালি সাধাৰণতে কি বুজো? ঘনে ঘনে ভগবানৰ নাম লোৱা আৰু দহজন একেলগ হৈ ভগবানৰ স্তুতি প্ৰাৰ্থনা কৰা - ইয়াকে আজিকালি ধৰ্ম বুলিলে সাধাৰণজনে বুজে। তদুপৰি তুমি ৰাইজক দেখুৱাবও লাগিব তুমি কিমান ধাৰ্মিক। আজিকালি এই কথাকো ধৰ্ম বুলিয়েই বহুতে বুজে। কিন্তু এই বাটেদি মই বাট বুলিব নোৱাৰোঁ। যদি ভগবান আছে তেন্তে তেওঁৰ অস্তিত্ব আৰু উপস্থিতি উপলব্ধি কৰাৰো কিবা এটা পন্থা থাকিবই লাগিব। যিমানেই কঠিন নহওক কিয়, সেই পন্থা অনুসৰণ কৰিবলৈ মই দৃঢ় প্ৰতিজ্ঞ।"*

১৯৫০ চনৰ ৪ ডিচেম্বৰৰ নিশা আধুনিক ভাৰতৰ এই গৰাকী ঋষিসদৃশ পুৰুষ শ্ৰীঅৰবিন্দই পণ্ডিচেৰীৰ নিজ আশ্ৰমত নশ্বৰদেহ ত্যাগ কৰে। মহাপ্ৰয়ানৰ আগে আগে তেখেতৰ গাত ৰোগে দেখা দিছিল যদিও ৰোগ অপসাৰণৰ কৰিবলৈ প্ৰয়োজন হোৱা অস্ত্ৰোপচাৰৰ বাবে তেওঁ মান্তি নহ'ল। মহাপ্ৰয়ানৰ দ্বিতীয় দিনাখন তেওঁৰ শবদেহ সমাধিস্থ হোৱাৰ কথা আছিল যদিও আশ্ৰমৰ পৰা ঘোষনা কৰা হ'ল যে শ্ৰীঅৰবিন্দৰ শৰীৰত অতিমানসজ্যোতি সঞ্চাৰিত হৈ আছে বাবে দেহ বিকৃতি হোৱা নাই আৰু যতদিনলৈ দেহ অবিকৃত অৱস্থাত থাকিব ত'তদিনলৈ সমাধি নহ'ব।

পণ্ডিচেৰী ফৰাচীৰ অধীনত থকা বাবে ৭ ডিচেম্বৰ দিনাখন ফৰাচী চৰকাৰৰ ডাক্তৰ আহি শ্ৰীঅৰবিন্দৰ মৃতদেহ পৰিক্ষা কৰিলে আৰু প্ৰাণহীন দেহত জৈৱিক বিকৃতিৰ কোনো লক্ষণ দেখা নাপাই আপত্তি নকৰি গুছি গ'ল। হাজাৰ হাজাৰ দৰ্শনাৰ্থীয়ে তেওঁৰ মৃতদেহ দৰ্শন কৰি শেষ প্ৰণিপাত জনালেঁ। অবশেষত ৯ ডিচেম্বৰৰ দিনাখন সন্ধিয়া আশ্ৰম প্ৰাঙ্গণত শ্ৰীঅৰবিন্দৰ দেহৰ সমাধি দিয়া হয়।

❖❖❖

## সহায়ক গ্ৰন্থপঞ্জীৰ তালিকা

1. 'শ্ৰীঅৰবিন্দ, জীৱন আৰু সাধনা' - ড: প্ৰফুল্ল কটকী, বীণা লাইব্ৰেৰী, গুৱাহাটী।

2. 'শ্ৰী অৰবিন্দ' - ড: বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য।, অসম প্ৰকাশন পৰিষদ।

3. বিশ্বকবি ৰবীন্দ্ৰনাথ - পৃথ্বীৰাজ সেন।

4. "The Life Divine" - Sri Aurobinda.

✿✿✿

*" Every nation has a main current in life; in India it is religion. Make it strong and the waters on either side must move along with it."*

- Swami Vivekananda

# স্বামী বিবেকানন্দ

উন্নত দেহ, তেজোময় মুখশ্ৰী, শিৰত পাগুৰিৰ সৈতে গেৰুৱা বসন পৰিহিত আৰু মুখমণ্ডলত সদায় এক উদাৰ প্ৰশান্তিৰ ভাব লাগি থকা স্বামী বিবেকানন্দ আছিল সমগ্ৰ মানৱজাতিৰ কল্যাণৰ বাবে জ্ঞান, ভক্তি, কৰ্ম আৰু ধ্যানৰ এক পৰিপূৰ্ণ ৰূপ। যি সময়ত ধৰ্মৰ প্ৰাণকেন্দ্ৰ ভাৰতবৰ্ষ অশিক্ষা আৰু কুশিক্ষা, পৰাধীনতা আৰু দাৰিদ্ৰত নিমজ্জিত হৈ আছিল, সেই যুগসন্ধিক্ষণত ভৱিষ্যত মানৱ জাতিৰ অভ্ৰান্ত পথ নিৰ্দেশকৰূপে বিবেকানন্দৰ আবিৰ্ভাৱ হৈছিল। বিবেকানন্দৰ আগমনত যে অকল তমসাচ্ছন্ন ভাৰতবৰ্ষ কৰ্মযোগত জাগি উঠিছে এনে নহয়, ৰজোগুণত উন্মত্ত ইউৰোপ আৰু আমেৰিকাও তেখেতৰ নিৰ্দেশিত পথৰ দ্বাৰা নতুন আলোকৰ সন্ধান পাইছে। মাত্ৰ উনচল্লিছ বছৰ কাল স্বামীজীয়ে এই মৰ্ত্তলোকত থাকি আৰু প্ৰকাশ্যভাৱে মাত্ৰ ন-বছৰ কালত তেখেতে যি ব্যাপক আৰু গভীৰ কৰ্মজীৱনৰ পাতনি মেলিছিল সেয়া বিশ্বৰ ইতিহাসত বিৰল। বহু বিদগ্ধ পণ্ডিতে স্বামীজীক বিভিন্নভাৱে মূল্যায়ন কৰিছে- কিছুমানে তেখেতক বিচাৰ কৰিছে শিক্ষাবিদৰূপে, কিছুমানে দেশপ্ৰেমিকৰূপে, কিছুমানে ৰাজনীতিজ্ঞৰূপে, কিছুমানে সমাজ সংস্কাৰকৰূপে, কিছুমানে দাৰ্শনিকৰূপে আৰু কিছুমানে ধৰ্মগুৰুৰূপে। স্বামীজীৰ কৰ্মবহুল জীৱনত এই বিভিন্ন দিশত প্ৰভাৱ পৰিছে যদিও তেখেতৰ সমগ্ৰৰূপ এই ধাৰণাসমূহৰ বহু উৰ্দ্ধত। সেয়েহে আন্তৰ্জাতিক খ্যাতিসম্পন্ন দাৰ্শনিক ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনে স্বামীজীৰ বিষয়ে এনেদৰে মন্তব্য দিছে-

"বহু মনিষীৰ জন্ম স্থান এই কলিকতা মহানগৰী। আজি পৰ্যন্ত বিমান শিক্ষাবিদ, সাহিত্যিক, বৈজ্ঞানিক আৰু সাধকৰ এই ঠাইত জন্ম হৈছে নিসন্দেহে স্বামী বিবেকানন্দ এওঁলোকৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ। তেওঁ আছিল ভাৰত আত্মাৰ মূৰ্ত্ত বিগ্ৰহ; ভাৰতৰ আধ্যাত্মিক অন্সৃহা আৰু সাধনাৰ প্ৰতীক স্বৰূপ। যি শাশ্বত আত্মাই অভিব্যক্ত হৈছে ভক্তৰ গানত, ঋষি মুনি

সকলৰ দৰ্শন উপনিষদত, সাধাৰণ মানুহৰ প্ৰাৰ্থনাত, বিবেকানন্দই তাক দিছে বাণীৰূপ আৰু কৰিছে প্ৰচাৰ"।

স্বামীজীৰ নেতৃত্বত প্ৰাচীন ভাৰতীয় ঋষি সকলৰ চিন্তা পুনৰ জাগ্ৰত, আধ্যাত্মিক ভাবাপন্ন আৰু আধুনিকতা প্ৰাপ্ত হৈ নতুন দৃষ্টিভঙ্গীৰে এক নৱজাগৰণৰ সৃষ্টি কৰিছিল। তেখেতৰ চিন্তা আৰু স্বদেশপ্ৰেমে সেই সময়ৰ ভাৰতীয় সমাজ ব্যৱস্থাৰ কিছুমান কেৰোন বা দুৰ্বলতাবোৰ চিনাক্ত কৰিছিল। সেয়া হ'ল - সকলো জনগণে ঐক্যবদ্ধভাৱে কাম নকৰা, এটা জাতিয়ে আন এটা জাতিৰ লগত ভেদাভেদ ৰখা, নাৰীজাতিক পদদলিত কৰি ৰখা, দৰিদ্ৰ সকলক নিস্পেষিত কৰা আৰু নিম্ন জাতিৰ সাধাৰণ লোকক অবহেলা কৰা। জাতিৰ দীৰ্ঘকালৰ এই পাপ স্খলনৰ বাবে ধৰ্ম আৰু সাধনাৰ জৰিয়তে ভাৰতবৰ্ষৰ এক নতুন ৰূপ স্বামীজীয়ে কল্পনা কৰিছিল।

স্বামীজীৰ মতে ধৰ্মৰ ভিত্তি হ'ল অপৰোক্ষ অনুভূতি। আধ্যাত্মিকতাৰ তাৎপৰ্য্য হ'ল মানৱৰ মাজত অন্তৰ্নিহিত ভগৱৎসত্তাৰ ক্ৰমবিকাশ। প্ৰত্যেক মানুহৰ মাজত অন্তৰ্নিহিত হৈ আছে পৰিপূৰ্ণ ভগৱৎসত্তা আৰু তাৰ বিকাশেই হ'ল ধৰ্মৰ উদেশ্য। তেখেতৰ মতে ধৰ্মৰ মুলতত্ত্ব অধ্যাত্মবাদৰ পাদপীঠত সকলো ধৰ্ম মিলিব পাৰে। আত্মবিজ্ঞানৰ কেন্দ্ৰবিন্দুত আছে ধৰ্মৰ সাৰ্বজনীনতা বা সাৰ্বভৌমত্বৰ বীজ আত্মানুভূতি, য'ত সাম্প্ৰদায়িকতা-সঙ্কীৰ্ণতা-গোড়ামী আদিৰ কোনো স্থান নাই। এই তত্ত্বৰ ভিত্তিতেই *'য'ত মত, তত পথ'* অৰ্থাৎ সকলো ধৰ্মই সত্য। সেয়েহে স্বামীজীয়ে কৈছিল - 'বিবাদ নহয়, সহায়তা; বিনাশ নহয়, পৰস্পৰৰ ভাবগ্ৰহ, মতবিৰোধ নহয় - সমন্বয় তথা শান্তি।' স্বামীজীৰ এই নৱজাগৰণৰ প্ৰবোধনকাৰী জাতীয়তাবাদ চাৰিটা স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত, সেয়া হ'ল - (১) ভাৰতৰ অগণন জনগণ, এওঁলোকেই ভাৰতবৰ্ষৰ আশা-ভৰসা। জনগণেই জাতীয় সৌধৰ ভেটি। (২) দৈহিক তথা নৈতিক শক্তিৰ উদ্বোধন, (৩) সাধাৰণ আধ্যাত্মিক ভাবানুভূতিৰ ভিত্তিত ঐক্য আৰু (৪) প্ৰাচীন ভাৰতৰ গৌৰব আৰু মহিমা সম্বন্ধে সচেতনতা আৰু সৰ্ববোধ।

স্বামী বিবেকানন্দৰ জন্ম হৈছিল ১৮৬৩ চনৰ ১২ জানুৱাৰী ( বাংলা ১২৬৯ বঙ্গাব্দ, ২৯ পৌষ ) তাৰিখে পুহৰ সংক্ৰান্তিৰ দিনাখন উত্তৰ কলিকতাৰ সিমলা অঞ্চলত। পিতৃ বিশ্বনাথ দত্ত কলিকতা হাইকোৰ্টৰ এটৰ্নি

আৰু মাতৃ ভুবনেশ্বৰী দেৱী অতি ভক্তিপৰায়না, স্নেহশীলা মহিলা আছিল। পুত্ৰহীনা ভুবনেশ্বৰী দেৱীয়ে কাশীৰ বীৰেশ্বৰ মন্দিৰত পুত্ৰ কামনা কৰি পূজা দিছিল। এদিন ভুবনেশ্বৰী দেৱীয়ে সপোন দেখিলে যে তেওঁৰ আৰাধনাত তুষ্ট হৈ স্বয়ং মহাদেৱে পুত্ৰৰূপে তেওঁৰ গৰ্ভত থিতাপি লৈছে। সেয়েহে স্বামীজীৰ জন্মৰ পিছত তেওঁলোকে বীৰেশ্বৰ শিৱৰ নাম অনুযায়ী পুত্ৰৰ নাম প্ৰথমতে বীৰেশ্বৰ ৰাখিলে। সকলোৱে স্বামীজীক মৰমতে 'বিলে' বুলি মাতে। অন্নপ্ৰসন্নৰ সময়ত নৰেন্দ্ৰনাথ নামেৰে নামাকৰণ হয় আৰু পিছলৈ বিবেকানন্দ নামেৰে জনাজাত হয়। উচ্চশিক্ষিত পিতৃ বিশ্বনাথ দত্তৰ সাতোটা ভাষাত দখল আছিল। ইতিহাস আৰু সংগীত তেওঁৰ প্ৰিয় বিষয় আছিল। খাদ্য-পোচাক-আদবকায়দাত তেওঁ হিন্দু-মুচলিম সংস্কৃতিৰ অনুৰাগী আৰু কৰ্মক্ষেত্ৰত ইংৰাজ সকলক অনুসৰণ কৰিছিল। বিশ্বনাথ দত্তদেৱে সন্তান সকলক সদায় স্বাধীন চিন্তাৰ দ্বাৰা উদ্বুদ্ধ হবলৈ প্ৰেৰণা যোগাইছিল আৰু ধৰ্মীয় বিষয়ত বিশেষ কোনো ধৰ্মৰ কথা নকৈ বিভিন্ন ধৰ্মৰ মূল কথাবিলাক শুনাইছিল, খেলাধুলা আৰু ব্যায়াম কৰাত উৎসাহ দিছিল আৰু কবিতা আবৃত্তি-গান আদিও তেওঁ সন্তান সকলক শিকাইছিল। তদুপৰি দেশভ্ৰমণ কৰা বিশ্বনাথ দত্তৰ অন্যতম চখ আছিল। পিতৃ-মাতৃৰ এই গুণবোৰে নৰেন্দ্ৰনাথৰ জীৱনত বিশেষ প্ৰভাব পেলাইছিল। শৈশৱ কালৰ পৰাই নৰেন্দ্ৰনাথৰ অপূৰ্ব মেধাশক্তি, সত্যনিষ্ঠা, সাহসী, স্বাধীনচিন্তীয়া মনোভাব, সংগীত প্ৰিয়তা আৰু খেলাধুলাৰ প্ৰতি আকৰ্ষণ আছিল। এই সকলোবোৰৰ মাজতেই জড়িত হৈ আছিল তেওঁৰ আধ্যাত্মিক তৃষ্ণা। শৈশৱ কালত ধ্যান খেলা, ৰাম-সীতা আৰু শিৱৰ পূজা কৰা খেলা, সাধু-সন্যাসী দেখিলেই ওচৰলৈ দৌৰি যোৱা, মহাবীৰ হনুমানক বিচাৰি কলবাগানত বহি থকা -এইবোৰেই আছিল নৰেন্দ্ৰনাথৰ শৈশৱকালৰ উল্লেখযোগ্য বৈশিষ্ট। বয়স বঢ়াৰ লগে লগে স্কুলৰ বিতৰ্ক আৰু আলোচনা সভাত মধ্যমনিৰূপে, খেলাধুলাত পৰিচালক নেতা ৰূপে বিভিন্ন ওস্তাদৰ ওচৰত গান-বাজনা শিকি ৰাগপ্ৰধান আৰু ভজনত ৰীতিমতে প্ৰথম শ্ৰেণীৰ গায়ক আৰু নাটকত কুশলী অভিনেতাৰূপে স্বীকৃতি পায়। আকৌ আনফালে মহেন্দ্ৰলাল সৰকাৰৰ চায়েন্স এসোচিয়েচনত সদায় বক্তৃতা শুনিবলৈ গৈ ইতিমধ্যে এক চিন্তাশীল মনও তেওঁৰ মাজত গঢ়ি উঠিছিল।

নৰেন্দ্র নাথে যেতিয়া ১৮৭৭ চনত মেট্রোপলিটান স্কুলৰ তৃতীয় শ্ৰেণীত (বৰ্ত্তমানৰ অষ্টমশ্ৰেণী) পঢ়ি আছিল, তেতিয়া চাকৰীসূত্ৰে পিতৃ বিশ্বনাথ দত্তদেৱে সপৰিয়ালে মধ্যপ্ৰদেশৰ ৰায়পুৰলৈ যাবলগীয়া হয়। তাত পঢ়াশুনাৰ বাবে কোনো ভাল স্কুল নাছিল বাবে নৰেন্দ্ৰনাথে প্ৰায় দেড়বছৰকাল ঘৰতেই দেউতাকৰ ওচৰত পঢ়াশুনা কৰিব লাগিছিল। কলিকতালৈ ঘূৰি অহাৰ পিছত পুনৰ পুৰণা স্কুলত ভৰ্ত্তি হৈ ১৮৭৯ চনত এন্ট্ৰেন্স পৰিক্ষা দি প্ৰথম বিভাগত পাচ কৰে। ১৮৮০ চনৰ জানুৱাৰী মাহত তেখেতে কলিকতাৰ প্ৰেচিডেন্সি কলেজত ভৰ্ত্তি হয়। প্ৰথম বছৰৰ শেষত স্বামীজীয়ে বহুদিন মেলেৰীয়া ৰোগত শয্যাশায়ী হৈ থকাৰ বাবে তেওঁ ডিস্‌কলেজিয়েট হৈ পৰে। তেতিয়া জেনেৰেল এচেমব্লিজ ইনষ্টিটিউচনত (বৰ্ত্তমানৰ স্কটিশ চাৰ্চ কলেজ) ভৰ্ত্তি হৈ এবছৰ পিছত ১৮৮১ চনত এফ-এ পৰিক্ষা পাচ কৰে। দুবছৰ পিছত সেই কলেজৰ পৰাই নৰেন্দ্ৰনাথে বি.এ ডিগ্ৰী লাভ কৰে। কলেজত পঢ়ি থকা অৱস্থাত তেখেতৰ অগাধ জ্ঞান আৰু বিচাৰ শক্তিৰ পৰিচয় পাই ছাত্ৰ-শিক্ষক সকলো স্তম্ভিত হৈ পৰিছিল আৰু স্বয়ং কলেজৰ অধ্যক্ষ উইলিয়াম হেষ্টিয়ে মন্তব্য কৰিছিল - *"নৰেন্দ্ৰনাথ সচাকৈয়ে এক জিনিয়াচ। মই বহু ঠাই ঘূৰিছো, কিন্তু এওঁৰ নিচিনা বুদ্ধি আৰু বহুমুখী প্ৰতিভা কতো দেখা নাই, আনকি জাৰ্মানি বিশ্ববিদ্যালয়ৰ ছাত্ৰবোৰৰ মাজতো নাই।"* নৰেন্দ্ৰনাথৰ পঢ়াশুনাৰ বিষয়বস্তু আছিল অত্যন্ত বিস্তৃত। গিবন আৰু গ্ৰীনৰ ইতিহাসৰ গ্ৰন্থসমূহৰ পৰা আৰম্ভ কৰি জেভোন্সৰ ডিডাকটিভ লজিক, কাণ্ট - স্পেন্সাৰ- মিলৰ দৰ্শন, গডফ্ৰেৰ অ্যাষ্ট্ৰোনমি, প্ৰাচ্য আৰু পাশ্চাত্য কাব্যচৰ্চ্চাৰ লগে লগে অ্যাপ্লায়েদ ম্যাথামেটিক্স ইত্যাদি বিভিন্ন বিষয় তেওঁ গভীৰ আগ্ৰহেৰে অধ্যয়ন কৰিছিল। ছাত্ৰাৱস্থাত থাকোঁতেই তেওঁ দাৰ্শনিক হাৰ্বাট স্পেন্সাৰৰ এটি মতবাদ সমালোচনা কৰি লেখকলৈ এখন চিঠি দিছিল আৰু স্পেন্সাৰে তেওঁৰ উত্তৰত নৰেন্দ্ৰ নাথক যথেষ্ট প্ৰশংসা কৰি লিখিছিল যে গ্ৰন্থখনিৰ পৰৱৰ্ত্তী সংস্কৰণত তেওঁ এই সমালোচনা অনুযায়ী কিছুমান পৰিবৰ্ত্তন আনিব।

কৈশোৰ অতিক্ৰম কৰি যুৱক অৱস্থা পোৱাৰ লগে লগে নৰেন্দ্ৰনাথৰ মনত ক্ৰমে আধ্যাত্মিক তৃষ্ণাৰ জোৱাৰ বাঢ়িবলৈ ধৰে আৰু এই তৃষ্ণাৰ পৰিতৃপ্তিৰ বাবে বিভিন্ন ঠাইত উদ্‌গ্ৰভাৱে ঘূৰামেলা কৰিবলৈ ধৰে।

ব্ৰাহ্মসমাজ আৰু চায়েন্স এচোচিয়েচনৰ বিভিন্ন সভাত যোৱা, পাশ্চাত্য দৰ্শন তন্ন তন্নকৈ অধ্যয়ন কৰিবলৈ লোৱা আৰু ধ্যানত বহি বহু সময় সমাধি অৱস্থাত তেওঁ ব্যস্ত হৈ থাকিবলৈ ধৰিলে। সত্যৰ সন্ধানত তেওঁৰ সমগ্ৰ সত্তা অধীৰ। স্পেন্সাৰৰ অজ্ঞেয়বাদ, হিউমৰ সংশয়বাদ, মিলৰ 'থ্ৰি এসেজ অন্ ৰিলিজন' ইত্যাদিয়ে তেওঁৰ প্ৰশ্নক তীক্ষ্ণ কৰি তুলিছে আৰু ক্ৰমে হেগেলৰ বিশ্ব প্ৰজ্ঞাই আলোক দিব চেষ্টা কৰিছে। কিন্তু নৰেন্দ্ৰনাথে বিচাৰিছে প্ৰত্যক্ষ দৰ্শন। ধৰ্ম, ঈশ্বৰ, আত্মা যদি সত্যবস্তু তেনেহলে তাৰ বাস্তৱৰূপ কি! এই প্ৰশ্নই তেওঁৰ মন উদ্বেলিত কৰিছে। চঞ্চল নৰেন্দ্ৰনাথে ব্ৰাহ্ম সমাজৰ উপাসনাত যোগ দিয়ে, আচাৰ্য্যৰ উপদেশ মানি চলে কিন্তু মনৰ অশান্তি দূৰ কৰিব নোৱাৰে। এদিন ব্ৰাহ্মসমাজৰ শিৰোমনি মহৰ্ষি দেবেন্দ্ৰ নাথৰ ওচৰলৈ গৈ গভীৰ আগ্ৰহেৰে প্ৰশ্ন কৰে— *'আপুনি ভগবানক দেখিছেনে?'* বিস্মিত মহৰ্ষিয়ে যোগীৰ চিনা সুলক্ষনযুক্ত নৰেন্দ্ৰনাথক আশ্বাস দিয়ে, কিন্তু কোনো স্পষ্ট উত্তৰ দিবলৈ অপাৰগ হয়। অশান্ত নৰেন্দ্ৰনাথ পুনৰ ঘৰলৈ উভতি আহে।

এনে সময়তে ১৮৮১ চনৰ ৬ নভেম্বৰৰ দিনাখন কলিকতাৰ সুৰেন্দ্ৰ মিত্ৰৰ ঘৰৰ এটা অনুষ্ঠানত নৰেন্দ্ৰনাথে গান গোৱাৰ বাবে আমন্ত্ৰণ পায় আৰু তাতেই পোন প্ৰথমবাৰৰ বাবে ঠাকুৰ ৰামকৃষ্ণ পৰমহংসদেৱৰ সৈতে তেওঁৰ সাক্ষাত হয়। নৰেন্দ্ৰ নাথৰ সুমধুৰ কণ্ঠই ৰামকৃষ্ণদেৱক মুগ্ধ কৰে আৰু নৰেন্দ্ৰনাথক দক্ষিনেশ্বৰৰ কালিবাড়ীলৈ যাবলৈ সপ্ৰেম আহ্বান জনায়। ঠাকুৰৰ সৈতে নৰেন্দ্ৰনাথৰ দ্বিতীয় দৰ্শন হয় দক্ষিনেশ্বৰত ১৮৮২ চনৰ ১৫ জানুৱাৰীত। তাত নৰেন্দ্ৰনাথক দেখিয়েই ঠাকুৰে বুজিব পাৰিছিল যে এই যুৱক নৰঋষিৰ অৱতাৰ, মানুহৰ কল্যাণৰ হেতুকে এওঁ পৃথিবীলৈ নামি আহিছে। সেইদিনাখন ৰামকৃষ্ণদেৱে নিজহাতে তেওঁক মিঠাই খুৱাই দিয়ে। নৰেন্দ্ৰনাথে স্পষ্টভাৱে ৰামকৃষ্ণদেৱক প্ৰশ্ন কৰিলে - *'আপুনি কি ঈশ্বৰ দৰ্শন কৰিছে?' ঠাকুৰৰ পৰা উত্তৰ আহিল - 'হয়, মই তেওঁক দেখা পাওঁ।* তোমাক যেনেদৰে দেখা পাই আছো তাতোকৈ স্পষ্টভাৱে মই তেওঁক দেখা পাওঁ।' উত্তৰ শুনি নৰেন্দ্ৰনাথ স্তম্ভিত হৈ যায়। এনে ধৰণৰ প্ৰশ্ন আগতেও তেওঁ বহুতক কৰিছে, কিন্তু ঈশ্বৰ দৰ্শন পোৱা এই প্ৰথম ব্যক্তি ৰামকৃষ্ণদেৱক লগ পালে। যি প্ৰত্যক্ষ ঈশ্বৰ দৰ্শনক লৈ তেওঁ ইমানদিন যুঁজাযুঁজি কৰি আছিল,

আজি তাৰেই মুখামুখি হৈছে! অদ্ভুত চৰিত্ৰৰ শ্ৰী ৰামকৃষ্ণদেৱৰ কথা চিন্তা কৰি কৰি নৰেন্দ্ৰনাথ ঘৰলৈ ঘূৰি আহিল যদিও দক্ষিনেশ্বৰৰ আকৰ্ষণত তেওঁ ৰামকৃষ্ণদেৱৰ ওচৰলৈ মাজে মাজে গৈ থাকিল। দক্ষিনেশ্বৰত ইয়াৰ পৰৱৰ্ত্তী সাক্ষাতত ৰামকৃষ্ণদেৱে তেওঁক লৈ গ'ল সমাধিৰ ভুৱত। এনেতে এটা অভাৱনীয় ঘটনা ঘটিল। এদিনাখন ভাবৰ ৰাজ্যত ঠাকুৰে তেওঁৰ শ্ৰীপদৰে নৰেন্দ্ৰনাথৰ বুকু স্পৰ্শ কৰিছে, নৰেন্দ্ৰনাথৰ ভাবান্তৰ হৈ সকলো শক্তি স্তিমিত হৈ গৈছে আৰু ওচৰ- পাজৰৰ সকলো দৃশ্যমান বস্তু অতল গহ্বৰলৈ গুছি যোৱা যেন অনুভৱ কৰি তেওঁ আৰ্তনাদ কৰি উঠিছে। সেই সময়তে ঠাকুৰে তেওঁৰ বুকু স্পৰ্শ কৰাৰ লগে লগে নৰেন্দ্ৰনাথ স্বাভাবিক হৈ উঠিল আৰু তেওঁৰ ওচৰতে ঠাকুৰক সহাস্য বদনে থিয় হৈ থকা দেখা পালে। এই অভিজ্ঞতাই নৰেন্দ্ৰনাথৰ মনত এক বিৰাট প্ৰশ্নৰ দৰে থিয় হ'ল - যিজন ব্যক্তিয়ে স্পৰ্শমাত্ৰেই প্ৰবল দৃঢ়মনা লোকৰ ওপৰতো প্ৰভাব বিস্তাৰ কৰিব পাৰে, তেওঁৰ শক্তি নিশ্চয় অসাধাৰণ। ঈশ্বৰৰ অস্তিত্বৰ-নাস্তিত্বৰ বিষয়ে ইমান দিন নৰেন্দ্ৰনাথে যুক্তি অনুমানৰ ওপৰতেই নিৰ্ভৰ কৰি চলি আহিছিল, কিন্তু এই সহজ সৰল লিখা পঢ়া নজনা ৰামকৃষ্ণদেৱৰ প্ৰত্যক্ষ কথাবোৰে যুক্তিবাদী নৰেন্দ্ৰনাথক বিপাঙত পেলালে। অবশ্যে ঠাকুৰৰ সকলো কথা নৰেন্দ্ৰনাথে সহজে মানি লোৱা নাছিল। বাৰে বাৰে তেওঁ পৰিক্ষা কৰিছে ঠাকুৰৰ ত্যাগ, পবিত্ৰতা, আধ্যাত্মিকতা। পিছলৈ নৰেন্দ্ৰনাথে এই সিদ্ধান্তত আহিল যে ৰামকৃষ্ণদেৱ এক অলৌকিক পুৰুষ। প্ৰায় ছবছৰ কাল নৰেন্দ্ৰনাথে ঠাকুৰৰ সংস্পৰ্শত থাকি নানাৰকম আধ্যাত্মিক উপলব্ধি হয়। ব্ৰহ্মাক তেওঁ প্ৰত্যক্ষ কৰে, উপলব্ধি কৰে; ব্ৰহ্মাৰ সাকাৰ-নিৰাকাৰ তত্ত্ব আৰু জ্ঞান-ভক্তি-কৰ্মযোগৰ পথত তেওঁ নিসন্দেহ হয়। ৰামকৃষ্ণদেৱৰ অৱদানৰ কথা সুঁৱৰি স্বামীজীয়ে পৰৱৰ্ত্তী জীৱনত কৈছে - *'যদি মই জগতৰ কৰবাত সত্য আৰু ধৰ্ম সম্বন্ধে এটা কথাও কৈছোঁ, এই সকলোবোৰ মোৰ গুৰুদেৱৰ আৰু ভুলভ্ৰান্তিবোৰ মোৰ।'*

ইয়াৰ মাজতে নৰেন্দ্ৰনাথে বি, এ পাচ কৰি কিছুদিন আইনৰ পাঠ আৰম্ভ কৰে। এনে সময়তে পিতৃ বিশ্বনাথ দত্তৰ হৃদৰোগত আক্ৰান্ত হৈ ১৮৮৪ চনৰ ২৫ ফেব্ৰুৱাৰীত দেহাৱসান ঘটে। দেউতাকৰ মৃত্যুত স্বামীজীৰ জীৱনত সাময়িকভাৱে এক বিপৰ্যয়ে দেখা দিয়ে। একালে পিতৃ বিশ্বনাথে

পৰিয়ালৰ বাবে কোনো অৰ্থ সঞ্চয় কৰি যাব পৰা নাছিল আৰু আনফালে আত্মীয় স্বজন সকলে তেওঁলোকৰ ঘৰ-বাৰী দখলৰ বাবে মিচা মামলা-মোকৰ্দমা তৰিছিল। নৰেন্দ্ৰনাথে মাক আৰু ভায়েক-ভনীয়েকহঁতক লগত লৈ বায়েকৰ ঘৰত উঠিল আৰু শেষত মোকৰ্দমাত তেওঁলোকৰ জয় হ'ল। এই সময়তে আৰ্থিক অনাটনত পৰা নৰেন্দ্ৰনাথে অৰ্থ উপাৰ্জনৰ বাবে বিভিন্ন ঠাইত চাকৰিৰ চেষ্টা কৰিছিল যদিও বিফল হয়।।এই দুৰ্দিনৰ সময়ত ৰামকৃষ্ণদেৱে নৰেন্দ্ৰনাথক দক্ষিনেশ্বৰৰ কালিবাড়ীলৈ গৈ দেৱীৰ ওচৰত অৰ্থৰ বাবে প্ৰাৰ্থনা জনাব উপদেশ দিয়ে। নৰেন্দ্ৰনাথে তিনিবাৰ চেষ্টা কৰিয়ো মা কালীৰ ওচৰত টকা-পইচাৰ দৰে ক্ষুদ্ৰ বস্তুৰ বাবে প্ৰাৰ্থনা কৰিব নোৱাৰিলে, বৰঞ্চ ইয়াৰ পৰিবৰ্ত্তে তেওঁ প্ৰাৰ্থনা জনালে জ্ঞান-বিবেক-বৈৰাগ্যৰ বাবে। এইটো ১৮৮৪ চনৰ নভেম্বৰ মাহৰ এটা ৰাতিৰ ঘটনা। পাশ্চাত্য দৰ্শনত অভিজ্ঞ আৰু ব্ৰাহ্মসমাজৰ নিৰাকাৰ সগুণ ব্ৰহ্মোপাসনাত অভ্যস্ত নৰেন্দ্ৰনাথে ৰামকৃষ্ণদেৱৰ অদ্বৈত চিন্তা আৰু মূৰ্ত্তি উপাসনাক সহজে মানি নোলোৱাত ঠাকুৰে প্ৰশ্ন কৰিছিল - *'মোৰ কথা নুশুনা যদি ইয়ালৈ আহা কিয়?'* নৰেন্দ্ৰনাথৰ স্পষ্ট উত্তৰ *'আপোনাক ভাল পাওঁ কাৰণে।'* পিছলৈ ৰামকৃষ্ণদেৱৰ প্ৰভাৱত নৰেনন্দ্ৰনাথে সাকাৰ উপাসনা স্বীকাৰ কৰিলে - মা কালীক মানি ললে। জগন্মাতা ভৱতাৰিনীৰ ওচৰত জ্ঞান-ভক্তি-বিবেক বৈৰাগ্যৰ বাবে প্ৰাৰ্থনা কৰিলে, কিন্তু চৰম দুৰ্দিনৰ সময়তো সংকোচবোধৰ বাবে তেওঁ মাক-ভায়েক-ভনীয়েকৰ বাবে টকা পইছাৰ বাবে প্ৰাৰ্থনা জনাব নোৱাৰিলে। অৱশ্যে পিছলৈ ভৱতাৰিণীৰ কৃপাত নৰেন্দ্ৰনাথৰ ঘৰত ভাত-কাপোৰৰ সমস্যা নোহোৱা হ'ল। ইয়াৰ পিছতেই লাহে লাহে ৰামকৃষ্ণদেৱৰ শৰীৰ ক্ৰমে অসুস্থ হৈ পৰে আৰু ভক্তসকলে তেওঁক কাশীপুৰৰ এটা ভাড়াঘৰলৈ লৈ আহে। এই ঘৰতেই ১৮৮৬ চনৰ শেষ সপ্তাহত নৰেন্দ্ৰনাথে নিৰ্বিকল্প সমাধি লাভ কৰে। সন্যাসী জীৱনত তেওঁ যেতিয়া নিৰ্বিকল্প সমাধিত ডুবি থাকিছিল, তেতিয়া ৰামকৃষ্ণদেৱে উপদেশ দিছিল যে অকল নিজৰ মুক্তি হলেই নহ'ব, জগতৰ দুখ মোচনৰ বাবে নৰেন্দ্ৰনাথে নিজকে এজোপা বিশাল বটগছৰ দৰে তৈয়াৰ কৰিব লাগিব। ঠাকুৰে বিচাৰিছিল নৰেন্দ্ৰনাথে আধ্যাত্মিক পথত জগতৰ মুক্তিৰ বাবে লোকশিক্ষক হিচাপে কাম কৰি যোৱাৰ। ঠাকুৰে কাগজত লিখি দিছিল - 'নৰেনে শিক্ষা দিব'। সন্যাসী সংঘ প্ৰতিষ্ঠা

কৰিবৰ বাবে ঠাকুৰেই তেওঁক নিৰ্দেশ দিয়ে। বৈষ্ণৱ ধৰ্ম সম্বন্ধে আলোচনা কৰোঁতে ঠাকুৰে কৈছিল - *'জীৱলৈ দয়া নহয়, শিৱজ্ঞানে জীৱৰ সেৱা'* তেখেতৰ এই বাণীত নৰেন্দ্ৰনাথ মুগ্ধ হৈছিল আৰু ইয়াক বিশ্বৰ চৌদিশে প্ৰচাৰ কৰিবৰ বাবে সংকল্প লৈছিল। এটা সময়ত ৰামকৃষ্ণদেৱৰ গলত কেন্সাৰ ৰোগে আক্ৰমন কৰে আৰু ১৮৮৬ চনৰ ১৬ আগষ্ট তাৰিখে মহাসমাধি যোগে তেওঁ দেহত্যাগ কৰে।

ঠাকুৰৰ দেহত্যাগৰ পিছত নৰেন্দ্ৰনাথে কেইজনমান গুৰুভাইকলৈ বৰানগৰৰ এটি পুৰণি ভঙা ঘৰত প্ৰথমে ৰামকৃষ্ণ মঠ প্ৰতিষ্ঠা কৰে। ইয়াতেই তেওঁলোকে চৰম দৰিদ্ৰতাৰ মাজতো জপ, ধ্যান, ভজন আৰু পঢ়াশুনা কৰি দিন কটাইছিল। ১৮৮৭ চনত তেওঁ দহজন গুৰু ভাইৰ সৈতে বিৰজা হোম কৰি সন্যাস ললে। নৰেন্দ্ৰনাথৰ নতুন নাম হয় 'বিবিদিষানন্দ'। বৰানগৰ মঠৰ পৰা স্বামীজীয়ে ১৮৮৮ চনত পৰিব্ৰাজক হিচাপে ওলায়। প্ৰথমতে কাশী, অযোধ্যা, লক্ষ্ণৌ, আগ্ৰা, বৃন্দাবন, হৃষীকেশলৈ গৈ সেইবছৰৰ শেষৰ ফালে পুনৰ কলিকতালৈ ঘূৰি আহে। ১৮৯০ চনৰ ভ্ৰমণত তেওঁ এলাহাবাদ, গাজীপুৰ, কাশী হৈ তিনিমাহৰ মুৰত উভতি আহে। সেই বছৰৰ আগষ্ট মাহত তেওঁ ব্যাপক ভ্ৰমণৰ বাবে ওলাই যায় আৰু ভাগলপুৰ, বৈদ্যনাথ গাজীপুৰ, কাশী, অযোধ্যা, নৈনীতাল, আলমোড়া, মীৰাট, দিল্লী, ইত্যাদি হৈ ৰাজপুতনালৈ যায় আৰু তাৰ পৰা দক্ষিনভাৰত - পশ্চিম ভাৰত ইত্যাদিলৈ পৰিব্ৰাজক হিচাপে যায়। এই দীৰ্ঘ ভ্ৰমণত স্বামীজীয়ে সকলো স্তৰৰ মানুহৰ সংস্পৰ্শলৈ আহে আৰু ফলত ভাৰতীয় জনজীৱন সম্বন্ধে তেওঁৰ প্ৰত্যক্ষ অভিজ্ঞতা হয়। স্বামীজীৰ চমকপ্ৰদ ব্যক্তিত্ব আৰু বাণীত আকৰ্ষিত হৈ বহু শাস্ত্ৰজ্ঞ পণ্ডিত আৰু সমাজ সংস্কাৰক তেওঁৰ লগ লাগে। হিমালয়ৰ পৰা কন্যাকুমাৰীকা অন্তৰীপ পৰ্য্যন্ত পৰিভ্ৰমণ কৰি ভাৰতীয় লোকৰ সমাজ, চিন্তাধাৰা, সুখ দুখৰ সৈতে তেওঁৰ প্ৰত্যক্ষ পৰিচয় ঘটে। এই পৰিভ্ৰমণ কালত স্বামীজীয়ে কেতিয়াবা ৰজা-মহাৰজাৰ অতিথি, কেতিয়াবা দীন দৰিদ্ৰৰ ঘৰত আৰু কেতিয়াবা গছৰ তলত দিন কটাইছিল। হিন্দু-মুচলমান, ব্ৰাহ্মণ-চণ্ডাল, ধনী-দৰিদ্ৰ সকলোৱেই স্বামীজীৰ সান্নিধ্যত আলোকৰ সন্ধান পাইছিল। নিৰ্যাতিত, নিস্পেষিত অগণন লোকৰ উদ্ধাৰৰ বাবে স্বামীজীয়ে কন্যাকুমাৰীৰ মন্দিৰৰ অদুৰত এটি প্ৰস্তৰ খণ্ডত ধ্যানাসীন হ'ল আৰু

এদিনাখন সমস্যা জর্জৰিত ভাৰতবৰ্ষৰ পুনৰুদ্ধাৰৰ উপায়ৰ তেওঁ সন্ধান পালে। স্বামীজীয়ে জনসাধাৰণৰ আগত তুলি ধৰে শাস্ত্ৰ আৰু ধৰ্মৰ যথাৰ্থ মৰ্মবাণী আৰু দেশৰ উন্নতিৰ সঠিক পথ। তেখেতৰ চমকপ্ৰদ ব্যক্তিত্ব আৰু প্ৰতিভাৰ পৰিচয় পাই সকলোৱে মুগ্ধ হয় আৰু বহুতেই তেওঁক আসন্ন বিশ্ব ধৰ্মসভাত যোগ দিবৰ বাবে আমেৰিকালৈ যাবলৈ অনুৰোধ কৰে। স্বামীজীয়ে প্ৰথম অৱস্থাত এই বিষয়ে চিন্তা কৰা নাছিল যদিও মাদ্ৰাজৰ জনগণৰ ঐকান্তিক ইচ্ছা তথা দৈৱ নিৰ্দেশত তেওঁ আমেৰিকাৰ চিকাগোত হ'বলগীয়া বিশ্ব ধৰ্মসভাত যোগ দিবৰ বাবে মন স্থিৰ কৰে।

পৰিব্ৰাজক জীৱনত স্বামীজীয়ে বিভিন্ন ছদ্মনামৰ আড়ালত জীৱন কটাইছিল, কাৰণ এককভাৱে নিসঙ্গ জীৱন কটোৱাই তেওঁৰ একান্ত ইচ্ছা আছিল। দিল্লীত 'বিবিদিষানন্দ', ৰাজপুতনা আৰু পশ্চিমভাৰতত 'বিবেকানন্দ' আৰু দক্ষিণভাৰতত 'সচ্চিদানন্দ' নামেৰে তেওঁ পৰিচয় দিছিল। অৱশ্যে স্বামী বিবেকানন্দ নামেৰেই তেওঁ অধিকভাৱে পৰিচিত আছিল।

১৮৯৩ চনত স্বামীজীয়ে জনগণৰ চান্দাৰ ধনেৰেই বিশ্ব ধৰ্মসভাত যোগ দিবলৈ আমেৰিকালৈ যাত্ৰা কৰে আৰু ৩১মে'ত বোম্বাইৰ পৰা জাহাজেৰে যাত্ৰা আৰম্ভ কৰি ২৫ জুলাইত বন্দুৰ পায় আৰু তাৰ পৰা ট্ৰেইনেৰে উইনিপেগ হৈ ৩০ জুলাইত চিকাগোত উপস্থিত হয়। তেতিয়া ধৰ্মমহাসভালৈ প্ৰায় দেড়মাহ বাকী। চিকাগোত গৈ স্বামীজীয়ে বুজিব পাৰিলে যে যিহেতু তেওঁক ভাৰতৰ কোনো স্বীকৃত সংস্থাই প্ৰেৰণ কৰা নাই বা ধৰ্মসভাৰ কোনো বিশেষ আমন্ত্ৰণ মৰ্মে তাত উপস্থিত হোৱা নাই, গতিকে ধৰ্মসভাত প্ৰতিনিধিৰ স্থান পোৱাৰ সম্ভাৱনা অতি ক্ষীন। তদুপৰি ইতিমধ্যে প্ৰতিনিধিৰ তালিকা আগতেই প্ৰস্তুত হৈ আছে। এই কেইদিনৰ ভিতৰতে স্বামীজীয়ে তাত বহুতো অধ্যাপক আৰু পণ্ডিতৰ সংস্পৰ্শত আহে। এওঁলোকৰ ভিতৰত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰাইট অন্যতম আৰু তেখেতে স্বামীজীক আসন্ন ধৰ্মসভাত যোগদানৰ বাবে বিহিত ব্যৱস্থা কৰি দি ধৰ্মমহাসভা সমিতিৰ চেয়াৰমেন ডঃ বাৰোজলৈ এখন চিঠিত লিখে - *'আমাৰ সকলো অধ্যাপকক সন্মিলিত কৰিলে যি হ'ব, এই সন্যাসীজন তাতোকৈ বেছি পণ্ডিত।'* ১১ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা চিকাগোৰ ধৰ্মসভাত স্বামীজীয়ে ছয়টি বক্তৃতা আৰু সংলগ্ন বিজ্ঞান শাখাত চাৰিটি

বক্তৃতা প্ৰদান কৰে। উদাৰ আৰু যুক্তিবিচাৰমুলক ধৰ্মমতেৰে বক্তৃতা প্ৰদানৰ ফলত ৰাতাৰাতি স্বামীজীয়ে তাত এক বিখ্যাত জনপ্ৰিয় বক্তা হিচাপে পৰিগণিত হয়। আমেৰিকাৰ পত্ৰিকাবিলাকে তেওঁৰ উচ্চ প্ৰশংসা কৰে আৰু চিকাগোৰ জনসাধাৰণে ৰাস্তাই ৰাস্তাই স্বামীজীৰ ডাঙৰ ডাঙৰ ফটো ওলোমাই ৰাখে। ধৰ্মমহাসভা চলি থকাৰ সময়তেই স্বামীজীয়ে থাৰ্ড ইউনিটেৰিয়ান চাৰ্চৰ তৰফৰ পৰাও বক্তৃতা দিবৰ বাবে আমন্ত্ৰণ পায়।

চিকাগোৰ কলম্বাচ হ'লত অনুষ্ঠিত হোৱা ধৰ্মসভাত সাত হেজাৰ পুৰুষ মহিলা শ্ৰোতাৰ সৈতে বিভিন্ন ধৰ্মৰ প্ৰতিনিধি সকলৰ সমাবেশ হৈছিল। বৌদ্ধ, জৈন, ইহুদি, কনফিউচিয়ান, শিন্টো, ইচলাম, খৃষ্টান ইত্যাদি বিভিন্ন ধৰ্মৰ প্ৰতিনিধি সকলে নিজ নিজ ধৰ্মৰ মহিমা প্ৰচাৰৰ বাবে সমাগম হোৱা এই ধৰ্মসভাত ভাৰতৰ সনাতন হিন্দু ধৰ্মৰ অনাহুত প্ৰতিনিধি স্বামী বিবেকানন্দ যেতিয়া ইয়াত উপস্থিত থাকে তেতিয়া তেওঁৰ বয়স মাত্ৰ ৩০ বছৰ। অধিবেশনৰ সভাপতি মাৰ্কিন যুক্তৰাষ্ট্ৰৰ গিৰ্জাৰ প্ৰধান যাজক কাৰ্ডিনেল গিবন্‌সে যেতিয়া বিৰাট জনসমাগমৰ সন্মুখত স্বামীজীক ভাষণ দিবৰ বাবে আমন্ত্ৰন জনালে, তেতিয়া মুৰত পাগুৰিৰ সৈতে গেৰুৱা বস্ত্ৰ পৰিহিত তেজোময় মুখশ্ৰীৰ স্বামীজীয়ে বাক্‌দেবীক স্মৰণ কৰি গুৰু -গম্ভীৰ স্বৰত উপস্থিত জনগণক এনেদৰে সম্বোধন কৰিলে -

*'হে আমেৰিকাবাসী ভগিনি আৰু ভ্ৰাতৃবৃন্দ, আজি আপোনালোকে আমাক যি আন্তৰিক আৰু সাদৰ অভ্যৰ্থনা জনাইছে, তাৰ উত্তৰ দিবলৈ গৈ মোৰ হৃদয় অনিৰ্বচনীয় আনন্দত পৰিপূৰ্ণ হৈ পৰিছে। পৃথিবীৰ ভিতৰত সবাতোকৈ প্ৰাচীন সন্যাসী সমাজৰ হৈ মই আপোনালোকক ধন্যবাদ জনাইছোঁ। সৰ্বধৰ্মৰ যিজনা প্ৰসুতি স্বৰূপ তেওঁৰ নামতে মই আপোনালোক সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ। সকলো জাতি আৰু সম্প্ৰদায়ৰ অন্তৰ্গত কৌটি কৌটি হিন্দু নৰনাৰীৰ হৈ মই আপোনালোকক ধন্যবাদ যাচিছোঁ।'*

প্ৰথম সম্বোধনতে স্বামীজীয়ে নাৰীজাতিক সন্মান দি প্ৰথম স্থান দিয়াত আৰু সমগ্ৰ জগতখনকেই নিজৰ পৰিয়ালৰ দৰে সম্বোধন কৰাৰ লগে লগে মহাসন্মিলনত উপস্থিত শ্ৰোতা সকলৰ মাজত আনন্দৰ শিহৰণ সঞ্চাৰ হৈ সকলোৱে হাত চাপৰি বজাই স্বামীজীক বিপুলভাৱে সমৰ্থন

জনালে। সেই মুহুর্ত্তৰ পৰাই স্বামীজীৰ সাফল্যৰ সূত্ৰপাত। ইয়াত তেওঁৰ বক্তৃতাৰ বিষয়বস্তু আছিল হিন্দু সকলৰ আধ্যাত্মিক ভাবধাৰা আৰু ঐক্যতা। ভাৰতৰ ইমুৰৰ পৰা সিমুৰলৈ কৰা ভ্ৰমণকালত স্বামীজীয়ে যেনেদৰে ভাৰতীয় হিন্দু ধৰ্মক প্ৰত্যক্ষ কৰিছিল আৰু যিবোৰ ভাৰত সমগ্ৰ ভাৰতবৰ্ষৰ একতা আছে, সেইবোৰকে ইয়াত তেওঁ সুন্দৰভাৱে দাঙি ধৰিছিল। ভাৰতীয় ঋষিৰ তপস্যালব্ধ ধৰ্ম সমন্বয়ৰ শাশ্বত বাণী উল্লেখ কৰি সকলো ধৰ্মৰ গোড়ামি আৰু সাম্প্ৰদায়িকতাৰ অৱসান ঘটোৱাৰ বাবে তেওঁ আহ্বান জনায়। তেওঁৰ চমু ভাষণত ভাৰতৰ সনাতন হিন্দু ধৰ্মৰ বিশ্বজনীন বাৰ্ত্তা দুটি সংস্কৃত শ্লোকেৰে দাঙি ধৰি তাৰ ভাঙনিও কৰে -

'ৰুচীনাং বৈচিত্ৰ্যাদৃজুকুটিল নানা পথ জুষাং।
নৃণামোকো গম্যস্বমসি পয়সামৰ্ণৱ ইৱ ॥'

— অৰ্থাৎ *'বিভিন্ন নদীৰ উৎস বিভিন্ন স্থানত, কিন্তু সেইবোৰে যেনেদৰে নিজৰ জলৰাশি এক সমুদ্ৰত ঢালি মিলাই দিয়ে, তেনেদৰে হে ভগবান নিজ নিজ ৰুচিৰ বৈচিত্ৰ হেতু সৰল আৰু কুটিল নানা পথত যিবিলাক লোকে চলি আছে তেওঁলোকৰো তুমিয়েই একমাত্ৰ লক্ষ্য।'*

আকৌ গীতাৰ শ্লোক মাতি ভগবান কৃষ্ণই অৰ্জুনক কোৱা কথাৰ তেওঁ বৰ্ণনা দিছে-

'যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈৱ ভজাম্যহম্।
মম বৰ্ত্মানুবৰ্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্বশঃ।।'

অৰ্থাৎ - *"যিজনে যিভাৱ আশ্ৰয় কৰিয়ে আছে, মই তেওঁক তেনেভাৱতেই অনুগ্ৰহ কৰি থাকো। হে অৰ্জুন, মনুষ্যগণে সৰ্বোতোভাৱে মোৰ নিদৃষ্ট পথেৰেই চলি থাকে।"* ধৰ্মসভাত বিবেকানন্দৰ এই বক্তৃতা সম্বন্ধে বৰ্মা বলাই লিখিছে যে অন্যান্য বক্তাসকলেও প্ৰত্যেকে সভাত ভগবানৰ কথা কৈছে কিন্তু সেই ভগবান আছিল তেওঁলোকৰ নিজৰ সম্প্ৰদায়ৰ। অকল বিবেকানন্দই সকলোৰে ভগবানৰ কথা কৈ সকলোৰে ভগবানক বিশ্বসভাত মিলাই দিছে।

বিশ্ব ধৰ্মসভাত স্বামীজীৰ এই অভূতপূৰ্ব সাফল্যৰ পিছত আমেৰিকাৰ বিভিন্ন স্থানৰ অনুষ্ঠানৰ পৰা তেখেতে বক্তৃতা দিবৰ বাবে আমন্ত্ৰণ পায়। ১৮৯৩ চনৰ শেষ ভাগত পূৰ্ব আৰু মধ্য পশ্চিমাঞ্চলৰ বিভিন্ন চহৰত ভ্ৰমণ

দিয়াৰ পিছত ১৮৯৪ চনৰ ফেব্ৰুৱাৰীত ডেট্ৰয়েটলৈ যায়। তাৰ পৰা নিউয়ৰ্ক -চিকাগো-গ্ৰীন-একাৰ-ব্ৰুকলিন হৈ পৰবৰ্ত্তী ফেব্ৰুৱাৰী মাহত আকৌ নিউয়ৰ্কলৈ আহে। ১৮৯৫ চনৰ ১৮ জুনৰ পৰা ৬ আগষ্ট পৰ্য্যন্ত স্বামীজীয়ে বাৰজন শিষ্য-শিষ্যাক লৈ থাউজেণ্ড আইলেণ্ড পাৰ্কত শ্ৰীমতী ডাচাৰৰ ঘৰত কেইদিনমান কটাই ইউৰোপ ভ্ৰমণলৈ যায়। প্যাৰিচ আৰু লণ্ডনত কিছুদিন কটাই আকৌ নিউয়ৰ্কলৈ আহে। ইয়াৰ বিভিন্ন ঠাইত বক্তৃতা দি পুনৰ ফ্ৰান্স -চুইজাৰলেণ্ড-ইতালী-জাৰ্মানী-হলেণ্ডলৈ গৈ বেদান্ত প্ৰচাৰ আৰম্ভ কৰে। ১৬ ডিচেম্বৰত তেওঁ ভাৰতলৈ উভতি আহে।

পাশ্চাত্যত স্বামীজীৰ অভাৱনীয় সাফল্যৰ পিছত ভাৰতীয় সকলৰ মাজত আত্মবিশ্বাস আৰু আত্মমৰ্যাদাবোধ ক্ৰমাত বৃদ্ধি পাইছিল। ভাৰতীয় জনগণে তেওঁক বিপুলভাৱে সম্বৰ্ধনা জনায়। ভাৰতলৈ আহি স্বামীজীয়ে ১৮৯৭ চনৰ ১মে'ৰ দিনাখন ৰামকৃষ্ণ মিশনৰ আনুষ্ঠানিকভাৱে প্ৰতিষ্ঠা কৰে আৰু বিভিন্ন গুৰুভাইসকলৰ জৰিয়তে তেখেতে দেশ-বিদেশৰ বিভিন্ন ঠাইত সংঘৰ শাখা কেন্দ্ৰও গঢ়ি তোলে। কলিকতালৈ আহি ১৮৯৮ চনৰ ৯ ডিচেম্বৰ তাৰিখে বেলুড়ত শ্ৰীৰামকৃষ্ণ মঠ স্থাপন কৰে। পাশ্চাত্য দেশৰ পৰা উভতি অহাৰ পিছত বিবেকানন্দই এই মঠটোক সংঘৰ প্ৰধান কৰ্মকেন্দ্ৰৰূপে গঢ় দি সংঘৰ ধৰ্মধাৰাক এক সুনিদৃষ্ট পথত পৰিচালনা কৰাত গুৰুত্ব আৰোপ কৰে আৰু সন্যাসী শিষ্য সকলক ইয়াত নিজকে উৎসৰ্গ কৰিবৰ বাবে শিক্ষা দিছিল।

স্বামী বিবেকান্দই ভাৰতবৰ্ষৰ পুৰণি ঐতিহ্য, পুৰণি পৰম্পৰাৰ প্ৰতি সন্মান জনাইছে যদিও তেওঁ পৰিবৰ্ত্তনশীল জগতৰ নতুন পৰিবৰ্ত্তন সমূহকো স্বাগতম জনাইছে। বাস্তৱিকতে যি সত্য, তাৰ পক্ষই তেখেতে লৈছে। পৰিবৰ্ত্তনেই হ'ল জীৱনৰ ধৰ্ম। আহাৰ, পোচাক, জীৱন যাত্ৰা, সমাজ ব্যৱস্থা, ধৰ্মাচৰণ, সাহিত্য, শিল্প ইত্যাদি বিভিন্ন ক্ষেত্ৰত পৰিবৰ্ত্তন যেনেদৰে অৱশ্যম্ভাবী আৰু আদৰণীয় তেনেদৰে জীৱনৰ উদ্দেশ্যও অপৰিবৰ্ত্তনীয়। স্বামীজীৰ মতে জীৱনৰ এই উদ্দেশ্য হৈছে মানুহৰ মাজত যি অনন্ত সম্ভাৱনা আছে তাৰ বিকাশ সাধন। বিকাশ মানে অকল দৈহিক স্বাচ্ছন্দই নহয়, মনৰ উৎকৰ্ষ সাধনো। মনৰ সম্পদেই প্ৰকৃত সম্পদ। বুদ্ধ, খ্ৰীষ্ট নমস্য কাৰণ তেওঁলোকৰ মনৰ সম্পদ সৰ্বাধিক। এই সম্পদকেই স্বামীজীয়ে দেৱত্ব বুলি কৈছিল। এই

সম্পদৰ-বৃহত্তৰ ৰূপকেই ঈশ্বৰ বুলি কোৱা হয়। সেয়েহে চৰম বিকাশ আৰু ঈশ্বৰ লাভ একৰ্থক। তেখেতৰ মতে ধৰ্মই মনৰ এই বিকাশত সাহাৰ্য্য কৰে, সেয়েহে ধৰ্ম সাৰ্থক। ধৰ্ম মানে মতবাদ নহয়, ধৰ্ম মানে সংগ্ৰাম। যি সংগ্ৰামত দেহ-মনৰ উৎকৰ্ষ হয়, যাৰ দ্বাৰা সুপ্ত দেৱত্ব জাগ্ৰত হয়, মানুহে নিজকে আবিস্কাৰ কৰে, নিজৰ মহত্বক চিনি পায় - সেয়াই ধৰ্ম। বিজ্ঞানও এই অৰ্থত ধৰ্ম। দেহৰ বাবে বিজ্ঞান আৰু মনৰ বাবে ধৰ্ম। ধৰ্ম আৰু বিজ্ঞান একেই সত্যৰ ইপিঠি -সিপিঠি। ধৰ্মক বাদ দি বিজ্ঞান আৰু বিজ্ঞানক বাদ দি ধৰ্ম অসম্ভৱ। স্বামীজীয়ে এই দুয়োটাৰে সমন্বয় বিচাৰিছিল, কাৰণ এই সমন্বয়তেই মানৱ মুক্তি সম্ভৱ। মুক্তিৰ বাবে চাৰিবিধ যোগৰ ভিতৰত প্ৰত্যেকটো যোগকেই স্বামীজীয়ে স্বতন্ত্ৰ পথ বা সাধন পথৰূপে নিৰ্দৃষ্ট কৰিছে যদিও কৰ্মযোগক অলপ বেছি গুৰুত্ব দিছে। এই বিষয়ে তেখেতে কৈছে *"জ্ঞান, ভক্তি, যোগ, কৰ্ম—এই চাৰিটা ৰাস্তাৰ যোগেৰে মুক্তি লাভ হয়। যি যি পথৰ উপযুক্ত, তেওঁ সেই পথেৰেই যাব লাগিব। কিন্তু বৰ্তমান কালত কৰ্মযোগৰ ওপৰত অলপ বেছি গুৰুত্ব দিব লাগিব।"* স্বামীজীৰ মতে জীৱসেৱাতকৈ কোনো মহত্তৰ ধৰ্ম নাই। অৱশ্যে সাধন ভজন নকৰিলে কৰ্মযোগ নহয়। এই বিষয়ে তেখেতে কৈছে—

"Jiva seva can give mukti not directly but indirectly through purification of mind. But if you wish to do a thing properly, you must, for the time being, think that- that is all sufficient"

প্ৰত্যেক জাতিৰেই এটা নিজস্ব ভাবধাৰা থাকে যিয়ে জাতিটোক সামগ্ৰিকভাৱে প্ৰতিফলন কৰে। ভাৰতবৰ্ষৰ প্ৰাণধাৰা আধ্যাত্মিকতা, যিটো দীৰ্ঘকালৰ অযত্ন অৱহেলাৰ ফলত লোকচক্ষুৰ অন্তৰালত লুকাই গৈছে। স্বামীজীৰ মতে প্ৰকৃত ধৰ্মপথৰ অনুসৰণৰ দ্বাৰাহে ভাৰতৰ কল্যাণ আৰু উন্নতিৰ একমাত্ৰ উপায়। নানা ঐতিহাসিক কাৰণত ঋষি আবিস্কৃত তত্ত্ব মুষ্টিমেয় কিছুমান লোকৰ মাজত সীমাবদ্ধ হৈ আছিল, যিটো স্বামীজীয়ে জাতি-ধৰ্ম-নিৰ্বিশেষে সকলোৰে মাজত বিলাই দিবলৈ চেষ্টা কৰিছিল। ঋষি প্ৰদৰ্শিত পথত জাতিক পৰিচালনা কৰিবলৈ হ'লে সৰ্বপ্ৰথমে দৰিদ্ৰ আৰু নিপীড়িত ভাৰতবাসীক খোৱা বোৱাৰ অভাৱৰ পৰা দূৰ কৰিব লাগিব, প্ৰয়োজনীয় ঐহিক সুখ-স্বাচ্ছন্দৰ বাবে পাশ্চাত্যৰ বিজ্ঞান আৰু কাৰিকৰী বিদ্যা প্ৰয়োগ কৰিব লাগিব আৰু প্ৰয়োজন অনুসৰি বিদেশী বিশেষজ্ঞৰ

সহায়ো লব লাগিব। সেয়েহে স্বামীজীয়ে ভাৰতবৰ্ষৰ যুৱক-যুৱতী সকলক এই মহাযজ্ঞ সাধনৰ বাবে আহ্বান জনাইছিল। সকলো প্ৰকাৰৰ দুৰ্বলতা ত্যাগ কৰি তেওঁ যুৱক-যুৱতী সকলক মাতৃভূমিক আৰাধ্য দেৱী হিচাপে জ্ঞান কৰি দেশবাসীক মুক্ত কৰাত ব্ৰতী হ'বলৈ পৰামৰ্শ দিছিল। স্বামীজীয়ে কৈছিল অইনৰ কল্যাণ কৰা কাৰ্য্যত নিস্বাৰ্থভাৱে ব্ৰতী হলে নিজৰেই অশেষ কল্যাণ হয়। অৰ্থাৎ *'জীৱে প্ৰেম কৰে যিজন, সেইজন সেৱিছে ঈশ্বৰ'।* সংসাৰত্যাগী সন্যাসী হলেও স্বামীজীৰ দেশপ্ৰেম অতুলনীয়। তেখেতৰ দেশপ্ৰেম অকল মনৰ ভাবাবেগ নাছিল। ১৯০১ চনত ঢাকাত কিছুমান যুৱকে তেওঁৰ উপদেশ লব যাওঁতে দেশৰ স্বাধীনতা অৰ্জনৰ হ'কে তেওঁ কৈছিল—

"অহা পঞ্চাশ বছৰলৈ আমাৰ ভাৰতমাতাই আমাৰ আৰাধ্য দেৱতা হওঁক, অন্যান্য দেৱতাবোৰক এই কেইবছৰ পাহৰি থাকিলেও কোনো ক্ষতি নহয়। অন্যান্য দেৱতাবোৰ এই সময়ত শুই আছে; তোমালোকৰ স্বজাতি এই দেৱতাই ,একমাত্ৰ জাগ্ৰত।"

স্বামীজীয়ে সেইসময়ত স্বদেশ চেতনাক ধৰ্মীয় চৰ্চ্চাৰ উৰ্ধত স্থান দিছিল। ৰাজনৈতিক ক্ষেত্ৰত বিবেকানন্দই সক্ৰিয়ভাৱে অংশগ্ৰহণ নকৰিলেও সমকালিন ৰাজনৈতিক নেতাবোৰতকৈ তেখেতৰ দৃষ্টি সুদুৰ প্ৰসাৰী আছিল। ভাৰতৰ জাতীয় কংগ্ৰেছৰ আবেদন নিবেদনৰ নীতিক তিৰস্কাৰ কৰি স্বামীজীয়ে ঘোষণা কৰিছিল - *'ভিক্ষাৰ দ্বাৰা দেশৰ স্বাধীনতা অৰ্জন কৰা নাযায়, আমাৰ নিজৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব।'* তদুপৰি সেইসময়ত শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৰ প্ৰতিনিধিৰে গঠিত কংগ্ৰেছক সমালোচনা কৰি কৈছিল যে ভাৰতৰ অনুন্নত শ্ৰেণী, দৰিদ্ৰ, কৃষক, শ্ৰমজীৱি - অৰ্থাৎ সমগ্ৰ জনশক্তিৰ সমন্বয়ৰ অবিহনে ভাৰতৰ স্বাধীনতা কেতিয়াও সম্ভৱ নহয়। বিবেকানন্দই ৰাজনীতিৰ পৰা দুৰত আছিল যদিও তেওঁ কৈছিল - পৰাধীনতাৰ পৰা মুক্তি পোৱাৰ দৰকাৰ, সমাজত সাম্য অনা দৰকাৰ, জনসাধাৰণক দৰিদ্ৰতাৰ পৰা উদ্ধাৰ কৰা দৰকাৰ। তেওঁ কৈছিল - *"বাচি থাকিবলৈ হলে জাতীয় জীৱনত উন্নতি আৰু প্ৰতিষ্ঠা লভিবলৈ হ'লে সৰ্বপ্ৰথম প্ৰয়োজন চিন্তা আৰু কৰ্মত স্বাধীনতা। য'ত এই স্বাধীনতা নাই তাত ব্যক্তি, গোষ্ঠী, বা জাতিৰ ধ্বংস অনিবাৰ্য্য।"*

স্বামীজীয়ে বেদান্ত ধৰ্মৰ যি মানৱতাসম্মত ব্যাখ্যা অন্তৰত উপলব্ধি

কৰিছিল তাৰেই তেওঁ মূলমন্ত্ৰ হিচাপে যে ভাৰতৰ ৰাজনৈতিক চিন্তাক অধ্যাত্ম সাধনাত পৰিণত কৰিবলৈ ব্ৰতী হৈছিল। তেওঁ অনুভৱ কৰিছিল যে জাতীয় ঐতিহ্যক অৱলম্বন নকৰিলে সচা অৰ্থত জাতীয়তাবোধ জাগি নুঠে, আৰু উদ্বেলিত হৈ নুঠিলে মানুহৰ চিত্ত সচেতন নহয়। জাতীয় জীৱনৰ সকলো ক্ষেত্ৰতে ইউৰোপীয় জড়বাদৰ পৰিবৰ্তে ভাৰতীয় অধ্যাত্মবাদ প্ৰতিষ্ঠা কৰিবৰ বাবে তেওঁ যত্নপৰ হৈছিল। ভাৰতৰ জাতীয়তাবোধক আধ্যাত্মসাধনাৰ পৰ্য্যায়লৈ উন্নীত কৰি বহুমুখী আৰু ব্যাপক জাতীয় আন্দোলন গঢ়ি তুলিবৰ বাবে তেওঁ ভাৰতবাসীক পথ দেখুৱাইছিল। বিৰাট মহামায়াৰ ছায়াস্বৰূপ ভাৰতৰ সমাজ দেহত নীচ বুলি অপমানিত, দৰিদ্ৰতাপে পীড়িত, মূৰ্খ বুলি নিন্দিত হোৱা সকলো ভাৰতবাসীক মৰ্যাদা প্ৰদান কৰি তেওঁলোকক উন্নত নকৰিলে যে ভাৰতৰ উন্নতি সম্ভৱ নহয় সেই বিষয়ে তেওঁ সমগ্ৰ ভাৰতবাসীলৈ সতৰ্ক বাণী শুনাইছিল। সেয়েহে তেওঁ সেৱা ধৰ্মৰ আদৰ্শত ৰামকৃষ্ণ মিচন গঠন কৰে। বৈদান্তিক স্বামী বিবেকানন্দৰ দৃষ্টিত প্ৰতিটো মানুহৰ মাজতেই নিহিত হৈ আছে পূৰ্ণতা। মানুহ মাত্ৰেই পূৰ্ণতাৰ প্ৰতীক, অমৃতৰ অধিকাৰী। সমাজ জীৱনত কোনো বিশেষ অধিকাৰৰ দাবীক স্বীকাৰ কৰোঁতে মানুহৰ মাজত মানি লোৱা মৌলিক ভেদাভেদক তেওঁ নাকচ কৰিছিল। স্বামীজীৰ এই সাম্যবাদ অদ্বৈতবাদৰ গভীৰতম আৰু মহত্তম অনুভূতিৰ ওপৰত প্ৰতিষ্ঠিত।

স্বামীজীয়ে স্বদেশ আৰু স্বজাতিৰ প্ৰতি জাতীয়তাবোধ বা নিবিড় অনুভূতি প্ৰকাশ কৰিলেও কেতিয়াও মানৱতাৰ বিশ্বজনীন মঙ্গলাদৰ্শৰ পৰিপন্থী নাছিল। অদ্বৈততত্ত্ব ভিত্তিক তেওঁৰ স্বদেশ প্ৰেম বিশ্বপ্ৰেমৰেই পৰিপূৰক। অধ্যাত্মসাধনাৰ ভিত্তিত তেওঁ জাতীয়তা আৰু আন্তৰ্জাতিকতাৰ সমন্বয়ৰ বাহক আছিল। স্বামীজীয়ে জনগণক আহ্বান জনাইছিল -*"Instead of antagonizing, therefore, we must help all such interchange of ideas between different races by sending teachers to each other, so as to educate humanity in all the various religions of the world; but we must insist, — not to abuse others, nor to try to make living out of others faults; but to help, to sympathize with and to enlighten all."*

জনগণৰ জাগৰণৰ লগে লগে তেওঁ বিশেষভাৱে ভাৰতৰ নাৰীজাতিৰ উন্নতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। তেওঁ

কৈছিল - *'নাৰী সকলক পূজা কৰিয়েই সকলো জাতি ডাঙৰ হৈছে। যি দেশত, যি জাতিত নাৰীসকলৰ পূজা নাই - সেই দেশ, সেই জাতি কেতিয়াও ডাঙৰ হব নোৱাৰে আৰু কেতিয়াও নোৱাৰিবও।"* দুয়োখন পাখি সক্ৰিয় নহলে যেনেদৰে চৰাইয়ে উৰি যাব নোৱাৰে, তেনেদৰে সমাজ পক্ষীটোৰ এফালে পুৰুষক সবল, বীৰ্য্যবান কৰি আৰু আনফালে নাৰীক দুৰ্বল হ'বলৈ দিলে সমাজে প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব নোৱাৰে। নাৰীজাতিৰ পূজা বুলি কওঁতে তেওঁ জাতীয় জীৱনত নাৰীসকলক যথাৰ্থ অধিকাৰ আৰু মৰ্যাদা প্ৰদানৰ কথাকেই বুজাইছে। তেখেতে প্ৰাচ্য আৰু পাশ্চাত্যৰ নাৰীসকলৰ অৱস্থা তুলনা কৰি এই দুই অঞ্চলৰ সমাজ ব্যৱস্থাৰ নিৰ্ভিক সমালোচনা কৰি ইয়াৰ ত্ৰুটি, অন্যায় আদি সমাজৰ আগত দাঙি ধৰিছে। নাৰী জাগৃতি সম্বন্ধে স্বামীজীয়ে কৈছে - *"নাৰীসকলৰ সম্বন্ধে আমাৰ হস্তক্ষেপ কৰিবৰ অধিকাৰ অকল তেওঁলোকক শিক্ষা দিয়া পৰ্য্যন্ত; ------ নাৰীসকলক এনে যোগ্যতা অৰ্জন কৰাব লাগিব, যাতে তেওঁলোকে নিজৰ সমস্যাবোৰ নিজে নিজে সমাধান কৰি ল'ব পাৰে। ------ নাৰী সকলক শিক্ষাদান কৰি এৰি দিয়া; তেতিয়া তেওঁলোকে নিজে নিজে প্ৰয়োজনীয় সংস্কাৰৰ কথা ক'ব।"* স্বামীজীয়ে কল্পনা কৰিছিল - পশ্চিমৰ বিজ্ঞান আৰু প্ৰাচ্যৰ ধ্যান, পাশ্চাত্যৰ কৰ্মশক্তি আৰু প্ৰাচ্যৰ ধৰ্মবোধ - এই দুয়োটাৰ এটা সুস্থসমন্বয়। তেখেতৰ মতে মানুহ গঢ়াৰ প্ৰথম ভিত্তি নাৰীজাতিৰ হাততেই। সেয়েহে তেওঁ প্ৰাচ্যৰ নাৰীক পাশ্চাত্যৰ সদগুণবোৰ গ্ৰহণ কৰিবৰ বাবে আৰু পাশ্চাত্যৰ নাৰীক প্ৰাচ্যৰ ভাব, ধাৰণা আৰু আদৰ্শক অনুধাৱন কৰিবলৈ উপদেশ দিছিল।

১৮৯৯ চনৰ ২০ জুন তাৰিখে স্বামীজীয়ে দ্বিতীয়বাৰৰ বাবে পাশ্চাত্য ভ্ৰমণলৈ যায়। ইংলেণ্ড, আমেৰিকা, ফ্ৰান্স ভিয়েনা কনষ্টান্টিনোপল, এথেন্স আৰু মিচৰৰ বিভিন্ন ঠাইলৈ গৈ তেওঁ ভাষণ দিয়ে। স্বামীজীৰ এইবাৰ বিদেশ ভ্ৰমণৰ মূল উদ্দেশ্য আছিল বিদেশত তেওঁৰ দ্বাৰা প্ৰচাৰিত কাম কাজ সমূহ কেনেদৰে চলি আছে তাক প্ৰত্যক্ষ কৰা। এই ভ্ৰমণত তেওঁ ১০ টাতকৈও বেছি বক্তৃতা দিছিল। ৯ ডিচেম্বৰ তাৰিখে তেওঁ পুনৰ বেলুড়লৈ উভতি আহে। এই বিদেশ ভ্ৰমণৰ সময়চোৱাত বহুতো লোক তেওঁৰ প্ৰতি আকৰ্ষিত হৈ শিষ্যত্ব গ্ৰহণ কৰিছিল। এওঁলোকৰ ভিতৰত লণ্ডনত দেখা হোৱা বিদুষী আইৰিশ মহিলা কুমাৰী মাৰ্গাৰেট এলিজাবেথ নোবেল অন্যতম। মিচ্

মাৰ্গাৰেটৰ মাজত এক শক্তিময়ী নাৰীক প্ৰত্যক্ষ কৰি বিবেকানন্দই তেওঁক শিষ্যাৰূপে গ্ৰহণ কৰি নিৰ্মাল্য হিচাপে নিবেদন কৰিছিল ভাৰতমাতাৰ বেদীত। কুমাৰী মাৰ্গাৰেটৰ নতুন ভাৰতীয় নাম হ'ল ভাৰত দুহিতা নিবেদিতা। নিবেদিতাৰ শিক্ষা, আন্তৰিকতা, বিপুল মানৱপ্ৰেম আৰু সংকল্পৰ দৃঢ়তা দেখি বিবেকানন্দই কৈছিল - 'Nivedita is the fairest flower of my work in England'। বিবেকান্দৰ ব্যক্তিত্ব আৰু চৰিত্ৰৰ প্ৰতি কেনেদৰে প্ৰভাৱিত হৈছিল, সেই বিষয়ে ভগিনি নিবেদিতাই কৈছে "এখেত যে বীৰোচিত উপাদানৰে গঠিত আছিল, তাক মই প্ৰথম দৰ্শনতে বুজিব পাৰিছিলো আৰু তেওঁৰ স্বজাতি প্ৰেমৰ ওছৰত সম্পূৰ্ণ ভাৱে আনুগত্য স্বীকাৰ কৰিবলৈ ইচ্ছুক হৈছিলো। কিন্তু এই যে মোৰ আনুগত্য স্বীকাৰ, এইটো তেওঁৰ চৰিত্ৰৰ প্ৰতিয়েই। আচাৰ্য্যদেৱৰ চৰিত্ৰ-মাহাত্ম্যত অতীব মুগ্ধ হৈ মই তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিলো।" বিবেকানন্দতকৈ বয়সত মাত্ৰ চাৰিবছৰ নমাহ সৰু অতীব সুন্দৰী আৰু বহু গুণৰ অধিকাৰী এই মানৱপ্ৰেমিক সন্যাসীনি গৰাকীয়ে পৰবৰ্ত্তীকালৰ ভাৰতবৰ্ষৰ ইতিহাস, ৰাজনীতি, শিক্ষা, সমাজ, সংস্কৃতিৰ প্ৰতি আগবঢ়োৱা অৱদান অনস্বীকাৰ্য্য।

দ্বিতীয়বাৰ বিদেশ ভ্ৰমণ কৰি কলিকতালৈ ঘূৰি অহাৰ পিছত স্বামীজীয়ে ১৯০১ চনৰ জানুৱাৰী মাহত ঢাকা, চন্দ্ৰনাথ, কামাখ্যালৈ যায় আৰু পিছৰ বছৰত বুদ্ধগয়া, কাশীলৈ গৈ পুনৰ উভতি আহে। জীৱনৰ শেষৰ দুটা বছৰ স্বামীজীয়ে সংঘৰ কাম কাজ ক্ৰমে গুৰুভাই সকলৰ হাতত তুলি দি নিজেকে কেৱল দৰ্শনাৰ্থী সকলৰ সৈতে নানা উদ্দীপনাময় কথা কৈ ভিতৰি মহাসমাধিৰ বাবে প্ৰস্তুত হৈছিল। গুৰুভাই সকলে কিবা কামত তেওঁৰ পৰামৰ্শ বিচাৰিলে তেওঁলোকক আত্মনিৰ্ভৰশীল কৰি তুলিবৰ বাবে নিজৰ বুদ্ধিমতে চলিবলৈ পৰামৰ্শ দিছিল। ১৯০২ চনৰ ৪ জুলাই শুক্ৰবাৰ দিনাখন ৰাতি ৯ বাজি ১০ মিনিটত স্বামীজীয়ে বেলুড়মঠৰ নিজৰ কোঠাত মহাসমাধি লাভ কৰি দেহত্যাগ কৰে। সেই সময়ত স্বামীজীৰ বয়স আছিল মাত্ৰ ৩৯ বছৰ ৫ মাহ ২৪ দিন। এই কম সময়ৰ ভিতৰতে স্বামীজীয়ে ভাৰতবৰ্ষকে আদি কৰি সমগ্ৰ জগতক ধৰ্ম-দৰ্শনকে আদি কৰি বিভিন্ন দিশত যি আলোকপাত কৰি গল, সেইবোৰ এতিয়াও বহুতৰ বাবে গৱেষণাৰ বিষয় হৈ আছে।

❖❖❖

## সহায়ক গ্ৰন্থপঞ্জীৰ তালিকা

১। স্বামী বিবেকানন্দ স্মৃতি ঃ সম্পাদনা— অসিত কুমাৰ বন্দোপাধ্যায়, কল্পনা সাহিত্য মন্দিৰ, কলিকতা - ৭০০০০৯

২। স্বামী বিবেকানন্দৰ বাণী ও ৰচনা (প্ৰথম খণ্ড) ঃ উদ্বোধন কাৰ্য্যালয়, বেলুড়মঠ, কলিকতা।

৩। চিন্তানায়ক বিবেকানন্দ ঃ ৰামকৃষ্ণ মিশন ইনষ্টিটিউট এণ্ড কালচাৰ, গোলপাৰ্ক, কলিকতা।

৪। যুগনায়ক বিবেকানন্দ (প্ৰথম, দ্বিতীয়, তৃতীয় খণ্ড)

৫। A Comprehensive history of Swami Vivekananda.
______ S. N. Dhar

❀❀❀

*"প্ৰকৃতিয়ে হ'ল বিজ্ঞানৰ অনুপ্ৰেৰণা। বিজ্ঞানী সকলো প্ৰকৃতিৰ ছাত্ৰ। প্ৰকৃতিক বুজিবলৈ মানুহৰ বৌদ্ধিক ক্ষমতা আৰু সৌন্দৰ্য্যবোধৰ সুষম সংযোজনৰ প্ৰয়োজন। ইয়াতেই বিজ্ঞানে থিতাপি লয়। বিজ্ঞান অতি উচ্চ পৰ্য্যায়ৰ কলা"*

*—— চাৰ চি. ভি. ৰামণ।*

# বিজ্ঞানী পণ্ডিত চি. ভি. ৰামণ

বৈজ্ঞানিক অনুসন্ধানকেই সুন্দৰৰ আৰাধনা বুলি গণ্য কৰা পদাৰ্থ বিজ্ঞানৰ প্ৰবাদ পুৰুষ চাৰ চন্দ্ৰশেখৰ ৱেংকটৰামণ বিজ্ঞান বিষয়ত এচিয়াৰ ভিতৰত প্ৰথমজন নবেল বঁটা বিজয়ী বিজ্ঞানী। জীৱিত কালতেই ন'বেল বঁটা লাভ কৰাটো এজন বিজ্ঞানীৰ বাবে এক মহৎ কৃতিত্বৰ চানেকী। বিজ্ঞানৰ নতুন দিশ, তথ্য, তত্ত্ব উদ্ভাৱন কৰি জ্ঞানৰ নতুন সম্ভেদ দিব পৰা কৃতি বিজ্ঞানীজনহে এই বঁটাৰ বাবে বিবেচিত হয়। ভাৰতীয় গৱেষণাগাৰত গৱেষণা কৰি পদাৰ্থ বিজ্ঞানত ন'বেল বঁটা লাভৰ যোগেৰে ৰামণে বিশ্বৰ বিজ্ঞানৰ দৰবাৰত ভাৰতলৈ এক বিশেষ সন্মান কঢ়িয়াই আনে। আলোক বিজ্ঞানত ৰামণৰ অৱদান যুগমীয়া হৈ আছে তেওঁৰ নিজৰ নামেৰে জিলিকাই ৰখা 'ৰামণ প্ৰভাৱ' (Raman Effect) ৰ যোগেদি, যাৰ বাবে ১৯৩০ চনত তেওঁলৈ 'ন'বেল বঁটা' আগবঢ়োৱা হয়। এই বঁটা লাভ কৰাৰ পিছত ৰামণে কৈছিল—— *"মান-সন্মান, প্ৰশংসা, পুৰস্কাৰ আদি প্ৰকৃত বিজ্ঞানব্ৰতীৰ বাবে জীৱনৰ ঘটনাপ্ৰবাহ মাত্ৰ আৰু তেওঁ সেইবোৰ অনায়াসে অতিক্ৰম কৰি যায়।"* এই উক্তিটোৰ মাজেদি এই বিশ্ববিখ্যাত বিজ্ঞানীজনৰ উদাৰ ব্যক্তিত্ব, এক বিজ্ঞানব্ৰতী মন আৰু বিজ্ঞানসেৱাৰ প্ৰতি থকা দৃষ্টিভঙ্গীৰ উমান পাব পাৰি।

চাৰ চি. ভি. ৰামণৰ বিষয়ে তেখেতৰ সতীৰ্থ বিজ্ঞানী আশুতোষ দে দেৱে এনেদৰে কৈছে— *"ৰামণ চাহাব আছিল এক ধৰণৰ 'পাগল', যাক বোলে জ্ঞান পাগল। ধমুলিৰ ৰঙ, আকাশৰ নীলিমা আৰু সাগৰৰ নীলিম সলিল ৰাশিয়ে তেওঁৰ মন আকৰ্ষণ কৰিছিল। জ্ঞানৰ প্ৰায় সকলো কেইটি শাখাতে বিচৰণ কৰিছিল তেওঁ। সঙ্গীত ৰসিক, কবি, ধৰ্মপ্ৰাণ হৈও তেওঁ কুসংস্কাৰৰ চাবিবেৰ দেও দি এজন প্ৰকৃত বিজ্ঞানী বুলি স্বীকৃত হ'ল।"*

১৯৩০ চনত লণ্ডনৰ ৰয়েল চচাইটিয়ে প্ৰফেচৰ ৰামণক বিখ্যাত হিউজেচ মেডেল প্ৰদান কৰে। সেই উপলক্ষে হোৱা সভাত বিখ্যাত ইংৰাজ বিজ্ঞানী লৰ্ড ৰাডাৰফ'ৰ্ডে ৰামণৰ গৱেষণাৰ স্বীকৃতি দি এনেদৰে কৈছিল— "Sir Venkata Raman is one of the leading authorities in optics, in particular on the phenomena of the scattering light. "

ৰামণ প্ৰভাৱৰ আৱিস্কাৰৰ আগলৈকে দৃশ্যমান পোহৰৰ বিচ্ছুৰণৰ ক্ষেত্ৰত ইতিমধ্যে দুটা পৰিঘটনা —(১) ৰে'লে'ৰ বিচ্ছুৰণ আৰু (২) প্ৰতিপ্ৰভা সাব্যস্ত হৈছিল। যি বিচ্ছুৰণত আপাতিত কিৰণ আৰু বিচ্ছুৰিত কিৰণৰ তৰঙ্গ দৈৰ্ঘ্য একেই থাকে তাকেই ৰে'লে'ৰ বিচ্ছুৰণ বোলে। অৰ্থাৎ ৰে'লে'ৰ বিচ্ছুৰণত কোনো মাধ্যমত যদি ৰঙা ৰশ্মিৰ বিচ্ছুৰণ ঘটে, তেতিয়াহ'লে বিচ্ছুৰিত ৰশ্মিৰ ৰঙও ৰঙাহে হ'ব, আন ৰঙৰ নহয়। আকৌ আনহাতে কেতবোৰ পদাৰ্থত পোহৰ আপাতিত হ'লে প্ৰতিপ্ৰভাৰ সৃষ্টি হয়। প্ৰতিপ্ৰভা কিৰণৰ তৰঙ্গ দৈৰ্ঘ্য আপাতিত কিৰণৰ তৰঙ্গ দৈৰ্ঘ্যতকৈ চুটি। দৃশ্য বৰ্ণালীত (VIBGYOR) ৰঙা ৰঙৰ তৰঙ্গ দৈৰ্ঘ্য সবাতোকৈ দীঘল আৰু বেঙুনীয়া ৰঙৰ সবাতোকৈ কম। গতিকে ৰঙা ৰঙৰ দ্বাৰা কোনো পদাৰ্থত প্ৰতিপ্ৰভাৰ সৃষ্টি হ'লে, প্ৰতিপ্ৰভা ৰশ্মিৰ বৰণ ৰভা ৰঙতকৈ চুটি তৰঙ্গ দৈৰ্ঘ্যৰ, অৰ্থাৎ কমলাৰ পৰা বেঙুনীয়ালৈ যিকোনো ৰঙৰ ৰশ্মি হ'ব পাৰে।

আনহাতে অধ্যাপক ৰামণে ১৯২২ চনৰ পৰা তেখেতৰ সহকৰ্মী কে. এচ. কৃষ্ণনৰ সৈতে পোহৰৰ বিচ্ছুৰণৰ ওপৰত এক নিৰবচ্ছিন্ন গৱেষণা চলাই প্ৰমাণ পালে যে, কোনো স্বচ্ছ মাধ্যমৰ মাজেদি দৃশ্যমান কিৰণ অগ্ৰসৰ হ'লে আপাতিত কিৰণটোৰ বিচ্ছুৰণ হয় আৰু বিচ্ছুৰিত কিৰণটোৰ তৰঙ্গদৈৰ্ঘ্য আপাতিত কিৰণতকৈ বেলেগ হয়। অৰ্থাৎ যদি আপাতিত কিৰণটো সেউজীয়া ৰঙৰ হয়, তেতিয়াহ'লে বিচ্ছুৰিত কিৰণটো ৰঙাও হ'ব পাৰে অথবা নীলাও হ'ব পাৰে। ৰামণৰ ধাৰণামতে পদাৰ্থ মাধ্যমৰ অনুবোৰৰ শক্তি অবস্থা সাপেক্ষ, বিচ্ছুৰিত কিৰণৰ তৰঙ্গৰ কম্পনাংক হ্ৰাস বা বৃদ্ধি হ'ব পাৰে। বিচ্ছুৰিত কিৰণৰ তৰঙ্গদৈৰ্ঘ্যৰ এই দ্বিমুখী পৰিবৰ্ত্তনটোৱে হ'ল ৰামণৰ দ্বাৰা আৱিষ্কৃত নতুন পৰিঘটনা। পোহৰৰ বিচ্ছুৰণৰ এই নতুন পৰিঘটনা ১৯২৮ চনৰ ৮ মাৰ্চত 'পোহৰৰ অপৰৰ্ত্তন' নামে নিবন্ধ আকাৰে লণ্ডনৰ 'নেচাৰ' নামৰ প্ৰখ্যাত আলোচনীখনত ৰামণ আৰু কৃষ্ণনৰ নামত প্ৰকাশ পায়। এই নিবন্ধটো সম্বন্ধে

সেই সময়ৰ আমেৰিকাৰ বিখ্যাত পদাৰ্থ বিজ্ঞানী প্ৰফেচৰ আৰ. ডব্লিউ. উড এ 'নেচাৰ' ৰ সম্পাদকলৈ এনেদৰে মতামত আগবঢ়াইছিল--

"অতি তীব্ৰ একবৰ্ণী কিৰণৰ দ্বাৰা উদ্ভাষিত স্বচ্ছ পদাৰ্থৰ ক্ষেত্ৰত বিচ্ছুৰিত কিৰণৰ তৰঙ্গৰ পৰিবৰ্ত্তন সম্বন্ধীয় প্ৰফেচৰ ৰামণৰ অতি চমৎকাৰ আৰু আশ্চৰ্য্যজনক আবিষ্কাৰ উন্নত সা-সঁজুলিৰে পৰীক্ষা কৰি সাব্যস্ত কৰা হ'ল। মই ভাবোঁ যে ৰামণে বহুকাল ব্যাপি ধৈৰ্য্য সহকাৰে পোহৰৰ বিচ্ছুৰণ সম্বন্ধে চলোৱা গৱেষণাৰ ফলশ্ৰুতি --- এই ৰমণীয় আবিষ্কাৰ হ'ল এতিয়ালৈকে পোৱা পোহৰৰ কোৱাণ্টাম তত্ব সম্বন্ধীয় প্ৰমাণ সমূহৰ ভিতৰত অন্যতম অকাট্য প্ৰমাণ।"

১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰীৰ ৰাতিপুৱা ৰামণে বৰ্ণালী বীক্ষণৰ সহায়েৰে বিচ্ছুৰিত পোহৰ লক্ষ্য কৰি আপাতিত নীলা ৰঙৰ সলনি নীলা আৰু সেউজীয়া অঞ্চলত দুটা ৰেখা দেখিবলৈ পালে। ২৯ ফেব্ৰুৱাৰীৰ দিনাখন এই আবিষ্কাৰ ঘোষণা কৰা হ'ল। এয়াই বিজ্ঞানী সমাজত "ৰামণ প্ৰভাৱ" (Raman Effect) নামেৰে পৰিচয় পালে। এই আবিষ্কাৰৰ বাবে ১৯৩০ চনৰ ১১ ডিচেম্বৰৰ দিনাখন ষ্টকহ'মত ন'বেল বঁটা প্ৰদান কৰা অনুষ্ঠানত ৰামণে উল্লেখ কৰিছিল যে ১৯২১ চনত তেখেতৰ প্ৰথম ইউৰোপ ভ্ৰমণৰ সময়ত ভূমধ্য সাগৰৰ পানীৰ চমৎকাৰ নীলা ৰঙে তেখেতৰ অনুসন্ধিৎসু মনক এই নীলা ৰঙৰ কাৰণ জানিবলৈ উদ্বাউল কৰি তুলিছিল। সেই সময়লৈকে লৰ্ড ৰে'লে'ৰ ব্যাখ্যা, অৰ্থাৎ -- 'আকাশৰ নীলা ৰঙৰ প্ৰতিফলনৰ ফলতেই সমুদ্ৰৰ পানী নীলা দেখা যায়' বুলিয়েই সকলোৱে মানি লৈছিল যদিও ৰামণৰ বিজ্ঞানী মনে সেইটো মানি লবলৈ টান পালে। বিজ্ঞানী ৰে'লে'ৰ ধাৰণাৰ খুত উলিয়াই ৰামণে তাত্বিক ভিত্তিত যুক্তি দৰ্শালে যে বায়ুৰ কনিকাবোৰত হোৱা সূৰ্য্যৰ কিৰণৰ স্থিতিস্থাপক বিচ্ছুৰণৰ ফলত আকাশৰ ৰঙ যিদৰে নীলা দেখা যায়, ঠিক একেদৰে সাগৰৰ পানীৰ অনুবোৰত পোহৰ বশ্মিৰ স্থিতিস্থাপক বিচ্ছুৰণ সংঘটিত হোৱাৰ ফলতহে সাগৰৰ পানী নীলা হোৱা দেখা যায়। সূৰ্য্যৰ বগা পোহৰ হ'ল সাত ৰঙৰ সমষ্টি। সাগৰৰ পানীৰ অনুবোৰে এই সাত ৰঙৰ কেৱল নীলা ৰঙটোহে চৌদিশে বিচ্ছুৰিত কৰে আৰু আন ৰঙবোৰ শোষণ কৰে। এই অনুষ্ঠানতে 'ৰামণ প্ৰভাৱ' ৰ সম্ভাৱনা সম্পৰ্কে তেওঁ এনেদৰে কৈছিল -- "*এই প্ৰক্ৰিয়াৰ সাৰ্বজনীনতা, ব্যৱহাৰিক প্ৰয়োজনৰ*

*সকলোৱে আৰু সকল কৰ্মীৰ কাৰণেই পদাৰ্থ বিজ্ঞান আৰু ৰসায়নৰ বহু বিস্তৃত অঞ্চলৰ সমস্যা সমাধানৰ সহায়ক হ'ব।”*

ভাৰতীয় পদাৰ্থ বিজ্ঞানৰ এই প্ৰবাদ পুৰুষ চি. ভি. ৰামণৰ জন্ম হৈছিল ১৮৮৮ চনৰ ৭ নৱেম্বৰৰ দিনাখন দাক্ষিণাত্যৰ তিৰুচিৰাপল্লীৰ এক মধ্যবিত্ত পৰিয়ালত। তেখেতৰ সঙ্গীতপ্ৰেমী দেউতাক চন্দ্ৰশেখৰ আয়াৰে বিশাখাপট্টমৰ Mrs. A. V. N College ত পদাৰ্থ বিজ্ঞান আৰু অংক বিষয়ত প্ৰৱক্তাৰূপে কাম কৰিছিল। ১৯০০ চনত মাত্ৰ ১২ বছৰ বয়সত ৰামণে সুখ্যাতিৰে মেট্ৰিকুলেচন পৰীক্ষাত উত্তীৰ্ণ হৈ দেউতাকৰ কলেজত নাম ভৰ্ত্তি কৰে। এই কলেজৰ পৰা আই. এ পৰীক্ষাত প্ৰথম স্থান দখল কৰি উত্তীৰ্ণ হৈ ১৯০১ চনত মাদ্ৰাজৰ প্ৰেচিডেন্সি কলেজত বিজ্ঞান বিষয়ত নাম লগায় আৰু ১৯০৪ চনত মাত্ৰ ষোল্ল বছৰ বয়সত সুখ্যাতিৰে বি. এ ডিগ্ৰী আৰু ১৯০৭ চনত এম. এ ডিগ্ৰী লাভ কৰে। এই দুয়োটা পৰীক্ষাত ৰামণে মাদ্ৰাজ বিশ্ববিদ্যালয়ত প্ৰথম স্থান অধিকাৰ কৰি নিজৰ প্ৰতিভাৰে সকলোকে চমকিত কৰিছিল। এই পৰীক্ষা দুটাত ৰামণে পদাৰ্থ বিজ্ঞান অধ্যয়ন কৰিলেও প্ৰচলিত নিয়ম অনুসৰি বিশ্ববিদ্যালয়ে তেওঁক বি. এ আৰু এম. এ ডিগ্ৰীহে প্ৰদান কৰিছিল। বিশ্ববিদ্যালয়ৰ মেধাবী ছাত্ৰ হিচাপে সেই সময়ত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ ইউৰোপীয় শিক্ষক সকলৰ মাজত ৰামণ অতি প্ৰিয় আছিল। এম. এ পঢ়ি থকা সময়তে ১৯০৬ চনত ইংলেণ্ডৰ ‘ফিল'চফিকেল-মেগাজিন' নামৰ সেই সময়ৰ একমাত্ৰ প্ৰখ্যাত বিজ্ঞান পত্ৰিকাত ৰামণৰ প্ৰথম গৱেষণা পত্ৰ প্ৰকাশ পায়। এই গৱেষণা পত্ৰৰ বিষয়বস্তু আছিল— “আয়তাকাৰ ৰিদ্ধামুখৰ বাবে উৎপত্তি হোৱা অসমমিত অপবৰ্ত্তন পটিসমূহ।” সোঁতৰ বছৰীয়া এই ভাৰতীয় ছাত্ৰজনে ইউৰোপৰ এই প্ৰথম শাৰিৰ নিবন্ধ পত্ৰিকাত গৱেষণা পত্ৰ প্ৰকাশ কৰা ঘটনাই সমসাময়িক বিজ্ঞানীসকলক আচৰিত কৰি তুলিছিল।

চি. ভি. ৰামণ সঙ্গীতৰ বৰ ভক্ত আছিল। ডেকা অৱস্থাত এদিনাখন বাইচাইকেলেৰে ঘৰলৈ বুলি গৈ থাকোঁতে ৰামণে এটা ঘৰৰ পৰা বীণাৰ সুমধুৰ সুৰ ভাহি অহা শুনি ঘৰটোলৈ সোমাই গৈ চৈধ্যবছৰীয়া এজনী গাভৰু ছোৱালীক বীণা বজাই থকা দেখা পায়। সংগীতপ্ৰেমী ৰামণে পিছত ১৯০৬ চনত ১৮ বছৰ বয়সত লোকসুন্দৰী দেৱী নামৰ এই ছোৱালীজনীকে বিয়া কৰায়। ৰামণৰ গৱেষণাৰ কামত এই গৰাকী বিদুষী নাৰীয়ে সময়ে সময়ে

উদগণি দি ৰামণক উৎসাহিত কৰি ৰাখিছিল।

এম. এ পাচ কৰি উঠি ১৯০৭ চনত ৰামণে আই. এফ. ডি ( Indian Finance Department : Audit & Accounts Service ) পৰীক্ষাত বহি প্ৰথম স্থান লাভ কৰে। সেই বছৰৰে জুন মাহত তেখেতে ভাৰত চৰকাৰৰ বিত্তীয় বিভাগৰ লোভনীয় চাকৰিত যোগদান কৰে আৰু ১৯১৭ চনলৈ চাকৰি কৰি ডেপুটি একাউণ্টেণ্ট জেনেৰেললৈ পদোন্নতি লাভ কৰে। বিত্তীয় বিভাগত চাকৰি কৰা কালতো তেখেতে পদাৰ্থ বিজ্ঞানৰ লগত যোগাযোগ এৰা নাছিল। আইনষ্টাইনে বাৰ্ণৰ পেটেণ্ট অফিচত কাম কৰা সময়চোৱাত যিদৰে একাধাৰে চাকৰি আৰু গৱেষণাত মনোনিৱেশ কৰিছিল তেনেদৰে ৰামণেও বিত্তীয় বিভাগৰ চাকৰি আৰু নিজাববীয়া গৱেষণা নিয়াৰিকৈ চলাই নিছিল।

১৯০৭ চনৰ পৰা ১৯৩৩ চনলৈ কলিকতাত থকা সময়চোৱাত ৰামণে বিশিষ্ট বিজ্ঞানী ডঃ অমৃতলাল চৰকাৰৰ তত্ত্বাবধানত কলিকতাৰ বৌবজাৰত থকা "ইণ্ডিয়ান এচ'চিয়েচন ফ'ৰ দি কাল্টিভেচন অৱ চাইন্স" নামৰ বিজ্ঞানৰ গৱেষণাৰ বাবে থকা ৰাজহুৱা অনুষ্ঠানটোলৈ আজৰি পৰত অহা যোৱা কৰিছিল। ইতিমধ্যে কুৰিৰ দেওঁনা পাৰ নোহোৱা ৰামণৰ তীক্ষ্ণ বুদ্ধি আৰু গৱেষণাৰ প্ৰতি থকা ৰাপৰ বিষয়ে সেই সময়ৰ কলিকতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আৰু পৰৱৰ্তী সময়ত কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য বিশিষ্ট গণিতজ্ঞ পণ্ডিত চাৰ আশুতোষ মুখাৰ্জীদেৱ অৱগত হৈছিল। ১৯১৪ চনত উপাচাৰ্য্য আশুতোষ মুখাৰ্জীদেৱে কলিকতা বিশ্ববিদ্যালয়ৰ "ইউনিভাৰচিটি কলেজ অৱ চাইন্স' ৰ আধাৰশিলা স্থাপন কৰোঁতে চি. ভি. ৰামণ সম্পৰ্কে এনেদৰে কৈছিল—

"For the chair of physics created by sir Taraknath Palit, We have been fortunate enough to secure the services of Mr Chandra Sekhar Venkata Raman, who has greatly distinguished himself and acquired an European fame by his brilliant researches in the domain of physical Science, assiduously carried on, under the most adverse circumstances amidst the distractions of pressing official duty."

১৯২৩ চনত কলিকতা বিশ্ববিদ্যালয়ে ৰামণক সন্মানীয় ডি. এচ. চি ডিগ্ৰী প্ৰদান কৰে। ১৯২৪ চনত তেখেত ৰয়েল চ'চাইটিৰ সদস্য (FRS)

হিচাপে মনোনীত হয়। পোহৰ বিজ্ঞানৰ উপৰিও ৰামণে শব্দবিজ্ঞানৰ ওপৰতো গৱেষণা কৰি আতিশাব্দিক আৰু ভাৰতীয় সঙ্গীতৰ বাদ্য যন্ত্ৰসমূহৰ বহুতো মৌলিক তথ্য উদঘাটন কৰি থৈ গৈছে। 'ৰামণ প্ৰভাৱ' আৱিষ্কাৰ কৰাৰ উপৰিও তেখেতে কলিকতাত থকা সময়চোৱাত নিজে সুকীয়াকৈ আৰু গৱেষক ছাত্ৰসকলৰ সৈতে যুটীয়াভাৱে কৰা ১২৪ খন মৌলিক গৱেষণা পত্ৰ প্ৰকাশ পায়। ১৯৩৩ চনত প্ৰফেচৰ ৰামণক বাংগালোৰ চহৰত উচ্চমানবিশিষ্ট গৱেষণাৰ বাবে স্থাপিত হোৱা 'ইণ্ডিয়ান ইন্‌ষ্টিটিউট অব চাইন্স' অনুষ্ঠানটোৰ প্ৰথম সঞ্চালক আৰু পদাৰ্থ বিজ্ঞানৰ মুৰব্বী অধ্যাপক পদত অধিষ্ঠিত কৰে। এই অনুষ্ঠানটোত পোন্ধৰ বছৰকাল দক্ষতাৰে কাৰ্য্যনিৰ্বাহ কৰি তেখেতে ৪৯১ খন গৱেষণা পত্ৰ প্ৰকাশ কৰে। চৰকাৰী অনুদানেৰে চলা এই অনুষ্ঠানটোৰ সঞ্চালক পদৰ পৰা ইস্তফা দি সেই বছৰতে নিজাববীয়াকৈ বাংগালোৰ চহৰত — "ৰামণ ৰিচাৰ্চ ইন্‌ষ্টিটিউট" নামেৰে এটা গৱেষণা কেন্দ্ৰ স্থাপন কৰে আৰু জীৱনৰ বাকী সময়চোৱা এই অনুষ্ঠানটোত তেখেতে গৱেষণাৰ কাম চলাই গৈছিল। ৰামণৰ তত্ত্বাৱধানতে ১৯৩৪ চনত বাংগালোৰত 'ইণ্ডিয়ান একাডেমী অব চাইন্স' স্থাপিত হয়।

প্ৰফেচৰ ৰামণৰ বৈজ্ঞানিক আবিস্কাৰৰ স্বীকৃতি হিচাপে পৃথিবীৰ কেবাখনো বিখ্যাত বিশ্ববিদ্যলয়, যেনে ঃ- পেৰিচ, প্ৰাচগ', ফ্ৰিগবাৰ্গ, ঢাকা, বোম্বে, মাদ্ৰাজ, বেনাৰচ আৰু কলিকতা বিশ্ববিদ্যালয়ে তেখেতলৈ সম্মানীয় ডি. এচ. ছি ডিগ্ৰী প্ৰদান কৰে। বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰলে আগবঢ়োৱা বিশিষ্ট অৱদানৰ বাবে স্বাধীন ভাৰত চৰকাৰে ১৯৪৯ চনত তেখেতলৈ পদাৰ্থ বিজ্ঞানৰ ৰাষ্ট্ৰীয় অধ্যাপকৰ আসন আগবঢ়ায় আৰু ১৯৫৪ চনত ভাৰতবৰ্ষৰ সৰ্ব্বোচ্চ চিভিলিয়ান বঁটা 'ভাৰত ৰত্ন' প্ৰদান কৰে। উল্লেখযোগ্য যে ১৯৫৪ চনতে পোণ প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষত 'ভাৰত ৰত্ন' সন্মান প্ৰবৰ্ত্তন হয়। ১৯৫৮ চনত ৰামণে ৰুচদেশৰ সম্মানীয় 'লেনিন শান্তি বঁটা' লাভ কৰে।

বিভিন্ন শিক্ষানুষ্ঠান সমূহত অধ্যাপকৰ পদত কাৰ্য্যনিৰ্বাহ কৰা কালচোৱাত চাৰ চি.ভি. ৰামণে স্নাকতোত্তৰ শ্ৰেণীসমূহত অতি নিষ্ঠাৰে পাঠ দান কৰিছিল আৰু গৱেষক ছাত্ৰসকলক গৱেষণা কাৰ্য্যত সদায়ে উৎসাহ প্ৰদান কৰি বিভিন্ন ধৰণে সহায় কৰিছিল। বৈজ্ঞানিক দৃষ্টিভঙ্গী সম্পৰ্কে কওঁতে তেখেতে কৈছিল— "বিজ্ঞান সেৱাত লাগি থকা প্ৰধান ব্যক্তিসকলৰ মুখ্য

কামেই হ'ল নতুন পুৰুষৰ মাজত নতুন প্ৰতিভাৰ সন্ধান কৰা আৰু এনে প্ৰতিভাৰ মুক্ত প্ৰকাশ আৰু প্ৰসাৰত সহায় কৰা।"

১৯৭০ চনৰ ২০ নভেম্বৰ দিনাখন হৃদৰোগত আক্ৰান্ত হৈ এই গৰাকী মহান বিজ্ঞানী চাৰ চি.ভি. ৰামণে বাংগালোৰ চহৰত নশ্বৰ দেহ ত্যাগ কৰে। ১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে প্ৰফেচৰ ৰামণে 'ৰামণ প্ৰভাব' আৱিষ্কাৰ কৰি ভাৰতলৈ বিশেষ সুনাম আনিছিল বাবে ২৮ ফেব্ৰুৱাৰীৰ দিনাখন সমগ্ৰ ভাৰতবৰ্ষত 'নেচনেল চাইন্স ডে' হিচাপে উদ্‌যাপন কৰা হয় আৰু সেই দিনাখন বিজ্ঞান অনুৰাগী ছাত্ৰ-ছাত্ৰীসকলে তেখেতৰ বিশাল কৰ্মৰাজীৰ বিষয়ে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

❖❖❖

## সহায়ক গ্ৰন্থপঞ্জী

১। 'বিজ্ঞান জেউতি' (বিশেষ ৰামণ সংখ্যা), অক্টোবৰ-নভেম্বৰ ১৯৮৮

২। 'বৈজ্ঞানিক প্ৰবন্ধ সংকলন' — অসম বিজ্ঞান সমিতি।

৩। 'Science and Human Value' — অসম বিজ্ঞান সমিতি।

✿✿✿

*" আপোনাসকলে সাৰোগত কৰি জানিব, অসমীয়া ভাষাৰ উন্নতি অসমৰ উন্নতিৰ প্ৰথম ধাৰা। হ'ব পাৰে আমাৰ মানুহৰ লেখ তাকৰ, হ'ব পাৰে আমাৰ মানুহৰ অৱস্থা টনকীয়াল নহয়, কিন্তু সেই বুলিয়েই ভাৰতৰ আন প্ৰদেশৰ মানুহৰ সৈতে সমানে আগবাঢ়িব নোৱাৰাত মনক মিচা প্ৰবোধ দি ঘৰত দুৱাৰ মাৰি বহি থাকিম নে? ............সেইটো হব নোৱাৰে। আমি আমাৰ অসমীয়া নাম লোপ পাবলৈ দিব নোৱাৰোঁ। এই নৱজাগৰণৰ যুগত ভাৰতৰ আন প্ৰদেশৰ লগত আমি সমানে আসন ল'ব লাগিব। "*

---লক্ষ্মীনাথ বেজবৰুৱা। ★১

# সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা

সাহিত্যৰথী, ৰসৰাজ, অসমীয়া সাহিত্যৰ মুকুটবিহীন সম্ৰাট, যুগ প্ৰবৰ্ত্তক লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ অসম ভূমিত জন্মগ্ৰহণ হৈছিল আজিৰ পৰা প্ৰায় ১৩৩ বছৰ পূৰ্বে অৰ্থাৎ ১৮৬৮ চনৰ নভেম্বৰ মাহত (অসমীয়া কাতি মাহৰ লক্ষ্মী পূৰ্ণিমাৰ দিনাখন) পিতৃ দীননাথ বেজবৰুৱাৰ ঔৰষে তথা মাতৃ থানেশ্বৰী দেৱীৰ গৰ্ভত। দীননাথ বেজবৰুৱাদেৱে চাকৰীসূত্ৰে নগাঁৱৰ পৰা বৰপেটালৈ সপৰিয়ালে নাৱেৰে আহি থকা অৱস্থাত নাৱৰ ভিতৰতেই আহতগুৰি নামে ঠাইত লক্ষ্মীনাথৰ জন্ম হৈছিল। ★২

যুগে যুগে একোটা জাতিৰ বা দেশৰ একোজন ক্ষণজন্মা মহান

---

★১ সভাপতিৰ অভিভাষণ, অসম সাহিত্য সভা।

★২ : লক্ষ্মীনাথ বেজবৰুৱাদেৱে তেওঁৰ জন্মবিৱৰণৰ বিষয়ে তেওঁৰ আত্মজীৱনীত এনেদৰে লিখিছে :-

" পিতৃদেৱতা মুন্সেফ কামত নগাঁৱৰ পৰা বৰপেটালৈ বদলি হৈ নাৱেৰে গৈছিল। সেইকালত আসামত আজিকালিৰ নিচিনা জাহাজ চলাচল বে নাছিল সেয়া কোনোৱাই বাহুল্য। আহতগুৰী নামেৰে এডোখৰ ঠাইৰ বাম্ভিত গধূলি নাও বন্ধা হ'ল। মাতৃদেৱীয়ে বালিত আৰু কাপোৰৰ ভিতৰত তাত থাকিবলৈ সোমাই ছিল, এনেতে তেওঁৰ গা বেয়া কৰাত তেওঁ তাত থাকিবলৈ এৰি নাওঁৰ কুঠিলৈ আহিল আৰু আজিৰ এই জীৱন সোঁৱৰণ লেখক তেতিয়াৰ কোনো এক মুহূৰ্ত্তত ভূমিষ্ঠ নহৈ নৌকাষ্ঠ হ'ল। শুনিছিলো সেইদিনা হেনো পূৰ্ণিমা আৰু লক্ষ্মীপূজা আছিল। সেই দেখিয়েই এই লেখকৰ নাম পিছত লক্ষ্মীনাথ ৰখা হৈছিল "। ---- 'মোৰ জীৱন সোঁৱৰণ' : লক্ষ্মীনাথ বেজবৰুৱা, নতুন (নৱাই) নূতন (১৯৯৯) পৃ: ৩।

পুৰুষ বা মহাপুৰুষৰ আবিৰ্ভাৱ হয় যাৰ কৰ্তব্যনিষ্ঠা, আত্মমৰ্যাদা, নিস্বাৰ্থ দেশপ্ৰেমেৰে একোটা জাতিক উদ্ধাৰ কৰাৰ কাহিনীয়ে ইতিহাসত তেওঁলোকক অমৰ কৰি ৰাখে। তেনে এজন ক্ষণজন্মা অসম মাতৃৰ সুযোগ্য সন্তান হ'ল লক্ষ্মীনাথ বেজবৰুৱাদেৱ। অলপতে অসমৰ এখন বিশিষ্ট সাহিত্য আলোচনীয়ে ( গৰীয়সী, জানুৱাৰী ২০০০ ইং ) বেজবৰুৱাদেৱক সঠিকভাৱেই কুৰি শতিকাৰ সৰ্বশ্ৰেষ্ঠ অসমীয়াৰূপে চিহ্নিত কৰিছে। অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া সকলৰ ভিতৰত যে লক্ষ্মীনাথ বেজবৰুৱাও অন্যতম এজন, এই বিষয়ে নিশ্চয় কোনো দ্বিমত নাই।

লক্ষ্মীনাথ বেজবৰুৱাদেৱ এজন সফল সমাজ শিক্ষক আছিল। তেখেতৰ সাহিত্য তথা সংস্কৃতিসেৱা সদায় সমাজমুখী আছিল। অসমীয়া জাতি তথা সমাজৰ উন্নতি আৰু বিকাশেই আছিল তেখেতৰ জীৱনৰ মূলমন্ত্ৰ। অসমৰ জাতীয় জীৱনৰ কৃষ্টি-সংস্কৃতি-ইতিহাস অধ্যয়ন কৰি এক নতুন জীৱনাদৰ্শ দাঙি ধৰিবলৈ তেওঁ ওৰেটো জীৱন অতিবাহিত কৰিছিল। অসমৰ সৰ্বাঙ্গীন উন্নতিৰ হ'কে অসমৰ অতীত গৌৰৱক সম্বল হিচাপে লৈ অসমীয়া লোকক গভীৰ স্বদেশ প্ৰেমেৰে উদ্বুদ্ধ কৰাই আছিল তেওঁৰ সমস্ত ৰচনাৰাজীৰ মূল উদ্দেশ্য।

লক্ষ্মীনাথ বেজবৰুৱা হ'ল অসমীয়া সাহিত্যৰ এটা যুগৰ প্ৰতীক। তেখেতে অসমীয়া জাতিৰ এটা বিশেষ সন্ধিক্ষণত তথা এক সঙ্কটপূৰ্ণ সময়ত জন্ম গ্ৰহণ কৰিছিল। সেই সময়ত অসমীয়া সকল বিদেশী কৃষ্টি সভ্যতাৰ আক্ৰমনত অত্যাচাৰিত হৈ নিজৰ গৌৰৱোজ্জল অতীত, মান,শক্তি সকলো হেৰুৱাই সামাজিক গ্লানিৰ আচোৰত পেপুৱা লগা অৱস্থা। অসমীয়া ভাষাৰ অবহেলাজনিত অমৰ্যাদাত এই গ্লানি চৰম ৰূপত প্ৰকাশ পাইছিল। সেয়া আছিল অসমৰ জাতীয় জীৱন বিপন্ন হোৱাৰ সময়। মানৰ অসম আক্ৰমন তথা অসমীয়াৰ ওপৰত কৰা বৰ্বৰ অত্যাচাৰৰ পিছত অসমীয়াই যেতিয়া নিজৰ শৌৰ্য্য-বীৰ্য্য সকলো হেৰুৱাই বিদেশীৰ ওচৰত শৰণাপন্ন হ'ব লগা হ'ল আৰু ইয়াৰ পিছত ক্ৰমাগতভাৱে ইংৰাজ কৃষ্টি-সভ্যতা, আচাৰ-ব্যৱহাৰ আদি দেখিবলৈ ধৰিলে তেতিয়া নিজৰ গৌৰৱোজ্জল অতীত পাহৰি অসমীয়াই নিজকে হীন যেন অনুভৱ কৰিবলৈ ধৰিলে। ফলত অসমৰ জাতীয় জীৱন, কৃষ্টি-সভ্যতাক নিৰাশাৰ কৰাল এন্ধাৰে গ্ৰাস কৰিবলৈ ধৰিলে। ঠিক তেনে এক সংকটপূৰ্ণ সময়ত অসমী আইক

পোহৰ বিলাবলৈ অসম মাতৃৰ কেইজনমান সুযোগ্য সন্তানৰ জন্ম হৈছিল। তেওঁলোকৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা অন্যতম।

বেজবৰুৱাদেৱৰ ব্যক্তিত্ব, সাধনা আৰু সাহিত্য দৰ্শনৰ বিচাৰ কৰিবলৈ যাওঁতে তেওঁৰ ওপৰত প্ৰচণ্ডভাৱে পৰা চাৰিটা বিশেষ সাংস্কৃতিক প্ৰভাৱৰ অৱদানৰ প্ৰতি আমি সততে লক্ষ্য ৰাখিব লাগিব বুলি ‘গৰীয়সী’ ৰ (জানুৱাৰী ২০০০ ইং) সম্পাদক মহোদয়দেৱে সঠিকভাবে উল্লেখ কৰিছে। তাৰে প্ৰথমটো হ’ল বেজবৰুৱাদেৱে শৈশৱ কালৰ পৰা দেউতাক দীননাথ বেজবৰুৱাৰ ঘৰুৱা পৰিবেশৰ পৰা পোৱা শঙ্কৰী বা ধ্ৰুপদী সাহিত্যৰ প্ৰভাৱ। দ্বিতীয়তে চাকৰীসূত্ৰে দেউতাকে অসমৰ এখন চহৰৰ পৰা আনখন চহৰলৈ বদলি হৈ থাকিব লগা হোৱা বাবে তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গণজীৱনৰ লগত নিবিড়ভাৱে জড়িত হোৱাৰ সুযোগ পাইছিল। ফলত তেওঁৰ আবেগিক আৰু মানসিক চৰিত্ৰ শক্তিশালীভাৱে গঢ় লৈছিল। তৃতীয় শক্তিশালী প্ৰভাৱ হ’ল— কলিকতালৈ উচ্চ শিক্ষাৰ বাবে যোৱাৰ পিছত তেওঁৰ ওপৰত পৰা বঙলা ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰভাৱ আৰু বঙলা সাহিত্য-সংস্কৃতিৰ বাহক বিখ্যাত ঠাকুৰ পৰিয়ালৰ লগত সংস্পৰ্শ। তেতিয়াহে তেওঁ অসমীয়া ভাষা-সাহিত্যৰ দৰিদ্ৰ ৰূপটো অনুভৱ কৰিব পাৰিলে আৰু ইয়াক উন্নত কৰাৰ বাবে এক অস্পষ্ট ধাৰণাই তেওঁৰ মনত ঠাই পালে। চতুৰ্থতে, তেওঁৰ ওপৰত পৰা ইংৰাজী ৰোমাণ্টিক কবিতাৰ প্ৰভাৱে আধুনিক অসমীয়া সাহিত্যৰ ৰচনা আৰু বিকাশত এক গুৰুত্বপূৰ্ণ অৱদান যোগাইছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মৰ ৪২ বছৰ আগতে, অৰ্থাৎ ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিমতে অসম বৃটিছ চৰকাৰৰ অধীনলৈ আহে যদিও ১৮৩৮ চনলৈকে লক্ষীমপুৰ আৰু শিৱসাগৰ জিলা পুৰন্দৰ সিংহৰ হাতত লালবন্দীকৈ দিয়া হৈছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ আইন বিষয়া মেকলে চাহাবৰ প্ৰতিবেদন অনুসৰি, ভাৰতবৰ্ষত পাশ্চাত্য পদ্ধতিৰে ইংৰাজী ভাষাৰ মাধ্যমত শিক্ষাদানৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হয়। ফলত ১৮৩৪ চনত জিলা স্কুল প্ৰতিষ্ঠা হয়। অসমতো এই সিদ্ধান্তৰ ফলস্বৰূপে ১৮৩৫ চনত শিৱসাগৰত আৰু ১৮৪১ চনত গুৱাহাটীত জিলাস্কুল প্ৰতিষ্ঠা হয়। ** বহুতৰ মতে অৱশ্যে প্ৰথমতে গুৱাহাটীতহে জিলা স্কুল স্থাপন হয়। যি কি নহওঁক, সেই সময়তে কিছুমান অনা অসমীয়া ম্যাক্ত স্বাৰ্থৰ

লোকে অসমীয়া ভাষা বঙলা ভাষাৰ এটা অপৰিমাৰ্জিত ৰূপ বা উপভাষা বুলি যুক্তিহীন তৰ্কৰ অৱতাৰণা কৰে। ফলস্বৰূপে ১৮৩৬ চনৰ পৰা অসমৰ স্কুল আদালতত বঙলা ভাষাই অসমীয়া ভাষাৰ আসন দখল কৰে। এই অপকৰ্মৰ ফলত বহুবছৰলৈ অসমৰ জাতীয় জীৱন কেনেদৰে বিপন্ন হৈ আছিল, সেই আভাস লক্ষ্মীনাথৰ বহু ৰচনাত দেখিবলৈ পোৱা যায়। আমেৰিকাৰ ব্যপ্টিষ্ট মিচনেৰী সকলৰ উদ্যোগত তথা অসম মাতৃৰ সুযোগ্য সন্তান আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা প্ৰভৃতি অসমীয়া মাতৃভাষাৰ একান্ত সেৱক সকলৰ আশাশুধীয়া চেষ্টাত ১৮৭২ চনত স্কুলৰ শিক্ষাৰ মাধ্যম বঙলাৰ ঠাইত অসমীয়া বুলি চৰকাৰী ঘোষণা হ'ল। অৱশ্যে ঘোষণা হৈছিল যদিও কেবাবছৰ পিছলৈকে স্কুলত বঙলা ভাষাৰ অধিপত্য কমা নাছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মৰ চাৰিবছৰ পিছতহে স্কুলত বঙলা ভাষাৰ ঠাইত অসমীয়া ভাষাৰ প্ৰচলনৰ আদেশ হয়। ফলত তেখেতে অসমীয়া ভাষাৰ শিশু পুথিৰে খৰি-মাটি হাতত লৈছিল যদিও বৰ্ণ পৰিচয় ঘটিছিল মদন মোহন তৰ্কালঙ্কাৰৰ বঙলা শিশু শিক্ষাৰ সহায়তহে। ★৪

বেজবৰুৱাদেৱৰ পূৰ্বপুৰুষ কনৌজৰ পৰা অসমলৈ আহে। চিকিৎসা শাস্ত্ৰত পাৰ্গত লক্ষ্মীনাথৰ পূৰ্বপুৰুষ জগন্নাথ বেজবৰুৱাই আহোম ৰাজসভাত

---

★৩ : "লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভা" ------- ডঃ বিশ্বনাৰায়ণ শাস্ত্ৰী (১৯৯৮) পৃঃ ৮।

★৪ : নিজৰ প্ৰাথমিক বিদ্যাৰম্ভৰ বিষয়ে বেজবৰুৱাদেৱে এনেদৰে উল্লেখ কৰিছে :-

"বিদ্যাৰম্ভ কৰি 'ক' - কলা পঢ়ি দুদিন চাই দিনতে যে মই পাকৈত হৈ উঠিছিলোঁ, এনে তীক্ষ্ণ লৰা বুলি মই মোক কেতিয়াও ভাবিব নোৱাৰো। কাৰণ লেখা পঢ়াত মই বৰ চোকা বুধীয়া বুলি কেতিয়াও খ্যাতি লাভ কৰা মনত নাই। পিছৰ কালৰ স্কুল কলেজতো মই 'A boy of mediocre ability' অৰ্থাৎ মজলীয়া বিধৰ লৰা বুলিয়েই চলি গৈছিলোঁ। ক, খ লেখিব পঢ়িব পৰা শিকাৰ পিছত মদনমোহন তৰ্কালঙ্কাৰৰ বঙলা 'শিশু-শিক্ষা'ৰ প্ৰথম ভাগ মোক দিয়া হ'ল। কাৰণ সেইকালত দেশাধীকাৰ সকলৰ বিপৰীত বুদ্ধিৰ বলত বঙলা ভাষাহে আসামৰ বিদ্যালয়বোৰত শিকোৱা হৈছিল। অসমীয়াৰ আচল মাক অসমীয়া ভাষাই বৰবাণিতহে ঠাই পাই ছিল আৰু বিদেশিনী বঙলা ভাষাই আইৰ ঠাই অধিকাৰ কৰি লৈ অসমীয়া শিশুবোৰৰ মুখত মাতৃস্তন্যৰ সলনি 'ফিডিং বটল' — অৰ্থাৎ গাখীৰৰ বটল দি সিহঁতক "কাল কাক, তাল নাক" শিকাই তেওঁৰে সৈতে "খিলি খাই দিলি মনটো" কৈছিল। উনৈশ চনত সেৱা যে কালক্ৰমত দেশাধীকাৰ সকলৰ এই ভ্ৰম ভাঙিল, অসমীয়াই মাতৃ স্তন্যৰ স্বাভাৱিক ক্ষীৰ ধাৰা পান কৰিবলৈ পাই নিজকে ধন্য মানিলে, অসমীয়াৰ মাতৃভাষা যে অসমীয়াহে, বঙলা নহয় — এই সত্য পুনৰ দৃঢ়তাৰে সুপ্ৰতিষ্ঠিত হ'ল।"

— 'মোৰ জীৱন সোঁৱৰণ' : লক্ষ্মীনাথ বেজবৰুৱা (নতুন মুদ্ৰণ, ১৯৯১) পৃঃ ১৮।

চিকিৎসক হিচাপে যথেষ্ট পাৰদৰ্শিতা দেখুৱাইছিল। জগন্নাথৰ পুত্ৰ অনঙ্গ দেৱ, অনঙ্গদেৱৰ পুত্ৰ কৃষ্ণৰাম বেজবৰুৱা আৰু কৃষ্ণৰামৰ পুত্ৰই হ'ল দীননাথ বেজবৰুৱা। ৰাজপৰিয়ালত বেজ বা চিকিৎসক হিচাপে কাম কৰা হেতু এই বংশই বেজবৰুৱা উপাধি পায়। লক্ষ্মীনাথৰ পিতৃ দীননাথ বেজবৰুৱাৰ চিকিৎসা পাৰদৰ্শিতাৰ বিষয়ে জানিব পাৰি স্বৰ্গদেৱ পুৰন্দৰ সিংহই তেওঁক ৰাজবৈদ্য পদত অভিষিক্ত কৰিছিল। পিছলৈ ইংৰাজ ৰাজত্বৰ দিনত তেখেতক বিচাৰ বিভাগৰ বিষয়া হিচাপে নিযুক্ত কৰে।

দীননাথ বেজবৰুৱাৰ দুগৰাকী পত্নী সহিত ১৮ টা লৰা-ছোৱালী আছিল। প্ৰথম গৰাকী পত্নী ধৰ্মীদেৱীৰ গৰ্ভত ছয়পুত্ৰ আৰু চাৰিকন্যা ওপজে। এই ছয়পুত্ৰ ক্ৰমে ব্ৰজনাথ, জগন্নাথ, গোপাল, গোলাপ, জয়কৃষ্ণ আৰু বিষ্ণুনাথ আৰু চাৰি কন্যা ক্ৰমে হেমাকান্তি, ছায়াবতী, বসুদা আৰু লীলাৱতী। তেখেতৰ দ্বিতীয় গৰাকী পত্নী থানেশ্বৰী দেৱীৰ গৰ্ভত সাতপুত্ৰ আৰু এটি কন্যা ওপজে। এওঁলোক ক্ৰমে গোবিন্দ, বিনন্দ, দুৰ্গেশ্বৰী, শ্ৰীনাথ, লক্ষ্মীনাথ, লক্ষ্মণ, ৰাম আৰু হৰিনাথ। *৫ দীননাথ বেজবৰুৱা অতি ধৰ্মপৰায়ন বৈষ্ণৱ আয়ুৰ্বেদ চিকিৎসা শাস্ত্ৰত পাৰ্গত, সদাচাৰ আৰু সামাজিক উন্নতিমূলক কাম-কাজ বিলাকত সদায় আগভাগ লৈছিল। দীননাথ বেজবৰুৱা ইংৰাজ চৰকাৰৰ মুন্সিফ, ডেপুটি কালেক্টৰ আদি পদত অধিষ্ঠিত হৈছিল। ফলত চাকৰিসূত্ৰে তেখেতে নগাওঁ, বৰপেটা, তেজপুৰ, উত্তৰ লক্ষ্মীমপুৰ, গুৱাহাটী আদি বিভিন্ন নগৰ-চহৰত কাৰ্য্যনিৰ্বাহ কৰিব লাগিছিল। দেউতাকৰ সৈতে পৰিয়ালৰ সদস্য হিচাপে শিশু লক্ষ্মীনাথেও এই বিভিন্ন ঠাইত থাকি ডাঙৰ দীঘল হৈছিল। লক্ষ্মনাথৰ শিশুমন অতি ভাবপ্ৰৱণ আৰু কল্পনা বিলাসী আছিল। লগৰীয়াৰ সৈতে ধেমালী কৰি, বৰশি বাই, টাংগুটি কাবাদি- ভুৰ খেলা আদি খেল খেলি, গছ বগাই, পানীত সাতুৰি আনন্দৰ উৎস সমূহো বিচাৰি ফুৰিছিল। একান্ত বৈষ্ণৱ পিতৃ দীননাথৰ ভগবৎ ভক্তি, আচাৰ-ব্যৱহাৰ আদিয়ে শিশু লক্ষ্মীনাথৰ ওপৰত বাৰুকৈয়ে প্ৰভাব পেলাইছিল।

বেজবৰুৱাদেৱৰ ঘৰত পাঠ্যপুথিৰ চৰ্চ্চাতকৈ ধৰ্মকাৰ্য্য চৰ্চ্চাত অধিক সময় খৰছ হৈছিল। দৈনন্দিন কাৰ্য্যৰ এক দীঘলীয়া তালিকা তেখেতে 'মোৰ জীৱন সোঁৱৰণ' নামৰ পুথিখনত উল্লেখ কৰিছে। তেওঁলোকৰ গোঁসাই ঘৰৰ থাপনাৰ মাজত থোৱা আৰু কপায় পুৰি, বাওঁফালে বিষ্ণুমূৰ্ত্তি

আৰু সোঁফালে শালগ্ৰাম বিৰাজ কৰিছিল। শালগ্ৰাম স্নান কৰাই পূজা কৰা আৰু বিষ্ণুমূৰ্ত্তিৰ পূজা কৰা নিত্য কৰ্ম আছিল। পূজাৰ বাবে নিতৌ ফুল তোলা, গা-পা ধুই গোঁসাই ঘৰ মচা, নাম-প্ৰসঙ্গ কৰা ইত্যাদি তেওঁলোকৰ দৈনন্দিন কৰ্ত্তব্য আছিল। সন্ধ্যা লাগি অহাৰ সময়ত পুৰাণ-ভাগৱত পাঠ কৰা, গুণমালা-ভটিমা গোৱা আৰু ৰাতি ভাত খাই উঠি সৰু ডাঙৰে মিলি গোঁসাই ঘৰৰ টুপত শেহনাম গাবলৈ বহা ইত্যাদি কাৰ্য্যাৱলীয়ে ভৱিষ্যতে লক্ষ্মীনাথৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উন্নতিত বিশেষ অৰিহণা যোগাইছিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ বিদ্যাৰম্ভ হয় লক্ষীমপুৰত। ইয়াৰ পিছত দীননাথ বেজবৰুৱাদেৱে গুৱাহাটীলৈ বদলি হৈ অহাত গুৱাহাটীতে প্ৰথমতে লক্ষ্মীনাথৰ স্কুলত প্ৰৱেশ ঘটে। পঢ়াশালীয়া পাঠ্যপুথিতকৈ বাহিৰা বিষয়ত তেওঁৰ ৰাপ বেছি থকা বাবে পঢ়াশালীৰ চাৰিবেৰৰ ভিতৰত থকাতকৈ তেওঁ মুকলিমূৰীয়াকৈ থাকিবলৈ ভাল পাইছিল।*৬ পিছলৈ ১৮৮৬ চনত শিৱসাগৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা দ্বিতীয় বিভাগত এণ্ট্ৰেন্স পাচ কৰি কুৰিটকীয়া বৃত্তি লৈ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ ৰাওনা হয়। কলিকতালৈ আহি কালীঘাটৰ এঘৰ গৃহস্থ ঘৰত খৰচ দি থাকি মীৰ্জাপুৰ ষ্ট্ৰীটত থকা ৰিপন কলেজত ভৰ্ত্তি হয়। নিয়ম নীতি আচাৰ-বিচাৰ আদিৰে অনুশাসিত পৰিয়ালত ডাঙৰ হোৱা লক্ষ্মীনাথে প্ৰথম অৱস্থাত কলিকতাত খোৱা বোৱা আদিত খুউব অসুবিধা পাইছিল। কলেজত অহা যোৱাৰ শাৰিৰিক কষ্ট আৰু অভ্যস্ত নোহোৱা বঙালী খাদ্য খাই অসুখে লম্ভিলে। পঢ়াশুনা এৰি ভগ্ন স্বাস্থ্য লৈ তেওঁ শিৱসাগৰলৈ গুছি আহে। তিনিমাহৰ পিছত পুনৰ কলিকতালৈ গৈ ছাত্ৰৰ মেচ এটাত থাকি চিটি কলেজত পঢ়িবলৈ ল'লে। ১৮৮৬ চনত তেওঁ এফ. এ মহলাত উত্তীৰ্ণ হয়। সেই ছাত্ৰৰ মেচটোত কেইজনমান বঙালী ছাত্ৰৰ উপৰিও ৰমাকান্ত বৰকাকতী,

---

*৫ : "সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা"—— শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী (১৯৯২) পৃ: ৮।

*৬ : "সৰুৰে পৰা মই মুকলি আকাশ আৰু মুকলি বতাহৰ তলত বঢ়া মুকলিমূৰীয়া লৰা; চাৰিবেৰৰ মাজ ঘৰে, তপোৱা দুৱাৰে আৰু নিয়ম কানুনৰ জিঞ্জিৰিয়ে মোক সমূলি নুচুৱে। স্কুলত অগত্যা বহি থাকোঁতে, একান্তে মোৰ মনে মোক ফুচফুচাই লোৱে—'বতাহে তোমাৰ সৈতে উভলিবলৈ তোমাক বাহিৰলৈ মাতিছে; ওলাই নাহা কেলৈ?' 'বনে তোমাক নিজৰাৰ লাগিছে; নোবোলোৱা কেলৈ?'"

——— 'মোৰ জীৱন সোঁৱৰণ': লক্ষ্মীনাথ বেজবৰুৱা (মুদ্ৰণ ১৯৯৯) পৃ: ১০১।

ত্রিনয়ন চলিহা, গিৰিশচন্দ্ৰ বেজবৰুৱা প্ৰভৃতি কেবাজনো অসমীয়া ছাত্ৰও আছিল। সেই সময়তেই ঘনশ্যাম বৰুৱা, গুণাভিৰাম বৰুৱা, সত্যনাথ বৰা, ৰাধাকান্ত সন্দিকৈ, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা, কালীকান্ত বৰকাকতী, গুঞ্জানন বৰুৱা, গোপীনাথ বৰদলৈ, পদ্মনাথ গোঁহাই বৰুৱা প্ৰভৃতি লোক সকলৰ মাজত বন্ধুত্ব গঢ়ি উঠিছিল। হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ আগৰৱালা সেই সময়ত প্ৰেসিডেন্সী কলেজত পঢ়ি আছিল। ১৮৯০ চনত লক্ষ্মীনাথে বি. এ পৰিক্ষাত উত্তীৰ্ণ হয়। বি. এ পাচ কৰাৰ পিছত তেওঁক দুবাৰকৈ হাকিম পদ যচা হৈছিল যদিও দুয়োবাৰেই এই পদ প্ৰত্যাখান কৰিছিল। তেওঁ স্বাধীনতাহীনতকৈ মৃত্যু শ্ৰেষ্ঠতৰ বুলি ভাবিছিল। ইয়াৰ পিছত বিখ্যাত আইনজ্ঞ হোবাৰ মানসেৰে ৰিপন কলেজত বি. এল শ্ৰেণীত নাম লগালে আৰু লগতে প্ৰেসিডেন্সী কলেজত ইংৰাজীত এম. এ পঢ়িবলৈ ধৰিলে। অৱশ্যে এম. এ আৰু আইন দুয়োটা পৰিক্ষাতে তেওঁ কৃতকাৰ্য্য হ'ব নোৱাৰিলে। কলিকতা বিশ্ববিদ্যালয়ে সেই বছৰ হঠাতে আইন পৰীক্ষাৰ পাচ নম্বৰৰ খোপটো ওখ কৰি দিয়াৰ বাবে অন্যায় কৰা হৈছে বুলি অকৃতকাৰ্য্য হোৱা ছাত্ৰবোৰৰ হৈ লক্ষ্মীনাথে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে এক চাঞ্চল্যকৰ মোকৰ্দমা তৰে যদিও মোকৰ্দমাত পৰাজয় বৰণ কৰে। পিছলৈ তেওঁ উকীল নহওঁ বুলি সঙ্কল্প কৰি স্বাধীনভাৱে ব্যৱসায় কৰাৰ সিদ্ধান্ত ল'লে।

এম. এ শ্ৰেণীত পঢ়ি থাকোঁতে লক্ষ্মীনাথৰ দুজন অন্তৰঙ্গ সহপাঠী আছিল। তেওঁলোক হ'ল জোৰাসাঁকোৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ বঙালী ডেকা---- ক্ষিতীন্দ্ৰ নাথ ঠাকুৰ আৰু সুধীন্দ্ৰ নাথ ঠাকুৰ। এম. এ আৰু আইন পঢ়ি থকা সময়তে ১৮৯১ চনৰ মাৰ্চ মাহৰ ১১ তাৰিখে কলিকতাৰ জোৰাসাঁকোৰ ঠাকুৰ পৰিয়ালৰ মহৰ্ষি দেবেন্দ্ৰ নাথ ঠাকুৰৰ নাতিনীয়েক প্ৰজ্ঞাসুন্দৰী দেৱীৰ সৈতে লক্ষ্মীনাথৰ ব্ৰাহ্মবিবাহ বিধিমতে বিবাহ সম্পন্ন হয়। প্ৰজ্ঞাসুন্দৰীৰ দেউতাক হেমেন্দ্ৰনাথ ঠাকুৰ বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ককায়েক আছিল।

বিবাহৰ পিছত ঠাকুৰ পৰিয়ালৰ লোকে তেওঁক ষোল্লঅনাই বঙালী বনোৱাৰ বাবে অশেষ চেষ্টা কৰিছিল যদিও মুঠতে সেয়া সফল নহ'ল। অসমীয়া ভাষা সংস্কৃতিৰ নিকৃষ্টতা প্ৰতিপাদন কৰিবলৈ তেওঁলোক উঠি পৰি লাগিছিল যদিও লক্ষ্মীনাথে অসমীয়া ভাষা সাহিত্যৰ হৈ থিয় যুঁজ

দিবলৈ ধৰিলে। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰো (ৰবি কাকা) লক্ষ্মীনাথৰ সৈতে তৰ্কযুদ্ধত অৱতীৰ্ণ হৈছিল যদিও সেয়া নিস্ফল প্ৰয়াস বুলি পিছলৈ এৰি দিছিল। *৭ এই ঘটনাটো অসমীয়া ভাষা-সাহিত্যৰ বাবে এক শুভ ঘটনা বুলিয়েই ক'ব পাৰি। কাৰণ ইয়াৰ পিছতেই লক্ষ্মীনাথৰ আহত স্বাভীমানবোধে তেওঁক আজীৱন অসমীয়া সাহিত্যৰ উৎকৰ্ষ সাধিবলৈ প্ৰেৰণা দিলে।

স্বাধীনতাকামী মনৰ গৰাকী লক্ষ্মীনাথ বেজবৰুৱাদেৱে ব্যৱসায়ী হিচাপে ১৮৯৫ চনত কৰ্মজীৱন আৰম্ভ কৰে। ভোলানাথ বৰুৱাৰ সৈতে লগ লাগি প্ৰথমতে কিছুদিন কপাহৰ ব্যৱসায় আৰু পিছত কাঠৰ ব্যৱসায়ত যোগ দিয়ে। এই ব্যৱসায়ত তেওঁলোকৰ যথেষ্ট লাভ হৈছিল যদিও পিছলৈ তেওঁলোকৰ মাজত মনোমালিন্য হোৱাত যুটীয়া ব্যৱসায়ৰ অন্ত পৰিল। প্ৰায় দহ বছৰ একেলগে কাঠৰ কাৰবাৰ চলোৱাৰ পিছত ১৯০৩ চনত ভোলানাথ বৰুৱাৰ লগ এৰি অকলে কাঠৰ কাৰবাৰ কৰিবলৈ লয়। কিন্তু ইয়াত সফলতা লাভ কৰিব নোৱাৰি ১৯১৬ চনত বাৰ্ড এণ্ড কোম্পানী নামৰ এটা ইংৰাজ কোম্পানীৰ কামত সোমায়। এই কোম্পানীৰ কামতে ১৯১৭ চনত উৰিষ্যাৰ সম্বলপুৰলৈ যায়। তাত কেইবছৰমান কোম্পানীৰ কাম কৰাৰ পিছত কোম্পানীৰ কাম এৰি দি নিজাকৈ আকৌ কাঠৰ কাৰবাৰ আৰম্ভ কৰে। ১৯৩৭ চনত তেখেতে ডিব্ৰুগড়লৈ ঘূৰি অহাৰ আগলৈকে কুৰি বছৰো অধিক কাল সম্বলপুৰত কাম কৰিছিল। কাঠৰ কাৰবাৰৰ উপৰি লক্ষ্মীনাথে ১৮৯৯ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে কলিকতাত 'মিছেলেনিয়াচ ষ্টোৰ' নামেৰে এখন দোকান দিয়ে। জীৱিকাৰ সন্ধানত

---

*৭ ঃ "মোক মোৰ অনা বঙালী কবিবলৈ মোৰ সাহিত্যিক জেঠেৰিসকলৰ আৰু খুলশালী সকলৰ ইমান আগ্রহ হৈছিল যে কবলৈ পলেও মোৰ হাঁহি উঠে। সেই কথাটো পিছলৈ থৈ তাৰ আগতে এই কবলৈ পাহৰি অহা এটা কথা কওঁ। মোৰ সৈতে মোৰ সাহিত্যিক জেঠেৰী সকলৰ তৰ্ক বাঢ়ি গৈ যেতিয়া 'ৰবি কাকা'ৰ কাণ পালেগৈ, এদিন আমাৰ জোৰাসাঁকোৰ ভিতৰত লাগিল সৰু-সুৰা তৰ্কযুদ্ধ এখন। তৰ্কৰ পিছতো দুই চাৰিদিনলৈকে তাৰ কণটি চলিছিল। তাৰ পিছত মুখৰ তৰ্ক স্থগিত হ'ল আৰু ভাৰতী কাকতত 'ৰবি কাকাই' অসমীয়া ভাষাৰ ওপৰত মন্তব্য প্ৰকাশ কৰি এটা প্ৰবন্ধ লেখিলে। মই লেখিলো তাৰ প্ৰতিবাদ এটা আৰু দিলো পঠিয়াই ভাৰতীত ছপাবলৈ। প্ৰতিবাদ প্ৰবন্ধটো কটা-মুৰা হৈ ভাৰতীত ছপা হ'ল। পিছলৈ পুস্তকো মোৰ প্ৰতিবাদ প্ৰবন্ধ ওলাল। সেইদিনিতে দুইফালৰ তৰ্ক যুদ্ধৰ শুৰ। মোৰ বৈৰিৰ ফালৰ দুই সকলে দেখিলে যে এইটো জাতি কৰিব নোৱাৰা জেব্ৰা (Zebra) জাতীয় জোঁৱাই। তেওঁলোক নিশ্চেষ্ট হ'ল" — 'মোৰ জীৱন সোঁৱৰণ' ঃ লক্ষ্মীনাথ বেজবৰুৱা (মু:১৯৯৯) পৃ:১৭৭।

তেওঁ ব্যৱসায়ৰ বিভিন্ন ক্ষেত্ৰত খোজ দিছিল। 'জয়ন্তী' নামে এবিধ মুৰত ঘহা তেলও উলিয়াইছিল। চিটি আৰু গ্লাচগো ইন্সিওৰেন্স কোম্পানীৰ এজেন্ট হিচাপেও কিছুদিন কাম কৰিছিল।

বৈবাহিক জীৱনৰ ফলস্বৰূপে বেজবৰুৱাদেৱৰ সংসাৰলৈ চাৰিজনী কন্যা সন্তানৰ জন্ম গ্ৰহণ হয় যদিও প্ৰথমা কন্যা সুৰভীৰ মাত্ৰ পাঁচ বছৰ বয়সতে অকালমৃত্যু হয়। এই বিয়োগে বেজবৰুৱাদেৱৰ মনত গভীৰ আঘাত দিছিল। সুৰভীৰ স্মৃতিতে তেখেতৰ 'সুৰভী' পুথি প্ৰকাশ পায়। আন তিনি গৰাকী কন্যা ক্ৰমে অৰুণা, ৰত্না আৰু দীপিকা। তিনিও গৰাকী উচ্চ শিক্ষিতা আছিল। পিছলৈ নুমলীয়া ছোৱালী দীপিকাই সেৱাৰ মনোভাব লৈ এক মিচনেৰী প্ৰতিষ্ঠানৰ 'নান' হৈ ভাৰত এৰি বিলাতলৈ যায়।

বেজবৰুৱাদেৱৰ জাতীয়তাবাদ অতি গভীৰ আছিল। অসমীয়া জাতি তথা সমাজখনে কোনদিশে গতি কৰি আছে, অসমীয়া ভাষা-সাহিত্য কোন দিশত দুৰ্বল হৈ আছে, অসমৰ অতীত গৌৰৱক কেনেকৈ উদ্ধাৰ কৰিব পাৰি— এইবোৰেই আছিল তেওঁৰ চিন্তাৰ মূল বিষয়। অন্ধকাৰাচ্ছন্ন, অৰ্ধ অচেতন অসমীয়া জাতিটোক বিশ্বদৰবাৰত সবলভাৱে থিয় কৰাটোৱেই যেন তেওঁৰ জীৱনৰ একমাত্ৰ লক্ষ্য। অসমীয়া জাতি বা অসমীয়া ভাষা-সাহিত্যক কোনোবাই উপলুঙা কৰিব খুজিলেই তাৰ তীব্ৰ প্ৰত্যুত্তৰ দিছিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'হিন্দু বিশ্ববিদ্যালয়' নামৰ প্ৰবন্ধটোৰ বিষয়ে 'আসামেৰ স্বতন্ত্ৰতা' শীৰ্ষক প্ৰবন্ধত আলোচনা কৰি বেজবৰুৱাদেৱে লিখিছিল-- *'অসমীয়া ভাষাই নিজস্ব ৰাখি, পাৰ্থক্য ৰাখি, নিজৰ সৌন্দৰ্য্য ৰাখি উন্নত হৈ মুৰ তুলিলেহে বঙলা ভাষাই তাৰ সৈতে 'হেণ্ডচেক' কৰিব, আত্ম বিলোপৰ চেষ্টা কৰি নিজৰ হীনতা প্ৰকাশ কৰিলে নহয়। .....বিশেষত্ব বিসৰ্জন দি যি সুবিধা, সি দুদিনৰ ফাকি—বিশেষত্বকে মহত্বলৈ লৈ গৈ যি সুবিধা সি সত্য সুবিধা। আজি কালি সেই দেখি গোটেই জগতত এই সমস্যা নহয় যে কেনেকৈ ভেদ গুচাই এক হম হ'ক— কিন্তু কেনেকৈ ভেদ ৰক্ষা কৰি মিলিম হ'ক, এই হে সমস্যা। সক বুলি আত্মলোপ কৰাটো অকল্যাণ, বৰ হৈ আত্ম বিসৰ্জন কৰাটোহে শ্ৰেয়। যোগত্যা লাভ কৰি অধিকাৰ লাভ কৰাৰ চেষ্টা কৰাৰ বাহিৰে অধিকাৰ লাভৰ আন বাট নাই। স্বাতন্ত্ৰ্য বিলোপ আৰু আত্মহত্যা সমান।"* *৮

বেজবৰুৱাদেৱৰ এই লিখনিযে তেখেতৰ জাতীয়তাবাদী ভাৱধাৰা

আৰু মাতৃভাষা প্ৰেমৰ চানেকী দাঙি ধৰে। ৰবীন্দ্ৰ নাথ ঠাকুৰে অৱশ্যে পিছলৈ ভাবিবলৈ বাধ্য হৈছিল যে অসমীয়া ভাষা - সাহিত্য বঙালী ভাষাতকৈ সম্পূৰ্ণ বেলেগ আৰু ইয়াৰ এটা নিজস্ব ঐতিহ্য আছে। সেয়েহে বেজবৰুৱাদেৱৰ মৃত্যুৰ পিছত এক শোকাবাৰ্তাত ৰবীন্দ্ৰনাথে প্ৰতিখন প্ৰদেশৰ নিজৰ আপোন ভাষাৰ বিকাশৰ সমৰ্থনত এক বক্তব্য দাঙি ধৰিছিল।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে যিদৰে এককভাৱে বঙালী ভাষা-সাহিত্যৰ বিকাশ তথা সমৃদ্ধিত অৰিহণা যোগাইছিল, তদ্ৰূপ লক্ষ্মীনাথ বেজবৰুৱাদেৱেও অকলেই অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ ক্ষেত্ৰত অন্যতম অৰিহণা যোগাইছে। তেখেতৰ জাতীয় চেতনাবোধ তুলনাহীন আছিল যদিও প্ৰত্যক্ষ ৰাজনীতিৰ প্ৰতি তেখেতৰ কোনো অনুৰাগ নাছিল। সাহিত্য সেৱাৰ যোগেদিয়েই তেখেতৰ সংগ্ৰামী মনোভাব প্ৰকাশ পাইছিল। এই সক্ৰান্তত 'জোনাকী' কাকতত প্ৰকাশ পোৱা এটা উদ্ধৃতিৰ পৰা উমান পাব পাৰি :-

" ৰাজনীতি আমাৰ ৰাজ্যৰ বহিৰ্বৰ। এই পৰাধীন দেশত, প্ৰজানীতিহে ধৰিবলগীয়া। সাহিত্য, বিজ্ঞান, সমাজ ইত্যাদি আমাৰ আলোচনাৰ বিষয়- এইবিলাক সাধ্যমতে বুজিবলৈ আৰু প্ৰকাশ কৰিবলৈ যত্ন কৰিম................আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে। উদ্দেশ্য দেশৰ উন্নতি— জোনাক।" *৯

সাহিত্য হৈছে জাতিৰ দাপোন, যত জাতিটোৰ সুখ-দুখ, আশা-আকাঙ্খাক আশ্ৰয় কৰি সৃষ্টি হয়। 'সহিত' শব্দ অৰ্থাৎ মিলনৰ পৰাই 'সাহিত্য' শব্দৰ সৃষ্টি হৈছে। এই মিলন হৈছে মানুহৰ সৈতে মানুহৰ, অতীতৰ সৈতে বৰ্ত্তমানৰ, দূৰৰ সৈতে ওচৰৰ সংযোগ স্থাপন। এনচাইক্লোপেডিয়া ব্ৰিটেনিকাৰ মতে সাহিত্য হৈছে এনে এক সাধন য'ত কাল বিশেষৰ আনন্দই নিজ অভিব্যক্তি লাভ কৰি উন্মুক্ত হৈ যায়। বেজবৰুৱাদেৱৰ সাহিত্যত অসমৰ নৈ-পৰ্বত, গছ লতা, পশু-পক্ষী, অসমৰ লোক-বিশ্বাস, গ্ৰাম্য জীৱনধাৰা, খোৱা খাদ্য, পৰম্পৰা ইত্যাদি সকলোবোৰৰ সমাৱেশ ঘটিছে। তেওঁৰ সাহিত্য সৃষ্টিত অসম তথা অসমীয়াৰ এই বিভিন্ন দিশ বিচিত্ৰ ভাব আৰু অনুভূতিৰ

তুলিকাৰে চিত্ৰিত কৰিছে।

লক্ষ্মীনাথৰ সাহিত্য প্ৰতিভা বহুমুখী আছিল। অসমীয়া সাহিত্যৰ এনে কোনো দিশ নাই, য'ত তেখেতৰ অৱদান নাই। গদ্য-পদ্য, ধৰ্ম-সমাজ, হাস্য ৰস ৰচনা, নাটক, ইতিহাস, জীৱনী, উপন্যাসকে আদি কৰি সাহিত্যৰ বিভিন্ন ক্ষেত্ৰতে তেখেতৰ ৰচনাই জাতিস্কাৰ কৰি আছে। তেখেত একাধাৰে কবি, ঔপন্যাসিক, গল্পলিখক, নাট্যকাৰ, হাস্যৰসিক, দাৰ্শনিক, সমালোচক, সাংবাদিক তথা সমাজ সংস্কাৰক আছিল। কলিকতীয়া ছাত্ৰ জীৱনত বেজবৰুৱাদেৱৰ এক উল্লেখযোগ্য সংযোগ হ'ল কবি চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ সৈতে গঢ়ি উঠা বন্ধুত্ব। এই দুই বন্ধুৰ লগত হেমচন্দ্ৰ গোস্বামী লগ হৈ তেওঁলোক অসমীয়া সাহিত্যৰ ত্ৰিমূৰ্ত্তি যেন হৈ পৰিছিল। চন্দ্ৰকুমাৰৰ কোমল অনুভূতি, লক্ষ্মীনাথৰ অসমীয়া সাহিত্যৰ প্ৰীতি আৰু হেমচন্দ্ৰৰ যুক্তিপ্ৰৱণতা তথা মননশীলতাই গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি নানা ৰূপত সেই সময়ৰ 'জোনাকী' ত প্ৰকাশ পাইছিল। ১৮১০ শকৰ মাঘ মাহত চন্দ্ৰকুমাৰ আগৰবালাদেৱৰ সম্পাদনাত প্ৰকাশ পোৱা 'জোনাকী'ৰ প্ৰথম সংখ্যাতে লক্ষ্মীনাথৰ 'লিটিকাই' প্ৰকাশ পায় আৰু চোৱা-চোৱাকৈ এবছৰলৈ ওলাই থাকে। গতিকে 'জোনাকী' কাকততে কুৰি বছৰ বয়সত লক্ষ্মীনাথৰ প্ৰথম সাহিত্যকৃতি প্ৰকাশ পোৱা বুলি ক'ব পাৰি। 'জোনাকী' ওলোৱা বছৰতে অৰ্থাৎ ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ সকলে ৬৭ নং মীৰ্জাপুৰ ষ্ট্ৰীটৰ বাহাত হোৱা 'টি পাৰ্টি' এটাত অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ হ'কে " অসমীয়া ভাষা উন্নতি সাধিনী সভা" (অঃ ভাঃ উঃ সাঃ) নামে সভাৰ জন্ম দিয়ে। এফালে 'জোনাকী' আৰু আনফালে ' অঃ ভাঃ উঃ সাঃ'— এই দুটা অনুষ্ঠানে সেই সময়ত ক্ষীণ হৈ থকা অসমীয়া সাহিত্যৰ ধাৰাটোত কিছু হলেও শক্তি যোগালে আৰু প্ৰায় সকলো শ্ৰেণীৰ অসমীয়া লোকৰ মাজত এই দুটা অনুষ্ঠানে প্ৰভাব বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। দ্বিতীয় বছৰৰ 'অঃ ভাঃ উঃ সাঃ' ৰ সম্পাদকৰূপে বেজবৰুৱাই দায়িত্বভাৰ গ্ৰহণ কৰিছিল।

---

★৮ : বাঁহী, ৩ য় বছৰ ৫ম সংখ্যা, চত ১৮৩৩।

★৯ : "লক্ষ্মীনাথ বেজবৰুৱা" —— অসম প্ৰকাশন পৰিষদ।" "সাহিত্যৰ সত্য" —— ডঃ হীৰেণ গোঁহাই (পৃঃ ২১১ )।

১৯১০ চনৰ পৰা তেওঁ 'বাঁহী' নামৰ মাহেকীয়া আলোচনীখনৰ সম্পাদনা কৰিবলৈ লয়। অসমীয়া ভাষাত নিভাজ ৰচনাৰীতি আৰু জাতীয়তা বোধেৰে প্ৰায় ১৯৪৫ চনলৈকে বেলেগ বেলেগ সাহিত্যিকৰ সম্পাদনাত সেৱা আগবঢ়াইছিল। পদ্মনাথ গোঁহাইবৰুৱাদেৱৰ সম্পাদনাত প্ৰকাশ পোৱা 'উষা' (১৯০৭-১২) নামৰ মাহেকীয়া আলোচনীখনত লক্ষ্মীনাথৰ নিজৰ আৰু কৃপাবৰৰ ছদ্মনামত বহুতো প্ৰবন্ধ প্ৰকাশ পাইছিল।

বেজবৰুৱাদেৱে কলিকতাত থকাকালতে অৰ্থাৎ ১৯১৫ চনৰ ভিতৰতে তেওঁৰ গ্ৰন্থসমূহ প্ৰকাশ পায়। ইয়াত পিছত অৱশ্যে বিভিন্ন আলোচনীত তেওঁৰ বহুতো প্ৰবন্ধ প্ৰকাশ পায়। তেওঁৰ প্ৰকাশিত পুথিবোৰৰ ভিতৰত 'লিতিকাই', 'সুৰভি', 'কদমকলি', 'জোনবিৰি', 'বাখৰ', 'জুনুকা', 'জয়মতী কুঁৱৰী', 'পদুম কুঁৱৰী', 'বুঢ়ী আইৰ সাধু', 'ভাৰত বুৰঞ্জী', 'কামত কৃতিত্ব লভিবৰ সংকেট', 'শ্ৰীমদ্ভাগৱত গীতা', 'শ্ৰী শঙ্কৰদেৱ', 'শ্ৰী মাধৱদেৱ', 'ককাদেউতা আৰু নাতিলৰা', 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপলা', 'ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন চৰিত', 'বেলিমাৰ', 'মোৰ জীৱন সোঁৱৰণ', 'তত্ত্বকথা', 'কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰনি', 'পদুম কুঁৱৰী', ইত্যাদিৰ নাম ল'ব পাৰি।

বেজবৰুৱাদেৱে অসমীয়া সাহিত্যৰ বিভিন্ন দিশত অংগ পূৰণৰ এক দুৰ্বাৰ প্ৰয়োজনৰ খাতিৰতহে সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত হাত দিছিল। 'কদমকলি' তেখেতৰ একমাত্ৰ কবিতাৰ পুথি। 'কবিতা হয় যদি হওঁক, নহয় যদি নহওঁক' বুলি প্ৰয়োজনত মাজে মাজে লিখা কবিতাবোৰ একেল'গ কৰি 'কদমকলি' নামেৰে পুথিখন প্ৰকাশ পায়। 'বীন বৰাগী' কবিতাটো বেজবৰুৱাদেৱৰ এক সাৰ্থক সৃষ্টি। এই কবিতাটোত কবিৰ সুস্থ আশাবাদৰ ভাবৰ প্ৰকাশ ঘটিছে। ইয়াত তেখেতে অসমীয়াক নিৰ্ভীক হবলৈ আৰু নতুন চাৱনীৰে জগতখনক চাবলৈ কৈছে—

*"নতুন প্ৰাণৰ ন চকুযুৰি*
*দীপিতি ঢালি দে ভাত*
*পুৰণি পৃথিৱী নকে চাই লওঁ*
*হে বীন এবাৰি মাত"*

তেখেতেৰ ' অসম সঙ্গীত ', 'আমাৰ জন্মভূমি', 'মোৰ দেশ' আদি কবিতাত দেশপ্ৰেমমূলক ভাব প্ৰকাশ পাইছে। তেখেতৰ 'কৰ্ম্ম' নামৰ কবিতাটোত এলেহুৱা অসমীয়া লোকক কামৰ মাজেৰে জীৱন গঢ়াৰ প্ৰতি আগ্ৰহ দেখুৱাবৰ বাবে আহ্বান জনাইছে।

" কৰ্ম্মৰ জীৱন জানা তোমাৰ লগতে
তাৰ সৈতে এৰাএৰি নাই,
তোমাৰ হাততে আছে কৰম সঁজুলি
মন মাথো কৰিবৰ উপায়।"

বেজবৰুৱাদেৱে মুখে মুখে চলি অহা পুৰণি সাধুকথাবোৰ নতুনকৈ লিখে। তেওঁৰ 'সাধুকথাৰ কুকি' (১৯১০), বুঢ়ী আইৰ সাধু' (১৯১১), 'ককাদেউতা আৰু নাতিলৰা'(১৯১২), 'জুনুকা' (১৯১৩)' আদি সাধু সংগ্ৰহৰ অন্যতম পুথি। 'ককাদেউতা আৰু নাতিলৰা' ত তেখেতে ককাকৰ মুখেদি নাতিলৰাক সাধুকথা কৈ শুনাইছে। 'বুঢ়ী আইৰ সাধু' পুথিতো তেখেতে জহকালি জোনাক ৰাতি চোতালত পাটি পাৰি বুঢ়ী আইতাৰ মুখেদি নাতি-নাতিনী সকলক সাধু কথা কৈ শুনাইছে। 'সাধু কথাৰ কুকি' ৰ সাধুবোৰ পূজাৰীয়ে নানা তৰহৰ নতুনকৈ চিঙা ফুল কুকিত ভৰাই থোৱাৰ নিচিনাকৈ বেজবৰুৱাদেৱে সাধুবোৰ কুকিত ভৰাই থৈছে। এই পুথিখনত মুঠ একুৰি সোতৰটা সাধু আছে। এই সাধুবোৰৰ মাজেদি তেখেতে পুৰণি সাধুকথা আৰু আধুনিক চুটিগল্পৰ ভিতৰত এক শৈলসেতু নিৰ্মাণ কৰিছে। তেখেতৰ অইন চুটিগল্পৰ সংকলন হ'ল 'সুৰভি' (১৯০৯), 'জোনবিৰি' (১৯১৩) ইত্যাদি। এই চুটিগল্পবোৰত হাস্যৰস আৰু ব্যঙ্গৰ যথেষ্ট প্ৰাধান্য আছে। এইবোৰৰ মাজেদি সেই সময়ৰ অসমীয়া সমাজৰ ক্ষয়িষ্ণু ৰূপ, প্ৰবঞ্চনা, সংৰক্ষণশীলতা আদিক কেন্দ্ৰ কৰি তেখেতৰ সংস্কাৰকামী প্ৰচেষ্টাই প্ৰাধান্য লাভ কৰিছিল। গল্পসমূহত গাঁৱলীয়া আৰু নগৰীয়া দুয়োটা জনজীৱনৰ চিত্ৰ ফুটি উঠিছে। তেখেতৰ ৰচনাৰ এক বিশেষ বৈশিষ্ট হৈছে শ্লেষাত্মক ভাষা। বেজবৰুৱাদেৱে যি সময়ত চুটিগল্প ৰচনাত হাত দিছিল, সেই সময়ত ভাৰতীয় অন্যান্য ভাষাতো চুটিগল্পৰ প্ৰচলন অতি প্ৰাথমিক স্তৰত আছিল। সেইকালৰ পৰা লক্ষ্মীনাথেই অসমীয়া সাহিত্যত চুটি গল্পৰ ৰীতিটো প্ৰবৰ্ত্তন কৰা বুলি ক'ব পাৰি।

বেজবৰুৱাদেৱৰ একমাত্র উপন্যাস হৈছে 'পদুম কুঁৱৰী'। এইখন প্রথম অসমীয়া বুৰঞ্জীমূলক উপন্যাস। অষ্টাদশ শতিকাৰ শেহভাগত কমলেশ্বৰ সিংহৰ দিনত উত্তৰ কামৰূপত ঘটা দন্দুৱা দ্রোহৰ কাহিনীৰ অৱলম্বনৰ আধাৰত উপন্যাসখন ৰচনা হৈছে। নাট্য ৰচনাত বেজবৰুৱাদেৱ বিশেষভাৱে সফল হৈছিল। তেখেতৰ দ্বাৰা ৰচিত প্রহসনসমূহ হ'ল--- 'লিতিকাই' (১৮৮৯), 'পাঁচনি' (১৯১৩), 'চিকৰপতি-নিকৰপতি' (১৯১৩)। তেখেতৰ 'বেলিমাৰ', 'চক্রধ্বজ সিংহ', 'জয়মতি কুঁৱৰী' নামৰ উল্লেখযোগ্য নাট কেইখন বুৰঞ্জীমূলক। 'লিতিকাই' নাটকত গজমূর্খ সাত-ককাইভাইৰ অস্বাভাৱিক কার্য্যকলাপ, সঙ্গতিহীন উত্তৰ পৰিস্থিতি আদিৰ সৃষ্টিয়ে হাস্যৰসৰ সমল যোগাইছে। 'পাঁচনি' নাটকত পাঁচনিৰ অতিথি পৰায়নতা আৰু অতিথি বিমুখীতাৰ অৰিয়াঅৰী আদিয়ে হাস্যৰসৰ সৃষ্টি কৰিছে। 'জয়মতী কুঁৱৰী' এখনি গহীন নাটক। এই নাটকত অসমৰ স্বাধীনতাৰ লগতে জগতৰ এগৰাকী অদ্বিতীয়া সতী-সাধ্বী জয়মতী কুঁৱৰীৰ স্মৰণীয় ত্যাগ, নিষ্ঠা তথা চৰিত্রবলৰ আদর্শ দাঙি ধৰিছে। এই নাটকখনৰ দুটা স্মৰণীয় চৰিত্র হ'ল জয়মতী কুঁৱৰী আৰু ডালিমী। প্রথম গৰাকী বাস্তৱ অভিজ্ঞতাৰে পূর্ণ বিৰল চৰিত্র আৰু আনহাতে দ্বিতীয় গৰাকী কল্পলোকৰ জীয়ৰী। 'বেলিমাৰ' নাটকত অসমৰ গৃহবিবাদ আৰু স্বার্থপৰতাৰ ফলত কিদৰে অসমৰ স্বাধীনতাৰ গৌৰৱসূর্য্য মাৰ গ'ল তাক সুন্দৰকৈ বর্ণনা কৰিছে।

হাস্যৰস ৰচনাসমূহ হ'ল বেজবৰুৱাদেৱৰ অপূর্ব সৃষ্টি। 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা', 'কৃপাবৰ বৰুৱাৰ ওভতনী' আদি হাস্যৰসাত্মক ৰচনাসমূহে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেখেতে প্রথমে 'জোনাকী'ত কৃপাবৰ বৰুৱা ছদ্মনামত লিখে। 'কৃপাবৰ বৰুৱা' হ'ল তেখেতৰ খুহুটীয়া মানস চৰিত্র। সমাজ সংস্কাৰৰ নিমিত্তে বেজবৰুৱাদেৱে কৃপাবৰৰ মুখা পিন্ধি সময়ে সময়ে বিদ্রূপাত্মক ভাষাত টান কথাও শুনাইছে। 'কৃপাবৰ বৰুৱা'ৰ নামত 'জোনাকী'ত প্রকাশিত হাস্যৰসাত্মক প্রবন্ধখিনি 'কৃপাবৰ বৰুৱা'ৰ কাকতৰ টোপোলা' (১৯০৪) আৰু গুৱাহাটীৰ 'জোনাকী' 'উষা' আদি আলোচনীত ওলোৱা প্রবন্ধসমূহ 'কৃপাবৰ বৰুৱাৰ ওভতনি' (১৯০৯) ত অন্তর্ভুক্ত হৈছে। বেজবৰুৱাদেৱৰ হাস্যৰসক তিনিটা ভাগত ভগাব পাৰি, সেয়া (ক) সৰল হাস্যৰস, (খ) ব্যঙ্গ হাস্যৰস আৰু (গ) বুদ্ধিনিষ্ঠ হাস্যৰস। তেখেতৰ বেছিভাগ হাস্যৰসাত্মক ৰচনাই মানুহৰ

চৰিত্র সংশোধন আৰু সমাজৰ দুৰ্নীতি দমনৰ উদ্দেশ্যে ৰচনা কৰা। ঘৰুৱা পৰিবেশ চিত্রনত বেজবৰুৱাদেৱে ব্যৱহাৰ কৰা উপমা তথা বাক্যৰীতিয়ে তেখেতৰ ৰচনা অধিক সজীৱ কৰি তোলে। 'ভদৰী' গল্পত থকা তলৰ কথাফাকিৰ পৰা এই বিষয়ে উমান পাব পাৰি ঃ-

*"........................ঢেকিয়া শাকমুঠি মেলাহি বাটিটোত বাছি থোৱা হৈছে, ধোৱাও হোৱা নাই। কলপাত এডোখৰৰ ওপৰত ওচৰতে মৈদাখন মৰা ম'ৰা চৰাইটো যেন হৈ পৰি আছে আৰু ঠেটেলামুৰীয়া মাটিসনা কাৰৈমাচ কেইটাই ডাংখাই টঙনা টঙনি কৰি মুৰ ফলাফলি কৰা ছাই সনা ফকিৰৰ দৰে পৰি ছটফট কৰিব লাগিছে।"*

বৈষ্ণৱ পৰিয়ালত জন্ম গ্ৰহণ কৰা হেতুকে বেজবৰুৱাদেৱ সৰুৰে পৰা বৈষ্ণৱপ্ৰাণ হৈ পৰিছিল। তেখেতে ৰচনা কৰা 'শঙ্কৰদেৱ' (১৯১১) আৰু 'শ্ৰী শঙ্কৰদেৱ আৰু শ্ৰী মাধৱদেৱ' (১৯১৪) গ্ৰন্থ দুখনে ইয়াৰ সাক্ষী বহন কৰে। তেখেতে মহাপুৰুষ দুজনৰ জীৱনবৃত্ত আধুনিক যুগৰ লোক সকলৰ উপযোগী কৰি বহুতো কথা চালি জাৰি সমালোচনাত্মক দৃষ্টিভংগীৰে এই জীৱন চৰিত দুখনি লিখি উলিয়াইছে। 'শ্ৰী শঙ্কৰদেৱ আৰু শ্ৰী মাধৱদেৱ' গ্ৰন্থখনিৰ তেত্ৰিশটা অধ্যায়ৰ প্ৰত্যেকতে একোটিকৈ বিষয়ৰ যেনে ঃ- উপৰিপুৰুষৰ কথা, জন্মৰ পৰা বাৰ বছৰলৈকে, বাৰ বছৰৰ পৰা বত্ৰিশ বছৰলৈকে তীৰ্থ ভ্ৰমণ, বৰদোৱা পৰিত্যাগ আদি কথাৰ বিৱৰণ আছে। বেজবৰুৱাদেৱে গভীৰভাৱে উপলব্ধি কৰিছিল যে অসমীয়া সংস্কৃতিৰ মূল ভেটিয়েই হ'ল শঙ্কৰ-মাধৱৰ বৈষ্ণৱ সাহিত্য। গতিকে এই ভেটিটোক শক্তিশালী কৰিব নোৱাৰিলে অইন সংস্কৃতিৰ গ্ৰাসৰ পৰা অসমক কেতিয়াও উদ্ধাৰ কৰিব পৰা নাযাব। লক্ষ্মীনাথেই প্ৰথমতে শঙ্কৰ-মাধৱক নামঘৰৰ বাহিৰতো জীৱনৰ উচ্চ বেদীত স্থাপন কৰিলে, স্কুল-কলেজৰ পাঠৰ অন্তৰ্ভুক্ত কৰিলে, জাতীয় জীৱনৰ আলোচনাৰ বিষয় কৰি তুলিলে। মহাপুৰুষ শঙ্কৰদেৱৰদ্বাৰা প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মৰ দৰ্শন তথা আদৰ্শৰ বহুল ব্যাখ্যা আধুনিক অসমত তেখেতেই সৰ্বপ্ৰথমে ৰাজহুৱাকৈ দাঙি ধৰা বুলি ক'ব পাৰি। শৈশৱ কালৰ পৰাই বেজবৰুৱাদেৱে কেনেকৈ শঙ্কৰ-মাধৱৰ ৰচনাৰদ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছিল, কেনেকৈ দিনটোৰ তিনিবেলা নাম-কীৰ্ত্তনত নিবিড়ভাৱে জড়িত আছিল, দেউতাকৰ ঘৰত বৈষ্ণৱ পণ্ডিত সকলে কৰা বৈষ্ণৱ সাহিত্যৰ আলোচনা শুনি কেনেকৈ

তেওঁ বিস্ময়ত অভিভূত হৈ পৰিছিল------ সেই সম্পৰ্কে 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থত বিশেষভাৱে উল্লেখ কৰিছে।

তেখেতে 'বাঁহী', 'আৱাহণ' আদি আলোচনীতো বৈষ্ণৱ ধৰ্ম বিষয়ক বহুতো তত্ত্বমূলক প্ৰবন্ধ আলোচনা কৰি গৈছে। উপনিষদ, ভাগৱত আদি গভীৰভাৱে অধ্যয়ন কৰি তেখেতে 'তত্ত্বকথা', 'শ্ৰীকৃষ্ণ কথা', 'ৰাসলীলা তত্ত্ব', আদি প্ৰবন্ধসমূহ ৰচনা কৰিছিল। বেজবৰুৱাদেৱৰ ধৰ্মবিষয়ক প্ৰবন্ধৰাজি বৰ্ত্তমানে অধ্যাপক অতুলচন্দ্ৰ হাজাৰিকাৰ সম্পাদনাত 'তত্ত্ব কথা', আৰু 'কৃষ্ণ কথা', নামেৰে দুখন গ্ৰন্থ প্ৰকাশ পাইছে। 'তত্ত্বকথা', গ্ৰন্থত মুঠতে এঘাৰটা প্ৰবন্ধক সাঙুৰি লৈছে। ইয়াৰ প্ৰথম প্ৰবন্ধ ' ধৰ্ম আৰু ঈশ্বৰ তত্ত্ব' ত ঈশ্বৰৰ অস্তিত্ব, মানৱ জীৱনত ধৰ্মৰ অপৰিহাৰ্য্যতা প্ৰতিপাদন কৰিছে। ঈশ্বৰৰ অস্তিত্ব প্ৰতিপাদন কৰিবলৈ ভাৰতীয় দৰ্শনৰ মূল সিদ্ধান্তবোৰ আধাৰ হিচপে লৈছে। ' শ্ৰীকৃষ্ণ তত্ত্ব' ত 'কৃষ্ণস্তু ভগৱান স্বয়ং' কথাষাৰিৰ যথাৰ্থতা প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰিছে। উপনিষদৰ 'ব্ৰহ্মতত্ত্ব', 'পঞ্চকোশ তত্ত্ব', আদিৰ অৱতাৰনা কৰি সচ্চিদানন্দময় ব্ৰহ্মই যে শৰিৰী কৃষ্ণ তাকে প্ৰতিপাদন কৰিছে। বেজবৰুৱাদেৱে ব্ৰহ্মাৰ সগুণ আৰু নিৰ্গুণ, এই দুয়োটা ভাবকেই সমানেই গুৰুত্ব দিছে। এই বিষয়ে তেখেতে লিখিছে—

*"ব্ৰহ্মৰ নিৰ্গুণ-সগুণ- এই দুইটি ভাব ধাৰণা কৰিলেহে ব্ৰহ্মজ্ঞান সম্পূৰ্ণ হয়। দুইটাই ব্ৰহ্মৰ ইপিঠি-সিপিঠি। নিৰ্ব্বিশেষ ভাবৰ ব্ৰহ্মক পৰমব্ৰহ্ম আৰু সবিশেষ ভাবৰ ব্ৰহ্মক অপৰ ব্ৰহ্ম বা শব্দ ব্ৰহ্ম বোলা হয়।........ এই সগুণ-নিৰ্গুণ ব্ৰহ্মকেহে আমাৰ মহাপুৰুষ শ্ৰী শঙ্কৰদেৱ-শ্ৰীমাধৱদেৱে প্ৰচাৰ কৰিছে। ঘোষাৰ প্ৰথমতে লিখিছে—*

**'একান্ত ভকতসবে নিৰ্গুণ কৃষ্ণৰ গুণ**

**গাৱে সদা বসিয়া যথাত।'**

**"..........পুৰুষ, প্ৰকৃতি আৰু পৰমেশ্বৰ— ব্ৰহ্মৰ এই তিনিটা ভাব। ব্ৰহ্মৰ যি ভাব লক্ষণৰ, চিন্তৰ, বিশেষণৰ অতীত তাকেই নিৰ্গুণ ব্ৰহ্ম বা পৰম ব্ৰহ্ম বোলে। এই নিৰ্বিশেষ, নিৰ্বিকল্প, নিৰুপাধি, নিৰ্গুণ পৰম ব্ৰহ্মই যেতিয়া মায়া উপাধী অঙ্গীকাৰ কৰে, অৰ্থাৎ যেতিয়া তেওঁ মায়াৰে নিজকে সঙ্কুচিত কৰে, তেতিয়া তেওঁ সবিশেষ, সবিকল্প সোপাধি হয়"। *১০**

ৰাজনীতিৰ প্ৰতি বেজবৰুৱাদেৱৰ বিশেষ অনুৰাগ নাথাকিলেও তেওঁ জাতীয় কংগ্ৰেছৰ অধিবেশনত তিনিবাৰ উপস্থিত আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা বেজবৰুৱাদেৱে ১৮৯২ চনত উমেশ চন্দ্ৰ বেনাৰ্জীৰ সভাপতিত্বত এলাহাবাদত বহা ভাৰতীয় জাতীয় কংগ্ৰেছ অধিবেশনত সাংবাদিক ৰাধানাথ চাংকাকতী আৰু ভোলানাথ বৰুৱাৰ সৈতে গৈ উপস্থিত হৈছিল আৰু সেই সভাত প্ৰতিনিধিৰ ফালৰ পৰা ভাষণ দিয়া তেখেতে হ'ল প্ৰথম অসমীয়া। ১৯৩৩ চনত বৰোদাৰ গাইকোৱাডৰ আমন্ত্ৰণমৰ্মে 'ভাৰতত বৈষ্ণৱ ধৰ্মৰ বুৰঞ্জী' আৰু 'শ্ৰীকৃষ্ণৰ ৰাসলীলা' ৰ ওপৰত অতি পাণ্ডিত্যপূৰ্ণ ভাষণ দি উপস্থিত ধৰ্মানুৰাগী ব্যক্তিসকলক অভিভূত কৰি পেলাইছিল। ১৯১৬ চনত অসম ছাত্ৰ সন্মিলনৰ গুৱাহাটীত বহা অধিবেশনত সভাপতিৰ আসনৰ পৰা বেজবৰুৱাদেৱে ছাত্ৰ - ছাত্ৰী সকলৰ উদ্দেশ্যে কৈছিল -----------

*"আপোনালোকে সত্য, ন্যায়, ধৰ্মৰ পৰা বিচলিত নহৈ একাগ্ৰচিত্তভাৱে নিজৰ কৰ্ত্তব্য কৰি যাওঁক, নিশ্চয় দেখিব স্বৰ্গাদপি গৰিয়সী জননী জন্মভূমিৰ মঙ্গল নিশ্চয় সাধিত হৈছে।"* আমাৰ শিক্ষা প্ৰণালীৰ বিষয়ে তেওঁ কৈছিল---

"আমাৰ শিক্ষা অৰ্থাৎ ভাৰতীয় সকলৰ শিক্ষা পাশ্চাত্য হ'ব লাগিব, কিন্তু প্ৰাচ্য সাঁচত। উদ্দালকৰ গুৰু গৃহৰ শিক্ষা প্ৰণালী আজিকালিৰ নিমিত্তে শুকান।......................."

**১৯২৪ চনত গুৱাহাটীত বহা অসমৰ একমাত্ৰ বৃহৎ জাতীয় অনুষ্ঠান 'অসম সাহিত্য সভা' ৰ সপ্তম বাৰ্ষিক অধিবেশনৰ সভাপতিৰূপে তেওঁ প্ৰায় আঢ়ৈঘন্টা জুৰি অসমীয়া জাতিৰ উদ্দেশ্যে এক বহুমূলীয়া ভাষণ পাঠ কৰি উপস্থিত সকলোকে মুগ্ধ কৰিছিল। তেখেতে উদাত্ত কণ্ঠে কৈছিল--- "...........আমি আমাৰ অসমীয়া নাম লোপ পাবলৈ দিব নোৱাৰোঁ। এই নৱ জাগৰণৰ যুগত ভাৰতৰ আন প্ৰদেশৰ লগত আমি সমানে জিলিকি উঠিব লাগিব। ...............এই মাতৃভাষাৰ উন্নতিয়েই আমাৰ দেশৰ উন্নতি ----আমাৰ স্বজাতিৰ উন্নতি; এই মাতৃভাষাৰ সেৱাই আমাৰ দেশৰ সেৱা ---আমাৰ জাতীয় জীৱনৰ আনন্দৰ বিজয় পতাকা,**

---

*১০ : 'শ্ৰীকৃষ্ণকথা' ---- লক্ষ্মীনাথ বেজবৰুৱা (১৯৬৮) পৃ : ৮।

আমাৰ লুপ্ত গৌৰবৰ পুনৰুত্থান —আমাৰ জীৱন কৰ্ত্তব্যৰ শিৰৰ মুকুট।"

অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনতো বেজবৰুৱাদেৱে সাহিত্য সভাৰ আমন্ত্ৰনমৰ্মে তেজোদ্দিপ্ত ভাষণ দি অবিভক্ত গোৱালপাৰা বাসীক মুগ্ধ কৰিছিল। ১৯৩১ চনত সাহিত্যক নগেন্দ্ৰ নাৰায়ন চৌধুৰীদেৱৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ শিৱসাগৰ অধিবেশনত সভাপতিৰ আসনৰ পৰা লক্ষ্মীনাথক ৰসৰাজ উপাধীৰে বিভুষিত কৰে।

বেজবৰুৱাদেৱ শেষবাৰ অসমলৈ আহে ১৯৩৭ চনত। সেই বছৰৰ জুলাই মাহত অন্ত্ৰ ঘা অসুখত শয্যাশায়ী হৈ পৰাত মাজু জীয়েক ৰত্না বৰুৱাই ডিব্ৰুগড়লৈ চিকিৎসা তথা চোৱাচিতা কৰিবৰ বাবে লৈ আহে। ১৯৩৮ চনৰ ২৬ মাৰ্চ তাৰিখে মাজু জোৱায়েকৰ ঘৰত এই গৰাকী মহান ব্যক্তি অসম প্ৰাণ লক্ষ্মীনাথে শেষ নিশ্বাস ত্যাগ কৰে।

'অ মোৰ আপোনাৰ দেশ', 'আমি অসমীয়া নহও দুখীয়া' আদি নৱজাগৰণৰ সৃষ্টি কৰা কবিতা লিখি অসমীয়া জাতিক প্ৰেৰণা যোগোৱা লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া জাতিৰ চিৰপ্ৰেৰণাৰ উৎস। সুদুৰ উৰিষ্যাৰ সম্বলপুৰৰ হাবিৰ মাজত জীৱনৰ মূল্যবান সময় ব্যৱসায়িক জীৱনত ব্যস্ত হৈ থকাৰ মাজতো অনবৰতে অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ কথা চিন্তা কৰা বেজবৰুৱাদেৱে অসমীয়া সাহিত্য আকাশত নক্ষত্ৰৰ দৰে উজ্জ্বল হৈ থাকিব। তেখেতৰ অমৰ আহ্বানে আজিও অসমীয়া ডেকা গাভৰুক অনুপ্ৰাণিত কৰে ঃ

*"বাজক ডবা, বাজক শঙ্খ*
*বাজক মৃদঙ্গ খোল*
*অসম আকৌ উন্নতি পথত*
*জয় আই অসম বোল।"*

❖❖❖

*"আত্ম শব্দৰ অৰ্থ কেবল নিজৰ শৰীৰটোৰেই নহয়। প্ৰগতিশীল পথত 'আত্ম'ৰ সংৰক্ষণ, সংগঠন আৰু সংবৰ্দ্ধনৰ বাবে নিজ অধিকাৰত সংশ্লিষ্ট মাটি-বাৰী, ঘৰ-দুৱাৰ, বেহা-বেপাৰ, ভাষা-সাহিত্য, সভ্যতা-সংস্কৃতি, ধৰ্ম-কৰ্ম, নীতি-নিয়ম, খেল-সমাজ, আবুৰ-ইজ্জত, ভাত-কাপোৰ, ব্যৱস্থা-বিচাৰ সকলো 'আত্ম' শব্দৰ অন্তৰ্গত। সেইবাবে আত্মৰক্ষাৰ অৰ্থ হৈছে আত্ম-সংশ্লিষ্ট সকলো বিলাকক ৰক্ষা কৰা।" —— অম্বিকাগিৰী ৰায় চৌধুৰী।*

# অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী

দুৰন্ত স্বদেশপ্ৰেমিক, কবি-গীতিকাৰ, গায়ক, নাট্যকাৰ, প্ৰবন্ধাকাৰ, সমাজ সেৱক অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী (১৮৮৫-১৯৬৭) আছিল অসমৰ জাতীয় স্বাৰ্থৰ হ'কে অবিৰাম গৰ্জন কৰি থকা এটি শক্তিশালী সক্ৰিয় আগ্নেয়গিৰী স্বৰূপ। জাতীয় স্বাৰ্থত সিংহৰ নিচিনা গৰজি উঠা অম্বিকাগিৰীৰ ব্যক্তিত্বৰ সৈতে তেখেতৰ অসম কেশৰী উপাধীটো আছিল অতিকৈ খাপখোৱা। বিপুল কৰ্মৰাজীৰ যোগেদি অসমীয়া জাতিক শক্তিমন্ত কৰি তোলাই আছিল ৰায়চৌধুৰীদেৱৰ জীৱনাদৰ্শ। দেশমাতৃৰ বন্দনাত দ্বৰ্থহীনভাবে জীৱন আহুতি দিয়া অম্বিকাগিৰীৰ অসম তথা অসমীয়া প্ৰেমৰ তুলনা নাই। নিজস্ব ভাষা-সংস্কৃতি, অৰ্থনীতি, ৰাজনীতি, সমাজনীতিৰ ক্ষেত্ৰত দেশখনক নিখুতকৈ ৰখা আৰু দেশবাসীৰ প্ৰাণত প্ৰচন্দ দেশপ্ৰেমৰ জোৱাৰ তুলি দেশৰক্ষাৰ বাবে সকলোকে যোগ্য বীৰ কৰি গঢ়ি তোলাই আছিল তেখেতৰ জীৱনৰ মূল উদ্দেশ্য। দেশপ্ৰেমৰ বীজ তেখেতৰ অন্তৰত ইমান দকৈ শিপাইছিল যে জীৱনৰ বিদায়পৰত 'দেশেই ভগবান' বুলি উপলব্ধি কৰিব পাৰিছিল। অৰ্ধ শতিকাতকৈও অধিক সময়জুৰি ৰায়চৌধুৰীদেৱে অসমৰ ৰাজনৈতিক-সাংস্কৃতিক জগতখনৰ লগত ইমান নিবিড়ভাবে জড়িত হৈ আছিল যে তেখতক বাদ দি এই সময়চোৱাৰ অসমৰ ইতিহাস বিচাৰ অসম্পূৰ্ণ হৈ ৰয়।

অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ মৃত্যুত শোক প্ৰকাশ কৰি অসমৰ প্ৰয়াত মুখ্যমন্ত্ৰী তথা মাদ্ৰাজৰ ভূতপূৰ্ব ৰাজ্যপাল শ্ৰীবিষ্ণুৰাম মেধিয়ে কৈছিল -

*"মাতৃভূমিক নিজৰ প্ৰাণতকৈও বেছি ভাল পোৱা লোক অতিকৈ বিৰল। কিন্তু সমগ্ৰ অসমবাসীয়ে গৌৰৱ কৰিব পাৰে যে, স্বৰ্গগত ৰায়চৌধুৰীয়ে আজীৱন মাতৃভূমিৰ সেৱা আৰু দেশৰ উন্নতিৰ চিন্তাতেই প্ৰাণ আহুতি দিলে। এনে এজন দেশহিতৈষী আৰু দেশপ্ৰাণ লোকৰ স্মৃতি খিলঞ্জীয়া কৰি ৰখা প্ৰত্যেক অসমীয়াৰে কৰ্ত্তব্য। তেওঁৰ স্মৃতি আৰু মহান কৰ্মৰাশীয়ে আমাক জীয়াই থকাৰ আশা দিব আৰু ভৱিষ্যতৰ উঠি অহা ডেকা-গাভৰুৰ বাবে তেওঁৰ স্মৃতিয়ে অনুপ্ৰেৰণাৰ ইন্ধন যোগাব।"*

ৰায়চৌধুৰীদেৱৰ মহান আত্মাৰ প্ৰতি স্মৃতি তৰ্পণ কৰি পদ্মশ্ৰী কবি শ্ৰীযুতা নলিনীবালা দেবীয়ে কৈছিল — *"এইজনা বিপ্লবী কবিৰ অন্তৰ আছিল অনন্ত শক্তিৰ আধাৰ।— —দেশ মাতৃৰ সন্মান, সংস্কৃতি, সাহিত্যৰ উৎকৰ্ষ সাধন কৰাই আছিল এই দেশপ্ৰাণ সেৱকজনৰ জীৱনৰ আদৰ্শময়ব্ৰত। দেশ বুলিলে মনে প্ৰাণে ব্যাকুল হৈ উঠা এনে এটি মহাপ্ৰাণৰ অভাৱ এই সঙ্কটময় দেশখনৰ অপূৰণীয় ক্ষতি।"*

১৮৮৫ চনৰ ডিচেম্বৰ মাহৰ ১৮ তাৰিখে (অসমীয়া ৪ পুহ, ১৮০৭ শকাব্দ) অসমৰ কাশীপুৰী বৈষ্ণৱ তীৰ্থ বৰপেটা ধামৰ দক্ষিনহাটীত পিতৃ কৃষ্ণৰাম ৰায়চৌধুৰী আৰু মাতৃ দৈৱকীদেৱীৰ চাৰিটি সন্তানৰ ভিতৰত দ্বিতীয় সন্তানৰূপে অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ জন্ম হয়। মাতৃ দৈৱকী দেৱী সুন্দৰীদিয়া সত্ৰৰ ডেকা অধিকাৰ ভিতৰাম দেৱাধিকাৰীৰ জীয়ৰী আছিল। অম্বিকাগিৰীৰ পূৰ্বপুৰুষ ৰামৰায় বৰুৱা বা জগতানন্দ ৰায়বৰুৱা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দদাইদেৱেকৰ পুত্ৰ আছিল। ৰামৰায়ক আহোম ৰজাই 'দলপতি' উপাধী দিয়ে আৰু তেওঁৰে পূৰ্বপুৰুষ জহাৰামক কোচৰজা নৰনাৰায়ণৰ আদেশমৰ্মে মহাবীৰ চিলাৰায়ে জমিদাৰী দি প্ৰাপিত কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু ৰামৰায় আদি ভাগী-ভাই সকলে একান্নবৰ্ত্তী পৰিয়ালৰ সদস্যহিচাপে বৰপেটাত বহুদিন একেলগে আছিল যদিও ৰামৰায়ৰ কন্যা ভুবনেশ্বৰী বা কমলাপ্ৰিয়াৰ সৈতে মহাবীৰ চিলাৰায়ৰ বৈবাহিক সম্বন্ধ ঘটা হেতুকে ৰামৰায়ে জীৱনৰ শেষ অৱস্থাত কোচবিহাৰত থাকিবলৈ লয়। কিন্তু কেবাপুৰুষৰ পিছত ৰাজনৈতিক কাৰণত ৰামৰায়ৰ বংশধৰ জহাৰামে তেওঁলোকৰ পূৰ্বৰ বাসস্থান বৰপেটালৈ আহে। সেই সময়ত কামৰূপীয় কায়স্থ সকলৰ 'গিৰী', 'ৰায়' আদি উপাধী আছিল। 'ৰায়' শব্দই সৰু সুৰা

ৰজাক আৰু 'গিৰী' শব্দই গৰাকীক বুজায়। যিসকলে ৰাজবংশৰ মানুহ হৈয়ো ৰজাৰ অধীনত একেখন পৰগনাৰ পৰা 'চৌথ' (খাজনা) তুলিছিল আৰু দেৱানী ফৌজদাৰী বিষয়ৰ বিচাৰ কৰিছিল তেওঁলোকক 'ৰায়চৌধুৰী' বোলা হৈছিল। উল্লেখিত জগতানন্দক কোচবিহাৰৰ ৰজাই 'ৰায়বৰুৱা' উপাধী দিছিল আৰু জহাৰামক আহোম স্বৰ্গদেউ শিৱসিংহই পাটবাউসী, বৰপেটা আৰু সুন্দৰীদিয়া সত্ৰক ভূমি দান দিয়াৰ সময়ত পৰগনাৰ চমুৱা চৌধুৰী পাতে। ৰায়চৌধুৰী বংশৰ পৰিয়ালটো এক সম্ভ্ৰান্ত পৰিয়াল হিচাপে বৰপেটাত বিবেচিত হৈছিল যদিও কালক্ৰমত বিভিন্ন কাৰণত অৰ্থনৈতিক অৱস্থা বেয়া হ'বলৈ ধৰে আৰু এটা সময়ত আনকি অম্বিকাগিৰীৰ পিতৃ কৃষ্ণৰামে জীৱন নিৰ্বাহৰ বাবে দৰ্জিৰ কাম কৰিয়ো চ লিব লগা হৈছিল। গতিকে অম্বিকাগিৰীৰ ব্যক্তিত্ব আৰু চৰিত্ৰ গঠনত বংশগৌৰব, অৰ্থনৈতিক উত্থান-পত্থান, বৈষ্ণৱ সংস্কৃতি আৰু সমাজৰ নিম্ন বৰ্গৰ লোকসকলৰ অনুভৱ-অনুভূতি আদিয়ে শৈশৱ কালৰ পৰাই প্ৰভাৱ বিস্তাৰ কৰিছিল।

অম্বিকাগিৰী সৰু হৈ থাকোঁতেই পিতাক ঢুকুৱাৰ ফলত মাক দৈৱকীদেৱীৰ কঠোৰ শাসন আৰু মোমায়েক সকলৰ তত্ত্বাৱধানত ডাঙৰ দীঘল হয়। তেখেতে বৰপেটাত প্ৰাইমাৰী স্কুলত শিক্ষা আৰম্ভ কৰে আৰু প্ৰাইমাৰী বৃত্তি পৰিক্ষাত বৃত্তি লৈ পাচ কৰে। পিছত গুৱাহাটীলৈ আহি সোনাৰাম হাইস্কুলত নাম ভৰ্ত্তি কৰে আৰু ১৯০০ চনৰ পৰা এবছৰ - দুবছৰ মানৰ বাবে গৌৰীপুৰ আৰু শিৱসাগৰতো পঢ়ে। বিদ্যায়তনিক শিক্ষা অম্বিকাগিৰীৰ নিচেই কম। সমাজৰ মানুহৰ সংশ্ৰৱৰ পৰাহে তেওঁ শিক্ষা আহৰণ কৰিছিল। হাইস্কুলত পঢ়ি থকাৰ সময়তে পানবজাৰৰ বিখ্যাত ব্যায়ামবীৰ বিভুবানন্দ চৌধুৰীৰ তত্ত্বাৱধানত ব্যায়াম শিকিবলৈ লৈছিল আৰু সেই সময়তে গীত-বাদ্য আদিতো খ্যাতি লাভ কৰিছিল। শৈশৱ কালতেই অম্বিকাগিৰীয়ে মাতৃ দৈৱকীদেৱীৰ তত্ত্বাৱধানত 'কীৰ্ত্তন ঘোষা' - 'নামঘোষা' পঢ়ি বৰগীতৰ সুৰ আয়ত্ব কৰি শঙ্কৰী সংস্কৃতিৰ প্ৰতি একান্ত অনুৰাগী হৈ পৰে। বিভিন্ন অনুষ্ঠানত বৰগীত সমূহ শুদ্ধ আৰু সুমধুৰ সুৰত গাই ৰাইজৰ বিশেষ সমাদৰ লাভ কৰিছিল। হাইস্কুলত পঢ়ি থাকোতেই ১৯০৪-০৫ চনত বৃটিছ শাসক লৰ্ড কাৰ্জনৰ দিনত বঙ্গভঙ্গ আন্দোলনে দেখা দিয়াৰ সময়তেই অম্বিকাগিৰীয়ে আনুষ্ঠানিক পঢ়াশালীয়া জীৱনৰ

সামৰণি পেলাই আন্দোলনত যোগ দি এক বিপ্লৱী কৰ্মবহুল জীৱনৰ পাতনি মেলে।

বঙ্গভঙ্গ আন্দোলনৰ সময়চোৱাত বৃটিছে বঙ্গদেশখন বহু ডাঙৰ হৈছে বুলি ইয়াক দুভাগত ভাগ কৰি এখনক পূৰ্ব্ববঙ্গ আৰু আনখনক পশ্চিমবঙ্গ নাম দিব খোজাত বঙ্গদেশত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছিল আৰু আনহাতে অসম খনক পূৰ্ব্ববঙ্গৰ সৈতে লগ লগোৱাৰ আশংকা কৰি অসমীয়া জাতিৰ সঙ্কটাবস্থা আহিব বুলি এচাম অসমীয়া ডেকাই সন্ত্ৰাসবাদী পন্থা অবলম্বন কৰি বৃটিছ শাসন ওফৰাই দিয়াৰ চেষ্টা কৰিছিল। এই দলটোতে অম্বিকাগিৰীয়ে যোগদান কৰি ডেকাসকলক লাঠিখেল, তৰোৱাল খেল আদি শিকায়। সেই সময়তে চৌধুৰীদেৱে প্ৰথমে ৰচনা কৰিছিল 'বন্দিনী ভাৰতমাতা' নামৰ এখনি সৰু নাটিকা যিখনৰ পাণ্ডুলিপিটো 'সৰস্বতী পূজা' উপলক্ষে কিছুমান ছাত্ৰৰ দ্বাৰা অভিনীত হৈ থকাৰ সময়ত পুলিচে নষ্ট কৰি পেলায়। অম্বিকাগিৰীয়ে এই বিপ্লৱী সংগঠনৰ সহযোগীসকলৰ সৈতে গুৱাহাটীৰ 'আন্দাবাংলা' ত অগ্নি সংযোগ কৰা আৰু শিলং-গুৱাহাটীৰ পথত ডিনামাইট পোতা আদি কাৰ্য্যত জড়িত হৈ পৰে। পিছত পুলিচৰ চোকা দৃষ্টিৰ পৰা হাত সাৰি থাকিবলৈ ১৯০৮ চনৰ পৰা ১৯১৫ চনলৈকে বৰপেটাৰ নিজা ঘৰত থাকিবলৈ লয়। বৰপেটাত এই অন্তৰীণ হৈ থকা কালচোৱাত অম্বিকাৰ চিন্তাৰ আমূল পৰিবৰ্ত্তন ঘটে। এই সময়চোৱাৰ ভিতৰতে 'জয়দ্ৰথ বধ', 'ভক্ত গৌৰব', 'কল্যাণময়ী', 'তুমি', 'বীনা', 'বেনু' আৰু নানান গীত-পদ-প্ৰবন্ধ ৰচনা কৰি সাহিত্যিক জীৱন আৰম্ভ কৰে আৰু লগতে বহুতো সংগঠনমূলক কামত হাত দিয়ে। বৰপেটাৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ খৰচ যোগোৱাৰ বাবে 'পুস্তৰ ফাণ্ড' খোলে। যুৱক সকলৰ শৰীৰ চৰ্চ্চাৰ বাবে 'লাঠিখেল' শিক্ষা, থলুৱা ঢুলীয়া চাৰ্কাচৰ সংশোধিত ৰূপত 'শঙ্কৰদেৱ চাৰ্কাচ পাৰ্টী' আদি গঠন কৰে। লিখিব পঢ়িব নজনা মানুহবোৰ গোটাই আজৰি সময়ত সমাজসেৱা আৰু সঙ্গীত চৰ্চ্চা কৰিবৰ বাবে 'গৰীৱ সমাজ' আৰু 'সনাতন সঙ্গীত সমাজ' গঠন কৰে। এই সমাজ সংগঠনৰ যোগেদি লিখিব পঢ়িব নজনা মানুহক লিখা পঢ়া শিকোৱা হৈছিল আৰু 'জয়দ্ৰথ বধ' গীতি নাটক খনৰ গীতবোৰ ৰচনা কৰি সনাতন সঙ্গীত সমাজৰ যোগেদিয়েই প্ৰথমে অভিনয় জগতত আগবাঢ়িছিল।

ছাত্ৰাৱস্থাৰ পৰাই অম্বিকাগিৰীৰ চৰিত্ৰত জাতীয়তাবাদী চিন্তাধাৰা, আবেগিকতা, অকপট সৰলতা, স্পষ্টবাদিতা, মানৱিক দৃষ্টিভঙ্গী আৰু সামুহিক প্ৰয়োজনত নিজৰ ব্যক্তিগত সুখ বিসৰ্জন দিব পৰা মানসিকতা গঢ়ি উঠিছিল। অন্যায় আৰু অসত্যৰ সৈতে তেওঁৰ আপোচহীন মনোভাব সৰু কালৰ পৰাই গঢ়ি উঠিছিল। ছাত্ৰাৱস্থাতে এদিনাখন তেখেতে ব্ৰহ্মপুত্ৰই উটাই নিয়া এজনী সৰু ছোৱালীক নিজৰ জীৱন বিপন্ন কৰিও উদ্ধাৰ কৰা কাৰ্য্যই বা কোনো নাৱৰ যাত্ৰীয়ে অসুখত মৰা বুলি লুইতৰ বালিত পেলাই দিয়া কলেৰা আক্ৰান্ত লৰা এটা বুটলি আনি চিকিৎসকৰ দ্বাৰা চিকিৎসা কৰাই শুশ্ৰূষা কৰি প্ৰাণৰক্ষা কৰা ঘটনাৰ পৰা তেওঁৰ মানৱিকতাবাদী দৃষ্টিভঙ্গীৰ বিষয়ে উমান পাব পৰি। তদুপৰি ধন-সম্পত্তি বিষয়ত নিস্পৃহ অম্বিকাগিৰীয়ে সময়ত নিজৰ গাৰ উৰা কাপোৰখনো জাৰত কপি থকা মানুহজনক দিবলৈ ইতস্ততবোধ নকৰিছিল। বহুসময়ত তেখেতক বহুতে উগ্ৰজাতীয়তাবাদী বা সঙ্কীৰ্ণমনা বুলি আখ্যা দিলেও ভাষিক দুৰ্যোগৰ সময়ত আক্ৰমনকাৰীৰ হাতৰ পৰা বহুতো বঙলাভাষীক ৰক্ষা কৰি নিজেই তেওঁ বহুতৰ শত্ৰু হৈ পৰিছিল।

১৯১৫ চনৰ পৰা ১৯১৮ চনলৈ ৰায়চৌধুৰীদেৱে ডিব্ৰুগড়ত থকা সময়চোৱাত 'আসাম বান্ধৱ' নামৰ সাহিত্য আলোচনীখনৰ সহকাৰী সম্পাদকৰূপে কিছুদিন কাম কৰে। বৰপেটাত গৃহবন্দী হৈ থকা বছৰ কেইটাত তেখেতে ৰচনা কৰা 'তুমি' কাব্য আৰু 'বীণা' খণ্ড কবিতা পুথি ১৯১৬ চনত ডিব্ৰুগড়ৰ পৰাই প্ৰকাশ কৰি উলিয়ায়। ডিব্ৰুগড়ত তেখেতে ৰেল বিভাগত টাইপিষ্ট আৰু সঙ্গীত শিক্ষক হিচাপেও কিছুকাল কাম কৰিছিল। ১৯১৭ চনত 'অসম সাহিত্য সভাৰ' সৈতে জড়িত হৈ পৰে। ১৯১৮ চনত ৰায়চৌধুৰীদেৱে 'চেতনা' নামৰ আলোচনীখন প্ৰকাশ কৰি উলিয়াবৰ বাবে গুৱাহাটীলৈ আহি অশেষ কষ্ট স্বীকাৰ কৰি গুৱাহাটীত 'অৰুণা প্ৰেছ' স্থাপন কৰে আৰু ১৯১৯ চনত এই প্ৰেছৰ পৰা আলোচনীখনৰ সম্পাদনাৰ দায়িত্ব বহন কৰি প্ৰকাশ কৰে। এই আলোচনীখনৰ যোগেদি তেখেতৰ ৰাজনৈতিক মতামত আৰু সামাজিক চিন্তাধাৰা সময়ে সময়ে প্ৰকাশ পাইছিল। তেখেতৰ সম্পাদনাত প্ৰায় ৯ বছৰকাল 'চেতনা' আলোচনীখন প্ৰকাশ পাইছিল। 'চেতনা'ৰ পিছতেই 'ডেকা অসম' প্ৰকাশ পায়। ১৯২০ চনত

ৰায়চৌধুৰীদেৱে মহাত্মা গান্ধীৰ সংস্পৰ্শলৈ আহি ১৯২১ চনত অসহযোগ আন্দোলনত ভাগ লৈ বৰপেটাত আন্দোলন কৰোঁতে তিনিবছৰ সশ্ৰম কাৰাদণ্ড ভোগে। জেলত থাকোঁতেই অৰুণা প্ৰেছ পুৰি শেষ হয় যদিও জেলৰ পৰা ওলাই পুনৰ নতুনকৈ প্ৰেছ পাতি 'চেতনা'খন উলিয়াবলৈ লয়। 'চেতনা' প্ৰকাশৰ সময়ত অৰ্থৰ অভাৱত কৰ্মচাৰী ৰাখিব নোৱাৰি ৰায়চৌধুৰীদেৱে নিজেই ৰাতি এডোখৰলৈকে আখৰ জোটনি কৰি ছপা কৰি কাগজ উলিয়াই নিজে ঘৰে ঘৰে গ্ৰাহক বিলাই ফুৰিছিল। কামৰ হেঁচাত, সময়ৰ অভাৱত কেতিয়াবা তেখেতে দুপৰীয়াৰ আহাৰেই ৰাতিও খাব লগাত পৰিছিল। ধন ঘটাৰ আশা লৈ তেখেতে ইমান কষ্ট কৰি এই পত্ৰিকা প্ৰকাশ কৰা নাছিল, বৰং ইয়াৰ যোগেৰে দেশবাসীৰ মনত দেশপ্ৰেমৰ চেতনা জগাই তোলাটোহে তেওঁৰ মূল উদ্দেশ্য আছিল।

'চেতনা' আৰু 'ডেকা অসম'ৰ পাতত তেখেতৰ বিবিধ চিন্তামূলক প্ৰবন্ধ-নিবন্ধ আৰু সম্পাদকীয় মতামতবোৰত দেশৰ স্বাধীনতা আন্দোলনকে আদি কৰি সামাজিক জীৱনৰ বিভিন্ন সমস্যা দেশবাসীৰ আগত দাঙি ধৰিছিল। নিজৰ জীৱনত যি সাধনা কৰিছিল তাক অসমীয়া জাতিৰ যোগেৰে সিদ্ধিলাভ কৰিবলৈ প্ৰয়াস কৰিছিল। লিখনিৰ যোগেৰে তেখেতে অন্তৰৰ সূক্ষ্ম ভাবক ভাষাৰে মূৰ্ত্তমান কৰিছিল। এই প্ৰসঙ্গত ৰায়চৌধুৰীদেৱে 'মই লিখো কিয়' ত উল্লেখ কৰিছে -

"......... *'চেতনা' আৰু 'ডেকা অসম'ৰ সম্পাদকীয় প্ৰবন্ধ সমূহতে মোৰ অধিকখিনি চিন্তাচৰ্চা লিপিবদ্ধ হৈ আছে। —— ভিন ভিন পৰিস্থিতিৰ আহ্বানত সেই একেটা উদ্দেশ্যৰেই পৰিচালনা কৰা এই দুখন আলোচনী আৰু কাকতত 'দেশ কাল আৰু সমাজগত বিষয়, সমস্যা সম্পৰ্কে চিন্তা চৰ্চা কৰিবলগীয়া হৈছিল। সেইবিলাক সম-সাময়িক বিষয়ক কথাৰ অৱলম্বনতেই সেই সম্পৰ্কত মোৰ মনত উদয় হোৱা সাৰ্বজনীন জাগতিক চিন্তা আৰু মনোভাৱো মই প্ৰকাশ কৰিছিলো।*"

ৰায়চৌধুৰীদেৱে কথাতকৈ কৰ্ম্মতহে অধিক প্ৰধান্য দিছিল। ১৯২০ চনত মহাত্মা গান্ধীৰ সংস্পৰ্শলৈ অহাৰ পিছত স্বদেশী আন্দোলনৰ সময়ৰ পৰা তেখেতৰ কৰ্মময় জীৱন অধিক গতিময় হৈ উঠিল। কঠোৰ পৰিশ্ৰম আৰু আত্মৰক্ষা - এই দুয়োটাৰ যোগেৰে তেওঁ দেশবাসীক উদ্বুদ্ধ কৰিবলৈ

চেষ্টা চলায়। ত্যাগ আৰু মৰণৰ মাজেদি কৰ্মানন্দ লাভ কৰাটোৱেই তেখেতৰ জীৱন দৰ্শন হৈ পৰিল। নিজৰ জীৱনৰ বিভিন্ন কৰ্মৰাজিৰে তেখেতে দেশবাসীক এই মহামন্ত্ৰৰ দীক্ষা দিব বিচাৰিছিল। সেয়েহে ‘কৰ্ম্ম গীতিকা’ত তেওঁ লিখিছে-

“কৰ্ম্মৰেহে ঘটিব তোৰ বিৰাট ঐক্য সংগঠন
জীৱন জগাই বৈ থাকিব শক্তি প্ৰবল প্ৰস্ৰবন।”

‘কৰ্ম্ম গীতিকা’ৰ মাজেৰে তেখেতে কব বিচাৰিছিল যে জীৱনটোক কঠোৰ কৰ্ম্মমূখী কৰি তুলিব পাৰিলেহে জীৱনত প্ৰকৃত আনন্দ লাভ কৰিব পাৰি। এলেহুৱা লোকে জীৱনৰ কোনো বিষয়তে সফল হ’ব নোৱাৰে বুলি সোঁৱৰাই দি তেওঁ কৈছিল যে কৰ্ম্মই জীৱন মুক্তিৰ একমাত্ৰ অমোঘ মন্ত্ৰ। এই মন্ত্ৰেৰেই তেওঁ ডেকা অসমক উদ্বুদ্ধ কৰিবলৈ অপ্ৰাণ চেষ্টা কৰি লিখিছিল -

“কৰ কৰ কাম, ধৰ ধৰ কাম, জীৱনটো তোৰ সত্য হ’ক,
সত্যৰ সোঁত কলকলকৈ জীৱন নদী ভৰাই ব’ক,-
কৰ কৰ কাম , ধৰ ধৰ কাম
অবিৰাম, অবিশ্ৰাম।”

জেলত কাৰাবৰণ কৰি থকা অৱস্থাত ৰায়চৌধুৰীদেৱে বৃটিছ চৰকাৰৰ দাসত্ব স্বীকাৰ নকৰি কয়দী সকলক দেশমুক্তিৰ বাবে উদগনি যোগোৱাত জেল কৰ্ত্তৃপক্ষই তেখেতক কঠোৰ শাস্তি বিহিছিল। জেলত পায়খানা চাফা কৰা , শিল ভাঙিবলৈ দিয়া ইত্যাদি সকলো কাম তেওঁ হাঁহিমুখে বৰণ কৰিছিল, পায়খানা চাফা কৰোঁতে তেওঁ সুঁৰ দি দি গাইছিল -

“বীৰ বেশেৰে ধৰ ঝাড়ু ধৰ
জাতিৰ জীৱন কৰ মনোহৰ
সাৰি পুচি চুকে কোনে
য’ত যি আছে জাহি-জাবৰ
নহলে যে বিশ্বসভাত নহব তোৰ বহাৰ ঠাই।”

ভৰি আৰু ককালত লোহাৰ শিকলি পিন্ধি শিল ভাঙোঁতেও তেওঁ হাতুৰিৰ তালে তালে গাইছিল-

“তই ভাঙিব লাগিব শিল

নোৱাৰো বুলিলে নহব যে ভাই টিলতে পৰিব টিল"

গান্ধীজীৰ নিচিনাকৈ অম্বিকাগিৰীয়েও বিশ্বাস কৰিছিল যে ব্যক্তিৰ পূৰ্ণ বিকাশ হলেহে সমষ্টি শক্তিমন্ত হয়। অৰ্থাৎ ব্যক্তি বাদ দি সমাজ নহয় বা সমাজ বাদ দি ব্যক্তি চলিব নোৱাৰে। দুয়োটা পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। শৰীৰৰ কোনো অঙ্গ-প্ৰতঙ্গৰ কোনো খুত হলে যেনেদৰে সম্পূৰ্ণ শৰীৰত তাৰ প্ৰভাৱ পৰে তেনেদৰে সমাজৰ কোনো ব্যক্তিৰ কু-কৰ্মই সম্পূৰ্ণ সমাজৰ ক্ষতি কৰে। সেয়েহে তেখেতে সমাজ কল্যাণৰ কথা ভাবোঁতে ব্যক্তি কল্যাণ অপৰিহাৰ্য্য বুলি ভাবিছিল। ৰায়চৌধুৰীদেৱে সমাজ কল্যাণৰ হ'কে বিশেষকৈ ডেকা-ডেকেৰী সকলৰ কৰ্মশক্তিক জগাই তোলাত বিশেষ গুৰুত্ব দিছিল। সেয়েহে তেওঁ লিখিছিল -

"কোন যুৱকৰ মহোৎসৱ?
মহোৎসৱৰ কলৰব?
কৰ্ম-শ্ৰম-দীপ্ত যুৱক নেদেখোচোঁন মোৰ দেশত
কৰ্ম মুখৰ তেজ উথলি ৰঙা পৰা মুখখনত
দেখিছো যি শ্ৰমৰ শাৰীত মুখ লুকোৱা ধোদৰ দ'ল,
প্ৰগতিৰ সোঁত ঘোলা কৰা শ্ৰমত কাতৰ অলস ধল"

পৰাধীন ভাৰতবৰ্ষত স্বাধীনতাই জনগণৰ একমাত্ৰ কাম্য। সেয়েহে অম্বিকাগিৰীয়ে ডেকা-গাভৰু সকলক দেশ সেবাৰ মনোভাবেৰে কাম কৰি বিদেশী শাসন ওফোৰাই দেশৰ স্বাধীনতা অনাৰ বাবে আহ্বান জনাইছিল। 'স্বাধীনতা' বোলোতে তেখেতে উদ্দীপ্ত আৰু প্ৰাণবন্ত ভাবাৰে কৈছে-

"নিজেই নিজক শাসন কৰিম
নিজেই নিজক ভাঙিম গঢ়িম
নিজেই নিজক ফুলাই ফলাই
অসীম ধিয়াই আগবাঢ়িম।"

জনগণৰ দেশপ্ৰেম জগাই তোলাৰ বাবে অম্বিকাগিৰীয়ে অসংখ্য কবিতা লিখিছিল। "স্থাপন কৰ-স্থাপন কৰ', 'বেদনাৰ উল্কা' 'আজি বন্দো কি ছন্দেৰে' ইত্যাতি কবিতা পুথি বিলাকৰ কবিতা আৰু গীত সমূহত দেশৰ অতীত গুণ - গৰিমা সুঁৱৰি দেশবাসীক জাগ্ৰত হ'বৰ বাবে আহ্বান জনাইছে। ১৯২৬ চনত পাণ্ডুত বহা জাতীয় কংগ্ৰেছ মহাসভাত ভাৰতমাতাৰ ভৱিষ্যত কল্পনা কৰি ৰচনা কৰা তেখেতৰ 'বন্দো কি ছন্দেৰে'

গীতটো সমবেত উদ্বোধনী গীত হিচাপে পৰিবেশন কৰোঁতে উপস্থিত ৰাইজৰ মাজত প্ৰগাঢ় দেশপ্ৰেমৰ সঞ্চাৰ কৰিছিল। গীতটোত তেখেতে কৈছিল-

'আজি বন্দো কি ছন্দেৰে সমাগত বিৰাট
নৰ নাৰায়ণ ৰূপ, নৰ নাৰায়ণ ৰূপ
পঙ্কিল পৰাধীন কুণ্ঠিত চিত-মন
নাই ফুল-চন্দন-ধুপ, নাই ফুল-চন্দন-ধুপ।
জ্বলক ভাৰতমাতা বিশ্বত বিজয়ী
বৰ্ম্মেৰে সাজি অপৰূপ
বৰ্ম্মেৰে সাজি অপৰূপ"

অম্বিকাগিৰীয়ে ৰাজনৈতিক জীৱনত গান্ধীজীৰ অনুগামী হিচাপে এজন প্ৰকৃত কংগ্ৰেছকৰ্মী তথা দেশপ্ৰেমিক আছিল যদিও তেখেতৰ বিভিন্ন লিখনিত অসম তথা অসমৰ জাতীয় সমস্যাই বিশেষ প্ৰাধান্য পাইছিল। স্বাধীনতা আন্দোলন চলি থকা সময়চোৱাতো অসমীয়া জাতি সত্বাক নিচিহ্ন কৰিব বিচৰা শক্তি, বহিৰাগতৰ সমাগম, অসমৰ খেতিৰ মাটিৰ ওপৰত পমুৱাৰ বেদখল, চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য আদিত অসমীয়া লোকৰ অধিকাৰ সংকোচন আদি বিষয় সমূহৰ ওপৰত তেখেতে চোকা দৃষ্টি ৰাখিছিল আৰু সময়ে সময়ে এই বিষয়ে অসমবাসীক সজাগ কৰি তুলিছিল। সৰ্ব - ভাৰতীয় মনোভাব অক্ষুন্ন ৰাখিয়ো তেখেতে অসমৰ স্বাৰ্থৰ হ'কে 'অসম জাতীয় মহাসভা', 'অসম শিক্ষা প্ৰচাৰ সমিতি', অসমীয়াৰ অধিকাৰ আৰু স্বাৰ্থ সংৰক্ষণী সভা আদি অনুষ্ঠানৰ জৰিয়তে অসমবাসীক সচেতন কৰি ৰাখিবৰ বাবে অপ্ৰাণ চেষ্টা কৰিছিল। ৰায়চৌধুৰীদেৱৰ জাতীয়তাবাদী দৃষ্টিভঙ্গীৰ বিষয়ে তলৰ কথা কেইশাৰীৰ পৰা উমান পাব পাৰি-

*"ভাৰতীয় মহাজাতিৰ জাতীয় স্বাধীনতা লাভৰ বাবে চলোৱাৰ আগখিনিত অসমীয়াই তাৰ নিজৰ জাতীয় স্বাধীনতাৰ সবল সত্বাৰ আদৰ্শটো আগত তুলি ধৰি লৈহে আগবাঢ়িব লাগিব- যিকোনো ধৰণৰ শোষণ ক্ৰীয়াকেই অসমীয়া জাতীয় জীৱনৰ পৰা খহাই পেলাই পোণ প্ৰথমতে সেইবোৰ নিশ্চিহ্ন কৰিব লাগিব - সেইটো বাহিৰৰ পৰাই হওঁক নাইবা ভিতৰৰ পৰা উঠাই হওঁক।"*

অম্বিকাগিৰী ৰায়চৌধুৰীৰ ৰাজনৈতিক দৰ্শনক কেন্দ্ৰ কৰি কংগ্ৰেছী

নেতা সকলৰ মাজত যথেষ্ট বিতৰ্কৰ সূচনা হৈছিল। তেখেতৰ স্পষ্ট আদৰ্শ আছিল যে প্ৰত্যেক প্ৰদেশৰ স্বাৰ্থ সৰ্ব্বভাৰতীয় স্বাৰ্থৰ পৰিপন্থী নহয়। ৰায়চৌধুৰীদেৱৰ এই চিন্তাত কেবল সৰ্ব্বভাৰতীয়ই নহয়, অসমৰো বহু বিশিষ্ট কংগ্ৰেছী নেতাই ক্ষুন্ন হৈছিল। তেওঁক উগ্ৰ প্ৰাদেশিকতাবাদী বুলি কটু সমালোচনা কৰা হৈছিল। কিন্তু অসম চেতনা বা অসমীয়া জাতীয়তাবাদৰ প্ৰবক্তা হলেও ভাৰত চেতনা বা ভাৰতীয় জাতীয়তাবাদৰ প্ৰতি তেওঁ একেবাৰে পিঠি দিয়া নাই। তেওঁৰ অসংখ্য ৰচনাত ভাৰত বন্দনাৰ প্ৰমাণ পোৱা যায়। জাতীয়তাবাদ আৰু বিশ্বমানৱতাবাদ- দুয়োটাকে একেলগে সাঙুৰি ৰাখি, পঞ্চায়ত ৰাষ্ট্ৰ গঠনৰ পৰিকল্পনাৰে, ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ আধাৰত ভাৰতবৰ্ষৰ সাংবিধানিক ব্যৱস্থাত দ্বি-নাগৰিকত্বৰ আধাৰত - 'ভাৰতীয় স্বৰাজ আৰু অসমীয়াৰ স্বৰাজক' পাৰস্পৰিক বিৰোধবিহীনভাৱে বৰ্ত্তাই ৰখাৰ পথ অম্বিকাগিৰীয়ে অন্বেষণ কৰিছিল। তেখেতৰ দৃষ্টিত ভাৰতীয় সংস্কৃতি আৰু অসমীয়া সংস্কৃতিৰ সম্পৰ্ক অংগাঙ্গী। এই প্ৰসঙ্গত বিশিষ্ট সাহিত্যিক ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱে কৈছে - *"অসমীয়া জাতীয়তাবাদৰ ৰাখ্যা কৰোঁতে তেওঁ মাটিৰ মোহৰ ওপৰত বিশেষভাৱে জোৰ দিছে। অসমীয়া সংস্কৃতিক প্ৰধানতঃ তেওঁ বিভিন্ন নতুন উপাদানেৰে সংমিশ্ৰিত হৈ উঠা সৰ্ব্বভাৰতীয় হিন্দু সংস্কৃতিৰে এটি আঞ্চলিকৰূপ স্বৰূপে গণ্য কৰে। তেওঁ বিশ্বাস কৰে যে মানুহে নিজৰ 'milieu'—ৰ মাজেদিহে মনুষ্যত্বৰ বিকাশ কৰিব পাৰে। সেই কাৰণেই জাতীয়তাৰ প্ৰয়োজন, সেই কাৰণেই নিজৰ 'milieu'— ৰক্ষা কৰা কৰ্ত্তব্য।"*

অসমৰ মাটি-পানী-বায়ু প্ৰত্যেক বস্তুৱেই তেখেতৰ বাবে অতি আপোন আছিল। অসমী আইক তেওঁ জীৱন্ত মাতৃৰূপে কল্পনা কৰিছিল। সেয়েহে ইয়াক সংৰক্ষণৰ বাবে দেশবাসীৰ প্ৰতি আকুল আহ্বান জনাইছে-

"মাটিয়েই দেশ, দেশেই আত্ম
মাটি দেশ গ'লে আত্ম নাই
সেই আত্ম লটি-ঘটি হ'লে
এৰি গুছি যায় মানৱতাই।"

ৰায় চৌধুৰীদেৱৰ মতে নিজ দেশৰ মাটিৰ আশ্ৰয় অবিহনে কোনো ব্যক্তিৰেই আত্ম পৰিচয় নাই। দেশৰ মাটিত বৰ্ত্তি থাকিলেহে আত্মৰক্ষা হয়

আৰু আত্ম ৰক্ষা হলেহে ব্যক্তিৰ জীৱন প্ৰতিভাত হোৱাৰ সুবিধা থাকে। ইয়াত 'আত্ম' বুলি কওঁতে তেখেতে অকল ব্যক্তিৰ শৰীৰটোকেই বুজোৱা নাই। এই বিষয়ে তেখেতে কৈছে - *"আত্ম সংৰক্ষণ, আত্ম সংগঠন আৰু সংবৰ্দ্ধনেই হৈছে ব্যক্তি হিচাপেও আৰু সমষ্টি হিচাপেও সকলো মানুহৰ মূল উদ্দেশ্য আৰু মূল নীতি। 'আত্ম' শব্দটোৰ অৰ্থ হৈছে চেতনাময়।"* তেখেতৰ মতে জাতীয় জীৱন, জাতীয় চেতনা আৰু জাতীয় আদৰ্শক ৰক্ষা কৰাটো প্ৰত্যেক দেশবাসীৰ মুখ্য কৰ্ত্তব্য হোৱা উচিত। ডেকা শক্তিৰ অন্তৰত প্ৰখৰ আত্মচেতনা, প্ৰচণ্ড কৰ্মশীলতা, আৰু আত্মনিৰ্ভৰশীলতাৰ বীজ সিঁচি দি ডেকাশক্তিৰ আত্মবিশ্বাস সঞ্চাৰ কৰাটোৱেই তেখেতৰ মূল উদ্দেশ্য আছিল৷ ৰায় চৌধুৰীদেৱৰ মতে - *"মানুহ আত্মচেতনাহীন হ'লে তাৰ আত্মবিশ্বাস লোপ পায়। আত্মবিশ্বাস লোপ পালে আত্ম শ্ৰদ্ধাই তাক এৰা দিয়ে। আত্ম শ্ৰদ্ধাই এৰা দিলে আত্ম মৰ্য্যাদাৰ জ্ঞান তাৰ পৰা খহি পৰে। আত্ম মৰ্য্যাদাৰ জ্ঞান খহি পৰিলে— তাৰ ভিতৰত আত্মৰক্ষাৰ ভাবটোৰ সঁচ মৰে।"* বঙালীভাষী লোক সকলৰ একাংশৰ চিন্তাধাৰা আৰু কাৰ্য্যকলাপ, কলিকতীয়া বাতৰিকাকত আৰু এচাম বুদ্ধিজীৱিৰ ভূমিকা, স্বাধীনতাৰ পিছতো বংগদেশৰ কিছু সংখ্যক লোকৰ চিন্তা আৰু কাৰ্য্যকলাপে ৰায়চৌধুৰীদেৱক চিন্তিত আৰু অসহিষ্ণু কৰি তুলিছিল। সেয়েহে তেখেতে অসমত চাৰি-পাঁচ পুৰুষ ধৰি বসবাস কৰি অহা বঙালীভাই সকলক অসমীয়া ভাষাৰ বিশেষত্বটো নষ্ট কৰি তাৰ ঠাইত বঙলা ভাষা চলাবৰ বাবে ব্যৰ্থ চেষ্টা নকৰিবৰ বাবে আহ্বান জনাইছিল আৰু এনে কৰিলে তেওঁলোকে অসমীয়া জাতিৰ অশ্ৰদ্ধাৰ আঘাত সহিব লাগিব বুলি সাবধান বাণীও শুনাইছিল।

ৰায়চৌধুৰীদেৱে অসমৰ ডেকাশক্তিক আনৰ কু-অভিপ্ৰায়ত আত্ম সমৰ্পন নকৰি নিজৰ জাতীয় জীৱনক প্ৰস্ফুটিত কৰি জাতীয় চেতনা সঞ্জীৱিত কৰি ৰাখিবলৈ আহ্বান জনাইছিল। তেখেতৰ মতে আত্মবিস্মৃত আৰু আত্মমৰ্যাদাহীন জাতিৰ জীৱনীশক্তি নাই। যি জাতিয়ে নিজৰ জাতীয় সত্বাক ৰক্ষা কৰিব নোৱাৰে সেই জাতি পঙ্গু। তেখেতে অনা অসমীয়া ৰাজস্থানী পাঞ্জাবী, বিহাৰী, উড়িয়া , বঙালী, মাদ্ৰাজী, গুজৰাটী, মহাৰাষ্ট্ৰীয় আদি সকলোকেই অসমত পমুৱা হিচাপে নাথাকি থিলঞ্জীয়া অসমীয়াৰ দৰে বসবাস কৰি সকলোৱে লগত সম্প্ৰীতি ৰাখি অসমী আইক সুজলা-সুফলা

কৰিবলৈ আহ্বান জনাইছিল। ৰায়চৌধুৰীদেৱৰ এই সত্য দুৰদৰ্শী কথাক কিছুমানে আওঁপাকে বুজাই অসমীয়া-অনাঅসমীয়াৰ মাজত বিভেদৰ ভাব প্ৰচাৰ কৰিছিল আৰু তেখেতক সঙ্কীৰ্ণমনা প্ৰাদেশীকতাবাদী বুলিও আখ্যা দিছিল। অম্বিকাগিৰীয়ে ভাৰতীয় হৈ অসমীয়া হ্ব খোজা নাছিল, অসমীয়া হৈ ভাৰতীয় হ'ব খুজিছিল। ড: বাণীকান্ত কাকতিদেৱে এই বিষয়ে এনেদৰে মন্তব্য দিছে যে 'অতীত অসমৰ গৌৰৱে' তেওঁক উদ্দীপ্ত কৰিছিল আৰু সমকালীন অসমৰ সংঙ্কট দেখি তেওঁ অস্থিৰ হৈছিল। তেখেতে লিখিছে *"বৃটিছ ৰাজত্বকালত অসমীয়া ডেকাসকলে তেওঁলোকৰ চহকী সংস্কৃতিৰ টেটুত চেপি ধৰা শক্তিবোৰৰ ওচৰত নতি স্বীকাৰ কৰা দেখি তেওঁ যন্ত্ৰনাবোধ কৰিছিল আৰু এই সাংস্কৃতিক গ্ৰাস প্ৰতিহত কৰিব বিচাৰিছিল।"*

"তেওঁৰ 'অসম অসমীয়াৰ কাৰণে' দাবী আৰু সংৰক্ষণী দৰ্শনে বহুসময়ত প্ৰাদেশিকতাবাদী আখ্যা পাইছিল। এইটো ভ্ৰমাত্মক অপব্যাখ্যাত বাদে আন একো নহয়। তেওঁৰ দৰ্শন হ'ল 'বাচি থকা আৰু আনকো বাচিবলৈ দিয়া'। তেওঁ শোষিত মানৱৰ হকে মাত মাতিবই, সেই মানুহ কোৰিয়া, অসম, বংগ যতেই নাথাকক কিয়। — কাৰো প্ৰতি বিদ্বেষ নৰখাকৈ আৰু সকলোৰে প্ৰতি উদাৰ মনোভাব লৈ ৰায়চৌধুৰীয়ে পহিলতে অসমীয়া ঘৰখন শৃঙ্খলা লগাব খুজিছিল। তেওঁৰ অসমীয়া প্ৰীতি ভাৰতীয় প্ৰীতিৰেই পৰিপূৰক, পৰিপন্থী নহয়।"

ৰায়চৌধুৰীদেৱৰ সাহিত্যিক কৰ্মৰাজিত দুটা দিশ প্ৰতিফলিত হোৱা দেখা যায়, সেয়া হ'ল জাতীয়তাবাদী চিন্তাধাৰা আৰু আনটো হ'ল আবেগপূৰ্ণ প্ৰেমৰ কবি। ৰাজনৈতিক জীৱনৰ মাজেদিহে তেখেতে সাহিত্যিক জীৱন আৰম্ভ কৰে। তেখেতৰ মতে - *"সাহিত্যৰ লগত সময়ৰ চাপ থকা দৰকাৰ। দেশৰ সমস্যাৱলী সাহিত্যত ৰূপায়িত কৰিব পাৰিলেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়।"* 'আহুতি', 'আজি বন্দো কি ছন্দেৰে' 'বেদনাৰ উল্কা' 'স্থাপন কৰ স্থাপন কৰ', 'ডেকা ডেকেৰিৰ বেদ', 'দেশেই ভগৱান','অনুভূতি' আদি ৰায়চৌধুৰীদেৱৰ গ্ৰন্থবোৰ জাতীয়তাবাদী চিন্তাধাৰাৰে লিখা আৰু ১৯১৫-১৬ চনত প্ৰকাশ পোৱা 'তুমি','বীণা' আদি কাব্য গ্ৰন্থবোৰৰ জৰিয়তে তেখেতে এক ৰহস্যবাদী কবি হিচাপে প্ৰতিষ্ঠিত হৈছে। এই সময়চোৱাত ব্যক্তিগত জীৱনৰ প্ৰেমৰ অভিজ্ঞতা, সমজাতীয় সহানুভূতি আৰু অনুভূতিৰ

ভিতৰেদি সকলো আসক্তি অতিক্ৰম কৰি অনন্তৰ লগত সান-মিহলি হৈ পৰিছে। এই কবিতাসমূহত তেওঁৰ আধ্যাত্মিক তথা অতীন্দ্ৰিয় চেতনা প্ৰকাশ পাইছে। 'তুমি' ৰূপী ভগবানক উদ্দেশ্য কৰি কবিয়ে লিখা 'তুমি' কাব্যৰ সাতোটা ছেদৰ প্ৰত্যেকটোতে কবিয়ে ভগবানৰ সত্ত্বা বিভিন্নৰূপত দেখুৱাইছে। ৰূপৰ মাজত অৰূপক, সীমাৰ মাজত অসীমক, ক্ষুদ্ৰৰ মাজত বিৰাটক উপলব্ধি কৰোঁতে সকলোতে তেওঁ 'তুমিময়' দেখি কৈছে - 'সকলোতে তুমিয়ে নাথ, জগতত দেখিছো যিমান।' 'তুমি' কাব্যৰ অন্তৰালত লুকাই থকা 'তুমি' গৰাকীৰ ইন্দ্ৰিয় গ্ৰাহ্য সৌন্দৰ্য্যত কবিৰ মন আবদ্ধ হৈ নাথাকিল। এই কাব্যত তেখেতৰ 'সেৱাৰ আদৰ্শই' প্ৰেমাস্পদক বিদায় দিয়াৰ বাবে প্ৰেৰণা যোগাই ছিল। যৌৱন অৱস্থাত কবিয়ে এগৰাকী বঙালী গাভৰুৰ সৈতে প্ৰণয় পাশত আবদ্ধ হৈছিল যদিও দেশসেৱাৰ আকুল আহ্বানত দুই নাওঁত দুই ভৰি দিয়াৰ অৱস্থাত পৰিল। অৱশেষত তেওঁ প্ৰেয়সীৰ প্ৰতি থকা ভালপোৱাৰ গভীৰতা প্ৰমাণ কৰিবলৈ ধাৰাল দা এখনেৰে নিজৰ বাওঁহাতৰ কেএটা আঙুলিটোৰ এপাব কাটি, কটা আঙুলিডোখৰ এটি বন্ধ পাত্ৰত ভৰাই তাৰ সৈতে তেজেৰে লিখি পঠালে যে 'তুমি মোৰ দেশসেৱাৰ কামত মোক অনুপ্ৰাণিত কৰি চিৰকাল মোৰ হাতত বন্ধ হৈ থাকি মোৰ লগে লগে থাকিবা।' অৱশ্যে কবিৰ এই আশাই প্ৰকৃত ৰূপ নাপালে। 'তুমি' কাব্যত কবিয়ে - 'তুমিয়েই মই, ময়েই তুমি' ভাবত উপনীত হৈ পৰম শান্তি লভিছে।

'তেতিয়া বুজিবা তুমি ভাই
সীমাত অসীম সুমুৱাই
মিলনৰ মহাগীত গাই
কেনে শান্তি লভিবা।'

'তুমি' আৰু 'বীণা' কাব্য লিখনীৰ বিষয়ে চৌধুৰীদেৱে কৈছে -

*"ব্যক্তিৰ জীৱনক মই অসীম অভিমুখে বিকীৰ্ণিত কেন্দ্ৰ বুলি গণ্য কৰো। মাথোন অনুভূতিৰ পৰিসৰত হে যে মই এই কথা ভাবো এনে নহয়। বাস্তৱ ক্ষেত্ৰতো ব্যক্তিৰ জীৱনক অসীমৰ অভিমুখে বোৱাই নিয়াৰ অৱলম্বন স্বৰূপে সামাজিক আৰু দৈনন্দিন জীৱনৰ অস্তিত্ব মই স্বীকাৰ কৰোঁ। সেইবাবেই মোৰ 'তুমি' আৰু 'বীণা' কাব্যৰ অতীন্দ্ৰিয় অনুভূতিক*

*জগতৰ পৰা মোৰ মন-প্ৰাণ-হৃদয় দেশ সেৱাৰ কৰ্মক্ষেত্ৰলৈ উভতি আহিছে। বহুতৰ মতে 'তুমি' আৰু 'বীণা'ৰ কাব্যজগতৰ সৈতে বৰ্ত্তমানত চলি থকা মোৰ কঠোৰ দৰিদ্ৰব্ৰতী জনসেৱকৰ দৈনন্দিন জীৱনৰ সঙ্গতি নাই। কিন্তু মই নিজে একো বিসঙ্গতি থকা বুলি নেভাবোঁ। মই নিজৰ মতে কবলৈ হ'লে মোৰ 'তুমি' আৰু 'বীণা' ও একৰকম উদ্দেশ্যধৰ্মী সৃষ্টিহে।"*

ৰায়চৌধুৰীদেৱৰ বেছিভাগ সাহিত্যই বিপ্লৱমূখী। নেতা হোৱাৰ আকাংখা নকৰাকৈ যেনেদৰে তেখেতে ৰাজনৈতিক ক্ষেত্ৰত খোজ দিছিল, তেনেদৰে সাহিত্য সেৱাৰ ক্ষেত্ৰতো তেখেতে খ্যাতি লাভৰ আশা কৰি লিখা নাছিল। সাহিত্য জাতিৰ দাপোন হোৱা হেতুকে ইয়াৰ যোগেৰে তেখেতে অসমীয়া জাতিৰ প্ৰতিচ্ছবি সমাজৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিছিল। মুমূৰ্ষু জাতি এটাক কি ভাবাবে, কি মাতেৰে, কি সুৰেৰে জগাব পাৰি সেয়াই আছিল তেওঁৰ চিন্তাৰ বিষয়। সেয়েহে অসমীয়া জাতিটোক জাগ্ৰত কৰিবৰ বাবে তেওঁৰ লিখনিবোৰ অগ্নিময় বাণৰ দৰে হৈ পৰিছিল। তেওঁ যদিও নিজেই কৈছে-'মই সাহিত্যিক নহওঁ', তথাপি তেওঁৰ লিখনীত উচ্চ সাহিত্যই বিকাশ পাইছে। 'বেদনাৰ উল্কা' গ্ৰন্থখনৰ বাবে তেখেতে মৰনোত্তৰভাৱে সাহিত্য একাডেমীৰ পুৰস্কাৰ লাভ কৰে। এই কাব্যগ্ৰন্থখনৰ 'কৰ্ম্মগীতিকা' নামৰ গীতটোত কৰ্মশক্তিৰ কৰুচ পিন্ধি জাতিটোক 'বলাভাই আগুৱাই' বুলি এখন অতি উচ্চ, উন্নত আৰু সুন্দৰ ঠাইলৈ গতি কৰিবৰ বাবে আহ্বান জনাইছে। এই বিখ্যাত গীতটোত মানৱজাতিক প্ৰগতিৰ ইঙ্গিত লক্ষ্যলৈ যোৱাৰ বাবে বৰ্ণনা দিছে। কাৰাৰুদ্ধ জীৱনৰ অভিজ্ঞতাৰে লিখা 'শতধাৰ' নামৰ কাব্য গ্ৰন্থখন ৰায়চৌধুৰীদেৱৰ প্ৰচণ্ড স্বদেশ প্ৰেমৰ নমুনা। এই গ্ৰন্থখন পিছত ডঃ বাণীকান্ত কাকতিদেৱে 'Songs of the cell' নাম দি ইংৰাজীলৈ ভৰ্জমা কৰে।

১৯৫০ চনত মাৰ্ঘেৰিটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ ২১ তম অধিবেশনত ৰায়চৌধুৰীদেৱক সভাপতি হিচাপে বৰণ কৰি সন্মানিত কৰা হৈছিল। ১৯৫০ চনৰ পৰা তিনিবছৰ তেখেতে অসম সাহিত্যসভাৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হৈ পৰে। এই অধিবেশনত প্ৰতিনিধিৰ উপস্থিতিৰ সংখ্যা বৰ সীমিত আছিল যদিও এই অধিবেশনতে অসমীয়া ভাষাক ৰাজ্যভাষা স্বৰূপে স্বীকৃতি দিবলৈ প্ৰস্তাৱ আকাৰে দাবী উত্থাপিত আৰু গৃহীত হয়।

গতিকে ৰায়চৌধুৰীদেৱক ৰাজ্যভাষা আন্দোলনৰ প্ৰধান হোতা বুলি কব পাৰি। প্ৰস্তাৱটো গ্ৰহণ কৰা হৈছিল এনেধৰণে -

*"মাঘেৰিটাত বহা অসম সাহিত্য সভাৰ এই ২১ তম অধিবেশনে অসম চৰকাৰক জোৰেৰে দাবী জনায় যে তেৰ মাৰ্চত আৰম্ভ হোৱা অসম ব্যৱস্থাপক সভাৰ অধিবেশনতেই অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষা বুলি আৰু সম্প্ৰতি খাচি, লুচাই মিজো আৰু গাৰো পাহাৰৰ স্কুলকেইটা বাদ দি অসমৰ সকলো হাইস্কুলতে অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হ'ব বুলি চৰকাৰীভাৱে ঘোষণা কৰক আৰু আগতে দিয়া তেনে স্কুলবিলাকৰ পৰা আৰ্থিক সাহাৰ্য্য আৰু স্বীকৃতি উঠাই ল'ব লাগে।"*

সাহিত্য চৰ্চ্চাৰ মাজেৰে তেখেতে ৰাজনৈতিক আৰু সামাজিক সমস্যাবোৰ জনতাৰ আগত দাঙি ধৰি জনগণক সচেতন কৰিবৰ বাবে অহৰহ প্ৰয়াস কৰিছিল। কিন্তু ৰাজনৈতিক ক্ষমতা ভোগৰ প্ৰতি কোনো উৎসাহ তেওঁৰ নাছিল। স্বাধীনতাৰ পিছতো নেতৃত্বৰ দোষত জাতিৰ দুৰ্দশা হোৱা দেখি তেখেতে লিখিছিল

"হায়! হায়! হায়! কি হল ? কি হল?
চৰিত্ৰচোন তেনেই গ'ল।
কোনফালেদি? কাৰ যোগেদি?
দুখ দুৰ্গতি গুচাম বুলি ভেবা ৰাইজক ভুলাই থ'ই
ফাকিৰ জালত ভোট কঢ়িয়াই এম, এল, এ বা এম, পি হই
ৰাইজক এৰি দ'ল বান্ধি ভগাই -বটাই কলাঠি খোৱাৰ
মন্ত্ৰী-উপমন্ত্ৰী হোৱাৰ থকা-খুণ্ডাত লাগি যোৱাৰ
তাণ্ডবতেঁহ নেতা দলৰ জীৱনত যি ফুটা হ'ল,
চৰিত্ৰধন কান্দি কান্দি সেইফালেদিয়েই ওলাই গল।"

অসমৰ জাতীয় জীৱনৰ দুৰ্বলতাবোৰ চিনাক্ত কৰি সেইবোৰ দূৰ কৰিবৰ বাবে তেখেতৰ উদ্যোগত ১৯২৬ চনত 'সংৰক্ষণী' সভা অনুষ্ঠিত হয় আৰু ১৯৩২ চনত এই সভা জাতীয় মহাসভালৈ ৰূপান্তৰিত হয়। পিছলৈ শিক্ষা প্ৰচাৰ সমিতি স্থাপন, স্বদেশী কিনক সংঘ স্থাপন, শুদ্ধি আশ্ৰম, লালা লাজপতৰায় অনাথ আশ্ৰম স্থাপন, অসম ব্যায়াম সঙ্ঘ, অসম সংস্কৃতি সঙ্গম, স্বাধীন পঞ্চায়ত ৰাষ্ট্ৰ গঠনৰ প্ৰাথমিক আঁচনি, কামৰূপ মায়াৱিনী

কেমিকেল ওৱাৰ্কচ , বৈদ্য অমৰ ঔষধালয়, উচ্চাঙ্গ সঙ্গীত শিক্ষাৰ বাবে কামৰূপ সঙ্গীত বিদ্যালয় , সাহিত্য প্ৰকাশ ভৱন লিমিটেড, ডেকা-ডেকেৰীৰ বেদ, ভাষা আন্দোলন, মৈমনচিঙিয়া আৰু ভগনীয়া প্ৰতিৰোধৰ আন্দোলন, শ্ৰীহট্টবাদ, গ্ৰুপিং বিৰোধ, অসমৰ ভৱিষ্যত সন্তানৰ বাবে মাটি সংৰক্ষণ আইন প্ৰণয়ন, সৰ্বভাৰতীয়ৰ মাজত ঐক্য স্থাপন ইত্যাদি বিভিন্ন কৰ্মৰাজিৰ জৰিয়তে ৰায়চৌধুৰীদেৱ জড়িত হৈ পৰিছিল। ১৯৪৬-৪৭ চনত অসমক পাকিস্তানৰ অন্তৰ্ভুক্তৰ বিৰোধীতা কৰি 'অসম আত্মৰক্ষী বাহিনী' গঠন কৰিছিল। ১৯৬০ চনত ভাষা আন্দোলনৰ সময়ত 'অসমীয়া ৰাজ্যভাষা' ঘোষণা কৰোঁতে ৰাজ্য চৰকাৰে ইতস্তত কৰি থকাৰ বাবে অসম চৰকাৰে তেওঁক দিয়া 'সাহিত্যিক পেঞ্চন' ৰায়চৌধুৰীদেৱে প্ৰত্যাখ্যান কৰিছিল।

এনেদৰে আজীৱন অসম তথা অসমীয়া জাতিৰ আত্ম প্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম কৰি থকা অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী দেৱে ১৯৬৭ চনৰ ২ জানুৱাৰী তাৰিখৰ সন্ধিয়া সময়ত নিজ বাসভৱন 'আত্ম-বিকাশ' ভৱনত ৮২ বছৰ বয়সত শেষ নিঃশ্বাস ত্যাগ কৰে। ৩ জানুৱাৰী তাৰিখে গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত অগণন অসম প্ৰেমীৰ শোকাকুল পৰিবেশৰ উপস্থিতিত অন্ত্যেষ্টিক্ৰীয়া সম্পন্ন হয়। উল্লেখযোগ্য যে এই নৱগ্ৰহ শ্মশানতেই অম্বিকাগিৰীৰ জাতীয়তাবাদী দৃষ্টিভঙ্গীক অনুপ্ৰাণিত কৰা অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্যৰও ১৯৩৬ চনৰ ১৪ ডিচেম্বৰ তাৰিখে অন্ত্যেষ্টিক্ৰীয়া সম্পন্ন হৈছিল।

ৰায়চৌধুৰী দেৱৰ মৃত্যুত অসম যুৱক সমাজৰ আহ্বানমৰ্মে অনুষ্ঠিত হোৱা শোকসভা এখনত সভাপতিৰ আসনৰ পৰা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীদেৱে কৈছিল- "আজি অসমীয়া মানুহে ৰায়চৌধুৰীক প্ৰাদেশিকতাবাদী, সঙ্কীৰ্ণমনা আদি বিভিন্ন ভাবে সমালোচনা কৰিছে যদিও, এদিন সময় আহিব যিদিনা ৰায় চৌধুৰীৰ আদৰ্শভিন্ন অসমীয়া জাতিৰ স্বকীয়া আদৰ্শ নেথাকিব। এদিন অসমীয়া মানুহে উপলব্ধি কৰিব, অসমীয়া জাতি হিচাপে বাচি থাকিবলৈ হ'লে - ৰায়চৌধুৰীৰ আদৰ্শক আকৌ জীয়াই তুলিব লাগিব।"

❖❖❖

## সহায়ক গ্ৰন্থপঞ্জীৰ তালিকা

১। 'ৰায়চৌধুৰীৰ জীৱন সংগ্ৰাম' (অগ্নিকবি ৰায়চৌধুৰীদেৱৰ জীৱনাদৰ্শ) আৰতি হাজৰিকা, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী।

২। 'অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু সাহিত্যৰ সমীক্ষাত্মক অধ্যয়ন' - ড: তিলক বৰা, দিব্য প্ৰকাশন গুৱাহাটী।

৩। অম্বিকাগিৰী ৰায়চৌধুৰী- 'সভাপতিৰ অভিভাষণ', অসম সাহিত্য সভা।

৪। 'অম্বিকাগিৰী ৰায়চৌধুৰীৰ ৰচনাৱলী' - সম্পাদনা সত্যেন্দ্ৰনাথ শৰ্মা।

৫। গৰীয়সী - (জানুৱাৰী ২০০০)।

***

*"প্ৰকৃত গৱেষণাৰ বিশেষত্ব এই যে সি নতুন গৱেষণাৰ পথ সুগম কৰে"*

— ড° কৃষ্ণকান্ত সন্দিকৈ।

# প্ৰাচ্য বিদ্যাৰ্ণৱ ড° কৃষ্ণকান্ত সন্দিকৈ

এযোৰ সুগোল বিতচকুৰে সৈতে ধুতী, খনিয়াচাদৰ, কোটচোলা আদি বিশুদ্ধ অসমীয়া সাজেৰে পৰিহীত গম্ভীৰ প্ৰকৃতিৰ সুদৰ্শন চেহেৰাৰ বিশ্ব বিশ্ৰুত অসমীয়া কোনো এজন পণ্ডিত ব্যক্তিৰ কথা চিন্তা কৰিলেই প্ৰাচ্য বিদ্যাৰ্ণৱ, অসম সাহিত্যসভাৰ সদস্য মহীয়ান, নিৰৱ সাধক পণ্ডিত-প্ৰৱৰ কৃষ্ণ কান্ত সন্দিকৈ দেৱৰ ছবিখন আমাৰ চকুৰ আগলৈ সহজে ভাহি উঠে। প্ৰাচ্য বিদ্যৰ্ণৱ বিশেষণটোৰ সৈতে যেন কৃষ্ণকান্ত সন্দিকৈ নামটোৰ এক ওতপ্ৰোত: সম্পৰ্ক, অন্যথাই নামটোৰ সম্পূৰ্ণতা যেন ওলাই নপৰে। অৱশ্যে জীৱিত কালত নামৰ আগত এনে ধৰণৰ বিশেষণ ভাল নোপোৱা এই গৰাকী মহান ব্যক্তি পালি- প্ৰাকৃত আৰু সংস্কৃত সাহিত্যৰ এক বিদগ্ধ পণ্ডিত আছিল আৰু পৃথিবীৰ প্ৰায় বাৰ - তেৰটামান উল্লেখযোগ্য ভাষাৰ ওপৰত বিশেষ দখল আছিল। জ্ঞান সাধনাকে জীৱনৰ ব্ৰত কৰি লোৱা এই বিশিষ্ট পণ্ডিত গৰাকীয়ে যশস্যা আৰু পদবীৰ বাবে অনাসক্ত আছিল যদিও তেখেতৰ জীৱনৰ যৌৱনকালতেই আন্তৰ্জাতিক খ্যাতি আপোনা আপুনি বৈ আহিছিল। প্ৰায় অকলশৰীয়া প্ৰচেষ্টাৰে গৱেষণা কৰি কৃতিত্ব লভিবলৈ সক্ষম হোৱা সন্দিকৈ ডাঙৰীয়াই প্ৰায় ওঠৰ বছৰ কাল যোৰহাটৰ জগন্নাথ বৰুৱা (বেচৰকাৰী) কলেজত সুখ্যাতিৰে অধ্যক্ষগিৰি কৰাৰ পিছত আৰম্ভণিৰ পৰা প্ৰায় ন'বছৰ কাল গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ গধুৰ দায়িত্বভাৰ বহন কৰি অসমৰ শৈক্ষিক তথা সমাজ জীৱনলৈ এক উল্লেখযোগ্য অবদান আগবঢ়াই থৈ গৈছে।

ডঃ কৃষ্ণকান্ত সন্দিকৈ দেৱৰ ব্যক্তিত্বৰ বিভিন্ন দিশত বিশ্ববিখ্যাত কেইজনমান ব্যক্তিৰ বাণী তথা দৰ্শনে বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল। মহাকবি ডান্টেৰ (খ্ৰীঃ ১২৬৫ - ১৩২১) এষাৰি বাণী তেওঁ সততে স্মৰণ কৰিছিল। সেয়া — " ন'ন এ ইল মণ্ডান ৰ'মৰে আলট্ৰ' কে. উন ফিআট' দি ভেন্ট" — অৰ্থাৎ পাৰ্থিৱ খ্যাতি বতাহৰ নিশ্বাসৰ বাহিৰে একো নহয়।

আত্ম বিশ্লেষণ, আত্ম সমালোচনা, অতীতক সদায় পাহৰিব খোজা আৰু খ্যাতি তথা পদবীৰ প্ৰতি কোনো হাবিয়াস নথকা আদিবোৰেই সন্দিকৈদেৱৰ জীৱনৰ ঘাই লক্ষণ। জ্ঞানতকৈও নৈতিকতাৰ প্ৰতিহে তেওঁ অধীক শ্ৰদ্ধাশীল। এই প্ৰসঙ্গত বিখ্যাত গ্ৰীক্ দাৰ্শনিক চক্ৰেটিচৰ (খ্ৰীঃ পূঃ ৪৯৫- ৪০৬) এফাঁকি বচন তেওঁৰ অতি প্ৰিয় -- " এই ডিকায়া ট'ন চফ'ন ক্ৰেইশ্বতাদে " -- অৰ্থাৎ জ্ঞানতকৈ ন্যায় পৰায়নতা উৎকৃষ্টতৰ। তেখেতৰ দৃঢ় বিশ্বাস আছিল যে নৈতিক প্ৰবৃত্তিৰ সমন্বয়তেই শিক্ষাৰ পৰম সাৰ্থকতা আছে। " আত্ম সমালোচনা" ৰ দিশত সন্দিকৈ দেৱক অশোক লিপিৰ তৃতীয় স্তম্ভলিপিত উল্লেখ থকা সম্ৰাট অশোকৰ বাণীয়ে যথেষ্ট প্ৰভাৱিত কৰিছিল। এই স্তম্ভলিপিত উল্লেখ আছে -- "কয়ানংমেব দেখতি ইয়ং মে কয়ানে কটে তি নো মিন পাপং দেখতি ইয়ং মে পাপে কটে তি ইয়ং বা আসিনবে নামতি " (-- অৰ্থাৎ এইটো মই ভাল কাম কৰিলো বুলি মানুহে কেৱল নিজৰ ভাল কামটোহে দেখে। কিন্তু এইটো মই পাপ কৰিলো, এইটো পাপ প্ৰবৃত্তি বুলি নিজৰ বেয়া কামটো নেদেখে।) নৈতিক সজাগতাৰ বাবে সন্দিকৈদেৱে আত্মসমালোচনাক সদায় গুৰুত্ব দিছিল।

এই গৰাকী মহান পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱৰ ১৮৯৮ চনৰ ২০জুলাই তাৰিখ বুধবাৰ দ্বিতীয়া শুক্লপক্ষ তিথিৰ দিনাখন দানবীৰ পিতৃ ৰাধাকান্ত সন্দিকৈ আৰু সমাজসেৱী মাতৃ নাৰায়নী আইদেউৰ প্ৰথম পুত্ৰৰূপে যোৰহাট চহৰত জন্ম হয়। ৰাধাকান্ত সন্দিকৈ আৰু নাৰায়নী আইদেউৰ ১৮৯৭ চনত হোৱা বৈবাহিক জীৱনৰ ফলস্বৰূপে চাৰিটা পুত্ৰ আৰু এটি কন্যা সন্তানৰ জন্ম হয়। এওঁলোক হ'ল যথাক্ৰমে কৃষ্ণকান্ত, লক্ষীকান্ত, চন্দ্ৰকান্ত, ইন্দ্ৰকান্ত আৰু অন্নদা আইদেউ। অসমৰ ভাষা-শিক্ষা-সাহিত্যৰ ইতিহাসত দানবীৰ ৰাধাকান্ত সন্দিকৈৰ নাম পাহৰিব নোৱাৰা বিধৰ। বৃত্তিত চাহখেতিয়ক হলেও অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ ক্ষেত্ৰত তেখেতৰ নিচিনা মুক্তহস্তে ধন-সম্পত্তি দান কৰিব পৰা ব্যক্তি বোধকৰো দ্বিতীয় এজন নোলাব। তেখেতৰ তৃতীয় পুত্ৰ চন্দ্ৰকান্ত সন্দিকৈদেৱ অকালতে বিয়োগ হোৱাত পুত্ৰৰ স্মৃতিত ১৯২৬ চনত অসম সাহিত্য সভাৰ যোৰহাটস্থ মুখ্য কাৰ্য্যালয় ভৱনটো 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন' নামেৰে নিৰ্মাণৰ সম্পূৰ্ণ ব্যয় আৰু ১৯৩৩ চনত

'চন্দ্ৰকান্ত অভিধান' প্ৰণয়নত মুক্তহস্তে দান কৰে। তেখেতৰ পত্নী নাৰায়নী সন্দিকৈ আছিল উত্তৰ লক্ষীমপুৰৰ ঘিনাৰাম বৰুৱাৰ জীয়ৰী আৰু প্ৰবীন সাহিত্যক পদ্মনাথ গোঁহাইবৰুৱাৰ নুমলীয়া ভণীয়েক। নাৰায়নী সন্দিকৈ এগৰাকী বিশিষ্টা সমাজসেবিকা, শিক্ষানুৰাগী, অমায়িক আৰু এক আদৰ্শ গৃহিণী আছিল। ১৯৩৬ চনত ৰাধাকান্ত সন্দিকৈদেৱে দিয়া দানৰ টকাৰে পত্নীৰ সোঁৱৰণত গুৱাহাটীত অসমৰ পুৰাতত্ত্ব বিভাগৰ গৱেষণাৰ বাবে "নাৰায়নী সন্দিকৈ হিষ্টৰীকেল ইন্‌ষ্টিটিউট" আৰু ১৯৪০ চনত গুৱাহাটীত প্ৰথম ছোৱালী মহাবিদ্যালয় " ৰাধাকান্ত সন্দিকৈ ছোৱালী কলেজ" নিৰ্মাণ হয়। ১৮৮৮ চনত কলিকতাত জন্ম পোৱা অঃ ভাঃ উঃ সাঃ সভাৰ ৰাধাকান্ত সন্দিকৈদেৱ এজন অন্যতম পৃষ্ঠপোষক আছিল।

লৰালি কালৰ পৰাই কৃষ্ণকান্ত সন্দিকৈদেৱ ভেম নথকা বিধৰ সহজ সৰল প্ৰকৃতিৰ আছিল। ধনীৰ দুলাল আছিল যদিও পোচাক-পাতি তথা স্বাচ্ছন্দতাৰ প্ৰতি তেওঁৰ কোনো ৰাপ নাছিল। প্ৰাইমাৰী স্কুলত নপঢ়াকৈয়ে সন্দিকৈক একেবাৰে হাইস্কুলত নাম ভৰ্ত্তি কৰি দিয়ে। ১৯১৩ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা সুখ্যাতিৰে প্ৰবেশিকা পৰিক্ষা পাচ কৰি প্ৰতিযোগিতামুলক বৃত্তি লাভ কৰে। সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ত ১৬ বছৰ বয়স নহ'লে প্ৰবেশিকা পৰিক্ষা দিব নোৱাৰিছিল বাবে তেওঁ দশমমান শ্ৰেণীত দুবছৰ পঢ়িব লগা হৈছিল। প্ৰবেশিকা পৰিক্ষা দিয়াৰ সময়তেই সন্দিকৈদেৱে মেঘদূত, ৰঘুবংশ, কুমাৰ সম্ভৱ, কলাপ ব্যাকৰণ আদি সংস্কৃত গ্ৰন্থ পঢ়ে। ১৯১৩ চনত তেওঁ কটন কলেজত আই. এত নাম লগায়। কলেজীয়া জীৱনৰ পৰাই তেওঁ 'বাঁহী', 'উষা', 'আলোচনী', 'মিলন' আদি আলোচনীত ভাৰতীয় দৰ্শন আৰু সংস্কৃত ভাষাৰ ওপৰত তত্ত্বগধুৰ প্ৰবন্ধপাতি আদি লিখিবলৈ আৰম্ভ কৰে। সেই সময়ত বাঁহীত প্ৰকাশ পোৱা কলেজীয়া ছাত্ৰ সন্দিকৈদেৱৰ চিন্তাগধুৰ প্ৰবন্ধ - পাতি বোৰৰ উচ্চ প্ৰশংসা কৰি সম্পাদনাৰ দায়িত্বত থকা স্বনামধন্য সাহিত্যক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে দীঘল দীঘল ইংৰাজীত চিঠি লিখি কৃষ্ণকান্তক উৎসাহ উদ্‌গনি দিছিল। সন্দিকৈদেৱে বেজবৰুৱাদেৱক অত্যন্ত শ্ৰদ্ধা কৰিছিল আৰু তেখেতৰ চিঠিবোৰ পাই উৎসাহিত হৈছিল। কটন কলেজৰ পৰা সুখ্যাতিৰে আই. এ পাচ কৰি ১৯১৫ চনত সন্দিকৈদেৱে কলিকতাৰ সংস্কৃত কলেজত বি. এ. অনাৰ্চ

শ্ৰেণীত ভৰ্ত্তি হয় আৰু ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতৰ বৈদিক শাখাত প্ৰথম শ্ৰেণী লাভ কৰি এম. এ পাচ কৰে। সংস্কৃতৰ বৈদিক শাখাটো অতি কঠিন বাবে সেই সময়ত শ্ৰেণীত কৃষ্ণকান্ত সন্দিকৈ একমাত্ৰ ছাত্ৰ আছিল।

১৯২০ চনত সন্দিকৈদেৱে সংস্কৃতত ডক্টৰেট ডিগ্ৰি লোৱাৰ ইচ্ছা লৈ লণ্ডনলৈ যায় যদিও তাত গৈ মন সলনি কৰে আৰু অক্সফোৰ্ড বিশ্ববিদ্যালয়ত ' মদাৰ্ন হিষ্টৰী ' বিষয়ত এম. এ পঢ়ে। তাৰ আগেয়ে লণ্ডনত থাকোঁতেই তাৰ ' ব্ৰিটিছ মিউজিয়াম ' আৰু লেঙ্গুৱেজ স্কুলত ফৰাচী, জাৰ্মান, ইটালিয়ান, ৰুচ ইত্যাদি ইউৰোপীয় ভাষা সমূহ শিকিবলৈ লয়। ব্ৰিটিছ মিউজিয়ামত পঢ়ি থকা সময়তে তেওঁ ' অনুবাদৰ কথা ' নামৰ প্ৰখ্যাত প্ৰবন্ধটো লিখে, যিটো ১৯২১ চনত ' চেতনাত ' প্ৰকাশ পায়। ইউৰোপত থকা সময়চোৱাত প্ৰথমতে তেখেতে বৈদিক সংস্কৃত সাহিত্যত ডক্টৰেট লোৱাৰ ইচ্ছা কৰিছিল যদিও তাৰ শিক্ষাগুৰু সকলে যেতিয়া জনালে যে উক্ত বিষয়ত গৱেষণা কৰিবলৈ হ'লে ইয়াৰ দুস্প্ৰাপ্য গ্ৰন্থসমূহ ভাৰতৰ পৰাহে আনিব লাগিব, তেতিয়া সেই আশা ত্যাগ কৰিলে। কাৰণ ভাৰতৰ পৰা এই গ্ৰন্থসমূহ সুদূৰ বিলাতলৈ কঢ়িয়াই নিয়াটো সম্ভৱ নাছিল। ১৯২৩ চনত ' মদাৰ্ন হিষ্টৰী' ৰ এম. এ পৰিক্ষাত সন্দিকৈদেৱে প্ৰথম শ্ৰেণীত অনাৰ্চ ডিগ্ৰি লাভ কৰাৰ পিছত অক্সফোৰ্ডৰ শিক্ষাৰ সামৰণি পৰে। অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ইকনমিক হিষ্টৰিৰ ৰিডাৰ অধ্যাপক ইলিপচনে সন্দিকৈদেৱ সম্পৰ্কে এনেধৰণে মত দিছিল —

*" From what I saw of Mr. K.K. Handique's work for the history schools, I formed the impression that he was a very thorough and sound worker. His essays were based on extensive reading and showed solid knowledge in point of learning "*

অক্সফোৰ্ডত তিনিবছৰ কাল থকাৰ পিছত ১৯২৩ চনত সন্দিকৈদেৱে পেৰিচলৈ আহে আৰু ইয়াত প্ৰায় আঢ়ৈবছৰ কাল অধ্যয়ন কৰি বাৰ্লিনলৈ যায়। ফ্ৰান্স আৰু জাৰ্মেনীত প্ৰায় চাৰিবছৰ কাল বিভিন্ন লাইব্ৰেৰী আৰু মিউজিয়ামত ভাষা-সাহিত্য-ইতিহাস আদিৰ ওপৰত অধ্যয়ন কৰে। এই সময়চোৱাতেই তেওঁ ফৰাচী, জাৰ্মেনী, গ্ৰীক্, লেটিন, ইটালিয়ান, ৰাচিয়ান, স্পেনিছ্ আদি ভাষাত ব্যুৎপত্তি লাভ কৰে। ফ্ৰান্সত থকা সময়চোৱাতে

মস্কো আৰ্ট থিয়েটাৰৰ দ্বাৰা অভিনীত চেখভৰ 'Charry Orchard' নামৰ নাটকখনৰ অভিনয় চাই ১৯২৬ চনত 'ৰুচ অভিনয়' নামৰ প্ৰবন্ধটো লিখে আৰু এইটো বাঁহীত প্ৰকাশ পায়। পেৰিচত থকা সময়চোৱাত তেওঁ পেৰিচ বিশ্ববিদ্যালয়তো নাম ভৰ্ত্তি কৰে। অৱশ্যে কোনো ডিগ্ৰী ল'বৰ বাবে তেওঁ নাম ভৰ্ত্তি কৰা নাছিল। কেৱল ফৰাচী ভাষা-সাহিত্যৰ বিষয়ে জানিবৰ বাবেই তেওঁ ভৰ্ত্তি হৈছিল। সন্দিকৈদেৱে জাৰ্মান সাহিত্য অধ্যয়ন কৰে চুইজাৰলেণ্ডৰ পৰা ডক্টৰেট উপাধী পোৱা জাৰ্মানভাষী দুজন অধ্যাপকৰ তত্ত্বাবধানত। তেনেদৰে ৰুচ আৰু ইটালিয়ান অধ্যাপক দুজনৰ তত্ত্বাবধানত ৰুচ আৰু ইটালীয়ান ভাষা শিকিছিল। অৱশ্যে অধ্যাপক সকলৰ প্ৰত্যেককে তেওঁ ভাষা শিকোৱা বাবদ মাহিলী বানচ দিছিল। ভাষা শিকাৰ বিষয়ে পিছত সন্দিকৈদেৱে এনেধৰণে মন্তব্য আগবঢ়াইছিল — *"ভাষা শিকাৰ আটাইতকৈ উৎকৃষ্ট প্ৰণালী এয়ে যে যাৰ যি মাতৃভাষা তেওঁৰ ওৰিতে সেই ভাষাৰ যোগেদি শিক্ষা গ্ৰহণ কৰিব লাগে।"* তেখেতৰ মতে পেৰিচ ভাষা-শিক্ষাৰ উৎকৃষ্ট স্থান, কিয়নো ইয়াত ইউৰোপৰ যিমান মানুহৰ সমাগম হয় আন কোনো ৰাজধানীতে তেনে নহয়। পেৰিচত শিক্ষা লাভ কৰাৰ পিছত ১৯২৫ চনত বাৰ্লিনলৈ জাৰ্মান ভাষা সাহিত্য অধ্যয়নৰ বাবে যায়। বাৰ্লিনত তেওঁ কোনো ঘৰুৱা শিক্ষক ধৰি পঢ়া নাছিল। বাৰ্লিনৰ বিখ্যাত ৰাজ্যিক লাইব্ৰেৰী 'Staatsbibliothek' নামৰ গ্ৰন্থাগাৰটোত প্ৰায় ডেৰ বছৰ কাল নিজে অধ্যয়ন কৰিছিল। এই লাইব্ৰেৰীটোৰ প্ৰসঙ্গ বিভাগ (Reference Section) টো ইউৰোপৰ সকলো লাইব্ৰেৰীতকৈ উৎকৃষ্ট বুলি এটা নাম আছে। সন্দিকৈদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ক দান কৰা তেখেতৰ ব্যক্তিগত পুথিভঁৰালটোৰ বেছিভাগ কিতাপেই বাৰ্লিনত থাকোঁতেই কিনা। ইউৰোপত থকা সময়চোৱাত ভৰযৌৱনৰ সুদৰ্শন যুৱক কৃষ্ণকান্তক পাশ্চাত্যৰ বিলাসীতা আৰু স্বাচ্ছন্দতাই চুলাব পৰা নাছিল। জ্ঞান সাধনাকে জীৱনৰ ব্ৰত কৰি লোৱা সন্দিকৈদেৱে এটি লাইব্ৰেৰীৰ পৰা অইন এটিলৈ, লাইব্ৰেৰীৰ এটা শাখাৰ পৰা অইন এটালৈ ব্যস্ততাৰে গৈ নিতৌ ১২/১৩ঘন্টা অধ্যয়ন কৰি থাকোঁতেই সুদীৰ্ঘ সাতবছৰ বিদেশত অধ্যয়ন কালৰ সামৰণি পৰিছিল। সুৰা আৰু ক্লাব — তেখেতৰ বাবে অচিনাকী হৈয়েই ৰৈছিল। ইউৰোপত থকা সময়চোৱাত তেখেতে বেলেগ ভাষা-ভাষীৰ বহুতো ভাৰতীয় মানুহ লগ পাইছিল আৰু সেই সময়ত ভাৰতত চলি থকা স্বাধীনতা আন্দোলনৰ বতাহ এইসকল ভাৰতীয়ৰ

মাজতো তীব্রভাবে লাগিছিল। বিশেষকৈ ১৯১৯ চনত হোৱা অমৃতসৰৰ হত্যাকাণ্ডই ভাৰতীয় ছাত্ৰ সকলৰ মাজত প্ৰবল জাতীয়তাভাব আনি দিছিল। সেই সময়ত লণ্ডনত 'শেক্সপীয়েৰ হাট' নামেৰে ৱাই এম. চি. এ ৰ এটা ছাত্ৰাবাস আছিল আৰু ইয়াত বহুতো ভাৰতীয় ছাত্ৰই থাকি পঢ়াশুনা কৰিছিল। সন্দিকৈদেৱে অক্সফোৰ্ডৰ পৰা বন্ধত আহিলে প্ৰায়ে ইয়াতে থাকি ব্ৰিটিছ মিউজিয়ামত পঢ়াশুনা কৰিছিল।

কলেজীয়া জীৱনৰ পৰাই সন্দিকৈদেৱে লিখা প্ৰবন্ধ পাতি বোৰত তেখেতৰ পাণ্ডিত্য ফুটি উঠিছিল। আই এ. পঢ়ি থাকোঁতে বিভিন্ন বিষয়ৰ ওপৰত তেওঁৰ কেবাটাও প্ৰবন্ধ বাঁহীত প্ৰকাশ পায়। সেইবোৰ -- 'জাপানৰ বীৰ নোগী', 'মোগল ৰাজকন্যাৰ কবিত্ব প্ৰতিভা' ' আত্মবিচাৰ', ' অমৰ প্ৰকাশ ' ইত্যাদি। বি. এ. পঢ়ি থাকোঁতে ' সাংখ্য দৰ্শন' নামেৰে তেওঁৰ এটা দীঘলীয়া প্ৰবন্ধ ডিব্ৰুগড়ৰ পৰা ওলোৱা 'আলোচনীত' প্ৰকাশ পায়। সেই সময়তেই 'ভাৰতীয় চিন্তা' নামেৰে আন এক মূল্যবান প্ৰবন্ধ 'সন্মিলন প্ৰবন্ধাৱলী'ত (প্ৰথম ভাগ) প্ৰকাশ পায়। এম. এ পঢ়ি থাকোঁতে 'প্ৰাচীন বেবিলনৰ বেদ' নামৰ আন এক দীঘলীয়া মৌলিক প্ৰবন্ধ 'সন্মিলন প্ৰবন্ধাৱলী' ৰ দ্বিতীয় খণ্ডত প্ৰকাশ পাইছিল। আৰু কলিকতাৰ 'মডাৰ্ণ ৰিভিউ' ত 'The word swaraj in the Rigveda' নামৰ ইংৰাজীত লিখা এক মূল্যবান প্ৰবন্ধ প্ৰকাশ পায়। সেই সময়ত মডাৰ্ন ৰিভিউত প্ৰবন্ধ প্ৰকাশ পোৱাটো এক গৌৰৱৰ বিষয় আছিল। ইয়াৰ বাহিৰেও বিলাতলৈ যোৱাৰ আগতে লিখা-- 'Women poets of the Rigveda ' নামৰ এটা প্ৰবন্ধ পিছলৈ 'ইণ্ডিয়ান এণ্টিকুৱেৰি ' নামৰ এখন বিখ্যাত প্ৰত্নতাত্ত্বিক কাকতত প্ৰকাশ পায়। ইউৰোপত থকা সময়ত লিখা আন কেইটামান মূল্যবান প্ৰবন্ধ হ'ল 'ইউৰোপৰ ভাষা আৰু সাহিত্য' (১৯২৬ চনত 'চেতনা' ত দুটা খণ্ডত প্ৰকাশ পায়), 'গ্ৰীক্ ভাষা' ('বাঁহী', ১৯২৬), 'জাৰ্মানীৰ জ্ঞান সাধনা' ('মিলন' ১৯২৭) ইত্যাদি। ইউৰোপৰ পৰা ঘূৰি আহি লিখা তেওঁৰ আন কেইটামান মূল্যবান প্ৰবন্ধ হ'ল— 'গ্ৰীক্ নাটকৰ গান ' (আবাহন), 'জাৰ্মান সাহিত্যৰ সপোন নাটক ' (আবাহন), ' স্পেনিছ্ সাহিত্যৰ, ৰমিঅ জুলিয়েট " (আবাহন), 'German Academic Ideals' (Forward, 1928), ' Classical Sanskrit as a vehicle of Indian culture' (The cultural *Heritage of India, vol-II, 1962), 'An Indian Prince in a Greek*

Prose Romance' (New Indian Antiquary, Bombay-1938), 'The Naishadha charita & Rajput painting' (Indian Historical Quartarly, 1936), 'চক্ৰেটিছৰ মতে কবিৰ প্ৰকৃতি ' (অসম সাহিত্য সভা পত্ৰিকা) ইত্যাদি। ইয়াৰ উপৰিও 'সাগৰৰ মাজৰ দুৰ্গ' আৰু 'প্ৰাচীন মিচৰৰ উপাখ্যান' নামৰ দুটা শিশু উপযোগী পৌৰাণিক গল্পও লিখে।

'গ্ৰীক্ ভাষা' শীৰ্ষক প্ৰবন্ধটোত সন্দিকৈদেৱে লিখিছে —*"গ্ৰীক্ ভাষাৰ সুদীৰ্ঘ বুৰঞ্জী যিমান ঘটনাপূৰ্ণ সম্ভৱতঃ আন কোনো ভাষাৰ বুৰঞ্জী তিমান নহয়। গ্ৰীক্ ভাষাৰ ওপৰেদি যিমান বিলাক ধুমুহা গৈছে আৰু তাত যিমান পৰিবৰ্ত্তন ঘটিছে, সম্ভৱত আন কোনো ভাষাত তেনে হোৱা নাই। .................গ্ৰীক্ সাহিত্য, দৰ্শন, পুৰাণ, বুৰঞ্জী, ব্যকৰণ, আদি সকলো বিষয়তে আজিলৈকে যিবিলাক আটাইতকৈ গুৰুত্বশালী আলোচনা হৈছে তাৰ প্ৰায়বিলাকেই জাৰ্মান ভাষাত লিখা। জাৰ্মান ভাষাৰ সহায় নললে গ্ৰীক্ ভাষা আৰু সাহিত্যত ভালকৈ বুৎপত্তি লাভ কৰা অসম্ভৱ।"*

"গ্ৰীক্ নাটকৰ গান " শীৰ্ষক প্ৰবন্ধটোত তেখেতে লিখিছে-

"খ্ৰীষ্টপূৰ্ব্ব পঞ্চম-চতুৰ্থ শতিকাত ৰচা গ্ৰীক্ সাহিত্যৰ বিখ্যাত ট্ৰেজেদি বা শোকনাট বিলাক বাস্তৱতে পদ্যত লিখা একোখন সৰু সৰু নাটকাব্য। ......... গান এই নাটবিলাকৰ এটা প্ৰধান অঙ্গ। আধুনিক আৰু গ্ৰীক্ ট্ৰেজেদিৰ এইটো এটা ডাঙৰ প্ৰভেদ। গানবিলাক আধুনিক নাটকৰ দৰে কথোপকথনৰ মাজত এনেয়ে সুমাই দিয়া নহয়। সেই বিলাকৰ লগত নাটখনৰ অন্তৰঙ্গ সম্বন্ধ থাকে; গ্ৰীক্ নাটকত ঠাই বুজি আধুনিক অপেৰাৰ নিচিনাকৈ গানেৰেও কথোপকথন চলিব পাৰে। সাধাৰণতে গ্ৰীক্ নাটকত কেইবাবিধৰো গান থাকে, তাৰে ভিতৰত ক'ৰাচ বা সমস্বৰ গান প্ৰধান আৰু সকলো নাটকতে থাকে। ইয়াৰ বাহিৰেও কম্মছ, মনডি আৰু 'ৰঙ্গমঞ্চৰ গান' বুলি কিছুমান গান আছে। ............... বাস্তৱতে ক'ৰাচৰ প্ৰধান উদ্দেশ্য হৈছে নাটকৰ ঘটনা বিলাকৰ ওপৰত মন্তব্য প্ৰকাশ কৰা, নায়কৰ ভাগ্য বিপৰ্য্যয়ত সহানুভূতি জ্ঞাপন কৰা আৰু বিশেষকৈ জীৱনৰ ডাঙৰ ডাঙৰ সমস্যাবিলাকত নিজৰ অভিমত কবিত্বপূৰ্ণ ভাষাত সঙ্গীতৰ সুৰেৰে প্ৰকাশ কৰা।"

গ্ৰীক্ সাহিত্যত কবিতা আৰু সঙ্গীতৰ সমাবেশৰ বিষয়ে এই প্ৰবন্ধটোত লিখিছে —"কবিতা আৰু সঙ্গীতৰ পাৰিপাৰ্শ্বিক অভিব্যক্তি

গ্ৰীক্ কাব্য প্ৰতিভাৰ এটা বিশেষ লক্ষণ। ..................কবিতা আৰু সঙ্গীতৰ এই যুগল অভিব্যক্তিৰ ফলস্বৰূপে প্ৰাচীন গ্ৰীক্ সাহিত্যত সঙ্গীতমূলক গীতি কবিতাৰ যি বিকাশ হৈছিল তাৰ তুলনা প্ৰাচীন ভাৰতীয় সাহিত্যত পোৱা নাযায়।"

'চক্ৰেটিছৰ মতে কবিৰ প্ৰকৃতি' শীৰ্ষক প্ৰবন্ধটো সন্দিকৈদেৱে মূল গ্ৰীক্ ভাষাৰ পৰা অনুবাদ কৰি শেষত নিজৰ মন্তব্য দিছে, য'ত বিখ্যাত দাৰ্শনিক প্লেটোৰ গুৰু চক্ৰেটিছে হ'মাৰৰ কবিতা গাই ফুৰা 'ইয়ন' নামৰ এজন গায়কক কবিৰ স্বৰূপ সম্পৰ্কে কৈছে -----

"................*কবি এটা পাতল পাখি লগা পবিত্ৰ বস্তু; অনুপ্ৰাণিত আৰু উন্মত্ত নহয় মানে, বিচাৰ শক্তি লুপ্ত নহয় মানে তেওঁ একো ৰচনা কৰিব নোৱাৰে।"* প্ৰবন্ধটোত কবিৰ প্ৰেৰণা সম্বন্ধে চক্ৰেটিছৰ লগত সন্দিকৈদেৱে একমত প্ৰকাশ কৰিছে যদিও কিছুক্ষেত্ৰত একমত হ'ব নোৱাৰি এনে ধৰণে মন্তব্য দিছে--- "প্ৰেৰণা সম্পৰ্কে চক্ৰেটিছে যি কৈছে সি সম্পূৰ্ণ সঁচা, কিন্তু তেওঁ ইয়াকো কয় যে প্ৰকৃত চিন্তাশক্তি, বিচাৰ ক্ষমতা আৰু অনুসন্ধানমূলক তত্বজ্ঞান ---- এই বিলাক গুণ কবিৰ নাই। .................... চক্ৰেটিছৰ এই কথা অলপ অতিৰঞ্জিত হৈছে, বিশেষকৈ যিসকল কবিয়ে গভীৰ চিন্তা আৰু নানা অনুসন্ধান কৰি কাব্য ৰচনা কৰে তেওঁবিলাকৰ পক্ষে এই কথা ভালকৈ নাখাটে। দান্তেৰ অমৰ কাব্য 'Divina Commedia' আৰু গ্যঠেৰ 'ফাউষ্ট'. গভীৰ চিন্তাপ্ৰসূত অনুসন্ধানমূলক কাব্য; তাত প্ৰেৰণা আছে, কিন্তু ক্ষনিক উদ্দীপনাৰ উন্মাদ নাই।"

১৯২৭ চনত ইউৰোপৰ পৰা ঘূৰি অহাৰ পিছত নগাঁৱৰ বুঢ়াগোঁহাই ফৈদৰ বংশধৰ উমাচৰণ গোঁহাইৰ জীয়ৰী হেমলতা আইদেউৰ লগত ১৯২৮ চনৰ ফ্ৰেব্ৰুৱাৰী মাহত সন্দিকৈদেৱৰ শুভবিবাহ সম্পন্ন হয়। হেমলতা আইদেউ এগৰাকী আদৰ্শ অসমীয়া বোৱাৰী আছিল। ঘৰুৱা সকলো কামৰ দায়িত্ব নিজে গা পাতি লৈ সন্দিকৈদেৱক লিখা পঢ়া, গবেষণা আৰু মহাবিদ্যালয়-বিশ্ববিদ্যালয় আদিৰ কামত একান্তভাৱে নিয়োগ কৰাত সহায় কৰিছিল। বৈবাহিক জীৱনৰ ফলস্বৰূপে দুজনী কন্যা আৰু এজন পুত্ৰ সন্তান তেওঁলোকৰ মাজলৈ আহে। এওঁলোক যথাক্ৰমে প্ৰমীলা, অহল্যা আৰু বিজয়কৃষ্ণ সন্দিকৈ। পত্নী হেমলতা আইদেউৰ সোঁৱৰণত কৃষ্ণকান্ত সন্দিকৈদেৱে যোৰহাটত 'হেমলতা

সন্দিকৈ মেমোৰিয়েল ইন্সটিটিউট 'নামেৰে এখন ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰি ইয়াৰ সম্পূৰ্ণ ব্যয় নিজেই বহন কৰাৰ দায়িত্ব লয়। এই বিদ্যালয়খনত মাধ্যমিক শিক্ষাৰ মান উন্নত কৰাৰ বাবে, এটা শ্ৰেণীত ৪০ জনতকৈ কোনো গুণে ছাত্ৰ বেছি হ'ব নোৱাৰিব বুলি তেখেতে ন্যাসপত্ৰত উল্লেখ কৰি দিছে। ১৯৩০ চনত সন্দিকৈদেৱে উত্তৰ পূৰ্বাঞ্চলৰ সৰ্বপ্ৰথম বেচৰকাৰী মহাবিদ্যালয় জগন্নাথ বৰুৱা কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে যোগদান কৰে আৰু প্ৰায় সোঁতৰবছৰ কাল বিনা পাৰিতোষিকেৰে চালুকীয়া অৱস্থাৰ পৰাই এই মহাবিদ্যালয়খনক অসমৰ এক সৰ্বাঙ্গসুন্দৰ মহাবিদ্যালয়ৰূপে গঢ়ি তোলাত অভুতপূৰ্ব বৰঙণি যোগায়। তেওঁৰ কাৰ্য্যকালৰ সম্পূৰ্ণ দৰমহাৰ ধন কলেজখনৰ বিজ্ঞান শাখাৰ স্থাপনৰ বাবে দান দিয়ে।

১৯৩০ চনত সন্দিকৈদেৱ অসম ছাত্ৰ সম্মিলনৰ গোলাঘাটত বহা চতুৰ্দ্দশ অধিবেশনৰ সভাপতিৰূপে নিৰ্বাচিত হয়। সভাপতিৰ ভাষণত তেওঁ ছাত্ৰ-ছাত্ৰী সকলৰ উদ্দেশ্যে কৈছিল—

*"ব্যক্তিগত লাভালাভৰ ওপৰত এটা জাতীয় মৰ্যাদা আৰু আত্মসন্মান আছে, উপাধীতকৈও ওপৰত এটা চৰিত্ৰ গৌৰৱ আৰু জ্ঞানৰ গৌৰৱ আছে, খোৱা-পিন্ধাৰ বাহিৰেও কিছুমান চিৰন্তন সত্য আৰু অশৰীৰী মূল্য (Spiritual Value) আছে —— এই বিলাক আদৰ্শৰ অনুসৰণ কৰাও ছাত্ৰজীৱনৰ লক্ষ্য বুলি বোধ হয়। অন্তত ছাত্ৰজীৱনতে যে তাৰ সাধনা কৰিবলৈ আটাইতকৈ বেছি সুবিধা, তাত সন্দেহ নাই। কালৰ সোঁতত আদৰ্শৰ বেছিভাগ উটি গলেও যি দুই এটা ফিৰিঙতি বাকী থাকিব, সিয়েই আমাৰ জাতীয় আৰু সামাজিক জীৱন পবিত্ৰ কৰিব যেন লাগে। এই আদৰ্শৰ খাতিৰতে অনেকে শিক্ষাৰ ব্যৱস্থাত জ্ঞানতকৈ চৰিত্ৰ আৰু ব্যক্তিত্ব বিকাশৰ ওপৰত বেছি ভৰ দিয়ে।"*

ছাত্ৰই ৰাজনীতিত অংশগ্ৰহণৰ বিষয়ে অভিভাষণত তেওঁ কৈছিল-

"পাৰিপাৰ্শিক অৱস্থাৰ পৰা ছাত্ৰসমাজ বিচ্ছিন্ন হৈ থাকিব নোৱাৰে। দেশত যিবিলাক ৰাজনৈতিক আৰু সামাজিক আন্দোলন হৈছে তাৰ পৰা কলেজীয়া ছাত্ৰক একেবাৰেই আতৰাই ৰাখিব নোৱাৰি।"

পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱৰ শৈক্ষিক জীৱনৰ তিনিটা ডাঙৰ কীৰ্তিস্তম্ভ হ'ল আন্তৰ্জাতিক খ্যাতি লাভ কৰা তেখেতৰ তিনিখন বৃহৎ

কলেবৰৰ গ্ৰন্থ। এই তিনিখন যথাক্ৰমে দ্বাদশ শতিকাৰ সবাতোকৈ কঠিন বুলি খ্যাত সংস্কৃত মহাকাব্য ' নৈষধ চৰিত '-ৰ ওপৰত ইংৰাজী অনুবাদ কৰা 'NAISADHACARITA OF SARI HARSA', প্ৰাচীনতাৰ অন্ধকাৰত লীন যাব ধৰা দশম শতিকাৰ সংস্কৃত চম্পূকাব্য ' যশস্তিলক '-ৰ ওপৰত 'YASASTILAKA AND INDIAN CULTURE' আৰু পঞ্চম শতিকাৰ প্ৰাকৃত ভাষাত ৰচিত প্ৰাচীনতম মহাকাব্য 'সেতুবন্ধ'-ৰ ওপৰত 'PRAVARASENA'S SETUBANDHA'। বিশ্বৰ অন্যান্য মহৎ সাহিত্যৰাজিৰ দৰে সংস্কৃত সাহিত্যৰো বিশ্বজনীন স্বৰূপ সাব্যস্ত কৰিবলৈকে যেন সন্দিকৈদেৱে ভাৰতীয় সভ্যতাৰ এই ভাষা-সাহিত্যক আকোৱালী লৈছিল। এই মহাকাব্য সমূহৰ প্ৰতি পৃথিৱীৰ জ্ঞানী-পণ্ডিত লোকৰ দৃষ্টি আকৰ্ষন কৰিবৰ বাবে নানা গৱেষণা কেন্দ্ৰসমূহৰ পৰা টীকা-ভাষ্য আদি অনেক পৰিশ্ৰমৰদ্বাৰা সংগ্ৰহ কৰি তুলনামূলক বাখ্যা তথা সমালোচনাৰে ইংৰাজীত অনুবাদ কৰিছিল। এইবোৰৰ লিপিতত্ত্ব, প্ৰত্নতত্ত্ব, ভাষাতত্ত্ব, পাণ্ডুলিপি, জ্ঞান, মুদ্ৰা অধ্যয়ন, ছন্দ অলংকাৰ, দৰ্শন, ইতিহাস আদিৰ জ্ঞান আহৰণ কৰি তথা মূল পৌৰাণিক শাস্ত্ৰৰ ওপৰত ভিত্তি কৰি এই কামত আগবাঢ়িছিল।

' নৈষধ চৰিত' মহাকাব্যখন প্ৰখ্যাত প্ৰাচীন চৰিত্ৰ ' নল-দময়ন্তী'-ৰ কাহিনীৰ ওপৰত ৰচিত। এই বৃহৎ কলেবৰৰ পুথিখন সন্দিকৈদেৱে টীকা টিপ্পনীসহ বাখ্যামূলক সমীক্ষা আদিৰে ইংৰাজী ভাষালৈ অনুবাদ কৰে আৰু এই কাম ১৯২৭ চনত আৰম্ভ কৰি ১৯৩৪ চনতহে শেষ হয়। অৰ্থাৎ প্ৰায় সাত-বছৰ কাল তেখেতে শ্ৰীহৰ্ষৰ নৈষধ চৰিতৰ ওপৰত গৱেষণা চলায়। ১৯৩৪চনত সেই সময়ৰ অবিভক্ত পঞ্জাবত অৱস্থিত লাহোৰৰ পৰা এই গ্ৰন্থ প্ৰকাশ পায়। এই বৃহৎ গ্ৰন্থখনি প্ৰকাশ পোৱাৰ লগে লগে সংস্কৃত ভাষাৰ ওপৰত দখল নথকা বিশ্বৰ সংস্কৃত অনুৰাগী পণ্ডিত সকল বিশেষভাৱে উপকৃত হ'ল। ' নৈষধ চৰিত ' সংস্কৃত মহাকাব্যসমূহৰ ভিতৰত আটাইতকৈ কঠিন বুলি জনাজাত আছিল। এই গ্ৰন্থখনি প্ৰকাশ পোৱাৰ লগে লগে দেশ-বিদেশৰ প্ৰাচ্যতত্ত্ববিদ সকলে গ্ৰন্থখনিৰ উচ্চ প্ৰশংসা কৰি বিভিন্ন কাকতে পত্ৰই সমীক্ষা লিখিলে। এওঁলোকৰ ভিতৰত এডিনবাৰ্গৰ অধ্যাপক এম. বি. কিথ, ইউৰোপীয় পণ্ডিত প্ৰেগ (Prague), অধ্যাপক এম. উইন্টাৰনিজ, কেলিফোৰ্নিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক এম. বি. এমেনু, মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ অধ্যাপক ডঃ চি. কে. ৰাজা, বৰোদা

বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ অধ্যাপক ডঃ এ. এন. জনি আদিৰ মন্তব্য অন্যতম। ফলস্বৰূপে জীৱনৰ ৩৬ বছৰ বয়সতে সন্দিকৈদেৱৰ জীৱনলৈ আপোনা আপুনি আন্তৰ্জাতিক স্বীকৃতি আহি পৰিল। অধ্যাপক এ. বি. কিথ্য়ে 'নৈষধ চৰিত' সম্বন্ধে এনেদৰে মতামত দিছে— "কাব্যখন সহজ নহয় --যথেষ্ট কঠিন আৰু অনুবাদটোৰ স্পষ্ট মূল্য আছে। আগতে প্ৰকাশ নোহোৱা টীকা ভাষ্যৰ সংযোজনাৰ কাৰণে গোটেই গ্ৰন্থখনি বৰ মূল্যবান হৈছে আৰু পৰিশিষ্টৰ দাৰ্শনিক প্ৰসংগ সমূহে যথেষ্ট আৱশ্যকীয় সঁজুলি দাঙি ধৰিছে আৰু ইয়াৰদ্বাৰা অনুবাদকৰ ভাৰতীয় দাৰ্শনিক চিন্তাৰ লগত ঘনিষ্ঠ পৰিচয় থকা সম্বন্ধে জনা যায়। ইয়াৰ বিশেষ মূল্য হৈছে- অতি আৱশ্যকীয় শব্দকোষটোত আৰু সেয়ে সংস্কৃত অভিধানৰ কাৰণে অতি মূল্যবান সম্পদ হ'ব। মই আনন্দেৰে আগ্ৰহ প্ৰকাশ কৰিছোঁ যেন এই গৰাকী অনুবাদকে সংস্কৃত কাব্য-সাহিত্য সম্বন্ধে আন এখন গ্ৰন্থ হাতত ল'ব আৰু এই কামৰ বাবে তেখেতেই জলজল-পটপটকৈ যোগ্য ব্যক্তি।"

'নৈষধ চৰিত' ৰ ওপৰত সমালোচনামূলক নিবন্ধ লিখি বম্বে বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট পোৱা ডঃ এ. এন. জিনিয়ে গ্ৰন্থ আকাৰে প্ৰকাশ পোৱা তেওঁৰ নিবন্ধৰ পাতনিত লিখিছে — "*নৈষধ চৰিত সংস্কৃত সাহিত্যৰ মহাকাব্যসমূহৰ ভিতৰত আটাইতকৈ কঠিন আৰু সেয়েহে আধুনিক কালত এই কাব্যখনক অবহেলা কৰা হয়। এই মহাকাব্যখনৰ একমাত্ৰ পণ্ডিত্যপূৰ্ণ ইংৰাজী অনুবাদ কৰিছে অধ্যাপক সন্দিকৈয়ে। তেঁৱেই এই মহাকাব্যখন কেবল যে ভাৰতীয়ৰ বাবে বোধগম্য কৰিলে এনে নহয়, পাশ্চাত্য জগতৰ কাৰণেও তাক বোধগম্য কৰি তুলিলে। নহ'লে ইয়াৰ অৰ্থ বোধগম্য কৰাটো অত্যন্ত কঠিন হ'লহেঁতেন।*"

সন্দিকৈদেৱৰ জীৱনৰ দ্বিতীয় কীৰ্তিস্তম্ভ হ'ল মহাৰাষ্ট্ৰৰ চোলাপুৰৰ পৰা 'জৈন সংস্কৃতি সংৰক্ষক সংঘ'ই ১৯৪৯ চনত প্ৰকাশ কৰি উলিওৱা তেখেতৰ বৃহৎ ইংৰাজীত লিখা গৱেষণামূলক গ্ৰন্থ 'YASASTILAKA AND INDIAN CULTURE'। দশম শতিকাত সোমদেৱে ৰচনা কৰা এই মূল সংস্কৃত পুথিখনৰ বিষয়বস্তু হৈছে জৈনধৰ্ম, ভাৰতীয় চিন্তা আৰু সমসাময়িক ভাৰতীয় সংস্কৃতি। 'যশস্তিলক' পুথিখনৰ টিকা-ভাষ্য সহ ইংৰাজীত প্ৰকাশ পোৱাৰ লগে লগে দেশ বিদেশৰ পণ্ডিত সকলৰ মাজত এই গ্ৰন্থখন বিশেষভাৱে সমাদৃত হয়। এই গ্ৰন্থখন প্ৰকাশ হোৱা বছৰটোত

মুম্বাই চহৰত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ পঞ্চদশ অধিবেশনত এই গ্ৰন্থখনিৰ আৰু সন্দিকৈদেৱৰ প্ৰশংসা কৰে আৰু তেখেতক ১৯৫১ চনত লক্ষ্ণৌত অনুষ্ঠিত হ'বলগীয়া ষষ্ঠদশ সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ ধ্ৰুপদী সংস্কৃত শাখাৰ বাবে সভাপতি নিৰ্বাচন কৰে। এই সভাখনত সন্দিকৈদেৱক বিশেষ সন্মান দেখুওৱা হৈছিল আৰু তেখেতৰ ভাষণ শুনিবৰ বাবে বয়োবৃদ্ধ পণ্ডিতকে আদি কৰি অসংখ্য শিক্ষানুৰাগী লোকৰ সমাৱেশ হৈছিল। সন্দিকৈদেৱৰ 'যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি' গ্ৰন্থখনৰ বিষয়ে পেৰিচ বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ অধ্যাপক এল. ৰণোৱে ফ্ৰেন্স একাডেমিৰ অন্তৰ্গত মুখপত্ৰত লিখিছে---- *"পিটাৰচনৰ টোকা এটাৰ বাহিৰে যশস্তিলক সম্বন্ধে একোৱেই লিখা হোৱা নাছিল। সন্দিকৈ ডাঙৰিয়াৰ আগ্ৰহ অতি মন কৰিবলগীয়া। তেওঁৰ গভীৰ পাণ্ডিত্য প্ৰায় পোন্ধৰ বছৰৰ আগতে শ্ৰীহৰ্ষৰ নৈষধ চৰিতত প্ৰকাশ পাইছিল। এতিয়া তেওঁ 'যশস্তিলক' গ্ৰন্থখন প্ৰচলিত হিন্দু কৃষ্টিৰ সুঁতিৰ লগত সন্মিলিত কৰিলে। এইটো ডাঙৰ লাভ।"*

মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক ডঃ ভি, ৰাঘৱনে সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ পঞ্চদশ অধিবেশনৰ (১৯৪৯) সভাপতিৰ অভিভাষণত সন্দিকৈদেৱৰ 'যশস্তিলক আৰু ভাৰতীয় চিন্তা' গ্ৰন্থখনিৰ বিষয়ে এনেধৰণে মন্তব্য দিছে----- *"এয়া নিশ্চয় মানি ল'ব লাগিব যে অধ্যাপক সন্দিকৈৰ হাতত এই গ্ৰন্থখন ঠিক সোমদেৱৰ মূল গ্ৰন্থখনৰ দৰেই সাহিত্য, বুৰঞ্জী, সমাজ, ধৰ্ম আৰু প্ৰত্নতত্ত্ব বিষয়ক নানা তথ্যৰ আকৰ স্বৰূপ হৈছে। এই বিলাক কথাৰ সংগ্ৰহ আচৰিত ধৰণৰ পৰিশ্ৰমৰ দ্বাৰাহে সম্পন্ন হৈছে।"*

সন্দিকৈদেৱৰ জীৱনৰ তৃতীয় উল্লেখযোগ্য কীৰ্তিস্তম্ভ হৈছে প্ৰাকৃত টেক্সট চোচাইটিয়ে ১৯৭৬ চনত প্ৰকাশ কৰি উলিওৱা পঞ্চম শতিকাৰ প্ৰাকৃত ভাষাত ৰচিত প্ৰাচীনতম মহাকাব্য 'সেতুবন্ধ' ৰ টিকা টিপ্পনীসহ ইংৰাজীলৈ কৰা অনুবাদ আৰু সমালোচনামূলক গ্ৰন্থখন। 'সেতুবন্ধ' ৰ মূল ৰচয়িতা হ'ল -- প্ৰৱৰসেন। কালিদাসৰ প্ৰায় সমসাময়িক প্ৰৱৰ সেনৰ এই মহাকাব্যখনৰ ৰচনা- ৰীতি প্ৰাচীন ভাৰতীয় কাব্যৰীতিৰ অভিব্যক্তিৰ ইতিহাসৰ বাবে এক আৱশ্যকীয় সাহিত্যিক সমল। মহাৰাষ্ট্ৰী প্ৰাকৃতত লিখিত এই মহাকাব্যখনৰ মূল বিষয়বস্তু হ'ল ৰামায়ণৰ উত্তৰকাণ্ড অৰ্থাৎ

সেতুবন্ধৰ পৰিকল্পনা। প্ৰথমে পৰিকল্পনা নকৰাকৈ সেতু বান্ধিবলৈ যাওঁতে সেতু বান্ধ নাখালে। পিছত ন'লে পৰিকল্পনা কৰা মতেহে সেতু বান্ধিব পৰা হ'ল। এই মহাকাব্যখনৰ জৰিয়তে পৰিকল্পনাৰ মূল্য দেখুৱাবৰ বাবেও প্ৰযত্ন কৰিছে। প্ৰায় আঠশ পৃষ্ঠাৰ এই গ্ৰন্থখনিৰ প্ৰধান সম্পাদকৰ আগকথাত গুজৰাট বিশ্ববিদ্যালয়ৰ প্ৰাকৃতৰ অধ্যাপক শ্ৰী এইচ. চি. ভায়ানিয়ে এনেদৰে মন্তব্য দিছে -----

"মহাকাব্য ৰীতিত উৎকৰ্ষ লাভ কৰা কেইখনমান মাত্ৰ কাব্যৰ অন্যতম প্ৰবৰসেন প্ৰণীত 'সেতুবন্ধ' ৰ অধ্যাপক সন্দিকৈয়ে লিখা এই গৱেষণামূলক অনুবাদ গ্ৰন্থখন প্ৰাচীন ভাৰতীয় সাহিত্য অনুশীলনকাৰী সকলৰ হাতত অৰ্পণ কৰিবলৈ পাই আমি আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছোঁ। বহু সংখ্যক প্ৰাচীন টোকা তন্ন তন্নকৈ অধ্যয়ন কৰি আহৰণ কৰা বাখ্যান-- সৰ্জুলিৰ প্ৰাচুৰ্য্যৰ বিষয়ত বৰ্ত্তমান সময়ত ওলোৱা প্ৰাকৃত সাহিত্য সম্বন্ধীয় কোনো গৱেষণা গ্ৰন্থ এই গ্ৰন্থৰ সমকক্ষ নহয়। প্ৰাচীনত্ব, গুৰুত্ব আৰু বহুকালব্যাপী উচ্চ সমাদৰৰ ফালৰ পৰা চালে ' সেতুবন্ধ ' খন হালৰ সপ্তশতকৰ লগত বিজাব পাৰি। সপ্তশতকখনে ভালেমান দিন আগতে বেবাৰৰ নিচিনা পণ্ডিতৰ যথাযোগ্য মনোযোগ আকৰ্ষন কৰিছিল। এনে বোধ হয় যেন সেতুবন্ধখনে অধ্যাপক সন্দিকৈৰ পুৰঠ পাণ্ডিত্যৰ কাৰণে ইমান দিন অপেক্ষা কৰি আছিল।"

বিশ্বৰ পণ্ডিত সমাজৰ মাজত আন্তৰ্জাতিক খ্যাতি লাভ কৰি থকাৰ সময়তে গুণীৰ গুণৰ মোল বুজি সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈদেৱে গুৱাহাটীত ১৯৪৮ চনত নতুনকৈ স্থাপন কৰা উত্তৰ পূৰ্ব্বাঞ্চলৰ প্ৰথমখন বিশ্ববিদ্যালয় 'গুৱাহাটী বিশ্ববিদ্যালয়' ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য্যৰ গধুৰ দায়িত্বভাৰ গ্ৰহণৰ বাবে সন্দিকৈদেৱক আমন্ত্ৰন জনায়। অৱশ্যে প্ৰথম অৱস্থাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পদৰ বাবে গুজৰাটৰ পৰা বিশিষ্ট শিক্ষাবিদ কাকা চাহেব কালেলকাৰক অনাৰ প্ৰচেষ্টা চলাইছিল যদিও প্ৰবল জনমতৰ প্ৰতি সন্মান জনাই বাহিৰৰ লোক অনাৰ সিদ্ধান্ত বাদ দি উপাচাৰ্য্য পদৰ বাবে সন্দিকৈদেৱক আমন্ত্ৰন জনায়। বৃহত্তৰ স্বাৰ্থত সন্দিকৈদেৱে আমন্ত্ৰন গ্ৰহণ কৰি ১৯৪৮ চনৰ পৰা ১৯৫৭ চনলৈ সুদীৰ্ঘ ন'বছৰ কাল এক বলিষ্ঠ পৰিচালনাৰে উপাচাৰ্য্যৰ দৰে এক গুৰুত্বপূৰ্ণ পদত কাৰ্য্যভাৰ চলাই চালুকীয়া অৱস্থাৰ পৰা নি বিশ্ববিদ্যালয়খনক

ভাৰতবৰ্ষৰ এক আগশাৰীৰ বিশ্ববিদ্যালয়ৰূপে গঢ় দিব পাৰিছিল। অৱশ্যে উপাচাৰ্য্যৰ পদ গ্ৰহণ কৰাৰ আগেয়ে বিশ্ববিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰিব বুলি আগতীয়াকৈ আশ্বাস লৈ থৈছিল। ফলত বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা বজাই দৃঢ় নীতি কৰ্মপন্থা হাতত লোৱাত সন্দিকৈদেৱৰ সুবিধা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হোৱাৰ তিনিবছৰ পিছতেই সন্দিকৈদেৱক ভাৰতৰ আন্ত বিশ্ববিদ্যালয় সমিতিৰ সভাপতিৰূপে নিৰ্বাচিত কৰা হৈছিল আৰু ১৯৫২ চনত মাদ্ৰাজত অনুষ্ঠিত ভাৰতীয় বিশ্ববিদ্যালয় সমূহৰ উপাচাৰ্য্য আৰু প্ৰতিনিধি সকলৰ সভাত তেখেতে সভাপতিত্ব কৰে। তেখেতৰ পৌৰাহিত্যত ১৯৫২ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ত বহা আন্ত বিশ্ববিদ্যালয় সমিতিয়ে ভাৰত চৰকাৰক ইংলেণ্ডৰ ইউনিভাৰচিটি গ্ৰাণ্টচ্ কমিচনৰ আৰ্হিৰে ভাৰতত বিশ্ববিদ্যালয় সমূহৰ আৰ্থিক, শৈক্ষিক আদি বিভিন্ন বিষয়ৰ চোৱা-চিতা কৰিবৰ বাবে এটা সংস্থা খুলিবলৈ পৰামৰ্শ আগবঢ়ায়। এই সমিতিৰ পৰামৰ্শ অনুসৰিয়েই ভাৰত চৰকাৰে বৰ্ত্তমানৰ বিশ্ববিদ্যালয় অনুদান আয়োগ গঠন কৰে আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰে।

বিশ্ববিদ্যালয়ত কাৰ্য্যনিৰ্বাহ কৰি থকা অৱস্থাত সন্দিকৈদেৱক খুউব কম লোকইহে দেখিবলৈ পাইছিল যদিও প্ৰশাসনৰ পৰা শিক্ষা ব্যৱস্থালৈ ক'ত কি কাম হৈ আছে, গোটেইবোৰ তেখেতৰ নখদৰ্পণত আছিল। তেখেতৰ দীঘলীয়া কাৰ্য্যকালচোৱাত গুৱাহাটী বিশ্ববিদ্যালয়ত কোনো ধৰণৰ বিশেষ আন্দোলন বা গণ্ডগোল নোহোৱাকৈ অতি শান্তিপূৰ্ণভাৱে পাৰ হৈছিল। প্ৰথম অৱস্থাত কটন কলেজৰ অধ্যক্ষৰ বাসভৱনটো উপাচাৰ্য্যৰ বাসভৱনৰূপে লোৱাত তাৰ মাত্ৰ এটা কোঠাহে নিজে থকাৰ বাবে তেওঁ ব্যৱহাৰ কৰিছিল আৰু বাকী কোঠাত নিজৰ অফিচ আৰু বিশ্ববিদ্যালয়ৰ একজিকিউটিভৰ সভা বহা হ'ল আছিল। বিভিন্ন বিভাগৰ কমিটি আদিও তাতেই বহিছিল। সন্দিকৈদেৱে আশাগুধীয়া প্ৰচেষ্টাৰে উত্তৰ পূৰ্ব্বাঞ্চলৰ এই প্ৰথম বিশ্ববিদ্যালয়খন দেশৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে গঢ় দিয়াত অভূতপূৰ্ব বৰঙণি আগবঢ়ালে যদিও তেখেতে নিজে গুৱাহাটী বিশ্ববিদ্যালয়ত কাৰ্য্যনিৰ্বাহ কৰা এই ন'বছৰ কালক এক শূণ্য হিচাপে অভিহীত কৰিব বিচাৰে। বিশ্ববিদ্যালয়ৰ বিভিন্ন কামত ব্যস্ত থকাৰ বাবে এই সময়চোৱাত তেখেতে লিখা মেলা বা পঢ়াশুনাৰ কাম বেছিকৈ

কৰিব নোৱাৰিছিল। তেখেতৰ মতে এই সময়চোৱাত যোৰহাটত থকা হ'লে তেওঁৰ পৰিকল্পিত সংস্কৃত মহাকাব্যসমূহৰ বুৰঞ্জীখন লিখি অন্ত কৰিব পাৰিলেহেঁতেন। পাৰ্থিৱ খ্যাতিৰ প্ৰতি অনিহা থকা সন্দিকৈদেৱৰ লৈ বিশ্ববিদ্যালয়ত কাৰ্য্যনিৰ্বাহ কৰাৰ শেষ কালচোৱাত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৰাজ্য সভাৰ এম. পি ৰ বাবেও প্ৰস্তাৱ আহিছিল, যিটো তেখেতে একমুখে নাকচ কৰে।

নৈতিকতা, ন্যায়পৰায়নতা, অন্তৰৰ পবিত্ৰতাক জীৱনৰ সকলোতকৈ বেছি গুৰুত্ব দিয়া সন্দিকৈদেৱে জ্ঞান সাধনাকে জীৱনৰ ব্ৰত কৰি লৈছিল। তেখেতৰ ভাষাত ----- " ……………………শিক্ষা প্ৰণালী আৰু জ্ঞান সাধনাৰ এটা পাৰ্থক্য আছে। স্কুল কলেজত যি শিক্ষা দিয়া হয় তাৰ উদ্দেশ্য হৈছে শিক্ষাৰ্থীক জীৱনৰ বাবে উপযোগী কৰা। জ্ঞান সাধনা হৈছে এটা জীৱনৰ ব্ৰত, সি জীৱনৰে এটা বিশেষ ৰূপ। "

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম সমাবৰ্ত্তন উৎসৱত দিয়া উপাচাৰ্য্যৰ ভাষণত সন্দিকৈদেৱে ডিগ্ৰি লাভ কৰোঁতা সকলক অভিনন্দন জনাই নৈতিকতা আৰু চৰিত্ৰবল গঠন কৰিবৰ বাবে উপদেশ দি কৈছিল ----

*" ………………To the graduates of the University who wiil take their degrees to-day, I offer cordial greetings and the best wishes of the University for their success and welfare in life. I need not remind them of their nascent responsibilities and the great tradition they have to carry forward as worthy citizens of Inidia. They must remember that it is not degrees, but charecter and the purity of the heart that will entitle them to the dignity of man. In a world full of temptation, they have to keep their balance and resist the forces of evil."*

উপাধী, স্বীকৃতি আদিৰ প্ৰতি অনাসক্ত সন্দিকৈদেৱলৈ ১৯৫৫ চনত ভাৰত চৰকাৰে পদ্মশ্ৰী, ১৯৬৭ চনত পদ্মবিভূষণ, মহাৰাষ্ট্ৰ চৰকাৰৰ ডেকান কলেজৰ সন্মানিত সদস্য, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মানিত

ডি. লিট, ডিব্রুগড় বিশ্ববিদ্যালয়ৰ সম্মানিত ডি. লিট, অসম সাহিত্য সভাৰ ‘ সদস্য-মহীয়ান ’ ইত্যাদি বিভিন্ন উপাধীৰে বিভূষিত হৈছিল।

১৯৩৭ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনত সন্দিকৈদেৱে সভাপতিৰ আসন অলংকৃত কৰে। মাত্র ৩৯ বছৰ বয়সতে অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰা তেখেতেই বৰ্ত্তমানলৈ কনিষ্ঠতম সভাপতি। সভাপতিৰ অভিভাষণত তেখেতে সাহিত্যিক সকলক সাহিত্য সৃষ্টিত উচ্চ আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত হ'বৰ বাবে আহ্বান জনাইছিল-------“ উচ্চ আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত জীৱন ব্যাপী সাধনা নহ'লে ওখ খাপৰ সাহিত্য সৃষ্টি হোৱা টান। আমাৰ মাজত ব্যক্তিগত সাধনাৰ অভাৱ অকল সাহিত্যতে নহয়, জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায়। সাহিত্যৰ ক্ষেত্ৰত ইয়াৰ ফল শোচনীয় হৈছে।”

সাহিত্য আৰু সমাজৰ ওতপ্ৰোত সম্পৰ্কৰ বিষয়ে তেখেতে এই অভিভাষণতে কৈছিল-*“আমাৰ সাহিত্যৰ উন্নতিও যে অকল লেখক সকলৰ ব্যক্তিগত সাধনাৰ ওপৰতে নিৰ্ভৰ কৰিছে এনে নহয়, আমাৰ সমাজো শিক্ষা-দীক্ষা, শ্ৰম, শিল্প, আৰ্থিক প্ৰগতি-সকলো বিষয়তে আগবাঢ়ি সাহিত্যৰ যোগান ধৰিব পৰা হ'ব লাগিব। সাহিত্য আৰু সমাজ এটা ঘনিষ্ঠ সম্বন্ধত পৰস্পৰ সংশ্লিষ্ট হৈ আছে। সাহিত্যহীন সমাজ পঙ্গু আৰু বৰ্বৰ আৰু সমাজৰ লগত সম্পৰ্ক নথকা সাহিত্য ক্ষীণ আৰু দুৰ্বল।”*

জীৱনৰ অভিজ্ঞতাৰ ওপৰত সাহিত্য সৃষ্টিৰ সাৰ্থকতাৰ বিষয়ে কবলৈ গৈ তেখেতে কৈছিল----- *“ব্যক্তিগত প্ৰতিভা আৰু ক্ষমতাৰ বাহিৰেও পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত সাহিত্যৰ বিকাশ অনেক পৰিমানে নিৰ্ভৰ কৰে। জীৱনৰ অভিজ্ঞতাৰ লগত সাহিত্যৰ অতি ঘনিষ্ঠ সম্বন্ধ। অভিজ্ঞতাৰ গাম্ভীৰ্য্য আৰু বৈচিত্ৰ নহ'লে সজীৱ স্পন্দনপূৰ্ণ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। বাস্তৱতে সাহিত্য এটা বিৰাট অভিজ্ঞতা। ব্যক্তিগত আৰু সামাজিক সকলোপ্ৰকাৰ অভিজ্ঞতাৰ প্ৰকাশ হ'ল হৈছে সাহিত্য।”*

অসমৰ ভাষা সাহিত্যৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰোঁতা, জ্ঞানযোগী, কৰ্মযোগী, পৰহিতৈষী মহান গৱেষক কৃষ্ণকান্ত সন্দিকৈদেৱৰ ১৯৮২ চনৰ সাত জুনৰ দিনাখন চৌৰাসী বছৰ বয়সত দেহাৱসান ঘটে। জনতাৰ পৰা সদায় নিৰলে থকা বিশ্ববিশ্ৰুত এই পণ্ডিতপ্ৰবাৰীৰ মুখখন এবাৰৰ

বাবে দৰ্শন কৰিবলৈ তথা তেখেতৰ নশ্বৰ দেহত শ্ৰদ্ধা তৰ্পন কৰিবলৈ সেইদিনাখন তেখেতৰ বাসভৱনত হেজাৰ হেজাৰ গুণমুগ্ধ লোকৰ সমাগম হৈছিল। পদ্মশ্ৰী কবি নলিনীবালা দেৱীয়ে ' অলকানন্দা ' নামৰ কবিতাপুথি খন এই গৰাকী মহান পণ্ডিতৰ নামত এনেদৰে উছৰ্গা কৰিছে----

"মহীয়ান দানবীৰ পিতৃৰ সন্তান !
নোহোৱা মাথোন তুমি অসম গৌৰৱ
ভাৰত গৌৰৱ তুমি ! বিশ্বৰ জ্ঞান মন্দিৰত।"

❖❖❖

## সহায়ক গ্ৰন্থ, আলোচনীৰ তালিকা

১। 'কৃষ্ণকান্ত সন্দিকৈ' -------- আব্দুছ ছাত্তাৰ দ্বিতীয় সংস্কৰণ (১৯৭৮)।

২। 'ভাষণ মালা' --------- অসম প্ৰকাশন পৰিষদ (১৯৬০)।

৩। 'গৰীয়সী, জানুৱাৰী ২০০০।

৪। 'জাৰ্মেনিৰ জ্ঞান সাধনা' ------ মিলন ২য় সংখ্যা (১৯২৬)।

৫। 'প্ৰবন্ধাৱলী' ----- গুৱাহাটী বিশ্ববিদ্যালয় (১৯৬৫)।

❀❀❀

*“ মানুহ বুলিলেই অসংখ্য বাসনা, ইচ্ছা, আকাঙ্খা, শক্তিৰ সমষ্টি বুজায়। মানুহৰ কৰ্ত্তব্যজ্ঞান আছে, ধৰ্মজ্ঞান আছে, ভৱিষ্যত সুখৰ বাঞ্ছা আছে, লোকৰ উপকাৰ কৰিবৰ প্ৰবৃত্তি আছে, তাক মানুহে নিজেই ক'ব নোৱাৰে। পৰস্পৰৰ সংঘৰ্ষণত কেতিয়াবা কেতিয়াবা একোটা আচৰিত শক্তি আৰু জ্ঞান বিস্ফুৰিত হৈ পৰে। এই সকলোবোৰ গুণ আৰু শক্তি সমানভাৱে মনত ধাৰণা কৰিবলৈ নিৰ্মলভাৱে জগতৰ পিনে চাব পৰাই প্ৰকৃত শিক্ষা ”*

—— ড° বাণীকান্ত কাকতি।

# ভাষাবিদ্ ড° বাণীকান্ত কাকতি

অসমীয়া ভাষা তত্বৰ অপ্ৰতিদণ্ডী পাণ্ডিত্যৰ অধিকাৰী ডঃ বাণীকান্ত কাকতি আছিল ব্যক্তিগত জীৱনত ধুতি, কামিজ, কোট চোলা, কেনভাচ জোতা আৰু বিতচকু পৰিহীত এক সহজ সৰল ব্যক্তি। নিজৰ বুদ্ধিমত্তা, কঠোৰ পৰিশ্ৰম, এক চিন্তাশীল মন, বিচাৰাত্মক ব্যক্তিত্ব আৰু বৈজ্ঞানিক বিশ্লেষণৰ দ্বাৰা তেখেতে অসমীয়া ভাষা-সাহিত্যলৈ যি অবদান আগবঢ়াই থৈ গ'ল, তাৰ বাবে অসমীয়া জাতি চিৰদিন তেখেতৰ ওচৰত ঋণী হৈ থাকিব। ডঃ কাকতিদেৱৰ সমালোচনামূলক প্ৰবন্ধসমূহৰ প্ৰতিটো বিষয়বস্তুৰ প্ৰাঞ্জল ব্যাখ্যা আৰু প্ৰতিপাদন, যথাযথ শব্দাৱলীৰ ব্যৱহাৰ, ভাষাৰ সুপ্ৰয়োগ, সুস্পষ্ট সিদ্ধান্ত আৰু অভিনৱ বিচাৰ বুদ্ধিৰে পৰিপূৰ্ণ। সেয়েহে বাণীকান্ত কাকতিদেৱৰ মৃত্যুত শোক প্ৰকাশ কৰি আন্তৰ্জাতিক খ্যাতি সম্পন্ন পণ্ডিত ডঃ সুনীতি কুমাৰ চেটাৰ্জীয়ে এনেদৰে মন্তব্য দিছিল——

*“তেওঁ এজন পণ্ডিত আৰু শিক্ষাবিদ। তেওঁৰ কাৰণে অকল অসমেই নহয়, সমগ্ৰ ভাৰতবৰ্ষই গৌৰৱ কৰিব পাৰে। বৰ্তমান ক্ষেত্ৰত ভাৰতীয় সংস্কৃতি, ইতিহাস, চিন্তাধাৰা আৰু ভাষাতত্বলৈ যিসকলে যৰঙণি যোগালে, তেওঁলোকৰ ভিতৰত কাকতিৰ স্থান আগশাৰীত। তীক্ষ্ণ বুদ্ধি আৰু উচ্চ আদৰ্শৰ কাকতিক পোৱাটো অসম আৰু ভাৰতৰ কাৰণে সৌভাগ্যৰ কথা। এওঁৰ সমানে আদৰ্শ স্থানীয় ব্যক্তি পোৱা আৰু তেওঁৰ অবিহনে হোৱা ক্ষতিপূৰণ কৰা বৰ সহজ নহ'ব।”*

জন্মৰ পূৰ্বেই পিতৃৰ বিয়োগ ঘটা বাণীকান্ত কাকতিদেৱৰ ১৮৯৪ চনৰ ১৫ নৱেম্বৰত বৰপেটা জিলাৰ বাটিকুৰিহা গাঁৱত জন্ম গ্ৰহণ হয়। পিতৃ ললিতৰাম কাকতি আৰু মাতৃ লাহোৰালা কাকতিৰ দুটি লৰা আৰু তিনিজনী ছোৱালী সন্তানৰ ভিতৰত বাণীকান্ত আছিল তেওঁলোকৰ কনিষ্ঠ সন্তান। শিশু বাণীকান্তৰ অভিভাৱক আপোন ককায়েক পৰমানন্দ কাকতি ওৰফে অধিকভাৱে পৰিচিত ৰাধাপণ্ডিতে অধ্যৱসায় আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে বাটিকুৰিহা পাঠশালা স্কুলত শিক্ষকতা কৰি এক আদৰ্শ শিক্ষকৰূপে সমাজত পৰিচিত হৈছিল। শিশুকালৰ পৰাই ককায়েক ৰাধাপণ্ডিত আছিল বাণীকান্তৰ অনুপ্ৰেৰণাদাতা আৰু পথ প্ৰদৰ্শক। ককায়েকে শিক্ষকতা কৰা বাটিকুৰিহা পাঠশালা স্কুলতেই ১৯০০ চনৰ জানুৱাৰী মাহত ছবছৰ বয়সত কাকতিদেৱৰ স্কুলীয়া জীৱনৰ আৰম্ভণি হয় আৰু হাতত ফলি পুথি লৈ লাজকুৰীয়া আৰু শান্ত স্বভাৱৰ বাণীকান্তই কেতিয়াবা অকলে আৰু কেতিয়াবা ওচৰৰ ল'ৰাইতৰ লগত স্কুললৈ অহা যোৱা কৰিছিল। আজৰি সময়ত ৰাধাপণ্ডিতৰ মুখৰ পৰা শুনি প্ৰতিমাহে তেখেতে একোটি বৰগীত আওৰাব লাগিছিল। পাঠশালা স্কুলত পঢ়ি থাকোঁতেই শিশু বাণীকান্তৰ প্ৰায় তিনিকুৰি বৰগীত মুখস্থ হৈছিল আৰু ঘোষা-কীৰ্ত্তণৰ ভালেমান পদো কণ্ঠস্থ হৈছিল। প্ৰতিদিনে গধূলি পৰত নিজ ঘৰৰ গোঁসাই ঘৰৰ মজিয়াত ঘৰৰ অইন লৰা-ছোৱালীৰ সৈতে থাপনাৰ আগত ঘোষা কীৰ্ত্তন গোৱাৰ সময়ত শিশু বাণীকান্তই গুৰি ধৰিছিল। সেইবাবে তেখেত বাণী পাঠক বুলিয়েই অধিকভাৱে পৰিচিত আছিল। এই প্ৰভাৱৰ ফলত পিছৰ জীৱনতো শংকৰী সাহিত্য-কৃষ্টি আদিৰ প্ৰতি তেখেতৰ প্ৰবল অনুৰাগ জন্মিছিল। প্ৰখৰ স্মৃতিশক্তিৰ অধিকাৰী বাণীকান্তই শিশু কালৰ পৰাই এজন চোকা ছাত্ৰ হিচাপে গাঁৱত খ্যাতি লাভ কৰিছিল আৰু পাঠশালা শিক্ষান্ত পৰিক্ষাত বৃত্তি লাভ কৰি ১৯০৫ চনত বৰপেটা হাইস্কুলৰ তৃতীয় শ্ৰেণীত ভৰ্ত্তি হয়।

এইখন হাইস্কুলত পঢ়ি থাকোঁতেই কাকতিদেৱৰ জীৱনত এক বৈচিত্ৰপূৰ্ণ ঘটনা সংঘটিত হয়। এবাৰ শ্ৰেণীৰ বছৰেকীয়া পৰিক্ষাত সংস্কৃত পৰিক্ষাৰ বহী স্কুলৰ সংস্কৃত শিক্ষক লক্ষ্মীনাৰায়ণ গোস্বামী ডাঙৰীয়াই পৰিক্ষা কৰোঁতে সৰহভাগ ছাত্ৰই সংস্কৃতত কম নম্বৰ পালে যদিও কাকতিদেৱৰ বহীখন পৰিক্ষা কৰি ইমানেই মুগ্ধ হ'ল যে নম্বৰ

দিওঁতে দিওঁতে মুঠ এশ নম্বৰৰ প্ৰশ্নোত্তৰত এশ পাঁচ নম্বৰ দিলে। এনে কাণ্ড দেখি প্ৰধান শিক্ষক কালীমোহন গুপ্তই গোস্বামীদেৱক ইয়াৰ কাৰণ ব্যাখ্যা বিচৰাত পৰিক্ষক গোস্বামীদেৱে কলে---- *'যাহাই ইমান শুদ্ধ আৰু ভাল উত্তৰ দিব পাৰিছে যে আৰু পাঁচ নম্বৰ বেছিকৈ নিদি নোৱাৰিলোঁ।'* এই বৈচিত্ৰপূৰ্ণ ঘটনাৰ পৰাই কাকতিদেৱৰ স্কুলীয়া জীৱনৰ পৰা প্ৰখৰ বুদ্ধিমত্তাৰ পৰিচয় পাব পাৰি। স্কুলীয়া জীৱনত বছৰেকীয়া পৰিক্ষাত প্ৰথম হোৱা বাবে এবাৰ ইংৰাজ লেখক চেমুৱেল স্মাইলচৰ 'চেলফ্ হেলপ্' আৰু জাৰ্মান পণ্ডিত মেক্সমুলাৰৰ জীৱনী পুৰস্কাৰ হিচাপে পাইছিল। এই দুয়োখন গ্ৰন্থই তেখেতৰ জীৱনত গভীৰ প্ৰভাৱ পেলাইছিল আৰু কঠোৰ পৰিশ্ৰম তথা অধ্যবসায়ৰ জৰিয়তে আত্মপ্ৰতিষ্ঠা লভিবলৈ যথেষ্ট অনুপ্ৰেৰণা লাভ কৰিছিল। ১৯১১ চনত বৰপেটা হাইস্কুলৰ পৰা কাকতিদেৱে অসম উপত্যকাৰ ভিতৰত প্ৰথম স্থান দখল কৰি প্ৰবেশিকা পৰিক্ষাত উত্তীৰ্ণ হয় আৰু ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰি সোণ-ৰূপৰ পদক অৰ্জন কৰে। উল্লেখযোগ্য যে সেই সময়ত ছিলেট জিলাও অসমৰ অন্তৰ্ভূক্ত আছিল।

প্ৰবেশিকা পৰিক্ষা পাচ কৰাৰ পিছত কাকতিদেৱে অসমৰ প্ৰাচীনতম কলেজ কটন কলেজত ভৰ্ত্তি হয় আৰু ১৯১৩ চনত এই কলেজৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত আই. এ পৰিক্ষাত প্ৰথম স্থান দখল কৰে। সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ৰ এলেকাই অসম, বঙ্গদেশ, বিহাৰ, উৰিষ্যা, বাৰ্মা (বৰ্ত্তমান ম্যানমাৰ) আদিও সামৰি লৈছিল। কাকতিদেৱৰ এই সাফল্যাই শৈক্ষিক দিশত পিছপৰা অনগ্ৰসৰ অসমৰ সমগ্ৰ অসমবাসীলৈ গৌৰৱ কঢ়িয়াই অনিছিল আৰু অসমৰ চাৰিওফালৰ পৰাই শুভেচ্ছা, সম্বৰ্ধনা সভা আদিৰ জৰিয়তে কাকতিদেৱক অভিনন্দন জনাইছিল। প্ৰথমতে যোৰহাটৰ ৰাইজে ৰাজহুৱা সভা পাতি সম্বৰ্ধনা জনায় আৰু দান বৰঙণিৰে 'বাণীকান্ত পুঁজি' নামে এটি পুঁজি খুলি ভৱিষ্যতে তেওঁক আই. চি. এছ পঢ়ুৱাবলৈ দিহা কৰা হয় যদিও পিছলৈ কাকতিদেৱৰ জীৱনৰ গতি শিক্ষকতাৰ ফালেহে ঢাল খায়। ইয়াৰ বাহিৰেও গুৱাহাটীৰ কাৰ্জ্জন হ'লত (বৰ্ত্তমানৰ নবীন বৰদলৈ হ'ল) ভেতিয়াৰ অসমৰ কমিচনাৰ গৰ্ডন চাহাবৰ সভাপতিত্বত বহা ৰাজহুৱা সভাত ৰায়বাহাদুৰ ভুবনৰাম দাসকে আদি কৰি প্ৰতিষ্ঠিত নাগৰিক

সকলে কাকতিদেৱৰ ভূয়শী প্ৰশংসা কৰিছিল। কাকতিৰ এই ফলাফলত কটন কলেজৰ সেই সময়ৰ বিশিষ্ট অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ৰায়ে ছাত্ৰৰ কৃতিত্ব সুঁৱৰি মন্তব্য দিছিল---- *'সেই কৃশী বাণীকান্ত আই. এ পৰিক্ষাত প্ৰথম হ'ল। মই তেওঁক লৈ গৌৰৱান্বিত'*

১৯১৩ চনত বাণীকান্ত কাকতিয়ে কলিকতালৈ যাত্ৰা কৰি প্ৰেচিডেন্সি কলেজৰ বি. এ শ্ৰেণীত ভৰ্ত্তি হয় আৰু ১৯১৫ চনত ইংৰাজী অনাৰ্চত দ্বিতীয় শ্ৰেণীৰ চতুৰ্থ স্থান লৈ বি.এ পৰিক্ষাত উত্তীৰ্ণ হয়। প্ৰেছিডেন্সি কলেজৰ পৰা ছাত্ৰসকলৰ ভিতৰত প্ৰথম হোৱা বাবে তেখেতে 'টাওণী স্মাৰক বটা' লাভ কৰে। ১৯১৮ চনত তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ৰ 'এ' গ্ৰুপত দ্বিতীয় শ্ৰেণী লৈ এম.এ পাচ কৰে। ১৯২৩ চনত পুনৰ তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ৰ 'বি' গ্ৰুপত এম. এ পৰিক্ষা দি প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। দুয়োটা শাখাৰ পৰিক্ষাৰ্থী সকলৰ ভিতৰত প্ৰথম হোৱা বাবে তেখেতে 'ক্ষেত্ৰমোহন চেটাৰ্জী স্বৰ্ণপদক' আৰু কলিকতা বিশ্ববিদ্যালয়ৰ সোণৰ পদক লাভ কৰে। ১৯৩৫ চনত কাকতিদেৱে পশ্চিমবঙ্গৰ প্ৰসিদ্ধ ভাষাতত্ত্ববিদ অধ্যাপক পণ্ডিত ডঃ সুনীতি কুমাৰ চেটাৰ্জীৰ অধীনত গৱেষণা কৰি কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰি অৰ্জন কৰে। তেখেতৰ গৱেষণাৰ বিষয় আছিল-- '*Assamese, its formation and Developement*'। এই থেচিচখন পিছলৈ গ্ৰন্থআকাৰে প্ৰকাশ পায় আৰু ইয়াৰ যোগেদি কাকতিদেৱে অসমীয়া ভাষাক নব্য ভাৰতীয় আৰ্য্য ভাষাবোৰৰ মাজত এক স্বকীয় মৰ্যাদাৰে প্ৰতিষ্ঠিত কৰিছে।

বি. এ পৰিক্ষা পাচ কৰি উঠাৰ পিছতেই ১৯১৬ চনৰ এটি শুভক্ষণত কাকতিদেৱে বৰপেটাৰ চিৰাস্তাদাৰ উমাকান্ত দাসৰ কন্যা শ্ৰীমতী কনকলতা দাসৰ সৈতে বিবাহ বন্ধনত আবদ্ধ হয়। সুখী বৈবাহিক জীৱনৰ ফলস্বৰূপে তিনিটা লৰা সন্তান ক্ৰমে দেৱকান্ত, নীলকান্ত, বসুকান্ত আৰু তিনিগৰাকী জীয়ৰী ক্ৰমে নীৰদা, শৰৎকুমাৰী আৰু তৰুলতা তেওঁলোকৰ জীৱনলৈ আহে। সহজ সৰল স্বভাৱৰ কনকলতা দেৱীৰ বিশেষ আনুষ্ঠানিক শিক্ষা নাছিল যদিও এগৰাকী আদৰ্শ গৃহিনী আছিল আৰু কাকতিদেৱে পত্নীক অন্তৰভৰি স্নেহ কৰিছিল।

১৯১৮ চনৰ পৰা কটন কলেজত অধ্যাপক পদত কাৰ্যনিৰ্বাহ

কৰি থকা বছৰকেইটা কাকতিদেৱৰ জীৱনৰ আটাইতকৈ ঘটনাবহুল সময় বুলি ক'ব পাৰি। এই খিনি সময়তেই তেখেতৰ মূল ৰচনাৰাজি সমূহৰ সৃষ্টি হৈছিল। সেই সময়লৈকে কটন কলেজত সন্মানীয় অধ্যাপকৰ পদত কাম কৰা মাত্ৰ দুজন অধ্যাপকৰ ভিতৰত আনজন আছিল স্বনামধন্য সাহিত্যিক, বুৰঞ্জীবিদ্ ডঃ সূৰ্য্যকুমাৰ ভূঞা। ১৯৪৭ চনত ডঃ কাকতি কটন কলেজৰ অধ্যক্ষ হয়। ১৯৪৯ চনৰ জানুৱাৰীত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া ভাষা-সাহিত্য বিভাগৰ অধ্যপকৰূপে যোগ দিয়ে। পিছলৈ তেখেতে বিশ্ববিদ্যালয়ৰ কলাগুৰু হিচাপেও সন্মানিত হয়।

কটন কলেজত কাম কৰি থকাৰ সময়ত এদিন দ্বিতীয় বাৰ্ষিকৰ বাছনি পৰিক্ষাৰ আগে আগে কিছুমান ছাত্ৰই পৰিক্ষাৰ বাবে কেইটামান কবিতা বাচি দিবলৈ কাকতিদেৱক অনুৰোধ জনালে। কাকতিদেৱে প্ৰতিদিনৰ সেই বৈশিষ্টপূৰ্ণ হাঁহি মাৰি ছাত্ৰসকলক উত্তৰ দিলে--- 'পাঠ্যক্ৰমৰ আটাইবোৰেই'। লগতে তেওঁ আৰু কলে -- 'তোমালোকৰ আটাইবোৰেই পাচ কৰাৰ প্ৰয়োজন নাই। যিসকলে পঢ়াশুনা কৰিছা সেই সকলেহে পাচ কৰিব লাগে।' এবাৰ নে দুবাৰ কাকতিদেৱে পৰিক্ষক হৈ থকা সময়ত দুই-এবছৰ কটন কলেজৰ সুকুমাৰ কলা বিভাগৰ প্ৰতিযোগিতাত 'কবিতাৰ' পুৰস্কাৰ দিয়াই হোৱা নাছিল। এই প্ৰসঙ্গত কাকতিদেৱে মন্তব্য দিছিল----'কবিতাবোৰৰ কোনো ষ্টেণ্ডাৰ্ড নাই। বৰ্ণাশুদ্ধিৰে ভৰা'। ডঃ মহেশ্বৰ নেওগে এই বিষয়ে এনেদৰে মন্তব্য দিছে -'কবিতাৰ মৰ্ম বুজাত আৰু বুজোৱাত কাকতিৰ ধৰণ আছিল বৰ ক্ষীপ্ৰ বিধৰ। এইবাবেই বোধহয় তেওঁ কবিতা নাম দি অকবিতাক আদৰ কৰিব নোৱাৰিছিল।' কাকতিদেৱে কটন কলেজত অধ্যক্ষতা কৰাৰ সময়ত তেখেতৰ নিকা আৰু খৰটকীয়া প্ৰশাসনৰ বাবে কলেজত এক সুন্দৰ শৈক্ষিক পৰিবেশ বিৰাজ কৰিছিল।

কাকতিদেৱে নিৰ্ভিকভাৱে সামাজিক জীৱনৰ কুনীতি, কু-আচাৰ আদি দুৰ কৰাৰ উদ্দেশ্যে বিৰোধী পক্ষৰ দুৰ্বলতাক প্ৰকাশ্যে ঘোষণা কৰিছিল। তেখেতে সমাজৰ এই বিষাক্ত কীটবোৰ গুচাই দেশ, জাতি, ভাষা-সাহিত্য ৰক্ষাৰ্থে ছাত্ৰসকলৰ গঠনমূলক কাম-কাজৰ ওপৰত অধিক আশা পোষন কৰিছিল। দেশৰ সাধাৰণ অৱস্থাত ছাত্ৰই ৰাজনীতি কৰি

হৈ চৈ কৰি ফুৰাটো কাকতিদেৱে পচন্দ নকৰিছিল। কিন্তু গঠনমূলক কামৰ পৰা ছাত্র সমাজে আঁতৰি থকাটোও তেখেতে বিচৰা নাছিল। ছাত্র অৱস্থাত জ্ঞান আহৰণৰ মাজেৰে প্রতিষ্ঠা লভি ভৱিষ্যত জীৱনৰ বাবে উপযুক্ত যোদ্ধা হবলৈহে কাকতিদেৱে ছাত্রসমাজক পৰামর্শ দিছিল। "নীৰব সাধনা" নামৰ প্রবন্ধটোত তেখেতে ছাত্রসকলৰ দুর্বলতাৰ পিনে আঙুলিয়াই এনেদৰে উল্লেখ কৰিছে-

*"এইটো মূল সূত্র বুলি ধৰি লবই লাগিব যে পৃথিবীত কিবা ডাঙৰ কাম কৰিব লাগিলে জীৱনৰ আগডোখৰত সাধনা লাগিবই আৰু সেই সাধনাৰ সাৰুৱা ক্ষেত্র হৈছে নীৰবতা। সৰুৰে পৰা যিবোৰে নিজক ডাঙৰ বোলাবলৈ হৈ চৈ কৰি ফুৰে, সেইবোৰৰ কর্মশক্তি হৈ চৈতে সাং হয়। পিছলৈ আৰু একো শক্তি বা উৎসাহ নাথাকে। ভীমৰ গদা ঘূৰাবলৈ হ'লে আগেয়ে ভীমৰ বল অর্জ্জন কৰি ল'ব লাগে। এইটো যে মানুহে নুবুজে এনে নহয়। কিন্তু বর্ত্তমান ডেকা-গাভৰু সকলৰ মাজত এটা কৃত্রিম অধৈর্য্যই দেখা দিছে। তেওঁলোকে নিজৰ জীৱনৰ দায়িত্বৰ ফালে আওকান কৰি ৰাইজৰ মঙ্গলৰ কথাত বেছিকৈ মন দিয়ে। কিন্তু ৰাইজৰ মঙ্গলৰ সাধনা যে ভীমৰ গদা, শৰীৰত ব'ল নহলে যে তাক দাঙিব নোৱাৰি; সেইটো পাহৰি যায়। ফল হয় শক্তিৰ অপব্যৱহাৰ আৰু অকাল বৃদ্ধত্ব।"*

'পূবেৰুণ' নামৰ গল্প আলোচনী এখনলৈ দিয়া বাণীত সাহিত্যসেৱী ছাত্র সকললৈ কাকতিদেৱে এনেদৰে পৰামর্শ দিছিল-- *'আমাৰ ছাত্রসকলৰ সাহিত্য চর্চ্চা ৰামধেনুৰ দৰে বৈচিত্রপূর্ণ আৰু ৰামধেনুৰ দৰে ক্ষন্তেকীয়া। ছাত্র সকলে সাহিত্য চর্চ্চাৰ আৰম্ভণিতে আঁৰ কাপোৰ নেপেলাই নেৰানেপেৰাভাবে অধ্যয়ন আৰু চর্চ্চাত থাকিলে আমাৰ সাহিত্য ভড়ালৰে সময়ত মূল্যবান অবিহণা আগবঢ়াব পাৰিব।"*

ডঃ কাকতিদেৱৰ ৰচনাসমূহ মূলত তিনিটা ভাগত ভাগ কৰিব পাৰি, সেয়া সমালোচনামূলক, ভাষাতাত্ত্বিক আৰু ভাৰততাত্ত্বিক (*Indological*)। তেখেতৰ ৰচিত গ্রন্থ 'পুৰণি অসমীয়া সাহিত্য', 'সাহিত্য আৰু প্রেম' আদিক সমালোচনামূলক সাহিত্যৰ শ্রেণীত পেলাব পাৰি। কটন কলেজত চাকৰি কৰা কালত তেখেতৰ যুগজয়ী সৃষ্টি 'অসমীয়া ভাষা, ইয়াৰ গঠন আৰু ক্রমবিকাশ', গ্রন্থখন ভাষাতাত্ত্বিক ৰচনা আৰু

'কলিতা জাতিৰ ইতিবৃত্ত', 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা', '*The Mother Goddess Kamakhya*', '*Visnuvite myths and legends*', আদি গ্ৰন্থসমূহক ভাৰততাত্ত্বিক ৰচনাৰ বিভাগত পেলাব পাৰি। ভাৰততত্ত্ব বা প্ৰাচ্যতত্ত্বৰ ক্ষেত্ৰখনত তেখেতৰ প্ৰৱেশ অলপ পলমকৈ হৈছিল। সেয়েহে ভাষাতত্ত্বৰ সমাজখনত তেখেতে বিশেষভাৱে খ্যাতি লাভ কৰিছিল। তেখেতৰ ভাষাতাত্ত্বিক আলোচনা সেই সময়ত এক বিস্ময়কৰ প্ৰতিভাৰূপে স্বীকৃতি পাইছিল। 'শঙ্কৰদেৱৰ জীৱন আৰু ধৰ্মমত', 'অসম বুৰঞ্জীৰ কাহিনী', 'পখিলা' আদিও উল্লেখযোগ্য গ্ৰন্থ। ইয়াৰ বাহিৰেও মৃত্যুৰ আগমুহূৰ্ত্তলৈকে কাকতিদেৱে সমসাময়িক বিভিন্ন বিষয়ৰ ওপৰত লিখা চাৰিকুৰিৰো অধিক প্ৰবন্ধ আলোচনী, বাতৰিকাকত আদিত প্ৰকাশ পাইছিল। ইংৰাজী সাহিত্য আৰু তুলনামূলক ভাষা বিজ্ঞানৰ অগাধ পণ্ডিত্য আহৰণ কৰিয়ো কাকতিদেৱে সেইবোৰ বিষয়ৰ বহল যশশ্যাৰ ক্ষেত্ৰৰ মোহ এৰি দি অসমীয়া ভাষা সাহিত্যৰ অনুশীলনতহে তেখেতৰ জ্ঞান প্ৰয়োগ কৰাৰ ফলত অসমীয়া ভাষা-সাহিত্য যথেষ্ট লাভৱান হ'ল। পশ্চিমবঙ্গৰ বিশিষ্ট পণ্ডিত ডক্টৰ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ বৃহৎ প্ৰামানিক গ্ৰন্থ 'বঙলা ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ' (১৯২৬) ৰ প্ৰতিযোগিতামূলক অনুপ্ৰেৰণাতে কাকতিদেৱে 'অসমীয়া ভাষা, ইয়াৰ গঠন আৰু ক্ৰমবিকাশ' ৰচনা কৰাৰ ফলত আজি অসমীয়া ভাষাৰ মৰ্যাদা আৰু ঐতিহ্য বৈজ্ঞানিক ভিত্তিত সুপ্ৰতিষ্ঠিত হৈছে।

অসমীয়া ভাষা সাহিত্যত কাকতিদেৱ সমালোচক আৰু সাংস্কৃতিক ইতিহাসৰ গৱেষক হিচাপে প্ৰখ্যাত। এগৰাকী সুদক্ষ সাহিত্য সমালোচক হিচাপে যিমানখিনি গুণ থাকিব লাগে, সেই গোটেইখিনি তেখেতৰ গাত বিদ্যমান আছিল। ডঃ মহেশ্বৰ নেওগৰ ভাষাত— *"আধুনিক সমালোচক হ'বৰ কাৰণে যেনেকুৱাখিনি মানসিক সম্বলৰ আৱশ্যক, সকলোখিনি কাকতিৰ আছিল। পুৰণি গ্ৰীক আৰু ইউৰোপীয় সাহিত্যৰ লগতো তেওঁৰ চিনাকি ইংৰাজী সাহিত্যৰ অধ্যয়নৰ যোগেদিয়েই। আনফালে সংস্কৃতৰ বঙ্গ সাহিত্যৰ প্ৰতি তেওঁৰ প্ৰবল থাউতি। প্ৰকৃতি সাহিত্যৰ পৰা আৰম্ভ কৰি সংস্কৃতৰ বৈষ্ণৱ সাম্প্ৰদায়িক সাহিত্য আৰু কালিদাস ভৱভূতিলৈকে তেওঁ ৰস-পিপাসুৰূপে জ্ঞানানুসন্ধানৰ পৰিধি বিস্তৃত।"* কাকতিদেৱৰ সমালোচনামূলক

সাহিত্যৰ বিষয়ে ডঃ বিৰিঞ্চি কুমাৰ বৰুবাদেৱে এনেদৰে মন্তব্য দিছে ---- *'অধ্যয়নৰ আৰু জ্ঞানৰ পৰিধি বিস্তৃত হোৱাত কাকতিৰ সমালোচনামূলক নানা বিষয় উত্থাপিত হৈছে; নানা বিচাৰ পদ্ধতিৰ সংমিশ্ৰণ ঘটিছে। প্ৰাচীন অসমীয়া সাহিত্যৰ স্বৰূপ আৰু মহত্ত্ব, তেওঁ ব্যাখ্যাত্মকভাৱে নিৰ্ণয় কৰিছে। ব্যাখ্যাত্মক আলোচনাৰ ক্ষেত্ৰ বিস্তীৰ্ণ।'* যি সময়ত অসমীয়া সাহিত্যত সমালোচনাৰ স্বৰূপ অতি দৰিদ্ৰ আছিল, সেই সময়ত কাকতিদেৱক এই ক্ষেত্ৰত বাটকটিয়া আছিল বুলি ক'ব পাৰি। তেখেতে সমালোচনামূলক সাহিত্য প্ৰায়ে তুলনামূলক দৃষ্টিভঙ্গীৰে (Comparative approach) আগবঢ়াইছিল। যতীন্দ্ৰ নাথ দুৱৰাৰ 'কথা কবিতা' ক আলোচনা কৰোঁতে তেখেতে ৰুচ সাহিত্যক টুৰ্গেনিভৰ 'Poems in Prose' ৰ প্ৰসঙ্গ তুলিছে। কাকতিদেৱৰ সমালোচনামূলক বিষয়বোৰ সুবিধাজনকভাৱে তিনিভাগত ভগাব পাৰি -- পুৰণি অসমীয়া সাহিত্য, আধুনিক অসমীয়া সাহিত্য আৰু বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় সাহিত্য। তেখেতে সাহিত্য সমালোচক হিচাপে কলেজীয়া ছাত্ৰাৱস্থাত লিখা 'সাহিত্যত কৰুণৰস' সম্ভৱত প্ৰথম বিষয়বস্তু। এই প্ৰবন্ধটো ১৯১৬ চনৰ ১৫ ডিচেম্বৰত গুৱাহাটীত বহা অসমীয়া ছাত্ৰ সম্মিলনত পঠিত হৈছিল আৰু ডিব্ৰুগড়ৰ 'আলোচনী' ত প্ৰকাশ পাইছিল। এই প্ৰবন্ধটোত কাকতিদেৱে লিখিছে--- *'চৈতন্যৰ উদয়ৰ পৰা মৰণলৈকে মানৱ জীৱন এক সুদীৰ্ঘ কাৰুণ্যৰ আবেগ মাথোন; নাইবা গভীৰ নৈৰাস্যৰ দীৰ্ঘ নিশ্বাস।'* তেখেতৰ মতে *'আদিতে হাঁহি আৰু কান্দোনৰ একো পাৰ্থক্য নাই। যি কাৰণেই আমি হাঁহো, সেই কাৰণেই আমি কান্দো।'* এই প্ৰবন্ধটোত তেখেতে ব্যাখ্যা দিছে যে 'জীৱনৰ সীমাবদ্ধতাৰ নিমিত্তে, হৃদয়ৰ বাসনাৰ অসীমতাৰ নিমিত্তে আৰু সংসাৰৰ বাধা বিঘিনিৰ নিমিত্তে মানৱ হৃদয় সদায় উতলা অৱস্থাতেই থাকে।' এই উতলাটোক তেখেতে নাম দিছে জীৱনজোৰা কাৰুণ্য, নৈৰাশ্য, স্বৰ্গীয় হতাশা (Divine despair)। অৰ্থাৎ হাঁহি আৰু কান্দোন এটা মোহৰৰে ইপিঠি-সিপিঠি।

১৯৫০ চনত প্ৰকাশ লাভ কৰা বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য' এখনি উল্লেখযোগ্য গ্ৰন্থ। এই গ্ৰন্থখনিত কুমাৰ হৰণ, বধকাব্য, হেমা সুন্দৰী, পৰকীয়াভাব, শ্ৰী ৰাধা চৰিত্ৰ, চিৰশিশুৰূপ, কানখোৱা,

চোৰধৰা, বৰগীত, নামঘোষা, লৌকিক গীত, পুৰণি সাহিত্যৰ সীমাবদ্ধতা, কাৰু অঙ্কীয়া ভাওঁনা নামৰ প্ৰবন্ধৰ উপৰিও গ্ৰন্থৰ আদিতে শঙ্কৰদেৱৰ আধ্যাত্মিক দান আৰু বৈষ্ণৱ কবিৰ লক্ষ্য আৰু সাধনা সম্পৰ্কে দুটি সুচিন্তিত আলোচনা সন্নিবিষ্ট কৰিছে। এই প্ৰবন্ধবোৰৰ জৰিয়তে বৈষ্ণৱ ধৰ্মৰ ছায়াত গঢ়ি উঠা অসমৰ ঐতিহ্যমণ্ডিত বিশাল সাহিত্য ৰাজিৰ বিষয়ে জানিব পাৰি। পুৰণি এই বৈষ্ণৱ সাহিত্য ৰাজিক বাদ দিলে যে অসমীয়া সাহিত্যৰ অস্তিত্ব নাই, তাক তেখেতে গভীৰভাৱে অনুভৱ কৰিছিল আৰু সেইবাবে এইবোৰ উদ্ধাৰ কৰি সৰ্বভাৰতীয় ক্ষেত্ৰত অসমীয়া ভাষা সাহিত্যক এক নিজস্ব মৰ্যাদা দিবলৈ অপ্ৰাণ চেষ্টা কৰিছিল।

'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা' (১৯৫৫)-- কাকতিদেৱৰ আন এখনি মূল্যবান গ্ৰন্থ। 'আৰ্যবৰ্ত্ত আৰু পুৰণি অসম', 'পুৰণি অসমৰ প্ৰাধান্য', 'পুৰণি অসমৰ দুৰ্গামাতা', 'শিবপূজাৰ চলতি', 'দেৱী পূজাৰ চল্‌তি', আদি কৰি পয়ত্ৰিশটা ৰচনা এই গ্ৰন্থখনিত সন্নিবিষ্ট হৈছে। পুৰণি কামৰূপত (বৰ্ত্তমান অসম) কেনেদৰে ধৰ্ম আৰু আচাৰ অনুষ্ঠানসমূহ ক্ৰমবিকাশ পাই এটাৰ পৰা আন এটা স্তৰলৈ গতি কৰিছিল সেই বিষয়ে এই গ্ৰন্থখনত তথ্যসমৃদ্ধ বৰ্ণনা আছে।

'কলিতা জাতিৰ ইতিবৃত্ত' (১৯৪৩)-- কাকতিদেৱৰ আন এখনি উল্লেখযোগ্য গ্ৰন্থ। এই গ্ৰন্থখনিৰ পাতনিত কাকতিদেৱে লিখিছে-- *"বৰ্ত্তমান জাতি চৈতন্যৰ দিনত কোনোবা জাতিৰ আঁতি গুৰিৰ সন্ধান কৰিলে সেই সন্ধানৰ ওপৰত সহজেই নিন্দা স্তুতিৰ ছাঁ এটি পৰিবৰ আশংকা থাকে। এই প্ৰবন্ধৰ উদ্দেশ্যে কোনো জাতিৰ প্ৰতি নিন্দা স্তুতি নহয়। অসমৰ কলিতা এটি কৌতুহল জগোৱা জাতি। পুৰাণ, স্মৃতি, আদি সঙ্কৰ বা বৃত্তিমূলক কোনো জাতিৰ তালিকাতেই ইয়াৰ নাম নাই। কেৱল পৌৰাণিক উপাখ্যান এটিৰ লগত আওপাকথোৱা ক্ষত্ৰিয় জাতি এটি বুলি বহুকালৰে পৰা প্ৰবাদ এটি ওপঙি ফুৰিছে। কলিতা জাতি ভাৰতৰ আন আন প্ৰদেশতো আছে। সকলো কলিতাৰ মাজত প্ৰচলিত কিম্বদন্তীবোৰ গোট খুৱাই পুৰণি অসমীয়া, ইংৰাজী, পালি, সংস্কৃত আদি ভাষাত উল্লেখিত তথ্যবোৰৰ লগত খাপ খুৱাই আধুনিক বৈজ্ঞানিক প্ৰণালীৰে সকলোবোৰ উক্তিবেই সামঞ্জস্য এটি দেখুওৱা হৈছে। .....*

*মূল সিদ্ধান্ত এইটো প্ৰতিপন্ন কৰা হৈছে যে বঙলা আদি দেশৰ বৈদ্য, কায়স্থ আদিৰ দৰে অসমৰ কলিতা এটি বৃত্তিমূলক জাতি নহয়। এই 'ক্লেন' ---- ইয়াক সংস্কৃতত কূল আৰু অসমীয়াত ফৈদ বুলিব পাৰি। 'কলিতা' পুৰণি উত্তৰ ভাৰতৰ সুবৃহৎ ক্ষত্ৰিয় জাতিৰ এটি সৰু ফৈদ।"* বৌদ্ধজাতকৰ উপৰিও পৌৰাণিক গ্ৰন্থ --- 'যোগিনী তন্ত্ৰ', 'মাৰ্কেণ্ডেয় পুৰাণ' 'কালিকা পুৰাণ' আদিতো কলিতা জাতিৰ নিৰ্দেশ পোৱা যায় বুলি দেখুওৱা হৈছে। এই গ্ৰন্থখনিত কাকতিদেৱে অভিমত দিছে যে কলিতা জাতিৰ মানুহ অসমৰ চাবেক অধিবাসী নহয়, ব্ৰাহ্মন সকলৰ দৰে তেওঁলোকও পশ্চিমৰ মিথিলা, কনৌজ আদি ঠাইৰ পৰা আহিছিল।

'The Mother Goddess Kamakhya' (1955 ) গ্ৰন্থখনিত কাকতিদেৱে পাঁচটা অধ্যায়ত বিভক্ত কৰি সন্নিবিষ্ট কৰিছে। এই গ্ৰন্থখনিৰ জৰিয়তে মধ্যযুগীয় অসমৰ ধৰ্ম আৰু সামাজিক পৰিৱৰ্ত্তনৰ ছবি পৰিস্ফুট হৈছে। ব্যাপক অধ্যয়নৰ যোগেদি ইয়াৰ বিষয়বস্তু সংগ্ৰহ কৰিছে 'কালিকা পুৰাণ', 'যোগিনী তন্ত্ৰ', ৰাজ্যৰ ঠায়ে ঠায়ে পোৱা তামৰ ফলি, শিলালিপী আদিৰ পৰা। এই বিষয়ে গ্ৰন্থাকাৰে পাতনিত উল্লেখ কৰিছে। এই গ্ৰন্থখনিয়ে ভাৰতীয় পণ্ডিত সমাজৰ উপৰিও বিদেশী পণ্ডিত সমাজৰ মাজতো সমাদৰ লাভ কৰিছে।

'Visnuvite Myths and legends ' (1952 ) গ্ৰন্থখনিত কাকতিদেৱে বিষ্ণুৰ অৱতাৰবাদৰ মূল আৰু ইবোৰে পুৰাণ আদিত পিছলৈ কেনেভাৱে স্থান পাই ধৰ্মৰ ধাৰা পৰিচালিত হৈছে ইত্যাদিৰ বিষয়ে বিবৰণ দিছে। এই গ্ৰন্থখনিত পৰম ব্ৰহ্মৰ পৰা কেনেদৰে ব্ৰহ্মাৰ সৃষ্টি, ব্ৰহ্মাই প্ৰকৃতিৰ লগত মিলি কেনেদৰে এই বিশ্বব্ৰহ্মাণ্ড সৃষ্টি কৰিলে, বাসুদেৱ কৃষ্ণ, ৰাসনৃত্য আদিৰ ওপৰত সৰ্বমুঠ দহটা প্ৰবন্ধ সন্নিবিষ্ট হৈছে। এই গ্ৰন্থখনিয়ে কাকতিদেৱৰ বেদ, উপনিষদ, পুৰাণ আদিৰ ওপৰত থকা গভীৰ অধ্যয়নৰ পৰিচয় দিয়ে।

ডঃ কাকতিৰ আন এক অনুপম প্ৰবন্ধ পুথি হ'ল 'সাহিত্য আৰু প্ৰেম'। 'নিশাদূত', ভাৰবীয়াৰ ভেশত প্ৰেমিক', 'নাৰী হৃদয়', 'সৌন্দৰ্য্যৰ প্ৰতাৰণা', 'কবিৰ অহৈতুকী প্ৰীতি', আৰু 'পণ্ডিতৰ ভূমাস্পৃহা' নামৰ মুঠ ছয়টি প্ৰবন্ধ এই গ্ৰন্থখনিত অন্তৰ্ভূক্ত হৈছে। ইয়াৰ বেছিভাগেই আবাহন, জয়ন্তী, আদি আলোচনীত প্ৰকাশ পাইছিল। ইয়াত প্ৰেমৰ

স্পৰ্শ থকা বেদ পুৰাণৰ আখ্যানৰ পৰা ইউৰোপীয় সাহিত্যলৈ কাকতিদেৱৰ দৃষ্টি প্ৰসাৰিত হৈছে। এই গ্ৰন্থখনিৰ বিষয়বস্তু সম্পৰ্কে পাতনিত গ্ৰন্থাকাৰে উল্লেখ কৰিছে ----- *“প্ৰেমৰ পোৰণি শক্তিৰ প্ৰভাৱতো একে তেজ মঙহৰ শৰীৰৰ মানুহৰ মনত বেলেগ বেলেগ প্ৰতিক্ৰিয়া ঘটে। কেতবোৰৰ পক্ষে মনৰ চটফটনি আৰু কেতবোৰ দুৰ্লভ প্ৰকৃতিৰ মানুহৰ পক্ষে ই উদ্বোধনী প্ৰজ্ঞান বত্তি। ই তেজ মঙহৰ ক্ষন্তেকীয়া ফৰফৰনি নাইকীয়া কৰি অপাৰ্থিৱ সৌন্দৰ্য্য আৰু আনন্দৰ প্ৰতি উদ্যম সঞ্চাৰ কৰে। ......... এই আখ্যানবোৰত কেতবোৰ বিশ্ববিখ্যাত মনীষীৰ প্ৰেমৰ স্পৰ্শত প্ৰাণৰ প্ৰতিক্ৰীয়া দেখুওৱা হৈছে। বেদৰ ঋষি পুত্ৰৰ প্ৰেমৰ প্ৰেৰণাত ঋষিত্ব লাভৰ প্ৰচেষ্টাৰ পৰা আমিয়েলৰ পৰিদৃশ্যমান বিশ্বৰ লগত একাত্মবোধৰ আকাংক্ষা সেই একে মিলন স্পৃহাৰে বিভিন্ন বিকাশ।”* ‘কবিৰ অহৈতুকী প্ৰীতি’ প্ৰবন্ধটোত কাকতিদেৱে ডাণ্টে - বিয়েট্ৰিচৰ কাহিনীৰ চমু বৰ্ণনা দিছে আৰু চণ্ডীদাস ৰামীৰ কথাৰে আৰম্ভ কৰি আৰু মোখনি মাৰি কৈছে-- *‘কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন পদাৰ্থ ’*।

মহাপুৰুষ শঙ্কৰদেৱৰ বিষয়ে কাকতিদেৱে ইংৰাজীত লিখা ‘Life and Teaching of Sankardeva’ (1923) গ্ৰন্থখনি মাদ্ৰাজৰ জি.এ. নটেশন এণ্ড কোম্পানীৰ ‘Saints of India Series’ ত ওলাইছিল যদিও বৰ্ত্তমানে এইখন দেখা পাবলৈ নোহোৱা হৈছে। মহাপুৰুষ শঙ্কৰদেৱৰ অসমীয়া সমাজ আৰু ধৰ্ম জগতলৈ বৰঙণিৰ কথা উল্লেখ কৰি কাকতিদেৱে লিখিছে --- *‘সেই বিৰাট পুৰুষৰ আদৰ্শ উদ্ধাৰ কৰি নিষ্কামভাৱে তাৰ উপাসনা কৰি কেনেকৈ সকলো কামনাৰ নিবৃত্তি সাধন কৰি মুকুটি পথত আগুৱাব পাৰি, তাৰ সন্ধান অসমীয়া সমাজক মহাপুৰুষে দান কৰে। সেই বাটৰ পৰা কৰ্মৰ বিভীষিকা আৰু সামাজিক শ্ৰেণীভেদৰ ব্যৱধানৰ কুঁৱলী আঁতৰাই সকলোকে ভয় নোহোৱাকৈ খোজকাঢ়িবৰ জন্মগত অধিকাৰ মহাপুৰুষে দান কৰে। অসমীয়াৰ আধ্যাত্মিক জীৱনৰ উৎকৰ্ষৰ বিষয়ত এয়েই তেওঁৰ চতুৰঙ্গ দান।”* পুৰণি অসমত ধৰ্মৰ ব্যভিচাৰ চলি থকাৰ সময়ত মহাপুৰুষ শঙ্কৰদেৱে কেনেদৰে জনসমাজত ধৰ্মীয় বৈশিষ্টৰ এক শৃঙ্খলা আনি দিলে সেই বিষয়ে তথ্য সমৃদ্ধ বৰ্ণনা এই গ্ৰন্থখনিত দিছে। যি সময়ত ধনেই ধৰ্মৰ

মূল নিচিনা আছিল অৰ্থাৎ ধন ন'হলে যাগ-যজ্ঞ, পূজা-অৰ্চ্চনা, তীৰ্থ যাত্ৰা আদি কৰিব নোৱাৰি আৰু এইবোৰ ন'হলে ঈশ্বৰ চিন্তা সম্পূৰ্ণ নহয় ইত্যাদি ধাৰণাৰ শঙ্কৰদেৱে বিলোপ সাধন কৰিলে। তেখেতে ঈশ্বৰ চিন্তাৰ বাবে আনুষ্ঠানিকতা পৰিহাৰ কৰি বিশুদ্ধ হৃদয় আৰু মনহে মূলত আহৰণ কৰিব উপদেশ দিছে। শঙ্কৰদেৱে কৈছে—— *'মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ, এতেকে মুকুটি পাইবা কহিলো স্বৰূপ।'* গুৰুজনাই স্থাপন কৰা গাঁৱলীয়া সত্ৰ, নামঘৰ আদি অনুষ্ঠানবোৰে কেনেদৰে প্ৰাৰ্থনা গৃহৰ উপৰিও মনোৰঞ্জন শালা, বিচাৰালয় আদিৰ কাম কৰি আছে তাৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে।

কাকতিদেৱে যে অকল গভীৰ সাহিত্য সাধনাতে নিমগ্ন আছিল এনে নহয়, শিশু সকলৰ অভাৱ পূৰণৰ বাবে শিশু সাহিত্য ৰচনাতো তেখেতে হাত দিছিল। 'পখিলা' (১৯৫১) নামৰ গ্ৰন্থখনি তেখেতে শিশু সকলৰ উদ্দেশ্যে লিখা। এই গ্ৰন্থখনি সৰ্বমুঠ বাৰটা গল্পৰ সমষ্টি, সেয়া- 'পখিলা', 'নাম মাহাত্ম্য', 'তুলসীদাস', 'এমুঠি সৰিয়হৰ গুটি', 'সোণালী পৰশ', 'অমৰ প্ৰেমিক', 'অৰূপ ধুনীয়া তিৰোতা', 'নাৰায়নৰূপী- জোঁৱাই', 'মহিলাৰ মহাসভা', 'মাছ অৱতাৰ', 'ভাবৰ আৰু নৰকাসুৰ'। এই গল্পবোৰৰ বিষয়বস্তু গ্ৰীক পুৰাণ, গ্ৰীক নাটক, ইজিপ্তীয় পুৰাণ, এচিয়া মাইনৰৰ পুৰণি আৰু ভাৰতৰ প্ৰাচীন কাব্যসমূহৰ পৰা বুটলি আনি শিশুৰ উপযোগীকৈ ৰচনা কৰিছে। এই গল্পসমূহৰ বিষয়বস্তুৰ পৰিবেশন, শব্দচয়ন আদি সম্পূৰ্ণৰূপে শিশু উপযোগী হৈছে। এই ৰচনাবোৰত কাকতিদেৱে কাহিনীভাগৰ উপৰিও কাহিনীৰ মাজে মাজে শিশুৰ চিন্তনীয় দিশ, আদৰ্শ আৰু জ্ঞানৰ পৰিধি বিস্তাৰৰ বাবে প্ৰয়োজনীয় সমলৰও যোগান ধৰিছে।

'Assamese-its formation and Developement' নামৰ গৱেষণা গ্ৰন্থখনৰ বাবে ডঃ বাণীকান্ত কাকতিদেৱে ১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰি লাভ কৰে আৰু ১৯৪১ চনৰ মাৰ্চ মাহত অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ যোগেদি এই গ্ৰন্থখনি প্ৰকাশ পায়। অসমীয়া ভাষাসাহিত্যৰ জগতলৈ এই গ্ৰন্থখনি কাকতিদেৱৰ এক যুগমীয়া তথা সৰ্বোৎকৃষ্ট অৱদান বুলি ক'ব পাৰি। কাৰণ এই গ্ৰন্থখনিয়ে অসমীয়া ভাষাৰ এক নিজস্ব স্থিতি আৰু মৰ্যাদা আনি দিলে।

এই গ্ৰন্থখনিত দিয়া বৈজ্ঞানিক বিশ্লেষণে প্ৰমাণ কৰি দিছে যে অসমীয়া এটা স্বয়ং সম্পূৰ্ণ ভাষা, কিছুমান অনা অসমীয়া পণ্ডিতে ক'বৰ দৰে অসমীয়া ভাষা বাংলা ভাষা বা অইন কোনো ভাষাৰ অপভ্ৰংশ নহয়। পি. এইচ. ডি ৰ বাবে প্ৰস্তুত কৰা এই গৱেষণা গ্ৰন্থখনিৰ পৰিক্ষক আছিল ফ্ৰান্সৰ পেৰিচ বিশ্ববিদ্যালয়ৰ ডঃ জুল ব্লখ, কলিকতা বিশ্ববিদ্যালয়ৰ ডঃ এচ. কে. চেটাৰ্জী আৰু পঞ্জাৱ বিশ্ববিদ্যালয়ৰ ডঃ এ.চি. উলেনাৰ। ভাষাবিজ্ঞানৰ জটিল বিষয়বোৰৰ আনুষ্ঠানিক প্ৰশিক্ষণ নোহোৱাকৈ কাকতিদেৱে এই বিশেষ কৃতকাৰ্য্যতা লভাত বিশ্বৰ ভাষাবিদ সকলে উচ্চ প্ৰশংসা কৰিছে। অধ্যাপক জুল ব্লখে প্ৰসংশা কৰি মন্তব্য দিছে— "*I suppose the writer lives in a place far from acedemical atmosphere. But I am really surprised to find such writing coming from such quarter*" কাকতিদেৱে যেতিয়া এই গ্ৰন্থখনি প্ৰস্তুতিৰ কাম আৰম্ভ কৰিছিল তেতিয়া অসমীয়া ভাষাৰ বৈজ্ঞানিক অধ্যয়নত কোনো পথ প্ৰদৰ্শক গ্ৰন্থ নাছিল। কাকতিদেৱৰ শিক্ষাগুৰু ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ ‘Origin and Developement of the Bengali language’ (1926) গ্ৰন্থখনিয়ে কাকতিদেৱক অসমীয়া ভাষাৰ ওপৰত এক বিজ্ঞানসম্মত গৱেষণা চলাবলৈ অনুপ্ৰেৰণা যোগাইছিল। তদুপৰি একশ্ৰেণী অনা অসমীয়া লোকে অসমীয়া ভাষাটো বাংলা ভাষাৰ অপ্ৰভ্ৰংশ বুলি যি এটা অপযশ দিয়াৰ চেষ্টা কৰি আছিল, তেওঁলোকৰ মুখ বন্ধ কৰি এক বিজ্ঞানসম্মত গৱেষণাৰ জৰিয়তে অসমীয়া ভাষাক সৰ্বভাৰতীয় ক্ষেত্ৰত এক নিজস্ব মৰ্যাদা দিয়াৰ হাবিয়াসেৰে কাকতিদেৱে এই গৱেষণাত হাত দিয়ে। পথ প্ৰদৰ্শক গ্ৰন্থৰ অভাৱত তেখেতে পুৰণি অসমীয়া সাহিত্যৰ ভাষাৰ ৰূপ সাঁচিপতীয়া-তুলাপতীয়া পুথিলৈ গৈ উপভাষাসমূহৰ বহল চৰজমিন বিচাৰ (Filed work) কৰি সামগ্ৰিকভাৱে অসমীয়া ভাষাৰ গঠনৰ এটা ৰূপ এই গ্ৰন্থখনিত দাঙি ধৰিছে। কালিফোৰ্নিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ এম. বি. এমেনুৱে এই গ্ৰন্থখনিৰ দোষ-গুণ বিচাৰ কৰি বাৰ্কলীৰ পৰা ওলোৱা এমেৰিকাৰ ভাষাতত্ত্ব সমাজৰ মুখপত্ৰ Language (Vol-18, No-2, 1942) ত এটি বিস্তৃত সমালোচনা প্ৰকাশ কৰিছিল। এমেনুৱে পুথিখনিৰ প্ৰশংসা কৰোঁতে পুথিখন ‘Notable product of a very good method’ আৰু ‘Ground breaking in many ways’ বুলি উল্লেখ কৰিছে। তদুপৰি

তেখেতে ঠায়ে ঠায়ে এই গ্ৰন্থখনিত সুনীতি চেটাৰ্জীতকৈ Super Judgement থকা বুলি উল্লেখ কৰিছে আৰু পুথিখনৰ দ্বিতীয় সংস্কৰণত বৈজ্ঞানিক ত্ৰুটিবোৰ আঁতৰিব বুলি আশাপ্ৰকাশ কৰিছে। এই গ্ৰন্থখনে গ্ৰেট-ব্ৰিটেইন, ফ্ৰান্স আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ভাষা তত্ত্ববিদ সকলৰ মাজত বিশেষভাৱে সমাদৰ লাভ কৰিছে।

ডঃ কাকতিদেৱৰ এই বিখ্যাত গ্ৰন্থখনিক তিনিটা প্ৰধান ভাগত ভগাব পাৰি। প্ৰথম ভাগত অসমীয়া ভাষা সাহিত্যৰ চমু বুৰঞ্জী, আন আন মাগধী ভাষাৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক, বিভিন্ন আঞ্চলিক কথ্য ভাষাৰ নমুনা, অসমীয়া শব্দ ভাণ্ডাৰ, বঙলা ভাষাৰ লগত অসমীয়া ভাষাৰ পাৰ্থক্য, অসমীয়া ভাষাৰ ওপৰত অষ্ট্ৰিক আৰু ভোট-বাৰ্মী ভাষাৰ প্ৰভাৱ ইত্যাদিৰ বিবৰণ দিছে। দ্বিতীয় অধ্যায়ত ধ্বনিতত্ত্বৰ আলোচনা, প্ৰসঙ্গত ইংৰাজী, অসমীয়া আৰু সংস্কৃত ধ্বনিৰ তুলনামূলক আলোচনা, শ্বাসাঘাত, আন্ত-মধ্য-পূৰ্ব্বস্বৰৰ প্ৰয়োগ, স্বৰ ভক্তি, স্বৰাগম, অপিনিহীত, অনুনাসীকৰণ আদি নিয়মসমূহ আৰু অসমীয়া স্বৰধ্বনি আদিৰ বিষয়ে আলোচনা আগবঢ়াইছে। তৃতীয় অধ্যায়ত অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ আলোচনা প্ৰসঙ্গত তদ্ধিত প্ৰত্যয়, ক্ষুদ্ৰতাবাচক প্ৰত্যয়, স্বাৰ্থিক প্ৰত্যয়, বিশেষ্যৰূপ পৰিবৰ্ত্তন, অসমীয়া সৰ্বনাম শব্দৰ মূল, ক্ৰিয়াৰ মূল, ক্ৰিয়াৰ ৰূপ পৰিবৰ্ত্তন আৰু অসমীয়া ভাষাৰ ওপৰত অনাৰ্য্য ভাষাসমূহৰ ধ্বনিৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিছে। এই গ্ৰন্থখনি প্ৰকাশ পোৱাৰ পিছত ভাৰতীয় ভাষাতত্ত্ববিদ সকলৰ ভিতৰত কাকতিদেৱে এক নিজস্ব আসন দখল কৰিবলৈ সক্ষম হয়। ৰাজ্য পুনৰ গঠনৰ সময়ত অসমীয়া ভাষাক এক স্বতন্ত্ৰীয়া ভাষা হিচাপে আয়োগৰ আগত সাক্ষ্য দান কৰোঁতে এই গ্ৰন্থখনি বিশেষ সহায়ক হৈছিল।

আধুনিক অসমীয়া সাহিত্য সমালোচনাৰ দিশত বাণীকান্ত কাকতি অসমীয়া সাহিত্যত অগ্ৰগণী। আধুনিক কবি-সাহিত্যক সকলৰ ৰচনাসমূহক সমালোচকৰ দৃষ্টিভঙ্গীৰে ইয়াৰ সাহিত্য ৰস পাঠক সমাজৰ আগত বিভিন্ন সমালোচনামূলক প্ৰবন্ধৰাজিৰ জৰিয়তে তেখেতে দাঙি ধৰিছে। ৰঘুনাথ চৌধুৰীদেৱক ঊনবিংশ শতিকাৰ বৈশিষ্টপূৰ্ণ কবিৰূপে আৰু যতীন্দ্ৰনাথ দুৱৰাদেৱক বিংশ শতিকাৰ গুণালঙ্কৃত কবি হিচাপে তেখেতে স্থান দিছে। ৰঘুনাথ চৌধুৰীদেৱক 'বিহগী কবি' নামটো

কাকতিদেৱেই দিয়ে। অম্বিকাগিৰি ৰায়চৌধুৰীৰ দেশানুৰাগমূলক গীত-কবিতাবিলাক কাকতিয়ে ইংৰাজীলৈ সুন্দৰাভাবে অনুবাদ কৰি Songs of the cell নাম দি প্ৰকাশৰ বাবে দিয়ে। সাধাৰণতে দেখা যায় যে কবিতাৰ ভাঙনিত বহু সময়ত কবিতাৰ মূল সৌন্দৰ্য্য লোপ পায়। কিন্তু কাকতিদেৱৰ ভাঙণিত অম্বিকাগিৰিৰ কবিতাই নতুন জীৱন লাভ কৰিছে। অম্বিকাগিৰিৰ কবিত্বক কাকতিয়ে অতি উচ্চ স্থান দিব বিচাৰে আৰু 'তুমি' কাব্যৰ সমালোচনাত তেখেতে ৰায়চৌধুৰীৰ ৰহস্যবাদী মনোভাব বিশেষভাৱে দাঙি ধৰিছে। কাকতিৰ মতে 'তুমি' কাব্য ৰায়চৌধুৰীৰ অতল আধ্যাত্মিকতাৰ উজ্জ্বল চানেকি। জ্যোতিপ্ৰসাদৰ নাটক 'শোণিত কুঁৱৰী'ৰ সমালোচনাত পৌৰাণিক বিষয়বস্তু এটি আধুনিক মনস্তাত্বিক আৰু নাটকীয় কৌশলেৰে কেনেকৈ পৰিৱেশন কৰা হৈছে তাৰ প্ৰশংসা কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ প্ৰতি কাকতিৰ অসীম শ্ৰদ্ধা। বেজবৰুৱাৰ সাহিত্যসমূহ গভীৰভাৱে অধ্যয়ন কৰি কাকতিয়ে এই সাহিত্য সমূহৰ তিনিটা বৈশিষ্টৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হৈছিল। তেখেতে কৈছে---*"জাগ্ৰত স্বদেশানুৰাগ, অপূৰ্ব্ব ৰচনা পদ্ধতি আৰু প্ৰকৃত হাস্যৰস --- এই তিনিটা উপাদান লৈ বেজবৰুৱাৰ প্ৰতিভাই আধুনিক সাহিত্যৰ সকলো বিভাগতে বিকাশ লাভ কৰিছে। গীত, নাট, কবিতা, বুঢ়ী আইৰ সাধু, চুটি গল্প, উপন্যাস, চৰিত্ৰ ৰচনা কোনো.বিভাগকেই তেওঁৰ প্ৰতিভাই পৰশ নকৰাকৈ এৰা নাই। অসমীয়া সাহিত্যৰ বৰ্ত্তমান অৱস্থাত তেওঁ যে আটাইবোৰ বিভাগৰেই আমাক বিশুদ্ধ আনন্দ দিব পৰা ৰচনা দিছে, সেইটো স্বীকাৰ কৰিব লাগিব।"* বেজবৰুৱাদেৱৰ হাস্যৰসৰ বিষয়ে কাকতিয়ে এনেদৰে মন্তব্য দিছে -- *"বেজবৰুৱা ডাঙৰীয়াই যোৱা শতাব্দীতকৈ বহুত বেছি কাল নিস্বাৰ্থভাৱে অসমীয়া সাহিত্য সেৱাত লাগি আছে। অসমৰ বুঢ়া, ডেকা, ল'ৰা সকলোকে তেওঁ হুহুৱাইছে, সকলোকে আনন্দ দিছে। কৰ্মপীড়িত জীৱনত অন্তত: এবাৰ অকপট হাঁহি এটিৰ সুবিধা দিয়া কাৰণেও সকলোৱে তেওঁৰ ধৰুৱা।"*

ডঃ বাণীকান্ত কাকতিদেৱ এগৰাকী প্ৰকৃত অধ্যয়নশীল ব্যক্তি আছিল আৰু অনাৱশ্যকীয় আড়ম্বৰ মুঠেই পচন্দ নকৰিছিল। লোকসেৱা আয়োগৰ সভাপতিৰ পদৱী, শিক্ষাধীকাৰৰ পদৱী, বিধান সভাৰ প্ৰাৰ্থী

হ'বলৈ কংগ্ৰেছ পাৰ্টিয়ে আগবঢ়োৱা মনোনয়ন পত্ৰ তেখেতে হেলাৰঙে প্ৰত্যাখান কৰিছিল। সহজ সৰল জীৱন আৰু উচ্চ চিন্তাই আছিল তেওঁৰ জীৱনৰ লগৰী। তেখেতৰ সাধাৰণ সাজ পাৰলৈ লক্ষ্য কৰি এবাৰ তেখেতৰ পত্নী কনকলতা কাকতিয়ে কৈছিল — *"আপুনি ইংৰাজীৰ অধ্যাপক। মই দেখিছোঁ আমাৰ ঘৰলৈ অহা ইংৰাজীৰ সকলো অধ্যাপকে টাই-চুট পৰিধান কৰি একেবাৰে চাহাব হৈ আহে। আপুনিনো তেনেকুৱা পোচাক পৰিধান কৰিব নোৱাৰেনে?"* উত্তৰত মিচিকীয়া হাঁহি মাৰি কাকতিদেৱে কৈছিল--- *'মই গাঁৱৰ মানুহ। অসমীয়া মানুহ। ইংৰাজী আখৰ দুটা চিনিলোঁ বুলিয়েই গাঁৱৰ মানুহখিনিৰ জীৱন পদ্ধতি পাহৰি পেলাব নোৱাৰোঁ। অসমীয়া মানুহৰ নিজস্ব সাজপোচাক আছে। তাক বিসৰ্জন দি টাই-চুট পৰিধান কৰিলেই মই চাহাব হব নোৱাৰোঁ। অসমীয়া সংস্কৃতিৰো অৱমাননা কৰা হব। গতিকে মই মোৰ নিজৰ সংস্কৃতিক আকোৱালি লৈয়ে গৌৰব আৰু মৰ্যাদা অনুভৱ কৰিছোঁ। মই মোৰ সমাজখনৰ পৰা পৃথক হৈ থাকিব নোখোজো। মোৰ ব্যক্তিগত জীৱনৰ মাজেৰে মোৰ সমাজখনৰ ৰূপে প্ৰকাশ লাভ কৰিছে। যি নিজৰ সংস্কৃতিক লৈ গৌৰব কৰিব শিকা নাই, তেওঁ মানসিকভাৱে পৰাধীন। তেওঁৰ সদগুণ সমূহে কেতিয়াও বিকাশ লাভ কৰিব নোৱাৰে।"* গুৱাহাটীৰ বিহাবাৰীত প্ৰায় ছয়টামান কোঠালিৰ সৈতে এটি সাধাৰণ আসাম টাইপৰ ঘৰত তেখেতে বসবাস কৰিছিল। ঘৰটি সাধাৰণ হলেও এখনি ধুনীয়া ফুলনিৰ সৈতে তেখেতে ঘৰ পৰিপাটিকৈ ৰাখিছিল। প্ৰতিবছৰে বহাগ বিহু, মাঘ বিহু আৰু দৌল উৎসৱৰ সময়ত প্ৰায়ে কাকতিদেৱে নিজ গাঁও বাটিকুৰিহালৈ এটা পাক মাৰি ঘৰৰ লগতে গাঁৱৰ সকলোৰে সৈতে সম্পৰ্ক ৰক্ষা কৰি চলিছিল।

কাকতিদেৱৰ পত্নী কনকলতা দেৱীএগৰাকী সহজ সৰল, ধৰ্মপৰায়না, মানৱদৰদী তথা আদৰ্শ গৃহিনী আছিল আৰু কাকতিয়ে পত্নী কনকলতাক অন্তৰভৰি ভাল পাইছিল। ১৯৫২ চনৰ ১৭ চেপ্তেম্বৰ তাৰিখে কনকলতা দেৱীৰ বিয়োগ ঘটাত কাকতিদেৱ ভাগি পৰে। পত্নী বিয়োগৰ কৰুণ বোজা তেওঁ সহিব নোৱাৰিলে। ১৯৫২ চনৰ ১৫ নৱেম্বৰ তাৰিখ শনিবাৰ দিনাখন তেখেতে এই পৃথিৱীৰ পৰা চিৰবিদায় ললে। তেখেতৰ মৃত্যুত সেই সময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ কৃষ্ণকান্ত সন্দিকৈদেৱে

শোক প্ৰকাশ কৰি কৈছিল- “বিশ্ববিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত কাকতি আছিল অনুৰক্ত সতীৰ্থ, বিজ্ঞ উপদেষ্টা আৰু একনিষ্ঠ কৰ্মী। অসমীয়া সাহিত্যত আধুনিক পদ্ধতিৰ সমালোচনাৰ প্ৰবৰ্ত্তকৰূপে দেশবাসীয়ে এইজনা শিক্ষাবিদৰ পাণ্ডিত্য আৰু খ্যাতি সুঁৱৰিব।”

❖❖❖

## সহায়ক গ্ৰন্থপঞ্জী আৰু আলোচনীৰ তালিকা

১। “ভাষাবিদ্ বাণীকান্ত কাকতি” (১৯৯২) — অধ্যাপক দুৰ্গেশ্বৰ শৰ্মা, অসম বুক ডিপো, গুৱাহাটী।

২। “বাণীকান্ত চয়নিকা” (১৯৯১) সম্পাদক ঃ ডঃ মহেশ্বৰ নেওগ, সাহিত্য একাদেমি।

৩। “বাণীকান্ত ৰচনাৱলী” -সম্পাদক ডঃ মহেশ্বৰ নেওগ, অসম প্ৰকাশণ পৰিষদ।

৪। “Bani Kanta Kakati -The Man and his works ” (1988) Complied and Edited by Tabu Taid & Ranjit Dev Goswsmi, publication Board, Assam.

৫। “Beloved of the Muses ---- Life of Dr. Bani Kanta Kakati” (1994) -By Dr. Hiren Gohain (Bani Kanta Kakati Birth centenary celebration Committee, Barpeta.)

✿✿✿

*" ............................ আজি ভগৱান প্ৰকাশিত হৈছে মানৱৰ সাম্য আৰু আত্মোৎকৰ্ষ সাধনাৰ প্ৰেৰণাৰ মাজেদি। আমাৰ শাসনতন্ত্ৰখনেও এই সত্যটো মানি লৈছে। আনকি সমগ্ৰ জগতেই এই সত্য উপলব্ধিৰ বাটেৰে আগবাঢ়ি যাবলৈ ধৰিছে। মোৰ দৃঢ় বিশ্বাস যে হিংসা আৰু ৰক্তপাতৰ মাজেদি এই সাধনা সিদ্ধি হ'ব নোৱাৰে। ই মাথোঁ শান্তিপূৰ্ণ উপায়েৰেহে সম্ভৱ আৰু আমিও শান্তিৰ বাটকে অনুসৰণ কৰা উচিত"*

— গোপীনাথ বৰদলৈ

## লোকপ্ৰিয় গোপীনাথ বৰদলৈ

অখণ্ড অসম ৰাজ্যৰ প্ৰথম প্ৰধানমন্ত্ৰী (আজিকালিৰ মুখ্যমন্ত্ৰী) ভাৰতৰত্ন, লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱ অসমৰ পৰ্বত ভৈয়ামকে আদি কৰি বিভিন্ন অঞ্চলত বসবাস কৰি থকা বিভিন্ন সম্প্ৰদায়ৰ লোকৰ মাজত স্বাধীনোত্তৰ কালৰ পৰা আৰম্ভ কৰি বৰ্ত্তমানলৈকে সৰ্বজনস্বীকৃত অবিসম্বাদী জনপ্ৰিয় ৰাজনৈতিক নেতা। অসমৰ জাতীয় জীৱনত তেখেতে নিজস্ব অবদানেৰে আজিও মহীয়ান, যেন তেখেতৰ আকৰ্ষনীয় ব্যক্তিত্বক অইন কোনো ব্যক্তিৰ লগত তুলনা কৰিব নোৱাৰি। তেখেতৰ নিস্বাৰ্থ দেশপ্ৰেম, সহজ-সৰল জীৱন, ৰাজনৈতিক বিচক্ষণতা, নিৰ্ভীকতা আৰু অসমৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱাৰে সেই সময়ৰ বৃহত্তৰ অসমৰ সকলো শ্ৰেণীৰ লোকৰ মাজত তেখেতৰ জনপ্ৰিয়তা তুঙ্গত আছিল। সেয়েহে তেতিয়াৰ অসমৰ ৰাজ্যপাল জয়ৰাম দৌলতৰামে বৰদলৈদেৱক সঠিকভাৱেই 'লোকপ্ৰিয়' উপাধীৰে বিভূষিত কৰিছিল।

ছাত্ৰ অৱস্থাৰ পৰাই মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ দেশৰ কল্যাণৰ বাবে বৰদলৈদেৱৰ মাজত এক সৰ্বভাৰতীয় মন গঢ়ি উঠিছিল যদিও অসমীয়া জাতিসত্বাৰ ঐতিহ্যপূৰ্ণ ৰূপটোক বিশালৰ পৰা বিশালতৰ কৰি সৰ্বভাৰতীয় ক্ষেত্ৰত আগবঢ়াই নিয়াটোৱেই যেন তেখেতৰ জীৱনৰ এক ডাঙৰ প্ৰত্যাহ্বান ৰূপে দেখা দিছিল। বৰদলৈদেৱৰ জীৱনজোৰা সাধনাত অসমীয়া জাতিৰ আশা-আকাংক্ষাই প্ৰধানত প্ৰতিফলিত হৈছিল। ৰাজনৈতিক ক্ষেত্ৰখনৰ জটিল প্ৰক্ৰিয়াটোত নিজকে

প্ৰত্যক্ষভাৱে জড়িত কৰি অসমীয়া জাতিৰ সামগ্ৰিক উন্নয়নৰ হ'কে তেখেতে সামাজিক, সাংস্কৃতিক আদি সকলো ক্ষেত্ৰতে নিজকে সৰ্বান্তকৰণে জড়িত কৰি ৰাখিছিল।

বৰদলৈদেৱে অসমীয়া জাতিৰ জীৱন আৰু চিন্তাধাৰাৰ মাজত নিজকে এনেধৰণে বিলাই দিছিল যেন তেখেতেই অসম আৰু অসমেই তেখেতৰ নিচিনা বোধ হৈছিল। অতি কম কথা কোৱা বৰদলৈদেৱে অসমৰ আশা-আকাংখ্যা নিৰ্ভুলভাৱে প্ৰকাশ কৰিব পাৰিছিল বাবে সৰ্বভাৰতীয় ক্ষেত্ৰত অসমক সফলভাৱে নেতৃত্ব দিব পাৰিছিল। তেখেতৰ বিচক্ষণতা ফুটি ওলাইছিল তেখেতৰ কাৰ্য্যত। সেয়েহে সেই সময়ৰ ভাৰতৰ উপ-প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলে বৰদলৈৰ মৃত্যুত এনেদৰে মন্তব্য দিছিল "--------------- ***It is difficult to think of Assam without Gopinath Bardoloi. He had identified himself with the interest of his state and for years the political life had so much intermingled with his great personality that we had come to think of those two entities being always synonymous*** "

এইজনা মহান ব্যক্তি গোপীনাথ বৰদলৈদেৱৰ জন্ম হৈছিল ১৮৯০ চনৰ ৬ জুন তাৰিখে নগাঁৱৰ ৰহা অঞ্চলত পিতৃ ডাঃ বুদ্ধিশ্বৰ বৰদলৈ আৰু মাতৃ প্ৰাণেশ্বৰী বৰদলৈৰ তৃতীয় সন্তানৰূপে। ডাঃ বুদ্ধিশ্বৰ বৰদলৈৰ উপৰিপুৰুষ সকল উজিৰ বৰদলৈৰ বংশ বুলি জনাজাত। তেওঁলোকৰ উপৰিপুৰুষ ধৰ্মাংগদ ত্ৰিবেদিয়ে ১৫৩৯ শকত কামাখ্যা তীৰ্থ দৰ্শনৰ উদ্দেশ্যে অসমলৈ আহিছিল যদিও অসমৰ সুচল জলবায়ু আৰু প্ৰাকৃতিক সৌন্দৰ্য্যত মোহিত হৈ অসমতে চতুষ্পাঠী খুলি অধ্যাপনা আৰম্ভ কৰে। ধৰ্মাংগদৰ পুত্ৰ হৰিকানাই জ্যোতিৰ্ভূষণ আছিল। এওঁকেই উজীৰ বৰদলৈ বুলি কোৱা হয়। তেখেতৰ পিছৰ পৰাই তেওঁলোকৰ সতি-সন্ততি সকলে বৰদলৈ উপাধী লিখিবলৈ লয়। হৰিকানাইৰ পুত্ৰ নৰহৰি, নৰহৰিৰ পুত্ৰ তুৰাহৰি, তুৰাহৰিৰ পুত্ৰ চন্দ্ৰকান্ত আৰু চন্দ্ৰকান্তৰ দ্বিতীয় পুত্ৰ আছিল ডাঃ বুদ্ধিশ্বৰ বৰদলৈ। বুদ্ধিশ্বৰ বৰদলৈৰ সন্তানসকল আছিল ক্ৰমে শশীকলা দেবী, ইন্দ্ৰেশ্বৰ, গোপীনাথ, গণেশ আৰু যজ্ঞেশ্বৰ। গোপীনাথ

বৰদলৈৰ এঘাৰ বছৰ বয়সতে মাতৃ প্ৰাণেশ্বৰী দেৱীৰ দেহাৱসান ঘটাত বায়েক শশীকলাৰ তত্বাবধানত বৰদলৈদেৱ ডাঙৰ দীঘল হয়। বায়েক শশীকলাক উত্তৰ গুৱাহাটীৰ বৈকুণ্ঠ চাংকাকতীলৈ বিয়া দিছিল যদিও অতি কম বয়সতে বিধবা হোৱা বাবে দেউতাক বুদ্ধিশ্বৰ বৰদলৈৰ ঘৰতেই থাকিবলৈ লয়। শশীকলাদেৱী এগৰাকী আদৰ্শময়ী মহিলা আছিল আৰু বাল্যকালৰ পৰাই তেখেতৰ প্ৰভাব গোপীনাথৰ ওপৰত পৰিছিল। এল. এম. পি পৰিক্ষা পাচ কৰি চৰকাৰী ডাক্তৰ হোৱা বুদ্ধিশ্বৰ বৰদলৈদেৱে ৰহা, মঙ্গলদৈ, বৰপেটা ইত্যাদি অসমৰ বিভিন্ন ঠাইত চৰকাৰী চিকিৎসকৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। ফলত গোপীনাথ বৰদলৈদেৱৰ প্ৰাথমিক শিক্ষা ৰহাত আৰম্ভ হৈ ১৯০৭ চনত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা জলপানীসহ সুখ্যাতিৰে প্ৰথম বিভাগত প্ৰবেশিকা পৰিক্ষা পাচ কৰি কটন কলেজৰ আই. এ শ্ৰেণীত নাম লগায়। স্কুলীয়া কালৰ পৰাই বৰদলৈদেৱ অতি মেধাৱী ছাত্ৰ আছিল। ১৯০৯ চনত কটন কলেজৰ পৰা প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰি প্ৰথম বিভাগত আই. এ পাচ কৰে আৰু কটনত তেতিয়া অনাৰ্চৰ সুবিধা নথকা বাবে কলিকতাৰ 'স্কটিছ্ চাৰ্চ্চ' কলেজত বি. এ অনাৰ্চত ভৰ্ত্তি হয়। ইয়াত দুবছৰ পঢ়ি বুৰঞ্জী বিষয়ত অনাৰ্চ সহ বি. এ পাচ কৰি ১৯১৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লৈ এম. এ পাচ কৰে। কলিকতাতেই তেখেতে আইন শাখাতো নামভৰ্ত্তি কৰে যদিও ১৯১৫ চনত আইনৰ দুটা পৰিক্ষা দি পাচ কৰি চুড়ান্ত পৰিক্ষা নিদিয়াকৈয়েই গুৱাহাটীলৈ উভতি আহে। ইয়ালৈ আহি দেশভক্ত তৰুণৰাম ফুকনৰ অনুৰোধত সাময়িকভাৱে সোনাৰাম স্কুলত হেডমাষ্টৰ হিচাপে দায়িত্ব লৈ থকাৰ সময়তে আইনৰ চুড়ান্ত পৰিক্ষাটো দি সুখ্যাতিৰে উত্তীৰ্ণ হয় আৰু ১৯১৭ চন মানৰ পৰাই গুৱাহাটীত ওকালতি আৰম্ভ কৰে।

ছাত্ৰাবস্থাৰ পৰাই গোপীনাথ বৰদলৈদেৱ সৰ্বগুণী ছাত্ৰ আছিল। অভিনয় কৰা, চিত্ৰ অঁকা, বৰগীত- ৰবীন্দ্ৰ সংগীত সুললিত কণ্ঠেৰে গোৱা, ক্ৰিকেট খেলা, টেনিচ খেলাৰ পৰা আৰম্ভ কৰি যকৰা কামলৈকে সকলোকালে তেখেতৰ দক্ষতা ফুটি ওলাইছিল। কলিকতাৰ স্কটিছ্ চাৰ্চ্চ কলেজত পঢ়ি থাকোঁতে সেই কলেজৰ ক্ৰিকেট দলতো তেখেতে স্থান

লাভ কৰিছিল। ডেকা কালত গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্যমন্দিৰত অভিনীত 'চন্দ্ৰগুপ্ত' নাটকত গ্ৰীক বীৰ আলেকজেণ্ডাৰৰ ভূমিকাত অভিনয় কৰি দৰ্শকক মোহিত কৰিছিল। ওখ পাখ সুদৰ্শন চেহেৰাৰ বৰদলৈদেৱক নাটকৰ চৰিত্ৰত শুৱাই তুলিছিল। এবাৰ তেখেতৰ অভিনয় জীৱনত এটা আমোদজনক ঘটনা ঘটিছিল। তেখেতে কলিকতাত এম. এ পৰিক্ষা দি গুৱাহাটীলৈ আহোঁতে কটন কলেজ হোষ্টেলত অধ্যক্ষ চুডমাৰ্চনৰ বিশেষ অনুমতিমৰ্মে ইংৰাজীত 'জুলিয়াচ চিজাৰ' নাটকখন অভিনীত হৈছিল আৰু ইয়াৰ 'এণ্টনিৰ' চৰিত্ৰত বৰদলৈদেৱে সুন্দৰ অভিনয় কৰিছিল। নাটকখনৰ তিনিটামান দৃশ্য পাৰ হৈ যোৱাৰ পিছত চৌ ঘৰৰ পৰ্দাৰ আৰৰ পৰা হঠাতে এটা ঘোষণা ভাহি উঠিল--- *'We are glad to announce that we have just received information that Gopinath Bardoloi who is playing the role of Antonio has successfully passed the M.A Examination securing higher second class in History from Calcutta University '*

গুৱাহাটীত ওকালতি কৰি থকাৰ সময়তে ২৮ বছৰ বয়সত গোপীনাথ বৰদলৈদেৱে উত্তৰ গুৱাহাটীৰ ভূমিকান্ত বৰুৱাৰ একমাত্ৰ জীয়ৰী সুৰবালা বৰদলৈৰ সৈতে বিবাহ-বন্ধনত আবদ্ধ হয়। সুৰবালা বৰদলৈ বৰ্ত্তমানে এগৰাকী আদৰ্শ মহিলা হিচাপে অসমীয়া জন-সমাজত পৰিচিত। তেওঁলোকৰ ঘৰুৱা জীৱন সহজ-সৰল আছিল। অসমৰ প্ৰধানমন্ত্ৰী হৈ থকাৰ সময়তো সীমিত টকা-পইচাৰে শিলঙৰ চৰকাৰী বাসভৱনত প্ৰায় নিয়মীতভাৱে থকা অসংখ্য আলহি অতিথিক সোধ-পোচ কৰিব লাগিছিল। বৰদলৈদেৱে চৰকাৰী ভ্ৰমণত গলেও আজিকালিৰ নিচিনা আগে-পিছে পাইলট কাৰ লৈ অসংখ্য নিৰাপত্তাৰক্ষী সহ নগৈছিল। ধুতি-পঞ্জাবী-জৱাহৰ কোট পিন্ধা এজন বিশ্বাসী বিহাৰী নিৰাপত্তাৰক্ষীয়ে কোটৰ জেপত এটা পিষ্টল সুমুৱাই লৈ তেওঁৰ ওচৰে পাজৰে থাকি নিৰাপত্তাৰক্ষীৰ কাম কৰিছিল। এই হাঁহি মুখীয়া বিহাৰী নিৰাপত্তাৰক্ষীজন বৰদলৈদেৱৰ বৰ প্ৰিয় আছিল। চৰকাৰী ভ্ৰমণত কেতিয়াবা গাড়ী লৈ গ'লেও বাটত হাটে বজাৰে সস্তাত পোৱা শাক-পাচলি কিনি ঘৰলৈ আনিছিল। তেওঁৰ চৰকাৰী গাড়ীখন চৰকাৰী ভ্ৰমণতহে ব্যৱহাৰ কৰিছিল, অৱাৱতে ঘৰৰ লৰা - ছোৱালীক স্কুল

কলেজত যাওঁতে বা বজাৰ সমাৰ কৰোঁতে ব্যৱহাৰ কৰিব নিদিছিল। এই সংক্ৰান্তত বৰদলৈদেৱৰ নুমলীয়া জীয়ৰী ডঃ লিলি মজিন্দাৰ বৰুৱাই এনে ধৰণে মন্তব্য দিছে——

*" দেউতাই বাহ্যিক জাক-জমকতা একেবাৰে ভাল নেপাইছিল। মুখ্যমন্ত্ৰী হৈ থকা অবস্থাতো তেওঁৰ আৰ্থিক স্বচ্ছলতা নাছিল। কিয়নো তেওঁ পোৱা মাহেকীয়া বানচখিনিৰ পৰা কিছু ৰাজহুৱা ভঁৰালৰ বাবে জমা থৈ গৈছিল। ঘৰ চলাবলৈ টান পাই মা বৰ অসুবিধাত পৰিছিল। তেওঁ কম পইচাৰে মিতব্যয়ী হিচাপে ঘৰ চলোৱাটো বিচাৰিছিল। ঘৰুৱা খৰচৰ হিচাপ পত্ৰৰ বিষয় লৈ মা আৰু দেউতাৰ মাজত প্ৰায়ে তৰ্ক লাগিছিল।"*

১৯২০ চনত ভাৰতীয় জাতীয় কংগ্ৰেছে নাগপুৰ অধিবেশনত মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ এবছৰ আগলৈকে অসমৰ একমাত্ৰ ৰাজনৈতিক অনুষ্ঠানটোৰ নাম আছিল---- 'অসম এচোচিয়েচন'। ১৯০৩ চনত মানিক চন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, জগন্নাথ বৰুৱা প্ৰভৃতি বিশিষ্ট ব্যক্তিসকলৰ চেষ্টাত অসমৰ জাতীয় বিকাশৰ বাবে এই এচোচিয়েচনটোৰ জন্ম হৈছিল। ১৯১৯ চনৰ আগলৈকে অসমত ভাৰতীয় জাতীয় কংগ্ৰেছৰ কোনো প্ৰাদেশিক শাখা স্থাপন হোৱা নাছিল। অসম এচোচিয়েচনৰ শেষ অধিৱেশন বহে তেজপুৰত আৰু এই অধিবেশনতেই অসম এচোচিয়েচনক ভাৰতীয় জাতীয় কংগ্ৰেছৰ এটা শাখা হিচাপে ৰূপান্তৰিত কৰা হয়। অসম এচোচিয়েচনৰ এখন বিশেষ অধিবেশন ১৯১৯ চনৰ এপ্ৰিল মাহত যোৰহাটৰ বিষ্ণুৰাম হ'লত বহে। এই বিশেষ অধিবেশনত যোগদান কৰা বিশিষ্ট ব্যক্তি সকলৰ ভিতৰত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা, জননায়ক বিষ্ণুৰাম মেধি, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, অমিয় কুমাৰ দাস আদি অন্যতম। ১৯২২ চনৰ মে' মাহত অসম কংগ্ৰেছে জন্মলাভ কৰে আৰু অসম এচোচিয়েচনৰ সমূহ সদস্যই ইয়াত যোগদান কৰাৰ লগে লগে কংগ্ৰেছে এক শক্তিশালী সংগঠনত পৰিণত হয়। গান্ধীজীৰ অসহযোগ আন্দোলনৰ ফলস্বৰূপে স্কুল কলেজ, কাউন্সিল, আদালত ইত্যাদি বৰ্জন, খাদীৰ প্ৰচলন, অস্পৃশ্যতা নিবাৰণ ইত্যাদি বিভিন্ন কাৰ্য্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে হেজাৰ-হেজাৰ লোক আন্দোলনত জপিয়াই পৰিছিল। আদালত

বৰ্জন কৰি অসহযোগ আন্দোলনত নমা গুৱাহাটীৰ উকীল সকলৰ ভিতৰত আছিল নবীন চন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন, বিষ্ণুৰাম মেধি, গোপীনাথ বৰদলৈ, ৰোহিণী কুমাৰ চৌধুৰী, গোৰীকান্ত তালুকদাৰ, যোগেন্দ্ৰনাথ বৰুৱা, কালিৰাম বৰ্মণ, মহম্মদ তৈয়বুল্লা, কামাখ্যাৰাম বৰুৱা, কালিপ্ৰসাদ বৰুৱা ইত্যাদি। তেজপুৰ আৰু যোৰহাটৰ পৰা আছিল ক্ৰমে চন্দ্ৰনাথ শৰ্মা, কুলধৰ চলিহা, কৃষ্ণনাথ শৰ্মা। অসহযোগ আন্দোলনৰ সময়তেই মহাত্মা গান্ধীয়ে পোণ প্ৰথমবাৰৰ বাবে অসমলৈ আহি দেশভক্ত তৰুণৰাম ফুকনৰ গুৱাহাটীৰ ভৰলুমুখৰ বাসভৱনত থাকে আৰু দেশভক্ত ফুকনৰ ঘৰৰ আগতেই মহাত্মা গান্ধীয়ে বিদেশী বস্ত্ৰৰ বিৰাট দম এটাত অগ্নিসংযোগ কৰি দাহ কৰিছিল। গোপীনাথ বৰদলৈদেৱেও সেই সময়তেই কংগ্ৰেছত যোগদান কৰি অসহযোগ আন্দোলনত ভাগ লয় আৰু তেখেতৰ ৰাজনৈতিক জীৱন আৰম্ভ কৰি বিদেশী বস্ত্ৰ বৰ্জন, সুতাকটা আৰু খদ্দৰৰ ব্যৱহাৰৰ সমৰ্থনত যঁতৰ লৈ গাঁৱে ভূঁয়ে প্ৰচাৰ অভিযান চলাই দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলা পদব্ৰজে ভ্ৰমণ কৰিছিল। কপাহ আনিবলৈ তেখেতে গাৰো পাহাৰলৈও গৈছিল। এই আন্দোলনতে ১৯২২ চনৰ আগভাগত বৰদলৈদেৱক বৃটিছ চৰকাৰে গ্ৰেপ্তাৰ কৰে আৰু এবছৰ কাৰাদণ্ড বিহে। চৌৰিচৌৰাত এই আন্দোলনে হিংসাত্মকৰূপ লোৱাত গান্ধীজীয়ে হঠাতে অসহযোগ আন্দোলন প্ৰত্যাহাৰ কৰাৰ পিছত বৰদলৈদেৱেও পুনৰ ওকালতিত যোগদান কৰে।

১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ অধিবেশনত গোপীনাথ বৰদলৈদেৱে সক্ৰিয় ভূমিকা লয়। এই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল দেশভক্ত তৰুণৰাম ফুকন আৰু সাধাৰণ সম্পাদক আছিল কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ। গোপীনাথ বৰদলৈ আছিল এই সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক। এই সময়চোৱাতেই গোপীনাথ বৰদলৈদেৱে গুৱাহাটী মিউনিচিপালিটী আৰু লোকেল বৰ্ডত যোগ দিয়ে আৰু ১৯৩২ চনত গুৱাহাটী মিউনিচিপালিটিৰ চেয়াৰমেন পদতো অধিষ্ঠিত হয়। ১৯৩০-৩১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা আইন অমান্য আন্দোলনত নবীন চন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন, কুলধৰ চলিহাৰ লগতে গোপীনাথ বৰদলৈদেৱেও মত পাৰ্থক্যগত কাৰণত এই

আন্দোলনত যোগ নিদি আতৰি থাকে। অসমত আইন অমান্য আন্দোলনৰ গুৰি ধৰিছিল ত্যাগবীৰ হেমবৰুৱা আৰু বিষ্ণুৰাম মেধিয়ে। গোপীনাথ বৰদলৈদেৱে আইন অমান্য আন্দোলনত যোগ নিদিয়া অথবা যোগ দিব নোৱাৰা কংগ্ৰেছ কৰ্মী তথা দেশহিতৈষী লোক সকলৰ লগ হৈ আগৰ 'অসম এচোচিয়েচন' খনক পুনৰ সঞ্জীবিত কৰি অসমৰ কাৰণে সুকীয়া বিশ্ববিদ্যালয়, উচ্চ ন্যায়ালয় স্থাপন, ছিলেট জিলাখনক অসমৰ পৰা পৃথক কৰা ইত্যাদি বিভিন্ন জনহিতকৰ সামাজিক কামত নিজকে নিয়োজিত কৰে। অসমৰ সামূহিক স্বাৰ্থত ছিলেট জিলাখনৰ লোকসকলে সঘনে বাধা দি থকাৰ বাবে এই জিলাখনক অসমৰ পৰা পৃথক কৰাৰ বাবে তেখেতে জনমত গঢ়ি তুলিছিল।

১৯৩৬ চনৰ প্ৰাদেশিক এচেমব্লিৰ নিৰ্বাচনত কংগ্ৰেছে প্ৰতিদ্বন্দিতা কৰাৰ সিদ্ধান্ত ল'লে। কিন্তু ১৯৩৫ চনৰ ভাৰত শাসন সংস্কাৰ আইনত প্ৰাদেশিক আইনসভা বিলাকক আৰু মন্ত্ৰীসকলক বিশেষ অধিকাৰ নিদিয়াত কংগ্ৰেছে নিৰ্বাচনত জয়ী হলেও মন্ত্ৰীসভা গঠন নকৰি বিৰোধীদলৰ ভূমিকাহে গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। ইফালে অসমত তৰুণৰাম ফুকন আৰু ৰোহিনীকুমাৰ চৌধুৰীকে আদি কৰি কিছুমান নেতাই 'মিলিত জনসংঘ' নামে এটা নতুন ৰাজনৈতিক দল গঠন কৰি নিৰ্বাচনত নামে। সেই সময়ত গোপীনাথ বৰদলৈদেৱে কংগ্ৰেছ কিম্বা 'মিলিত জংসংঘ' কোনোটাতেই নাছিল। পিছত অসমৰ কংগ্ৰেছ নেতাসকলৰ অনুৰোধত তেখেতে গুৱাহাটীৰ পূব সমষ্টিত প্ৰাৰ্থী হিচাপে থিয় দিয়ে। সেই সময়ত অসম বিধান সভাৰ মুঠ আসন আছিল ১০৮খন। এই আসন কেইখনো ভিন ভিন সম্প্ৰদায়ৰ বাবে সুকীয়া সুকীয়া নিৰ্বাচনৰ ভিত্তিত ভাগ কৰা আছিল। ফলত কংগ্ৰেছে প্ৰতিদ্বন্দিতা কৰিব পৰা মুঠ আসন আছিল ৫০ খনহে। তদুপৰি কংগ্ৰেছী সকলৰ মত আছিল কম সংখ্যক আসনত যুঁজ দি অধিক আসনত জয় লাভ কৰা। এই নিৰ্বাচনত কংগ্ৰেছে ৪৮ খন আসনত প্ৰতিদ্বন্দিতা কৰে আৰু ৩৩ খন আসনত জয়লাভ কৰি বিধান সভাত সৰ্ববৃহৎ দলৰ মৰ্যাদা লাভ কৰিলে। কংগ্ৰেছৰ এই ৩৩ জন বিধায়কৰ দুই তৃতীয়াংশ আছিল অসম উপত্যকাৰ আৰু এক তৃতীয়াংশ আছিল সুৰমা উপত্যকাৰ। সুৰমা উপত্যকাৰ প্ৰবীন নেতা বসন্ত কুমাৰ দাসে বিধায়ক দলৰ নেতা হ'বলৈ বিচৰাত জটিল সমস্যাই

দেখা দিলে। অসম উপত্যকাৰ কংগ্ৰেছ দলৰ প্ৰবীন নেতা কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈদেৱৰ ইতিমধ্যে ১৯৩৬ চনৰ ১৬ জানুৱাৰীত পৰলোক হ'ল, দেশভক্ত তৰুণৰাম ফুকনে কংগ্ৰেছ ত্যাগ কৰিলে, দেশনেতা কুলধৰ চলিহাই নবীন চন্দ্ৰ বৰদলৈদেৱৰ খালী হোৱা কেন্দ্ৰীয় আইন সভাৰ সদস্যৰ আসনত নিৰ্বাচিত হ'ল, প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিষ্ণুৰাম মেধিয়ে নিজে নিৰ্বাচনত নানামি কংগ্ৰেছক জয়যুক্ত কৰাত নিজকে ব্যস্ত ৰাখিলে। এনে পৰিস্থিতিত অসম উপত্যকাৰ পৰা কাক দলনেতা নিৰ্বাচন কৰা হ'ব সেই লৈ গুণাগঠা চলিল। সেই সময়ত গোপীনাথ বৰদলৈদেৱ কংগ্ৰেছ নেতা হিচাপে খুউব প্ৰখ্যাত নাছিল যদিও এনে পৰিস্থিতিত অসম উপত্যকাৰ কংগ্ৰেছী বিধায়ক সকলে স্বভাৱত গহীন গম্ভীৰ অল্পভাষী গোপীনাথ বৰদলৈদেৱকে দলীয় নেতা হিচাপে নিৰ্বাচন কৰে। ছিলেটৰ বসন্ত কুমাৰ দাসক বুজাবুজিৰ মাজেৰে বিধান সভাৰ অধ্যক্ষ পদ যাছে আৰু ছিলেটৰে ক্ষীৰদ চন্দ্ৰ দে'ক বিধান সভাৰ উপদলপতি পাতে। ফলত গোপীনাথ বৰদলৈদেৱ সৰ্বসম্মতিক্ৰমে কংগ্ৰেছ বিধায়ীনি দলৰ নেতাৰূপে নিৰ্বাচিত হয়।

নিৰ্বাচনত কংগ্ৰেছে সৰ্ববৃহৎ দলৰূপে নিৰ্বাচিত হয় আৰু আনপিনে ছাৰ মহম্মদ ছাদুল্লাৰ নেতৃত্বত একগোট হোৱা নিৰ্দলীয় মুচলমান বিধায়ক সকলৰ স্বতন্ত্ৰ দলটো বিধানসভাত দ্বিতীয় বৃহৎ দল হিচাপে পৰিগণিত হ'ল। তৃতীয় বৃহৎ দলৰূপে আছিল আব্দুল মতীন চৌধুৰীৰ নেতৃত্বত ছিলেটৰ মুচলমান বিধায়ক সকলৰ দ্বাৰা গঠিত 'মুছলিম লীগ' দল। আনবোৰ নিৰ্বাচিত দল আছিল ইউৰোপীয়ান চাহ খেতিয়কৰ দল, পাৰ্বত্য আৰু ভৈয়াম জনজাতিৰ দল আৰু সম্মিলিত জনসংঘৰ দল। কংগ্ৰেছ দলৰ বাহিৰে আন প্ৰায় আটাইবোৰ দলৰ সমৰ্থনত ছাৰ ছাদুল্লাৰ নেতৃত্বত মন্ত্ৰীসভা গঠন হ'ল আৰু এই মন্ত্ৰীসভাত তিনিজন মুচলমান আৰু দুজন হিন্দু সম্প্ৰদায়ৰ সদস্যক অন্তৰ্ভুক্ত কৰা হ'ল। মুচলীম লীগে মন্ত্ৰীসভাত যোগ নিদিলে বৰং ছাদুল্লা আৰু আন স্বতন্ত্ৰ মুচলমান বিধায়ক সকলক মুচলিম লীগত যোগ দিয়াৰ বাবেহে প্ৰস্তাৱ দিলে। ছাৰ চৈয়দ মহম্মদ ছাদুল্লা অসমৰ প্ৰধানমন্ত্ৰী হ'ল। ইয়াৰ তিনিমাহৰ পিছতেই অসম বিধান সভাৰ বাজেট অধিবেশন বহে। ছাদুল্লা মন্ত্ৰীসভাই এই অধিবেশনত কেইবাবাৰো ভোটত হাৰে যদিও ভেওঁৰ মন্ত্ৰীসভাই পদত্যাগ কৰা নাছিল।

কিন্তু ১৯৩৮ চনৰ চেপ্তেম্বৰ মাহৰ এখন অধিবেশনত বিৰোধী পক্ষই অনাস্থা প্ৰস্তাৱ দাঙি ধৰাত সেই প্ৰস্তাৱৰ ওপৰত আলোচনা কৰাৰ আগতেই ভোটত পৰাস্ত হ'ব বুলি সন্দেহ কৰি ছাদুল্লা চাহাবে পদত্যাগ কৰে। মাজতে তেওঁৰ মন্ত্ৰীসভা ধৰক বৰক হৈ পৰাত ক্ষমতাত থকাৰ উদ্দেশ্যে মুছলিম লীগ দলতো যোগদান কৰে। ফলত মুছলিম লীগৰ বিধায়ক সকলৰ হেঁচাত ছাদুল্লা চাহাবে পূৰ্ববঙ্গৰ পমুৱা মুছলমান সকলক অসমত বসতিৰ সুবিধা কৰি দিলে। এই কাৰ্য্যই অসমৰ জনগাঁঠনিত সুদূৰ প্ৰসাৰী কুপ্ৰভাৱ পেলালে। ছাদুল্লা মন্ত্ৰীসভাই পদত্যাগ কৰাত গৱৰ্ণৰে কংগ্ৰেছ দলক মন্ত্ৰীসভা গঠন কৰিবৰ বাবে আমন্ত্ৰণ জনায়। ইতিমধ্যে বৃটিছ চৰকাৰে ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি গৱৰ্ণৰ সকলে বিধান সভা আৰু মন্ত্ৰীসভাৰ কাৰ্য্যত বিশেষ হস্তক্ষেপ কৰিব নোৱাৰিব বুলি ঘোষণা কৰাত জাতীয় কংগ্ৰেছ কমিটিয়ে অসমৰ কংগ্ৰেছ দলক কোৱালিশ্যন মন্ত্ৰীসভা গঠন কৰিবৰ বাবে অনুমতি প্ৰদান কৰে। ফলত অসমত কংগ্ৰেছে এখন সংযুক্ত মন্ত্ৰীসভা গঠনৰ বাবে প্ৰস্তুতি চলায়। ইতিমধ্যে বিৰোধী কংগ্ৰেছ দলনেতা গোপীনাথ বৰদলৈদেৱৰ সুযোগ্য নেতৃত্বত কংগ্ৰেছ দলে অকংগ্ৰেছী সদস্য সকলৰ মাজতো যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

কংগ্ৰেছ দলে সংযুক্ত মন্ত্ৰীসভা গঠনৰ প্ৰস্তুতি চলোৱাৰ সময়তে গোপীনাথ বৰদলৈদেৱৰ নেতৃত্বত এচাম বিশিষ্ট কংগ্ৰেছ নেতাই বৰদলৈদেৱৰ ৰাজনৈতিক গুৰু তৰুণৰাম ফুকনক মিলিত জনসংঘৰ পৰা পুনৰ কংগ্ৰেছলৈ ওভোটাই আনি এখন আসনৰ পৰা পিছত নিৰ্বাচিত কৰি অসমৰ প্ৰথম কংগ্ৰেছ প্ৰধানমন্ত্ৰী পতাৰ বাবে চেষ্টা চলাইছিল। গোপীনাথ বৰদলৈ, অমিয়কুমাৰ দাস, সিদ্ধিনাথ শৰ্মা আদি বিশিষ্ট কংগ্ৰেছ নেতাসকলে এই চেষ্টাত আগভাগ ল'লে। কিন্তু দেশভক্ত তৰুণৰাম ফুকনে মান্তি নহ'ল বৰং তেওঁ গোপীনাথ বৰদলৈক প্ৰধানমন্ত্ৰী পতাৰ বাবে ইচ্ছা ব্যক্ত কৰিলে। অৱশেষত কংগ্ৰেছ বিধায়ক সকলে গোপীনাথ বৰদলৈদেৱক প্ৰধানমন্ত্ৰীৰ পদৰ বাবে থিৰ কৰিলে আৰু গৱৰ্ণৰে বৰদলৈদেৱক মন্ত্ৰীসভা গঠনৰ বাবে আমন্ত্ৰণ জনালে।

ইতিমধ্যে কংগ্ৰেছ দলে কেইজনমান অকংগ্ৰেছী বিধায়কক কংগ্ৰেছৰ সদস্য কৰি ল'লে। স্বতন্ত্ৰ সদস্য ৰুকনুদ্দিন আদি আহমেদো

কংগ্ৰেছত ভৰ্ত্তি হ'ল। প্ৰদেশ কংগ্ৰেছ সভাপতি বিষ্ণুৰাম মেধিও ১৯৩৭ চনৰ উপনিৰ্বাচনত হাজো সমষ্টিৰ পৰা নিৰ্বাচিত হৈ অহাৰ পিছত কংগ্ৰেছৰ শক্তি ক্ৰমাত বৃদ্ধি পালে। ছাৰ ছাদুল্লাৰ কুশাসনত অসন্তুষ্ট কেইজনমান মুচলিম লীগৰ সদস্যইও কংগ্ৰেছলৈ সমৰ্থন আগবঢ়ালে। গোপীনাথ বৰদলৈদেৱৰ নেতৃত্বত এচেমব্লি হ'লত ১৯৩৮ চনৰ ২১ চেপ্তেম্বৰত সংযুক্ত কংগ্ৰেছ মন্ত্ৰীসভাই শপত গ্ৰহণ কৰিলে। সকলো সম্প্ৰদায়ৰে উপযুক্ত প্ৰতিনিধিত্ব পাব পৰাকৈ বৰদলৈ মন্ত্ৰীসভাত প্ৰথমতে পাঁচজনীয়া মন্ত্ৰীসভাই শপত লয়। তেওঁলোক হ'ল-- গোপীনাথ বৰদলৈ, কামিনীকুমাৰ সেন, ৰূপনাথ ব্ৰহ্মা, অক্ষয়কুমাৰ দাস আৰু ৰামনাথ দাস। ইয়াৰ পিছত ২০ অক্টোবৰত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটাই ফকৰুদ্দিন আলি আহমেদ, মাহমুদ আলি আৰু আলি হাইদৰ খানক অন্তৰ্ভূক্ত কৰি মন্ত্ৰীসভাখন আঠজনীয়া কৰিলে। এনেদৰে বৰদলৈ মন্ত্ৰীসভাই শপত লৈ মন্ত্ৰীসভা গঠন কৰে যদিও সংযুক্ত কংগ্ৰেছ মন্ত্ৰীসভাই সংখ্যা গৰিষ্ঠ দল হ'বলৈ দুজন সদস্যৰ নাটনি হৈছিল। ফলত ছাদুল্লা চাহাবে অইন বিৰোধী সদস্য সকলৰ লগ হৈ অনাস্থা প্ৰস্তাৱ আনিলে। কিন্তু জাতীয় কংগ্ৰেছৰ সভাপতি সুভাষ চন্দ্ৰ বসুৰ কৌশলগত পৰামৰ্শ অনুসৰি অধ্যক্ষ বসন্ত কুমাৰ দাসে অনাস্থা প্ৰস্তাৱৰ বাবে অনুমতি নিদি এনেদৰে কলে- ---- *"যিহেতু নতুন মন্ত্ৰীসভাই শপত গ্ৰহণ কৰিছেহে, তালৈকে কাৰ্য্যভাৰ লোৱাই নাই -- এনে ক্ষেত্ৰত অনাস্থা প্ৰস্তাৱ আহিব নোৱাৰে--- বিধান সভা অনিদৃষ্ট কাললৈ স্থগিত কৰা হ'ল।"* ফলত বিধান সভা স্থগিত হ'ল আৰু বৰদলৈৰ নতুন মন্ত্ৰীসভাখনেও ৰক্ষা পৰিলে। বৰদলৈদেৱৰ এই মন্ত্ৰীসভাখন প্ৰায় ১৪ মাহ মান টিকিছিল। এই কম সময়চোৱাৰ ভিতৰতেই বৰদলৈদেৱে নিজৰ অসাধাৰণ ব্যক্তিত্ব আৰু ৰাজনৈতিক বিচক্ষণতাৰে সংযুক্ত মন্ত্ৰীসভাৰ নেতৃত্ব আৰু দায়িত্ব সুচাৰুৰূপে পৰিচালনা কৰি দল-সম্প্ৰদায় নিৰ্বিশেষে সকলো শ্ৰেণীৰ মাজত কৃতিত্ব লভিবলৈ সক্ষম হৈছিল। এই কম সময়চোৱাৰ ভিতৰতেই বৰদলৈ মন্ত্ৰীসভাই কাণি নিবাৰণী আইন প্ৰৱৰ্তন কৰা, মাটিৰ খাজনা ৰেহাই দিয়া, পমুৱা মুচলমান লোকক যথে মথে মাটিৰ পট্টা দিয়া কাৰ্য্যৰ সীমিত কৰা আদি বহুতো জনহিতকৰ কাম কৰি অসমৰ লগতে সৰ্বভাৰতীয় লোকৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

কিন্তু হঠাতে ১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হ'ল। জাৰ্মানী, ইটালী আৰু জাপানৰ সন্মিলীত শক্তিয়ে বৃটিছ শক্তিৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হ'ল। ভাৰতৰ পৰাই বৃটিছ শক্তিয়ে জাপানৰ বিৰুদ্ধে যুঁজ দিব লগা হ'ল। ভাৰতৰ মতামত নোলোৱাকৈ বৰলাটে ভাৰতবৰ্ষও এই মহাসমৰত জড়িত বুলি ঘোষণা কৰাত নিখিল ভাৰত কংগ্ৰেছে ইয়াৰ প্ৰতিবাদকল্পে কংগ্ৰেছী মন্ত্ৰীসভাবিলাকক পদত্যাগ কৰিবলৈ নিৰ্দ্দেশ দিলে। যুদ্ধত বৃটিছ চৰকাৰে ভাৰতবাসীৰ সহায় বিচাৰিলে যদিও মহাত্মা গান্ধীৰ নেতৃত্বত ইয়াৰ বিনিময়ত ভাৰতবৰ্ষৰ স্বাধীনতা দাবী কৰিলে। কিন্তু বৃটিছ চৰকাৰে যুদ্ধৰ পিছতহে স্বাধীনতাৰ বিষয়টো বিবেচনা কৰা হ'ব বুলি ঘোষণা কৰাত কংগ্ৰেছ দলেও যুদ্ধত বৃটিছৰ লগত সহযোগিতা নকৰাৰ সিদ্ধান্ত ল'লে। ফলত জাতীয় কংগ্ৰেছৰ নিৰ্দেশ মৰ্মে অসমতো গোপীনাথ বৰদলৈদেৱে ১৯৩৯ চনৰ ১৫ নৱেম্বৰ তাৰিখে সংযুক্ত মন্ত্ৰীসভাৰ হৈ পদত্যাগ কৰে। বৰদলৈদেৱে পদত্যাগ কৰাৰ পিছত ছাদুল্লা চাহাবে বৃটিছ চৰকাৰক যুদ্ধত সকলো প্ৰকাৰে সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াত গভৰ্ণৰে ছাৰ ছাদুল্লাক মন্ত্ৰীসভা গঠনৰ বাবে আমন্ত্ৰণ জনায় আৰু তেখেতে দহ জনীয়া মন্ত্ৰীসভাৰে চৰকাৰ গঠন কৰে। ১৯৪০ চনৰ ডিচেম্বৰ মাহৰ পৰা গান্ধীজীৰ নিৰ্দেশত ভাৰতবৰ্ষৰ ঠায়ে ঠায়ে ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন আৰম্ভ হয়। গান্ধীজীৰ মনোনীত ব্যক্তি হিচাপে আচাৰ্য্য বিনোবাভাৱেই ভাৰতৰ প্ৰথম ব্যক্তিগত সত্যাগ্ৰহী আছিল। গোপীনাথ বৰদলৈ আছিল গান্ধীজীৰ মনোনীত অসমৰ প্ৰথমজনা সত্যাগ্ৰহী। গান্ধীজীৰ এই সত্যাগ্ৰহৰ কৌশলমতে পুলিচক আগতীয়াকৈ জাননী দি দুটা ধ্বনি উচ্চাৰণ কৰিব লাগে,সেয়া হ'ল— বৃটিছক যুদ্ধত ধন জন দি সহায় কৰিব নালাগে আৰু সকলো হিংসাত্মক যুদ্ধকে অহিংস আৰু শান্তিপূৰ্ণভাৱে বাধা দিব লাগে। গান্ধীজীৰ নিৰ্দেশ মৰ্মে গোপীনাথ বৰদলৈদেৱে ১৯৪০ চনৰ দহ ডিচেম্বৰৰ দিনাখন গুৱাহাটীৰ কটন কলেজৰ সন্মুখত অগণন জনতাৰ উপস্থিতিত সত্যাগ্ৰহ কৰি পুলিচৰ হাতত গ্ৰেপ্তাৰ হয় আৰু যোৰহাট জেললৈ এবছৰৰ বাবে কাৰাদণ্ডৰ বাবে প্ৰেৰণ কৰে। পিচে জেলত কেইমাহমান থকাৰ পিছতেই চকুৰ অসুখ আৰু উচ্চ ৰক্তচাপ বেমাৰৰ বাবে বৰদলৈদেৱক জেলৰ পৰা মুক্তি দি গৃহবন্দীৰ নিচিনাকৈ ৰাখে। ১৯৪১ চনৰ ডিচেম্বৰ মাহত চৰকাৰে সকলো সত্যাগ্ৰহীকে মুক্তি দি কংগ্ৰেছৰ লগত এটা বুজাপৰাত আহিবলৈ

চেষ্টা চলায় আৰু আলোচনাৰ বাবে বৃটিছ চৰকাৰে ১৯৪২ চনত বৃটিছ সাংসদৰ নেতা ছাৰ ষ্টাফোৰ্ড ক্রিপ্‌ছক ভাৰতলৈ পঠায়। ক্রিপ্‌ছয়ে ভাৰতবৰ্ষৰ এখন নতুন সংবিধান ৰচনা কৰিবলৈ বিভিন্ন প্ৰদেশৰ নিৰ্বাচিত সদস্যসকলৰ প্রতিনিধিক লৈ এখন গণ পৰিষদ গঠণ কৰাৰ প্ৰস্তাৱ দিয়ে। গান্ধীজীৰ নেতৃত্বত কংগ্রেছ দলে এই প্ৰস্তাৱত মান্তি নহ'ল আৰু বৃটিছ চৰকাৰে যুদ্ধৰ আগেয়েই এখন অন্তৰ্বৰ্ত্তী চৰকাৰৰ হাতলৈ ক্ষমতাৰ হস্তান্তৰ কৰাৰ সপক্ষে কংগ্রেছে মত দিলে। বৃটিছ চৰকাৰে এই মতত মান্তি নহ'ল, ফলত ১৯৪২ চনৰ আঠ আগষ্ট তাৰিখে বহা নিখিল ভাৰত কংগ্রেছ কমিটিৰ অধিবেশনত 'ভাৰত ত্যাগ' আন্দোলনৰ প্ৰস্তাৱ গৃহিত হয়। এই ঐতিহাসিক কংগ্রেছ অধিবেশনত অসমৰ পৰা গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্মাদেৱে যোগদান কৰিছিল। 'ভাৰত ত্যাগ' প্ৰস্তাৱ গৃহিত হোৱাৰ পিছদিনাখনেই বৃটিছ চৰকাৰে মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, চৰ্দাৰ বল্লভভাই পেটেল, মৌলানা আবুল কালাম আজাদ আদি প্ৰখ্যাত কংগ্রেছ নেতা সকলক গ্ৰেপ্তাৰ কৰি জেললৈ পঠালে। গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্মাক অসমলৈ উভতি আহোঁতে ধুবুৰীত গ্ৰেপ্তাৰ বৰণ কৰে আৰু বৰদলৈদেৱক পুনৰ যোৰহাট জেললৈ প্ৰেৰণ কৰে। কিন্তু ১৯৪৪ চনৰ ২৬ আগষ্টত স্বাস্থ্যজনীত কাৰণত বৰদলৈদেৱক চৰকাৰে মুক্তি দিয়ে।

ইপিনে ছাদুল্লা মন্ত্রীসভাই পমুৱা মুচলমান লোক সকলক অসমলৈ অহাৰ পথ সুগম কৰি দিয়াৰ উপৰিও নানা ধৰণে সাম্প্রদায়িক কাৰ্য্যত লিপ্ত হৈ পৰিছিল। জেলৰ পৰা মুক্তি পোৱাৰ পিছত বৰদলৈদেৱে 'কংগ্রেছ' আৰু 'মিলিত জনসংঘ'ৰ বিধায়ক সকলৰ লগ লাগি ছাদুল্লা চৰকাৰৰ এনে কাৰ্য্যৰ বিৰোধ কৰিবলৈ ধৰিলে। ফলত ছাদুল্লা চাহাবে গাদী ৰক্ষাৰ স্বাৰ্থত পমুৱা সংস্থাপন নীতিৰ সংশোধন ঘটাই বৰদলৈৰ লগত আলোচনাৰ বাবে প্ৰস্তাৱ আগবঢ়ায়। বৰদলৈদেৱে এই ক্ষেত্ৰত নিজে কোনো সিদ্ধান্ত নলৈ গান্ধীজীৰ পৰামৰ্শ বিচাৰি দূত পঠিয়ায়। গান্ধীজীয়ে উত্তৰত লিখিছিল--- *'My dear Bardoloi, I have your letter and sought advice about the Assam situation. I cannot advice. You are a leader and act like a leader.'* পিছত বৰদলৈদেৱে ছাদুল্লা চাহাবৰ লগত আলোচনাত বহি চৰ্ত হিচাপে মিলিত জনসংঘৰ

নেতা ৰোহিনী কুমাৰ চৌধুৰীক ৰাজহ মন্ত্ৰী হিচাপে নিযুক্তি দি থলুৱা স্বাৰ্থ ৰক্ষাৰ্থে পমুৱা সংস্থাপন নীতি সংশোধনৰ সিদ্ধান্ত, ৰাজনৈতিক বন্দিক মুক্তি, সভা-সমিতিৰ ওপৰত নিষেধাজ্ঞা প্ৰত্যাহাৰ ইত্যাদি বিভিন্ন বিষয়ে সিদ্ধান্ত লৈ বুজাপৰালৈ আহে।

১৯৪৫-৪৬ চনত ভাৰত চৰকাৰে সাধাৰণ নিৰ্বাচন ঘোষণা কৰে। এইবাৰ নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে চেপ্তেম্বৰ মাহত বহা অধিবেশনত আগন্তুক নিৰ্বাচনত নামিবলৈ সিদ্ধান্ত লয়। অসমতো কংগ্ৰেছে অধিক সংখ্যক আসনত প্ৰাৰ্থী দি নিৰ্বাচন যুঁজত নামে। ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত এই নিৰ্বাচনত গোপীনাথ বৰদলৈদেৱৰ নেতৃত্বত কংগ্ৰেছ দলে অসমত ১০৮ খন বিধানসভাৰ আসনৰ বিপৰীতে ৬১ খন আসন দখল কৰি সংখ্যাগৰিষ্ঠ দল হিচাপে পৰিগণিত হয় আৰু নিজস্বভাৱে অসমত কংগ্ৰেছী মন্ত্ৰীসভা গঠন কৰে। নিৰ্বাচনৰ এই অভূতপূৰ্ব ফলাফলৰ পিছতেই সৰ্বভাৰতীয় নেতাসকলৰ মনত গোপীনাথ বৰদলৈদেৱক এক অপ্ৰতিদ্বন্দ্বী, অবিসম্বাদী নেতাৰূপে ধাৰণা দিলে।

ইতিমধ্যে দ্বিতীয় মহাযুদ্ধৰ অৱসান ঘটিল আৰু বৃটেইনত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত চাৰ উইনষ্টন চাৰ্চিলৰ 'কনজাৰভেটিভ পাৰ্টিৰ' পৰাজয় ঘটিল আৰু ক্লীমেণ্ট এট্‌লিৰ লেবাৰ পাৰ্টিৰ জয় হ'ল। নতুন প্ৰধানমন্ত্ৰী এট্‌লীয়ে ভাৰতৰ স্বাধীনতাৰ সমস্যাটোৰ সমাধানকল্পে এটা সূত্ৰ উদ্ভাৱন কৰি ১৯৪৬ চনৰ ১৬ মে'ত 'কেবিনেট মিচন' প্ৰস্তাৱ ঘোষণা কৰিলে। এই আয়োগৰ সদস্যসকল হ'ল ক্ৰমে ভাৰতৰ সচিব পেথিক লৰেন্স, এইচ ভি আলেকজেণ্ডাৰ আৰু চাৰ ষ্টাফোৰ্ড ক্ৰিপ্‌ছ। কেবিনেট আয়োগৰ সূত্ৰমতে ভাৰতবৰ্ষক তিনিটা শাখাত বিভক্ত কৰাৰ পৰিকল্পনা আছিল। এই আয়োগত থকা গ্ৰুপিং আঁচনিৰ ব্যৱহাৰ ফলত অসমত পৰিব পৰা সৰ্বনাশীয়া প্ৰভাৱৰ বিষয়ে দূৰদৰ্শী বৰদলৈদেৱে বুজিব পাৰিলে আৰু এই বিপৰ্য্যয়ৰ পৰা অসমক ৰক্ষা কৰিবৰ বাবে বৰদলৈদেৱে একক ভাৱে যি প্ৰচেষ্টা চলাইছিল তাৰ বাবে চিৰদিনলৈ তেওঁক অসমবাসীৰ বাবে নমস্য হৈ থাকিব।

কেবিনেট আয়োগৰ মূল কথাকেইটা আছিল—

ক। ভাৰতবৰ্ষৰ প্ৰতিখন প্ৰাদেশিক বিধান সভাবিলাকে ইয়াৰ মুঠ সদস্য

সংখ্যাৰ এক দশমাংশে নিৰ্বাচিত সদস্যাৰে ভাৰতীয় গণ পৰিষদ গঠন হ'ব আৰু বিধানসভা সমূহৰ মুচলমান আৰু অমুচলমান সদস্যসকলে তেওঁলোকৰ নিজ নিজ সদস্য সংখ্যাৰ উক্ত অনুপাতে বেলেগে তেওঁলোকৰ প্ৰতিনিধি বাচিব।

খ। প্ৰদেশ সমূহৰ পৰা এইদৰে নিৰ্বাচিত হোৱা গণ পৰিষদৰ সদস্যসকলে গণ পৰিষদৰ প্ৰাথমিক অধিবেশনত সমবেত হৈ তিনিখন শাখা পৰিষদত বিভক্ত হ'ব। 'ক' গ্ৰুপত থাকিব মাদ্ৰাজ, বোম্বাই, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, বিহাৰ, উৰিষ্যা। 'খ' গ্ৰুপত থাকিব সিন্ধু প্ৰদেশ, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, বেলুচিস্থান আৰু পাঞ্জাব। 'গ' গ্ৰুপত থাকিব অসম আৰু বঙ্গপ্ৰদেশ।

গ। শাখা পৰিষদ বিলাকে নিজ নিজ শাখাৰ অন্তৰ্ভূক্ত প্ৰদেশ বিলাকৰ আৰু তেওঁলোকে এখন গ্ৰুপৰাজ্য কৰিবলৈ হ'লে সেই গ্ৰুপ ৰাজ্যৰ সংবিধান ৰচনা কৰিব।

ঘ। এনে গ্ৰুপৰাজ্যৰ অন্তৰ্ভূক্ত কোনো প্ৰদেশে ইচ্ছা কৰিলে পিছত সেই গ্ৰুপৰাজ্যৰ পৰা ওলাই গৈ আন কোনো এখন গ্ৰুপ ৰাজ্যৰ অন্তৰ্ভূক্ত হ'ব পাৰিব।

ঙ। গণ পৰিষদৰ সকলো সদস্যই লগ লাগি পিছত ভাৰত যুক্তৰাষ্ট্ৰৰ সংবিধান ৰচনা কৰিব।

আৰোগৰ এই সূত্ৰমতে অসম বঙ্গদেশৰ লগত যুক্ত হৈ থাকিব। সেই সময়ৰ অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈদেৱে বেলেগে দিল্লীগৈ থকা অৱস্থাত বৃটিছ চৰকাৰৰ এই গ্ৰুপিং আঁচনিৰ কথা জানিব পাৰিলে। এই আঁচনি জিন্নাৰ বৃহৎ পাকিস্তান গঠন আঁচনিৰ যে অন্য এক ৰূপ আৰু ইয়াৰ জৰিয়তে অসমক সংখ্যাগৰিষ্ঠ মুছলমান পৰিষদৰ নিয়ন্ত্ৰণত ৰখাৰ এক গভীৰ চক্ৰান্ত— তাক দূৰদৰ্শি বৰদলৈদেৱে অনুভৱ কৰিব পাৰিলে। ইয়াৰ ফলত নিশ্চিতভাৱে অসমৰ খণ্ডুৱা প্ৰতিনিধি সংখ্যালঘু হৈ পৰিব আৰু সদায় সংখ্যাগৰিষ্ঠ সকলৰ মতামতৰ ওপৰত নিৰ্ভৰ কৰি চলিব লাগিব। ফলত অসমে নিজৰ স্বকীয় অস্তিত্ব চিৰদিনৰ বাবে হেৰুৱাব। গোপীনাথ বৰদলৈদেৱে দিল্লিত গৈয়েই কংগ্ৰেছ ৱৰ্কিং কমিটিৰ মুল সদস্য জবাহৰলাল নেহৰু, চৰ্দাৰ বল্লভভাই পেটেল,

মৌলানা আবুল কালাম আজাদ আদি নেতা সকলক লগ ধৰি গ্ৰুপিং আঁচনিৰ ৰূপায়ন হ'লে যে অসম চৰম ক্ষতিৰ সন্মুখীন হ'ব তাক যুক্তিসহকাৰে বিশ্লেষণ ডাঙি ধৰিলে। কিন্তু কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে ইতিমধ্যে কেবিনেট আয়োগৰ প্ৰস্তাৱ মানি লবলৈ সাজু হৈছিল। ফলত বৰদলৈদেৱৰ কথা গুৰুত্বহীন হৈ পৰিল। অসমক এই বিপৰ্য্যয়ৰ পৰা ৰক্ষা কৰিবৰ বাবে বৰদলৈদেৱে অনতিপলমে অসমলৈ গুছি আহি অসমৰ কংগ্ৰেছ নেতাসকলৰ লগত আলোচনা কৰি এখন বিশেষ অধিবেশন আহ্বান কৰিলে। অধিবেশনত এই গ্ৰুপিং ব্যৱস্থাৰ বিৰুদ্ধে আন্দোলন চলাবলৈ সিদ্ধান্ত লয় আৰু কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্যসকলক এই বুলি জনায় যে অসমে কোনো পধ্যে 'গ' শাখাত অন্তৰ্ভূক্ত নহয়, আন প্ৰদেশৰ দৰে অসমেও নিজৰ শাসন পদ্ধতি নিজেহে ৰচনা কৰিব আৰু এই গ্ৰুপিং ব্যৱস্থাত তেওঁলোকক সম্মতি নজনাবলৈ টানি অনুৰোধ জনায়। অসম কংগ্ৰেছৰ এই সিদ্ধান্তৰ বিষয়ে বৰদলৈদেৱে কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্যসকলক জনোৱাত তেওঁলোকে এই বিষয়ে বিধানসভাৰ পৰা এটা প্ৰস্তাৱ গৃহিত হৈ অহাটো ভাল বুলি বৰদলৈদেৱক পৰামৰ্শ দিলে। বৰদলৈদেৱৰ তৎপৰতাত ১৯৪৬ চনৰ ১৬ জুলাই তাৰিখে অসম বিধান সভাত এটি প্ৰস্তাৱ উত্থাপন কৰা হ'ল আৰু এই প্ৰস্তাৱ মৰ্মে অসমৰ পৰা নিৰ্বাচিত দহজন প্ৰতিনিধিক তলৰ বিধানকেইটা মানি চলিবলৈ নিৰ্দেশ দিয়ে—

১ম ঃ এই সদস্যকেইজন একেলগে বহি অসমৰ বাবে সংবিধান ৰচনা কৰিব।

২য় ঃ এই প্ৰতিনিধি সকলে আন কোনো প্ৰদেশৰ প্ৰতিনিধিৰ সৈতে কোনো গ্ৰুপ বা প্ৰদেশৰ সংবিধান ৰচনা কৰিব নোৱাৰিব।

৩য় ঃ এই প্ৰতিনিধি সকলে পৰ পৰিবৰ্দ্দৰ যোগে কেন্দ্ৰীয় শাসন পদ্ধতি ৰচনা কৰাত সদায় সহযোগিতা কৰিব।

এনেদৰে বিধানসভাত প্ৰস্তাৱ উত্থাপন কৰি সদনৰ নেতা বৰদলৈদেৱে ৰাজনৈতিক বিচক্ষণতাৰে এক যুক্তিপূৰ্ণ ভাষণ দাঙি ধৰি এনেদৰে কয়—"*অধ্যক্ষ ডাঙৰীয়া, মই প্ৰস্তাৱটো আপোনাক কহিয়াই দেখুৱাওঁ। দকৈ পমি চালে দেখিব যে এই প্ৰস্তাৱটোত মাথো দুটা মাহ*

*কথা লুকাই আছে। প্ৰথমটো হৈছে যে এখন প্ৰদেশে নিজৰ শাসন পদ্ধতি ৰচনা কৰাত ক্ষমতা আছে। অৰ্থাৎ প্ৰদেশৰ প্ৰতিনিধি সকলৰ শাসন পদ্ধতি ৰচনা কৰিবৰ অধিকাৰ আছে। দ্বিতীয়তে আন প্ৰদেশৰ লগত এই প্ৰদেশৰ সম্বন্ধ থকা বিষয়বিলাকত মন্ত্ৰী মিচনৰ ঘোষণামতে আন প্ৰদেশৰ লগত জোটাশালি মাৰোঁতে আমাৰ প্ৰদেশৰ শাসন পদ্ধতিত আনৰ অধিক ভোটৰ তলতীয়া হ'ব নালাগে অৰ্থাৎ জোটাশালি মৰা অৱস্থাৰ পৰা আমি আঁতৰত থাকিম। মোৰ প্ৰস্তাৱত এই দুটাই ঘাই কথা। ব্যক্তিগতভাৱে মই ভাবো, এনে ধৰণৰ প্ৰস্তাৱত কোনো পক্ষৰ পৰা বিৰোধীতা হ'ব নেপায় বা হোৱা উচিত নহয়। .....*" বিৰোধী দলপতি মুছলিম লীগৰ ছাৰ ছাদুল্লা চাহাবে প্ৰস্তাৱটোৰ বিৰোধিতা কৰি কয় যে যুক্তি দাঙি ধৰি এনে প্ৰস্তাৱ অনাটো বিধি বহিৰ্ভূত হৈছে কিয়নো মন্ত্ৰী মিচনৰ কথামতে আমাক গণপৰিষদলৈ সভ্য নিৰ্বাচন কৰিব দিছে। আমি তাকেহে কৰিব লাগে। আমি সেই সভ্য সকলক নিৰ্দেশ দিবৰ কোন? আৰু সেই নিৰ্দেশ খাটিব কিয়? ছাদুল্লাৰ মতে উন্নত বঙ্গদেশৰ লগত থাকিলে অসমৰো উন্নতি অনিবাৰ্য্য। অৱশ্যে তেখেতে কৌশলগতভাৱে জনায় যে--- 'আমি এই বিষয়ত কোনো হস্তক্ষেপ নকৰো। নিৰ্বাচন আৰু প্ৰস্তাৱৰ দুয়োটাতে নিৰপেক্ষ থাকিম।' ফলত বিনা প্ৰতিবাদে বৰদলৈদেৱৰ প্ৰস্তাৱ সৰ্বসম্মতিভাৱে গৃহিত হয়। ভোট দিয়াৰ সময়ত মুছলিম লীগৰ সদস্যসকল নিৰপেক্ষ থাকিল আৰু ইউৰোপীয় সদস্যৰ দলটোও ভোটৰ পৰা আঁতৰি থাকিল। বিধানসভাৰ গৃহিত প্ৰস্তাৱ গৈ জাতীয় কংগ্ৰেছৰ নতুন সভাপতি পণ্ডিত নেহৰুৰ হাতত পৰিল যদিও নেহৰুৱে প্ৰস্তাৱটোৰ সপক্ষে যোগাত্মক দৃষ্টিভঙ্গী নেদেখুওৱাত বাৰ ডিচেম্বৰত বৰদলৈদেৱৰ পত্ৰবাহক মহেন্দ্ৰ মোহন চৌধুৰী আৰু বিজয় চন্দ্ৰ ভাগবতীয়ে এই সক্ৰান্তত শ্ৰীৰামপুৰলৈ গৈ মহাত্মা গান্ধীক লগ ধৰে। গান্ধীজীয়ে অসম বিধানসভাত গৃহিত প্ৰস্তাৱৰ সমৰ্থন কৰে আৰু অসমে প্ৰতিবাদ দাখিল কৰি গণ পৰিষদ ত্যাগ কৰি ওলাই অহাত সম্মতি জনায়। গান্ধীজীয়ে এনেদৰে কৈছিল--- "............ *গোটেই পৃথিৱীৰ বিৰুদ্ধেও আপোনালোকে থিয় দিব লাগিব। কওঁবা মই কম, অসমত মানুহ জাতি আছে কিন্তু মানুহ নাই। বঙ্গদেশে অসমত আধিপত্য কৰিব, এইটো অসহনীয় কথা।*" অৱশেষত বৃটিছ কেবিনেট মিশনৰ গ্ৰুপিং আঁচনি কাৰ্য্যকৰী নহ'ল। কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে গ্ৰুপিং প্ৰস্তাৱটো

অগ্ৰাহ্য কৰিলে। অসমে গ্ৰুপিংৰ গ্ৰাসৰ পৰা ৰক্ষা পৰিল, ফলত দেশ বিভাজন ঘটিল। ভাৰত দ্বিখণ্ডিত হ'ল— হিন্দুস্তান আৰু পাকিস্তান নামেৰে। বৰদলৈদেৱৰ বিশেষ ব্যক্তিগত প্ৰচেষ্টাত অসমে কেবিনেট আয়োগৰ গ্ৰুপিং আঁচনিৰ বিৰোধিতা নকৰা হ'লে অসম 'গ' শাখাৰ ৰাজ্য হিচাপে পূৰ্ব পাকিস্তানৰ অন্তৰ্ভূক্ত হ'লহেতেন। মহাত্মা গান্ধীৰ নৈতিক সমৰ্থন আৰু আশীৰ্বাদ শিৰত লৈ গোপীনাথ বৰদলৈদেৱে সমগ্ৰ কংগ্ৰেছ নেতৃবৃন্দৰ মতৰ বিৰুদ্ধে গৈ গ্ৰুপিং আঁচনিক অকাৰ্য্য কৰি এক অসাধ্য সাধন কৰি যি বিচক্ষণ নেতৃত্ব, নিৰ্ভিকতা আৰু দূৰদৰ্শিতাৰ পৰিচয় দিলে সি অতুলনীয়। তেখেতৰ চেষ্টাতেই অসমৰ পাৰ্বত্য জিলাকেইখন স্বায়ত্ব শাসিত জিলাৰূপে সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভূক্ত হয়। ফলত অসমৰ ভিতৰত থাকিয়ো এই জিলাকেইখনে তেওঁলোকৰ সুকীয়া ভাষা-সংস্কৃতি জীয়াই ৰাখিবলৈ সক্ষম হৈছিল। পৰ্বতীয়া জনজাতি সকলৰ প্ৰতি তেওঁ যথেষ্ট সংবেদনশীল আৰু সহানুভূতিশীল আছিল বাবে তেওঁলোকৰ মাজত বৰদলৈদেৱ বিশেষভাৱে জনপ্ৰিয় আছিল।

লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱ ৰাজনীতত সিংহপুৰুষ ৰূপে যেনেদৰে স্বীকৃতি পাইছিল তেনেদৰে খেলাধূলাৰ প্ৰতিও তেখেতৰ সমানে ৰাপ আছিল। ফুটবল, ক্ৰিকেট, টেনিছ, বেডমিণ্টন, ভলীবল আদি বিভিন্ন খেলত তেওঁ সুনিপুন খেলুৱৈ আছিল। প্ৰধানমন্ত্ৰী হৈ থকা কালতো তেখেতে ৰাতিপুৱাৰ ৰাতৰি কাকতখন মেলি প্ৰথমতে খেল-ধেমালিৰ পৃষ্ঠাটোতহে চকু পেলাইছিল। বৰদলৈদেৱৰ সোঁৱৰণত গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত 'বৰদলৈ ট্ৰফী' ফুটবল প্ৰতিযোগিতা প্ৰতিবছৰে অনুষ্ঠিত হয় আৰু ইয়াত দেশ-বিদেশৰ নামী দলে যোগদান কৰে। ৰাজনৈতিক ব্যস্ততাৰ মাজেৰেও বৰদলৈদেৱে পুথি অধ্যয়ন আৰু লিখা মেলাৰ প্ৰতিও সমানে উৎসাহ দেখুৱাইছিল। যোৰহাট জেলত ১৯৪১ চন আৰু ১৯৪২ চনৰ পৰা মুক্তি নোহোৱালৈকে থাকোঁতে তেখেতে কেইখনমান জীৱনীগ্ৰন্থ ৰচনা কৰিছিল। তাৰ ভিতৰত 'শ্ৰীৰামচন্দ্ৰ', 'বুদ্ধদেৱ', 'হজৰত মহম্মদ' প্ৰধান। 'মহাত্মা গান্ধী', 'অনাসক্তি যোগ', 'খ্ৰীষ্টধৰ্ম', 'ভকতসকলৰ বাখ্যা', আদিয়ো তেখেতৰ উল্লেখযোগ্য গ্ৰন্থ আছিল। সুলেখক বৰদলৈদেৱৰ বিভিন্ন প্ৰবন্ধপাতিত মৌলিক বিচাৰ প্ৰত্যক্ষ হৈছিল।

অসমত এটি স্বতন্ত্র বিশ্ববিদ্যালয় স্থাপনৰ বাবে বৰদলৈদেৱে অগ্ৰণী ভূমিকা লৈছিল। এই মহৎ উদ্দেশ্যৰ বাবে তেখেতে উদীয়মান ডেকাবোৰক লগত লৈ অসমৰ ইমুৰৰ পৰা সিমুৰলৈ বিশ্ববিদ্যালয় স্থাপনৰ বাবে ধন সংগ্ৰহ কৰি ফুৰিছিল। বৰদলৈদেৱৰ মতে বিশ্ববিদ্যালয়খন হ'ব লাগিব চহৰৰ কোলাহ'লৰ পৰা আঁতৰত, ইয়াৰ পৰিবেশ হ'ব লাগিব শান্ত, স্নিগ্ধ আৰু নিৰ্জন। এনেকুৱা এটা ধাৰণা লৈয়েই তেওঁলোকে গুৱাহাটী বিশ্ববিদ্যলয় স্থাপন কৰিছিল। তেখেতৰ দিনতেই অসমত উচ্চ ন্যায়ালয়, অসম মেডিকেল কলেজ, অসম পশু চিকিৎসা মহাবিদ্যালয় আদি উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহ স্থাপন হৈছিল।

এইজনা সহজ, সৰল, অল্পভাষী, গান্ধীবাদী নেতা লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে ১৯৫০ চনৰ ৫ আগষ্টৰ দিনাখন গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্যমন্দিৰত মঞ্চস্থ 'প্ৰতিবাদ' নামৰ নাটকখন চাই ঘৰলৈ ঘুৰি অহাৰ পিছত হঠাতে বুকুৰ বিষ উঠি নিশা মৃত্যুবৰণ কৰে। বৰবলৈদেৱৰ মৃত্যুত ভাৰতৰ ৰাষ্ট্ৰপতি ডঃ ৰাজেন্দ্ৰ প্ৰসাদে এটি শোকবাৰ্তাত কৈছিল------- *'তেওঁৰ মৃত্যুয়ে অসম আৰু ভাৰতৰ ৰাজহুৱা জীৱনত সহজে পুৰাব নোৱাৰা এখন শূণ্য ঠাই ৰাখি গ'ল।'* প্ৰধানমন্ত্ৰী হৈও অনাড়ম্বৰ জীৱন যাপন কৰি জনতাৰ সমস্যাক নিজৰ সমস্যা যেন অনুভৱ কৰা এই মহান নেতা গৰাকীক দুহেজাৰ চনত ভাৰত চৰকাৰে মৰনোত্তৰভাবে চৰকাৰী সৰ্বোচ্চ সন্মান 'ভাৰত ৰত্ন' উপাধীৰে বিভূষিত কৰে।

❖❖❖

<u>সহায়ক গ্ৰন্থপঞ্জীৰ তালিকা</u>

১। 'গোপীনাথ বৰদলৈ---- অসম প্ৰকাশন পৰিষদ।

২। 'লোকপ্ৰিয় গোপীনাথ বৰদলৈ----- ব্যক্তিত্ব আৰু নেতৃত্ব'

----- শূল শৰ্মা, অসম প্ৰদেশ কংগ্ৰেছ কমিটি (১৯৯২)

৩। 'গৰীয়সী' (জানুৱাৰী ২০০০)

৪। 'পূৰ্বাচল' (ফেব্ৰুৱাৰী ১৯৯৯) লোকপ্ৰিয় সংখ্যা।

৫। 'দৈনিক অগ্ৰদূত' (আগষ্ট ৫, ২০০১) লোকপ্ৰিয়ৰ মৃত্যু বাৰ্ষিক উপলক্ষে।

❀❀❀

*"ভাত সুন্দৰ যে ফুলাৰ মন্ত্ৰ, অহোৰাত্ৰি মাতে, লৈয়েছে আজি ইমান ফুল, প্ৰভাতে প্ৰভাতে"* ---- জ্যোতি প্ৰসাদ আগৰৱালা।

# ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

*"ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে —এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ"* ---- এই মন্ত্ৰকেই সৰোগত কৰি জীৱন যুঁজত আগবাঢ়ি যোৱা, অসমীয়া ভাষাক উজ্জ্বল-সুজ্জ্বল কহিনুৰ পিন্ধাই জগত সভালৈ লৈ যাব বিচৰা, প্ৰগতিশীল দৃষ্টিভঙ্গী-উচ্চ চিন্তাধাৰা আৰু অভিনৱ সৃষ্টিশীলতাৰে নতুনত্বৰ সন্ধান দিয়া সাহিত্য সংস্কৃতিৰ সাধক জ্যোতিপ্ৰসাদ আগৰৱালাদেৱ আছিল একাধাৰে গীতিকাৰ, কবি, চিন্তানায়ক আৰু অসমৰ কথাছবি শিল্পৰ যুগসৃষ্টি কৰা কলাকাৰ। আধুনিক অসমৰ শিল্পকলা আৰু চিন্তাৰ নতুনত্বৰ বাৰ্ত্তাবহন কৰা জ্যোতিপ্ৰসাদ আছিল বিপ্লৱী মনিষাৰ প্ৰতিভূ স্বৰূপ। অসম তথা অসমীয়া ভাষাক মনে প্ৰাণে ভালপোৱা, সুন্দৰৰ আৰাধনাকে জীৱনৰ ব্ৰত হিচাপে লোৱা, গাঁৱলীয়া বাটেৰে লুইতৰ ঘাটেৰে পৃথিৱী চাবলৈ ওলোৱা জ্যোতিপ্ৰসাদে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি, সঙ্গীত, কলা, ৰাজনীতি, সমাজনীতিৰ জগতখনলৈ যি অপৰিসীম অৱদান আগবঢ়াই গৈছে, সেয়া প্ৰতিজন অসমীয়াৰ বাবে এক আপুৰুগীয়া সম্পদ।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে সংস্কৃতিৰ সাধক জ্যোতিপ্ৰসাদৰ বিষয়ে এনেদৰে মন্তব্য দিছে— *"আজীৱন ৰূপতীৰ্থৰ যাত্ৰী, আজীৱন ৰূপতীৰ্থৰ সাধক, আমৰণ ৰঞ্জাবিজয়ী আত্মাৰ গৰাকী, নৱ-নৱোন্মেষশালিনী শক্তি আৰু বহুপ্ৰতিভাৰে উদ্ভাসিত শিল্পী।"* শিল্পী হেমাংগ বিশ্বাসে এনেদৰে লিখিছে— *"ব্যক্তি জীৱনৰ সততা, সাহস, সত্যনিষ্ঠা আৰু সংগ্ৰামশীলতাৰ লগত সাহিত্য, শিল্প আৰু সঙ্গীতৰ এনে সুসংগতি এই যুগৰ সংস্কৃতি জগতত দুৰ্লভ।"* আকৌ লিখিছে— *"অসমীয়া ৰূপমালস আৰু সংস্কৃতি সাধনা যদি কোনো একক ব্যক্তিৰ প্ৰতিভাৰে প্ৰতিফলিত হৈছে তেনেহলে সেইজন জ্যোতিপ্ৰসাদ আগৰৱালা।* বৰ্তমান কুৰি শতিকাতো এই বিশাল বিশ্বত কোনো অসমীয়াই নিজৰ

পৰিচয় দাঙি ধৰিবলৈ জ্যোতিপ্ৰসাদৰ নাম নিশ্চয় সুঁৱৰিব লাগিব ।"

১৯০৩ চনৰ ১৭ জুন তাৰিখে ডিব্ৰুগড়ৰ মদাৰিহাট মৌজাৰ তামোলবাৰী চাহবাগিছাত পিতৃ পৰমানন্দ আগৰবালাদেৱৰ ঔৰষত আৰু মাতৃ কিৰণময়ী আগৰবালাৰ গৰ্ভত জ্যোতিপ্ৰসাদৰ জন্ম হয়। তেখেতৰ উপৰিপুৰুষ নওঁৰঙ্গৰাম আগৰবালাই ঊনবিংশ শতিকাৰ আগভাগতেই ৰাজস্থানৰ পৰা অসমলৈ আহে আৰু অসমীয়া হৈ পৰে। নওঁৰঙ্গৰাম আগৰবালাৰ জেষ্ঠ পুত্ৰ হ'ল হৰিবিলাস আগৰবালা। 'কীৰ্ত্তন', 'দশম', 'নামঘোষা' পুথিসমূহ চপাওঁতা হৰিবিলাস আগৰবালাৰ তৃতীয় পুত্ৰ পৰমানন্দ আগৰবালাৰ জেষ্ঠ পুত্ৰ হ'ল জ্যোতিপ্ৰসাদ আগৰবালা। হৰিবিলাস আগৰবালাৰ পাঁচজন পুত্ৰৰ ভিতৰত আন এজন সুযোগ্য সন্তান আছিল স্বনামধন্য কবি-সাহিত্যিক চন্দ্ৰকুমাৰ আগৰবালাদেৱ। কবি আনন্দ চন্দ্ৰ আগৰবালাদেৱে জ্যোতিপ্ৰসাদৰ ভাস্বৰ শিল্পীসত্ত্বাক সন্মান জনাই 'ৰূপকোঁৱৰ' নামেৰে অভিহীত কৰিছিল। ফলত পিছলৈ তেওঁ অসমীয়া জনমানসত ৰূপকোঁৱৰ নামেৰেই জনাজাত হৈছিল।

জ্যোতিপ্ৰসাদে স্কুলীয়া শিক্ষা তেজপুৰ আৰু ডিব্ৰুগড়ত গ্ৰহণ কৰিছিল। দেউতাকৰ দিহামতে কোমল বয়সতে তেজপুৰৰ নিজাঘৰ আৰু গভৰ্নমেণ্ট হাইস্কুল এৰি ডিব্ৰুগড়ত থাকি পঢ়াশুনা কৰিছিল। তেওঁ ডিব্ৰুগড়ৰ গভৰ্নমেণ্ট হাইস্কুল আৰু জৰ্জ ইনিষ্টিটিউচন নামৰ দুয়োখন হাইস্কুলতে শিক্ষা গ্ৰহণ কৰিছিল। কবি যতীন্দ্ৰনাথ দুৱৰাই জৰ্জ ইনিষ্টিটিউচনত শিক্ষকতা কৰা কালত জ্যোতিপ্ৰসাদে তেখেতৰ লগত থাকি সেইখন স্কুলত কিছুদিন পঢ়াশুনা কৰিছিল। বৰদেউতাক চন্দ্ৰকুমাৰ আগৰবালাদেৱৰ ঘৰতো মাজে মাজে থাকিছিল। ইয়াৰ পিছত তেওঁ আকৌ ডিব্ৰুগড় এৰি তেজপুৰলৈ গুছি যায়। সেই সময়ত মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত চলা স্বাধীনতা আন্দোলনত তেওঁ যোগ দিয়ে আৰু ইয়াৰ মাজে মাজে সুকণ্ডা উলিয়াই শিক্ষা গ্ৰহণও কৰিছিল। ১৯২১ চনত তেজপুৰ হাইস্কুলৰ পৰা প্ৰবেশিকা বাছনি পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ কলিকতাৰ নেশ্যনেল কলেজত নাম লগাই আই. এৰ শেষলৈকে পঢ়িছিল যদিও সেই কলেজ উঠি যোৱাত কলেজীয়া শিক্ষাৰ সমাপ্তি ঘটে। ১৯২৬ চনৰ চেপ্তেম্বৰ মাহত জ্যোতিপ্ৰসাদে উচ্চশিক্ষা গ্ৰহণৰ বাবে বিলাতলৈ যায় আৰু এডিনবৰা বিশ্ববিদ্যালয়ৰ পৰা প্ৰাকস্নাতক পৰীক্ষাত অৱতীৰ্ণ

হয়। প্ৰথমবাব অকৃতকাৰ্য্য হয় যদিও দ্বিতীয়বাবত এফ. এ পঢ়াব অনুমতি লাভ কবে। প্ৰথমে অৰ্থনীতি, সংস্কৃত, পাব্লিক ল' আৰু পিছত দৰ্শন, অৰ্থনীতি, ইতিহাস অধ্যয়ন কবে যদিও উচ্চশিক্ষা অসমাপ্ত বাখি সংস্কৃতিব সাধক জ্যোতিপ্ৰসাদে জাৰ্মেনীলৈ যায় আৰু তাত সাত মাহ ফিল্ম সম্পৰ্কীয় শিক্ষা গ্ৰহণ কবে। জাৰ্মেনীৰ বাৰ্লিন চহৰত প্ৰখ্যাত ভাবতীয় ফিল্ম ডাইবেক্টৰ হিমাংশু বায়ৰ সহযোগত চলচিত্ৰ নিৰ্মাণৰ কাম শিকি ১৯৩০ চনত তেওঁ স্বদেশলৈ প্ৰত্যাবৰ্ত্তন কবে। ১৯৩৬ চনত ডিব্ৰুগড়ৰ দেবযানী ভূএগ্ৰাব সৈতে বিবাহ পাশত আবদ্ধ হয়।

অসমত বেনেছাঁচব যি সোঁত আনন্দৰাম, চন্দ্ৰকুমাব বা লক্ষ্মীনাথ বেজবৰুৱাই বোৱাইছিল, সেই সোঁতৰ মানবতা, বিজ্ঞানচেতনা, স্বদেশপ্ৰেম, উদাবতা, জীৱনবাদ ইত্যাদি ঢৌ বিলাকৰ প্ৰায় সকলোখিনিয়েই পিছলৈ নতুন চিন্তা আৰু কৰ্মেৰে উদ্দীপিত কবি জ্যোতিপ্ৰসাদে প্ৰায় অকলসবে বোৱাই বাখিছিল। স্বদেশপ্ৰেমে যেতিয়া অসমত উগ্ৰ জাতিপ্ৰেমৰ সংকীৰ্ণতাত ভুগিছিল, তেতিয়া জ্যোতিপ্ৰসাদে স্বদেশীকতাক বিশ্বমানবিকতালৈ বোৱাই নিছিল। বিলাতত থাকোঁতে Epstein ৰ ভাস্কৰ্য্যই তেওঁক মুগ্ধ কবিছিল, কিন্তু ববদোৱাব নামঘবৰ খুটাত কাটি থোৱা ভাস্কৰ্য্যৰ নিদৰ্শন চাই তেওঁ বিস্ময়ত অভিভূত হৈ পবিছিল আৰু পিছত লিখিছিল— "*পশ্চিমীয়া শিক্ষা পাই অহংকাৰত অন্ধলা হৈ ৰবৰে মহা প্ৰতিভাক চিনি নেপাই ফুৰা মোৰ মনটোৰ সকলো অহংকাৰ সেইদিনা খুলিস্যাং হৈ গ'ল। সেইদিনাখনৰ পবাহে মই অসমীয়া হ'বলৈ আৰম্ভ কবিলোঁ, মোৰ ভিতৰৰ চাহাবটো ওলাই লব মাবিলে।*" শংকবদেবৰ নিচিনাকৈ জ্যোতিপ্ৰসাদে শ্ৰীকৃষ্ণকেই আদৰ্শ পুৰুষৰূপে গ্ৰহণ কবিছিল। মহামানবৰ সনাতন আদৰ্শৰে উদ্বুদ্ধ মহাসত্যৰ অন্বেষক, জনতাৰ মুক্তি স্বপ্নদ্ৰষ্টা মহাপুৰুষ শংকবদেৱৰ 'কৃষ্ণ সংস্কৃতি' ভাবনাব উদ্গাতা জনতাৰ শিল্পী জ্যোতিপ্ৰসাদে নামঘবৰ দৰ্শন কবি এনেদৰে বৰ্ণনা দিছিল— "———— তাব পিছত নামঘবৰ ভিতৰলৈ সোমাই গৈ দেখিলো — খাপনাখন যেখোন Cubist design অব, তাত অকাচকাবোৰ কোনোটো Impersionist, কোনোটো Symbolist *শিল্পীৰ আলেক্ষ্যৰ দবে। বাবে বাবে এটা প্ৰশ্ন জানিবলৈ ধবিলো — বিলাতলৈ ক্ৰেকেই পঢ়িবলৈ গৈছিলো— যি শিকাৰ শিকিছিলো তুমি আহি সেইখন অসমতে পালো।* ———ইয়াকে কবিছিল শ্ৰীমন্ত শংকৰৰ

*জনতাৰ মাজত -- গাঁৱৰ মাজত। জনতাক সাংস্কৃতিক জীৱন দিবলৈ। সেই কাৰণেই জনতাই বুজি পোৱা সৰল অসমীয়া ভাষালৈ তেওঁ ভাঙি দিলে ভাগৱত, যি আছিল সংস্কৃত ভাষাত - জনতাই হাতেৰে চুকি নোপোৱাত। তেওঁ মহাজীৱনৰ মহাশিল্পী হৈ অসমীয়া জনতাৰ মাজত বহিল অসমীয়া জনতাৰ নৱজীৱন গঢ়িবলৈ.................।"*

জ্যোতিপ্ৰসাদে মহাপুৰুষ শঙ্কৰদেৱৰ মাজতেই পুৰণি অসমীয়া সংস্কৃতিৰ মূল আধাৰ স্বৰূপ থকাটো গভীৰভাৱে অনুভৱ কৰিছিল। ভাৰতীয় মনিষাৰ কল্পনাৰ 'কৃষ্ণ' যে ভাৰতীয় সংস্কৃতিৰ প্ৰতীকস্বৰূপে আছে আৰু শ্ৰীমন্ত শঙ্কৰেও এই কৃষ্ণকে অসমৰ সংস্কৃতিৰ প্ৰতীক কৰি দি গৈছে --- এই কথা তেওঁ বুজি পাইছিল। জ্যোতিপ্ৰসাদৰ দৃষ্টিত 'কৃষ্ণ' হৈছে সংস্কৃতিৰ পক্ষলৈ দুস্কৃতিৰ বিৰুদ্ধে যুঁজ কৰোঁতা এক শক্তি। সেই একে অৰ্থতেই তেওঁ কৃষ্ণ, যীশুখৃষ্ট, বুদ্ধ, মহম্মদ, মাৰ্ক্স, লেনিন, অৰবিন্দ, ৰবীন্দ্ৰনাথ, গান্ধী আৰু শঙ্কৰদেৱৰ নাম লৈছে। তেওঁৰ মতে এই মহাপুৰুষ সকলে মানুহৰ মনটোৰ ভিতৰত থকা দুস্কৃতিৰ সমলবোৰক শৃঙ্খলিত কৰি সংস্কৃতিৰ সৌধ সাজে। শঙ্কৰদেৱৰ ধ্যানী সত্বাতকৈ কৰ্মী সত্বাৰ ওপৰতহে তেওঁ বেছিকৈ গুৰুত্ব দিছে। অসমীয়া জন-জীৱনৰ লগত শঙ্কৰদেৱ কেনেদৰে নিবিড়ভাবে জড়িত হৈ আছে তাক তেওঁ উপলব্ধি কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে জনজীৱনৰ পৰা বিচ্ছিন্ন প্ৰতিভাই কেতিয়াও মানুহৰ সংস্কৃতিৰ বিকাশ সাধন কৰিব নোৱাৰে। সেয়েহে অসমীয়া সংস্কৃতিৰ ৰূপান্তৰৰ মাজেদি সাধিত বিকাশো অসমৰ জন-জীৱনৰ ভেটিতেই সম্ভৱ। জ্যোতিপ্ৰসাদে লিখিছিল----*"মানৱ সংস্কৃতিৰ উচ্চতা বিকাশ হয় মানৱ মনীষা,প্ৰতিভা-কল্পনা, মেধা-বুদ্ধি থকা মনটোৰ মাজেদি আৰু তাৰ ব্যাপকতা বিকাশ হয় জনতাৰ মাজত আৰু গভীৰতা বাস্তৱ সাম্পদিক সৃষ্টিত। সেই কাৰণে যি সিমান উচ্চ সংস্কৃতি, সি সিমান বহল হৈ জনতাক সামৰিব লাগিব। যি সংস্কৃতি বিশ্ব-শৃঙ্গলৈ উঠিব তাৰ ভেটি ৰাখিব লাগিব বিশ্বজনতাৰ ওপৰত, বিশ্বজনতাৰ হৃদয়ত, মনত, দুখত, আনন্দত। তেতিয়া হে লৈই মানৱ সংস্কৃতি তাৰ স্বাভাৱিক বিশ্বৰূপত ওলাব।"*

জ্যোতিপ্ৰসাদৰ বিপ্লৱীমনে সদায় হকুৰা, অনুৰা, শোষিত শ্ৰেণীটোৰ আশা-আকাংক্ষাক লৈ ধাবিত হৈছিল। তেওঁৰ মানুহ শিল্পীৰ পৃথিৱী হ'ল যুগ যুগ ধৰি ধৰ্ষিত, নিপীড়িত আৰু বঞ্চিত জনতাৰ পৃথিৱী। সেয়েহে

তেওঁ জন-জীৱনৰ মাজলৈ সোমাই গৈ জনতাৰ সংস্কৃতি গঢ়িব বিচাৰিছিল। তেওঁৰ কবিতাত এই কল্পনা প্ৰতিফলিত হৈছে—

"জনতা তোৰ প্ৰাণৰো প্ৰাণত
মনৰো মনত
শিল্পী যে মই লুকাই লুকাই আছোঁ।"

জ্যোতিপ্ৰসাদৰ শিল্পচিন্তাৰ এই দিশবোৰ তেওঁৰ গান, কবিতা, নাটক আদিত প্ৰকাশ পাইছে। জাতীয় বিপ্লৱৰ প্ৰবাহ জনতাৰ হৃদয়ৰ মাজেৰে বোৱাই দিয়াৰ অনুভূতিয়ে তেওঁৰ মনলৈ নতুনকৈ আত্মবিশ্বাস আনি দিছিল। সেয়েহে তেওঁ লিখিছিল— *"মানুহ হৈছে সপোনক দিঠকলৈ পৰিণত কৰা শিল্পী। সেইহে মই মানুহ, মই শিল্পী। আপোনালোক মানুহ, আপোনালোক প্ৰত্যেকজনেই শিল্পী। পৃথিৱীখন শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা আৰু শিল্পীৰ সাংস্কৃতিক সম্পদৰ প্ৰদৰ্শনী। ইয়াক শিল্পীয়ে—-- আজি নিখিল পৃথিৱীৰ শিল্পীয়ে— মানুহক উপলব্ধি কৰিব লাগিব। প্ৰতিজনৰ বুকুত এই শিল্পীটোক অৰ পূৰ্ণৰূপত জ্বলাই জ্বলাই জগাই তুলিব লাগিব। আজিৰ শিল্পী সাধনা হ'ব লাগিব সেয়েই।"*

জ্যোতিপ্ৰসাদৰ বিপ্লৱী চিন্তাধাৰাত দুস্কৃতিক বিনাশ কৰি সংস্কৃতিক প্ৰতিষ্ঠা কৰিবৰ বাবে সংহত উপায় হৈছে বিপ্লৱ। তেখেতৰ মতে বিপ্লৱ হৈছে যি সামাজিক, নৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত এক অভিনব উচ্চতৰ পৰিবৰ্ত্তিত সমাজৰ বাবে হোৱা এক ভূমিকম্প। তেওঁ বুজি উঠিছিল যে সম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ——— এই দুয়োটাই পৃথিৱীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী দুস্কৃতিৰ পূৰ্ণৰূপ। ৰূপান্তৰৰ মাজেৰে তেওঁ সুন্দৰ আৰু সংস্কৃতি গঢ়াৰ সপোন দেখিছিল।

" দুস্কৃতি নাশি
সংস্কৃতিৰে পৃথিৱী মুক্ত কৰি
শিল্পীৰূপেৰে ওলা জনতা
সুন্দৰৰেই বিৰাট স্বৰূপ ধৰি।"

স্কুলীয়া জীৱনৰ পৰাই জ্যোতিপ্ৰসাদে দেশৰ স্বাধীনতাৰ হ'কে স্বদেশী আন্দোলনত ভাগ লৈছিল। ১৯২০ চনত তেজপুৰত বহা 'অসম

এচোচিয়েছন'ৰ বছৰেকীয়া সন্মিলনত চিত্ৰ প্ৰদৰ্শনৰ জৰিয়তে দেশবাসীক স্বাধীনতা আন্দোলনৰ প্ৰতি উৎসাহিত কৰিবলৈ প্ৰয়াস কৰা হৈছিল। জ্যোতিপ্ৰসাদে তেজপুৰৰ বিভিন্ন শিল্পীসকলৰ পৰা এই ৰাজনৈতিক চিত্ৰসমূহ গোটোৱাৰ দায়িত্ব অতি নিষ্ঠাৰে পালন কৰিছিল। ১৯২১ চনত তেওঁ অসহযোগ আন্দোলনত যোগদান কৰে। ১৯৩০ চনত বিলাতৰ পৰা ঘুৰি অহাৰ পিছত স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগ দিয়াৰ ফলস্বৰূপে ১৯৩২ চনত ১৫ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনাও ভৰে। শিলচৰ জেলত সেই সময়ত তেওঁ যক্ষ্মা ৰোগত আক্ৰান্ত হোৱা সত্বেও কাৰাদণ্ডৰ ম্যাদ সম্পূৰ্ণ কৰিহে প্ৰত্যাবৰ্ত্তন কৰে। ১৯৩১ চনত ন-দুৱাৰত আয়োজিত হোৱা ৰায়ত সন্মিলনলৈ ছয়দুৱাৰৰ পৰা এদল সেৱকৰ দ্বাৰা গোৱা তেওঁৰ সেই প্ৰসিদ্ধ গীত----

"লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই-----
মুকুতিবেদীৰ মহান মেজিৰ নেজাল ফিৰিঙতি চাই
পুৰোহিতো যদি থিতাতে আঁতৰি
ত্ৰাসতে মুৰ্চ্ছা যায়
আমি আগবাঢ়ি ডিঙি পাতি পাতি
তেজেৰে বলিশাল ধামে বোলাই"

স্বদেশী আন্দোলনত জড়িত হৈ জ্যোতিপ্ৰসাদে ১৯৪১ চনৰ পৰা কংগ্ৰেছৰ স্বেচ্ছাসেৱকবাহিনীৰ সৰ্বাধিনায়ক হৈছিল। ১৯৪২ চনৰ পৰা কলিকতাত কিছুদিন আত্মগোপন কৰি আছিল যদিও তাৰ পৰা তেওঁ স্বাধীনতা আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচীলৈ গীত-মাত-ভাষণ আদিৰ জৰিয়তে সেৱা আগবঢ়াই আছিল। সেই সময়ত বৃটিছ চৰকাৰে তেওঁক 'ফেৰাৰ' (Absconder) বুলি ঘোষণা কৰিছিল। ১৯৪৩ চনৰ আগষ্ট মাহত মহাত্মা গান্ধীৰ আহ্বান মৰ্মে জ্যোতিপ্ৰসাদে তেজপুৰত আত্মসমৰ্পন কৰে আৰু বিচাৰত উপযুক্ত প্ৰমাণৰ অভাৱত তেওঁ খালাচ পায়। আন্দোলনত ভাগ লোৱা এই সময়চোৱাৰ ভিতৰত জ্যোতিপ্ৰসাদে বহুতো জাতীয় চেতনা উদ্দীপক গীত-মাত-নাটক আদি ৰচনা কৰি দেশবাসীৰ মনত

স্বদেশপ্ৰেম জাগ্ৰত কৰিছিল।

জ্যোতিপ্ৰসাদৰ সৌন্দৰ্য তথা সংস্কৃতি সাধনাৰ মূল লক্ষ্য আছিল কল্পনাৰ সুন্দৰক বাস্তৱৰ মাজেৰে ৰূপায়িত কৰা আৰু বাস্তৱ জীৱনৰ সমলৰ ভেটিতে সুন্দৰৰ ৰূপলৈ পৰিবৰ্ত্তন কৰা। সেয়েহে তেওঁ 'বাস্তৱৰ কেন্দ্ৰত কবি' নামৰ কবিতাটোত লিখিছে——

"ছবি অকা শিল্পী নহওঁ মই
যদিও আকো ছবি,
গান কবিতাৰ শিল্পী নহওঁ মই
যদিও ময়েই কবি।
কলাৰ মাজতে যদিও প্ৰকাশ মোৰ
জীৱন - কলাক ধুনীয়া কৰি
মানুহকেই মানুহ কৰি থৈ যাবলৈ
বাস্তৱবেই কেন্দ্ৰস্থলিত লৈছোঁ থিতি
যুঁজিবলৈ দুষ্কৃতি দুৰ্বোৰ।"

অসমীয়া নাট্য সাহিত্য-সংস্কৃতি জগতলৈ জ্যোতিপ্ৰসাদৰ অৱদান অতুলনীয়। 'শোণিত কুঁৱৰী', 'কাৰেঙৰ লিগিৰি', 'লভিতা', 'ৰূপালীম', 'ৰূপকোঁৱৰ', 'নিমাতী কইনা', ইত্যাদি অপূৰুগীয়া নাটকেৰে তেওঁ অসমীয়া নাট সাহিত্য চহকী কৰি থৈ গৈছে। এই নাটকবিলাকৰ উপৰিও অসমীয়া সাহিত্য জগতত জ্যোতিপ্ৰসাদৰ ৰচিত প্ৰায় ৩৫৯ টা গীত, অসংখ্য কবিতা, গল্প, প্ৰবন্ধ আদিয়ে জাতিস্কাৰ কৰি আছে। মাত্ৰ চৈধ্যবছৰ বয়সত ছাত্ৰাবস্থাত থকা সময়তেই ১৯১৭ চনত তেওঁ 'শোণিত কুঁৱৰী' নাটক ৰচনা কৰে। পাণ্ডুলিপিটোৰ কেবাটাও শুধৰণিৰ পিছত ১৯২৫ চনত ছপা আখৰৰ পোহৰ পালে। 'বাঁহী' ৰ পাতত নাটকখনিৰ আলোচনা-সমালোচনাৰ জৰিয়তে যথোচিত স্বীকৃতি পালে। এই নাটকখনিত বানবজাৰ উপযুক্ত প্ৰতিযোদ্ধাৰ অন্বেষণ আৰু উষাৰ উপযুক্ত স্বামীৰ সন্ধান—— এই দুয়োটা বিষয়বস্তু সমান্তৰালভাৱে উপস্থাপন হৈছে। তদুপৰি এই গহীন নাটকখনত চিত্ৰলেখা আৰু বানবজাৰ চৰিত্ৰৰ তাৎপৰ্য্য ফুটাই তুলিছে। 'শোণিত কুঁৱৰী' অসমীয়া নাট্য জগতৰ একমাত্ৰ সপোন

নাটক য'ত মদন, ৰতি আৰু স্বপ্নদেৱীৰ মায়াময় বিচৰণ, অনিৰুদ্ধ-উষা-চিত্ৰলেখাৰ স্বগতোক্তি, চিত্ৰলেখাৰ 'পদুমকলি নাচ' ৰ মূৰ্চ্ছনা আদিয়ে আবৰি আছে। 'চিত্ৰলেখা' চৰিত্ৰটোৰ পৰিকল্পনা সম্পৰ্কে জ্যোতিপ্ৰসাদে অন্য সন্দৰ্ভত এটা উক্তি এনেদৰে দিছে— *"অভিনৱত্বই হৈছে নাটকীয় চৰিত্ৰ সৃষ্টিৰ প্ৰধান ভেটি। এই সৃষ্টি নাট্যকাৰে কেতিয়াবা কোনো এটা Abstract idea ক ৰূপ দি, কেতিয়াবা কোনোবা নাট্যকাৰে নতুন ভাবৰাজ্যৰ বাতৰি (Massage) ৰ তেজ মঙহৰে গঢ়া জীৱ হিচাপে নাটকত সন্নিৱেশ কৰে। এটা জীৱন এটা সময়ত কল্পনা (Imagination) ৰ কোঠালিত আৰু Intellectualism ৰ কোঠালিত জন্ম লয়। - বহুত সময়ত পুৰণি চৰিত্ৰ এটাৰ আলম লৈয়ো নাট্যকাৰে চৰিত্ৰ সৃষ্টি কৰিবলৈ প্ৰয়াস পায়। -- সেই চৰিত্ৰ নাট্যকাৰৰ মনৰ কোঠালিত সোমাই তাতে পমি নাইকীয়া হৈ যায় আৰু নাট্যকাৰে সেই পমি যোৱা পদাৰ্থখিনিৰ পৰাই নকৈ মূৰ্তি গঢ়ি তাৰ ভিতৰত এখন নতুন অভ্যন্তৰ গঢ়ি দৰ্শকক দান কৰে। লিখকৰ 'শোণিত কুঁৱৰী' ৰ চিত্ৰলেখা চৰিত্ৰটো এনেধৰণৰ চৰিত্ৰ সৃষ্টিৰ প্ৰয়াস।"*

'কাৰেঙৰ লিগিৰী' বিলাতৰ পৰা ঘূৰি অহাৰ পিছত লিখা। ১৯২৫ চনত লিখিবলৈ আৰম্ভ কৰি বিলাতৰ প্ৰবসুৱা জীৱনত সমাপ্ত কৰা এই নাটকখনত স্বামী-স্ত্ৰীৰ সম্পৰ্ক, স্ত্ৰীয়ে বিয়াৰ পিছতো আনক ভাল পাব পাৰে নেকি ইত্যাদি কিছুমান বাস্তৱ সংঘাত প্ৰতিফলিত কৰিছে। বিতৰ্কমূলক সংলাপ আদিৰ বাবে এই নাটকখনক আগতে অশ্লীল আখ্যা দিছিল যদিও ই বৰ্ত্তমানে এখন শ্ৰেষ্ঠ অসমীয়া নাটক ৰূপে পৰিগণিত হৈছে। নাটকখনৰ সমস্যা যদিও আধুনিক জীৱনৰ ওপৰত আধাৰিত, তথাপি ইয়াৰ বহিৰ অংগ আৰু উপস্থাপনা-ৰীতি ঐতিহাসিক নাটকধৰ্মী আৰু চৰিত্ৰ সৃষ্টিতো বিপৰীত ধৰ্মী মানসিকতা ফুটি উঠিছে। 'সুন্দৰ কোঁৱৰ' যদি ব্যক্তি চেতনাৰ প্ৰবক্তা, ৰাজমাও তেনেহলে সামাজিক পৰম্পৰা বোধৰ প্ৰতিনিধি ; কাঞ্চন কুঁৱৰী যিদৰে গৃহিণীৰ সতীধৰ্ম পালনৰ বাবে আগ্ৰহী তেনেদৰে শেৱালী নিৰৱ প্ৰেমৰ গোপন যন্ত্ৰনা-সুখৰ বাবে আকাংক্ষী। পাৰ্শ্বচৰিত্ৰ 'ৰেৱতী' কোনো কাৰণ নোহোৱাকৈ ঈৰ্ষা পৰায়ণা আৰু 'সেউজী' স্বাৰ্থবিহীন সহানুভূতি পৰায়ণা। নাটকখনত এই বিভিন্ন চৰিত্ৰসমূহৰ বিপৰীতধৰ্মী অভিব্যক্তি ফুটি ওলাইছে। 'সুন্দৰ কোঁৱৰ' ৰ চৰিত্ৰটোৰ ভিতৰত দুটা পৰস্পৰ বিৰোধী মনে খেলা কৰি থাকে। একালে তেওঁ উদাৰ বিপ্লৱী

মনোভঙ্গী লৈ আপোন বিবাহীতা পত্নী কাঞ্চন কুঁৱৰীক তেওঁৰ পূৰ্ব্ব প্ৰেমিক অনংগৰামৰ হাতত গটাই দিছে আৰু আশা কৰিছে যে প্ৰেমে তাৰ আকাংক্ষিত ফল লাভ কৰক। আনহাতে তেওঁ সামন্ততান্ত্ৰিক মনোভাবেৰে ৰাজমাওক কৈছে —— *'ৰজাৰ কোঁৱৰে লিগিৰীক তিমান ওখ শাৰিলৈ নেতোলে।'* অনংগক সুন্দৰ কোঁৱৰে বুজনি দিছে — *'কাঞ্চনমতীয়ে তোমাক কেতিয়াও পাহাৰিব নোৱাৰে —— আৰু ময়ো পাহৰিব নোৱাৰোঁ যে কাঞ্চনমতীয়ে তোমাক ভাল পায়। তাৰ উপৰিও যেতিয়া নগ্নঠা সত্য আমাৰ আগত ওলায়হি, তাক আৰু ঢাকি ৰাখি সি নাই বুলি নজনা ভাও ধৰি চলিব নোৱাৰোঁ।'*

জ্যোতিপ্ৰসাদৰ আন এখনি মহান নাট হ'ল 'ৰূপালীম'। এই নাটকখনৰ প্ৰধান চৰিত্ৰ তিনিটা হ'ল মনিমুগ্ধ, ইতিভেন আৰু ৰূপালীম। পিছৰ চৰিত্ৰ দুটি নাৰী চৰিত্ৰ। এই নাটকখনিৰ যোগেদি নৰ-নাৰীৰ মাজত থকা দ্বৈতৰূপৰ সম্পৰ্কৰ দ্যোদুল্যমান অৱস্থা মনিমুগ্ধ চৰিত্ৰটোৰ মাজেদি ফুটি ওলাইছে। ৰূপালীম আৰু ইতিভেনৰ প্ৰভি তেওঁৰ দুটা পৰস্পৰ বিৰোধী মনোভাবৰ এক সমন্বয় সাধন বৈচিত্ৰপূৰ্ণভাৱে প্ৰকাশ পাইছে। ৰূপালীমৰ লগত মনিমুগ্ধৰ সম্পৰ্ক মাথোন ৰূপৰ ক্ষুধাৰে জড়িত আৰু আনহাতে ইতিভেনৰ লগত সেই একেজন মানুহৰে সম্পৰ্ক প্ৰেমৰ বিমল আনন্দৰ যোগেৰে। দেহৰ সৌন্দৰ্য্য উপভোগ কৰা আৰু প্ৰাণৰ ভালপোৱাৰ মাজত পাৰ্থক্য প্ৰকাশ পাইছে। এটা পৰ্য্যায়ত মনিমুগ্ধ হ'ল ৰূপালীমৰ চিকাৰী আৰু আনটো পৰ্য্যায়ত তেওঁ ইতিভেনৰ প্ৰেমৰ ভিক্ষাৰী।

১৯৪৫ চনত ৰচনা কৰা আৰু ১৯৪৮ চনত প্ৰকাশ পোৱা 'লভিতা' নাটকখন জ্যোতিপ্ৰসাদৰ অমৰ সৃষ্টি। 'লভিতা' ৰ চৰিত্ৰ হ'ল মহাযুদ্ধৰ ভুঁইকপত অসমৰ ৰাইজৰ উত্থান-পতনৰ এটা যুগৰ প্ৰতীক। বিয়াল্লিছৰ বিপ্লৱ আৰু দ্বিতীয় মহাসমৰৰ বা-মাৰলিৰ মাজত অসমীয়া মানুহৰ জাতীয় জীৱন কেনেদৰে বিপন্ন হৈছিল তাৰ বৰ্ণনা দিছে। ১৯৪১ চনত এখন সঁচা বিমান পথাৰত ঘটা ঘটনাৰ আলম লৈ কাল্পনিক ৰহদৈজান বিমান কোঠৰ কাষত লভিতা আৰু অন্যান্য চৰিত্ৰৰ সাধাৰণ কথা বতৰাৰেই আৰম্ভ হৈছে নাটকখনৰ প্ৰথম দৃশ্য। লভিতা নাটকত ১৯টা নামযুক্ত চৰিত্ৰ আৰু নামহীন 'নিগ্ৰো সৈন্য, ভাৰতীয় সৈন্য, কংগ্ৰেছ স্বেচ্ছাসেৱক, এ.আৰ.পি, গাঁৱলীয়া মুনিহ- তিৰোতা, নগা মানুহ, ৰাজনৈতিক মানুহ,

জাপানী সৈন্য, আমোলা ঠিকাদাৰ, পাইলট, মাৰোৱাৰী ব্যৱসায়ী, পুলিচ, দাৰোগা, সামৰিক পুলিচ, অসমীয়া নাৰ্চ, নগা ছোৱালী, ব্ৰহ্মদেশীয় ছোৱালী আদি বহুতো চৰিত্ৰৰ সমাবেশ ঘটিছে। 'লভিতা' ৰ প্ৰথম অঙ্কত আছে অসমৰ গ্ৰাম্য জীৱনৰ প্ৰতীক ফুলগুৰি গাঁও, দ্বিতীয় অঙ্কত বিয়াল্লিছৰ বিদ্ৰোহ-ৰণথলীত শ্বহীদ হয় কুশল কোঁৱৰ, কনকলতা, মুকুন্দ, মনবৰ আদি, তৃতীয় অঙ্কত জাপানী সৈন্যৰদ্বাৰা অসমৰ সীমান্ত আক্ৰমন, চতুৰ্থ অঙ্কত আজাদ-হিন্দ-ফৌজৰ অভিযান। ফুলগুৰি গাঁৱৰ খেতিয়ক জাপানী বোমাৰে নিহত বাণেশ্বৰ বৰুৱাৰ জীয়েক লভিতাই ঘটনাক্ৰমে আজাদ-হিন্দ-ফৌজৰ লগ লাগে আৰু বৃটিছৰ বিৰুদ্ধে যুঁজ দি মেচিনগানৰ গুলি বুকুত সাবতি লয়। লভিতাৰ অন্তিম গীতৰ সুৰ হ'ল--- *"লুইতৰ আকাশৰ তৰাৰ তৰাৱলী, পাৰত দীপাৱলী তেজেৰে মোৰ, আই নেকান্দিবি থাপনাত তেজেৰে বন্তি দিছেহি ল'ৰা ছোৱালীয়ে তোৰ।"* জীৱন-চেতনাৰ ওপৰত অধিক গুৰুত্ব দিয়া 'লভিতা' নাটকখনৰ বিষয়ে জ্যোতিপ্ৰসাদে নিজে লিখিছে--- *"সচৰাচৰ যেনেকৈ নাটকত আখ্যান, প্লট, চৰিত্ৰাংকন থাকে, ঠিক সেইবোৰ ইয়াত দিয়া হোৱা নাই। আখ্যান আছে যদিও তাক মাত্ৰ নাটকীয় ঘটনাৱলী গাঁথিবলৈ সূত্ৰৰ দৰেহে লোৱা হৈছে। প্লট ইয়াত দেখুৱাৰ খোজা নাই। নায়ক-নায়িকা হিচাপে ইয়াত চৰিত্ৰ নাই, ইয়াৰ নায়ক গোটেই অসমীয়া ৰাইজেই।"*

চৰকাৰৰ ৰোষনলত পৰি ফাটেকৰ ভিতৰত দিন কটাওঁতে জ্যোতিপ্ৰসাদক একেটা চিন্তাই বিয়াকুল কৰি তুলিছিল, সেয়া-- অসমীয়া কথাছবি এখন কেনেকৈ কৰা যায়। সেয়েহে ফাটেকৰ পৰা ওলাই আহি আগৰৱালা পৰিয়ালৰ ভোলাগুৰি চাহবাগিছাৰ ভাৰ লোৱাৰ লগে লগেই ১৯৩০ চনত তেওঁ অসমীয়া বোলছবি জগতৰ প্ৰথম প্ৰতিষ্ঠান 'চিত্ৰলেখা মুভিটোন' প্ৰতিষ্ঠা কৰিলে সেই বাগিছাৰে ভিতৰত বালিজান নৈৰ পাৰত 'চিত্ৰবন' নামেৰে ষ্টুডিও পাতি। 'চিত্ৰবন'তেই জ্যোতিপ্ৰসাদৰ প্ৰথম অসমীয়া কথাছবি 'জয়মতী' য়ে মুক্তি লাভ কৰে। ৰূপালী পৰ্দাত দেখা গ'ল লালুকসোলা বৰফুকনৰ চক্ৰান্ত, বৰফুকনৰ হাতৰ পুতলা ল'ৰা ৰজা চুলিকফাৰ নিৰ্দয় আদেশ, জেৰেঙা পথাৰত গাঁঠি হাজৰিকাৰ হাতত জয়মতীৰ ওপৰত অত্যাচাৰ উৎপীড়ন আৰু সেই অত্যাচাৰ উৎপীড়ন তুচ্ছ কৰি স্বামীৰ একো গুপ্তসূত্ৰ নিদিবলৈ জয়মতীৰ দৃঢ়তা, নগা পাহাৰত

পলৰীয়া গদাপাণীৰ লগত নাগিনী হোৱাৰী জালিমীৰ ভাব-ভঙ্গী-আৰু শেষত স্বামীৰ নামত জয়মতীৰ প্ৰাণবিসৰ্জন। এই কলাধৰ্মী চিনেমাখনত সম্ভ্ৰান্ত ঘৰৰ বোৱাৰী জয়মতীয়ে পাটৰ সাজ পিন্ধি ঘৰৰ পৰা ৰাজসভালৈ ওলাই যোৱাৰ সময়ত কোনো সংলাপৰ সহায় নোলোৱাকৈ কেইগৰাকীমান বৃদ্ধাই চকুলো টুকি বিদায় দিয়া বেদনাদায়ক দৃশ্যক কেমেৰাৰে ধৰি ৰখাটো অতীব কলাসুলভ হৈছে আৰু দৰ্শকৰ অন্তৰ চুই গৈছে। 'জয়মতী' ছবিখন সম্পৰ্কে জ্যোতিপ্ৰসাদে 'অসমত ফিল্ম শিল্প' শীৰ্ষক এটা প্ৰবন্ধত লিখিছে--- *"মই জয়মতী ছবিখন আৰু তাৰ অভিনেতাক একেবাৰে বাস্তৱিক দৃষ্টিৰে পৰিচালনা কৰিছোঁ — বিটো ইংৰাজ, মাৰ্কিন আৰু ৰুচীয় প্ৰথম শ্ৰেণীৰ ফিল্মৰ লক্ষণ। সেই কাৰণে মোৰ জয়মতীয়ে ৰাজসভাত বক্তৃতা দি আন ঠাইত নানা ভাব-প্ৰবল বক্তৃতাৰে গোৱোহনি মৰা নাই।"* নটসূৰ্য্য ফণী শৰ্মাৰ অভিনয়ে দৰ্শকক বিশেষভাৱে মোহিত কৰিছিল। এনেকৈয়ে জ্যোতিপ্ৰসাদৰ 'জয়মতী' য়ে অসমৰ বাহিৰৰ প্ৰাণ পৰশি গ'ল। ইয়াৰ পিছত ১৯৩৭ চনত এই মুভিটোনৰ পৰা জ্যোতিপ্ৰসাদৰ দ্বিতীয় আৰু শেষ ছবি 'ইন্দ্ৰমালতী' উদ্বোধন হ'ল। যান্ত্ৰিক দিশত এই ছবিখনে 'জয়মতী'তকৈ উন্নত আছিল যদিও 'ইন্দ্ৰমালতী' য়ে 'জয়মতী' ছবিখনৰ দৰে দৰ্শকৰ মনত আলোড়ন আনিব পৰা নাছিল। কিন্তু এইটো অনস্বীকাৰ্য্য যে ভাৰতৰ প্ৰথম সবাক বোলছবি 'আলমআৰা' ই (১৯৩১ চন) মুক্তি লাভ কৰাৰ সমসাময়িক কালতেই জ্যোতিপ্ৰসাদে সাহসিকতাৰে এই কথাছবি দুখন নিৰ্মাণ কৰি অসমৰ বোলছবি জগতক এক সুকীয়া আসন আনি দিছিল।

১৯৩৬-৩৭ চনত জ্যোতিপ্ৰসাদে বিষ্ণুৰাভাৰ সৈতে লগ লাগি যুটীয়াভাৱে 'জয়মতী' আৰু 'শোণিত কুঁৱৰী' ৰেকৰ্ড নাট্য প্ৰযোজনা কৰে। সেইবছৰতে তেওঁ তেজপুৰত 'জোনাকী' চিনেমা হল নিৰ্মাণ কৰিছিল আৰু সঙ্গীত শিক্ষাৰ প্ৰতি জনসাধাৰণক আকৰ্ষণ কৰিবৰ বাবে ১৯৪০ চনত তেজপুৰত সঙ্গীত বিদ্যালয় স্থাপন কৰে। বহুদিনৰ পৰা বন্ধ হৈ থকা 'অসমীয়া' কাকতখনৰ পুনৰ প্ৰকাশৰ দায়িত্ব লৈ ১৯৪৪ চনৰ পৰা জ্যোতিপ্ৰসাদে সাতমাহ সময় সম্পাদনাৰ দায়িত্ব লয় যদিও পিছলৈ স্বাস্থ্যজনিত কাৰণত কাকতখনৰ সম্পাদনা ত্যাগ কৰে। সেই সময়তে তেওঁ অসমত উচ্চশিক্ষা সম্প্ৰসাৰণৰ বাবে এখন বিশ্ববিদ্যালয়

স্থাপনৰ বাবে এক বলিষ্ঠ পদক্ষেপ হাতত লয় আৰু জনসাধাৰণৰ মাজত প্ৰচাৰ চলায়। অসমীয়া নামঘৰৰ আদৰ্শত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাবে স্থাপত্যৰ এক আৰ্হিও আকিছিল।

জ্যোতিপ্ৰসাদৰ বিভিন্ন ৰচনা সমূহৰ ভিতৰত বিশেষকৈ গীত আৰু কবিতাৰে সমকালৰ মানুহক বিশেষভাৱে উদ্বুদ্ধ কৰিছিল। তেওঁৰ নাট্যকাৰ ৰূপটোও কবি ৰূপৰেই নামান্তৰ বুলি ক'ব পাৰি। সেয়েহে তেওঁৰ সাহিত্য কৃতিৰ মৌলিক চৰিত্ৰটো আছিল কাব্যিক। জ্যোতিপ্ৰসাদৰ কাব্যধৰ্মী ৰচনাবোৰত সৌন্দৰ্য ভাবনা, বিপ্লবী তথা জাতীয়তাবাদী চিন্তাধাৰা, শিশু মনস্তত্ব আৰু কলা-সংস্কৃতিৰ ভিন ভিন ৰূপৰ আভাস পোৱা যায়। তেওঁৰ কবিতাৰ গতি-চাঞ্চল্য আৰু সংগীতময়তাই পঢ়ুৱৈক বিশেষভাৱে আকৰ্ষিত কৰে। বিপ্লবী আৰু জাতীয়তাবাদী চিন্তাধাৰা থকা কেইটামান কবিতা হ'ল --- 'লাচিতৰ আহ্বান', 'মুক্তি', 'নৱবিপ্লবী কবি জাগে', 'কনকলতা', 'জয়মতীৰ আত্মাৰ উক্তি', 'অসমীয়া ডেকাৰ উক্তি' ইত্যাদি। 'অসমীয়া ডেকাৰ উক্তি' কবিতাটোত তেওঁ এজন বীৰ-সাহসী অসমীয়া ডেকাৰ কল্পনা কৰিছে-----

"মযে অসমীয়া শৰাইঘাটৰ
চোকা তৰোৱাল লওঁ লাচিতৰ,
মোমাই তামুলী গড়
দুৰ্জয় অগ্নিগড় মযেই
নাই মোৰ সমসৰ।"

চিৰসুন্দৰৰ সাধক জ্যোতিপ্ৰসাদে অসমৰ সেউজী পথাৰ, লুইতৰ আকাশ, শুৱনি প্ৰকৃতিৰ মাজত সুন্দৰক বিচাৰি ফুৰিছিল আৰু সেই সুন্দৰৰ সংস্কৃতিৰ আদৰ্শেৰে অসমক ন-ৰূপ দিবলৈ যুৱ-শক্তিক আহ্বান জনাইছিল। প্ৰকাশভঙ্গী আৰু শব্দ যোজনাৰ ঝংকাৰ পৰা তেওঁৰ গীতি কবিতাবোৰ অপূৰ্বৰূপত সৃষ্টি হৈছে। লোকগীতৰ পৰম্পৰাগত ৰূপটো তেওঁ সহজভাৱে গীতি-কবিতাবোৰত ফুটাই তুলিছে। 'কাৰেঙৰ লিগিৰী' নাটকখনত থকা এই গীতটোৰ পৰা ইয়াৰ উমান পাব পাৰি :

"মোৰে জীৱনৰে সখা কৃষ্ণ তই

ৰজাৰ কি সুৰে বেনু।

কপালতে তোৰ কোনে আকি দিলে ইন্দ্ৰধনু ?"

শিশুসকলৰ মনৰ উৎকৰ্ষ সাধনাত জ্যোতিপ্ৰসাদে বিশেষ গুৰুত্ব দিছিল। তেওঁ শিশু কবিতা আৰু শিশু ৰামায়নৰ যোগেৰে শিশু সকলৰ মনৰ ওছৰ চাপি গৈছে। তেওঁৰ দুখনি শিশু নাটিকা হ'ল ---- 'নিমাতী কইনা' আৰু "সোণ পখিলী"। 'বুঢ়ী আইৰ সাধু' ৰ পৰা তেওঁ 'নিমাতী কইনা' নামৰ সাধুটো লৈ তাত এক ৰূপক ৰূপ প্ৰদান কৰিছে। নিমাতী কইনা হ'ল কলালক্ষ্মী, যাৰ মাত ৰজা, পণ্ডিত, গন্ধৰ্ব, শিপিনী, বৈজ্ঞানিক, বেজ, খেতিয়ক ছোৱালী কোনেও বহু চেষ্টা কৰিয়ো উলিয়াব নোৱাৰিলে। শেষত জ্যোতিদেশৰ 'বিশ্ব স্থাপত্যৰ আদৰ্শৰে গঢ়া' ধৱলাকান্তি প্ৰসাদত থকা শ্ৰীৰূপকোঁৱৰৰ গীত আৰু সাধন কমলৰ স্পৰ্শতহে নিমাতী কইনাৰ মাত ওলাল। ইয়াত ৰূপকোঁৱৰ হৈছে চিৰসুন্দৰৰ সাধক, কলালক্ষ্মীৰ হাঁহি হৈছে আনন্দ আৰু গান হৈছে বিশ্বশান্তি। জ্যোতিদেশ মানুহৰ কল্পনাৰ সিপাৰৰ দেশ, য'ত ভাব -ফুল, জ্ঞান- বেলি, কল্পনা-নৈ-বননি আৰু কাবেং পোহৰেৰে গঢ়া। দুয়োখন নাটিকায়েই ৰূপকাত্মক আৰু আদৰ্শাত্মক। শিশুমনৰ পৰা ভূতৰ ভয় গুচাবলৈ তেওঁ ৰচনা কৰি লিখিছিল-

"মা, মোৰ হ'লে ভূতলৈ ভয় নাই
যখিনীৰ হাতত ধৰি
সিহত আছিল ঘূৰি
দুয়োটাৰ কাণদুখন মুচৰি।
দীঘল কাণত মুচৰি মা লাগে বৰ ভাল
সিহত দুটাই চিঞৰ সোধাই লগালে তালফাল।"

সুৰকাৰ জ্যোতিপ্ৰসাদৰ সুৰ সৃষ্টি আছিল স্বতস্ফূৰ্ত আৰু সেয়েহে তেওঁৰ সুৰ আৰু কথাৰ মাজত এটা গোপনপটীয়া আবেদন থকা যেন অনুভৱ হয়। অসমীয়া বিয়ানাম, বিহুগীত, টোকাৰি গীত আদি লোকসঙ্গীতৰ সুৰৰ বাহিৰেও জ্যোতিপ্ৰসাদে বৰগীত আদিৰ সুৰৰ ভেটিত গীত ৰচনাৰ প্ৰয়াস কৰিছিল। মহাপুৰুষ শঙ্কৰদেৱৰ 'শুন শুনৰে সুৰবৈৰী প্ৰমাণা' গীতৰ আৰ্হিত তেওঁৰ 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা',

গীতটো গোৱা বুলি ক'ব পাৰি। তেনেদৰে 'লুইতৰে পানী যাবি অ' বৈ' গীতটোত নিচুকনি গীত আৰু বিয়ানামৰ সংযোগ ঘটিছে।

পুৰণি আৰু নতুনৰ সংগ্ৰামত নতুনক আদৰি লোৱাৰ তেওঁ মূৰ্ত্ত প্ৰতীক আছিল। তেওঁৰেই ৰচিছিল -- *"মই যন্ত্ৰ যুগৰ মোহন মন্ত্ৰ ল'ম, মন বিমানৰ ময়েই সাৰথি হ'ম.......... ।"* তেওঁৰ সংগ্ৰামী সত্ত্বা আৰু শিল্পী সত্ত্বাৰ মাজত এটা সামঞ্জস্য আছিল। ভাৰত স্বাধীন হোৱাৰ পিছত ভাৰতীয় শাসক দলৰ কাম কাজত তেওঁৰ মোহভঙ্গ হৈছিল। সেয়েহে আজীৱন কংগ্ৰেছকৰ্মী হিচাপে স্বাধীনতা আন্দোলনত ভাগ লোৱা জ্যোতিপ্ৰসাদে 'শিল্পীৰ পৃথিৱী'ত লিখিছিল - *"এইদৰে স্বাধীনতা আহিল- এই মানুহৰ তেজেৰে, চকুৰ পানীৰে আৰু আমি সেই স্বাধীনতা কলুসিত কৰিলোঁ আমাৰ দুৰ্নীতিৰে, আমাৰ নৈতিক অধপতনেৰে। ছিঃ ছিঃ ছিঃ।"* সেয়েহে তেওঁ দুখ প্ৰকাশ কৰি কৈছিল -- *'There is something wrong in the state of Denmark'*। শেষৰ পিনে তেওঁ সাম্যবাদৰ ফালে ঢাল খাইছিল আৰু ভাৰতীয় গণনাট্য সংঘৰ সভাপতি হৈছিল। কমিউনিষ্ট দলক 'ঐতিহাসিক অন্যায়ৰ বিৰুদ্ধে পৃথিৱীজোৰা প্ৰতিবোধ জগাই তোলা আদৰ্শবাদী দল' আখ্যা দি এই দলৰ কৰ্মীৰ বিৰুদ্ধে গ্ৰহণ কৰা চৰকাৰৰ দমনমূলক নীতিক ডাঙৰ বিভ্ৰান্তি বুলি কৈছিল। ১৯৪৭ চনত গুৱাহাটীত বহা অসম ছাত্ৰ সন্মিলনৰ অধিবেশনত সাম্যবাদ সম্পৰ্কে তেওঁ কৈছিল -- *"মানুহৰ সমাজত যি অৰ্থনৈতিক অসামঞ্জস্যতাই সমাজৰ এভাগক সাংস্কৃতিক জীৱনৰ পৰা বঞ্চিত কৰি আপুচকৈ থৈছে, সেই ভাগটো সৌন্দৰ্য নমাবলৈ মানুহৰ নৱতম সামাজিক ক্ষেত্ৰত সৌন্দৰ্য প্ৰয়াস হৈছে সাম্যবাদ।"*

আজীৱন সংগীত, নাটক, কাব্য, চলচিত্ৰৰ যোগেদি চিৰসুন্দৰৰ সংস্কৃতিৰ প্ৰকাশ বিচাৰি যোৱা, আজীৱন ৰূপতীৰ্থৰ যাত্ৰী এই মহান শিল্পী গৰাকীৰ ১৯৫১ চনৰ ১৭ জানুৱাৰীৰ দিনাখন দুৰাৰোগ্য কেন্সাৰ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। তেখেতৰ বিশাল শিল্পী সত্তাৰ প্ৰতি সন্মান জনাই ১৭ জানুৱাৰীৰ দিনাখন সমগ্ৰ অসমতে 'শিল্পী দিবস' ৰূপে পালন কৰা হয়। দেশৰ হকে জীৱন-যৌৱন উছৰ্গা কৰিবলৈ ডেকা শক্তিলৈ আহ্বান জনোৱা তেওঁৰ চিৰস্মৰণীয় গীতে আজিও দেশপ্ৰেমৰ জোৱাৰ তোলে ---

"সাজু হ সাজু হ নৱজোৱান
তই কৰিব লাগিব অভিযান"

❖❖❖

## সহায়ক গ্ৰন্থপঞ্জীৰ তালিকা


১। 'ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ' ——— সম্পাদনা বীৰেন্দ্ৰনাথ দত্ত,
অসম প্ৰকাশন পৰিষদ।

২। 'জ্যোতিপ্ৰসাদ ৰচনাৱলী' ——— অসম প্ৰকাশন পৰিষদ।

৩। 'জ্যোতিপ্ৰসাদ আগৰৱালা' ——— শিল্পীৰ পৃথিৱী, জ্যোতিৰ্ধাৰা।

৪। 'জীৱন শিল্পী জ্যোতিপ্ৰসাদ' ———— হেমাংগ বিশ্বাস।

৫। 'জ্যোতি প্ৰতিভা' ———— বিষ্ণুপ্ৰসাদ ৰাভা।


❖❖❖

*“অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট। সৰু সৰু জুৰি, নিজৰা, নৈ, উপনৈ সমন্বিত শকতিৰদ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে, ঠিক তেনেকৈয়ে অসমৰ বহু-জাতি, উপজাতি আৰু জনজাতিৰ কৃষ্টি-সংস্কৃতি আৰু সাহিত্যত বিশালতা আৰু বিৰাটতা লাভ কৰিছে।”* ---- বিষ্ণুপ্ৰসাদ ৰাভা

# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

•অসমৰ কলা-সংস্কৃতি জগতৰ উজ্জ্বল তাৰকা, এহাতে ষ্টেনগান আৰু আনহাতে কলম লৈ সেইসময়ৰ কংগ্ৰেছী চৰকাৰৰ ‘দহ হেজাৰ টকীয়া পুৰস্কাৰ’ৰ বিপদ শিৰত লৈ ঐতিহাসিক অন্যায়ৰ বিৰুদ্ধে সাংস্কৃতিক বিপ্লৱৰ সূচনা কৰা, সমাজৰ দুৰ্বলী লোক সকলক প্ৰভুশ্ৰেণীৰ অত্যাচাৰ উৎপীড়নৰ গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ অহৰহ চেষ্টা চলোৱা সংগ্ৰামী সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ জীৱন আৰু মতবাদে সমগ্ৰ অসমতে এক সাংস্কৃতিক বিপ্লৱৰ সূচনা কৰিবলৈ সমৰ্থ হৈছিল। গতানুগতিকভাৱে পৰম্পৰাক আকোৱালি নলৈ সদায় এক বাস্তৱবাদী মন আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ ওপৰত প্ৰাধান্য দি আহিছিল যাৰে বৰ্ত্তমানেও অসমৰ যুৱক-যুৱতীৰ মাজত তেখেতৰ জনপ্ৰিয়তা মন কৰিবলগীয়া। পৰবৰ্ত্তীকালত মাৰ্ক্সবাদ-লেনিনবাদৰ মতাদৰ্শত বিশ্বাস কৰা ৰাভাদেৱে এক সংঘাতহীন শোষণমুক্ত সমাজ গঠনৰ বাবে আজীৱন চেষ্টা কৰিছিল।

বিপ্লৱী গণশিল্পী বিষ্ণুৰাভা সম্পৰ্কে শিল্পী হেমাংগ বিশ্বাসদেৱে এনেদৰে মন্তব্য দিছে-- *“তেওঁৰ দৰে সৰ্বোতোমুখী সংগ্ৰামী ব্যক্তিত্বৰ লগত তুলনা দিয়াৰ লোক বাংলাদেশত (পশ্চিমবঙ্গ) নাই। ৰাভাই সাম্যবাদ প্ৰতিষ্ঠাৰ বাবে যি হাতেৰে ষ্টেনগান তুলি লৈছিল, সেই হাতেৰেই ছবি আঁকিছে। গাঁৱৰ কৃষকৰ লগত একেলগে নাচিছে, গাইছে। অসমৰ ঐতিহ্যমূলক সত্ৰীয়া নাচ, ওজাপালি, বহিৰ্জগতত সুধী সমাজৰ আগত পৰিবেশন কৰিছে। জীৱনৰ বহুকাল যি কাৰাগাৰৰ অন্তৰালত কটাইছে, তেওঁৱেই আকৌ ফিল্ম ষ্টুডিঅ'ৰ বত্তিৰ পোহৰত কেমেৰাৰ আগত থাকি*

*অভিনয় কৰিছে, কেমেৰাৰ পিছত থাকি চিত্ৰ পৰিচালনা কৰিছে। ৰাভা আছিল পাহাৰ আৰু সমতলৰ সৰাতোকৈ আপোন মানুহ সমন্বয়ৰ সেতু।"*

ৰাভাদেৱৰ জীৱনবৃত্ত নতুনকৈ পৰীক্ষা কৰি চাবলৈ অসমীয়া ডেকা-গাভৰু সকলক আহ্বান জনাই বিশিষ্ট চিন্তাবিদ সমালোচক ডঃ হীৰেন গোঁহাইদেৱে এনেদৰে মন্তব্য দিছে— *"ৰাভাৰ নাম মুখত লৈ হেজাৰ হেজাৰ ডেকা-গাভৰুৱে ৰাজআলিত সমদল কৰিছে। এনেকৈয়ে ৰাভাৰ মৃত্যুৰ পিছত তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে। কিন্তু ৰাভাৰ জীৱিতাৱস্থাত তেওঁ এনেধৰণৰ স্বীকৃতি পাইছিল নে? মৃত্যুৰ আগমুহূৰ্ত্ত পৰ্য্যন্ত ৰবীন্দ্ৰনাথ বংগদেশত আছিল এটা Institution; ঘৰে ঘৰে ৰবীন্দ্ৰ সাহিত্য আৰু ৰবীন্দ্ৰ সঙ্গীতৰ চৰ্চ্চা হৈছিল। ..... বিষ্ণুৰাভাৰ জীৱনবৃত্ত নতুনকৈ পৰীক্ষা কৰি চোৱাৰ সময় আহিছে। বিশ্লেষণ বাদ দি ভাবাবেগত উটি গ'লে সেই সকলৰে লাভ হ'ব, যিসকলে এটা ৰাভা পূজা (Rava cult) সৃষ্টি কৰি তাৰ দ্বাৰা নিজৰ সংকীৰ্ণ 'মতলব হাচিল' কৰিবলৈ বিচাৰিছে।"*

১৯০৯ চনৰ ৩১ জানুৱাৰী তাৰিখে চৰ্দাৰ গোপাল চন্দ্ৰ ৰাভাৰ ঔৰষত আৰু মাক গেঠী বালা ৰাভাৰ গৰ্ভত বৰ্ত্তমান বাংলাদেশৰ ঢাকা চহৰৰ সেনাৰ চাউনীত বিষ্ণুৰাভাৰ জন্ম হয়। গোপাল চন্দ্ৰ ৰাভাৰ পাঁচজন পুত্ৰসন্তান আৰু তিনিজনী কন্যাসন্তানৰ ভিতৰত বিষ্ণুৰাভাই চতুৰ্থ পুত্ৰসন্তানৰূপে জন্ম লাভ কৰে। বিষ্ণু ৰাভাৰ ভায়েক-ভনীয়েক সকল হ'ল দিলীপ, গোলাপ, নন্দলাল, ৰঞ্জীত, কমলা, মনমোহিনী আৰু লক্ষ্মী। পিতৃ ৰায়বাহাদুৰ গোপাল চন্দ্ৰ ৰাভা আছিল দ্বিতীয় আসাম (ইষ্টাৰ্ণ) ৰাইফলছ বাহিনীৰ চুবেদাৰ মেজৰ। পিছলৈ তেওঁ তেতিয়াৰ পূৰ্ববংগৰ আৰু অসমৰ গৱৰ্ণৰৰ এডিকং (Aide-de-comp) নিযুক্ত হৈছিল। সামৰিক বিভাগত কাম কৰা হেতুকে চুবেদাৰ গোপাল চন্দ্ৰ মেজৰ হৈ তেতিয়া ঢাকা চহৰলৈ বদলি হৈছিল। পিতৃ-মাতৃৰ মৰমত ডাঙৰ-দীঘল হোৱা বিষ্ণুৰাভাৰ মুখত এক বিশাল ব্যক্তিত্ব শৈশৱ কালৰ পৰাই আছিল। ঢাকাৰ মিলিটাৰী স্কুলত প্ৰাথমিক শিক্ষা আৰম্ভ কৰা বিষ্ণুৰাভাই তাত বেছিদিন থাকিবলৈ নাপালে। তেওঁৰ বয়স যেতিয়া ৭ বছৰ হৈছিল তেতিয়া দেউতাক গোপাল ৰাভাৰ মৃত্যু হোৱা হেতুকে তেওঁলোকে তেজপুৰলৈ আহে আৰু ৰাভাদেৱে ইয়াৰ চৰকাৰী হাইস্কুলত ভৰ্ত্তি হয়। বহুমুখী প্ৰতিভাৰ

অধিকাৰী মেধাৱী ছাত্ৰ বিষ্ণুৰাভাই সাহিত্য-সংস্কৃতি, ছাত্ৰ সংগঠনৰ উপৰিও ফুটবল; ক্ৰিকেট খেল সকলোকালেই সমানেই পাৰদৰ্শিতা দেখুৱাইছিল। ১৯২২ চনত তেজপুৰত হোৱা সদৌ অসম ছাত্ৰ সন্মিলনত স্বেচ্ছাসেৱক বাহিনীৰ বিষ্ণুৰাভা নায়ক আছিল। ১৯২৫ চনত প্ৰবেশিকা পৰিক্ষাত তেওঁ তেতিয়াৰ অবিভক্ত দৰংজিলাৰ ভিতৰত সৰ্ব্বোচ্চ নম্বৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হৈ 'কুইন এমপ্ৰেচ্' পদক লাভ কৰে।

কলেজীয়া শিক্ষা গ্ৰহণৰ বাবে ৰাভাদেৱে সেইসময়ৰ পূৰ্বাঞ্চলৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল কলিকতালৈ গৈ চেণ্টপ'ল কলেজত আই. এচ. চি শাখাত ভৰ্ত্তি হয় আৰু তাৰ পৰা সফলতাৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯২৮ চনত পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ কলিকতাৰেই ৰিপন কলেজত ভৰ্ত্তি হ'ল। এই কলেজত পঢ়ি থকা সময়ত তেওঁ বহুমুখী প্ৰতিভাৰ অৰ্জন আৰু বিকাশত এক বিশেষ পৰিবেশৰ সুবিধা পাইছিল। কলা-সাহিত্যৰ কেন্দ্ৰস্থল কলিকতাত সাহিত্য-সঙ্গীত ইত্যাদি নানাবিধ কলা চৰ্চ্চাত মনোনিৱেশ কৰিলে। এই কলেজত পঢ়ি থাকোঁতেই কলেজৰ ফুটবল টিমৰ কেপ্তেইনৰূপেও বিশেষ খেলুৱৈৰ দক্ষতা দেখুৱাইছিল। পিছৰ জীৱনতো ৰাভাদেৱে এজন সু-সংগীতজ্ঞ, সাহিত্যিক, নাট্যকাৰ, খেলুৱৈ, নৃত্যবিদ, বাদক, কবি, অভিনেতা তথা ৰাজনীতিজ্ঞ আছিল। এই কলেজত পঢ়ি থাকোঁতে দেশজুৰি চলা স্বদেশী আন্দোলনে ছাত্ৰসমাজৰ ওপৰত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল আৰু কলেজৰ জেনেৰেল কেপ্তেইন বিষ্ণুৰাভাও বৃটিছ বিৰোধী আন্দোলনৰ প্ৰতি আকৰ্ষিত হয়। আন্দোলনত সহযোগ কৰা বুলি পুলিচে ৰাভাদেৱৰ ওপৰত সন্দেহ কৰি খানাতালাচি কৰে। ১৯২৯ চনত অতিমাত্ৰা পুলিচি অত্যাচাৰ চলি থকাত তেওঁ ৰিপন কলেজ এৰি কোচবিহাৰৰ ভিক্টোৰিয়া কলেজলৈ গুছি আহে। এই কলেজতো তীক্ষ্ণ বুদ্ধিৰ মেধাৱী ছাত্ৰ বিষ্ণুৰাভাই বি. এচ. চি. চতুৰ্থবাৰ্ষিক বাছনী পৰিক্ষাত সৰ্ব্বোচ্চ নম্বৰ পাই চূড়ান্ত পৰিক্ষাৰ বাবে প্ৰস্তুত হৈছিল। কিন্তু সেই সময়তে মহাত্মা গান্ধীৰ নেতৃত্বত চলা স্বাধীনতা আন্দোলনে তেওঁৰ মন তীব্ৰভাৱে আকৰ্ষিত কৰিলে। এদিনাখন তেওঁ কোচবিহাৰৰ ৰাজভৱনৰ দুৱাৰমুখত নিজেই হাতেলিখা আৰু ব্ৰিটিছ শাসকৰ বিৰুদ্ধে বাংলা 'ছড়া' এটা এনেদৰে লিখি আৰি দিলে—

'ৰাজ্যে আছে দুইটি পাঠা।

একটি কালো একটি সাদা।।
ৰাজ্যেৰ বলি মঙ্গল চাও।
দুইটি পাঠাই বলি দাও।।'

সেই সময়ত বৃটিছ চৰকাৰৰ অৱৰ্ণনীয় অত্যাচাৰত অতিষ্ঠ হৈ স্বাধীনতা পিপাসু বিষ্ণুৰাভাই এদিন মাজনিশা কোনেও গম নোপোৱাকৈ ৰাজপ্ৰসাদৰ পৰা 'ইউনিয়ন জেক' নমাই তাৰ ঠাইত কংগ্ৰেছৰ ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰি থৈ আহিল। চৰকাৰে চোৰাংচোৱা লগাই এই কথাৰ উমান পোৱাৰ পিছত ৰাভা সেই কলেজৰ পৰা বহিষ্কৃত হ'ল। তাৰ পিছত তেওঁ ৰংপুৰৰ মাইকেল কলেজত ইংৰাজীত অনাৰ্চ লৈ বি. এ পঢ়িবলৈ ল'লে। তাতো পৰীক্ষা দিব অনুমতি নাপাই গুৱাহাটীলৈ আহি বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সক্ৰিয় সদস্য হ'ল।

কলিকতাত থকা কালচোৱাত বিষ্ণুৰাভাই বিভিন্ন কলাৰ লগতে নৃত্য-গীতৰ ওপৰতো শিক্ষা লাভ কৰিছিল। ইয়াতে তেওঁ ৰাচিয়ান বেলে নৃত্য পটীয়সী আনা'পাভলোভাক লগ পাইছিল। তেওঁৰ উপদেশতে থলুৱা গীত-মাত, লোক-নৃত্য আদিত ৰাভাদেৱে মনোনিৱেশ কৰিছিল বুলি জনা যায়। পিছত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ সান্নিধ্যত অহাৰ পিছত সোণত সুৱগা চৰিল। ১৯৪০ চনত কাশীৰ সৰ্বভাৰতীয় মঞ্চত নৃত্য প্ৰদৰ্শন কৰি ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ পৰা সোণৰ পদক আৰু ভাৰত নৃত্য কলা বিশাৰদ উপাধী লাভ কৰে। প্ৰসিদ্ধ নৃত্য বিশাৰদ উদয় শঙ্কৰৰ পিছত তেতিয়া ৰাভাই আছিল এই উপাধী পোৱা দ্বিতীয়জন ব্যক্তি। গ্লোৱ থিয়েটাৰত শিৱৰ তাণ্ডৱ নৃত্যৰ ১০৮ কৰণ নিখুঁতভাৱে প্ৰদৰ্শন কৰি কলিকতাত কলাপ্ৰেমী দৰ্শকৰ চকুত চমক লগাইছিল। ভাৰতীয় নৃত্য কলা সমন্ধে তেওঁৰ গভীৰ জ্ঞান আছিল। শাস্ত্ৰীয় সঙ্গীতৰ সুৰক তেওঁ লোক-গীতসমূহলৈ টানি অনা বাবে এইবোৰ অতিকৈ শ্ৰুতিমধুৰ হৈছিল। কলিকতাৰ চেনোলা আৰু এইচ. এম. ভি কোম্পানীৰ দ্বাৰা অসমীয়া গীত-মাত আদি ৰেকৰ্ড কৰি অসমীয়া কলা-সংস্কৃতিক চহকী কৰিবৰ বাবে ৰাভাদেৱে অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। ১৯৩৫ চনত চেনোলা কোম্পানীৰ পৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ সহযোগত লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ 'জয়মতী' আৰু জ্যোতিপ্ৰসাদৰ 'শোণিত কুঁৱৰী' নাটক

দুখন বাণীবদ্ধ কৰি উলিয়ায়। ইয়াৰ উপৰি ৰাভাদেৱে নিজৰ পৰিচালনাত 'বেউলা', 'ৰতনী', 'বিহুৱতী', 'শঙ্কৰদেউ', 'মাধৱদেউ', 'বৰদৈচিলা' আদি নাটক বাণীবদ্ধ কৰে। ইয়াত তেওঁ নিজে কণ্ঠদান কৰিছিল। অসমীয়া ভাষাৰ উপৰিও তেওঁ ১৭ টা ভাষা জানিছিল। ৰাভাদেৱৰ 'নাহৰ ফুলে নুশুৱায়' গীতটো এবাৰ ইংৰাজী চিনেমা চাবলৈ গৈ দক্ষিণ আমেৰিকাৰ সুৰত অনুপ্ৰাণিত হৈ লিখা।

সুদৰ্শন বিষ্ণুপ্ৰসাদৰ আনক মুহিব পৰা গুণ আছিল আৰু সেই গুণৰ প্ৰভাৱত হেজাৰ হেজাৰ মানুহক সম্মোহন কৰিব পাৰিছিল। কলিকতাত থকা কালচোৱাত নৃত-গীত ইত্যাদি সাংস্কৃতিক কামত ব্যস্ত হৈ থাকোঁতে তাতে যোৰহাটৰ যোল্লবছৰীয়া গায়িকা প্ৰিয়লতা দত্তক লগ পায়। দুয়ো একেলগে গ্ৰামোফোন ৰেকৰ্ডৰ বাবে গীতৰ আখৰা চলাই আছিল। তাতেই তেওঁলোকৰ দুয়োৰে মাজত প্ৰীতিৰ ভাব হয় আৰু ১৯৩৫ চনত দুয়োৰে মাজত শুভ-বিবাহ সম্পন্ন হয়। কিন্তু দুৰ্ভাগ্যক্ৰমে বিয়াৰ কিছুদিন পিছতেই সন্নিপাত জ্বৰত আক্ৰান্ত হৈ কলিকতা মেডিকেল কলেজত প্ৰিয়লতাৰ মৃত্যু হয়। প্ৰিয়তমাৰ মৃত্যুত শিল্পী জনাৰ মন ভাঙি পৰে আৰু মনলৈ বৈৰাগ্যভাব আহে। সকলো এৰি ৰাভাদেৱে সন্যাসী হৈ গুছি যাবলৈ ওলাইছিল যদিও বন্ধু-বান্ধৱৰ বুজনিত তথা সমাজ সেৱাৰ আকাংখাত ধৈৰ্য্যৰে মন বান্ধে। সেই সময়তেই তেওঁ ৰচিছিল---

"পৰজনমৰ শুভ লগনত
    যদিহে আমাৰ হয় দেখা।
পূৰাবানে প্ৰিয়ে এই জনমৰ
    মোৰ হিয়াৰ অপূৰ্ণ আশা।।
এই জনমৰ কুসুম মালা
    যতনে তুমি গাঁথি ৰাখিলা।
কাহানিও তুমি নিপিন্ধিলা
    শূণ্য মোৰ বুকু হ'ল যে উকা।"

পত্নী প্ৰিয়লতাৰ অকাল বিয়োগৰ পিছত ৰাভাদেৱে ১৯৩৬ চনত

তেজপুৰৰ নিজৰ ঘৰলৈ উভতি আহি নিতান্ত মাৰি ধৰা ৰাভাক্ষেত্ৰক পুনৰ গীত-মাতৰ আখৰাবে সক্ৰিয় কৰি তোলে। ১৯৩৭-৩৮ চনত তেওঁ মাজতে ছিলঙত গঠন হোৱা 'কামৰূপী নৃত্য সঙ্ঘ' টো যোগদান কৰি অসমৰ বিভিন্ন অঞ্চলত নৃত্যৰ প্ৰদৰ্শন কৰে। ১৯৪০ চনৰ পিছত দেখা দিয়া প্ৰথম বিশ্বযুদ্ধৰ সময়চোৱাত ৰাভাৰ বিপ্লৱী মনতো বিদ্ৰোহৰ সৃষ্টি হয়। চল্লিচৰ এই দশকটোত তেখেতে কেবাটাও বিপ্লৱী গীতৰ ৰচনা কৰে। ১৯৪৫ চনৰ পিছত তেখেতৰ জীৱনত মাৰ্ক্সবাদ - লেনিনবাদে প্ৰভাৱ পেলায় আৰু সেই বছৰতে ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ (আৰ. চি. পি. আই) সদস্য লাভ কৰে। ১৯৩৪-১৯৪২ চনলৈ ভাৰতৰ কমিউনিষ্ট পাৰ্টি (চি.পি.আই) আৰু ১৯৪৩-১৯৪৬ চনলৈ আৰ-চি-পি-আইক চৰকাৰে বেআইনী বুলি ঘোষণা কৰে। আৰ-চি-পি-আইক বেআইনী ঘোষণা কৰাৰ পিছত সহকৰ্মীসকলৰ সৈতে ৰাভাই আত্মগোপন কৰে।

মাৰ্ক্সবাদৰ পোহৰত ৰাভাদেৱে অসমৰ কৃষ্টি সংস্কৃতি আৰু সমাজক নতুনকৈ অনুধাৱন কৰিবলৈ যত্ন কৰিছিল। মাৰ্ক্সবাদ-লেনিনবাদে তেওঁৰ অস্থিৰ জীৱনলৈ গভীৰতা আনি দিছিল আৰু অসমৰ ৰাইজক সমাজতান্ত্ৰিক আদৰ্শৰ প্ৰতি আকৰ্ষিত কৰিবলৈ সভা-সমিতিবোৰৰ যোগেৰে প্ৰয়াস কৰিছিল। মাৰ্ক্সবাদ, বস্তুবাদ আৰু ভাববাদৰ মাজত সীমাৰেখা টানি ৰাভাদেৱে 'ডাইলেকটিক' শীৰ্ষক প্ৰবন্ধত লিখিছে—

*"মাৰ্ক্সবাদে মানুহ বা মানুহৰ সমাজক প্ৰকৃতিৰ অংশ বুলিহে বিচাৰ কৰে। গতিকে মানুহৰ উৎপত্তি আৰু ইয়াৰ ইতিহাস বিচাৰিব লাগিলে মানুহক পৃথিৱীৰ বিকাশ আৰু অগ্ৰগতিৰ মাজতে বিচাৰিব লাগে। মানুহৰ জীৱন বিকাশৰ মাজেদি চিন্তা আৰু সচেতনভাৱে কামকৰাৰ ক্ষমতাৰ উদ্ভৱ হৈছিল। গতিকে বস্তু বা বাস্তৱ সত্তাৰ সচেতন অংশৰ জন্মৰ প্ৰথম আৰু মন বা বাস্তৱ সত্তাৰ সচেতন অংশৰ জন্মৰ পিছত। প্ৰকৃতি সম্বন্ধে আৰু মানৱ সমাজৰ সম্বন্ধে এনে দৃষ্টিভংগীকেই বস্তুবাদ বা মেটেৰিয়েলিজম (Materialism)। ইয়াৰ বিপৰীত দৃষ্টিভংগীকেই কোৱা হয় ভাববাদ বা আইডিয়েলিজম (Idealism)।"* তেখেতে আকৌ লিখিছে-

*"— মাৰ্ক্সবাদে সমস্ত আৱিষ্কাৰ আৰু সমস্ত সিদ্ধান্তক বাস্তৱ অভিজ্ঞতাৰ মাপকাঠিৰে বিচাৰ কৰে। বিশেষ সিদ্ধান্ত আৰু তত্ত্ব বাস্তৱ ঘটনাৰ লগত খাপ নেখায়, সেইবোৰক বৰ্জন বা সংশোধন কৰে। বিজ্ঞান আৰু*

*মানৱ সমাজ সম্বন্ধে এই দৃষ্টিভংগীৰ কিছুমান সাধাৰণ লক্ষণ বা সূত্ৰ আছে। সেইবোৰ মনৰ পৰা সৃষ্টি কৰা নহয়, বাস্তৱ সত্য।"*

ৰাভাদেৱে তেওঁৰ এই বৈপ্লৱীক জীৱনাদৰ্শ আৰু ৰাজনৈতিক অৱস্থান-তেওঁৰ বিভিন্ন প্ৰবন্ধৰাজিত প্ৰকাশ পাইছে। সেইবোৰৰ ভিতৰত ---- 'সমাজবাদ হ'লে কি লাভ', 'মে দিৱস', 'ডাইলেকটিক', 'ৰাজনীতি', 'লেলিন', 'মাৰ্ক্সীয় অৰ্থনীতি', 'বিপ্লৱ', 'চোচিয়েলিষ্ট সমাজ আৰু কমিউনিষ্ট সমাজৰ পাৰ্থক্য' ইত্যাদি প্ৰধান। তেখেতৰ 'নয়া-গণতন্ত্ৰ' শীৰ্ষক লেখাটোত সমাজবাদী বিপ্লৱৰ লক্ষ্য সম্পৰ্কে কৈছে -- *"সমাজবাদী বিপ্লৱৰ প্ৰথম লক্ষ্য হৈছে— শ্ৰমিক শ্ৰেণীৰ দ্বাৰা ক্ষমতা দখল, কাৰণ ৰাজনৈতিক ক্ষমতা কৰায়ত্ত কৰিব নোৱাৰিলে, জনসাধাৰণৰ ডিক্টেটৰী প্ৰতিষ্ঠিত নহয়। ৰাজনৈতিক দখলৰ পাছত শ্ৰমিক শ্ৰেণীয়ে এই ক্ষমতা প্ৰয়োগ কৰি দোপতদোপে বুৰ্জোৱাহঁতৰ হাতৰ পৰা বৈপ্লৱিক ক্ষমতা কাঢ়ি সমস্ত উৎপাদিকা শক্তি ৰাষ্ট্ৰৰ অধীনত সংহত কৰিব। নয়া-গণতন্ত্ৰী ৰাষ্ট্ৰত শোষিত শ্ৰেণীয়ে ৰাজনৈতিক ক্ষমতা হস্তগত কৰি সমাজবাদ প্ৰতিষ্ঠাৰ বাবে আগুৱাই যায়।"*

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে যদিও বিষ্ণুৰাভাৰ বিপ্লৱী কমিউনিষ্ট দলে ইয়াক প্ৰকৃত স্বাধীনতা পোৱা বুলি স্বীকৃতি দিয়া নাছিল। তেওঁলোকৰ দৃষ্টিত বৃটিছে মাথোঁ এই স্বাধীনতাৰ যোগেদি বুৰ্জোৱা শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰা কংগ্ৰেছ দলক‍হে ৰাষ্ট্ৰক্ষমতা হস্তান্তৰ কৰিলে। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ গণতন্ত্ৰ দিৱসৰ দিনাখন টিহুৰ দীঘেলীত কলা পতাকা উত্তোলন কৰি ৰাইজৰ লগতে অংশগ্ৰহণ কৰি ৰাভাদেৱেও 'ইয়ে আজাদী ঝুঠা হ্যায়' ধ্বনি দিয়ে। ইয়াৰ পিছতে ৰাভাক জীৱিত বা মৃত অৱস্থাত ধৰি দিব পাৰিলে দহ হেজাৰ টকা পুৰস্কাৰ দিয়া হ'ব বুলি সেই সময়ৰ কংগ্ৰেছ চৰকাৰে ঘোষণা কৰে। গ্ৰেপ্তাৰৰ পৰা হাত সাৰিবলৈ পাৰ্টিৰ নিৰ্দেশত বিষ্ণুৰাভাই আত্মগোপন কৰি গাঁৱে-ভূঁএ সংগঠন কৰি মুক্তি ফৌজ, নাৰী মুক্তি সংঘ আৰু কৃষক ৰনুৱা পঞ্চায়ত গঢ়ি তোলে। আত্মগোপন কৰি থকাৰ সময়তে নলবাৰী জিলাৰ বেল্লাশৰৰ নবীন চন্দ্ৰ মেধিৰ ঘৰত মেধিৰ জীয়ৰী কনকলতা মেধিক লগ পায়। কনকলতা নিজেও আছিল আৰ-চি-পি-আইৰ সদস্যা। এটা সময়ত দুয়ো দুয়োকো প্ৰতি আকৰ্ষিত হৈ ১৯৫১ চনত যুগ্ম জীৱনৰ পাতনি মেলে।

বিয়াৰ পিছত আত্মগোপন কৰি থাকোঁতে ১৯৫২ চনৰ ১৭ জুলাইত গোৱালপাৰা জিলাৰ ঘিলাগুৰি গাঁৱত সশস্ত্ৰ পুলিচৰ দল এটাই ৰাভা আৰু কনকলতাক আটক কৰে। ধুবুৰী কাৰাগাৰত ছমাহ কটোৱাৰ পিছত কনকলতাক মুকলি কৰি দিয়ে যদিও ৰাভাদেৱে ১৯৫৩ চনতহে কাৰাগাৰৰ পৰা মুক্তি লাভ কৰে। ধুবুৰী জেলত থকাৰ সময়তেই ৰাভাই 'কুৰি বছৰ জেইল', 'মামীৰ হাৰ' আদি গল্প লিখে। উত্তৰ কামৰূপৰ মচলপুৰ অঞ্চলত আত্মগোপন কৰি থাকোঁতে লামিদাৰা গাঁৱৰ কালিকুমাৰ ব্ৰহ্মৰ ঘৰত মোহিনী বালা নামৰ এক গাভৰুক লগ পায়। মোহিনী ৰাভা আছিল কোক্‌ৰাঝাৰ জিলাৰ গোঁসাইগাঁৱৰ দোভাই গাঁৱৰ খাদী আশ্ৰমৰ আদৰ্শত দীক্ষিতা। পিছলৈ মোহিনীবালাৰ সৈতে ৰাভাদেৱৰ আন্তৰিকতা গঢ়ি উঠে আৰু ১৯৬২ চনত পত্নী কনকলতা অসুস্থ হৈ অকাল মৃত্যু হোৱাত কন কন পুত্ৰ সন্তান পৃথ্বিৰাজ আৰু হেমৰাজৰ মুখলৈ চাই মোহিনীবালাক বিয়া কৰায়। মোহিনীবালাৰ গৰ্ভত মেঙেলা নামৰ এক পুত্ৰ সন্তান জন্ম পায়।

১৯৫৩ চনত কাৰাগাৰৰ পৰা মুক্তি লাভ কৰাৰ পিছত ৰাভাদেৱে সতীৰ্থবৃন্দৰ সৈতে -- 'ভাৰতৰ কমিউনিষ্ট পাৰ্টি' ত যোগদান কৰে আৰু এই দলৰ প্ৰাৰ্থীৰূপে ১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনত বৰপেটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰে। ১৯৬২ চনত চীন-ভাৰতৰ যুদ্ধ লগাৰ সময়তো চৰকাৰে 'চীনপন্থী' বুলি অভিহীত কৰি দেশদ্ৰোহী সজাই ১৯ নভেম্বৰৰ ৰাতি চৰকাৰী চিপাহীয়ে ৰাভাদেৱক ককালত ৰচি লগাই গ্ৰেপ্তাৰ কৰি তেজপুৰৰ ৰাজআলিয়েদি খোজকঢ়াই নি কাৰাগাৰলৈ চালান দিছিল। শকত আৰত ৰাভাদেৱৰ হাতৰ গাঁঠি ইমানেই পুৰঠ আৰু ডাঙৰ আছিল যে চিপাহীৰ হাত-কেৰেয়াই তেখেতৰ হাত চুকি পোৱা নাছিল। ফলত পঘা ৰচিৰে বান্ধি সুদূৰ উৰিষ্যাৰ বৰহমপুৰ জেললৈ প্ৰেৰণ কৰে। পিছৰ বছৰত তেওঁ মুক্তি লাভ কৰে। ১৯৬৭ চনত নিৰ্দলীয় প্ৰাৰ্থীৰূপে তেজপুৰ বিধানসভা সমষ্টিৰ পৰা তেওঁ বিধায়ক ৰূপে নিৰ্বাচিত হয় আৰু বিধান সভাত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ আসন গ্ৰহণ কৰে। ১৯৬৮ চনত কোকৰাঝাৰ [illegible] সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰে যদিও পৰাজিত হয়। সেই বছৰৰে শেষৰ [illegible] তেওঁ [illegible] হয় আৰু ২০ [illegible] মৃত্যুৰ

টাটা মেমোৰিয়েল কেন্সাৰ ইনিষ্টিটিউটলৈ চিকিৎসাৰ বাবে লৈ যোৱা হয়। দুমাহ চিকিৎসা কৰাৰ পিছত পুনৰ তেজপুৰলৈ উভতি আহে আৰু ১৯৬৯ চনৰ ১৯ জুনৰ নিশা ২ বাজি ২৫ মিনিট যোৱাত শেষ নিশ্বাস ত্যাগ কৰে। জীৱনৰ শেষ সময়চোৱাত ৰচনা কৰা তেওঁৰ সৰ্বশেষ বিখ্যাত জনপ্ৰিয় গীতটো------

"এয়ে মোৰ শেষ গান
মোৰ জীৱন নাটৰ শেষ ৰাগিনী
কল্যাণ খৰমান ...................... ।"

ৰাভাদেৱে জীৱিতকালত সদায় শোষিত-নিস্পেষিত ৰাইজৰ মাজলৈ সোমাই গৈ হৃদয়ৰ সংযোগ ঘটাইহে শিল্প চৰ্চ্চা কৰিছিল। তেখেতৰ চেতনাত নিহীত হৈ আছিল এক শোষণহীন শ্ৰেণীবিহীন সমাজৰ স্বপ্ন। সেয়েহে তেওঁৰ বৈপ্লৱীক গীতবোৰতো এই দিশত সহায়ক হোৱাকৈ সুৰ ৰচনা কৰিছিল----

"বল্ বল্ বল্ বল্
কৃষক শক্তি দল।
অ বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ বল্।"

বিষ্ণুৰাভাদেৱে অসমীয়া কৃষ্টি-সংস্কৃতিৰ কথা কওঁতে মিকিৰ, লালুং, নগা, খাচী, মৰাণ, ৰাভা, গাৰো, ডিমাচা, কোচ, মণিপুৰী, বামুন, শুদিৰ, কায়স্থ, কৈৱৰ্ত্ত, হিন্দু, খ্ৰীষ্টান, শিখ, মুচলমান আদি অসমবাসীৰ সমন্বয়ৰ সংস্কৃতিৰ কথাহে কৈছিল। উদাৰ আৰু বহল দৃষ্টিত সমন্বয়ৰ ভেটিত অসমীয়া জাতি গঠনৰ ওপৰত তেওঁ গুৰুত্ব দিছিল। এই বিষয়ে তেওঁ 'অসমীয়া কৃষ্টিৰ চমু আভাস'— শীৰ্ষক অভিভাষণত কৈছে — *"অসমৰ যি কৃষ্টি-সংস্কৃতি আছে, তাক সংস্কৃত কৰিব লাগিব। যি নতুনকৈ আহিছে তাক অসমীয়া ঠাচত ভালকৈ সজাই পৰাই গঢ়িব লাগিব। তেতিয়াহে আমাৰ অসমীয়া কৃষ্টি-সংস্কৃতি আৰু সভ্যতাই পূৰ্ণ বিকাশ পাব আৰু অসমীয়া জাতি বাচিব।"* ৰাভাদেৱে অসমীয়া কৃষ্টি হোজা গাঁৱলীয়া অসমীয়াৰ হাতততহে বাচি থাকিব বুলি অনুমান কৰিছিল।

এই বিষয়ে তেওঁ 'অসমীয়া কৃষ্টিৰ চমু আভাস' ত কৈছে— *"অসমীয়া কৃষ্টি-সংস্কৃতি আৰু সভ্যতা নিৰ্য্যাতিত-নিষ্পেষিত দুখীয়া গাঁৱলীয়া কৃষক-বনুৱা অসমীয়াইহে আজিও অৱহেলিতভাৱে জীয়াই ৰাখিব পাৰিছে, যিবিলাকেৰে আজিও আমি গৌৰৱ অনুভৱ কৰিব পাৰোঁ, অসমীয়া বুলি জগতত চিনাকী দিব পাৰোঁ। গতিকে অসমীয়া জাতিৰ মৃত্যুবাণ এই হোজা, দুখীয়া, গাঁৱলীয়া অসমীয়াৰ হাতত হে।"* ৰাভাদেৱে বৃহত্তৰ অসমীয়া জাতিৰ অন্তৰ্ভুক্ত বিভিন্ন জনগোষ্ঠী সমূহৰ ভাষা-কৃষ্টি আদিৰ সুৰক্ষা প্ৰদানৰ ওপৰত গুৰুত্ব দিছিল। বৃহত্তৰ অসমীয়া জাতিৰ অন্তৰ্গত বিভিন্ন জনগোষ্ঠী সমূহৰ মাজত গঢ়ি উঠা বিচ্ছিন্নতাবাদী মনোভাবৰ অন্ত পেলাবলৈ তেওঁ এনেদৰে কৈছে— *"অসমৰ অত্যাচাৰিত আৰু অৱনত জাতিসমূহক আন আন উন্নত জাতিৰ লগত একে আসনত ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজনেতা সকলে এতিয়াৰে পৰা চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতিসমূহৰ বুকুত বিদ্ৰোহৰ অগনি জ্বলাই অসমত আৰু এটা গৃহ কন্দলৰ বাহ সাজি দিয়া হ'ব।"*

বিষ্ণুৰাভাৰ দৃষ্টিত অসমৰ সমাজ-জীৱনৰ সমন্বয়ৰ প্ৰতীক আছিল শ্ৰীমন্ত শঙ্কৰদেৱ। শঙ্কৰদেৱক তেওঁ বিপ্লৱৰ আৰ্হি বুলি অভিহীত কৰিছিল। ১৯৪৫ চনত কনিহাত অনুষ্ঠিত হোৱা বিহু উৎসৱৰ কৃষ্টি শাখাৰ সভাপতিৰূপে দিয়া অভিভাষণত মহাপুৰুষ শঙ্কৰদেৱৰ বিষয়ে এনেদৰে কৈছিল— *"শঙ্কৰদেৱৰ যুগতে হ'ল অসমীয়া শিল্পৰ চৰম বিকাশ। এই পৃথিৱীত যিসকল মহাপুৰুষে জন্মগ্ৰহণ কৰিছিল তাৰ ভিতৰত তিনিজন মহাপুৰুষ আছিল কৃষ্টিৰ আকৰ। এজন হৈছে স্বয়ং শ্ৰীকৃষ্ণ। 'কৃষ' ধাতু লগ্ন কৃষ্টিৰ আকৰ কাৰণে তেওঁক কৃষ্ণ বুলিছিল। তেওঁ কি নাজানিছিল—গীত, বাদ্য, নৃত্য, ৰাজনীতি, ধনুৰ্বিদ্যা ইত্যাদি? তেওঁ আছিল সৰ্বগুণনিধি। আৰু এজন আছিল ইটালিৰ লিওনাৰ্দো দ্যা ভিঞ্চি; তেওঁ একেলগে বৈজ্ঞানিক, চিত্ৰকৰ, ৰাজনীতিজ্ঞ পুৰুষ আছিল। আৰু এজন আছিল আমাৰ এই অসমৰে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ, যাক আজিও অসমে গুৰু বুলি পূজা কৰি থাকে। সচাঁকৈয়ে আজি শঙ্কৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হ'ব। শঙ্কৰদেৱ নাথাকিলে অসমীয়াৰ একোৱেই নাথাকিব।————।"*

সেই সময়ত বৰপেটা স্থান আছিল মহাপুৰুষ শঙ্কৰদেৱৰ

ক্ষেত্ৰস্বৰূপ। বিষ্ণুৰাভাৰ ভিনীহিয়েক আৰু বাইদেৱেক বৰপেটাত থকাৰ বাবে তেওঁ মাজে মাজে বৰপেটালৈ আহিবলৈ সুবিধা হৈছিল আৰু শঙ্কৰী সত্ৰীয়া-সংস্কৃতিৰ বিভিন্ন কৰ্মস্থান সমূহলৈ গৈ গায়ন-বায়ন আদিৰ লগত যোগাযোগ কৰিব পাৰিছিল। ছাত্ৰাবস্থাৰ পৰাই ৰাভাদেৱে শঙ্কৰী সাহিত্যৰ ওপৰত গভীৰ অধ্যয়ন কৰিছিল আৰু শ্ৰীমন্ত শঙ্কৰৰ প্ৰতি থকা তেওঁৰ গভীৰ শ্ৰদ্ধা বিভিন্ন লিখনিত পোৱা যায়। তেখেতৰ মতে শ্ৰীমন্ত শঙ্কৰ প্ৰকৃততে ৰাইজৰ শিল্পী, ৰজাৰ নহয়। আহোম স্বৰ্গদেউৰ চিপাহীয়ে আটক কৰিবলৈ যাওঁতে শ্ৰীশঙ্কৰে ভিতৰুৱা মিৰিগাঁওত গৈ মৰংঘৰত আশ্ৰয় লৈ আছিল। এই মৰংঘৰবোৰত সাধাৰণতে মিচিং সমাজে ডেকা সকলক ৰাখি জীৱন সংগ্ৰামৰ বাবে প্ৰয়োজন হোৱা কৃষি, সমাজ, ৰণ-নীতি, কৃষ্টি-সংস্কৃতি আদি বিভিন্নদিশত প্ৰশিক্ষণ দিয়ে। ৰাভাদেৱৰ মতে মৰংঘৰৰ আদৰ্শতেই পোণতে শ্ৰীমন্ত শঙ্কৰে নামঘৰ নিৰ্মাণ কৰে। বিষ্ণুৰাভাই শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰু শঙ্কৰ-মাধৱৰ যুগৰ ছবি আকি চপা কৰি উলিয়াই বৰপেটাত ভকত সকলৰ মাজত বিলাই দিছিল। 'বাঁহী' আলোচনীতো তেওঁ সাত-খলপীয়া সিংহাসনৰ বেটুপাত আকিছিল। অসমীয়া সংস্কৃতিৰ ৰক্ষণাবেক্ষন, শঙ্কৰীনৃত্য, গীত-চৰ্চাৰ গৱেষণা আৰু প্ৰচাৰৰ বাবে তেওঁ কেবাখনো আঁচনি উলিয়াইছিল। সেইবিলাকৰ ভিতৰত School of Art, Dance School of Art and Culture উল্লেখযোগ্য। ৰাভাদেৱে তেওঁৰ গীতত অসমীয়া ডেকাসকলক ***"অ অসমীয়া ডেকাদল আজি তোৰ তেজাল বদন মলিন কিয় হ'ল?"*** বুলি শঙ্কৰদেৱৰ আদৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

বিষ্ণুৰাভাদেৱে ভালেমান গল্প, উপন্যাস, নাটক, প্ৰবন্ধ, গীত আদি ৰচনা কৰি অসমীয়া সাহিত্য চহকী কৰি থৈ গৈছে। এই বিলাকৰ ভিতৰত — 'সোণপাহী', 'মিচিং কানেঙ' হ'ল উপন্যাস, 'মুক্তিদেউল' এখনি নৃত্যনাটিকা,' 'অসমীয়া কৃষ্টিৰ চমু আভাস' — এখন সমালোচনা মূলক গ্ৰন্থ। তেখেতে ইতিহাসৰো গৱেষক আছিল। মকি বুৰঞ্জী, দিমাছা-কচাৰী বুৰঞ্জী, মত সম্প্ৰদায়ৰ ইতিহাস আদি কেবাখনো গৱেষণামূলক গ্ৰন্থ ৰচনা কৰি গৈছে। অভিনয়ৰ দক্ষতা থকা ৰাভাদেৱে 'চিৰাজ', 'প্ৰতিধ্বনি' আদি কথাছবিতো অভিনয় কৰিছিল।

বিপ্লৱী বিষ্ণুৰাভাই এখন শ্ৰেণীহীন ভাতৃত্বমূলক সমাজ বিচাৰিছিল।

তেখেতে অসমৰ হালুৱা, হজুৱা, দলিত, নিষ্পেষিত বিভিন্ন জনগোষ্ঠীৰ মাজলৈ সোমাই গৈ এখন শোষণহীন সমাজ গঠনৰ বাবে উদাত্ত আহ্বান জনাইছিল। দেহে কেহে জনতাৰ কাৰণে প্ৰাণ উছৰ্গা কৰা আজীৱন সংগ্ৰামী ৰাভাদেৱৰ ব্যক্তিত্ব, কৃতি আৰু সত্তাই আজিও অসমীয়াৰ প্ৰাণ স্পৰ্শ কৰে আৰু প্ৰতিবছৰৰ ২০ জুনৰ দিনাখন অসমপ্ৰেমী কলাগুৰু বিষ্ণুৰাভাৰ সোঁৱৰণত সমগ্ৰ অসমতে 'ৰাভাদিৱস' পালন কৰে। অসমীয়া যুৱক সকলৰ বিপ্লৱী সত্তাক ৰাভাদেৱৰ আদৰ্শ তথা কৰ্মৰাজীয়ে এক শ্ৰেণীহীন, বৰ্ণহীন সমাজ গঠনৰ বাবে অনুপ্ৰেৰণা যোগায়।

❖❖❖

## সহায়ক গ্ৰন্থপঞ্জীৰ তালিকা


১। 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা' ——— তিলক দাস। বনলতা (১৯৮৮) ডিব্ৰুগড়।

২। 'বিষ্ণুৰাভা এতিয়া কিমান বাস্তি' ——— তিলক দাস। চন্দ্ৰ প্ৰকাশ (১৯৯৭) গুৱাহাটী।

৩। 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ' ——— প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ড (১৯৮৯, ১৯৯৭), মুখ্য সম্পাদক যোগেশ দাস। ৰাভা ৰচনাৱলী প্ৰকাশন সংঘ, তেজপুৰ।

৪। 'বিষ্ণুৰাভাৰ জীৱন আৰু দৰ্শন' — ইছমাইল হোছেইন, জ্যোতি প্ৰকাশন (১৯৯১), গুৱাহাটী।

৫। গৰীয়সী, (জানু' ২০০০ ইং)।


❋❋❋

*"উপন্যাসৰ চৰিত্ৰ সৃষ্টি, চৰিত্ৰৰ জ্ঞান, অনুভূতি বাস্তৱতাৰ অধ্যয়নৰ ওপৰতে হয়। চৰিত্ৰৰ বিকাশ বাস্তৱতাৰ প্ৰতীক মাথোন। উপন্যাস সৃষ্টিৰ যি পটভূমি আছে, সেয়া নিজা সৃষ্টিশীলতাৰ মাজেদিহে প্ৰকাশ পায়। মুনষ্যত্ব বোধেই উপন্যাস সৃষ্টিৰ উপজীব্য" ———- ড⁰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য*

# নিৰৱ সাধক ড⁰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

অসমৰ প্ৰথমজনা জ্ঞানপীঠ বঁটাবিজয়ী সাহিত্যিক, সমাজবাদী চেতনাৰে উদ্বুদ্ধ চিন্তানায়ক আৰু একাধাৰে কবি, উপন্যাসিক, গল্পকাৰ, নিবন্ধকাৰ, সাহিত্য সমালোচক অনুবাদক, ৰাজনৈতিক ভাষ্যকাৰ, সাংবাদিক ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য হ'ল আধুনিক অসমীয়া সাহিত্য আকাশৰ এক উজ্জ্বল নক্ষত্ৰ। সৰ্বভাৰতীয় সাহিত্য অনুষ্ঠান-'সাহিত্য অকাডেমী' ৰ প্ৰাক্তন অধ্যক্ষ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ ৰামমনোহৰ লোহিয়া আসনৰ প্ৰথমজন অসমীয়া অধ্যাপক ডঃ ভট্টাচাৰ্যদেৱে অসমীয়া সাহিত্য জগতলৈ যি মূল্যবান বৰঙণি আগবঢ়াই থৈ গ'ল, তাৰ বাবে অসমীয়া জাতি তেওঁৰ ওচৰত চিৰদিন ঋণী হৈ থাকিব। কলমটোকে সাৰথি কৰি নিজকে 'লেখক বনুৱা' ৰূপে পৰিচয় দিয়া নিৰহংকাৰ ডঃ ভট্টাচাৰ্যদেৱ এক সৰল ব্যক্তিত্ব, মাৰ্জিত ৰুচিবোধ আৰু গভীৰ জীৱনবোধৰ অধিকাৰী আছিল। এজন সফল উপন্যাসিক হিচাপে বিশেষভাৱে পৰিচিত তেখেতৰ উপন্যাস সাহিত্যত গভীৰ মানৱতাবোধ, আৰ্থ সামাজিক -ৰাজনৈতিক চেতনা, বৈচিত্ৰপূৰ্ণ বিষয় আৰু চৰিত্ৰৰ সংযোজন বিশেষভাৱে মনকৰিবলগীয়া। গ্ৰাম্য পটভূমিৰ পৰা আৰম্ভ কৰি শিল্প উদ্যোগৰ সংঘাতলৈকে, জনগোষ্ঠীয় জীৱনচৰ্যাৰ পৰা ৰাজনৈতিক সংঘাতলৈ বিভিন্ন বিষয় তেখেতৰ উপন্যাসৰ বিষয়বস্তু। ডঃ ভট্টাচাৰ্যৰ সাহিত্যিক সাফল্যৰ বিষয়ে বিশিষ্ট সাহিত্য সমালোচক ডঃ প্ৰভাকৰ মাচাৱে এনেধৰণে মন্তব্য আগবঢ়াইছে -

" ....... Birendra is a keen observer of life of persons, places, happenings and the motivations behind man's thinking and behav-

ing in a particular manner. He is a student of cultural anthropology and social psychology. As a poet he sensitively handles language, with all its nuances. But as a prose narrative writer, he is fully aware of the limitations of such a poetic style. He never falls into the trap of being common place in his narration, yet he never loses his grip on the readers credibility. Here - in lies the excellence of Birendra Kumar as a story teller and a novelist who will be remembered for long, and not just read and forgotten"

যোৰহাট নগৰৰ পৰা দহমাইল দুৰত অৱস্থিত ঢেকীয়াখোৱা গাওঁৰ পুৰণি নিবাসী পিতৃ শশীধৰ ভট্টাচাৰ্যৰ ঔৰসত আৰু মাতৃ আইদেউ ভট্টাচাৰ্যৰ গৰ্ভত ১৯২৪ চনৰ ১৪ অক্টোবৰ তাৰিখে চাক্ৰাই চাহবাগিচাত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱৰ জন্ম হয়। সাতজন ভাই-ভনীৰ ভিতৰত বীৰেন্দ্ৰ কুমাৰ দ্বিতীয় আছিল। প্ৰথমজন সু-সাহিত্যিক কবি অধ্যাপক নলিনীধৰ ভট্টাচাৰ্য আৰু আন তিনিজন ভাতৃ ক্ৰমে গিৰীন, অনিল আৰু কামাখ্যা ভট্টাচাৰ্য। পিতৃ শশীধৰ ভট্টাচাৰ্য সেই চাহবাগিচাত চাকৰি কৰিছিল আৰু চাহবাগিচাৰ বনুৱাৰ বোকোচাত উঠিয়ে বীৰেন্দ্ৰ কুমাৰৰ শৈশৱকাল অতিবাহিত হৈছিল। চাক্ৰাই চাহবাগিচাতে ভট্টাচাৰ্যদেৱৰ পঢ়াশালীয়া জীৱন আৰম্ভ হয়। পাঠশালাৰ নিম্ন শ্ৰেণীত পঢ়ি থকা সময়তে তেওঁ মহাপুৰুষ শঙ্কৰদেৱৰ ওপৰত এটি কবিতা ৰচনা কৰে আৰু তেওঁলোকৰ এখন হাতে লিখা আলোচনী - 'পূৰবী অৰুণ'ত এই কবিতা প্ৰকাশ পায়। পাঠশালাৰ শিক্ষা সমাপ্ত হোৱাৰ পিছত কাকজানৰ এম, ই স্কুলত তেওঁ ভৰ্ত্তি হয় আৰু সেই স্কুলৰ পৰা বৃত্তি লাভ কৰি এম. ই পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাটৰ চৰকাৰী হাইস্কুলত নাম লগায়। সেই সময়তে বীৰেন্দ্ৰ কুমাৰে ককাদেউতাক কৃষ্ণকান্ত ভট্টাচাৰ্য সম্পাদিত - 'আসাম বিলাসিনী', নীলমণি ফুকন সম্পাদিত 'সাদিনীয়া বাতৰি', 'দৈনিক বাতৰি' আৰু 'আৱাহন', বাঁহী আদিৰ নিয়মীয়া পাঠক আছিল। হাইস্কুলৰ মুখপত্ৰ 'জেউতি'ত তেওঁৰ প্ৰথম চুটি গল্প 'মাহী আইৰ সাদৰ' আৰু হাতে লিখা আলোচনী 'চেনেহী'ত প্ৰথম প্ৰবন্ধ 'ছাত্ৰ আৰু ৰাজনীতি' প্ৰকাশ পায়। ১৯৪১ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা চাৰিটা বিষয়ত লেটাৰ সহ প্ৰথম আৰু অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰি বীৰেন্দ্ৰকুমাৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজৰ বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰে। ১৯৪৩

চনত এই কলেজৰ পৰাই আই, এচ, চি আৰু ১৯৪৫ চনত বি, এচ, চি পৰীক্ষাত উত্তীৰ্ণ হয়।

কলেজীয়া অৱস্থাত পঢ়ি থকা দিনতেই বীৰেন্দ্ৰ কুমাৰৰ সাহিত্যিক প্ৰতিভা বিকশিত হবলৈ ধৰে। কটন কলেজৰ বিজ্ঞান শাখাৰ প্ৰথম বাৰ্ষিকত পঢ়ি থাকোঁতে 'মৰহি পৰা জীৱন' নামৰ চুটিগল্পটোৰ জৰিয়তে তেওঁ সুকুমাৰ কলা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে আৰু ১৯৪২ চনৰ 'কটনীয়ান'ত এই গল্পটো প্ৰকাশ পায়। ইয়াৰ দুবছৰ পিছতেই 'সুকুমাৰ কলা জাতীয় সংস্কৃতিৰ নিদৰ্শন' শীৰ্ষক আন এখন ৰচনাৰে এই কলেজৰে সুকুমাৰ কলা বিভাগৰ ৰচনা প্ৰতিযোগিতাত তেওঁ প্ৰথম পুৰস্কাৰ লাভ কৰে আৰু ১৯৪৪ চনৰ 'কটনীয়ান'ত ই প্ৰকাশ পায়। পৃথিৱী বিয়পা দ্বিতীয় মহাসমৰৰ ঢৌৱে তেতিয়া অসমকো ছানি ধৰিছিল। সেই সময়তে স্বাধীনতা আন্দোলনৰ বাবে ১৯৪২ চনত আৰম্ভ হোৱা গণবিপ্লৱত বহুতো ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে অংশগ্ৰহণ কৰিছিল। বীৰেন্দ্ৰ কুমাৰও এই আন্দোলনৰ সৈতে পৰোক্ষভাৱে জড়িত হৈ পৰিছিল। ছাত্ৰাৱস্থাৰ পৰাই তেওঁ জাতীয় কংগ্ৰেছৰ সৈতে জড়িত হৈ আছিল যদিও ১৯৪২ চনৰ পৰা সমাজবাদৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ চচিয়েলিষ্ট দলৰ প্ৰতি অনুৰাগ জন্মে। ১৯৩৪ চনত জয় প্ৰকাশ নাৰায়ণ, আচাৰ্য নৰেন্দ্ৰদেৱ আদিৰ উদ্যোগত গঠন হোৱা কংগ্ৰেছ চচিয়েলিষ্ট দলৰ ৰাজ্যিক শাখা ১৯৪৬ চনত ডঃ ৰাম মনোহৰ লোহি য়াৰ অসম ভ্ৰমণৰ পিছত অসমত গঠন হয়।

'জাৰ্নেলিজিম' বিষয়ত স্নাতকোত্তৰ আৰু লগতে আইন বিষয়ত অধ্যয়ন কৰাৰ বাবে কলিকতালৈ অহা বীৰেন্দ্ৰকুমাৰৰ ছাত্ৰজীৱনত কালিকতাৰ বিশাল সাংস্কৃতিক তথা সাহিত্যিক পৰিৱেশৰ প্ৰভাৱ পৰে। কলিকতালৈ আহি তেওঁ ইয়াৰ পৰা প্ৰকাশিত 'বাঁহী' আলোচনীখনৰ সহকাৰী সম্পাদক ৰূপে যোগ দি সাংবাদিক জীৱন আৰম্ভ কৰাৰ লগতে আইন মহাবিদ্যালয়তো ছাত্ৰ হিচাপে ভৰ্ত্তি হয়। তেতিয়া 'বাঁহীৰ' সম্পাদক আছিল মাধৱ চন্দ্ৰ বেজবৰুৱা। সেই সময়তে [illegible]চাৰ্যদেৱে সংবাদ সেৱী হেমেন্দ্ৰ প্ৰসাদ ঘোষ সম্পাদিত ইংৰাজী দৈনিক কাকত 'Advance' টো কাম কৰিছিল। ১৯৪৬ চনৰ আগষ্ট মাহত কলিকতাত আৰম্ভ হোৱা সাম্প্ৰদায়িক সংঘৰ্ষত ১৮ আগষ্ট তাৰিখে বীৰেন্দ্ৰ কুমাৰৰ [illegible]

সহপাঠী তথা সাহিত্যিক বন্ধু কলিকতা বিশ্ববিদ্যালয়ৰ ইংৰাজী এম, এ শ্ৰেণী আৰু আইনৰ ছাত্ৰ অমূল্য বৰুৱাই দুৰ্বৃত্তৰ হাতত প্ৰাণ আহুতি দিয়ে। ভট্টাচাৰ্যদেৱৰ প্ৰথম উপন্যাসৰ পাণ্ডুলিপিটো সেই সময়ত অমূল্য বৰুৱাৰ হাতত থকা বাবে তেওঁৰ লগতে জাহ যায়। এই ঘটনাৰ পিছত ভট্টাচাৰ্যদেৱে সৰহদিন কলিকতাত নাথাকি অসমলৈ গুছি আহে।

গুৱাহাটীলৈ আহি তেওঁ 'দৈনিক অসমীয়া' কাকতৰ সহকাৰী সম্পাদকৰূপে কিছুদিন কাম কৰে। কবি দেৱকান্ত বৰুৱা তেতিয়া এই কাকতখনৰ সম্পাদক আছিল। ১৯৪৭ চনত ভট্টাচাৰ্যদেৱে চচিয়েলিষ্ট পাৰ্টিত যোগদান কৰাৰ পিছত এই দলৰ মুখ পাত্ৰ 'জনতা'ৰ সম্পাদনাৰ দায়িত্ব লয়। এনেদৰে কিছুদিন কাম কৰাৰ পিছত ১৯৫০ চনত তেখেতৰ নগা বন্ধু মনিপুৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ৰিশাং কেইশ্বাঙৰ আমন্ত্ৰনমৰ্মে নগা পৰ্বতৰ উখৰুল হাইস্কুলত বি, এচ, চি শিক্ষকৰ চাকৰিত যোগদান কৰে। উখৰুল ব্ৰহ্মদেশৰ সীমান্ত অঞ্চলত অৱস্থিত টাংখুল নগাসকলৰ সদৰ ঠাই। এই ভেঙ্গাৰ স্কুলখনত তেওঁ প্ৰায় ডেৰবছৰমান চাকৰি কৰা কালচোৱাত নগাসকলৰ জীৱন ধাৰণৰ প্ৰণালী, সংস্কৃতি আৰু ভাবধাৰাক নিবিড়ভাৱে অধ্যয়ন কৰাৰ সুযোগ পাইছিল। তেওঁৰ এই বিচিত্ৰ অভিজ্ঞতা সমূহ 'ৰামধেনু' কাকতত 'উখৰুলৰ চিঠি' 'আজি বিয়া, পৰহিলৈ গাঁও পঞ্চায়ত' আদি প্ৰবন্ধ সমূহৰ যোগেৰে প্ৰকাশ পাইছে। নগাভূমিত লাভ কৰা এই অভিজ্ঞতাৰে তেখেতে ৰচনা কৰিচিল প্ৰখ্যাত উপন্যাস 'ইয়াৰুইঙ্গম' আৰু ১৯৬০ চনত এই উপন্যাসখন প্ৰকাশ পায়। ১৯৬১ চনত প্ৰায় ৩৬ বছৰ বয়সতেই বীৰেন্দ্ৰ কুমাৰে এই উপন্যাসখনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে। ১৯৫৪ চনৰ ১২ মাৰ্চত জন্ম পোৱা সাহিত্য অকাডেমী বা National Academy of literature য়ে ১৯৫৫ চনৰ পৰাহে ভাৰতীয় ভাষা সমূহৰ প্ৰতিটো ভাষাৰ শ্ৰেষ্ঠ গ্ৰন্থৰ লেখকজনক পাঁচ হেজাৰ টকাৰ একোটা পুৰস্কাৰ দিবলৈ আৰম্ভ কৰে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ইয়াৰুইঙ্গম' হ'ল অসমীয়া ভাষাত সাহিত্য একাডেমী বঁটা লাভ কৰা তৃতীয়খন গ্ৰন্থ। প্ৰথমখন হ'ল ১৯৫৫ চনত লাভ কৰা যতীন দুৱৰাৰ 'বনফুল' কাব্য আৰু দ্বিতীয়খন গ্ৰন্থ ১৯৬০ চনত লাভ কৰা বেনুধৰ শৰ্মাৰ 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত'।

১৯৫২ চনত ভট্টাচাৰ্যদেৱে নগাভূমিৰ পৰা গুৱাহাটীলৈ গুছি আহি

‘ৰামধেনু’ কাকতৰ সম্পাদকৰ দায়িত্ব লয়। একেৰাহে প্ৰায় ১২ বছৰ কাল ধৰি তেওঁ এই কাকতৰ সম্পাদনাৰ দায়িত্ব বহন কৰি এই কাকতখনক অসমৰ এক আগশাৰীৰ উচ্চমানবিশিষ্ট আলোচনীৰূপে প্ৰতিষ্ঠা কৰে। আধুনিক অসমীয়া সাহিত্যৰ বিকাশত ‘ৰামধেনু’ কাকতৰ বৰঙণি অনস্বীকাৰ্য্য। যুদ্ধোত্তৰ আৰু স্বাধীনতাৰ যুগৰ পৰিস্থিতি আৰু মানসিকতা, অসমৰ জাতীয় কৃষ্টিৰ চিন্তা চৰ্চ্চা, বাওপন্থী চিন্তা চৰ্চ্চা, বিশ্বসাহিত্যৰ পৰিচয়, আধুনিক কবিতাৰ বিকাশ, চুটি গল্পৰ বিকাশ, সাহিত্যৰ বিভিন্ন ধাৰাৰ সৈতে অসমীয়া পঢ়ুৱৈক পৰিচয় কৰাই দিয়া ইত্যাদি বিভিন্ন দিশত ‘ৰামধেনু’ অগ্ৰগণী। ভট্টাচাৰ্যদেৱৰ সম্পাদনাত চলা ‘ৰামধেনু’ক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল এচাম নতুন লিখক। ১৯৬৩ চনৰ অক্টোবৰ মাহত তেখেতে ‘ৰামধেনু’ৰ পৰা আতৰি গৈ ‘সাদিনীয়া নবযুগ’ৰ সম্পাদনা কৰিবলৈ লয়। ১৯৬৬ চনৰ মাৰ্চমাহলৈ ব্যস্ত থকা এই আলোচনীখনত গল্প, কবিতা, আলোচনামূলক প্ৰবন্ধ আদি প্ৰকাশ পোৱাৰ উপৰিও ক্ৰীড়াজগত, বোলছবি জগতৰ কথা, ৰাজনৈতিক পৰ্য্যালোচনা, সাম্প্ৰতিক ঘটনাৰ বিবৰণ, শ্লেষপূৰ্ণ ৰচনা ইত্যাদি আছিল পঢ়ুৱৈৰ ঘাই আকৰ্ষন। সাহিত্য চৰ্চ্চাৰ মাজতো ১৯৫৩ চনত ভট্টাচাৰ্যদেৱে প্ৰাইভেটকৈ পৰিক্ষা দি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ উপাধী আৰু ১৯৭৭ চনত এই বিশ্ববিদ্যালয়ৰ পৰাই পি, এইচ, ডি সন্মান লাভ কৰে। তেখেতৰ পি, এইচ, ডি গৱেষনাৰ বিষয় আছিল - ‘অসমীয়া সাহিত্যত ব্যঙ্গ আৰু হাস্যৰস” (Humour and Satire in Assamese Literature) । ইতিমধ্যে ১৯৫৮ চনৰ জুন মাহত শ্ৰীমতী বিনীতা ভট্টাচাৰ্যৰ সৈতে বীৰেন্দ্ৰ কুমাৰৰ শুভবিবাহ সম্পন্ন হয়।

‘নবযুগ’ কাকতখনৰ প্ৰকাশ বন্ধ হৈ যোৱাৰ পিছত ভট্টাচাৰ্যদেৱে পোণপটীয়াভাৱে সাংবাদিক জগতৰ লগত জড়িত নাছিল যদিও কেবাখনো দৈনিক কাকতত লিখামেলাৰ দ্বাৰা তেওঁ পৰোক্ষভাৱে সংবাদসেৱাৰ সৈতে জড়িত হৈ আছিল। সাংবাদিকতাৰ সৈতে তেখেতে আৰ্থিক লাভালাভৰ কথা বেছিকৈ চিন্তা নকৰিছিল। সংবাদ সেৱাৰ সৈতে তেওঁৰ মন-প্ৰাণৰ সম্পৰ্ক অতি গভীৰ আছিল। ‘আসাম ট্ৰিবিউন’, ‘দৈনিক অসম’ কাকতত তেখেতৰ লেখা নিয়মীয়াকৈ প্ৰকাশ পাইছিল। অসম প্ৰকাশন পৰিষদৰ তৰফৰ পৰা ওলোৱা ‘প্ৰকাশ’ নামৰ আলোচনীখনৰো তেখেতে

কিছুদিন সম্পাদনা কৰে। সাংবাদিকতা বিষয়ৰ ওপৰত কোনো ডিগ্ৰি নথকা স্বত্বেও তেখেতে সংবাদ সেৱাৰ অভিজ্ঞতাৰ বলতেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগত বহুদিন অধ্যাপনাৰ কামও কৰিছিল। ১৯৭৪ চনত সাংবাদিক জীৱনৰ অভিজ্ঞতাৰ ওপৰত ৰচনা কৰা তেখেতৰ 'সংবাদ সাহিত্য' নামৰ গ্ৰন্থখন প্ৰকাশ পায়। বহুদিন ধৰি বীৰেন্দ্ৰ কুমাৰে বামপন্থী আদৰ্শ তথা ৰাজনীতিৰ সৈতে জড়িত আছিল যদিও সক্ৰিয় ৰাজনীতিৰ সৈতে তেওঁ সম্পৰ্ক নাৰাখিছিল। সহজ সৰল অনাড়ম্বৰ বীৰেন্দ্ৰকুমাৰৰ ৰাজনীতিৰ সৈতে বিষয়ববাব প্ৰতি কোনো আগ্ৰহ নাছিল।

এজন দায়িত্বশীল সাংবাদিক হিচাপে সংবাদসেৱাৰ প্ৰতি ভট্টাচাৰ্যদেৱৰ অবদান অসীম। সাংবাদিক হিচাপে লিখা তেওঁৰ চিন্তামূলক প্ৰবন্ধবোৰত বুদ্ধিনিষ্ঠাৰ বিকাশ ঘটিছে। ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাহিত্য সম্পৰ্কীয় ইত্যাদি বিভিন্ন বিষয়ৰ ওপৰত তেওঁৰ অসংখ্য চিন্তামূলক নিবন্ধ বিভিন্ন কাকতে পত্ৰই প্ৰকাশ পাইছে। সমাজ আৰু ব্যক্তি জীৱনৰ সমস্যা সম্পৰ্কে এক যুক্তিনিষ্ঠ, বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰাৰ ওপৰত তেওঁ সদায় গুৰুত্ব দি আহিছিল। গোড়ামী আৰু জীৰ্ণ সংস্কাৰৰ বিৰুদ্ধে তেওঁ প্ৰবন্ধবোৰত সদায় মাত মাতি আহিছে। যিকোনো সমস্যাৰ মানবীয় দিশটোক সদায়ে ভট্টাচাৰ্যদেৱে প্ৰাধান্য দিছিল। 'অক্ষম অনুকৰণ আৰু মৌলিক সৃষ্টি' (১৯৬৬) নামৰ প্ৰবন্ধটোত তেওঁ লিখিছে -

"ভাৰতীয় জনতাৰ সৰল আৰু অসংস্কৃত জীৱনৰ মাজত মহৎ সাহিত্যৰ উপাদান আছে। আমি যদি প্ৰকৃত সততা, ন্যায়নিষ্ঠা, লিপ্ততা আৰু সৎসাহসেৰে নিজে নতুন কৰ্ম সৃষ্টি কৰিবলৈ ধৰোঁ, তেন্তে আমি জনসাধাৰণৰ কাষ চাপিবলৈ সমৰ্থ হ'ম। আমাৰ বুৰঞ্জী আৰু আমাৰ মানসিক জীৱন বিশ্বৰ পৰা বিচ্ছিন্ন হ'ব নোৱাৰে, কিন্তু এই কথা ঠিক যে আজিও ভাৰতবৰ্ষই আপোন সত্তাৰ মাজেদিহে বিশ্বসত্তাক উপলব্ধি কৰিব পাৰিব।...মৌলিকতা নষ্ট কৰি কেতিয়াও মহৎ সৌন্দৰ্য্য সৃষ্টি কৰিব নোৱাৰি।"

ভট্টাচাৰ্যদেৱৰ দৃষ্টিভংগী আছিল আদৰ্শবাদী আৰু আশাবাদী। সমাজবাদী আদৰ্শত বিশ্বাসী বীৰেন্দ্ৰকুমাৰে ব্যক্তি আৰু সমাজৰ অধিকাৰ আৰু দায়িত্বৰ মাজত এক সু-সমন্বয় সাধন হোৱাটো বিচাৰিছে। অসমীয়া সমাজ, সংস্কৃতি, সাহিত্যৰ বিকাশৰ মূল আধাৰ হিচাপে লোকা

ভট্টাচাৰ্যদেৱৰ লিখনিত সমাজ চেতনাই বিশেষভাৱে স্থান লাভ কৰিছে। 'মুকুতা নে শোকোতা' (১৯৬৫) প্ৰবন্ধটোত তেখেতে সাম্প্ৰদায়িক ৰাজনীতিক সমালোচনা কৰি লিখিছে- *"অন্তৰ্ঘাটী ৰাজনীতিয়েই অসমৰ জনতাৰ একতা খণ্ড - বিখণ্ড কৰিছে। যেতিয়ালৈকে এই অন্তৰ্ঘাটী ৰাজনীতি থাকে, তেতিয়ালৈকে সাম্প্ৰদায়িক নেতৃত্বও থাকিব। দুয়োটাৰে সমান আয়ুস। এই অন্তৰ্ঘাটী ৰাজনীতিৰ বেছৰ পৰা ওলাব পৰা শক্তি নোগোটালে অসমক এবাৰ ভাষা সংঘৰ্ষ আৰু ঘুৰিবাৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ লীলাভূমি ৰূপেই সদায় দেখিবলৈ পাম হ'ক"*

অসমীয়া ভাষা-সাহিত্যৰ বিভিন্ন ধাৰালৈ ভট্টাচাৰ্যদেৱৰ বৰঙণি অসীম। তেখেত একেৰাহে এগৰাকী সফল কবি, চুটিগল্প লিখক ঔপন্যাসিক, নিবন্ধকাৰ আৰু সমাজৰ বিভিন্ন বিষয়ৰ ওপৰত চিন্তাশীল লিখক। মুক্তক ছন্দ আৰু আধুনিক কবিতাৰ ক্ষেত্ৰত বীৰেন্দ্ৰকুমাৰৰ এক বিশেষ স্থান আছে। 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি' তেখেতৰ এটি বিখ্যাত কবিতা, 'আমি বহুগ্ৰাম জনতাৰ চৰকাৰ, আমি বহুগ্ৰাম জনতাৰ দৰবাৰ' এটি জনপ্ৰিয় গীত। বিভিন্ন আলোচনী আদিত তেখেতৰ বহু কবিতা প্ৰকাশ পাইছে যদিও 'সাধ্যস্বৰ' তেখেতৰ প্ৰকাশিত কবিতাৰ একমাত্ৰ সংকলন। সাম্যবাদী চেতনাই তেখেতৰ মননশীলতাক অনুপ্ৰাণিত কৰিছিল আৰু ইয়াৰ প্ৰভাব কবিতাৰ ওপৰত প্ৰতিফলিত হৈছে। 'মোৰ মুক্তি নাই' নামৰ কবিতাটোত তেখেতে মধ্যবিত্তৰ সংগ্ৰামৰ মাজত আশাৰ পোহৰ দেখিবলৈ পাইছে -

"মই মধ্যবিত্ত
ক্ষতবিক্ষত চিত্ত, অভাৱৰ মোৰ তাড়নাত
তথাপিতো সমুখত দেখিছোঁ মাথোন
এই ৰণতেই জ্বলা আশাৰ পোহৰ
অভাৱৰ অচিৰেই মৰণ।"

সংগ্ৰামী শিল্পী বিষ্ণুৰাভাৰ প্ৰতি বীৰেন্দ্ৰ কুমাৰৰ অশেষ শ্ৰদ্ধা আছিল। তেখেতৰ জনপ্ৰিয় কবিতা - 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি'ত আশাৰ পোহৰৰ নতুন পদধ্বনী এনেদৰে শুনিবলৈ পাইছে -

" ডাচ কেপিটেল এবাৰ পঢ়া বাকী,
মাজ নিশা কোন ত্ৰিনয়নে পঢ়ে

পোহৰ! পোহৰ!! উদয়াচলত ৰবি।"

সহপাঠী সাহিত্যিক বন্ধু কবি অমূল্য বৰুৱাৰ কলিকতাৰ সাম্প্ৰদায়িক সংঘৰ্ষত দুবৃত্তৰ হাতত প্ৰাণ দিবলগীয়া হোৱাত বীৰেন্দ্ৰ কুমাৰে অন্তৰত অত্যন্ত আঘাট পায়। 'মৰমৰ অমূল্য বৰুৱাৰ বিদায়ত' নামেৰে এটি কবিতা লিখি তেখেতৰ আবেগ এনেদৰে প্ৰকাশ কৰিছে -

"বুকুৰ বতাহ লোৱা সজীৱ স্নেহৰ ফুলে
বিচ্ছেদৰ নিয়ৰত হৈ আধা তিতা,
নিৰাশাৰ গধূলিত কৰুণ সুৰেৰে আজি
গাইছে নোগোৱা এটি দুখৰ কবিতা।
তুমিটো যাবাগে' বুলি কাৰ্ব্বৰ বননিখনে
কৰুণ ভাবেৰে কিযে তুলিছে বিননী;
আন্ধাৰ আহিছে নামি দিগন্ত প্ৰসাৰি বাট,
বেদনাৰ বিবহৰ তীব্ৰতাৰ ধ্বনি।"

স্কুলীয়া কালতেই বীৰেন্দ্ৰকমাৰে চুটিগল্প ৰচনাৰ কাম আৰম্ভ কৰে। অসমৰ বিভিন্ন পত্ৰিকা, আলোচনী আদিত তেখেতৰ অসংখ্য চুটি গল্প প্ৰকাশ পাইছে। কলেজত পঢ়ি থাকোঁতে 'নায়ক', 'আৱাহন', 'জয়ন্তী' আদি আলোচনীত তেখেতে চুটিগল্প লিখিবলৈ লৈছিল। 'মাকনৰ গোঁসাই' 'কলং আলিও বয়', 'চিৰলা আৰু চিন্দুইন', 'ললীতা মামী', 'মিএগ মনচুৰ', 'এজনী জাপানী ছোৱালী', 'পখিলাই পাখি সলায়' আদি তেখেতৰ সাৰ্থক চুটিগল্প। ডঃ মহেশ্বৰ নেওগ সম্পাদিত - 'ৰামধেনু'ত ওলোৱা তেখেতৰ সৰু উপন্যাস সদৃশ 'কলং আজিও বয়' চুটিগল্পটোৱে সেই সময়ত পঢ়ুৱৈৰ মাজত এক জাগৰণ আনিবলৈ সক্ষম হৈছিল। 'ঠগীৰাম' আৰু 'সোণপাহী' চৰিত্ৰৰ অৱলম্বনত ফুটাই তোলা এই চুটিগল্পটোত ঠগীৰামে স্বাধীনতা আন্দোলনৰ যোগেদি সত্যাগ্ৰহ কৰি যি পাব বিচাৰিছিল তাক নেপাই এক নতুন দৃষ্টিভঙ্গী লৈ নতুনকৈ সংগ্ৰাম কৰিবলৈ সাজু হৈছে। 'এজনী জাপানী ছোৱালী' 'মৃত্যু' আদি গল্পত সংস্কাৰকামী মনোভাব প্ৰকাশ পাইছে। 'মৃত্যু' (১৯৭৫) গল্পটোত হাজৰিকা চৰিত্ৰটোৰ মুখেদি কোৱাইছে - "সেই স্বৰ্গবোৰত একো নাই। অকল মানুহতে নহয়, পিণ্ডদান-শ্ৰাদ্ধ এইবোৰ অন্ধবিশ্বাস।" ভট্টাচাৰ্যদেৱৰ নিৰ্বাচিত চুটিগল্পৰ তিনিটা সংকলন

'কলং আজিও বয়' (১৯৬২), 'সাতসৰী' (১৯৬৩) আৰু 'খিৰিকী কাষৰ আসন' (১৯৯৪) ইতিমধ্যে প্ৰকাশ পাইছে।

ডঃ ভট্টাচাৰ্য্যৰ সাহিত্যৰ মূল কীৰ্ত্তিস্তম্ভ হৈছে তেখেতৰদ্বাৰা ৰচিত প্ৰায় কুৰিখন উপন্যাস। তেখেতৰ প্ৰথম প্ৰকাশিত উপন্যাস 'ৰাজপথে ৰিঙিয়ায়' (১৯৫৫)। 'আই' (১৯৬১), 'ইয়াৰুইঙ্গম' (১৯৬০), 'শতঘ্নী' (১৯৬৫), 'নষ্টচন্দ্ৰ' (১৯৬৮), 'মৃত্যুঞ্জয়' (১৯৭০), 'প্ৰতিপদ' (১৯৭০), 'বল্লৰী' (১৯৬৩), 'চিনাকী সুঁতি'(১৯৭১), 'কবৰ আৰু ফুল' (১৯৭৩), 'ৰঙামেঘ' (১৯৭৬), 'মুনিচুনি পোহৰ' (১৯৭৬), 'ফুলকোঁৱৰৰ পখীঘোঁৰা' (১৯৭৮), 'কালৰ হুমুনীয়া' (১৯৮২), ডাইনী, চতুৰঙ্গ (চাৰিখন উপন্যাসিকাৰ সমষ্টি) আদি উপন্যাস গ্ৰন্থৰূপত প্ৰকাশিত হৈছে। তেখেতৰ কেবাখনো উপন্যাস আলোচনীৰ পাতত প্ৰকাশ পাইছিল। এই উপন্যাসসমূহত সমসাময়িক কিছুমান উল্লেখযোগ্য ঘটনাৰ ছবিৰ লগতে ইয়াৰ সামাজিক -সমাজতান্ত্ৰিক দিশত লেখকে বাখ্যা দিবলৈ প্ৰয়াস কৰিছে।

'মৃত্যুঞ্জয়' নামৰ উপন্যাসখনৰ বাবে ১৯৭৯ চনত ডঃ ভট্টাচাৰ্যদেৱে দেশৰ সৰ্ব্বোচ্চ সাহিত্যিক সন্মান জ্ঞানপীঠ বঁটাৰে সন্মানিত হয়। ১৯৪৪ চনৰ ১৮ ফেব্ৰুৱাৰীত জন্ম পোৱা ভাৰতীয় জ্ঞানপীঠৰ প্ৰথমে ১৯৬৫ চনৰ পৰা ১৪ টি ভাৰতীয় ভাষাত ৰচনা কৰা সাহিত্য গ্ৰন্থৰ ভিত্তত নিৰ্বাচন কৰা হৈছিল। ১৯৬৮ চনত সিন্ধিভাষাও অন্তৰ্ভুক্ত হয়। ১৯৭৯ চনত পঞ্চদশ বঁটাৰ বাবে ডঃ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' উপন্যাসখন নিৰ্বাচন কৰে। ১৯৮০ চনৰ ১৫ ডিচেম্বৰত নতুন দিল্লিৰ বিজ্ঞান ভৱনত সমিতিৰ সভাপতি ডঃ বিনয়কৃষ্ণ গোকক আৰু প্ৰয়াত সেই সময়ৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ উপস্থিতিত বহা এটি বিশেষ অনুষ্ঠানত ভট্টাচাৰ্যদেৱক নগদ একলাখ টকা আৰু এটি বাগ্‌দেৱীৰ প্ৰতিমূৰ্ত্তিৰ সৈতে জ্ঞানপীঠ বঁটা প্ৰদান কৰে। প্ৰতিমূৰ্ত্তিটো ১০৩২ চনৰ উজ্জয়িনীৰ ভোজৰজাৰ সৰস্বতী মন্দিৰৰ প্ৰতিমূৰ্ত্তি, যিটো বৰ্ত্তমান লণ্ডন মিউজিয়ামত সংৰক্ষিত। সেই সৰস্বতী মূৰ্ত্তিৰে একোটি প্ৰতিকৃতি প্ৰতীক স্বৰূপে এই বঁটাত প্ৰদান কৰা হয়। 'মৃত্যুঞ্জয়' উপন্যাসখন ১৯৪২ চনৰ আগষ্ট বিপ্লৱৰ পটভূমিৰ ওপৰত ৰচিত। বিয়াল্লিচৰ আন্দোলনৰ দুটাধাৰ - এটা গান্ধীজীৰ নেতৃত্বত চলা অহিংস আন্দোলন আৰু আনটো ভাৰত ত্যাগ আন্দোলনক কেন্দ্ৰ কৰি গঢ়ি উঠা বিপ্লৱৰ

আন্দোলন। ভট্টাচাৰ্যদেৱে নগাঁও জিলাৰ মায়ং অঞ্চলক কেন্দ্ৰ কৰি ৰচনা কৰা এই উপন্যাসত এচাম অশিক্ষিত-অৰ্দ্ধশিক্ষিত মানুহে কেনেদৰে মহাত্মাগান্ধীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ দেশৰ স্বাধীনতা আন্দোলনত ভাগ লৈছিল আৰু পিছলৈ কেনেদৰে এটা সময়ত সন্ত্ৰাসবাদী কাৰ্য্যকলাপত জড়িত হৈ বেল বগৰোবাৰ কাৰ্য্যত লিপ্ত হৈছিল তাৰ বৰ্ণনা দিছে। দলটোৰ নেতা মহদা গোঁসাই আৰু শিক্ষিত ডেকা ৰূপনাৰায়ণৰ বাহিৰে বাকী সকলো চৰিত্ৰ সাধাৰণ গাঁৱলীয়া মানুহ। কিছুমান বাস্তৱ চৰিত্ৰৰ আধাৰত লেখকে এই উপন্যাসখন ৰচনা কৰিছে - ইয়াৰ বহুতো চৰিত্ৰৰ ব্যক্তি ভট্টাচাৰ্যদেৱে বঁটা পোৱা দিনলৈকে জীৱিত আছিল। এই সহজ সৰল মানুহবোৰে হিংসাত লিপ্ত হ'বলৈ গৈ কিদৰে দ্বিধা সংশয়ৰ মুখামুখি হৈছে তাক সুন্দৰকৈ ফুটাই তুলিছে। তেওঁলোকৰ মহান ত্যাগ আৰু কষ্ট স্বীকাৰৰ ফলতেই যে দেশে এদিন স্বাধীনতা লাভ কৰিলে আৰু সেয়েহে সেই স্বাধীনতা লাভ কৰাৰ বাবে মৃত্যুবৰণ কৰা সকলো বীৰেই মৃত্যুঞ্জয় হ'ল। মৃত্যুকো জয় কৰিব পৰা জীৱনৰ যি অৰ্থ, সেই কাহিনীয়েই মৃত্যুঞ্জয়ত বৰ্ণিত হৈছে। হিংসা আৰু অহিংসাৰ আদৰ্শৰ দ্বন্দ্বই এই উপন্যাসখনৰ কেন্দ্ৰীয় দ্বন্দ। সহজ - সৰল বৈষ্ণৱ ভাবাপন্ন চৰিত্ৰ মধুভকতৰ হিংসাত্মক আন্দোলনত লিপ্ত হ'ব লগীয়া হোৱাত অন্তৰ্দ্বন্দ এনেদৰে প্ৰকাশ পাইছে-

*"....চিন্তা এটাই হৃদয়ত ৰবকৈ খুন্দিয়াবলৈ ধৰিলে। ....এখন বেল বগৰালে কেৱল কাঠৰ ডবা আৰু লোৰ হাঁড়িনেই চুচুৰ্মাৰ নহয়, এসোপা জীৱবধ হ'ব .... অৰ্জুনৰ মনত বিষাদ উত্তৰ হোৱাদি তাৰ মনত বিষাদ উত্তৰ হৈছে। কাম কৰিবলৈ সি পাচ হোহোকা নাই, কিন্তু আজি কৰ্তব্য কৰিবলৈ তাৰ দ্বিধা হৈছে।"*

মনৰ এই অন্তৰ্দ্বন্দ দলৰ দলপতি মহদা গোঁসাই আৰু ৰূপনাৰায়নৰ চৰিত্ৰটো প্ৰকট হৈ পৰিছে। বেল বগৰাই অনুতপ্ত হোৱা মহদা গোঁসায়ে গান্ধীক সুঁৱৰি কৈছে *'মানুহ নমৰাকৈ যদি যুঁজিব পাৰিলোহেঁতেন, তেন্তে কিমান সুন্দৰ হ'লহেঁতেন।'* বিবেকৰ বিৰুদ্ধে যুঁজিবলৈ লোৱা ৰূপনাৰায়নৰ অন্তৰ্দ্বন্দ এনেদৰে প্ৰকাশ পাইছে - "..... *ভুল কৰিছোঁ বুলি ধাৰণা হোৱা নাই, কিন্তু মনত যেন আনন্দ আৰু উৎসাহ একো নোহোৱা হৈছে। মানুহৰ তেজেৰে হাত বোলালে কোনে আনন্দ কৰিব পাৰে? যুদ্ধ বৰ নিৰ্ঠুৰ,*

*গৰিলা যুঁজো নিষ্ঠুৰ।"* ধৰ্ম সংস্কৃতিক প্ৰতিনিধিত্ব কৰা সংস্কাৰকামী পুৰুষ মহদা গোঁসায়ে ধৰ্মৰ বাখ্যা এই উপন্যাসখনত এনেদৰে দাঙি ধৰিছে- *“এইখন দেশত আচল ধৰ্ম নাইকীয়া হ'ল, কেবল নীতি নিয়ম হ'লেই ব্ৰাহ্মন হয়, ভকত হয়, মৌলবী মোল্লা হয়। আচল ধৰ্ম হৈছে মানৱ ধৰ্ম। মানুহৰ দুখ নিবাৰণৰ কৰিবলৈ গৈয়েই বুদ্ধ অৱতাৰ হ'ল। চৈতন্য মহাপ্ৰভু আৰু শঙ্কৰ গুৰুদেৱেও প্ৰেমৰ ওপৰত জোৰ দিছে।”*

ভট্টাচাৰ্য্য দেৱৰ ‘প্ৰতিপদ’ উপন্যাস খনৰ পটভূমি হৈছে ১৯৩৯ চনৰ বনুৱা ধৰ্মঘটক কেন্দ্ৰ কৰি উদ্যোগনগৰী ডিগবৈ। এই উপন্যাসখনত সাধাৰণ শ্ৰমজীৱি লোকৰ হ'ক প্ৰতিপন্ন কৰাৰ লগে লগে বিভিন্ন শ্ৰেণী, ভাষী, ধৰ্মী লোকৰ বিচিত্ৰ আচৰণ আদিৰ বাস্তৱ চৰিত্ৰ ইয়াত ফুটি উঠিছে। ইয়াত এফালে অসম অইল কোম্পানীৰ ইংৰাজ বিষয়াসকলৰ অনমনীয় মনোভাব, শোষন- পীড়ন কৰিব খোজা মনোবৃত্তি আৰু আনফালে বনুৱা কৰ্মচাৰীসকলে সংগঠনৰ যোগেৰে কৰা প্ৰতিবাদ সংগ্ৰাম আৰু তেওঁলোকৰ ঐক্য-চেতনা আদি প্ৰকাশ পাইছে। সমগ্ৰ ভাৰতবৰ্ষতে সেই সময়ত ট্ৰেড ইউনিয়নৰ প্ৰতি বনুৱাসকলৰ আকৰ্ষন ক্ৰমে বাঢ়ি অহিছিল। এই ধৰ্মঘটৰ ফলত বনুৱাসকলে অশেষ নিৰ্য্যতন ভুগিব লগা হৈছিল যদিও তেওঁলোকক এই আন্দোলনে এক নতুন পোহৰ দিছিল।

১৯৬২ চনত চীনৰ ভাৰত আক্ৰমনৰ ওপৰত লিখা ডঃ ভট্টাচাৰ্যৰ আন এখনি উল্লেখযোগ্য উপন্যাস হ'ল ‘শতঘ্নী’। এই উপন্যাসৰ পটভূমি হ'ল মাৰ্ঘেৰিটা চহৰ। ১৯৬২ চনৰ শীতকালত চীনা সৈন্যই ভাৰতীয় অঞ্চলত কৰা অপ্ৰৰোচিত আক্ৰমনে ৰাজনৈতিক দিশত যথেষ্ট প্ৰভাৱ পেলাইছিল, কাৰণ এই আক্ৰমনে ১৯৫৪ চনত চীন আৰু ভাৰতৰ দ্বাৰা স্বাক্ষৰিত পঞ্চশীল নীতিক প্ৰতাৰনা কৰি চীনৰ সামৰিক শক্তিৰ প্ৰসাৰণবাদী মনোভাবক প্ৰকাশ কৰিছিল। এই উপন্যাসখনত চীন পক্ষৰ লগত এটা অসমীয়া পৰিয়ালৰ আওপকীয়া সম্পৰ্ক ঘটাৰ ফলত যি বিপৰ্য্যয় নামি আহিছিল তাৰ বৰ্ণনা দাঙি ধৰিছে। ঘৰখনৰ এজনী ছোৱালীয়ে এজন চীনা ব্যৱসায়িক বিয়া কৰাইছিল আৰু চীনাজন চীনদেশৰ চোৰাংচোৱা বুলি পুলিচৰ হাতত ধৰা পৰিছিল। আনহাতে সেই ঘৰৰে এজন লৰা সৈনিকৰূপে যুদ্ধলৈ গৈ চীনা সৈন্যৰ হাতত বন্দি হৈছিল - ফলত তেওঁ বিয়া কৰাব খোজা

ছোৱালীজনীক ককায়েকলৈ বিয়া কৰাই অনা হৈছিল। 'শতঘ্নী'ৰ মুখ্য চৰিত্ৰ ৰঘুৰাম মজুমদাৰৰ জোঁৱায়েক চীনদেশীয় যুৱক আথেইৰ কাৰ্যকলাপ আৰু গতি গোত্ৰৰ ওপৰত চোৰাংচোৱাৰ তীক্ষ্ণ দৃষ্টি নিবদ্ধ হৈছিল।

ডঃ ভট্টাচাৰ্যৰ 'আই' উপন্যাসখনত সুদখোৰ মহাজনৰ উৎপীড়নৰ বলি হোৱা মাটিহীন খেতিয়ক শ্ৰেণীৰ দুৰ্দশা ফুটি ওলাইছে। 'কাঁচৰ জমুনিয়া' উপন্যাসখনত উজনি অসমৰ ইংৰাজ নিয়ন্ত্ৰিত চাহবাগিচা এখনত মালিকপক্ষৰ শোষণ আৰু কোনো সংগঠন ব্যতিৰেকে শ্ৰমিক শ্ৰেণীৰ প্ৰতিৰোধৰ ঘটনাৰ কিছুমান ছবি দাঙি ধৰিছে। 'কবৰ আৰু ফুল'ত বাংলাদেশৰ মুক্তি যুদ্ধৰ ইতিহাসৰ ছবিয়ে স্থান লাভ কৰিছে।' 'ৰঙা মেঘ' উপন্যাসখনত কৈবৰ্ত্ত সমাজৰ পটভূমিকলৈ সামাজিক পৰিবৰ্ত্তনৰ আভাস দিছে। যুগ যুগ ধৰি লাঞ্চিত - শোষিত লোকসকলৰ ন্যায্য প্ৰাপ্তিৰ দাবী, আদৰ্শবাদী দৃষ্টিভঙ্গী আৰু সমাজ সচেতনতাৰ আভাস ইয়াত প্ৰতিফলিত হৈছে। ভট্টাচাৰ্যদেৱৰ উপন্যাসসমূহ বাস্তৱ জীৱনৰ আধাৰত ভিত্তি কৰি ৰচনা কৰা। নাৰী চৰিত্ৰ সমূহৰ ক্ষেত্ৰত সস্তীয়া যৌন আবেদন নাই। তেখেতে নাৰীচৰিত্ৰক প্ৰেম, সৌন্দৰ্য্য আৰু অনুপ্ৰেৰণাৰ প্ৰতীক হিচাপেহে লৈছে।

ভট্টাচাৰ্যদেৱে দুবাৰ বিদেশ ভ্ৰমণৰ সুযোগ লাভ কৰিছিল। এবাৰ ৰুচদেশ আৰু এবাৰ পোলেণ্ড। ৰাচিয়া ভ্ৰমণৰ অভিজ্ঞতাৰে লিখা 'সীমাই আমনি কৰে' নামৰ এখন ভ্ৰমণ কাহিনী ইতিমধ্যে প্ৰকাশ পাইছে। গুৱাহাটী অনাতাঁৰ যোগে তেখেতৰ বহখন ৰেডিঅ' নাটকে প্ৰচাৰ লাভ কৰিছে। তেখেতৰ নাটকৰ সংখ্যা প্ৰায় ডেৰশ। ইয়াৰ ভিতৰত 'জোনালী', 'ভাৰত', 'শকুন্তলা', 'মুক্তি', 'সোণৰ তোগজৰা', 'অহল্যা' আদি প্ৰধান। একক অভিনয়ৰ বাবেও তেখেতে "গোবৰৰ কৌৰৱ', 'পিয়লি ফুকন', 'মনিৰাম দেৱান' আদি কৰি পাঁচখন নাট লিখিছে। তদুপৰি ফৰাচী নাট্যকাৰ মলিয়েৰৰ 'Turtuffe'ৰ 'ব্ৰহ্মচাৰী' নাম দি অসমীয়া ভাঙনি কৰিছে। অৱশ্যে তেখেতৰ নাটক এতিয়ালৈ প্ৰকাশ পোৱা নাই। স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচিত 'মলোলগ' অনাতাঁৰ কেন্দ্ৰযোগে প্ৰচাৰিত এক জনপ্ৰিয় অনুষ্ঠান আছিল। ভালেকেইখন জীৱনী গ্ৰন্থৰো তেওঁ ৰচয়িতা। ভট্টাচাৰ্যদেৱৰ 'বঙ্গদেশৰ নৱজাগৰণ আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ' আৰু 'শ্ৰীঅৰবিন্দ' জীৱনী গ্ৰন্থদুখন অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰিছে। তেখেতৰ অইন জীৱনীমূলক ৰচনাসমূহ হ'ল - চন্দ্ৰনাথ শৰ্মা, গোপীনাথ

বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ, অম্বিকাগিৰী ৰায়চৌধুৰীৰ ওপৰত আধাৰিত। ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত লিখা তেখেতৰ আন এখনি সৰু পুথি হ'ল - 'হে বিশাল ব্ৰহ্মপুত্ৰ'। ভট্টাচাৰ্যদেৱৰ - 'অসমৰ জৈৱশ বহুধীয়া সংস্কৃতিত এভুমুকি' গ্ৰন্থখন অসমৰ সংস্কৃতিৰ ওপৰত ৰচনা কৰা এখন মূল্যবান গ্ৰন্থ।

আজীৱন সমাজবাদী ৰাজনীতিৰ সৈতে জড়িত ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ৰাজনৈতিক ব্যক্তিত্ব প্ৰকাশ পাইছে 'ৰামধেনু', 'জনতা', 'মেনকাইণ্ড', ইকনমিক এণ্ড পলিটিকেল উইকলি' আদিত প্ৰকাশ পোৱা তেখেতৰ আলোচনা সমূহৰ যোগেৰে। অনুবাদ সাহিত্যৰ ক্ষেত্ৰতো তেখেতৰ বৰঙণি স্বীকাৰ কৰিব লগীয়া। আৰ্নেষ্ট হেমিংৱেৰ - "For whom the Bell Tolls" উপন্যাসৰ ভাঙনি কৰি 'দেব-দুন্দুভি বাজে কাৰ বাবে' শিৰোনামাৰে প্ৰকাশ পাইছে। শৰৎ চন্দ্ৰ চট্টোপধ্যায়ৰ 'পৰিণীতা' আৰু ডি. ডি. কৌশম্বীৰ 'ভাৰতৰ ইতিহাস' তেওঁ অসমীয়ালৈ অনুবাদ কৰে।

'I am more of a write than a academic' নিজৰ বিষয়ে এনেদৰে মন্তব্য দিয়া ভট্টাচাৰ্যদেৱে জ্ঞানপীঠ বঁটা গ্ৰহণ কৰি কৈছিল- 'I would humbly say that I am committed to the path of integrating beauty and truth in life and would be so all the more here after'। জ্ঞানপীঠ বঁটা বিজয় সম্পৰ্কে তেওঁ এনেদৰে মত দিছে - "বঁটা বিজয় কথা লৈ আমি উচ্ছ্বাসিত ধাৰণা ল'ব নালাগে। শতকৰা ৫০ ভাগ উপন্যাসৰ গুণৰ ওপৰত আৰু বাকী৫০ ভাগ গুণীসকলৰ আলোচনা, মূল্যবান আৰু মতৈক্যৰ ওপৰতহে লেখকৰ ভাগ্য নিৰ্ণয় হয়। বঁটা লোৱাটো সামাজিক ঘটনাহে — লেখকৰ সেৱা ব্যক্তিগত হ'লেও সাহিত্যিক সমালোচনাত তেওঁ সদায়ে আত্মবিশ্লেষন কৰিছে আগবাঢ়ি আহিছে। ৰসিক পাঠকৰ অবিহনে সাহিত্যৰ মূল্যাঙ্কন হ'ব নোৱাৰে।"

১৯৮৩ চনত ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱ বঙাইগাঁৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সোণালী জয়ন্তী অধিৱেশনৰ সভাপতি পদৰ বাবে নিৰ্বাচিত হৈছিল। কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ত ১৯৯৪ চনত ৰামমনোহৰ লোহিয়া আসনৰ অধ্যাপক পদত অধিষ্ঠিত হৈ থকা কালত গৱেষণা চলাই "The Salient ideas of Dr. Ram Monohar Lohia" নামেৰে এখনি গ্ৰন্থ প্ৰণয়ন কৰে। অসমৰ বাহিৰৰ বিভিন্ন অনুষ্ঠানৰ সৈতেও তেখেত জড়িত আছিল। ১৯৮২ চনত ভট্টাচাৰ্যদেৱ ভাৰতীয় লেখক সংস্থা (Authors Guild ) ৰ সভাপতি হয়

আৰু সেই চনতেই জবলপুৰ বিশ্ববিদ্যালয়ৰ পৰা সন্মানিত ডি, লিট উপাধী লাভ কৰে। ইয়াৰোপৰি এলাহাবাদ বিশ্ববিদ্যালয়ৰ Institute of Gandhian Thought & Peace Studies নামৰ অনুষ্ঠানটোৰ আজীৱন সদস্য, সাহিত্য অকাডেমীয়ে মনোনীত কৰা প্ৰেচ কাউন্সিলৰ সদস্য, বিশ্ববিদ্যালয় অনুদান আয়োগ সমিতিৰ সদস্য, নেচনেল জুৰিৰ সদস্য, ভাৰতীয় আন্তৰ্জাতিক কেন্দ্ৰৰ সদস্য, গুৱাহাটী বিশ্ববিদ্যালয়ৰ মনোনীত সদস্য, আঞ্চলিক গৱেষণা উপদেষ্টা পৰিষদৰ সদস্য, "Man and Developement" ৰ সম্পাদনা উপদেষ্টা সমিতিৰ সদস্য, ৰাজা ৰাম মনোহৰ লোহিয়া ফাউণ্ডেচনৰ সভ্য ইত্যাদি ভাৰতৰ আগশাৰীৰ বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত আছিল। ১৯৮৮ চনত ডঃ ভট্টাচাৰ্যদেৱ সাহিত্য অকাডেমীৰ সভাপতি পদৰ বাবে নিৰ্বাচিত হয়।

স্বদেশ আৰু স্বজাতিৰ দুখ-দুৰ্দশাত বীৰেন্দ্ৰকুমাৰৰ মন সদায় হাহাকাৰ কৰি উঠিছিল। তেখেতৰ ৰাজনৈতিক চেতনা অহিংসাবাদী আছিল। তেখেতে কৈছে 'সশস্ত্ৰ আক্ৰমনে সভ্যতা আৰু মানৱজাতিক ধ্বংস কৰে। ভট্টাচাৰ্যদেৱৰ মতে ৰাজনীতিৰ অৰ্থ হিংসা, কূটনীতি, ৰবমূৰীয়া সম্মিলন অথবা সমবায়োজন নহয়। ৰাজনীতিৰ অৰ্থ হৈছে সাধাৰণ মানুহৰ মঙ্গলৰ অৰ্থে শান্তিপূৰ্ণ সংগঠন গঢ়ি তোলা আৰু তেওঁলোকৰ জীৱনৰ শ্ৰেষ্ঠ সম্পদ প্ৰেম, শান্তি আৰু অহিংসা প্ৰদান কৰা। তেখেতক এক কথাত গান্ধীবাদী বুলি যেনেদৰে ক'ব নোৱাৰি, তেনেদৰে কমিউনিষ্ট বিৰোধী বুলিও ক'ব নোৱাৰি। পৃথিৱীৰ বিভিন্ন মনিষীৰ চিন্তাৰ সূত্ৰ পৰ্য্যালোচনা কৰি তেওঁ সমাজমুখী এক সমন্বয়ৰ সূত্ৰ বিচাৰিছিল। মানুহৰ সমাজখনক চেতনাদীপ্ত কৰি এখন সুস্থ সমাজ গঠন কৰিবৰ বাবে তেওঁ হাতত কলম তুলি লোৱাটো বিচাৰিছিল। 'ৰাজপথে ৰিঙিয়ায়' নামৰ উপন্যাসখনত এটা চৰিত্ৰৰ মাজেৰে তেওঁ কৈছে-

"লেখনী হ'ব লাগিব তৰোৱাল।
কবিতা হ'ব লাগিব নতুন সমাজৰ বন্য জেউতি।
গীত হ'ব লাগিব অন্যায় অসাম্যৰ বিৰুদ্ধে
শত কণ্ঠত নিনাদিত হোৱা সমৰ সঙ্গীত।"

লিখাকেই বৃত্তিৰূপে গ্ৰহণ কৰা এই প্ৰবাদী মানৱ দৰদী প্ৰচাৰ বিমুখ সাহিত্যিক ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱৰ ১৯৯৭ চনৰ ৬ আগষ্ট তাৰিখে দেহাৱসান ঘটে। এক সহজ - সৰল জীৱন যাপন কৰি তেখেতে অজিকত

লিখনীৰে অসমৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আদি বিষয়বোৰত যি ধৰণে আলোকপাত কৰিছিল, গভীৰ অন্তৰ্দৃষ্টিৰে অসমৰ বিভিন্ন সমস্যাবোৰ অনুধাবন কৰি সমাধানৰ পথ নিৰ্দেশ কৰিছিল - সেই সৃষ্টি আৰু চিন্তাৰ উজ্জ্বল বস্তুৰূপে চিৰদিন তেওঁ অসমৰ সাহিত্য জগতত স্মৰণীয় হৈ ৰব।

****

# সহায়ক গ্ৰন্থপঞ্জীৰ তালিকা

১। 'বীৰেন্দ্ৰ ভট্টচাৰ্যৰ সাহিত্য-কৃতি' (১৯৮৩)- সংকলক সম্পাদকঃ ডঃ হেমন্ত কুমাৰ শৰ্মা, চন্দ্ৰপ্ৰকাশ, টিহু।

২। 'ডঃ বীৰেন্দ্ৰকুমাৰ ভট্টচাৰ্য আৰু তেওঁৰ উপন্যাস' (১৯৮৬) ডঃ মলয়া খাউণ্ড, সাহিত্য প্ৰকাশ, গুৱাহাটী।

৩। 'বীৰেন্দ্ৰ ভট্টাচাৰ্যঃ ঔপন্যাসিক' (১৯৮৭)ঃ গোবিন্দ প্ৰসাদ শৰ্ম্মা, বৰুৱা এজেন্সি, গুৱাহাটী।

৪। বীৰেন্দ্ৰ স্মৰণ ঃ সম্পাদক ঃ শ্ৰী অতুলানন্দ গোস্বামী।

৫। গৰীয়সী (জানুৱাৰী' ২০০০ )।

****

"অসমৰ হকে যুঁজি অসমৰ হকে মৰো, চিৰদিন মই অসমৰ অসমীয়া, অসমীয়া ভাষা মোৰ কথা মোৰ গীত মোৰ ———— লুইতৰ সোঁতে ক'ব অতীতৰ ভূতে ক'ব, অসমীয়া চিৰঞ্জীৱ চিৰদিন জীৱ"

— 'মই অসমীয়া' নামৰ কবিতাত চৈয়দ আব্দুল মালিক

# কথা শিল্পী চৈয়দ আব্দু মালিক

অসমীয়া সাহিত্য জগতলৈ তিনিকুৰিৰো অধিক বিভিন্ন স্বাদৰ উপন্যাস, দুহেজাৰেৰো অধিক চুটিগল্প, অসংখ্য কবিতা, গীত, হাস্য - ব্যঙ্গ ৰচনা, ভ্ৰমণ কাহিনী, নাটক অনুবাদ সাহিত্য, গৱেষণামূলক ৰচনা, আলেখ্য, শিশু সাহিত্য, জীৱনী গ্ৰন্থ আদিৰে বিপুল ৰচনাসম্ভাৰ আগবঢ়াই জীৱন্ত অৱস্থাতেই কিম্বদন্তী স্বৰূপ হৈ পৰা কথাশিল্পী চৈয়দ আব্দুল মালিকদেৱে শেষৰ কালে এগৰাকী প্ৰখ্যাত ঔপন্যাসিক হিচাপেহে বিশেষভাৱে প্ৰতিষ্ঠা লাভ কৰে। শিক্ষকতাকে জীৱনৰ ব্ৰত কৰি লোৱা মালিকদেৱে অসম আৰু অসমীয়া ভাষা-সাহিত্যক প্ৰাণভৰি ভাল পাইছিল আৰু ইয়াক সমৃদ্ধশালী কৰিবলৈ ওৰেতো জীৱন চেষ্টা চলাইছিল। মালিকদেৱৰ বাবে অসমৰ জাতীয় জীৱনৰ স্তম্ভস্বৰূপ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আছিল অসীম প্ৰভাৱ, এগৰাকী মহাপুৰুষ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আছিল প্ৰভাৱ পাত্ৰ আৰু আজান ফকিৰ আছিল আদৰ্শ ব্যক্তি। যোৱা প্ৰায় ছটা দশক ধৰি নিৰৱ সাধনাৰ যোগেৰে কৰ্মী আৰু জনপ্ৰিয় লেখক আব্দুল মালিকে এশতকৈ অধিক গ্ৰন্থৰে অসমৰ সাহিত্য জগতলৈ যি অৱদান আগবঢ়াই গৈছে, সেয়া অসমীয়া সাহিত্যৰ ইতিহাসত বিৰল।

মালিকদেৱৰ ৰচনাৰ বিষয়ে অসম সাহিত্যসভাৰ প্ৰাক্তন সভাপতি ডঃ নগেন শইকীয়াদেৱে 'চৈয়দ আব্দুল মালিক ৰচনাৱলী'ৰ (প্ৰথম খণ্ড' ১৯৯৮) ভূমিকাত এনেদৰে মন্তব্য দিছে — "তেওঁৰ লেখক সত্তা

এক ক্ৰান্তিকালৰ ভাবৰ উপাদানেৰে গঢ় লৈ উঠিছে। তেওঁৰ মাজত যিদৰে ৰোমাণ্টিক কোমলতা আছে, তেনেদৰেই আছে শক্তিশালী অসমীয়া জাতীয় চেতনা; তেওঁৰ মাজত যিদৰে সমাজবাদী আদৰ্শৰ প্ৰতি আছে আকৰ্ষণ, তেনেদৰেই আছে আধুনিকতাবাদী শিল্প সাহিত্যৰ প্ৰতিও গভীৰ আকৰ্ষণ। ঐতিহ্য প্ৰীতি আৰু সৌন্দৰ্য স্পৃহা এই দুইটিও তেওঁৰ ব্যক্তিত্বৰ দুটি প্ৰধান বৈশিষ্ট। তেওঁ যেন দুটা যুগৰ সেতু।"

এই গৰাকী প্ৰবাদ পুৰুষ কথাশিল্পী চৈয়দ আব্দুল মালিকৰ জন্ম হৈছিল ১৯১৯ চনৰ ১৬ জানুৱাৰী তাৰিখে গোলাঘাট নাহৰণি নামৰ এখন আওহতীয়া গাঁৱৰ এক দুখীয়া কৃষক পৰিয়ালত। দেউতাক আছিল চৈয়দ ৰহমত আলি আৰু মাতৃ চৈয়দা লতিফুন্নিছা। মালিকদেৱৰ জন্মস্থান সূত্ৰেই বৰ্ত্তমানে এই আওহতীয়া 'নাহৰণি' অসমীয়া পঢ়ুৱৈ সমাজৰ মাজত এক পৰিচিত গাঁও। তেখেতৰ নিজৰ বাবেও এই নাহৰণি গাঁও আছিল অতি আপোন - অতি মৰমৰ। এই গাঁৱৰ মাটিতেই খেতি কৰি ধান দাই ঘৰলৈ চ পাই আনিছিল কৃষকৰ সন্তান মালিকদেৱে। তেখেতৰ সাহিত্যত নাহৰণি গাঁৱৰ প্ৰকৃতিক সৌন্দৰ্যই এক বিশেষ স্থান লাভ কৰিছে। মালিকদেৱৰ মতে - "গাঁৱৰ কৃষকৰ জীৱনধাৰা নদীৰ সোঁতৰ দৰে, ৰাতিৰ ৰহস্যময় ব্যাপ্তিৰ অৰণ্যৰ আদিমতাৰ দৰে এটি আপোন আপোন লগা চিৰন্তনতা আছে।"

চৈয়দ আব্দুল মালিকৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল নিজ গাঁৱতেই। ১৯২৮ চনত তেওঁ প্ৰাইমাৰী পৰীক্ষাত বৃত্তি লাভ কৰি উত্তীৰ্ণ হৈ ১৯২৯ চনত দেৰগাঁও হাইস্কুলত নামভৰ্ত্তি কৰে। আৰু ইয়াত অষ্টম শ্ৰেণীলৈ পঢ়াৰ পিচত তেওঁ যোৰহাট চৰকাৰী হাইস্কুলত নাম লগায়। এই হাইস্কুলৰে মুখপত্ৰ 'জেউতী'ত মালিকদেৱে ছাত্ৰাৱস্থাতে লিখা প্ৰথম গল্প 'অন্ধ কোন' প্ৰকাশ পায়। এই স্কুলত তেওঁ শিক্ষাগুৰু হিচাপে লগ পাইছিল স্বনামধন্য সাহিত্যিক ত্ৰিদিবেশ্বৰ নেওগ, মিত্ৰদেৱ মহন্ত, জেহিৰুদ্দিন আহমেদ আদিক। সেই সময়তে 'জয়ন্তী' পত্ৰিকাৰ সৌজন্যত পতা গল্প প্ৰতিযোগিতাত তেখেতৰ 'মুক্তি আৰু যৌৱন' নামৰ গল্পটোৱে প্ৰথম স্থান লাভ কৰে। শৈশৱ কালৰ পৰাই মেধাবী ছাত্ৰ

মালিকে ১৯৩৭ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ফাৰ্চীত লেটাৰসহ প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষা উত্তীৰ্ণ হৈ যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত নাম ভৰ্ত্তি কৰে। ১৯৩৯ চনত এই কলেজৰ পৰা আই. এ পাছ কৰি ইংৰাজী সাহিত্যত অনাৰ্চ লোৱাৰ বাবে কটন কলেজলৈ আহে আৰু ১৯৪১ চনত ইংৰাজীত অনাৰ্চসহ বি.এ ডিগ্ৰি লাভ কৰে। ইয়াৰ পিছত কেইবছৰমান বিৰতি লৈ ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰাইভেটকৈ অসমীয়া বিভাগত এম. এ. পৰীক্ষা দি দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। কটন কলেজত পঢ়ি থকাৰ সময়ত শিক্ষাগুৰু হিচাপে লগ পোৱা স্বনামধন্য শিক্ষাবিদ ডঃ বাণীকান্ত কাকতি, ডঃ সূৰ্যকুমাৰ ভূঞা, আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা আদিৰ নাম মালিকদেৱে শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছিল।

মালিকদেৱৰ কৰ্মজীৱন আৰম্ভ হৈছিল শিক্ষকৰ পদবীৰে গোলাঘাট চৰকাৰী হাইস্কুলত। কিছুদিন আৱকাৰী বিভাগৰ সহকাৰী পৰিদৰ্শক হিচাপেও কাম কৰিছিল। মদ, ভাং, কানি আদিৰ লগত যুঁজ কৰা এই চাকৰিত সন্তুষ্ট নহৈ এৰি দি কিছুদিনৰ বাবে সামৰিক বিভাগৰ চাকৰিত যোগ দিয়ে। পিছত এই চাকৰিও ত্যাগ কৰি ১৯৪৬ চনত জগন্নাথ বৰুৱা কলেজত ফাৰ্চী অধ্যাপকৰ পদত যোগদান কৰে। ১৯৫১চনত প্ৰাইভেটকৈ অসমীয়াত এম. এ পাচ কৰাৰ পিছত সেই বছৰতে জে. বি. কলেজত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰি ১৯৭৬ চনলৈ সেই কলেজতে অধ্যাপনা কৰে। ইয়াৰ মাজতে তেখেতে ৰাজনৈতিক জীৱনতো প্ৰবেশ কৰি ১৯৫৭ চনত লোকসভা আৰু ১৯৭২ চনত বিধানসভাৰ বাবে প্ৰতিদন্দিতা কৰি পৰাজয় বৰণ কৰে যদিও শেষত ৰাজ্যসভাৰ সদস্য হিচাপে তেখেতে সংসদত প্ৰৱেশ কৰিছিল। সৰু কালৰ পৰা নাটকৰ প্ৰতি ৰাপ থকা মালিকদেৱে ১৯৫১ - ১৯৫৫ চনৰ কালচোৱাত 'সদৌ অসম গণনাট্য সঙ্ঘ'ৰ সভাপতি আৰু 'সৰ্ব্বভাৰতীয় গণনাট্য সঙ্ঘ'ৰ উপসভাপতিও আছিল। ইয়াৰ উপৰি সংগীত নাটক অকাডেমী, সাহিত্য অকাডেমী, বিশ্বকোষ প্ৰণয়ন সমিতি, ললিত কলা অকাডেমী, নেচনেল বুক ট্ৰাষ্ট অব ইণ্ডিয়া আদিৰ লগতো

তেখেতে জড়িত হৈ আছিল।

চৈয়দ আব্দুল মালিকৰ কৰ্মময় জীৱনৰ এই বহল তথা বৈচিত্ৰময় ক্ষেত্ৰত পোৱা অভিজ্ঞতাসমূহৰ লগতে অসমীয়া সমাজ জীৱনৰ মনোৰম চিত্ৰ তেখেতৰ বিভিন্ন ৰচনাৰাজীত ফুটি ওলাইছে। সংখ্যা তথা গুণগত দিশতো অসমীয়া সাহিত্যৰ সৰ্ব্বাধিক গ্ৰন্থৰ গ্ৰন্থকাৰ মালিকদেৱে অসমীয়া সাহিত্যৰ বিভিন্ন দিশলৈ সৃষ্টিশীল সাহিত্যৰ বিপুল অৱদান আগবঢ়াইছে। অসমৰ মাটি-পানী আৰু সমাজ জীৱনক প্ৰাণভৰি ভালপোৱা মালিকদেৱে নিজকে অসমৰ সৈতে অভিন্ন কৰি লিখিছে—

"থাক তই যুগমীয়া
থাক তই হেৰেই গৰীয়া
ইয়াতে বান্ধিবি আটি
জীৱনৰ তৰা গাঁঠি
ইয়াতে কবৰৰ মাটি
জীৱনৰ চিন ঢাকি দিয়া"

অসমীয়া সাহিত্য জগতলৈ ৭১খন উপন্যাসৰ বৰঙণি আগবঢ়োৱা মালিকৰ উপন্যাসত সমকালিন অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক জীৱনৰ ছবি ফুটি উঠিছে। তেখেতৰ উপন্যাসত ৰোমান্টিক ভাবধাৰাৰ উপৰিও আনুভূতিক, আবেগিক, মনস্তত্বৰ চিত্ৰও দেখিবলৈ পোৱা যায়। মালিকদেৱে সাধাৰণ সৰু সৰু মানুহৰ মনৰ কথাবোৰ হৃদয়ঙ্গম কৰিব পাৰিছিল আৰু এই কথাবোৰ সাবলিল ভাষাৰে তেখেতৰ লেখনিত উদ্ভাৱিত হৈছিল। সহজ সৰল ভাষা আৰু মানৱতাবোধৰ বাবে তেখেতৰ ৰচনা পঢ়ুৱৈ সমাজৰ মাজত অতি জনপ্ৰিয় হৈছিল। ১৯৪০ চনত কলেজীয়া ছাত্ৰাৱস্থাতে লিখা তেখেতৰ প্ৰথম প্ৰকাশিত উপন্যাস 'ওমলা ঘৰৰ ধুলি' আৰু ১৯৪১ চনত প্ৰকাশ পোৱা 'লঃসাঃও' উপন্যাসেৰে আৰম্ভণি কৰা মালিকদেৱৰ কেইখনমান অতি জনপ্ৰিয় উপন্যাস হ'ল - 'ৰথৰ চকৰি ঘূৰে', 'আধাৰশিলা', 'কলজুই', 'সূৰুজমুখীৰ স্বপ্ন', 'অঘৰী আত্মাৰ কাহিনী', 'ছবিঘৰ', 'মাটিৰ চাকি', 'জীয়া জুৰিৰ ঘাট', 'পহুমৰা হাবিৰ বাট', অন্য আকাশ অন্য তৰা', 'নল -খাগৰি',

প্ৰাচীৰ আৰু কঙ্কাল', 'সোণালী সূতাৰে বন্ধা', ' ডঃ অম্বিকাগিৰীৰ অসম্পূৰ্ণ জীৱনী', ইত্যাদি। ইয়াৰ উপৰি অসমৰ সমাজ জীৱনলৈ বিশেষ অবদান আগবঢ়োৱা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনৰ আধাৰত ৰচনা কৰা 'ৰূপতীৰ্থৰ যাত্ৰী', (প্ৰথম খণ্ড ১৯৬৩, দ্বিতীয় খণ্ড ১৯৬৫)আৰু মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনৰ আধাৰত ৰচিত -"ধন্য নৰ তনু ভাল' (১৯৮৭) তেখেতৰ দুখনি জীৱনীভিত্তিক উপন্যাস। এই উপন্যাস দুখনত মালিকে অপূৰ্ব ৰচনাশৈলীৰ দ্বাৰা সমকালীন অসমৰ জন-জীৱনৰ ধৰ্মীয়, সামাজিক আদি বিভিন্ন দিশ চিত্ৰিত কৰিছে। তেখেতৰ ষাঠিৰ দশকত লিখা 'সূৰুজমূখীৰ স্বপ্ন' (১৯৬০) আৰু 'অঘৰী আত্মাৰ কাহিনী', (১৯৬৯) উপন্যাসদুখন কালজয়ী সৃষ্টি। 'সূৰুজমুখী স্বপ্ন' নামৰ জনপ্ৰিয় উপন্যাসখনে তেখেতলৈ বিপুল খ্যাতি আনি দিছিল। সেয়েহে ১৯৭২ চনত 'অঘৰী আত্মাৰ কাহিনী' নামৰ উপন্যাসৰ বাবে মালিকে 'সাহিত্য অকাডেমী' বঁটা লাভ কৰোঁতে সমালোচক সকলে আক্ষেপ কৰিছিল এই বুলি যে তাৰ বহু আগেয়েই মালিকে সেই পুৰস্কাৰ পাব লাগিছিল 'সূৰুজমুখীৰ স্বপ্ন'ৰ বাবে। 'অঘৰী আত্মাৰ কাহিনী' নামৰ এই ব্যতিক্ৰমধৰ্মী উপন্যাসখনত মালিকদেৱে কিছুমান মানুহৰ জঘন্য চৰিত্ৰ দাঙি ধৰিছে। এই উপন্যাস দুখন ইংৰাজীৰ বাহিৰেও ভাৰতীয় অন্যান্য ভাষালৈও অনুদিত হৈছে। ১৯৫৬ চনত 'মাজত মাথো হিমালয়' নামৰ ভ্ৰমণ কাহিনীখনৰ বাবে তেখেত হোভিয়েট দেশ নেহেৰু পুৰস্কাৰদ্বাৰা সন্মানিত হৈছেল।

মালিকদেৱ এগৰাকী নিপুন চুটিগল্প লেখক আছিল। আৱাহন যুগৰে পৰা গল্প ৰচনাত হাত দিয়া মালিকৰ গল্পত নিৰ্য্যাতিত, নিপিড়ীত মানুহৰ জীৱনৰ লগতে অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ডেকা-গাভৰুৰ আশা-আকাংক্ষা আৰু ৰোমান্টিক ভাৱধাৰা চিত্ৰিত হৈছে। ১১৪৬ চনত তেখেতৰ গল্পপুথি 'পৰশমণি' প্ৰকাশ পোৱাৰ লিহতে অসমীয়া পঢ়ুৱৈ সমাজৰ মাজত তেখেতে এগৰাকী জনপ্ৰিয় গল্পকাৰ ৰূপে প্ৰতিষ্ঠা লাভ কৰে মালিকৰ কেইখনমান জনপ্ৰিয় গল্পপুথি হ'ল- 'ৰঙাগড়া', 'ৰবহা পাপৰি', 'শিখৰে শিখৰে', 'এজনী নতুন ছোৱালী', 'শিল আৰু শিখা', 'অন্তৰী অক্ষৰা',

'প্ৰাণাধিকা', 'বহুত বেদনা এটোপা চকুলো', 'ছয় নম্বৰ উত্তৰ' ইত্যাদি। অসমীয়া গল্প সাহিত্য আৰু উপন্যাসত চৈয়দ আব্দুল মালিকক এক মুকুটবিহীন সম্ৰাট বুলিয়েই অভিহীত কৰিব পাৰি ।

অসমীয়া গল্প আৰু উপন্যাস সাহিত্যত মালিকদেৱ এগৰাকী অপ্ৰতিদণ্ডী লেখক হোৱাৰ উপৰিও এজন সফল কবি আৰু নাট্যকাৰও আছিল। 'বেদুইন' তেখেতৰ প্ৰকাশিত কবিতা পুথি। 'মই অসমীয়া', 'মোৰ স্বৰ্গ', 'আমাক কোনে মাৰে' আদি কবিতাত এক সবল মন, দেশপ্ৰেম তথা মানবপ্ৰেমৰ অনুভূতিৰ পৰিচয় পোৱা যায়। কবিতা সৃষ্টিত কবিগুৰু ৰবীন্দ্ৰনাথ, নজৰুল, অম্বিকাগিৰী ৰায়চৌধুৰী, দেবকান্ত বৰুৱা, গণেশ গগৈ, হেম বৰুৱা আদিৰ কবিতাই তেখেতক অনুপ্ৰেৰণা যোগাইছিল। তেখেতে কেবাখনো মঞ্চসফল অনাতাঁৰ নাট আৰু একাঙ্কিকা নাট ৰচনা কৰিছে। তাৰ ভিতৰত 'প্ৰথম প্ৰণাম', 'ৰাজদ্ৰোহী', 'মকৰাজাল', 'শকুন্তলা' আদি উল্লেখযোগ্য। ইয়াৰ উপৰি হাস্যব্যঙ্গ ৰচনাতো তেখেতে হাত দিছিল। 'অকথ্য', 'খোৰা নিদান', 'অশ্ৰাব্য', 'মই প্ৰস্তাব কৰোঁ' আদি তেখেতৰ হাস্যব্যঙ্গ ৰচনা। জীৱনৰ শেষ বয়সত তেখেতে 'মোৰ জীৱনৰ নহ'লবোৰ' নামেৰে আত্মজীৱনীমূলক গ্ৰন্থত জীৱনৰ মিঠা-তিতা বহু অভিজ্ঞতা প্ৰকাশ কৰিছে।

চল্লিচৰ দশকৰ পৰা বৰ্ত্তমানলৈ বিভিন্ন সাহিত্য ৰচনাৰ মাজেৰে অসমীয়া পঢ়ুৱৈ সমাজক আপ্লুত কৰি ৰখা চৈয়দ আব্দুল মালিকদেৱৰ অতুলনীয় প্ৰতিভাৰ বাবে অসম সাহিত্য সভাই ১৯৭৬ চনত অভয়াপুৰীত বহা চতুশ্চত্বাৰিংশ অধিবেশনত সভাপতি পদৰ দ্বাৰা সন্মানিত কৰে। ১৯৮৪ আৰু ১৯৯২ চনত ভাৰত চৰকাৰে তেখেতলৈ পদ্মশ্ৰী আৰু পদ্মভূষণ সন্মান আগবঢ়ায়। ১৯৮৯ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে তেখেতলৈ সন্মানীয় ডি. লিট ডিগ্ৰি প্ৰদান কৰে। ১৯৯৪ চনত মালিকদেৱে 'অসম উপত্যকা বঁটা' আৰু ১৯৯৯ চনত অসম চৰকাৰৰ 'শঙ্কৰদেৱ বঁটা' লাভ কৰে। জীৱনজোৰা সাহিত্য কৰ্মৰ বাবে অসম সাহিত্য সভাই তেখেতলৈ 'সাহিত্যাচাৰ্য্য' সন্মান যাচে। ইয়াৰ উপৰিও পশ্চিমবঙ্গ চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগে ১৯৮১

চনত ইষ্টাৰ্ণ ইণ্ডিয়া কালচাৰেল ইন্টিগ্ৰেচন এৱাৰ্ড, ১৯৯২ চনত সমন্বয় বঁটা, ১৯৯৩ চনত আসাম এক্সপ্ৰেছ বঁটা, ১৯৯৫ চনত আজান ফকিৰ বঁটা, ১৯৯৬ চনত মুনলাইট মেডিয়া এৱাৰ্ড আদিৰেও সন্মানিত হয়।

অসমীয়া জাতীয় জীৱনলৈ বিভিন্ন ৰচনাৰাজীৰ জৰিয়তে অভূতপূৰ্ব অৱদান আগবঢ়াই জীৱিতকালতেই কিংবদন্তী স্বৰূপ হৈ পৰা চৈয়দ আব্দুল মালিকদেৱে ২০০০ চনৰ ১৯ ডিচেম্বৰৰ নিশা ইহলীলা সম্বৰণ কৰে। কুৰি শতিকাৰ তেখেতৰ সমকালৰ সৰ্বাধিক পঠিত, চৰ্চিত, আলোচিত লেখক মালিকদেৱে নিজৰ বিপুল আৰু বৈচিত্ৰময় ৰচনা সম্ভাৰৰ যোগেৰে অসমীয়া পঢ়ুৱৈ সমাজৰ মাজত চিৰসেউজ হৈ থাকিব বুলি আশা কৰিব পাৰি।

****

## সহায়ক গ্ৰন্থপঞ্জীৰ তালিকা

১। 'মোৰ জীৱনৰ নহ'লবোৰ' - চৈয়দ আব্দুল মালিক।

২। 'চৈয়দ আব্দুল মালিক ৰচনাৱলী' - প্ৰথম (১৯৯৮), দ্বিতীয় (১৯৯৯), তৃতীয় (১৯৯৯), চতুৰ্থ (২০০০), পঞ্চম (২০০১); সম্পাদক - লুৎফুৰ ৰহমান, কস্তুৰী প্ৰকাশন সংস্থা, গুৱাহাটী।

৩। 'গৰীয়সী' (জানুৱাৰী'২০০০)

৪। অগ্ৰদূত (২৪ডিচেম্বৰ ৩১ ডিচেম্বৰ ২০০০)

৫। আমাৰ অসম (১৮আগষ্ট, ১৯৯৮)

****

"মোৰ গীতৰ হেজাৰ শ্ৰোতা।
তোমাক নমস্কাৰ।
গীতৰ সভাত তুমিয়েতো প্ৰধান অলংকাৰ,
প্ৰয়াস কৰোঁ - তোমাৰ মুখত হাঁহি বিলাবলে'
প্ৰয়াস কৰোঁ - তোমাৰ দুখত সঁচাই কান্দিবলে"

—ড° ভূপেন হাজৰিকা।

# সুৰসম্ৰাট ড° ভূপেন হাজৰিকা

অসমৰ কন কন শিশুৰ পৰা আৰম্ভ কৰি আবাল-বৃদ্ধ বনিতাৰ বুকুৰ আপোন - হিয়াৰ আমঠু, শদিয়াৰ পৰা ধুবুৰীলৈকে অসমৰ সঙ্গীত জগতত খলকনিৰ সৃষ্টি কৰোঁতা, অসমৰ সাংস্কৃতিক জগতক বহিৰ্বিশ্বৰ সৈতে যোগাযোগ কৰাই দিওঁতা, আজন্ম সুৰকাৰ ড° ভূপেন হাজৰিকাদেৱে সুদীৰ্ঘ আঢ়ৈকুৰিৰো অধিককাল ধৰি এক বিস্ময়কৰ প্ৰতিভাৰে অসমৰ ইমুৰৰ পৰা সিমুৰৰ লগতে সৰ্ব্বভাৰতীয় মঞ্চতো এক বিশিষ্ট আসন দখল কৰি আছে। স্কুলীয়া ছাত্ৰাৱস্থাতে মহাপুৰুষ শঙ্কৰদেৱক লৈ লিখা 'কুসুম্বৰ পুত্ৰ শ্ৰীশঙ্কৰগুৰুৱে ধৰিছিল নামৰে তান' শীৰ্ষক প্ৰথম গীতটোক আৰম্ভ কৰি কেবাশ গীত লিখি সুৰ দি অসম তথা ভাৰতীয় সঙ্গীত জগতক চহকী কৰি বৰ্ত্তমানে পয়সত্তৰ বছৰ বয়স অতিক্ৰম কৰা এই গৰাকী মানবদৰদী অতুলনীয় জনপ্ৰিয় শিল্পীৰ উপস্থিতিয়ে এতিয়াও অসমৰ বিহুতলী, সভাস্থলী আদিত হেজাৰ হেজাৰ দৰ্শকৰ সমাগম ঘটায়।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে শিশু ভূপেন হাজৰিকাৰ বিষয়ে ১৯৩০ চনৰ ৩০ অক্টোবৰৰ দিনাখন গুৱাহাটী কটন কলেজিয়েট হাইস্কুলৰ ছাত্ৰসকলে দিয়া এখন অভ্যৰ্থনা সভাৰ সম্পৰ্কত "মোৰ জীৱন সোঁৱৰণ' নামৰ আত্মজীৱনীমূলক গ্ৰন্থত লিখিছে- "ছাত্ৰৰ সকলৰ সভাত [illegible] কম বয়সীয়া লৰাই (শিশু বুলিলেই হয়) হাৰমনিয়ামৰ

সহায়ত সুন্দৰকৈ এটি গান গাইছিল। মই মুগ্ধ হৈ আসনৰ পৰা উঠি সভাতে ল'ৰাটিৰ গালৰ এটি চুমা খালোঁগৈ। তাহানি কলিকতাত 'মাষ্টাৰ মদন' বোলা তেনেকুৱা গান গোৱা ল'ৰা এটিৰ গান শুনিছিলো। আজি অসমীয়া 'মাষ্টাৰ মদনক' দেখি বৰ সন্তোষ পালো।"—

উল্লেখিত এই অসমীয়া মাষ্টাৰ মদন আছিল অসমীয়া সমাজৰ বুকুৰ আপোন ভূপেন হাজৰিকা, যি পাঁচ বছৰ বয়সত উক্ত সভাত গীত গাই সাহিত্যৰথী বেজবৰুৱাদেৱৰ আশীষৰূপে স্নেহচুমা পাইছিল। যোৱা পাঁচদশক ধৰি অসাধাৰণ প্ৰতিভাৰে হাজৰিকাদেৱে বহু ভাষাত গীত, সাহিত্য আৰু কথাছবিৰ নিৰ্মাণ কৰি বৰ্ত্তমানে এক যুগচেতনাৰ সৃষ্টি কৰিছে। নতুন নতুন বিষয় বস্তু, সুন্দৰ শব্দযোজনা আৰু ছন্দেৰে হাজৰিকাদেৱে অসমীয়া গীতক এক বিশেষ সৌন্দৰ্য দান কৰিলে। তেখেতৰ গীতৰ বিষয় বস্তু যুগ-চেতনাৰ বাহক। সেই বিষয়বস্তু ভাব-ভাষাৰ লগত খাপ খুৱাই অসমীয়া, ভাৰতীয় আৰু লগতে পশ্চিমীয়া সুৰৰো সমন্বয় ঘটিছে।

সুৰসম্ৰাট ড° ভূপেন হাজৰিকাদেৱৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ চেপ্তেম্বৰৰ দিনাখন অসমৰ পূব প্ৰান্তৰ চহৰ শদিয়াত। সেই সময়ত তেখেতৰ দেউতাক স্বৰ্গীয় নীলকান্ত হাজৰিকাই শদিয়াৰ এটা স্কুলত শিক্ষকতা কৰিছিল। শদিয়াত জনজাতীয় - অজনজাতীয় ভিন্ন ভাষা - ভাষীৰ লোককৃষ্টিৰ সৈতে শৈশৱ কালতেই চিনাকী হৈ পৰা ভূপেন হাজৰিকাই বেছিদিন শদিয়াত থাকিব নাপালে। পিছলৈ দেউতাকৰ এচ. ডি. চি. চাকৰিসূত্ৰে গুৱাহাটী, ধুবুৰী, তেজপুৰ আদি বিভিন্ন অঞ্চললৈ শৈশৱকালতেই যাব লগা হৈছিল। গুৱাহাটীত হাইস্কুলীয়া শিক্ষা আৰম্ভ কৰি হাজৰিকাই পিছত ধুবুৰী আৰু ১৯৩৬ চনত তেজপুৰলৈ আহি তেজপুৰ হাইস্কুলত ষষ্ঠ শ্ৰেণীত ভৰ্ত্তি হয়। ১৯৪০ চনত এই হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাচ কৰি গুৱাহাটীৰ কটন কলেজত নাম ভৰ্ত্তি কৰে। এই কলেজৰ পৰা আই. এ আৰু বি. এ পাচ কৰি উচ্চ শিক্ষাৰ বাবে বেনাৰচলৈ যায়। ১৯৪৬ চনত বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতোকোত্তৰ ডিগ্ৰি লাভ

কৰে। এম. এ পাচ কৰাৰ পিছত ঘৰলৈ ঘুৰি আহি কিছুদিনৰ বাবে গুৱাহাটীৰ বি. বৰুৱা মহাবিদ্যালয়ত অধ্যাপনা কৰে আৰু প্ৰায় ছমাহ মান পিছত এই চাকৰি এৰি দি অ'ল ইণ্ডিয়া ৰেডিঅ'ত ডেৰবছৰমান চাকৰি কৰে। এই সময়চোৱাৰ ভিতৰতে তেখেতে অসমৰ জনপ্ৰিয় সঙ্গীত শিল্পীৰূপে প্ৰতিষ্ঠা লাভ কৰে।

শৈশৱকালৰ পৰাই ভূপেন হাজৰিকাই দেউতাকৰ সৈতে অসমৰ বিভিন্ন অঞ্চললৈ ঘুৰি ফুৰোঁতে অসমৰ বাবে - বৰণীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰভাৱ তেওঁৰ ওপৰত পৰিছিল। ধুবুৰীত থকা সময়চোৱাত তেওঁ বঙালী ভাষাত বুৎপত্তি লাভ কৰে আৰু গুৱাহাটীত থাকোঁতে দেশভক্ত তৰুণৰাম ফুকনৰ নিচিনা ব্যক্তিৰ ব্যক্তিত্বৰ সৈতে পৰিচয় ঘটে। তেজপুৰত তেওঁ অসমীয়া সমাজৰ কুসংস্কাৰ-অন্ধবিশ্বাস আদিক ব্যঙ্গভাৱে দেখুৱাই দিয়া সাহিত্যিক দণ্ডিনাথ কলিতাৰ সংস্পৰ্শ লাভ কৰে। বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত বিশিষ্ট দাৰ্শনিক পণ্ডিত ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ দৰে অসাধাৰণ প্ৰতিভাসম্পন্ন পণ্ডিত ব্যক্তিৰ মুখৰ পৰা গীতাৰ বাখ্যা শুনিবলৈ পাইছিল। ইয়াৰ উপৰি তেজপুৰত ছাত্ৰাৱস্থাত থকা কালচোৱাত ভূপেন হাজৰিকাৰ ওপৰত সবাতোকৈ প্ৰভাৱ পেলোৱা দুগৰাকী বিশিষ্ট ব্যক্তি আছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিপ্লৱী শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। জ্যোতিপ্ৰসাদৰ সৌন্দৰ্য সৃষ্টিৰ আকুলতা আৰু বিষ্ণুপ্ৰসাদৰ সবল সংগ্ৰামী দৃষ্টিভঙ্গীয়ে ডেকাকালত হাজৰিকাদেৱৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়। জ্যোতিপ্ৰসাদে সৌন্দৰ্য সৃষ্টিৰ দ্বাৰা গীত, কবিতা, নাটক আদি ৰচনা কৰি অসমীয়া সমাজক সচেতন কৰিবলৈ যত্ন কৰিছিল আৰু আনহাতে বিষ্ণুৰাভাই সমাজত ন্যায় প্ৰতিষ্ঠাৰ বাবে বিভিন্ন সাহিত্যিক সমল ৰচনাৰ উপৰিও হাতত বন্দুক তুলি গাঁৱে - ভূঞে সংগঠন কৰি ৰাইজক সজাগ কৰিছিল। এই দুয়োজনাৰ অসমাপ্ত কামবোৰত হাত আগবঢ়াবলৈকে যেন ভূপেন হাজৰিকাৰ জন্ম হৈছিল।

বিষ্ণুৰাভাৰ কোলাত বহিয়েই শৈশৱকালত ভূপেন হাজৰিকাই গীত শিকিছিল তেখেতৰ চাইকেলত উঠি যেই হাজৰিকাই

জ্যোতিপ্ৰসাদৰ ওচৰত 'ইন্দ্ৰমালতী ' কথাছবিৰ গীতৰ আখৰালৈ গৈছিল। ৰাভাদেৱৰ গীত 'কাষতে কলচী লৈ যায় অ' ৰচকী বাই' আৰু 'উলাহেৰে নাচি বাগি হলি বিয়াকুল'— গীত দুটি হাজৰিকাদেৱে তেওঁৰ জীৱনৰ প্ৰথম ৰেকৰ্ডখনত গাইছিল। দহবছৰীয়া ভূপেন হাজৰীকাৰ কণ্ঠ কলিকতাৰ 'চেনোলা মিউজিকেল প্ৰোডাক্টচ' কোম্পানীত পোণ প্ৰথমবাৰৰ বাবে বাণীবদ্ধ হ'ল 'জয়মতী' আৰু 'শোণিতকুঁৱৰী'ৰ বাণীবদ্ধ নাটদুখনৰ বাবে। তেজপুৰ হাইস্কুলত পঢ়ি থকা চাৰিটাবছৰ ভূপেনে জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ সংস্পৰ্শলৈ আহি অসমৰ সংস্কৃতি জগতখনক যেনেদৰে জানিলে, সেয়া তেওঁৰ পিছৰ জীৱনতো প্ৰতিফলিত হৈছিল। বিষ্ণু-জ্যোতিৰ দৰে হাজৰিকাদেৱৰ বহু গীতটো নিভাজ অসমীয়া সুৰ বাজি উঠে। তেৰ বছৰ বয়সৰ পৰাই ভূপেন হাজৰিকাৰ শিল্পীসুলভ মন আৰু বিপ্লৱী সত্তাৰ প্ৰতি দৃষ্টিপাত কৰি শ্ৰী হিৰণ্যচন্দ্ৰ ভট্টাচাৰ্য্যদেৱে লিখিছে—

"শঙ্কৰ -মাধৱৰ বোৱতী সুঁতিখন থমকি ৰ'ই গ'ল - আঘাতৰ পিছত আঘাত পাই। যুগে যুগে একোজনৰ আবিৰ্ভাব হয়- জ্যোতিপ্ৰসাদৰ আবিৰ্ভাব হ'ল। থমকি ৰোবা বোৱতি সুঁতি মোকোলাই দিলে এক বিৰাট প্ৰতিশ্ৰুতিৰে। সেই প্ৰতিশ্ৰুতি পূৰ্ণ কৰাৰ আগতেই কালৰ বুকুত বিলীন হ'ল জ্যোতিপ্ৰসাদ - ৰ'ই গ'ল জ্যোতি। ভূপেন অসম মাতৃৰ ইমান অকৰা সন্তান নহয় যে সেই জ্যোতি হেৰাই যাবলৈ নিদিলেই, লগতে পাহৰি নগ'ল যে জ্যোতিপ্ৰসাদে ভূপেনকে 'অগ্নি যুগৰ ফিৰিঙতি' ৰূপে অসম মাতৃৰ বুকুত সজাই পৰাই এৰি দিছিল - অসমক জগাবলৈ, পুঁৰিবলৈ নহয় — উদ্ভাসিত কৰিবলৈ। তাৰ পিছত জোৱাৰ আহিল - আবিৰ্ভাব হ'ল বিষ্ণু ৰাভা আৰু ফণী শৰ্মাৰ। অসমৰ সাংস্কৃতিক জগতত বিপ্লৱ আহিল - সেই 'বিপ্লৱৰ সন্তান" ভূপেন হাজৰিকা।" ('ভূপেন্দ্ৰ চৰিত', নতুন বাতৰি, উত্তৰ লক্ষীমপুৰ ১৫ আগষ্ট,১৯৭৬)

ভূপেন হাজৰিকাই যুৱক হিচাপে নিজকে অগ্নিযুগৰ এক জ্বলন্ত ফিৰিঙতি হিচাপেহে অনুভৱ কৰে। ১৯২৫ চনৰ পৰা ১৯৪৬ চনলৈ

বিস্তৃত হৈ থকা স্বাধীনতা আন্দোলনৰ এই অগ্নিযুগৰ কালচোৱাতেই ষোল্লবছৰ বয়সত হাজৰিকাদেৱে ৰচনা কৰে তেওঁৰ দ্বিতীয় গীত- 'অগ্নি যুগৰ ফিৰিঙতি মই'। ইয়াৰ পিচতে 'কপি উঠে তাজমহল', 'স্নেহেই আমাৰ শত শ্ৰাৱনত' আদি গীতেৰে সকলোৰে অন্তৰ জয় কৰে।

১৯৪৯ চনৰ চেপ্তেম্বৰ মাহত হাজৰিকাদেৱে Mass Communicationৰ ওপৰত পি. এইচ. ডি গৱেষণা কৰাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কলম্বিয়া বিশ্ববিদ্যালয়লৈ বুলি যাত্ৰা কৰে। এই গৱেষণাৰ বাবে সেই সময়ৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ অসম চৰকাৰে দুবছৰৰ বাবে তেওঁলৈ ২৫০ ডলাৰৰ এটা জলপানী আগবঢ়াইছিল। এই গৱেষণা কৰাৰ বাবে হাজৰিকাই সেই বিশ্ববিদ্যালয়ৰ পৰাই প্ৰথমতে নতুনকৈ এম. এ পৰীক্ষাত উত্তীৰ্ণ হৈ লয়। ইয়াৰ পিছত কঠোৰ পৰিশ্ৰম আৰু অধ্যয়নৰ ফলস্বৰূপে পি. এইচ. ডি ডিগ্ৰি লাভ কৰি উঠি কিছুদিনলৈ এচিয়াৰ বাবে চুটি ছবি নিৰ্মাণ কৰা 'মেট্ৰো গল্ডেন মেয়াৰ' আৰু 'আৰ কে পিকচাৰ্চ' নামৰ কোম্পানী দুটাত উপদেষ্টাৰূপে কাম কৰে। আমেৰিকাত থকা সময়চোৱাত তেওঁ Suggestions Schools of Social Science নামৰ অনুষ্ঠানটোত কিছুদিনৰ বাবে ভৰ্ত্তি হৈছিল য'ত বিশ্ববিখ্যাত সঙ্গীতজ্ঞ প'ল ৰবচনে সেই সময়ত অধ্যাপনা কৰিছিল। প'ল ৰবচনৰ গীতত শ্বেতাঙ্গ লোকসকলে কৃষ্ণাঙ্গ সকলৰ প্ৰতি প্ৰদৰ্শন কৰা শোষণ আৰু অপমানৰ বিৰুদ্ধে প্ৰতিবাদ প্ৰকাশ পাইছিল। সেই সময়চোৱাত প'ল ৰবচনৰ সান্নিধ্য ভূপেন হাজৰিকাৰ জীৱনৰ এক উল্লেখযোগ্য ঘটনা আছিল। এই সময়চোৱাত হাজৰিকাদেৱে সঙ্গীত প্ৰদৰ্শনৰ যোগেদি আমেৰিকাত থকা প্ৰবাসী ভাৰতীয় সকলৰ মাজত জনপ্ৰিয় হৈ উঠে। তাতেই ভাৰতীয় দূতাবাসত গণতন্ত্ৰ দিৱসৰ এক অনুষ্ঠানত আফ্ৰিকাৰ ইউগাণ্ডাত থিতাপী লাভ কৰা এক গুজৰাটী ধনী ব্যৱসায়ীৰ নাচ-গানত ৰাপ থকা জীয়ৰী প্ৰিয়ম্বদা পেটেলক লগ পায়। International Riations বিষয়ত অধ্যায়ন কৰিবলৈ প্ৰিয়ম্বদাই ভেজিয়া ইউগাণ্ডাৰ পৰা আমেৰিকালৈ গৈছিল। ভাৰতীয় দূতাবাসৰ অনুষ্ঠানটোত ভূপেন হাজৰিকাই 'ও জয় ৰঘু নন্দন' গীতটো পৰিবেশন কৰোঁতে

প্ৰিয়ম্বদাই মেখেলা চাদৰ পিন্ধি নাচি দৰ্শকৰ প্ৰশংসা পালে আৰু দুয়ো পুৰস্কৃত হ'ল। ইয়াৰ কিছুদিন পিছতেই হাজৰিকাই এক দুৰ্ঘটনাৰ বাবে হস্পিতালত চিকিৎসাধীন হৈ থকা অৱস্থাত প্ৰিয়ম্বদাই সঘনে তেওঁৰ খবৰ লবলৈ আহে আৰু সময়ত দুয়োৰে মাজত প্ৰীতিৰ ভাব হয়। ১৯৫০ চনৰ প্ৰথম আগষ্টৰ দিনাখন তেওঁলোকৰ মাজত নিউয়ৰ্ক চহৰত শুভবিবাহ সম্পন্ন হয়। বিবাহৰ পৰিণতি স্বৰূপে 'তেজ' নামে এক পুত্ৰ সন্তানও তেওঁলোকৰ মাজলৈ আহে।

Mass Communication ৰ ওপৰত পি. এইচ. ডি কৰি উঠাৰ পিছত Air India International ত গণসংযোগ বিষয়া পদৰ বাবে হাজৰিকাদেৱলৈ চাকৰিৰ নিমন্ত্ৰণ আহিছিল। আফ্ৰিকাৰ ইউগাণ্ডাত থাকি ব্যৱসায়ত হাত আগবঢ়াবলৈও শহুৰৰ ঘৰৰ পৰা হেঁচা আহিছিল। পিছে ঘৰৰ মোহ আৰু অসম প্ৰেমে ১৯৫৩ চনত তেওঁক পত্নী প্ৰিয়ম আৰু পুত্ৰ তেজৰ সৈতে অসমলৈ আনিলে। কিছুদিন নিবনুৱা হৈ থাকি কিছুদিন All India Radio ত কাম কৰি ১৯৫৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিবলৈ লয়। বিশ্ববিদ্যালয়ৰ কৰ্মক্ষেত্ৰৰ পৰাই তেওঁ সঙ্গীত সাধনা অব্যাহত ৰাখিলে। ১৯৫৫ চনত ভূপেন হাজৰিকাৰ নেতৃত্বত যোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ দলটোৱে দিল্লীত অনুষ্ঠিত হোৱা আন্তঃ বিশ্ববিদ্যালয়ৰ যুব মহোৎসৱত শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান অৰ্জন কৰিলে। ১৯৫৬ চনত তেওঁ ভাৰতীয় সাংস্কৃতিক সংস্থাৰ সদস্য হিচাপে মুলক্ৰাজ আনন্দ, সুন্দৰলাল, নৰেন্দ্ৰদেৱ, মেঘনাদ সাহাকে আদি কৰি ভাৰতৰ স্বনামধন্য সাহিত্যিক - বিজ্ঞানী সকলৰ সৈতে ফিন্‌লেণ্ড, ৰাচিয়া আদি দেশ ভ্ৰমণ কৰে। ঘূৰি আহিবৰ সময়ত অনিচ্ছা স্বত্বেও তিনিদিন পলম হোৱা বাবে সেইসময়ৰ গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই তেওঁৰ তিনিদিনৰ দৰমহা কাটে। এই কথাতে ক্ষুণ্ণ হৈ হাজৰিকাদেৱে বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ চাকৰি ইস্তফা দিয়ে আৰু টালি - টোপোলা বান্ধি ১৯৫৭ চনত সপৰিয়ালে কলিকতালৈ উঠি আহে। তাৰ বছৰচেৰেক পিছতেই তেখেতৰ পত্নী প্ৰিয়মে সাংসাৰিক কাৰণত মনোমালিন্য হোৱা হেতুকে হাজৰিকাৰ ওচৰৰ পৰা

আতৰি আছি বৈবাহিক জীৱনৰ ওৰ পেলায়। ব্যক্তিগত জীৱনলৈ নামি অহা এনে দুৰ্যোগে তেওঁৰ জীৱনলৈ চৰম অনিৰাপত্তা নমাই আনিছিল যদিও পৰিস্থিতিৰ ওচৰত হাজৰিকাই সেও নামানিলে। সকলো বাধা বিঘিনি নেওচি গভীৰ আস্থাৰে গীত গাই যাবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ হ'ল।

ভূপেন হাজৰিকাৰ গীতবোৰক পটভূমি, ভাব - ভাষা আৰু অনুভৱৰ প্ৰতি লক্ষ্য ৰাখি কিছুমান ভাগত ভগাব পাৰি। সেয়া বহলভাৱে অতীত মূৰ্ত্ত হোৱা গীত, ৰাজনৈতিক পটভূমিৰ গীত, সামাজিক বিষয়ৰ গীত, মানৱ প্ৰেমৰ গীত, সাময়িক প্ৰসঙ্গৰ গীত আৰু শিশু গীত। তেখেতৰ এই গীতবোৰে অসমীয়া জাতীয় জীৱনক স্পৰ্শ কৰি যোৱাৰ উপৰিও তেখেতৰ মৰ্মস্পৰ্শী কণ্ঠৰ বাবে এই গীতে অসমীয়া জনসমাজত বিপুলভাৱে জনপ্ৰিয়তা লাভ কৰিছে। সমাজৰ দুৰ্বলতাবোৰ গীতৰ কথাৰেৰে দাঙি ধৰি গাইছে - 'জীয়াই থাকি এখনি সমাজ গঢ়িবৰ মোৰ মন আছে, য'ত সোণতকৈও মানুহৰ দাম অলপ হ'লেও বেছি আছে', 'সক সক সমাজৰ সক সক বিচাৰত ভেকুলীয়ে বৰ লাজ পায়', 'আনক মাৰি ধন সাঁচিবলৈ গুৰুৱে শিক্ষা নিদিলে', ইত্যাদি। সমাজক সময়মতে নতুন যুগৰ বাণীৰে দীক্ষিত হ'বলৈ তেওঁ গীতেৰে সজাগ কৰি দিছে— 'মহাশূণ্যত উপগ্ৰহ সাজি এইয়া গণসংযোগ কৰোৱাৰ যুগ', 'আমি বিশ্বৰ শৰীৰত পঙ্গু অঙ্গ হ'লে বিশ্বই জানো ভাল পাব"। অৱশ্যে বিষ্ণু ৰাভাৰ দৰে সমাজত ন্যায় প্ৰতিষ্ঠা কৰিবলৈ বন্দুক হাতত তুলি সাম্যবাদ প্ৰতিষ্ঠাৰ বাবে যুঁজ কৰাৰ কথা তেওঁ কল্পনা কৰা নাছিল। ভৰতীয় গণ নাট্য সঙ্ঘৰ লগত হাজৰিকাদেৱৰ সম্পৰ্ক থকা বাবে বহুতে তেওঁক কমিউনিষ্ট বুলি ভাবিছিল যদিও প্ৰকৃততে কোনো 'ইজম'ত তেওঁ বিশ্বাস নকৰিছিল। কিন্তু তেওঁৰ গীতত এক আশাবাদী মনোভাব দেখা পোৱা যায়। সমাজক নতুন ৰূপ দিওঁতে যদি কিবা দুস্কৃতিৰ সৃষ্টি হয় তেনেহলে তাক দুৰ কৰাৰ বাবে তেওঁ নতুন পুৰুষ সকলক আহ্বান জনাইছে—

"নতুন পুৰুষ, নতুন পুৰুষ
তুমিতো নোহোৱা আৰু ভীৰু কাপুৰুষ

হাতে কামে আজি যদি নোহোৱা পুৰুষ
কাইলৈ হ'বা তুমি পুৰণি পুৰুষ।।"

ডঃ হাজৰিকাৰ বিভিন্ন গীতত অসমীয়া সমাজ জীৱনৰ চিত্ৰ দেখিবলৈ পোৱা যায়। 'আগলি বাঁহৰে লাহৰি গগনা', 'ব্ৰহ্মপুত্ৰৰ কাৰণে মাতিবানো কাক' আদি গীতত সেই যুগৰ অসমীয়া সমাজ জীৱনৰ কিছু চিত্ৰৰ প্ৰতিফলন দেখা যায়। বৰ্ত্তমান আধুনিক জগতত অসমীয়া সমাজতো বস্তুবাদী মনোভাবে গা কৰি উঠিছে। এক শ্ৰেণী চহকী লোকৰ মাজত পশ্চিমীয়া অনুকৰণত খোজ দি ঐহিক সুখ সম্ভোগৰ প্ৰতি লালায়িত হোৱাৰ প্ৰৱণতা গঢ়ি উঠিছে। এই শ্ৰেণী লোকৰ আধুনিকতা আৰু তথাকথিত প্ৰেম হাজৰিকাদেৱৰ কিছু গীতত প্ৰকাশ পাইছে। 'গুপুতে গুপুতে কিমান খেলিম/ আলিঙ্গনৰ এই খেলা/ ছাটিয়াও আহাঁ আকাশে বতাহে/ দুয়োৰে বঙৰ মেলা।' 'কি যে তোমাৰ সঙ্গ প্ৰিয়া/ মিঠা তোমাৰ সঙ্গ/ তোমাৰ অঙ্গ জ্বলন্ত জুই/ মই যে পতঙ্গ।' হাজৰিকাদেৱৰ গীতত সমাজৰ বহুতো দুৰ্বলতা প্ৰকাশ পাইছে যদিও বহুতো গীতত ভাব আৰু অনুভূতিৰ আশানুৰূপ গভীৰতা উপলব্ধি নহয়। কিছু গীতত পৰিবৰ্ত্তিত সমাজৰ প্ৰতিচ্ছবি প্ৰকাশ পাইছে। তেখেতৰ বহু গীত সুৰ প্ৰধান, শব্দপ্ৰধান নহয়। তেখেতৰ গীতত সমাজৰ নিয়ম ভঙাৰ উল্লেখ থকা বাবে কিছুক্ষেত্ৰত সমালোচনাও হৈছে। কিন্তু সুৰৰ কোমলতাই এই গীতবোৰকো মোহিনীৰূপ দিছে।

"সমাজৰ নীতি নিয়ম
ভঙাটোও নতুন নিয়ম
আজি নিশা নেবাবা সোপ
কৰি মোক নিসঙ্গ"

ডঃ হাজৰিকাদেৱৰ গীতিকাৰ জীৱনৰ আৰম্ভণিতে ৰচনা কৰা গীত — 'অগ্নি যুগৰ ফিৰিঙতি মই', 'নৱকাকালৰ অস্ত্ৰ সাজি শোষণকাৰীক বধিম' ইত্যাদিত বিদ্ৰোহৰ ভাব প্ৰকাশ পালেও প্ৰকৃততে তেখেত এজন মানৱতাবাদী। তেখেতৰ বহুগীতত মানৱতাবাদী দৃষ্টিভঙ্গী স্পষ্ট। নতুন যুগৰ মানৱতাবাদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা নতুন চিন্তাধাৰা আৰু চেতনা

হাজৰিকাদেৱে অসমীয়া জাতীয় জীৱনলৈ আনিলে। মানৱপ্ৰেমৰ বিশ্বজনীন ভাবেৰে লুইতপৰীয়া অসমীয়া জাতীয় নিচলা পীড়িত মানুহৰ জীৱন দেখি গাইছিল—

"মানুহে মানুহৰ বাবে
যদিহে অকনো নাভাবে
অকনি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা? সমনীয়া।"

তেখেতৰ 'গঙ্গা মোৰ মা, পদ্মা মোৰ মা/ মোৰ চকুলোৰে দুটি ধাৰা মেঘনা যমুনা', 'মই এটি যাযবৰ/ ধৰাৰ দিহিঙে দিপাঙে লৱৰোঁ/ নিৰিচাৰি নিজা ঘৰ' আদি গীতত বিশ্বজনীনতাভাব ফুটি ওলাইছে। হতাশাগ্ৰস্ত হৈ জীৱনৰ পৰা পলাই যাব বিচৰা লোকসকলৰ বাবে আশাৰ পথ দেখুৱাই হাজৰিকাদেৱে গাইছে- 'যদি জীৱনে কান্দে নাই নাই বুলি যদি দুখতে উৰে ধৰণীৰ ধুলি/ নিৰাশাই আশাবোৰ ভাঙিব খুজিলে মই গোৱা গীতটি গাবা।' আকৌ আন এটিত গাইছে- "মোৰ গান হওক/ বহু আস্থাহীনতাৰ, বিপৰীতে/ এক গভীৰ আস্থাৰ গান।"

হাজৰিকাদেৱৰ বহু গীতত প্ৰেম অন্বেষণৰ সন্ধানও পোৱা যায়। তেখেতৰ এই প্ৰেম গীতবোৰত সজাগ ইন্দ্ৰিয়াসক্তিৰ পৈণত ভাব কোমলভাৱে প্ৰকাশ পাইছে। তেখেতৰ - 'মই যেন আজীৱন/ উৰণীয়া মৌ, জিৰাবৰ নাই তৰু তৃণ/ জিৰণীয়া মৌ দেখি /ভবোঁ একোদিন/ মই কিয় ঠিকনাবিহীন।' গীতটোত যেন উৰণীয়া মৌ সদৃশ প্ৰেমিক পুৰুষক ক্ষণিক জিৰাবলৈ ছাঁয়া দিবৰ বাবে তৃণ সদৃশ নাৰীক আহ্বান জনাইছে। ভূপেন হাজৰিকাৰ গীতত নাৰী আৰু প্ৰেমে এক বিশেষ স্থান লাভ কৰিছে। শৰৎকালৰ খিৰিকীমুখত থিয় হৈ প্ৰেমিকে এনেদৰে ভাব প্ৰকাশ কৰিছে —

"এটুকুৰা আলসুৱা মেঘ উটি যায়
মোৰো কল্পনাই বাট হেৰুৱায়
মই আছোঁ শাৰদীয় খিৰিকী মুখত
বুকুৱে বিচনাজনলৈ বাট চাই।"

ডঃ হাজৰিকাৰ বহু গীতত স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা তেওঁৰ আকুণ্ঠ প্ৰেম প্ৰকাশ পাইছে। জন্মভূমি অসমক মাতৃৰূপত কল্পনা কৰা এই গীতত পুৰণি অসমৰ পৰ্বতে - ভৈয়ামে বাস কৰা থলুৱা লোকসকলৰ ভাব-ভাষা আদিও ফুটি ওলাইছে। পৰ্বত ভৈয়ামৰ গীত গাই দুই এলেকাৰ লোকসলৰ মাজত সদায় তেওঁ এক সম্প্ৰীতিৰ ভাব অটুত ৰাখিবলৈ চেষ্টা কৰিছিল। পুৰণি অসমক সূৰ্য্য উঠা দেশ বুলি অভিহীত কৰি তেওঁ গাইছে—

"অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব্ব দিশত সূৰ্য্য উঠা দেশ।"

বসন্ত কালক লৈ হাজৰিকাই বহুগীত ৰচনা কৰিছে। বহাগ মাহক লৈ তেওঁ গাইছে - 'বহাগ মাথোঁ এটি ঋতু নহয়/ নহয় বহাগ এটি মাহ/ অসমীয়া জাতিৰ ই আয়ুস ৰেখা/ গণ জীৱনৰ ই সাহ।' আকৌ আন এটি গীতত গাইছে — 'বহাগতে আমাৰ আই/ মহৰা হৈ ঘূৰে/ মাঘৰ সোণত হাতেৰে লখিমী আদৰে।' বসন্ত কালৰ নিচিনাকৈ শৰৎ কালৰো মনোৰম বৰ্ণনা তেওঁৰ গীতত ফুটি ওলাইছে আৰু এই শৰৎ কালতেই তেওঁ ৰচনা কৰা কিছুমান কালজয়ী গীত শুনিলেই শৰৎ কালৰ আগমনৰ আভাস পোৱা যায়। প্ৰকৃতিৰ নিয়মমতে বহাগ আহিলে যেনেদৰে কপৌ, আজাৰ - নাহৰ ফুলে, গছৰ ডালত বহি কুলিয়ে গীত গাই পৃথিৱী শ্যামল কৰি তোলে, তেনেদৰে শৰৎ কালতো কঁহুৱাৰ সৌন্দৰ্য্য আৰু শেৱালীৰ সুবাসে সকলোৰে মন-প্ৰাণ হৰি লৈ যায়। ১৯৫৯ চনৰ শাৰদীয় বতৰত হাজৰিকাই গাইছিল —

"কঁহুৱা বন মোৰ অশান্ত মন
আলফুল হাতেৰে লোৱা সাৰটি
অ' এটি এটি কণ যেন মুকুতাৰ ধন
এনেয়ে হেৰুৱালে নাহে উভতি।"

১৯৬৩ চনৰ শৰতৰ এটি সন্ধিয়াত শাৰদীয় দুৰ্গাপূজাৰ এক উৎসৱমুখৰ পৰিবেশত নিজকে বিলাই দিব নোৱাৰি অভিমানী প্ৰেয়সীক

উদ্দেশ্য কৰি মনৰ বেজাৰত তেওঁ গাইছিল –

'আকাশী গঙ্গা বিচৰা নাই -
নাই বিচৰা স্বৰ্ণ অলংকাৰ
নিষ্ঠুৰ জীৱনৰ সংগ্ৰামত
বিচাৰোঁ মৰমৰ মাত এষাৰ'

অসমৰ প্ৰতি ব্যক্তিৰে ভূপেন হাজৰিকা' অতি আপোন। সেয়েহে ১৯৬০ চনত হোৱা ভাষা আন্দোলন, ১৯৭২ চনৰ মাধ্যম আন্দোলন,১৯৭৯ চনৰ অস্তিত্বৰক্ষাৰ আন্দেলন আদিৰ সংকটকালত অসমৰ মানুহে তেখেতৰ উপস্থিতি কামনা কৰিছিল। তেখেতৰ সাময়িক অনুপস্তিতিত অসমৰ বাতৰি কাকতে-- 'ভূপেন হাজৰিকা এতিয়া ক'ত?' বুলি ক্ষোভ প্ৰকাশ কৰিছিল। এনে সঙ্কটকালতেই তেখেতে অসমত উপস্থিত হৈ অসমৰ গাঁৱে-ভূঞে গৈ শান্তি পানী চটিয়াইছিল। ১৯৭২চনৰ মাধ্যম আন্দোলনৰ সময়ত গাই ছিল -- 'অসমীয়া জাতিটোৰে অসমীয়া কৰলৈ /কাকনো কৰিছে বলাৎকাৰ।/ অসমীয়া ভাষাটিৰ অসমতে নাই জানো/ যোগ্যতা পোৱাৰ অধিকাৰ? তেনেদৰে১৯৮০ চনত অস্তিত্ব ৰক্ষা আন্দোলনৰ সময়ত অসমীয়া মানুহৰ দেশপ্ৰেম দেখি তেওঁ 'আমি অসমীয়া নহওঁ দুখীয়া' গীতটোৰ কলিবোৰ সলনি কৰি তেখেতে গাইছিল –

"অসম মৰিলে আমিও মৰিম' বুলি
কৰলৈ কোনো যে নাই - বুলি আজি কোনে কয়?..
অসম মৰিলে আমিও মৰিম বুলি, কৰলৈ খহিদো আছে
আজি অধিকাগিৰীৰ চিএৰক হেজাৰে
হাতে কামো নৱৰূপ দিব।"

বিভিন্ন সময়ত বিভিন্ন গীত ৰচনা কৰি সুৰ দি গোৱাৰ উপৰিও হাজৰিকাদেৱে চলচ্চিত্ৰ সঙ্গীত জগতৰ লৈতে যুক্ত হৈ বহুতো অসমীয়া, বঙালী, হিন্দী কথাছবিৰ সঙ্গীত পৰিচালনাও কৰিছে। কৈশোৰ বয়সতে অসমীয়া চলচ্চিত্ৰৰ সঙ্গীতৰ লৈতে সম্পৰ্ক ঘটা ভূপেন হাজৰিকাই ১৯৩৯ চনত মুক্তি লভা দ্বিতীয়খন অসমীয়া কথাছবি জ্যোতিপ্ৰসাদ

আগৰৱালাদেৱৰ 'ইন্দ্ৰমালতী'ত অভিনয় কৰাৰ লগতে 'বিশ্ববিজয়ী নজোৱান' গীতটো গাইছিল। ইয়াৰ পিছত কেবাখনো অসমীয়া কথাছবিত কণ্ঠ দান কৰি আৰু সহকাৰী সঙ্গীত পৰিচালনা কৰিছিল যদিও অসমীয়া দশমখন ছবি 'সতী বেউলা'ৰ পৰাহে ডঃ হাজৰিকাই স্বাধীনভাৱে সঙ্গীত পৰিচালনাৰ দায়িত্ব পায়। 'সতী বেউলা'ৰ পৰা বৰ্ত্তমানলৈকে তেওঁ উনত্ৰিশখন অসমীয়া কাহিনী চিত্ৰৰ সঙ্গীত পৰিচালনা কৰে। তাৰ ভিতৰত 'চামেলী মেমচাব' ছবিখনৰ সঙ্গীত পৰিচালনা কৰি অসমৰ চলচ্চিত্ৰ জগতলৈ প্ৰথমটো আগশাৰিৰ ৰাষ্ট্ৰীয় বটা - 'শ্ৰেষ্ঠ সঙ্গীত পৰিচালক' আনিছিল। ১৯৫৫ চনত নাট্যকাৰ ফণী শৰ্মাই পৰিচালনা কৰা 'পিয়লী ফুকন' কথাছবিখন হাজৰিকাই সঙ্গীত পৰিচালনা কৰা দ্বিতীয়খন কথাছবি । সেই সময়তে ১৯৫৬ চনত তেখেতে নিজৰ কাহিনী, নিজা চিত্ৰনাট্য আৰু নিজৰ সঙ্গীত পৰিচালনাত নিৰ্মাণ কৰা কথাছবিখন হ'ল 'এৰাবাটৰ সুৰ'। এই কথাছবিখন তেওঁৰ আত্মজীৱনীৰ ওপৰত নিৰ্মিত বুলি কোৱা হয় । ইয়াৰ উপৰি হাজৰিকাদেৱে 'আৰোপ', 'একপল' ,'কুদালী', 'পপিহা', 'সাজ', 'দৰমিয়া', 'মিল গয়ী মঞ্জিল মুঝে', 'গজগামিনী', 'দমন',.'চামেলী মেমচাব', 'মেৰা ধৰম মেৰি মা' কে আদি কৰি এঘাৰখন হিন্দী কথাছবি, 'অসমাপ্ত', জীৱনতৃষ্ণা', 'কড়ি ও কোমল', 'মোনাকিৰ আলো', 'মাহুত বন্ধুৰে', 'দুই বেচেৰা', এখানে পিঞ্জৰ', 'দম্পতী মেমচাব', 'গজমুক্তা' কে আদি কৰি দহখন বঙালী কথাছবি, এখন বড়ো কাহিনী চিত্ৰ ('জীউনী চিমাং'), এখন পূৰ্ণ দৈৰ্ঘ্যৰ টেলিফিল্ম ('মিৰি জীয়ৰী'), এখন বাংলাদেশৰ কাহিনী চিত্ৰ ('সীমানা পেড়িয়ে'), এখন ভোজপুৰী কাহিনী চিত্ৰ ('ছট মাইয়া কী মহিমা') আৰু এখন ডাবিং ছবি ('ভাগ্য)ৰ সঙ্গীত পৰিচালনা কৰিছে। ১৯৯৩ চনত কল্পনা লাজমীৰ পৰিচালনাত নিৰ্মিত হিন্দী কথাছবি 'ৰুদালি'ৰ সঙ্গীত পৰিচালনা কৰিছিল ডঃ ভূপেন হাজৰিকাই। 'ৰুদালি' কথাছবিখন অস্কাৰ পুৰস্কাৰৰ বাবেও মনোনীত হৈছিল। চিৰিয়াৰ ৰাজধানী দামাস্কাচত অনুষ্ঠিত আন্তৰ্জাতিক কথাছবি মহোৎসৱলৈও এই কথাছবিখন আমন্ত্ৰিত হৈছিল। ১৯৭৮ চনত ডঃ হাজৰিকাই বাংলাদেশৰ

প্ৰযোজনাত নিৰ্মিত হোৱা 'সীমানা পেড়িয়ে' ছবিখনৰ সংগীত পৰিচালনা কৰি বাংলাদেশ সাংবাদিক সন্থা আৰু বাংলাদেশ চলচ্চিত্ৰ উদ্যোগৰ পৰা সেই বছৰৰ শ্ৰেষ্ঠ সঙ্গীত পৰিচালকৰ বঁটা পাইছিল।

অসমীয়া গীতৰ উপৰিও বাংলা, হিন্দী, ইংৰাজী ইত্যাদি বিভিন্ন ভাষাত কণ্ঠ দান কৰা ডঃ হাজৰিকাই সাংস্কৃতিক দিশত বহুবাৰ ভাৰতক প্ৰতিনিধিত্ব কৰি বিদেশলৈ গৈছে। ১৯৫৬ চনত ভাৰতৰ সাংস্কৃতিক সংস্থাৰ সদস্য হিচাপে ফিনলেণ্ড, ৰাচিয়া আদি ভ্ৰমণৰ উপৰিও ১৯৭২ চনত বাৰ্লিনত অনুষ্ঠিত দ্বিতীয় আন্তৰ্জাতিক সঙ্গীত সম্মিলনত যোগদান, বাংলাদেশ মুক্তিৰ পিছত ১৯৭২ চনত বাংলাদেশ ভ্ৰমণ, ১৯৭৩ চনত পুনৰ বাৰ্লিন ভ্ৰমণ, ১৯৭৯ চনত কিছুমান সাংস্কৃতিক অনুষ্ঠানৰ আমন্ত্ৰন মৰ্মে আমেৰিকা যাত্ৰা আৰু নিউয়ৰ্কৰ টেগোৰ চাইটিৰ উদ্যোগত অনুষ্ঠিত বিশাল সমাৱেশত গীত পৰিবেশন, ১৯৮০ চনত জাপান যাত্ৰা কৰি টোকিঅ', ইয়াকোহামা আদি চহৰত গীত পৰিবেশন, ১৯৮৪ চনত পুনৰ বাংলাদেশ ভ্ৰমণ, ১৯৮৯ চনত চাৰিমাহজোৰা আমেৰিকা যাত্ৰা, ১৯৯২ চনত আমেৰিকাৰ অসম এচোচিয়েচনৰ দ্বাৰা আমন্ত্ৰিত হৈ চিকাগো, আটলাণ্টা, নিউ জাৰ্চিত গীত পৰিবেশন কৰি অসমলৈ গৌৰব কঢ়িয়াই আনিছিল।

গীত ৰচনা, চলচ্চিত্ৰ পৰিচালনা, চলচ্চিত্ৰৰ সঙ্গীত পৰিচালনা আদি দিশত হাজৰিকাদেৱে যশস্যা লাভ কৰিলেও জীৱনৰ মাজভাগত ৰাজনীতিত কিছুসময়ৰ বাবে প্ৰৱেশ কৰি তেখেতে বিশেষ দক্ষতাৰ পৰিচয় দিব নোৱাৰিলে। লক্ষীমপুৰ অঞ্চলত 'মিৰি জীয়ৰী' টেলিফিল্মখনৰ নিৰ্মাণৰ কাম কৰি থাকোঁতে লক্ষীমপুৰৰ কিছুলোকে তেওঁক নাওবৈচা সমষ্টিৰ পৰা বিধানসভা নিৰ্বাচনত থিয় দিবলৈ অনুৰোধ কৰিলে। ৰাইজৰ সমৰ্থনত ১৯৬৭ চনত হাজৰিকাই এই সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে থিয় হৈ প্ৰায় চৈধ্য হাজাৰ ভোটত কংগ্ৰেছ প্ৰাৰ্থীজনক হৰুৱাই সেই সময়ৰ ৰাজধানী শিলঙৰ বিধানসভালৈ যায়। বিধানসভাৰ মজিয়াত অসমৰ কৃষ্টি সংস্কৃতি বিকাশৰ বাবে ফিল্ম ষ্টুডিঅ', কলা বীথিকা, আৰ্ট গেলাৰী, ৰাজ্যিক নাট্যশালা আদি অসমত স্থাপনৰ হকে মাত মাতিছিল।

অসমীয়া সাহিত্য জগতলৈও হাজৰিকাইদেৱৰ বৰঙণি লেখত লবলগীয়া। কেবাখনো গীতৰ সংগ্ৰহ, 'সুন্দৰৰ সৰু-বৰ আলিয়েদি', 'সহস্ৰজনে মোক প্ৰশ্ন কৰে', সৌৰকণী মোৰ বাওলী জীৱনৰ', 'জিলিকাব লুইতৰে পাৰ', 'সংগ্ৰাম লগ্নে আজি', 'আগলি বাহঁৰে লাহৰী গগণা', 'বহ্নিমান ব্ৰহ্মপুত্ৰ', 'মই এটি যাযাবৰ' আদি তেখেতৰ কেইখনমান জনপ্ৰিয় গ্ৰন্থ।

অসমৰ জাতীয় জীৱনলৈ আগবঢ়োৱা বিশিষ্ট বৰঙণিৰ বাবে ডঃ ভূপেন হাজৰিকাক ১৯৯৩চনত শিৱসাগৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ৫৯ তম অধিবেশনৰ সভাপতি পদেৰে সন্মানিত কৰা হয়। ১৯৯৯চনত তেখেতে সঙ্গীত নাটক একাডেমীৰ সভাপতি পদত অধিষ্ঠিত হৈ বৰ্ত্তমানলৈকে কাৰ্য্যনিৰ্বাহ কৰি আছে। ১৯৭৭ চনত তেখেতে পদ্মশ্ৰী সন্মান আৰু ২০০1 চনত পদ্মভূষন সন্মান লাভ কৰে। ১৯৮৮ চনত হাজৰিকাদেৱলৈ অসম চৰকাৰে শঙ্কৰদেৱ বঁটা আগবঢ়ায়। চলচ্চিত্ৰ নিৰ্মাতা হিচাপে ৰাষ্ট্ৰীয় বঁটা লাভ কৰাৰ উপৰিও শ্ৰেষ্ঠ সঙ্গীত পৰিচালকৰ বঁটা আৰু ১৯৯৩ চনত ভাৰতীয় চলচ্চিত্ৰৰ সৰ্ব্বোচ্চ সন্মান 'দাদা চাহেব ফাল্‌কে' বঁটা ডঃ হাজৰিকাদেৱলৈ আগবঢ়াই তেখেতৰ প্ৰতিভা আৰু সন্মানক যথাযথ স্বীকৃতি দিয়ে।

বৰ্ত্তমানে মুম্বাই চলচ্চিত্ৰ জগতত প্ৰযোজক আৰু সংগীত পৰিচালক হিচাপে ব্যস্ত হৈ থকা ডঃ ভূপেন হাজৰিকাদেৱে অলপতে কটন কলেজৰ সোণালী জয়ন্তী উৎসৱৰ সাংস্কৃতিক মঞ্চত গীত পৰিবেশন কৰোঁতে এটি কণমানি শিশুৱে মঞ্চলৈ গৈ কাগজৰ টুকুৰা এটিৰ যোগেৰে 'সাগৰ সঙ্গমত' গীতটো গাবলৈ অনুৰোধ কৰাত হাজৰিকাদেৱে হাঁহি মাৰি কৈছিল -- 'বিন্দুৱে মোৰ পৰা সাগৰ বিচাৰিছে।' এই গীতটো তেখেতৰ নিজৰো অতি প্ৰিয় গীত। সাগৰৰ বিশালতা থকা হাজৰিকাদেৱে শিশুটিৰ অনুৰোধ ৰক্ষা কৰি পুনৰ

গাইছিল--

"সাগৰ সঙ্গমত, কতনা সাতুৰিলো
তথাপিতো হোৱা নাই ক্লান্ত
তথাপি মনৰ মোৰ প্ৰশান্ত সাগৰৰ উৰ্ম্মিমালা অশান্ত।"

আন্তজাতিক খ্যাতিসম্পন্ন শিল্পী ডঃ ভূপেন হাজৰিকাৰ সৃষ্টিসমূহৰ লগতে সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ লোক-সংস্কৃতি সংৰক্ষণৰ হ'কে বিজ্ঞান সম্মতভাৱে অসমত এটা 'আৰ্কাইভ' গঢ়ি তুলিবলৈ বৰ্ত্তমানে এক প্ৰচেষ্টা চলি আছে। ডঃ হাজৰিকাদেৱে নিজেও 'Institute of Performing Arts' নামেৰে শিল্প অনুষ্ঠান এটি আৰম্ভ কৰাৰ বিষয়ে গুণাগঁথা কৰি আছে। এই সৃষ্টি সঁমূহৰ সংৰক্ষণে অদুৰ ভৱিষ্যতলৈ অসমৰ ৰাইজক সাংস্কৃতিক দিশত সজাগ কৰি ৰাখিব বুলি আশা কৰিব পাৰি।

*********

## সহায়ক গ্ৰন্থপঞ্জী আৰু আলোচনীৰ তালিকা


১। 'মই এটি যাযাবৰ' -- ডঃ ভূপেন হাজৰিকা।

২। 'জিলিকাব লুইতৰে পাৰ', 'বহ্নিমান ব্ৰহ্মপুত্ৰ' -- ডঃ ভূপেন হাজৰিকা

৩। 'ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ' -- ডঃ দিলীপ দত্ত

৪। গৰীয়সী (জানুৱাৰী ২০০০ ইং)

৫। 'সন্তাৰ' (প্ৰতিদিন দেওবৰীয়া আলোচনী)৯' চেপ্তেম্বৰ ২০০১।

৬। 'প্ৰতিদিন' (১১ চেপ্তেম্বৰ২০০১)


*********